
# কানৈয়ান

ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ

পঞ্চসপ্ততি সংখ্যক বাৰ্ষিক মুখপত্ৰ

২০২১-২২ বৰ্ষ




সম্পাদক

নিপু বৰুৱা

মহাবিদ্যালয়ৰ নাম পৰিৱৰ্তন হোৱাৰ বাবে পুৰণা প্ৰতীকটোৰ সলনি ইং ১৯৫২ চনত কানৈ মহাবিদ্যালয়ৰ বাবে এটা নতুন প্ৰতীক গ্ৰহণ কৰা হয়। এই প্ৰতীকটো আঁকি দিয়ে ডিব্ৰুগড়ৰ শ্ৰী ৰবিন্দ্ৰ ভট্টাচাৰ্য নামৰ এগৰাকী শিল্পীয়ে। এই প্ৰতীকৰ ব্যাখ্যা তলত দিয়া ধৰণে দিয়া হৈছে ঃ প্ৰতীকটোৰ প্ৰধান চানেকিটো লোৱা হৈছে পদুম ফুলৰ পাহিৰ আৰ্হিত। পদুম ফুল হৈছে ভাৰতীয় সংস্কৃতিৰ প্ৰতীক। মহাবিদ্যালয়ৰ নামাংকিত থকা তলছোৱাত বহল; কিন্তু ওপৰলৈ ক্ৰমাৎ ক্ষীণ হৈ এটা তীক্ষ্ণ চূড়াত মিলিত হৈ পৰা ৰেখা যিডাল এটা বৌদ্ধ মঠৰ তোৰণৰ আৰ্হিত অংকিত হৈছে।

প্ৰতীকটোৰ ঠিক মধ্যভাগত দুডাল তৰংগায়িত ৰেখা প্ৰত্যক্ষ কৰা যায়, যাৰ সন্মুখভাগত বিৰাট এক গড় বা দুৰ্গৰ কিছু অংশ ৰেখাচিত্ৰৰে ৰূপ দিয়া হৈছে। এই তৰাংগায়িত ৰেখা আৰু গড়ৰ নক্সাই মহাবিদ্যালয়ৰ অৱস্থান সূচাইছে। ১৯২৫ চনলৈকে ডিব্ৰু নৈৰ পাৰত এটা গড় আছিল আৰু এই গড়ৰ পৰাই এই ঠাইৰ নাম ডিব্ৰুগড় হয়। সমান্তৰাল এই ছন্দোবদ্ধ ৰেখাকেইডালে ডিব্ৰু নৈ আৰু ব্ৰহ্মপুত্ৰ নৈক ৰূপায়িত কৰিছে। ইয়াৰ অন্য এটা অন্তৰ্নিহিত অৰ্থ বা তাৎপৰ্য এনেধৰণৰ হ'বও পাৰে যে বিশাল ব্ৰহ্মপুত্ৰ নৈখন অসমৰ বুকুৰেদি বৈ থকাৰ দৰে অসমৰ চুকে-কোণে থকা সকলো অধিবাসীয়েই আঞ্চলিক বিভিন্নতা পাহৰি একেটা সংস্কৃতিকে সাৱটি ধৰি আছে। এই সংস্কৃতিয়ে যুগৰ লগত তাল ৰাখি বৈচিত্ৰ্য আৰু বিৰোধৰ মাজতো ঐক্য প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে। এই দুৰ্গ বা ঘৰটোৱেই হ'ল জ্ঞানৰ দুৰ্গ বা শিক্ষা অনুষ্ঠানটোৰ প্ৰতীক, বাহিৰৰ ধ্বংসকাৰী অসৎ শক্ৰবোৰৰ পৰা এই দুৰ্গই জ্ঞানক সদা-সৰ্বদা ৰক্ষা কৰি থাকে। দুৰ্গৰ অভ্যন্তৰৰ ভাগ পোহৰাই তুলিছে মাটিৰ চাকিত প্ৰজ্বলিত এটি দীপশিখাই। এই দীপশিখাৰ তাৎপৰ্য হ'ল পবিত্ৰতা আৰু জ্ঞানৰ জ্যোতিমণ্ডল। প্ৰতীকত ব্যৱহৃত নীতিবাক্য ফাঁকিৰ অৰ্থ হ'ল— "জ্ঞানতকৈ শ্ৰেষ্ঠ একো নাই।"

এই শিক্ষানুষ্ঠানসমূহৰ লক্ষ্যসমূহৰ কথা লক্ষ্য ৰাখি প্ৰতীকটোৰ পটভূমিত পৰ্বতমালা আৰু তিনিটা শৃংগৰ অংকন কৰা হৈছে। আন আন বিষয়ৰ শিক্ষাদানৰ লগতে প্ৰাকৃতিক সম্পদ আহৰণৰ বিষয়ে শিক্ষাদানো এই অনুষ্ঠানৰ লক্ষ্য। অসমৰ প্ৰাকৃতিক সম্পদসমূহ পাহাৰে-ভৈয়ামে সিঁচৰতি হৈ আছে। সেই বাবেই পৰ্বত আৰু শৃংগক এই প্ৰতীকৰ বুকুত স্থান দিয়া হৈছে। তিনিটা শৃংগ মহাবিদ্যালয়ত শিক্ষাদানৰ ব্যৱস্থা থকা তিনিটা বিভিন্ন শাখাৰ (কলা, বিজ্ঞান আৰু বাণিজ্য) প্ৰতীক স্বৰূপ বুলিও ক'ব পাৰি।

গড়ৰ ওপৰ ভাগলৈ অংকিত পদুম ফুলপাহ আমাৰ সংস্কৃতিৰ লক্ষ্যৰ প্ৰতীক— যি মহৎ আদৰ্শৰ লক্ষ্যত উপনীত হ'ব পৰা যায় একান্ত নিষ্ঠা আৰু প্ৰকৃত শিক্ষা লাভৰ দ্বাৰাহে।

প্ৰতীকত অংকিত হাতী দুটাই বনজ সম্পদত চহকী অসমৰ বনৰীয়া জীৱ-জন্তুৰ প্ৰতিনিধিত্ব কৰিছে। পুৰাণত আৰু কালিদাসৰ অমৰ লিখনিতো অসমৰ হাতীৰ উল্লেখ আছে। ৰাজোচিত গাম্ভীৰ্য, জ্ঞান আৰু শক্তিৰ প্ৰতীক হ'ল এই যুগল হাতী। এখন শৰাইৰ দুয়োকাষে পৰস্পৰে মুখামুখিকৈ ভক্তিভাৱেৰে থিয় হৈ এই হাতী দুটাই যেন ইয়াকে বুজাব খুজিছে যে প্ৰকৃত শিক্ষা গ্ৰহণ কৰিবলৈ হ'লে জ্ঞান আৰু শক্তিৰ লগতে ভাক্তিভাৱৰো যোগ থাকিব লাগিব। জ্ঞানে অজ্ঞতাৰ আন্ধাৰ আঁতৰাই আৰু ভক্তিভাৱে অহংকাৰ দূৰ কৰি শিক্ষা লাভৰ পথ নিষ্কণ্টক কৰি তোলে।

আমাৰ অনুষ্ঠানখনি যে সমৃদ্ধিশালী আৰু পৰমেশ্বৰৰ কৃপা লাভ কৰি ধন্য —এই দুয়োটা অৰ্থকে ৰূপায়িত কৰিছে যুগল হাতীৰ শুকুলা দাঁত দুযোৰাই।

(কানৈ মহাবিদ্যালয়ৰ সোণালী জয়ন্তীৰ 'স্মৃতিগ্ৰন্থ'ৰ পৰা)

কা

নৈ

য়া

ন


# কানৈয়ান

ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ

বাৰ্ষিক আলোচনী

৭৫ সংখ্যক বাৰ্ষিক প্ৰকাশ

২০২১-২০২২ বৰ্ষ




প্ৰীতি আৰু শুভেচ্ছাৰে—

......................................................................

...................................................... ৰ হাতত

সম্পাদক

নিপু বৰুৱা

**KANOIAN :** The 75th edition of the College Magazine, *viz.*, 'KANOIAN', the Annual Publication of the DHSK College, Dibrugarh-786001, published by DHSK College Students' Union (2021-22) and printed at Kaustubh Prakashan & Printers, Milan Nagar, Dibrugarh-786003.

## সম্পাদনা সমিতি



উপদেষ্টা ঃ ড° শশীকান্ত শইকীয়া
ড° প্ৰিয়দেৱ গোস্বামী
ড° মৃদুল শৰ্মা

তত্বাৱধায়ক ঃ ড° মনমী বৰুৱা
ড° মিতালী চলিহা
ড° সুনন্দা চাহু
ড° উত্তম মহন
প্ৰতাপ সেনাপতি

সম্পাদক ঃ নিপু বৰুৱা

বেটুপাত অংকন ঃ চিৰঞ্জীৱ সন্দিকৈ

বেটুপাত পৰিকল্পনা ঃ নিপু বৰুৱা

অলংকৰণ ঃ দীপক বৰুৱা

আলোকচিত্ৰ ঃ নিপু বৰুৱা, বিস্মিতা শইকীয়া, পৰিস্মীতা চেতিয়া, দীপশিখা শইকীয়া।

প্ৰকাশক ঃ ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়
ছাত্ৰ একতা সভা (২০২১-২০২২ বৰ্ষ)।

মুদ্ৰণ ঃ **কৌস্তুভ প্ৰিণ্টাৰ্ছ**
মিলন নগৰ, ডিব্ৰুগড় অসম
দূৰভাষ ঃ ৯৪৩৫০৫১৫৪৭
Email : kaustubhprakashan@gamil.com

(বিঃদ্ৰঃ লেখাসমূহৰ মৌলিকতাৰ ওপৰত সম্পাদনা সমিতি দায়ী নহয়। ইলেক্‌ট্ৰনিক মাধ্যমৰ কাৰিকৰী বিজুতিৰ বাবে কিছুসংখ্যক লেখা পৰিচয়বিহীন হৈ ৰ'ল। গতিকে লেখাসমূহৰ বিষয়বস্তুৰ ওপৰত গুৰুত্ব প্ৰদান কৰি সম্পাদনা সমিতিৰ অনুমতি সাপেক্ষে তেনেদৰেই প্ৰকাশ কৰা হ'ল।)



# উৎসৰ্গা

যিসকল মহান ব্যক্তিৰ কঠোৰ পৰিশ্ৰম, ত্যাগ আৰু মহান অৱদানৰ বাবে অসমৰ জ্ঞানৰ বটবৃক্ষ স্বৰূপ ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ে প্ৰতিষ্ঠা লাভ কৰিলে সেইসকল মহান মনীষীৰ শ্ৰীচৰণত শ্ৰদ্ধা সহকাৰে ৭৫ সংখ্যক 'কানৈয়ান'খনি উৎসৰ্গা কৰিলোঁ।

—সম্পাদনা সমিতি।

# শ্ৰদ্ধাঞ্জলি

"মৃত্যুওটো এটা শিল্প
জীৱনৰ কঠিন শিলত কটা নির্লোভ ভাস্কৰ্য"
**—হীৰেন ভট্টাচাৰ্য**



**স্বৰ্গীয় নীলমণি ফুকন**
জ্ঞানপীঠ বঁটা, পদ্মশ্ৰী,
সাহিত্য অকাদেমী বঁটাপ্ৰাপক।
মৃত্যু ঃ ১৯ জানুৱাৰী, ২০২৩



**স্বৰ্গীয় ভীমকান্ত কোঁৱৰ**
প্ৰাক্তন উপাধ্যক্ষ তথা
সমাজসেৱক।
মৃত্যু ঃ ২৭ ডিচেম্বৰ, ২০২২

লগতে বিগত বৰ্ষত আমাৰ মাজৰ পৰা হেৰাই যোৱা কানৈয়ান, প্ৰাক্তন কানৈয়ান, শিক্ষাগুৰুৰ লগতে অসমৰ সাহিত্য, খেল, সমাজ, ৰাজনীতি, অৰ্থনীতি আদি বিভিন্ন দিশত অনৱদ্য অৱদান আগবঢ়োৱা চিৰনমস্য ব্যক্তিসকলৰ আত্মাৰ সদ্‌গতিৰ কামনাৰে গভীৰ শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰিছোঁ।

**সম্পাদনা সমিতি।**


# আলোচনী ‘কানৈয়ান’ৰ সম্পাদনা সমিতি




ড° শশীকান্ত শইকীয়া
উপদেষ্টা



ড° প্ৰিয়দেৱ গোস্বামী
উপদেষ্টা



ড° মৃদুল শৰ্মা
উপদেষ্টা/সমন্বয়ক



ড° মনমী বৰুৱা
তত্ত্বাৱধায়ক



ড° মিতালী চলিহা
সহঃ তত্ত্বাৱধায়ক



ড° সুনন্দা চাহু
সহঃ তত্ত্বাৱধায়ক



ড° উত্তম মহন
সহঃ তত্ত্বাৱধায়ক



প্ৰতাপ সেনাপতি
সদস্য



নিপু বৰুৱা
সম্পাদক



ড° শশীকান্ত শইকীয়া

অধ্যক্ষ




ড° প্ৰিয়দেৱ গোস্বামী

উপাধ্যক্ষ



নৃতত্ত্ব বিভাগ



অসমীয়া বিভাগ



বাংলা বিভাগ



উদ্ভিদ বিজ্ঞান বিভাগ



ৰসায়ন বিভাগ



অৰ্থনীতি বিজ্ঞান বিভাগ



ইংৰাজী বিভাগ

ড° হিমন্ত বিশ্ব শৰ্মা
Dr. Himanta Biswa Sarma

সত্যমেব জয়তে

মুখ্যমন্ত্ৰী, অসম
Chief Minister, Assam



দিছপুৰ
৬ আহিন, ১৪২৯ ভাস্কৰাব্দ
২৩ ছেপ্টেম্বৰ, ২০২২ ইং

## শুভেচ্ছাবাণী

ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'কানৈয়ান' প্ৰকাশৰ বাবে উদ্যোগ লোৱা হৈছে বুলি জানিবলৈ পাই মই আনন্দিত হৈছোঁ।

মানৱ সভ্যতাৰ বিবৰ্তনমুখী যাত্ৰাত মানুহৰ অন্তৰৰ জ্ঞান চেতনাক উদ্ভাষিত কৰি উচ্চাৰিত হোৱা এযাৰি প্ৰাৰ্থনা হৈছে, 'তমসো মা জ্যোতিৰ্গময়'— অৰ্থাৎ 'এন্ধাৰৰ পৰা মোক পোহৰলৈ নিয়া।' জ্ঞানৰ সন্ধানত পৰমেশ্বৰক মানুহে কাতৰ প্ৰাৰ্থনা জনাইছিল, 'ত্বম্ জ্যোতিষা ৰি তমো ৱৱৰ্থ'— অৰ্থাৎ 'তুমি তোমাৰ জ্যোতিৰে অজ্ঞানতাৰ তমসাক বিদূৰ কৰা।' যিসকল মহান ব্যক্তিৰ হৃদয়ত এই প্ৰাৰ্থনাই গভীৰ আলোড়নৰ সৃষ্টি কৰিছিল আৰু যিসকল মনীষীয়ে মানৱ জাতিক অজ্ঞান আন্ধাৰৰ পৰা মুক্ত কৰি জ্ঞানৰ আলোকেৰে উজ্বলাই তুলিবলৈ মহৎ ব্ৰত লৈ আগুৱাই আহিছিল তেখেতসকলেই হৈছে শিক্ষাগুৰু। ভাৰতত অতীজৰে পৰা নৱপ্ৰজন্মৰ মাজত জ্ঞানৰ পোহৰ বিলাবলৈ এচাম নিষ্ঠাৱান শিক্ষক-শিক্ষয়িত্ৰীৰ প্ৰচেষ্টা ফল্গুধাৰাৰ দৰে চিৰপ্ৰবহমান হৈ আছে। শিক্ষাৰ্থীয়ে জ্ঞানৰ সমুদ্ৰত বিচৰণ কৰাৰ দিশত শিক্ষকসকলৰ ভূমিকা অপৰিসীম। শিক্ষকসকলে ইচ্ছা কৰিলেই বিদ্যাৰ্থীৰ চেতন-মনন আৰু বৌদ্ধিক চিন্তনক ইতিবাচক আদৰ্শৰে পৰিচালিত কৰি এখন সমৃদ্ধিশালী আৰু শক্তিশালী উত্তৰণমুখী সমাজ গঢ়ি তুলিব পাৰে। শিক্ষকৰ প্ৰভাৱতে শিক্ষাৰ্থীৰ মানসিকতাৰ ৰূপান্তৰ প্ৰক্ৰিয়া আৰম্ভ, শ্ৰীবৃদ্ধি আৰু বিকাশ হয়। নিঃসন্দেহে পৃথিৱীৰ অধিকাংশ মহৎ ব্যক্তিৰ সৃষ্টি আৰু নিৰ্মাণৰ অন্তৰালত শিক্ষকসকলৰ প্ৰয়াস, উৎসাহ, প্ৰেৰণা আৰু প্ৰভাৱ অন্তৰ্নিহিত হৈ আছে।

মই ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ বছৰেকীয়া আলোচনীখন সৰ্বাংগসুন্দৰ ৰূপত প্ৰকাশৰ কামনা কৰিলোঁ।

(ড° হিমন্ত বিশ্ব শৰ্মা)

**ৰণোজ পেগু**
**মন্ত্ৰী**
শিক্ষা, জনজাতি পৰিক্ৰমা (ভৈয়াম)
খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস আৰু
সংস্কৃতি (সংগ্ৰহালয় আৰু পুথিভঁৰাল
সঞ্চালকালয়)

সত্যমেৱ জয়তে

ব্লক - বি, তৃতীয় মহলা,
জনতা ভৱন, দিশপুৰ,
গুৱাহাটী - ৭৮১০০৬
দূৰভাষ ঃ ০৩৬১-২২৩৭০২৩
৯৯৫৪৭০৩৮২৫




# শুভেচ্ছাবাণী

মই জানিবলৈ পাই আনন্দিত হৈছো যে ডিব্ৰুগড় জিলাৰ উচ্চ শিক্ষাৰ এক অগ্ৰণী শিক্ষানুষ্ঠান ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী "কানৈয়ান" প্ৰকাশৰ দিহা কৰা হৈছে।

বিশিষ্ট শিক্ষাবিদ আৰু প্ৰবন্ধকাৰ সত্যনাথ বৰাদেৱে কৈছিল -

"কৰ্তব্যজ্ঞানে লোকক উদাৰ আৰু মহৎ কৰে, এলাহে অধম কৰে"।

যি ব্যক্তিয়ে নিজৰ কৰ্তব্যক শ্ৰদ্ধা কৰে সেই ব্যক্তি তেওঁৰ কৰ্ম জীৱনত সদায়েই আগুৱাই যায়। আমাৰ জীৱনত প্ৰায় প্ৰতিটো ক্ষেত্ৰত শিক্ষাই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। ছাত্ৰ ছাত্ৰী সকলে ছাত্ৰ অৱস্থাত অধ্যয়নত একান্ত মনে মনোনিবেশ কৰিব লাগে তেতিয়াহে তেওঁলোকৰ ভৱিষ্যত জীৱন সুন্দৰ হৈ উঠে। আশাকৰো শিক্ষানুষ্ঠান খনে ইয়াৰ জ্ঞানৰ কিৰণেৰে আমাৰ সমাজত মানৱ সম্পদ গঢ় দিয়াত দায়িত্ব সহকাৰে কাম কৰি যাব। মই সম্পাদনা সমিতিৰ সদস্য সকলক তেওঁলোকৰ এই প্ৰয়াসৰ বাবে ধন্যবাদ জ্ঞাপন কৰাৰ লগতে আলোচনী খনে পাঠকৰ সমাদৰ লাভ কৰিব বুলি আশা কৰি শিক্ষানুষ্ঠানখনৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিলোঁ।

(ডাঃ ৰণোজ পেগু)

Prof. (Dr.) Nani Gopal Mahanta
ADVISER, EDUCATION TO THE GOVT. OF ASSAM
[IN THE RANK OF MINISTER OF STATE]
ROTARY WORLD PEACE FELLOW, UC, BERKELEY (2003-04)
VISITING FELLOW TO PRIO, NORWAY (2008)
VISITING PROFESSOR, DELHI UNIVERSITY (2018)

অসম চৰকাৰ
সত্যমেৱ জয়তে
GOVERNMENT OF ASSAM

ASSAM SECRETARIAT
BLOCK-C, 2ND FLOOR,
JANATA BHAWAN, DISPUR,
GUWAHATI-781 006, ASSAM
OFFICE NO. : (0361) 2237131
E-mail ID : ng.mahanta@assam.gov.in



# শুভেচ্ছাবাণী

*'যিসকলে শিশুসকলক শিক্ষিত কৰে তেওঁলোক শিশুসকলৰ পিতৃ-মাতৃতকৈও অধিক সন্মানীয় কিয়নো পিতৃ-মাতৃয়ে শিশুসকলক জীৱন দিয়ে আৰু শিক্ষা দিয়া জনে জীৱন ধাৰণৰ কলা শিকায়।'* — এৰিষ্ট'টেল

ভাৰতবৰ্ষত গুৰুকুলাশ্ৰম শিক্ষাৰ যুগৰে পৰাই শিক্ষকৰ ওপৰত অধিক গুৰুত্ব দিয়া হৈ আহিছে। এটা শৈক্ষিক ব্যৱস্থাৰ উন্নতি আৰু সফলতা যথেষ্ট পৰিমাণে শিক্ষক আৰু শিক্ষাৰ্থীৰ ওপৰত নিৰ্ভৰ কৰে। শিক্ষকৰ সহায় অবিহনে, কোনো আনুষ্ঠানিক শিক্ষা সম্ভৱ নহয়।

শিক্ষকসকল হৈছে জীৱন-পোহৰৰ মাৰ্গদৰ্শক যিয়ে শিক্ষাৰ্থীসকলক সফলতা আৰু গৌৰৱৰ দিশলৈ আগবঢ়াই লৈ যায়। শিক্ষকসকলে শিক্ষাৰ্থীসকলৰ ব্যক্তিগত প্ৰতিভাক চিনাক্ত কৰে আৰু তেওঁলোকক আগুৱাই যোৱাৰ পথত আৰু তেওঁলোকৰ সম্ভাৱনাৰ শীৰ্ষত উপনীত হোৱাত উৎসাহিত কৰে।

মই জানিবলৈ পাই আনন্দিত হৈছো যে উজনি অসমৰ অগ্ৰণী শিক্ষানুষ্ঠান ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা দ্বাৰা মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'কানৈয়ান' (২০২১-২২ বৰ্ষ) প্ৰকাশ কৰিবলৈ প্ৰস্তুতি চলাইছে । মহাবিদ্যালয় আলোচনীখনিৰ প্ৰকাশৰ সৈতে জড়িত লেখক, শিক্ষাৰ্থী, কৰ্মচাৰী সকলোকে মোৰ আন্তৰিক শুভেচ্ছা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো । এই আলোচনীখনি যেন পঢ়ুৱৈসকলৰ মূল্যবান জ্ঞানৰ সমল হয় তাৰেই কামনা কৰিলো।

শিক্ষা উপদেষ্টা

**অধ্যাপক জিতেন হাজৰিকা**
উপাচাৰ্য

# ডিব্ৰুগড় বিশ্ববিদ্যালয়
ডিব্ৰুগড় | পিন-৭৮৬০০৪ | অসম
দূৰভাষ ঃ ০৩৭৩-২৩৭০২৩৯
ইমেইল ঃ vc@dibru.ac.in
ৱেবচাইট ঃ www.dibru.ac.in



## শুভেচ্ছা বাণী

উজনি অসমৰ এখনি অন্যতম পুৰণি, বৃহৎ আৰু লেখত ল'বলগীয়া নগৰ ডিব্ৰুগড়ত নগৰখনৰ কেইগৰাকীমান দূৰদৃষ্টিসম্পন্ন বিশিষ্ট ব্যক্তিৰ ঐকান্তিক প্ৰচেষ্টাত বিগত ১৯৪৫ চনত প্ৰাণ প্ৰতিষ্ঠা হৈছিল 'ডিব্ৰুগড় মহাবিদ্যালয়'ৰ। আৰম্ভণিৰ কালছোৱাত মহাবিদ্যালয়খনিক সুপ্ৰতিষ্ঠিত কৰাৰ বাবে বৃহৎ পৰিমাণৰ বৰঙণিৰ প্ৰয়োজন হোৱাত নগৰখনৰ এটি আঢ্যৱন্ত পৰিয়ালে উক্ত সহায় কৰিবৰ বাবে আগবাঢ়ি আহে আৰু পৰৱৰ্তী ১৯৫৭ চনত মহাবিদ্যালয়খনিক উক্ত দাতা পৰিয়ালটিৰ নামেৰে 'ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়'ৰূপে পুনৰ নামাংকিত কৰা হয়। অসমৰ উচ্চ শিক্ষাৰ জগতখনৰ বাবে বিশেষভাৱে উল্লেখনীয় এটি তথ্য এয়ে যে মহাবিদ্যালয়খনি উদ্বোধন কৰিবলৈ দেশৰ তদানীন্তন উপ ৰাষ্ট্ৰপতি ড° সৰ্বেপল্লী ৰাধাকৃষ্ণণ দেৱ সুদূৰ দিল্লীৰ পৰা ডিব্ৰুগড়লৈ আহিছিল।

পাৰ হৈ যোৱা দশককেইটিত মহাবিদ্যালয়খনিয়ে এক বৃহৎ সংখ্যক শিক্ষাৰ্থীক উচ্চ শিক্ষাৰে শিক্ষিত কৰি জীৱনত প্ৰতিষ্ঠা লাভ কৰিবলৈ সুবিধা প্ৰদান কৰি আহিছে। শিক্ষিত মানৱ সম্পদ গঢ় দিয়াত মহাবিদ্যালয়খনিৰ ভূমিকা স্বীকাৰ কৰিবই লাগিব। সময়ৰ লগে লগে ছাত্ৰ-ছাত্ৰীসকললৈ নিত্য-নতুন পাঠ্যক্ৰম আগবঢ়াই মহাবিদ্যালয়খনিয়ে স্বাভাৱিকতে উন্নতিৰ শিখৰৰ দিশে আগবাঢ়ি গৈছে। আন এটি সুখৰ বিষয় এয়ে যে মহাবিদ্যালয়খনিয়ে ডিব্ৰুগড় জিলা প্ৰশাসন আৰু ডিব্ৰুগড় পৌৰসভাৰ তৰফৰ পৰা 'স্বচ্ছতা পুৰস্কাৰ, ২০১৮' আৰু এনচিচিৰ তৰফৰ পৰা ইতিমধ্যে এটি ৰাষ্ট্ৰীয় সেৰা পদকো লাভ কৰিবলৈ সক্ষম হৈছে।

শেহতীয়াকৈ আমি জানিবলৈ পাই আনন্দিত হৈছোঁ যে 'কানৈয়ান' শীৰ্ষক মহাবিদ্যালয়খনিৰ ২০২১-২২ বৰ্ষৰ আলোচনীখনি প্ৰকাশ কৰিব বিচৰা হৈছে। ন-পুৰণি লেখকৰ কলমেৰে আলোচনীখন সুসমৃদ্ধ হৈ সুন্দৰ ৰূপত প্ৰকাশ পাওক—এয়ে আমাৰ কামনা।

'কানৈয়ান'খনিৰ প্ৰকাশৰ সৈতে জড়িত হৈ থকা সমূহ ব্যক্তি-প্ৰতিষ্ঠানলৈ আমাৰ আন্তৰিক অভিনন্দন আৰু পাঠক সমাজলৈ আমাৰ শুভ কামনা থাকিল।

দিনাংক ঃ ৩০ আগষ্ট, ২০২২

(জিতেন হাজৰিকা)

सत्यमेव जयते

**BISWAJIT PEGU, IAS**
DEPUTY COMMISSIONER &
DISTRICT MAGISTRATE, DIBRUGARH

দিনাংক- ২২/০৯/২০২২



# "শুভেচ্ছাবাণী"

উজনি অসমৰ অগ্ৰণী শিক্ষানুষ্ঠান ডিব্ৰুগড় হনুমানবক্স কানৈ মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'কানৈয়ান' ২০২১-২২ বৰ্ষৰ সংখ্যাটি প্ৰকাশৰ পথত আগবাঢ়িছে বুলি জানিবলৈ পাই মই অতি আনন্দিত হৈছো।

মহাবিদ্যালয় একোখনৰ বাৰ্ষিক আলোচনীয়ে ছাত্ৰ-ছাত্ৰী সকলৰ সৃষ্টিশীলতা, আকাংক্ষাক প্ৰতিফলিত কৰে। আশাকৰো বাৰ্ষিক আলোচনীখনত বিভিন্ন লেখাৰ জৰিয়তে মহাবিদ্যালয়খনৰ উদীয়মান লেখক-লেখিকাসকলে তেওঁলোকৰ সুৰুচিপূৰ্ণ চিন্তাধাৰা, অভিব্যক্তি প্ৰকাশ কৰাৰ লগতে সকলোৰে সমাদৰ লভিবলৈ সক্ষম হ'ব।

শেষত, ডিব্ৰুগড় হনুমানবক্স কানৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ (২০২১-২২ বৰ্ষ) বিষয়ববীয়া সকলক অভিনন্দন জনোৱাৰ লগতে 'কানৈয়ান' আলোচনী খনি সৰ্বাঙ্গসুন্দৰ ৰূপত প্ৰকাশ পাবলৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলো।

(বিশ্বজিৎ পেগু, ভা.প্ৰ.সে.)

**উপায়ুক্ত**
**ডিব্ৰুগড় জিলা**

জয় আই অসম

# সদৌ অসম ছাত্ৰ সন্থা

# ALL ASSAM STUDENTS' UNION

মুখ্য কাৰ্যালয় ঃ গুৱাহাটী বিশ্ববিদ্যালয়

H. O. : GAUHATI UNIVERSITY, GUWAHATI - 781014

দিনাংক ০৫-১২-২০২২

প্ৰসঙ্গ ..............................

## শুভেচ্ছা-বাৰ্তা

উজনি অসমৰ শিক্ষাৰ অন্যতম প্ৰাণকেন্দ্ৰ স্বৰূপ ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় । উচ্চ শিক্ষাৰ লক্ষ্যৰে ১৯৪৫ চনতে স্থাপিত ডিব্ৰুগড় জিলাৰ উচ্চ শিক্ষাৰ অগ্ৰণী শিক্ষানুষ্ঠান এই মহাবিদ্যালয়খন অসমৰ ভিতৰতে এখন উল্লেখযোগ্য মহাবিদ্যালয়। মহাবিদ্যালয়খনিৰ প্ৰতিষ্ঠা দিনৰেপৰা বৃহত্তৰ অঞ্চলটোৰ লগতে সমগ্ৰ উজনি অসমৰ ছাত্ৰ ছাত্ৰীক গুণগত শিক্ষাৰ পোহৰ বিলাই আহিছে। মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা কালৰ লগত জড়িত প্ৰতিজন স্বনামধন্য ব্যক্তি আৰু বৰ্তমান মহাবিদ্যালয় পৰিয়ালৰ সকলোলৈ আমাৰ শ্ৰদ্ধা আৰু সেৱা জনাইছোঁ। বিগত বৰ্ষৰ দৰে এই বৰ্ষটো মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী কানৈয়ান(২০২১-২২) প্ৰকাশৰ বাবে প্ৰস্তুতি চলোৱা বুলি জানিব পাৰি আনন্দিত হৈছোঁ। আলোচনীখনৰ জৰিয়তে শিক্ষাগুৰুসকলৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক চিন্তা-চৰ্চাৰ প্ৰতিফলন ঘটিব। ইয়াৰ জৰিয়তে সমগ্ৰ অসমৰ শিক্ষা ব্যৱস্থালৈ এক অনবদ্য অৱদান আগবঢ়াব।

আলোচনীখনৰ সম্পাদকৰ লগতে সম্পাদনা সমিতিৰ লগত জড়িত সদৌটিলৈকে সদৌ অসম ছাত্ৰ সন্থাৰ তৰফৰ পৰা আন্তৰিক শুভেচ্ছা আৰু সেৱা জনালোঁ।

"জয়তু ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়"
"জয় আই অসম"

বাৰ্তা প্ৰেৰক,

শংকৰজ্যোতি বৰুৱা
সাধাৰণ সম্পাদক
সদৌ অসম ছাত্ৰ সন্থা

# সূচীপত্ৰ


✍ সম্পাদকীয় টোকা ১
- কানৈ মহাবিদ্যালয়ত কাম কৰাৰ আনন্দ ✍ **কৰ্মসূৰ্য ড° শশীকান্ত শইকীয়া** ৭
- এখন কিতাপৰ আঁত ধৰি ✍ **ড° প্ৰিয়দেৱ গোস্বামী** ১৫
- কানৈয়ানৰ গীত ✍ **হাচান ছৰিফ আহমদ** ১৭

## প্ৰবন্ধ কৰ্ষণিত যুৱ চিন্তন আৰু অনুভৱ

- দৰিদ্ৰতা দূৰীকৰণত শিক্ষাৰ প্ৰয়োজনীয়তা ✍ **গীতাঞ্জলী চেতিয়া** ১৮
- এয়া জীৱনৰ যাত্ৰাত সপোন দেখাৰ সময় ✍ **ভাৰতী কলিতা** ২০
- ইণ্টাৰনেট আশীৰ্বাদ ইণ্টাৰনেট অভিশাপ ✍ **আকাশদ্বীপ শইকীয়া** ২২
- বালিমাহীৰ অৰণ্যলৈ এভুমুকি ✍ **ভাস্কৰ জ্যোতি টাইদ** ২৩
- আধ্যাত্মিক শিক্ষা ঃ বৰ্তমান শিক্ষা ব্যৱস্থাত ইয়াৰ প্ৰয়োজনীয়তা আৰু জীৱনৰ মূল্যবোধ ২৫
✍ **ভীৰু প্ৰভা চাংমাই**
- জৈৱ বৈচিত্ৰতা আৰু কিছু চিন্তা ✍ **বিতোপন চবৰ** ২৭
- ছাত্ৰ সমাজত উচ্ছৃংখলতা ✍ **বিশাল আকাশ** ২৯
- বৈদিক গণিত ঃ এক প্ৰাচীন ভাৰতীয় পদ্ধতি ✍ **অৰ্ঘ্যা নাজিৰ** ৩০
- সত্য শিৱম সুন্দৰম ✍ **জিটুপন দাস** ৩২
- উচ্চাকাংক্ষা ✍ **লোপামুদ্ৰা দুৱৰা** ৩৪
- জীৱন এক নুবুজাৰ সাঁথৰ ✍ **বৰষা ঠাকুৰ** ৩৬
- ছাত্ৰ জীৱন আৰু সমাজ সেৱা ✍ **ৰাজকুমাৰ গগৈ** ৩৭
- স্নাতক কালত ছাত্ৰাবাসৰ আমেজ ✍ **বিশাল চাহু** ৩৮
- ৰচনাৰ ওপৰত ৰচনা ✍ **সমীৰ কিৰণ সোনোৱাল** ৩৯
- কানৈ গ্ৰীণ ক্লাব, পৰিৱেশ আন্দোলন আৰু অধ্যক্ষ মহোদয় ✍ **গৌতম চেতিয়া** ৪১
- সময় ✍ **অনিশা দিহিঙীয়া** ৪৩
- পশ্চিমীয়া অপসংস্কৃতি আৰু আমাৰ আওপুৰণি মূল্যবোধ ✍ **লক্ষ্মীপ্ৰিয়া কলিতা** ৪৫
- শিক্ষা জীৱনত বুৰঞ্জী বা ইতিহাস অধ্যয়নৰ প্ৰয়োজনীয়তা ✍ **লোপামুদ্ৰা শইকীয়া** ৪৭
- Why studying Economics is Vital in Today's world ✍ **Abhinashree Chutia** ৫০
- History of Astrochemistry ৫১
✍ **Kubid Borgahain** ✍ **Arnab Dowerah** ✍ **Sujata Paul**
✍ **Larely Saha** ✍ **Bishal Besaias**

- A seed of Success ✍ **Kashmira Gogoi** ৫২
- The Forest Man of India Jadav Payeng ✍ **Suresh Charoh** ৫৪
- Cleanliness ✍ **Dinesh Taye** ৫৫
- Social Awareness ✍ **Barbee Das** ৫৬
- Feminism and Pseudo Feminism ✍ **Sunu Mohan** ৫৭


## গল্প গুচ্ছ


- জীৱন ✍ **লোপামুদ্ৰা দুৱৰা** ৫৯
- আলাপ ✍ **সাগৰিকা ভাজনী** ৬০
- শেলাইৰ তৰপ ✍ **চানদীপ গগৈ** ৬২
- মৃধচৰ ফাঁকেৰে সৰি পৰা সপোন ✍ **ভাৰতী কলিতা** ৬৪
- স্মৃতিবোৰে বিঙিয়াই ✍ **পাৰবিন চেতিয়া** ৬৬
- নিয়তিৰ বিচাৰ ✍ **তন্ময়ী গগৈ** ৭০
- জীৱনৰ ৰং ✍ **চায়া বৰুৱা** ৭৩
- হেৰোৱা আবেলি ✍ **চানদ্বীপ গগৈ** ৭৫
- অনুতাপ ✍ **লাকী বেগম** ৭৭
- বিধান ✍ **সঞ্জু ছেত্ৰী** ৭৮
- এজন দৰিদ্ৰ ব্ৰাহ্মণ আৰু বাটৰুৱা ৮০
- পুৱাৰ খিৰিকী ✍ **মৃদুলা চেতিয়া** ৮২
- Dearest Magic ✍ **Smitra Chakraborty** ৮৬
- Dead Comes ✍ **Parismita Mili** ৮৭


## কবিতাৰ কৱাৰনি


- জীৱনৰ সংজ্ঞা কি ✍ **ধেনী মেদক**/৮৮
- অপেক্ষা ✍ **লাকী বেগম**/৮৯
- সোণ হৰিণৰ চেঁকুৰ ✍ **ত্ৰিদিশা গগৈ**/৯০
- জীৱন এক নুবুজা সাঁথৰ ✍ **বৰষা ঠাকুৰ**/৯১
- আইৰ নিচিনা সেউজীয়াবোৰ... ✍ **চিৰঞ্জীৱ সন্দিকৈ**/৯২
- দিগন্তত বিয়লি ✍ **জাহ্নৱী দত্ত**/৯৩
- আইৰ কলিজাখনত মামৰে ধৰিল ✍ **ভাৰতী কলিতা**/৯৫
- জীৱনৰ ৰং বিচাৰি ✍ **অমৃত দাস**/৯৬
- মোৰ আই মোৰ নদী/৯৮
- মন্থন ✍ **প্ৰিয়া গগৈ**/৯৯
- প্ৰকৃতিৰ সৌন্দৰ্য ✍ **ত্ৰিদিশা গগৈ**/১০০
- ফাগুন ✍ **ঘন কৃষ্ণ গোহাঁই**/১০১
- ল'ৰালি কাললৈ মনত পৰে ✍ **জ্যোতিপ্ৰসাদ পেগু**/৮৮
- দেৱদাৰুৰ আঁৰে আঁৰে ✍ **পাৰবিন চেতিয়া**/৮৯
- ৰাধাৰ চকুলো ✍ **প্ৰিন্সী কলিতা**/৯০
- পৰিৱেশ আৰু পাকঘূৰণি ✍ **চিৰন্তন গগৈ**/৯১
- নিশাৰ শেষত দিন ✍ **ত্ৰিদিশা শৰ্মা**/৯৩
- মলয়াৰ অভিমান ✍ **শিল্পীশিখা দাস**/৯৪
- অনুভৱ ✍ **নিশিতা কোঁৱৰ**/৯৬
- অৱশেষ ✍ **পংকজ দত্ত**/৯৭
- দেউতা ✍ **সমীৰণ হাজৰিকা**/৯৮
- নতুন প্ৰেৰণা ✍ **ধেনী মেদক**/৯৯
- বসন্তৰ প্ৰকৃতি ✍ **প্ৰিন্সী কলিতা**/১০১
- ৰঙীন জীৱনী ✍ **প্ৰকৃতি চেতিয়া**/১০২

• জীৱনৰ চাকনৈয়া ✍ **পাৰবিন চেতিয়া**/১০২
• মৰীচিকা/১০৩
• সপোন ✍ **জ্যোতিপ্ৰসাদ পেগু**/১০৪
• আলিংগন ✍ **শ্ৰুতিস্মৃতি গগৈ**/১০৫
• সোণলৈ বুলি চিঠি ... ✍ **ত্ৰিদিশা গগৈ**/১০৬
• সংগ্ৰাম ✍ **প্ৰেৰণা গগৈ**/১০৮
• প্ৰেমৰ অনুৰাগ ✍ **পৰিণীতা ফুকন**/১০৯
• মাজনিশা ✍ **হিমাশ্ৰী দত্ত**/১১০
• মই আপোনাৰ হ'ব বিচাৰোঁ ✍ **গায়ত্ৰী দেউৰী**/১১২
• সপোন ✍ **নিপু বৰুৱা**/১১৩
• ধৰ্ষণ ✍ **বিশাল আকাশ মাউত**/১১৪
• ইতিহাসৰ পম খেদি ✍ **কল্লোল দত্ত**/১১৫
• উপলব্ধি ✍ **বেদান্ত গগৈ**/১১৬
• কানৈ ✍ **দৰ্শনা বড়া**/১১৬
• মোৰ অনুভৱ ✍ **অমিত মাহাতু**/১১৭
• নিস্তব্ধ জীৱন ✍ **দেৱজীত বৰা**/১১৯
• নব্য মানৱৰ বেহা ✍ **লোপামুদ্ৰা দুৱৰা**/১০৩
• ভালপোৱা ✍ **পৱন শৰ্মা**/১০৪
• খোজত জীৱন ✍ **দীপশিখা শইকীয়া**/১০৫
• শাওণৰ উন্মাদনা ✍ **জয়শ্ৰী গগৈ**/১০৬
• এয়া মোৰ ফাগুন... ✍ **ত্ৰিদিশা গগৈ**/১০৬
• আপোনাৰ বাবে ✍ **নয়না সোনোৱাল**/১০৮
• অনুভৱ ✍ **মৃদুলা চুতীয়া**/১০৯
• আধুনিকতা/১১১
• জীৱন পথৰ অদৃশ্য সংগ্ৰাম ✍ **অভিলাষ সোনোৱাল**/১১২
• নাৰী তুমি অনন্য ✍ **লক্ষ্মীপ্ৰিয়া কলিতা**/১১৩
• এৰি অহা গাঁওখন ✍ **অনিশা দিহিংগীয়া**/১১৫
• নীলাভ আকাশ ✍ **কৌশিক দোলাকাষৰীয়া**/১১৬
• জীৱন ✍ **প্ৰান্তিক দত্ত**/১১৬
• নাৰী ✍ **দিপন ভূঞা**/১১৭
• জীৱদ্দশা ✍ **কল্লোল দত্ত**/১১৮
• আইলৈ একলম ✍ **বাস্তৱ মৰাণ**/১১৯
• Exams ✍ **Onphung Narzary**/১২০
• Childhood ✍ **Anisha Kushwaha Dutta**/১২০
• Paradise Bird ✍ **Sumanjit Dey**/১২১
• Divested Bosom ✍ **Smita Chakraborty**/১২২
• Natural Beauty ✍ **Sumanjit Dey**/১২৩
• The Awaited Autumn ✍ **Parishmita Chetia**/১২৪
• Jealous ✍ **Tilak Chandra Taye**/১২০
• Life/১২১
• Tree's teara ✍ **Smita Chakraborty**/১২২
• Frosty Pinery ✍ **Sharmistha Khound**/১২৩
• Window pane/১২৪


## সভ্যতা-সংস্কৃতি


• হাৰ্হি দেৱালয় ঃ চুতীয়াসকলৰ সভ্যতা-সংস্কৃতি, বিহু আৰু ইতিহাস ✍ **নিপু বৰুৱা** ১২৫
• অসমৰ ভূমিপুত্ৰ জাতিসমূহৰ বৈশিষ্ট্য ✍ **পূজা বৰুৱা** ১৩১
• আহোম যুগত ধেমাজিৰ বুৰঞ্জী ✍ **প্ৰিয়তম দাস** ১৩৪
• শদিয়াৰ বিহু ✍ **মদন সোনোৱাল** ১৪২
• Buddhism : Buddhism believe in peace ✍ **Prachi Boruah** ১৪৩


## নতুন শিক্ষানীতি আৰু কানৈয়ানৰ চিন্তন


• শিক্ষা ব্যৱস্থাত নতুন শিক্ষানীতি ২০২০-ৰ প্ৰভাৱ ✍ **নিকিতা মৰাণ** /১৪৫
• শিক্ষা ব্যৱস্থাত নতুন শিক্ষানীতি ২০২০-ৰ প্ৰভাৱ ✍ **লাকী বেগম** /১৪৭
• Impact of New Education Policy 2020 in Education system ✍ **Pratikraj Kakoty** /১৪৯
• Impact of New Education Policy-2020 in Education System ✍ **Nishanta Saikia** /১৫১

## সাক্ষাৎকাৰ শিতান


- ৰাষ্ট্ৰপতি ভৱনৰ সংগ্ৰহালয় বিভাগৰ উপ-সঞ্চালক শ্ৰীযুত পংকজ প্ৰতীম বৰদলৈ ছাৰৰ সৈতে এটি চমু সাক্ষাৎকাৰ ✍ শ্ৰী নিপু বৰুৱাই /১৫৩


## অনুগল্প


- বেদনা ✍ অনুৰণন শৰ্মা/১৫৬
- অনুৰাগ ✍ মৃদুলা চুতীয়া/১৫৬


## নীলা খামৰ চিঠি ১৬০-১৬৪


✍ চয়নিকা দাস, ✍ চিৰন্তন গগৈ, ✍ ত্ৰিদিশা শৰ্মা, ✍ বৰষা দত্ত
✍ লাকী বেগম, ✍ লুনাৰাণী গগৈ, ✍ প্ৰিন্সী কলিতা


## গ্ৰন্থ সমালোচনা—১৬৫-১৭৩


- 'প্ৰিয়বন্ধু' ✍ পাৰবিন চেতিয়া
- 'সিহঁত' ✍ অংকিতা ভট্টাচাৰ্য্য
- 'হৃদয় এক বিজ্ঞাপন' ✍ চিৰঞ্জীৱ সন্দিকৈ
- 'নীল প্ৰজাপতি' ✍ চায়া বৰুৱা
- 'নৈৰ দৰে' ✍ ভাৰতী কলিতা
- 'বকুল ফুলৰ দৰে' ✍ পূজা বৰুৱা


## প্ৰতিবেদন


- ছাত্ৰ একতা সভাৰ উপ-সভাপতিৰ প্ৰতিবেদন ১৭৪
- সহঃ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন ১৭৭
- সাহিত্য আৰু আলোচনী সম্পাদকৰ প্ৰতিবেদন ১৭৮
- Girls' Common Room Secretary 2021-22 ১৯৬
- ছাত্ৰ জিৰণি কোঠা সম্পাদকৰ প্ৰতিবেদন ২০২১-২০২২ ১৯৭
- সমাজ সেৱা সম্পাদকৰ প্ৰতিবেদন ১৯৮
- তৰ্ক আৰু আলোচনা সম্পাদকৰ প্ৰতিবেদন ১৯৯
- কানৈ কলেজ পৰিচালনা সমিতিৰ সভাপতিসকল ১৯৪৫-২০২২ ২০০
- কানৈ কলেজৰ অধ্যক্ষসকল ১৯৪৫-২০২২ ২০২
- কানৈ কলেজৰ শিক্ষক/শিক্ষয়িত্ৰীসকল ২০৩
- কানৈ কলেজৰ কৰ্মচাৰীসকল ২০৭
- 'কানৈয়ান'ৰ ইতিহাস ঃ আলোচনী সম্পাদকৰ তালিকা ঃ (১৯৪৬-২০২০) ২০৮
- KANOIAN : The Journey ২০৯
- এমুঠি নষ্টালজিয়া আৰু অতীত ২১২
- সংবাদ মাধ্যমত কানৈ ২১৩
- মহাবিদ্যালয়ৰ সাফল্য ২১৫

# সম্পাদকীয় টোকা






## যুৱ প্ৰজন্ম আৰু যুৱ মানসিকতা ঃ সমাজ গঠনত ছাত্ৰ সমাজৰ ভূমিকা, জেনেৰেচন গেপ, ছচিয়েল মিডিয়া আৰু চাইবাৰ ক্ৰাইম-এক তথ্যভিত্তিক পৰ্যালোচনা

সাহিত্যিক সত্যনাথ বৰাই সাৰথি গ্ৰন্থখনত উল্লেখ কৰিছিল যে, মানৱ জীৱনৰ তিনিটা দায়িত্ব থাকে। প্ৰথমে নিজৰ প্ৰতি, দ্বিতীয়তে, নিজৰ ঘৰখনৰ প্ৰতি, তৃতীয়তে, নিজৰ সমাজখনৰ প্ৰতি। এই তিনিটা দায়িত্ব পালন কৰিলেহে জীৱশ্ৰেষ্ঠ মানুহৰ জীৱনৰ সাৰ্থকতা লাভ হয়। সেয়েহে দেশৰ ভৱিষ্যত হিচাপে আমাৰ অৰ্থাৎ যুৱ-প্ৰজন্মৰ সমাজখনৰ প্ৰতি কৰিবলগীয়া বহুতো কৰণীয় কাম আছে।

মানৱ সভ্যতাৰ পাতনিতে মানুহ কৰ্মমুখী, কৰ্তব্যমুখী, শৃংখলাবদ্ধ হিচাপে কাম কৰিবলৈ আৰম্ভ কৰিছিল। সেয়েহে সমাজ অবিহনে জীয়াই থকাটো সম্ভৱ হোৱা নাছিল। মানৱ সভ্যতাৰ মূল উৎস হ'ল সমাজ আৰু সমাজৰ মূল অংগ হ'ল যুৱ-প্ৰজন্ম। শিশু এজন শৈশৱ কাল অতিক্ৰম কৰাৰ পাছত কৈশোৰ কাল আৰম্ভ হয় আৰু তাৰ পাছত যৌৱনত ভৰি দিয়াৰ লগে লগেই সমাজখনৰ কিছু দায়িত্বভাৰ আহি পৰে যুৱক-যুৱতীসকলৰ ওপৰত। বৰ্তমান সমাজত এইচাম যুৱক-যুৱতীৰ বিশৃংখলতাৰ আৱৰ্জনাই সমাজখনক কলুষিত কৰি পেলাইছে বুলি অনুমান কৰিব পাৰি। এই বিশৃংখলতা বা উচ্ছৃংখলতাই সমাজ জীৱনত নৈতিকতাৰ অভাৱ সৃষ্টি কৰি আহিছে। যাৰ ফলত মানুহৰ মাজত থকা বিচাৰ বুদ্ধিৰ মান নিম্নগামী হৈ পৰিছে। নিসংগতা, আত্মকেন্দ্ৰিকতাৰ আৰু হতাশাই যুৱ প্ৰজন্মক লক্ষ্যচ্যুত কৰি ভুল পথত অগ্ৰসৰ আৰু বিপথে পৰিচালিত হ'বলৈ উদ্‌গণি যোগাইছে। সম্প্ৰতি শৃংখলাবিহীন পৰিস্থিতিত সমাজখনত চুৰি-ডকাইতি, হিংসা-প্ৰতিহিংসা আৰু অপৰাধমূলক কাৰ্যকলাপবোৰ বৃদ্ধি হ'বলৈ ধৰিছে। য'ত সোমাই পৰিছে স্কুল-কলেজৰ অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসমূহ। ইয়াৰ উপৰিও বিভিন্ন দিশত সংঘটিত হোৱা দুৰ্নীতি আৰু সংঘৰ্ষ-প্ৰতিবাদ, বন্ধ আদি সংস্কৃতিসমূহেও যুৱ প্ৰজন্মক বিপথে পৰিচালিত কৰাত বিশেষ অৰিহণা যোগাই আহিছে। অসমৰ ৰাজনীতি আৰু সমাজনীতি

এক উৎসৰত পৰিণত হৈছে আৰু যুৱ প্ৰজন্ম নতুন শিক্ষা আৰু প্ৰযুক্তিবিদ্যাৰ মাজত সোমাই পৰিছে। সদ্যসমাপ্ত নিৰ্বাচনসমূহত অসমৰ প্ৰায় ৭০-৮০ শতাংশৰো অধিক নাগৰিকে ভোটদান কৰিছে আৰু তাৰ ভিতৰত যুৱ প্ৰজন্মৰ ভোট সৰ্বাধিক বুলি বিবেচিত হৈছে। সেয়েহে যুৱক-যুৱতীসকলে নিজৰ স্বাৰ্থ বা ব্যক্তিগত সুৰক্ষাৰ বাবে কাম নকৰি সমাজৰ উন্নতিৰ বাবে কৰাৰ প্ৰয়োজনীয়তা বৰ্তমান সমাজত অতিকৈ দৰকাৰী বুলি বিবেচিত বুলি ক'ব পাৰি। কাৰণ যুৱ শক্তিৰ বিশৃংখল মানসিকতাই এখন সমাজ আৰু দেশকো সম্পূৰ্ণৰূপে ধ্বংসৰ গৰাহলৈ ঠেলি দিব পাৰে।

বৈজ্ঞানিক দৃষ্টিভংগীৰে ক'বলৈ গ'লে যুৱক-যুৱতীসকলে কৈশোৰ অৱস্থাৰ পৰাই এক ভয়ানক পৰিস্থিতিত ভৰি দিবলৈ আৰম্ভ কৰে। ঘৰখনত বা সমাজখনত যদি সুস্থ পৰিৱেশ বিৰাজ কৰে তেনেহ'লে কিছু পৰিমাণে সেই পৰিস্থিতিৰ লগত যুঁজ দি নিজকে বচোৱাৰ বাবে কিছু শক্তি আহৰণ কৰিব পাৰে যদিও বিশৃংখল পৰিৱেশে যুৱ শক্তিসমূহক বিপথে পৰিচালিত কৰাত সিংহভাগ সহায় কৰে। কৈশোৰ অৱস্থাত দেহ আৰু মানসিক বিকাশ হোৱা হেতুকে যুৱ-প্ৰজন্মই যিকোনো ভাল বা বেয়া কৰ্মৰ প্ৰতি অতি ক্ষিপ্ৰভাৱে আকৰ্ষিত হয়। এই অৱস্থাৰপৰা পৰাই ভৱিষ্যতৰ ভেটি আৰম্ভ হয় বুলি ক'ব পাৰি। গতিকে ঘৰখনে বা সমাজখনে যুৱকসকলক সৎ আৰু সুস্থভাৱে ব্যৱহাৰ কৰাৰ ওপৰতেই যুৱ সমাজৰ ব্যক্তিত্ব, মানসিক উন্নতি সমগ্ৰ সমাজ জীৱনৰ ভৱিষ্যত নিৰ্ভৰ কৰে।

সেয়েহে বৰ্তমান সমাজত গঢ়লৈ উঠা পাশ্চাত্য পুঁজিবাদী ব্যৱস্থা বিদেশী ৰাষ্ট্ৰবোৰৰ পৰা আমদানিকৃত বিভিন্ন লাহ-বিলাস ভোগৰ সামগ্ৰী ইত্যাদি বস্তুসমূহে যুৱ প্ৰজন্মৰ ওপৰত বিৰূপ প্ৰভাৱ পেলাইছে যে তাক নুই কৰিব নোৱাৰি। ইয়াৰ উপৰিও সমাজ ব্যৱস্থাৰ ৰক্ষণশীল অভিলাষ তথা সমাজৰ মুধা-ফুটা ব্যক্তিসকলে বৌদ্ধিক দিশটোক অৱমাননা কৰি প্ৰদৰ্শন কৰা দুৰ্নীতি, অনিয়ম, ভ্ৰষ্টাচাৰ, শিক্ষকসকলৰ পলায়নবাদী মনোভাব, নাৰীৰ প্ৰতি থকা দুৰ্বলতা ইত্যাদিৰ পৰিস্খলন ঘটোৱা, বৰ্তমানৰ শিক্ষা ব্যৱস্থা ত্ৰুটিমুক্ত শিক্ষা পদ্ধতিলৈ ৰূপান্তৰ কৰিব পাৰিলেহে যুৱপ্ৰজন্মৰ মানসিক উৎকৰ্ষ সাধন হ'ব।

বৰ্তমান সময়ত সামাজিক বিশৃংখলতা, মহিলাৰ প্ৰতি মৰ্যাদা হানিকৰ আচৰণ, আৱেগত পৰি কম বয়সতে বিবাহ হৈ গাহস্থ্য হিংসাৰ সন্মুখীন হোৱা, শিক্ষানুষ্ঠান আৰু হোষ্টেলসমূহত হোৱা ৰেগিং ব্যৱস্থা, উৎসৱ-পাৰ্বণ, অনুষ্ঠান আদিৰ নামত জোৰ-জুলুম ধন সংগ্ৰহ, সামান্য অজুহাতত আহ্বান কৰা বন্ধ, ধৰ্মঘট-হৰতাল আদিত প্ৰত্যক্ষভাৱে ভাগলৈ যুৱ সমাজ মূলসুঁতিৰ পৰা বিচলিত হৈ পৰিছে। ইয়াৰ উপৰিও যুৱতীসকলে আধুনিকতাৰ কবলত পৰি সামান্য অৰ্থ আৰু গ্লেমাৰৰ মোহত উত্তেজনামূলক কাপোৰ পৰিধান কৰি টি.ভি. আদিত বিভিন্ন কাৰ্যসূচী, ফেশ্বন শ্বো আদিত ভাগ লোৱাৰ উপৰিও কম্পিউটাৰ, ইণ্টাৰনেট, মোবাইলফোন যোগেৰে হোৱা সাৰ্বজনিন ব্যৱহাৰেও বিভিন্ন অসামাজিক কামত জড়িত হোৱাৰ ইন্ধন যোগাইছে। ফেচবুক, টুইটাৰ, ইউটিউব আদি চ'চিয়েল নেটৱৰ্কসমূহক নিকৃষ্ট মনোবৃত্তিৰে অপপ্ৰয়োগ কৰি অশ্লীল ফটো, পৰ্ণগ্ৰাফী আদিৰ সংযোজন ঘটাই সমাজত অপৰাধমূলক কাম-কাজৰ পৰিমাণ বৃদ্ধি কৰাত অনুপ্ৰেৰণা যোগাই আহিছে। ইলেক্ট্ৰনিক আৰু বিভিন্ন মাধ্যমসমূহৰ জৰিয়তে নানান ধৰণৰ অশ্লীল কথাছবি উপভোগ তথা বন্ধুসকললৈ প্ৰেৰণ কৰাৰ ফলত ধৰ্ষণ, লুণ্ঠন, ইতিকিং আদিৰে যুৱ সমাজখনে মানসিকতা হেৰুৱাই বিপথগামী হৈছে। ঠেক মনোবৃত্তিৰ উগ্ৰ জাতীয়তাবাদ, সন্ত্ৰাসবাদ, বিচ্ছিন্নতাবাদৰ দৰে আদি বিকৃত দাবীৰ অধিকাৰ বিচাৰি বিপথগামী হৈছে। কিছু সংখ্যক যুৱক-যুৱতীয়ে সমাজত অৰাজকতাৰ বীজ সিঁচি দি নিৰীহ লোকক অত্যাচাৰ কৰাৰ লগতে সমাজক অস্থিৰতাৰ ফালে ঠেলি দি ঐক্য সংহতিত ব্যাঘাত হানিছে। বহুতো প্ৰেমিক-প্ৰেমিকাই ইজানে-সিজনৰ দ্বাৰা প্ৰভাবিত হৈ আৱেগৰ কবলত বা মিছা প্ৰেমৰ কবলত পৰি অত্যাধুনিক ড্ৰাগছ, মাদক দ্ৰব্য সেৱন কৰি অন্য যুৱক-যুৱতীসকলকো আকৰ্ষণ কৰিবলৈ চেষ্টা কৰাৰ লগতে বহুতো ল'ৰা-ছোৱালী ড্ৰাগছৰ ক'লা ব্যৱসায় কৰি অৰ্থ সঞ্চয়ৰ বাবে নিজকে ড্ৰাগছৰ প্ৰতি আসক্ত কৰি সমাজখনত যৌন-লিপ্সা আৰু আক্ৰমণাত্মক মনোভাব সৃষ্টি কৰাত পৰোক্ষভাৱে উচটনি দিয়াতো পৰিলক্ষিত হৈছে। বিশ্ব স্বাস্থ্য সন্থাৰ প্ৰতিবেদন মতে বৰ্তমানৰ প্ৰতি ১৫-২০ ছেকেণ্ডত এজনকৈ ব্যক্তি এইডচত আক্ৰান্ত হৈ আহিছে আৰু ড্ৰাগছ সেৱন কৰা ব্যক্তিসকলৰ বেছিভাগেই ১৭-১৮ বছৰ বয়সৰ বুলি ধাৰণা কৰা হৈছে। বৰ্তমান অসমত ড্ৰাগছ সেৱনৰ ঘটনা সীমিত যদিও এই মাৰাত্মক ব্যাধিৰ বৰবিহ আৰম্ভণি অৱস্থাতেই ধ্বংস নকৰিলে হয়তো এদিন

অসমখনো এটা সময়ত আক্ৰান্ত হোৱাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি।

বৰ্তমান সমাজত দেখা দিয়া বিশৃংখলতাৰ কাৰকসমূহ তলত আলোচনা কৰা হ'ল।

১। জেনেৰেচন গেপ ঃ জেনেৰেচন গেপ বৰ্তমান সমাজত বহুলভাৱে আলোচিত আৰু পৰিচিত নাম। বিশেষকৈ যুৱ প্ৰজন্মই ৪০ৰ উৰ্ধৰ মানুহখিনিক পুৰণি চিন্তাৰ মানুহ বুলি ভাবিবলৈ লোৱা আৰু সময়ে সময়ে অসহযোগ কৰা, অতীতক পাহৰি যোৱা, অতীত/অতীতৰ সম্পদ বা বুৰঞ্জীক অলাগতিয়াল বস্তু বুলি গণ্য কৰা, অতীতৰ চিন্তাধাৰা-অতীতৰ বহুমূলীয়া সমলসমূহক অপ্ৰয়োজনীয় বুলি গণ্য কৰা, নতুন সমাজ, নতুন জাতি, সাহিত্য-সংস্কৃতি আদি গঠনত পুৰণি সমলবোৰক অলাগতিয়াল বুলি ভাবি লোৱা পন্থাসমূহক জেনেৰেচন গে'প বুলি নামকৰণ কৰিব পাৰি। আজিৰ যুৱ সমাজে যদি জেনেৰেচন গেপ বুলি অতীতক পাহৰি অতীতৰ সমলসমূহক মূল্যহীন বুলি ভাবি লয়, তেনেহ'লে ই হ'ব অত্যন্ত দুখজনক কাৰণ যুৱ-প্ৰজন্মই অতীতলৈ উভতি চাবই লাগিব। কাৰণ পাঁচহাজাৰ বছৰ আগৰ যি চিন্তাধাৰা আছিল আজিও আমাৰ মাজত আদৰ্শ হৈয়ে আছে। তেতিয়াৰ ঋষি-মুনি, ধৰ্মীয় চিন্তা-ধাৰা, গেপত পৰি অলাগতিয়াল হোৱা বা শিক্ষা ব্যৱস্থাৰ পৰা আঁতৰাই দিয়াটো নতুনত্বৰ সৃষ্টি হ'ব পাৰে জানো মহাপুৰুষ শংকৰদেৱ, মাধৱদেৱ, আজান ফকীৰ, লাচিত বৰফুকন, চুকাফা, বীৰাংগনা সাধনী, জয়মতী, চিলাৰায়, বদৌচা, সৰ্বানন্দ সিংহ, কনকলতাৰ চিন্তাধাৰা, সমাজ ব্যৱস্থাৰ ভেটি, সৃষ্টিশীল কৰ্মৰাজিসমূহ আজিও অসমীয়াৰ পথ-প্ৰদৰ্শক হৈ আছে। সাহিত্য-সংস্কৃতিৰ ভেটি আমাৰ পূৰ্বপুৰুষসকলেই বান্ধি থৈ গৈছে। সেইবোৰ পুৰণি মানুহৰ চিন্তা বা সৃষ্টি দলিয়াই নতুনকৈ ভেটি এটা বান্ধিবলৈ গ'লে আমাৰ স্বকীয়তা আৰু বৈশিষ্ট্য জীয়াই থাকিব জানো। আজিৰ যুৱ প্ৰজন্মৰ প্ৰধান দায়িত্ব হ'ব লাগিব পুৰণি তথ্যবোৰক সুন্দৰকৈ সংৰক্ষিত কৰি তাৰ ওপৰত গৱেষণাৰ মাধ্যমেৰে নতুনত্বৰ কলেৱৰ সানি এখন সুস্থ, সুন্দৰ আৰু সংস্কৃতিৱান সমাজ গঠন কৰাৰ মানসিকতা থাকিব লাগিব।

২। মোবাইল ফোন, ইণ্টাৰেনট, ফেচবুক, ৱাটচ এপ ঃ

কম্পিউটাৰ নেটৱৰ্ক আৰু বিশ্বায়নে গোটেই পৃথিৱীখনকে এখন সৰু গাঁৱত পৰিণত কৰাৰ লগতে বিজ্ঞান-প্ৰযুক্তি বিদ্যাৰ অন্যতম আৱিষ্কাৰ মোবাইল আৰু কম্পিউটাৰ এক আশীৰ্বাদ স্বৰূপ হৈ পৰিছে যদিও মোবাইল ফোন যথোচিত ব্যৱহাৰৰ ফলত মানুহৰ ধন, টকা-পইচা ইত্যাদি ৰাহি হোৱাৰ উপৰিও বহুমূলীয়া সময় নষ্ট হোৱাৰ পৰা হাত সাৰি কম সময়ৰ ভিতৰতে কাম সম্পন্ন কৰাৰ বাবে সুবিধা আদায় কৰিব পাৰিছে। মোবাইল ফোনৰ ঋণাত্মক দিশটো চালে দেখা যায় যে ই মানৱ জাতিৰ বাবে এক ভয়াবহ অভিশাপ স্বৰূপ হয় বুলি বহুতে ক'ব বিচাৰে। কিয়নো বিশেষকৈ স্কুলীয়া ছাত্ৰ-ছাত্ৰীসকলে অবাবত ব্যৱহাৰ কৰি বহুমূলীয়া সময় নষ্ট কৰা দেখা যায়। বৰ্তমান সময়ত সংঘটিত হোৱা বিভিন্ন ধৰণৰ দুৰ্ঘটনা, চুৰিকাৰ্য, ধন দাবী, অপহৰণ, গাড়ী চুৰি হঠাৎ বে-আইনী জনতালৈ পৰিৱৰ্তন হৈ আইন-শৃংখলাৰ অৱনতি হোৱা আদি ঘটনাই সমাজখনক অস্থিৰ কৰি তুলিছে। যুৱক সমাজ উক্ত ঘটনাসমূহত সাঙোৰ খাই পৰিছে বুলি বহু লোকে ক'ব খোজে। ইয়াৰউপৰিও চাইবাৰ ক্ৰাইমৰ ক্ষেত্ৰতো কম্পিউটাৰ আৰু মোবাইল ফোনৰ ব্যৱহাৰ প্ৰায় সমতুল্য বুলি ক'ব পাৰি অৰ্থাৎ অপৰাধীসকলেও কম্পিউটাৰ আৰু মোবাইল সমানে সমানে ব্যৱহাৰ কৰি আহিছে। বিশ্বৰ ভিতৰত বেছিকৈ উক্ত সুবিধাসমূহ ব্যৱহাৰ কৰা দেশসমূহ যেনে—আমেৰিকান, চীন, ৰাচিয়া, জাপান আৰু ভাৰতবৰ্ষত মোবাইল ফোনৰ ব্যৱহাৰত গ্ৰাহকসকলৰ ব্যৱসায়-বাণিজ্য, ভ্ৰমণ আদিৰ ক্ষেত্ৰ যিদৰে সহায়ক হৈছে সেইদৰে এই ইলেক্ট্ৰনিক ডিভাইচসমূহৰ অনাকাংক্ষিত ব্যৱহাৰে দেশৰ অপৰাধীসকলৰ অপৰাধ অবাধে সংঘটিত কৰাতো যথেষ্ট সহায়ক হৈছে। যাৰ ফলস্বৰূপে বিভিন্ন ধৰণৰ অসামাজিক কামত লিপ্ত হোৱাত যুৱক-যুৱতীসকলক ইন্ধন যোগাই আহিছে। ভিডিঅ' এডিটিংৰ জৰিয়তে সুবিধাজনক স্থিতিসমূহ ব্যৱহাৰ কৰি অশ্লীল ফটো, পৰ্ণগ্ৰাফী ইত্যাদিসমূহ ব্লুটুথ, ৱাই-ফাই বা ইনফ্ৰাৰেড পদ্ধতিৰ সহায়ত আদান-প্ৰদান কৰি অপৰাধমূলক কাৰ্য সম্পাদন কৰাত অৰিহণা যোগাই আহিছে। যাৰ ফলত অশ্লীল কাৰ্য, ধৰ্ষণ, লুণ্ঠন, হত্যা আদি কামসমূহ সহজতে কৰিবলৈ সুবিধা লৈ আহিছে। ভাৰতবৰ্ষ তথা সমগ্ৰ বিশ্বতে অপৰাধ আৰু অপৰাধীৰ অবিচ্ছেদ্য অংগ হৈ পৰিছে বৰ্তমানৰ মোবাইল ফোনসমূহ, যিটো এক চিন্তনীয় বিষয় হৈ পৰিছে।

কম্পিউটাৰ আৰু ইণ্টাৰনেটৰ লগত জড়িত অপৰাধী

বৰ্তমান সময়ত দিনক দিনে বাঢ়ি গৈ চাইবাৰ অপৰাধৰ জগতখনক অধিক স্বচ্ছতা কৰি তুলিছে। ১১ চেপ্টেম্বৰ আমেৰিকানৰ "ৱৰ্ল্ড ট্ৰেড চেণ্টাৰ"ক ধূলিসাৎ কৰিবলৈ যি নিৰ্দেশ দিয়া হৈছিল সেয়া চাইবাৰ অপৰাধৰ এক জঘন্য অপৰাধ বুলি ক'ব পাৰি। বৰ্তমান সময়ত ছ'চিয়েল ৱেবচাইটসমূহক কণ কণ স্কুলীয়া ছাত্ৰ-ছাত্ৰীসকলে ঋণাত্মক দিশত ব্যৱহাৰ কৰি সমাজত আৰু চাইবাৰ অপৰাধ বৃদ্ধি কৰাত নিশ্চয় অৰিহণা যোগাই আহিছে বুলি ক'ব পাৰি। চাইবাৰ অপৰাধ জগতত সংযোজিত হোৱা কিছু সেৱা যেনে Pornography, Gambling, Hate Speech, Drugs আৰু Hacking আদিৰ পৰা যুৱ প্ৰজন্ম মুক্ত হ'ব পাৰিলেহে সমাজখন কিছু অপৰাধ মুক্ত হ'ব পাৰিব বুলি ভবাৰ থল আছে। ম'বাইল ফোন, কম্পিউটাৰৰ ব্যৱহাৰৰ অবিহনে আমাৰ বহুতো দৈনন্দিন কৰ্মসমূহ কল্পনা কৰিব নোৱাৰোঁ বা যাৱতীয় কাম-কাজ স্থবিৰ হৈ পৰিব। মুঠতে কম্পিউটাৰ আৰু ইণ্টাৰনেটে আমাৰ কৰ্মক্ষেত্ৰখনৰ লগতে কৰ্ম কৰাৰ পদ্ধতিসমূহত এক বৈপ্লৱিক পৰিৱৰ্তন আনিছে। অনলাইন যোগে টকা-পইচাৰ লেনদেন কৰা, অনলাইন বাৰ্তা যোগান তথা প্ৰেৰণ ইত্যাদি সকলো ইণ্টাৰনেটৰ মাধ্যমেৰে সম্ভৱ হৈ উঠিছে। বিশ্ব ইণ্টাৰনেট পৰিসংখ্যাৰ শেহতীয়া তথ্যমতে সমগ্ৰ বিশ্বতে মুঠ ইণ্টাৰনেট ব্যৱহাৰকাৰীৰ সংখ্যা বিশ্বৰ মুঠ জনসংখ্যাৰ প্ৰায় ৪৯.৭ শতাংশ এইধৰণেই মানৱ জীৱনৰ সৈতে ইণ্টাৰনেট এক অবিচ্ছেদ্য অংগ হৈ পৰাৰ লগে লগেই এই চাইবাৰ অপৰাধ সমাজৰ এক বৃহৎ ব্যাধিস্বৰূপ হৈ পৰিছে। নেচনেল ক্ৰাইম ৰেকৰ্ড ব্যুৰ' চমুকৈ NCRB ৰ এক সমীক্ষামতে ২০১১ চনত চাইবাৰ অপৰাধৰ হাৰ ৮৫.৪ শতাংশ বৃদ্ধি পায়।

বৰ্তমান সময়ত দেশত ঘটি থকা অমানৱীয় ঘটনাৰাজিয়ে মানুহৰ মাজত ত্ৰাসৰ সঞ্চাৰ কৰি এক অস্তিত্বহীনতাই দেখা দিছে। উপযুক্ত শিক্ষা লাভ কৰাৰ পাছতো কৰ্মসংস্থাপন লাভ কৰিব নোৱাৰি কিছু সংখ্যক লোক বিপথগামী হ'বলৈ বাধ্য হৈছে। চৰকাৰ বা শাসকগোষ্ঠীৰ মিচা প্ৰতিশ্ৰুতি আৰু ৰাজনৈতিক বিশৃংখলতাই যুৱ-চামৰ মাজত হতাশাই চানি ধৰিছে। শিক্ষা ব্যৱস্থাৰ ভুলনীতি, আত্মনিৰ্ভৰশীলযোগ্য শিক্ষা পদ্ধতি নথকাত উচ্চ শিক্ষা লাভ কৰাৰ পাছতো সংস্থাপন বিচাৰি হাবাথুৰি খাই হতাশাত ভুগি শেষত মানসিকতাৰ বিকৃত ৰূপ ধাৰণ কৰি বিপথগামী হৈ বিচ্ছিন্নতাবাদী, সন্ত্ৰাসবাদী শক্তিসমূহলৈ মুকলি সমৰ্থন কিম্বা সক্ৰিয় সদস্যলৈ ৰূপান্তৰিত হৈছে। ইয়াৰ উপৰিও পাশ্চাত্য পুঁজিবাদী ব্যৱস্থা, পশ্চিমীয়া দেশবোৰৰ পৰা আমদানিকৃত লাহ-বিলাহ, ভোগৰ সামগ্ৰী, পিন্ধন-উৰণৰ সামগ্ৰীসমূহে বিৰূপ প্ৰভাৱ বিস্তাৰ কৰিছে নৱবৰ্ষ পালন, পিকনিক আৰু নাইট পাৰ্টিকে ধৰি অন্যান্য পাৰ্টিসমূহত এচাম যুৱক-যুৱতীয়ে আধুনিকতাৰ বেশ ধৰি কৰা অভব্য আচৰণ, যৌন লিপ্সা আদিয়ে বহুতো যুৱক-যুৱতীক ধ্বংসৰ গৰাহলৈ ঠেলি দিছে যদিও অকল উদ্ভণ্ডালী বা বিশৃংখলতাৰ বাবে যুৱসমাজক দায়ী বুলি দোষাৰোপ কৰিলে অনুচিত হ'ব। যদিও যুৱ মানসিকতা নিম্নগামী হৈছে তাৰ বাবে সম্পূৰ্ণ দায়ী যুৱ সমাজ নহয়। সেয়েহে যুৱ সমাজক উদ্ধাৰ কৰি আমাৰ দেশ আৰু সমাজক ৰক্ষা কৰাটো প্ৰতিজন অভিভাৱক, সৎ ব্যক্তি, বুদ্ধিজীৱী আৰু সু-নাগৰিকৰ কৰ্তব্য আছে বুলি ক'ব পাৰি আৰু তাৰ বাবে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰি যুৱক-যুৱতীসকলৰ অপৰাধ প্ৰৱণতা ৰোধ কৰিব পৰা হ'ব, যিটো নিতান্তই প্ৰয়োজন। যিহেতু আজিৰ যুৱক কাইলৈৰ একো একোগৰাকী প্ৰতিষ্ঠিত সু-নাগৰিক, সেয়েহে প্ৰতিজন সচেতন নাগৰিকৰ লগতে চৰকাৰৰো এই সমস্যাৰ বিষয়ে চিন্তা কৰাটো প্ৰয়োজন।

শেষত মই ধৰ্মীয় গ্ৰন্থ গীতাৰ কৰ্মযোগৰ শ্লোকৰে সকলোলৈ এটি অনুৰোধ জনাব বিচাৰিম

কৰ্মণ্যেবাধিকাৰস্তে মা ফালেষু কদাচন।
মা কৰ্মফলহেতুৰ্ভূমা তে সঙ্গোহস্তকৰ্মণি।। ৪৭

অৰ্থাৎ, সকলোৱে নিজৰ কৰ্তব্যত আগবাঢ়ি যাব লাগে। কৰমত হে আমাৰ অধিকাৰ আছে, ফলাফলত নহয়।

গতিকে সকলোৱে নিজৰ কৰ্তব্যৰ মাজেৰে এনে এখন সুস্থ সবল সমাজ গঢ়ি তোলাত হাত উজান দিব লাগে য'ত সোণতকৈ মানুহৰ দাম অলপ হ'লেও বেছি আছে।

**সম্পাদক হিচাপে অনুভৱ ঃ**

তাৰিখ ৬ ডিচেম্বৰ, ২০২১। সৰুৰে পৰা এটা সপোন দেখিছিলো এই মহাবিদ্যালয়ত পঢ়াৰ লগতে দেখিছিলো নেতৃত্ব বহনৰ সপোন। কাৰণ এই দিনটোতে মই ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ

মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ২০২১-২২ বৰ্ষৰ আলোচনী সম্পাদক হিচাপে জয়ী হৈছিলো আৰু ছাত্ৰ ৰাজনীতিৰ নেতৃত্ব জীৱনৰ পাতনি মেলিছিলোঁ। ঢকুৱাখনাৰ এখন ভিতৰুৱা গাঁও দেৱলীয়া গাঁৱৰ পৰা আহি এই মহাবিদ্যালয়ৰ আলোচনী সম্পাদক হোৱাটো মোৰ বাবে এক গৌৰৱৰ বিষয় বুলি অনুভৱ কৰোঁ। ভাল লাগিছিল মোৰ প্ৰতি থকা কানৈয়ানৰ মৰম, বিশ্বাস দিহা-পৰামৰ্শ দেখি। এই সকলোবোৰ মোৰ বাবে নষ্টালজিয়া হৈ ৰ'ব।

কানৈ মহাবিদ্যালয়ৰ আলোচনী সম্পাদক হিচাপে দায়িত্ব লোৱাটো অন্য মহাবিদ্যালয় বা বিশ্ববিদ্যালয়ৰ তুলনাত মোৰ বাবে ডাঙৰ প্ৰত্যাহ্বান স্বৰূপ আছিল। তাতে মই দেখিব পাইছিলো যে কানৈ মহাবিদ্যালয়ৰ আলোচনী নিয়মীয়াকৈ প্ৰকাশ নোহোৱাটো যেন এক অলিখিত নিয়ম হৈ পৰিছিল, ছাত্ৰ সমাজত অবাধ মোবাইল প্ৰচলনে সাহিত্য চৰ্চাত যথেষ্টখিনি ঋণাত্মক প্ৰভাৱ পেলাইছিল তাতে ষাণ্মাসিক ব্যৱস্থাত এটা বৰ্ষতে তিনিটা ষাণ্মাসিকৰ পৰীক্ষাই ছাত্ৰ-ছাত্ৰীৰ ক্ৰীড়া, সাহিত্য, সাংস্কৃতিক দিশত বেয়াকৈ প্ৰভাৱ পেলাইছিল। নানা সমস্যা, সময়ৰ টনাটনি আৰু কথাই মোক বাৰে বাৰে প্ৰশ্ন কৰিছিল, "মই আলোচনীখন উলিয়াব পাৰিমনে? ভূতৰ ওপৰত দানহ পৰাই লেখিয়াকৈ মাৰ গুৰুতৰ পথ দুৰ্ঘটনা, URTI ৰ দৰে শ্বাস-প্ৰশ্বাস জনিত ৰোগত মই আক্ৰান্ত হৈ পৰিছিলো। কিন্তু মই পৰাজয় স্বীকাৰ কৰা নাছিলো। মনক বান্ধি ৰাখিছিলো মনৰ মাজতে পণ লৈছিলোঁ যিকোনো প্ৰকাৰে কানৈয়ানৰ সপোন, জ্ঞানৰ দাপোনস্বৰূপ আলোচনীখন প্ৰকাশ কৰাৰ। সেই অনুসাৰে মই মোৰ কাম আলোচনীৰ কাম আৰু যাৱতীয় অন্যান কামসমূহ সম্পাদক হিচাপে শপত গ্ৰহণ কৰা দিনৰে পৰা আৰম্ভ কৰিছিলো। ছাত্ৰ-ছাত্ৰীৰ সাফল্যৰ খতিয়ান আদি সংৰক্ষণ কৰিছিলো কাৰণ মোৰ বাবে তেতিয়া আলোচনী প্ৰকাশ কৰাটোৱে মূল লক্ষ্য হৈ পৰিছিল।

সম্পাদকৰ দায়িত্ব আৰম্ভণিৰে পৰা মই লেখা বিচাৰি হোষ্টেল পি.জি. গৈছিলো, মহাবিদ্যালয়ৰ প্ৰতিটো শ্ৰেণীত সোমাইছিলো Literature club ৰ গঠন কৰি সময়ে সময়ে ছাত্ৰ-ছাত্ৰীৰ লগত আলোচনাত বহিছিলো। মহাবিদ্যালয়ৰ প্ৰতিটো বিভাগত সোমাই শিক্ষাগুৰুৰ সৈতে আলোচনা কৰিছিলোঁ, সৎ দিহা-পৰামৰ্শ লৈছিলোঁ, একোজন শিক্ষাগুৰুক নিৰ্দিষ্ট বিভাগৰ দায়িত্ব দিছিলো। এই ক্ষেত্ৰত বিশেষভাৱে সহায় পাইছিলো শ্ৰদ্ধাৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়া ছাৰৰ পৰা। তেখেতৰ সৈতে প্ৰতিটো মুহূৰ্ততে আলোচনীকে ধৰি অন্যান্য বিষয়ত আলোচনা কৰিছিলো। গঠনমূলক সমালোচনা, প্ৰশংসা, দিহা-পৰামৰ্শ আমাৰ দুয়োজনৰ মাজতে চলিছিল।

আলোচনী বিভাগৰ ড° মনমী বাইদেউ, মিতালী বাইদেউ, ড° মৃদুল শৰ্মা ছাৰ, ৰসায়ন বিজ্ঞান বিভাগৰ দীপংকজ ছাৰ, উদ্ভিদ বিজ্ঞান বিভাগৰ সমূহ শিক্ষাগুৰুৰ উপাধ্যক্ষ, শৈক্ষিক সমন্বয়ক ছাৰৰ আলোচনী সফল প্ৰকাশৰ ক্ষেত্ৰত থকা অনবদ্য অৱদানক অস্বীকাৰ কৰিব নোৱাৰি। সম্পাদক হিচাপে মই প্ৰতিটো মুহূৰ্ততে, প্ৰতিটো ক্ষেত্ৰতে তেওঁলোকৰ পৰা বহু সহায়-সহযোগিতা, সৎ দিহা-পৰামৰ্শ পাইছিলোঁ। আলোচনী প্ৰকাশৰ ক্ষেত্ৰত পোৱা ডাঙৰ প্ৰত্যাহ্বানটো আছিল লেখা যুগুত কৰা। হাজাৰ হাজাৰ কানৈয়ানৰ মাজত ২০০ পৃষ্ঠাৰ আলোচনীৰ বাবে লেখা বিচাৰি বহুত হাবাথুৰি খাবলগীয়া হৈছিল। তেতিয়া মই সহজে অনুভৱ কৰিব পাৰিছিলো যে নৱ প্ৰজন্মৰ সাহিত্যৰ প্ৰতি থকা অনীহাৰ কথা। বহুতৰ প্ৰশ্ন আছিল আলোচনী প্ৰকাশ হ'ব জানো? ছাত্ৰ একতা সভাৰ একাংশই সময়ত তেখেতসকলৰ বিভাগীয় প্ৰতিবেদন, তথ্য জমা দিব নোৱাৰিলে গতিকে জ্যেষ্ঠসকলৰ পৰামৰ্শ মতে নিজৰে ব্যৰ্থতা বুলি স্বীকাৰ কৰি "একলা চলো" নীতিৰে পুনৰ কৰ্মত ব্যস্ত হ'লো। তাৰ মাজতে সমালোচনা, উপলুঙা কৰা লোকৰ সংখ্যা কম নাছিল। লেখা নিদিয়াকৈ কৰা এনে সমালোচনাক জুবিন গাৰ্গৰ এটি গানৰ কলিৰে প্ৰত্যুত্তৰ দিছিলো, "জ্বলিলা যেতিয়া ৰাতিপুৱালৈ জ্বলা, ৰাতি কিমান দীঘলীয়া সেই কথা এতিয়া এন্ধাৰক সুধাৰ প্ৰয়োজন কি?" এনে বহু প্ৰত্যাহ্বানক নেওচি মই লেখনিসমূহ গোটাবলৈ সক্ষম হ'লো, বহু কানৈয়ানক আলোচনী প্ৰকাশ কৰিম বুলি কথা দিছিলো। ইয়াৰপৰা এটা কথা ভালদৰে উপলব্ধি কৰিলো যে বিশ্বাসৰ জৰিয়তেহে মানুহৰ পৰা বহু কাম আদায় কৰিব পাৰি। কিন্তু লাগি থাকিব লাগিব।

এনেদৰে বহু অসুবিধা, প্ৰত্যাহ্বান নেওচি আলোচনী সফল প্ৰকাশ কৰাত সক্ষম হ'লো। এই ক্ষেত্ৰত সহযোগ কৰা শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়কে প্ৰমুখ্যেসমূহ শিক্ষাগুৰুক এই

ছেগতে মই কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। সম্পাদনাৰ ক্ষেত্ৰত সহযোগ কৰা সম্পাদনা সমিতিৰসমূহ বিষয় ববীয়াকৈ মই কৃতজ্ঞতা জ্ঞাপন কৰিলো। কানৈয়ানৰ লেখা আৰু বিশ্বাসৰ অবিহনে হয়তো আলোচনী প্ৰকাশ কৰাটো মোৰ বাবে সম্ভৱ নহ'ল হয়। কিন্তু মোৰ ওপৰত কানৈয়ানে যি বিশ্বাস ৰাখিলে তাৰ কাৰণে সমূহ কানৈয়ানৰ ওচৰত মই চিৰদিনৰ বাবে ঋণী হৈ ৰ'ম।

আলোচনীৰ সৌষ্ঠৱ বৃদ্ধি কৰা ক্ষেত্ৰত শুভেচ্ছাবাণী আৰু সাক্ষাৎকাৰ শিতানৰ অৱদানক অস্বীকাৰ কৰিব নোৱাৰি। ইয়াৰ দ্বাৰা সফল ব্যক্তিৰ বহু জীৱন সংগ্ৰাম, সাধনা, ধাৰণা বিষয়ে জানিব পাৰি। এইক্ষেত্ৰত মোক বিশেষভাৱে সহায় কৰা অসমৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া, শিক্ষামন্ত্ৰী ডাঙৰীয়া, ডিব্ৰুগড় জিলা উপায়ুক্ত বিশ্বজিৎ পেগু ছাৰ, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক জিতেন হাজৰিকা ছাৰ, অসমৰ চৰকাৰ শিক্ষা বিভাগৰ উপদেষ্টা ড° ননীগোপাল মহন্ত ছাৰ, ৰাষ্ট্ৰপতি ভৱনৰ উপ-সঞ্চালক (সংগ্ৰাহালয়) পঙ্কজ প্ৰতীম বৰদলৈ ছাৰ, সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱা ককাইদেউলৈও মই এই ছেগতে কৃতজ্ঞতা জ্ঞাপন কৰিলো। তেখেতসকলে ব্যক্তিগতভাৱে অভাজনক ব্যক্তিগত, সামাজিক কামত বিভিন্ন দিহা-পৰামৰ্শ আগবঢ়াই আহিছে।

আলোচনীৰ কামসমূহ আগবঢ়াই নিয়াৰ ক্ষেত্ৰত সহযোগ কৰা ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়াৰ ওচৰত চিৰকৃতজ্ঞ। বিভিন্ন সময়ত মোক বহুতো সৎ দিহা-পৰামৰ্শৰে উপকৃত কৰা গ্ৰন্থাগাৰিক বাইদেউ, প্ৰতাপ সেনাপতি দাদা, অপূৰ্ব শৰ্মা ককাইদেউ, কাৰ্যালয়ৰ ৰঞ্জিত দা, জয়ন্ত দাদালৈও এই ছেগতে কৃতজ্ঞতা জ্ঞাপন কৰিলো। গুৱাহাটীত বিভিন্ন কামত সহায় কৰা কৌস্তুভ কিশোৰ চুতীয়া ককাইদেউকো অশেষ কৃতজ্ঞতা জনালো। মহাবিদ্যালয়ৰ ছাত্ৰাবাস-ছাত্ৰীনিবাসৰ সমূহ আবাসী, মই অধ্যয়নৰত উদ্ভিদ বিজ্ঞান বিভাগৰ সমূহ সহপাঠীক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। প্ৰিয় ব্যক্তি তথা নিজৰ ঘৰখনক কৃতজ্ঞতা জনাইছো মোৰ কৰ্মব্যস্ততাক লৈ কোনো আপত্তি-অভিযোগ নকৰা বাবে যাৰ বাবে মুকলি মনেৰে কৰ্মত মনোনিৱেশ কৰিব পাৰিছিলো।

আলোচনীখনক সুন্দৰ প্ৰকাশৰ বাবে দিন-ৰাতি এক কৰি কঠোৰ পৰিশ্ৰম কৰা কৌস্তুভ প্ৰিন্টাৰ্ছৰ দীপক বৰুৱা দাদা, দ্বীপ গগৈ দাদা, চিত্ৰা সোনোৱাল বাইদেউৰ ওচৰতো মই চিৰ কৃতজ্ঞ।

আমি সকলোৱে জানো, মানুহ মাত্ৰেই ভুল, গতিকে আলোচনীৰ প্ৰকাশ তথা সম্পাদনা ক্ষেত্ৰত যদি অজ্ঞাতবশতঃ ক'ৰবাত ভুল-ত্ৰুটি ৰৈ যায়, তেনেহ'লে মই সম্পাদক হিচাপে পাঠকৰ ওচৰত ক্ষমাপ্ৰাৰ্থী।

শেষত, মই মোৰ সমূহ শুভাকাংক্ষীলৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ আৰু "কানৈয়ান"ৰ এই জয়যাত্ৰা অব্যাহত থাকক সফল হওক তাৰে কামনা কৰিছোঁ। শেষত স্বামী বিবেকানন্দৰ এটি বাণীৰে সম্পাদকীয় টোকা, অনুভৱ সামৰোঁ।

"All the power within you
You can do anything and every thing
Believe in that.
Don't believe that you are weak,
Stand up and express the divinity
Within you."

জয়তু কানৈ মহাবিদ্যালয়
জয়তু কানৈয়ান।

# কানৈ মহাবিদ্যালয়ত কাম কৰাৰ আনন্দ

**কৰ্মসূৰ্য ড° শশীকান্ত শইকীয়া**
অধ্যক্ষ

১৯৪৫ চনৰ ১৫ জুনত ডিব্ৰুগড় মহাবিদ্যালয় নামেৰে প্ৰতিষ্ঠা হোৱাৰ পিছত পৰৱৰ্তী সময়ত ডি.এইচ.এচ. কানৈ মহাবিদ্যালয় নামেৰে পৰিচিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ (চমুকৈ কানৈ) মহাবিদ্যালয় সম্প্ৰতি অসমৰ এক ঐতিহ্যপূৰ্ণ মহাবিদ্যালয়। কানৈ মহাবিদ্যালয়ে ইতিমধ্যে ১৫ আৰু ১৬ অক্টোবৰ, ২০২২-ত মহাৰজত জয়ন্তী বৰ্ষ উদ্‌যাপন কৰিছে। এখন ঐতিহ্যপূৰ্ণ মহাবিদ্যালয় হিচাপে কানৈ মহাবিদ্যালয়ত অধ্যক্ষৰ দায়িত্ব গ্ৰহণ কৰাৰ পিছৰে পৰা এক আন্দোলনমুখী চিন্তাধাৰাৰে মহাবিদ্যালয়খনৰ উত্তৰণৰ বাবে প্ৰয়াস কৰি অহা হৈছে। কানৈ মহাবিদ্যালয়ৰ প্ৰতিটো সমস্যা সমাধান কৰি বিশ্ব অভিমুখে গতি কৰাৰ চেষ্টাৰ ত্ৰুটি কৰা নাই। কানৈ মহাবিদ্যালয়ৰ আটাইতকৈ গুৰুত্বপূৰ্ণ কথাটো হ'ল শৈক্ষিক আন্দোলন। এখন মহাবিদ্যালয় স্থবিৰ হৈ ৰোৱাৰ বিপৰীতে গতিশীলতাৰ দিশত আগুৱাই নিয়াৰ অংশ হিচাপে বিদ্যায়তনিক দিশতো যথেষ্ট আগুৱাই নিয়াৰ প্ৰয়াস কৰা হৈছে। কানৈ মহাবিদ্যালয়ৰ প্ৰতিটো কাম-কাজ লিপিবদ্ধ কৰি ৰখাৰ চেষ্টা কৰা হৈছে। ১৯৪৫ চনৰ পৰা ২০১৯ চনত ৭৫ বছৰ সম্পূৰ্ণ কৰাৰ পিছতো মহাবিদ্যালয়খনত মহাৰজত জয়ন্তী বৰ্ষ উদ্‌যাপন কৰিব পৰা নগ'ল। সমগ্ৰ পৃথিৱীত কৰ'না মহামাৰীয়ে ত্ৰাসৰ সৃষ্টি কৰি থকা হেতু ইয়াৰ দুবছৰৰ পিছত ২০২২ বৰ্ষৰ ১৫ আৰু ১৬ অক্টোবৰত মহাৰজত জয়ন্তী বৰ্ষ উদ্‌যাপন কৰা হয়। মহাৰজত জয়ন্তী বৰ্ষৰ আটাইতকৈ গুৰুত্বপূৰ্ণ কথা হ'ল মহাবিদ্যালয়খন প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত যিসকলে প্ৰয়াস চলাইছিল আৰু অৱশেষত তেওঁলোকৰ সপোন বাস্তৱত ৰূপায়িত কৰিছিল সেয়ে প্ৰতিষ্ঠা লগ্নৰ স'তে জড়িত হৈ থকা তিনি গৰাকী ব্যক্তি ক্ৰমে — প্ৰথমগৰাকী অধ্যক্ষ ড° যোগীৰাজ বসু, প্ৰথমগৰাকী উপাধ্যক্ষ ড° লক্ষ্মীপ্ৰসাদ দত্ত আৰু প্ৰথমগৰাকী পৰিচালনা সমিতিৰ সম্পাদক অশ্বিনী চৰণ চৌধুৰীৰ নামত তিনিটাকৈ প্ৰতিমূৰ্তি স্থাপন কৰাতো। তিনিওগৰাকী শিক্ষাসদী ব্যক্তিৰ নামত তিনিটা প্ৰতিমূৰ্তি নিৰ্মাণ কৰি স্থাপন কৰাতো বোধহয় মহাবিদ্যালয়খনৰ ইতিহাসৰ বাবে স্মৰণীয় দিন। প্ৰতিমূৰ্তি উন্মোচন কৰা হৈছিল ২০২২ চনৰ ১৫ অক্টোবৰত। প্ৰতিষ্ঠাপক অধ্যক্ষ পণ্ডিত প্ৰৱৰ ড° যোগীৰাজ বসুৰ প্ৰতিমূৰ্তি উন্মোচন কৰিছিলো মই নিজে। সেয়া মোৰ জীৱনৰ যেন এটি স্মৰণীয় মুহূৰ্ত। এগৰাকী পণ্ডিতৰ প্ৰতিমূৰ্তি স্থাপন কৰাৰ পিছত উন্মোচনীৰ দায়িত্ব গ্ৰহণ কৰাতোৱে মোৰ জীৱনত স্মৃতি হৈ থাকিব, জীৱনটো সাৰ্থক হোৱা বুলিব পাৰি। যিগৰাকী অধ্যক্ষই জীৱনৰ সমস্ত শক্তি কেৱল শিক্ষাৰ উত্তৰণৰ বাবে কাম কৰি গৈছিল। মহাবিদ্যালয়খন প্ৰতিষ্ঠাৰ ৭৭ বছৰৰ পিছত তেখেতৰ প্ৰতিমূৰ্তি এই লেখকে উন্মোচন কৰিবলৈ পোৱাতো পৰম সৌভাগ্য বুলিব পাৰি। মহাবিদ্যালয়খনৰ ৰূপালী জয়ন্তী, সোণালী জয়ন্তী, ৰজত জয়ন্তী ইত্যাদি অনেক জয়ন্তী বুকুৰ মাজেৰে পাৰ হৈ গ'ল। ৭৫ বছৰ গৰকা মহাবিদ্যালয়খনত প্ৰতিমূৰ্তি স্থাপন কৰাতো নিশ্চিতভাৱে মহাবিদ্যালয়খনৰ পৰিয়ালৰ বাবে সু-খবৰ। প্ৰথমগৰাকী উপাধ্যক্ষ ড° লক্ষ্মীপ্ৰসাদ দত্তৰ প্ৰতিমূৰ্তি উন্মোচন কৰে পৰিচালনা সমিতিৰ সভাপতি অভিমন্যু বৰুৱাই। প্ৰথমগৰাকী সম্পাদক অশ্বিনী চৰণ চৌধুৰীৰ প্ৰতিমূৰ্তি উন্মোচন কৰে মহাৰজত জয়ন্তী উদ্‌যাপন সমিতিৰ সভাপতিৰ দায়িত্বত থকা প্ৰাক্তন ছাত্ৰ, প্ৰাক্তন লাহোৱাল সমষ্টিৰ বিধায়ক ঋতুপৰ্ণ বৰুৱাই। মহাৰজত জয়ন্তীৰ ভাল-বেয়া দিশবোৰতকৈও আটাইতকৈ স্মৃতি সজীৱ হৈ থাকিব প্ৰতিমূৰ্তি স্থাপন

কৰাতো। হয়তো সেই কাম বহু আগতেই কৰিব লগা আছিল। কৰা হোৱা নাছিল। সেই কামফেৰা আমাৰ কাৰ্যকালত সম্পন্ন কৰা হয়।

সমাজত দুই শ্ৰেণীৰ মানুহ থাকে। এক শ্ৰেণীৰ মানুহে কেৱল সমাজৰ বাবে কাম কৰি যায়, সমাজৰ উত্তৰণৰ বাবে ভাবে। সেইসকল মানুহে প্ৰতিটো সমস্যা সমাধান কৰাৰ কথা নিজে ভাবে। সমস্যা সৃষ্টি কৰাৰ কথা নাভাবে। সমাজক কেনেদৰে বৰঙনি যোগাব পাৰি সেয়া অনুভৱ কৰে। কআন এক শ্ৰেণীৰ মানুহ আছে, যিসকলে সমাজৰ কাৰণে কিঞ্চিতমানো বৰঙনি আগবঢ়োৱা কথাতো নাভাবে। আনৰ ভুল আঙুলিয়াই থাকোতেই জীৱনটো অতিক্ৰম কৰে। নিজে কৰা ভুলসমূহ স্বীকাৰ নকৰে। দৰাচলতে সেই চাম মানুহে সমাজৰ উন্নয়ন, মানুহৰ উন্নয়ন বা ছাত্ৰ-ছাত্ৰীৰ উন্নয়নৰ কথা নাভাবে। যিসকল মানুহে কেৱল আনৰ ভুল আঙুলি টোৱাই থাকোতেই জীৱনটো অতিক্ৰম কৰে, সেইসকল মানুহে কোনো ইতিবাচক সিদ্ধান্ত গ্ৰহণ কৰিব নোৱাৰে। সমস্যা সমাধান কৰিব পৰাতো, আনৰ ভাল কামনা কৰাতো এজন মানুহৰ ইতিবাচক দিশ। কানৈ মহাবিদ্যালয়ৰ ক্ষেত্ৰত জন্মলগ্নৰে পৰা এচাম মানুহে কেৱল কামকে কৰি গ'ল। সেইসকলৰ বৰঙনি কোনেও অস্বীকাৰ কৰিব নোৱাৰে। এতিয়াও তেনে এচাম মানুহৰ চিন্তাৰে মহাবিদ্যালয়খন ইতিবাচক দিশত গতি কৰি আছে। মহাবিদ্যালয়খনৰ উত্তৰণৰ বাবে কাম কৰি আছে।

এখন মহাবিদ্যালয়ৰ প্ৰতিটো চিন্তা আৰু কৰ্ম প্ৰত্যেক জন ব্যক্তিয়ে জনা উচিত। মহাবিদ্যালয়খনৰ বিষয়ে যিমানেই জানিব, সিমানেই মহাবিদ্যালয়খনৰ প্ৰতি মৰম আৰু ভালপোৱা বৃদ্ধি পাব। মহাবিদ্যালয়খনৰ স্মৃতি সজীৱ কৰিবলৈ প্ৰকাশ কৰা হৈছিল ২০২২ চনৰ ছেপ্তেম্বৰ মাহলৈকে হোৱা কেতবোৰ উন্নয়নমূক কাম-কাজৰ খতিয়ান হিচাপে 'উত্তৰণ' নামৰ এখন গ্ৰন্থ। গ্ৰন্থখন সম্পাদনা কৰি প্ৰকাশ কৰিছিল কানৈ মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰীক ড° পল্লৱী গগৈ আৰু কানৈ মহাবিদ্যালয়ৰ কাৰ্যালয় সহায়ক অপূৰ্ব শৰ্মাই। এই গ্ৰন্থখনো এখন ঐতিহাসিক দলিল বুলিব পাৰি। গ্ৰন্থখনত এই লেখকে ২০১৫ চনৰ ১৯ জুনত অধ্যক্ষ হিচাপে যোগদান কৰি কেনেবোৰ কাম-কাজ কৰা হৈছিল সেই বিষয়ে বিতং সন্নিৱিষ্ট কৰা হৈছিল। প্ৰত্যেকটো কামৰ হিচাপ লিপিবদ্ধ কৰাতো নিশ্চিতভাৱে এক ব্যতিক্ৰমি চিন্তা বুলিব পাৰি। কানৈ মহাবিদ্যালয়ৰ প্ৰাণ প্ৰতিষ্ঠাতা ৰায়চাহাব পদ্মশ্ৰী দানবীৰ হনুমানবক্স কানৈৰ জীৱনী এখন বৰকৈ অভাৱ আছিল। ক্ষুদ্ৰ এখন জীৱনী প্ৰকাশ কৰিছিলো কানৈ মহাবিদ্যালয়ৰ দাতা সদস্য জ্যোতি প্ৰসাদ কানৈৰ স'তে। দুয়োজনে আলোচনা কৰিছিলো এখন ক্ষুদ্ৰ আকাৰত হ'লেও দানবীৰ কানৈৰ জীৱনৰ ওপৰত গ্ৰন্থৰ প্ৰয়োজন। গ্ৰন্থখন প্ৰকাশ কৰিবলৈ গৈ দেখিলো তথ্য বুলিবলৈ মহাবিদ্যালয়খনত একোৱেই নাই। জ্যোতি প্ৰসাদ কানৈয়ে যোগান ধৰা কেতবোৰ তথ্যৰ আধাৰতে দানবীৰ হনুমানবক্স কানৈ গ্ৰন্থখন প্ৰকাশ কৰা হ'ল। এই গ্ৰন্থখন প্ৰকাশ কৰাৰ পিছতে এটা সমস্যা সমাধান হ'ল। অন্ততঃ হনুমানবক্স কানৈৰ ক্ষুদ্ৰ জীৱনী এখন হ'ল। দানবীৰ হনুমানবক্স কানৈৰ বিষয়ে অগ্ৰদূত কাকতো নিয়মীয়াকৈ কেইবাটাও সংখ্যাত লিখিছিলো। স্মৃতি গ্ৰন্থটো লিখিছিলো। তেনে এটা লেখা পঢ়ি অনুপ্ৰাণিত হৈ ধেমাজি জিলাৰ জোনাইৰ নিৱাসী তথা কানৈ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ দীলিপ গগৈয়ে পিতৃৰ নামত এটা মুকলি মঞ্চ সাজিবলৈ বাৰ লাখ টকা অনুদান আগবঢ়াইছিল। এয়া কম কথা নহয়। হনুমানবক্স কানৈৰ এখন পূৰ্ণাংগ জীৱনী প্ৰকাশ কৰিবলৈ বিশিষ্ট লেখক সুমন দত্তক দায়িত্ব দিয়া হয়। সুমন দত্তই গ্ৰন্থখন প্ৰকাশৰ বাবে বহু নতুন নতুন তথ্য লাভ কৰা বুলিও জানিবলৈ দিয়ে। মহাবিদ্যালয়খনলৈ বিভিন্ন সময়ত বিভিন্ন ব্যক্তি আহে। সেইসকলৰ মহাবিদ্যালয়খনৰ প্ৰতি ধাৰণা কি সেয়া লিপিবদ্ধ কৰি যোৱা টোকাৰ ভিত্তিত এখন গ্ৰন্থ প্ৰকাশৰ চিন্তা কৰা হয়। অতিথিসকলে কানৈ মহাবিদ্যালয়ত ভৰি দি লাভ কৰা অনুভৱ আৰু উপলব্ধিৰে লিখি যোৱা টোকাৰ ভিত্তিত প্ৰকাশ কৰা হৈছিল এখন গ্ৰন্থ। 'এনেমেছিচ'-(প্ৰথম খণ্ড) নামৰ গ্ৰন্থখনো প্ৰকৃততে অসমৰ গ্ৰন্থ জগতত এখন ব্যতিক্ৰমী আৰু অনন্য গ্ৰন্থ। গ্ৰন্থখন মহাবিদ্যালয়ৰ ইতিহাসত এখন ঐতিহাসিক দলিল বুলিব পাৰি। গ্ৰন্থখনত অনেক ভ্ৰমণকাৰীয়ে কানৈ মহাবিদ্যালয়ৰ বিষয়ে বহু সুন্দৰ বক্তব্য লিপিবদ্ধ কৰি গৈছে। কানৈ মহাবিদ্যালয়ত নিয়মীয়াকৈ প্ৰকাশ পোৱা বুলেটিন আচলতে মহাবিদ্যালয়খনৰ দাপোন স্বৰূপ। বুলেটিনখনত সুন্দৰ উপস্থাপন সহ অনেক তথ্য লিপিবদ্ধ হৈ আছে। প্ৰতি বছৰে কানৈ মহাবিদ্যালয়ৰ ছ'ফেকৰ

উদ্যোগত প্ৰকাশ পাই আহিছে 'কৃষ্ণচূড়া', 'নেচাৰ', মহাবিদ্যালয়ৰ শিক্ষক গোটৰ আলোচনী 'ৰাক্', প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সংস্থাৰ ২০১৩ চনৰ ২১-২২ ডিচেম্বৰত প্ৰকাশিত 'অনিৰ্বাণ', মহাবিদ্যালয়ৰ ৩ ছেপ্তেম্বৰ, ২০১০-ত অনুষ্ঠিত হীৰক জয়ন্তীৰ স্মৃতিগ্ৰন্থ 'হীৰকদ্যুতি', ইতিমধ্যে উল্লেখ কৰি অহাৰ দৰে পুনৰ উল্লেখ কৰি থ'ব বিচাৰিছো মহাবিদ্যালয়ৰ অধ্যক্ষ হিচাপে মই আৰু পৰিচালনা সমিতিৰ দাতা সদস্য জ্যোতি প্ৰসাদ কানৈৰ 'দানবীৰ হনুমানবক্স কানৈ' (Danvir Hanumanbax Kanoi), একেদৰে ফেব্ৰুৱাৰী ২০১৭-ত অধ্যক্ষ হিচাপে প্ৰকাশ কৰা 'ডি এইচ এচ কে মহাবিদ্যালয়ত অভিজ্ঞতা' (Experience as the Principal of DHSK College), মহাবিদ্যালয়ৰ গ্ৰীণ ক্লাৱৰ কাম-কাজক লৈ ২০২২ বৰ্ষত প্ৰকাশিত 'আপুনি জানেনে? আহকচোন জানো কানৈ মহাবিদ্যালয়ৰ সেউজ আৰু স্বচ্ছতাৰ বিপ্লৱৰ কথা' শীৰ্ষক প্ৰচাৰ পত্ৰিকা, গ্ৰন্থাগাৰিক ড° পল্লৱী গগৈ আৰু কাৰ্যালয় সহায়ক অপূৰ্ব শৰ্মাৰ সম্পাদনাত 'উত্তৰণ' (Development of DHSK College, 2015 June to September 2022), Anamnesis (Part-I) Compiled And edited by- Dr Pallavi Gogoi, DHSK College News Bulletin, DHSK College, Annual Bulletin, The Green Campus, Memoirs of Green Club, DHSK College Editor- Dr. Lamkholal Doungel, মহাৰজত জয়ন্তী উপলক্ষ্যে ১৫ অক্টোবৰ, ২০২২-ত প্ৰকাশিত 'বৰ্ণিল ঐতিহ্য' স্মৃতিগ্ৰন্থ আৰু 'CAMPUS Newsletter', অধ্যক্ষ হিচাপে মোৰ প্ৰচেষ্টাত অসমীয়া আৰু বাংলা ভাষাত পৃথক পৃথককৈ 'সাধক পুৰুষ ড° যোগীৰাজ বসু', মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ ভাষা-সাহিত্য-সংস্কৃতি, চিন্তাৰ বৈভৱ, চিন্তাৰ প্ৰতীতি, অনুশীলন, একেদৰে নৃতত্ত্ব বিভাগৰ "CHILD HEALTH IN INDIA"- By Dr. Bhaskar Das, Dr. Moromi Talukdar & Dr. Anup Jyoti Bharali, উদ্ভিদ বিজ্ঞান বিভাগৰ Handbook on Plant Species Diversity Of DHSK College– By Dr. Gitamani Dutta and Ambarish Bhuyan (2022), বি চি এ বিভাগৰ Newsletter– Code Bytes (2021, 2022), ৰাজনীতি বিজ্ঞান বিভাগৰ Newsletter - The Ideal (2005-2022), ভূগোল বিভাগৰ 'ধৰিত্ৰী', ডি চি ছাত্ৰাবাসৰ 'দেৱদাৰু', 'সৃষ্টি', 'বৰদৈচিলা', ছাত্ৰী নিৱাসৰ 'দিয়া' ইত্যাদি। কানৈ মহাবিদ্যালয়ৰ উদ্যোগত ভূগোল বিভাগেও এখন আলোচনী প্ৰত্যেক বছৰে প্ৰকাশ কৰি আহিছে। কানৈ মহাবিদ্যালয়ত যোগ ক্লাৱ আৰু যোগ আৰু ধ্যান কেন্দ্ৰ গঢ়ি তোলাতো মহাবিদ্যালয়খনৰ ইতিহাসত প্ৰথম। এই লেখকে অধ্যক্ষ হিচাপে ছাত্ৰ-ছাত্ৰী, শিক্ষক-কৰ্মচাৰীৰ মানসিক উৎকৰ্ষ সাধনৰ বাবে এনে ক্লাৱ আৰু কেন্দ্ৰ মুকলি কৰাৰ চেষ্টা কৰো। দুয়োটা সংগঠনে মহাবিদ্যালয়খনত যোগ দিৱস, যোগ বক্তৃতা, যোগ কৰ্মশালা, আলোচনা চক্ৰ অনুষ্ঠিত কৰি আহিছে। কেৱল সেয়াই নহয় মহাবিদ্যালয়খনৰ যোগ ক্লাৱৰ তৰফৰ পৰা প্ৰতি বছৰে প্ৰকাশ কৰা হয় যোগ বুলেটিন 'সন্নিধি'। আনন্দৰ খবৰ যে 'সন্নিধি' প্ৰথম প্ৰকাশ পাই ২০২২ চনৰ ২১ জুনত। পুৱা ছয় বজাতে এই বুলেটিনখন ময়ে উন্মোচন কৰো। সেইদিনা পুৱাৰ ভাগত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ডিব্ৰুগড়ত অনুষ্ঠিত হোৱা আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসত ভাগ লৈছিল। 'সন্নিধি' উন্মোচন কৰাৰ এঘন্টাৰ ভিতৰতে মুখ্যমন্ত্ৰীৰ হাতত পৰিছিলগৈ বুলেটিনখন। যোগ প্ৰশিক্ষক চয়নিকা গগৈয়ে বুলেটিনখন মুখ্যমন্ত্ৰীৰ হাতত প্ৰদান কৰিছিল। সেয়াও এক মধুৰ স্মৃতি বুলিব পাৰি। কানৈ মহাবিদ্যালয়ত যোগ বুলেটিন প্ৰকাশ কৰি উলিওৱাটো এক ইতিহাস বুলিব পাৰি, আনহাতে ডিম্বেশ্বৰ চলিহা ছাত্ৰাৱাস আৰু ছাত্ৰীনিৱাসৰ তৰফৰ পৰাও প্ৰকাশ হৈ আছে একোখনকৈ বাৰ্ষিক বুলেটিন। বি চি এ বিভাগৰ উদ্যোগতো নিয়মীয়াকৈ প্ৰকাশ পাই আহিছে আন এখন বাৰ্ষিক নিউজ বুলেটিন। এনেধৰণৰ গ্ৰন্থ, বুলেটিন প্ৰকাশে মহাবিদ্যালয়খনৰ কৰ্মসূচী সুন্দৰভাৱে ফুটাই তুলিবলৈ সক্ষম হৈছে। কানৈ মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰৰ তৰফৰ পৰাও এখন গ্ৰন্থ প্ৰকাশ কৰা হৈছে। বিভিন্ন গ্ৰন্থ, বুলেটিন, নিউজ লেটাৰ প্ৰকাশ কৰি শৈক্ষিক দিশত আগুৱাই নিয়াৰ চেষ্টা কৰি থকা হৈছে।

কেৱল গ্ৰন্থই নহয়, কানৈ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ ড° যোগীৰাজ বসুৰ নামত এটা তিনিমহলীয়া ভৱন যি ভৱনৰ নাম 'ড° যোগীৰাজ বসু বিজ্ঞান আৰু প্ৰযুক্তি ভৱন' ৰূপে নামকৰণ কৰিলো ময়ে। একেদৰে কেন্দ্ৰীয় গ্ৰন্থাগাৰটোৰ নাম পৰিচালনা সমিতিৰ প্ৰথমগৰাকী সম্পাদক অশ্বিনী চৰণ চৌধুৰীৰ নামত নামকৰণ কৰো। প্ৰথম গৰাকী



উপাধ্যক্ষ কৰ্মযোগী ড° লক্ষ্মী প্ৰসাদ দত্তৰ নামত বাৰ্ষিক একোখন ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা চক্ৰ, বক্তৃতানুষ্ঠান আয়োজন কৰা হয়। তেওঁৰ নামত শ্ৰেষ্ঠ কলাৰ স্নাতকজনক এটা বঁটা প্ৰদান কৰাৰো ব্যৱস্থা কৰা হয়। এইসমূহ কাম এই লেখকে অধ্যক্ষ হিচাপে যোগদান কৰাৰ পিছতেই কৰিবলৈ মনস্থ কৰা হয়। অনুভৱ কৰা হৈছিল প্ৰতিষ্ঠাপক অধ্যক্ষ, উপাধ্যক্ষ, সম্পাদকৰ উপৰিও মহাবিদ্যালয়খন দান সূত্ৰে আগুৱাই নিবলৈ চেষ্টা কৰা দানবীৰ ৰায়চাহাব হনুমানবক্স কানৈৰ প্ৰতিমূৰ্তিও আটোমটোকাৰীকৈ সজাই ৰখাৰ চেষ্টা কৰা হয়। হনুমানবক্স কানৈ, লালচান্দ কানৈৰ নামত থকা প্ৰতিমূৰ্তি পৰিষ্কাৰ কৰি সজাই নিয়ন লাইটৰ পোহৰেৰে জিলিকাই তোলা হয়। যিগৰাকী ব্যক্তিয়ে মহাবিদ্যালয়খনৰ বাবে দান দিবলৈ আগবাঢ়ি নহাহেঁতেন কানৈ মহাবিদ্যালয় আজিৰ দৰে এটা সুন্দৰ সকলো ফালে জিলিকি থকা ভৱন হয়তো নাপালেহেঁতেনে।

২০১৫ চনৰ ১৯ জুনত কানৈ মহাবিদ্যালয়ত অধ্যক্ষ হিচাপে যোগদান কৰাৰ পিছতে দেখা পাইছিলো হনুমানবক্স কানৈৰ প্ৰতিমূৰ্তি যেন পুতিগন্ধময় অৱস্থাত। কোনো দিনেই প্ৰতিমূৰ্তিত এগছি বন্তি, কোনো দিনেই প্ৰতিমূৰ্তিত এডাল মালা বাদেই প্ৰতিমূৰ্তিতো পৰিষ্কাৰ কৰা নাছিল। যোগদান কৰিয়ে জানিব পাৰিছিলো পৰিয়ালৰ কোনোবা আহি তেনে অপৰিষ্কাৰ, লেতেৰা কৰি ৰখা দানবীৰ জনৰ প্ৰতিমূৰ্তি দেখি শোকত ভাগি পৰিছিল। এনে পৰিৱেশৰ পৰা উদ্ধাৰ কৰাৰ চিন্তা কৰি প্ৰতিমূৰ্তি পৰিষ্কাৰ কৰি, ৰং লগাই, পোহৰৰ ব্যৱস্থা কৰি এখন গামোচাৰে শ্ৰদ্ধেয় দানবীৰজনক সন্মান কৰাৰ চেষ্টা কৰিলোঁ। প্ৰতিষ্ঠা দিৱসত তেওঁৰ সন্মুখত এগছি বন্তি জ্বলোৱাৰ চেষ্টা কৰা হয়। একেদৰে তেওঁৰ ভতিজাক লালচান্দ কানৈৰ নামত স্থাপন হোৱা মূল প্ৰেক্ষাগৃহটোৰ সন্মুখত লালচান্দ কানৈৰ প্ৰতিমূৰ্তিও জিলিকাই তোলাৰ প্ৰয়াস কৰা হয়। এখন মহাবিদ্যালয় উত্তৰণৰ ক্ষেত্ৰত সহায়ৰ হাত আগবঢ়োৱা হনুমানবক্স কানৈ, লালচান্দ কানৈক জানিবৰ বাবে বিভিন্ন সময়ত প্ৰয়াস কৰা হৈছে। প্ৰকৃততে সেইসকল ব্যক্তি আছিল সমাজ হিতৈষী, সমাজক ভালপোৱা একো একোজন মণীষী। কিমান মানুহে পৃথিৱীত ধন-সম্পত্তি পাহাৰ গঢ়িব পাৰিলেও কোনো শিক্ষানুষ্ঠান, ৰাজহুৱা অনুষ্ঠানৰ প্ৰতি মনোনিৱেশ নকৰে। বিখ্যাত ফুটবল খেলুৱৈ চাদিঅ' মানে সাপ্তাহিক উপাৰ্জন এক কোটিৰো অধিক হোৱাৰ পিছতো তেওঁ হোনো ভীক্ষাৰীৰ দৰে জীৱন পাৰ কৰিছিল। তেওঁ কৈছিল— তেওঁ পৃথিৱীৰ সমষ্ট বিলাসী সম্পদ কিনিব পাৰে, কিন্তু এইবোৰৰ নো প্ৰয়োজন কি, কাৰ কামত আহি। যি উপাৰ্জন হয় সেই ধনেৰে মানুহৰ বাবে বিদ্যালয়, খেল পথাৰ, দৰিদ্ৰৰ বাবে কাপোৰ, খাদ্য কিয় দিব নোৱৰি? তেওঁ কৈছিল— টকাৰ মূল্য সঁচা অৰ্থত তেতিয়াহে থাকে, যেতিয়া টকাক উচিত আৰু প্ৰয়োজনত ব্যৱহাৰ কৰা হয়। হনুমানবক্স কানৈ আৰু লালচান্দ কানৈ এই দুয়োগৰাকী আচলতে চাদিঅ' মানে কোৱাৰ দৰে ব্যক্তি। দুইজনা ব্যক্তিয়ে কানৈ মহাবিদ্যালয় প্ৰতিষ্ঠাৰ ক্ষেত্ৰতে নহয়, ডিব্ৰুগড় বিশ্ববিদ্যালয়কে ধৰি কেইবাখনো মহাবিদ্যালয় গঢ়ি তুলিছিল। সেয়ে এইসকল ব্যক্তিক যুগমীয়া কৰিবৰ বাবেই কাৰ্যপন্থা গ্ৰহণ কৰা হৈছিল।

কানৈ মহাবিদ্যালয়ৰ উত্তৰণৰ বাবে কাম কৰি লাভ কৰা আনন্দ হয়তো কেতিয়াও বুজাব নোৱাৰি। এখন

জৰাজীৰ্ণ, মৃতপ্ৰায় মহাবিদ্যালয় জীৱন্ত ৰূপ দিবলৈ যি আপ্ৰাণ চেষ্টা কৰা হৈছিল সেই চেষ্টাক প্ৰতিজন অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীয়ে যিদৰে সহায়ৰ হাত আগবঢ়াই আহিছে সেয়া অকল্পনীয় আৰু ব্যাখ্যাহীন। মহাবিদ্যালয় এখন উত্তৰণৰ কাৰণে কেৱল মহাবিদ্যালয়ৰ অধ্যক্ষজনেই নহয়, সকলোৰে সহযোগিতা লাভ কৰাতো নিতান্তই বাঞ্চনীয়। কানৈ মহাবিদ্যালয়ৰ শৈক্ষিক, আন্তঃগাঁঠনি আৰু প্ৰযুক্তিৰ উত্তৰণৰ ক্ষেত্ৰত হোৱা সংস্কাৰ এই সময়ছোৱা মহাবিদ্যালয়খনৰ ইতিহাসত সোণালী আখৰেৰে জিলিকি থাকিব। বিশেষকৈ আন্তঃগাঁঠনিৰ উন্নয়নত যি দৃঢ় পদক্ষেপ পৰিচালনা সমিতিকে ধৰি সকলোৱে যিদৰে গুৰুত্ব আৰোপ কৰিলে, শৈক্ষিক পৰিৱৰ্তনৰ বাবে যি পদক্ষেপ গ্ৰহণ কৰা হ'ল সেই পদক্ষেপৰ অংশ হিচাপে মহাবিদ্যালয়খনত অসমীয়া, ইংৰাজী, পদাৰ্থ বিজ্ঞান, জীৱ বিজ্ঞান, অংক, নৃতত্ত্ব বিভাগত স্নাতকোত্তৰ পাঠ্যক্ৰম মুকলি কৰা হয়। পুনৰ মুকলি কৰা হয় বন্ধ হৈ পৰা বি চি এ পাঠ্যক্ৰম। মহাবিদ্যালয়খনৰ বি চি এ পাঠ্যক্ৰমত ছাত্ৰ-ছাত্ৰীক অধিক সা-সুবিধা দিবলৈ নতুন ভৱন মুকলি কৰা হয়। ভৱনটো শীত-তাপ নিয়ন্ত্ৰিত কৰি গঢ়ি তোলা হয়। এটা বন্ধ হোৱা বিভাগ সেই বিভাগ পুনৰ মুকলি কৰি, ভৱন নিৰ্মাণ কৰি পুনৰ পাঠ্যক্ৰম আৰম্ভ কৰাতো যথেষ্ট কষ্টসাধ্য আছিল। এনে কাম কৰাত মহাবিদ্যালয়খনৰ উপাধ্যক্ষ ড° প্ৰিয়দেৱ গোস্বামীয়ে যথেষ্ট সহযোগ কৰিছিল। এক প্ৰকাৰ ক'বলৈ গ'লে তেওঁ বি চি এ বিভাগ মুকলি কৰাৰ ক্ষেত্ৰত উঠি পৰি লাগিছিল বুলিব পাৰি।

ৰায়চাহাব হনুমানবক্স কানৈয়ে আগবঢ়োৱা মূল ভৱনটোৰ প্ৰথম মহলাৰ এটা অংশৰ ছাদখন প্ৰায় বিধ্বস্ত হৈছিল বুলিব পাৰি। বৰষুণ দিলে ছাদেৰে পানী নিগৰি ভূমি মহলাত থকা শ্ৰেণীকোঠাসমূহৰ লগতে অন্যান্য কোঠাসমূহ ব্যৱহাৰৰ অনুপযোগী হৈ পৰিছিল। এই ক্ষেত্ৰত সেই সময়ত গণিত বিভাগৰ মুৰব্বী অধ্যাপক ড° অনন্ত কুমাৰ দত্ত আৰু অসমীয়া বিভাগৰ অধ্যাপক ড° মৃদুল শৰ্মাই এক প্ৰকাৰ অধ্যক্ষ হিচাপে মোক হেঁচা দিবলৈ ধৰিলে। ছাদখনৰ ওপৰত এটা ভৱন নিৰ্মাণ কৰিলে এফালেদি শ্ৰেণী কোঠাৰ সমস্যা সমাধান হ'ব, আনহাতেদি ছাদৰ পৰা নিগৰি পৰা পানী বন্ধ হ'ব। এই ক্ষেত্ৰত তেওঁলোকে উদ্যোগ লৈ মহলাটো নিৰ্মাণৰ ব্যৱস্থা কৰে। অধ্যক্ষ হিচাপে মই মাথোঁ বিত্তীয় তথা পুঁজি বৰস্থা কৰাৰ দায়িত্ব লওঁ। পৰৱৰ্তী সময়ত দেখা গ'ল বৰ সুন্দৰকৈ সেই প্ৰথম মহলাটো নিৰ্মাণ হ'ল। সেই মহলাতে বৰ্তমান হিন্দী, সমাজশাস্ত্ৰ, বাংলা, সংস্কৃত আদি বিভাগৰ বিভাগীয় কোঠাৰ ব্যৱস্থা কৰা হয়। ৭৫ বছৰ গৰকা মহাবিদ্যালয়খনৰ এনে সুবিধা কৰা হোৱা নাছিল। বৰ্তমান সেই মহলাতে পৰীক্ষা পৰিচালনা কৰা এটা শীত-তাপ নিয়ন্ত্ৰিত কাৰ্যালয়ৰ ব্যৱস্থা কৰা হয়। দৰ্শন আৰু অসমীয়া বিভাগৰ বাবেও যথেষ্ট পৰিৱৰ্তন কৰাৰ চেষ্টা কৰোঁ। দৰ্শন বিভাগত সকলো সা-সুবিধা দিয়াৰ উপৰিও এটা ইনভাৰ্টেৰৰ ব্যৱস্থা কৰা হয়। সেইদৰে অসমীয়া, প্ৰাণী বিজ্ঞান বিভাগ, আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষ, ইংৰাজী, অৰ্থনীতি আদি বিভাগতো ইনভাৰ্টেৰৰ সুবিধা কৰা হয়। এনে কামখিনি কৰি যথেষ্ট আনন্দ লাভ কৰোঁ। কোনো অধ্যাপক, অধ্যাপিকাই যাতে পাঠদানত সমস্যাৰ সন্মুখীন নহয়, সেই সকলো নিজে তদাৰক কৰিছিলো। শ্ৰেণী কোঠাৰ বেঞ্চ-ডেস্ক উন্নত মানৰ যোগান ধৰাৰ উপৰিও বৰ্ড, টেবুল-চকী আটকধুনীয়াকৈ যোগান ধৰি এক নোপোৱা অনাবিল আনন্দ অনুভৱ কৰিবলৈ চেষ্টা কৰোঁ।

মহাবিদ্যালয়খনৰ শিক্ষক জিৰণি কোঠতো সজাবলৈ চেষ্টা কৰোঁ। সুন্দৰকৈ সজাই জিৰণি কোঠাৰ বাবে উন্নত মানৰ আচবাব কিনি ন-ৰূপ দিবলৈ চেষ্টা কৰোঁ। শিক্ষক-শিক্ষয়িত্ৰীসকলৰ বাবে নতুনকৈ গঢ়ি তোলা প্ৰস্ৰাৱ-পায়খানাগাৰ নতুন ৰূপত সজাই তোলো। পৰিষ্কাৰৰ দায়িত্ব মনোজ শৰ্মা নামৰ নৈশ চকীদাৰজনৰ হাতত অৰ্পণ কৰোঁ। নিজৰ সন্তানৰ দৰে মনোজ শৰ্মাই পুৰাই ধুই চাফা কৰি, শুকান কাপোৰেৰে মচি সেই প্ৰস্ৰাৱ-পায়খানাগাৰ আজিও মৰমেৰে ৰাখে। মনোজৰ সেই দায়িত্ব কোনো দিনেই অৱহেলা কৰা দেখা নাপালো। মনোজ এজন ব্ৰাহ্মণ সম্প্ৰদায়ৰ লোক, কিন্তু কোনো দিনেই সেই কাম নকৰো, নহ'ব বুলি হোহকা পিছলা কৰা নেদেখিলো। অৱশ্যে এই ক্ষেত্ৰত অধ্যক্ষ হিচাপে মই নিজে পুৰা মনোজক সেই কাম কৰাত সহায় কৰোঁ। দুয়োজনে অতি নিষ্ঠাৰে আৰু দায়িত্ব সহকাৰে সেই কাম কৰোঁ। সেই কাম কৰাৰ আনন্দ হয়তো অনুভৱ কৰিব নোৱাৰে মনোজেও। মনোজক মাহে মোৰ ফালৰ পৰা নিজাববীয়াকৈ ছশ টকা দিও। সেই ধন বৰ বেছি

নহয় যদিও কোনো দিনে মনোজে আপত্তি নকৰে। কিন্তু কামখিনি বৰ মনোযোগেৰে কৰে। মহাবিদ্যালয়খনৰ উত্তৰণৰ বাবে দিনটোৰ অধিক সময় চিন্তা কৰো। ঘৰলৈ উভতিবৰ পৰত শিক্ষক জিৰণি কোঠাৰ শিক্ষকসকলে বহা চকী চিজিল কৰাৰ পৰা লাইট ফেন অফ কৰালৈকে, ছাত্ৰী জিৰণি কোঠা পৰিষ্কাৰ-পৰিচ্ছন্ন কৰাৰ পৰা মছি ঠিক-ঠাক কৰালৈকে কৰা কামখিনিৰ আনন্দ কোনেও অনুভৱ কৰিব নোৱাৰে। ছাত্ৰসকলৰ বাবে থকা প্ৰস্ৰাৰ-পাইখানাগাৰ পানী মাৰি কেইবাবছৰো পৰিষ্কাৰ কৰাৰ পিছত ছাত্ৰী নিবাসৰ ৰান্ধনী খগেন ফুকনে সেই দায়িত্ব লয়। একাংশ ছাত্ৰই তামোল গুট্‌খা খাই গোটেই টয়লেটতো লেতেৰা কৰি পেলাই। অতি সুন্দৰকৈ সজা টয়লেট কিছু দিন বন্ধ কৰি ৰখা হৈছিল। মাজে মাজে মুকলি কৰি দিয়া হয়। এজন অধ্যাপকে পৰামৰ্শ দিলে, তৃতীয় শ্ৰেণীৰ চিন্তা-চৰ্চা কৰা অৰ্থাৎ থাৰ্ড ক্লাছ চিন্তাৰ ছাত্ৰৰ বাবে থাৰ্ড ক্লাছ টয়লেটৰ প্ৰয়োজন। সেয়ে আটকধুনীয়াকৈ সজা টয়লেটতোৰ পিছফালে প্লাষ্টিকৰ বেৰা দি তেনে টয়লেটৰ ব্যৱস্থা কৰি দিয়া হয়। মাজে মাজে খোলা হয় আটকধুনীয়াকৈ সজা টয়লেটতো। ছাত্ৰ-ছাত্ৰী কিছুমানৰ মানসিকতা ইমানেই নিম্ন স্তৰৰ যে নিজে ব্যৱহাৰ কৰা শ্ৰেণীকোঠা, টয়লেট পৰিষ্কাৰ কৰি ৰখাৰ কথাটো একৈছ শতিকাতো শিকা নাই। এনেধৰণৰ আচৰণ, ব্যৱহাৰ দেখিলে অনুভৱ কৰিব পাৰি ভাৰতীয় মানুহ সভ্য হ'বলৈ আৰু কিমান শ বছৰ প্ৰয়োজন হ'ব। কেতিয়াবা অনুভৱ হয়, অধ্যক্ষ হিচাপে শিক্ষানুষ্ঠানটোত শিক্ষা প্ৰদান কৰাত কিবা ত্ৰুটি ৰৈ গৈছে নেকি। অধ্যাপক-অধ্যাপিকাসকলক সভা-সমিতিত নিয়মীয়াকৈ শ্ৰেণীকোঠাত ছাত্ৰ ছাত্ৰীক এনেধৰণৰ বিষয়বোৰ অৱগত কৰিবলৈ কোৱাৰ বাহিৰে দ্বিতীয় বিকল্প নাথাকে। আনকি এনেধৰণৰ এখন জাননী জাৰি কৰিবলগা হৈছিল য'ত লিখা হৈছিল যে যদি কোনোবা ছাত্ৰ-ছাত্ৰীয়ে গুট্‌খা, তামোল খাই থকা কলেজ কৰ্তৃপক্ষৰ ওচৰত ধৰাই দিব পাৰে, তেন্তে তেনে ছাত্ৰ-ছাত্ৰীক এহাজাৰ টকাকৈ পুৰস্কাৰ দিয়া হ'ব। তথাপিও পৰিৱৰ্তন দেখা পোৱা নগ'ল। ছাত্ৰ ছাত্ৰীৰ এনে মানসিকতাই শিক্ষানুষ্ঠানখনৰ পৰিষ্কাৰ-পৰিচ্ছন্নতাত যথেষ্ট প্ৰভাৱ পেলায়। বাৰ্ষিক কোটি টকা ব্যয় কৰি অধ্যাপক-অধাপিকা, কৰ্মচাৰীসকলক দা-দৰমহা দিয়া হয়। কেতিয়াবা অনুভৱ হয় ইয়াৰ পৰা কি লাভালাভ হৈছে? বহু ছাত্ৰই পৰিষ্কাৰকৈ থাকিব নাজানে। একৈছ শতিকাত প্ৰসাৰ-পাইখানা গৃহ কেনেকৈ ব্যৱহাৰ কৰিব লাগে একাংশ ছাত্ৰ-ছাত্ৰীয়ে সেই শিক্ষাও লাভ নকৰে। তেন্তে সকলোৱে আৰু কিমান পৰিশ্ৰম কৰিব লাগিব সেয়া অনুভৱ কৰা প্ৰয়োজন।

অধ্যক্ষ হিচাপে পানী মটৰৰ চুইছ দিয়াৰ পৰা চুইছ অফ কৰালৈকে সকলোখিনি কৰি আনন্দ পাওঁ। পানীৰ টেংকি অভাৰ ফ্ল' হৈ বাগৰি থাকিলেও অধিকাংশ কৰ্মচাৰীয়ে পানী মটৰৰ চুইছটো অফ কৰিব লাগে বুলি মনে নকয়। কিছুমান লাইট দিনে নিশাই পোন্ধৰ বিছ দিন পৰ্যন্ত জ্বলি থকাৰ পিছতো অধিকাংশই দেখিও লাইট কেইটা অফ কৰি দিয়াৰ কথা নাভাৱে। সেই কামো অধ্যক্ষ হিচাপে নিজে কৰিবলগা হয়। সেই কামখিনি কৰি কেতিয়াবা হতাশা আহিলেও তাৰ মাজতে আনন্দ লাভ কৰো। এদিন এজন শিক্ষকে টয়লেটত পানী নথকাৰ বাবে মোক অভিযোগ কৰি কয় টয়লেটত পানী নাই। নিজে আহি চুইছ দি কামটো কৰি আনন্দ পাইছিলো। শিক্ষকজনে তেওঁৰ কাষতে থকা চুইছটো অন কৰি দিলেই পানী আহি যায়। তাকো কিছুমানে কৰিব নিবিচাৰে। মুঠতে অধ্যক্ষ হিচাপে সকলো কাম কৰিবই লাগিব বুলি এচামে অনুভৱ কৰে। সকলোৱে হাতে- পাতে ধৰি শিক্ষানুষ্ঠানটো আগুৱাই নিয়াৰ কথা অনেকে নাভাৱে। ইয়াৰ মাজতে কামখিনি কৰি যথেষ্ট আনন্দ লাভ কৰো। এখন সভা প্ৰেক্ষাগৃহত অনুষ্ঠিত কৰাৰ পিছত, পিছৰ কামখিনি বিশেষকৈ পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ কামখিনি অধ্যক্ষ হিচাপে নিজেই দায়িত্ব ল'ব লগা হয়। পুৱাই আহি চকী-টেবুল ঠিক-ঠাক কৰা, হৰা-মছা কামখিনি নিজে তদাৰক কৰি কৰাবলগীয়া হয়। এইখিনি কামেও আনন্দ দিয়ে। চৌহদত ফুল ৰোৱা, পানী দিয়া কামখিনিও কৰাবলগীয়া হয়। সেয়াও এক আনন্দ। মুঠতে আনে কি কৰিছে সেয়া চোৱাতোতকৈ প্ৰত্যেকে নিজে কি কৰিছো বুলি প্ৰশ্ন কৰি ল'লৈই সকলো সহজ হৈ পৰে। অৱশ্যে কানৈ মহাবিদ্যালয়ৰ গৰিষ্ঠ সংখ্যক অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰীয়ে মহাবিদ্যালয়খনৰ উত্তৰণৰ কাৰণে একত্ৰিত হৈ লাগি থকাটো অসমৰ উচ্চ শিক্ষাৰ ক্ষেত্ৰখনৰ বাবে শুভ লক্ষণ বুলিব পাৰি। মহাবিদ্যালয়খন যদি কিছু আগুৱাই গৈছে, সেয়া হ'ল একমাত্ৰ ঐক্যবদ্ধভাবে কাম কৰি যোৱাৰ ফলশ্ৰুতি।


২০১৬ চনৰ ২ মাৰ্চত বিজ্ঞান আৰু প্ৰযুক্তি ভৱন এটা আধাৰশিলা স্থাপন কৰে পৰিচালনা সমিতিৰ সভাপতি ড° চন্দ্ৰকান্ত গগৈয়ে। ২০১৫ চনৰ ১৩ অক্টোবৰত PMA(H)87/2914/193 উচ্চ শিক্ষা বিভাগে SPA (Plan) ৰ অধীনত ৩২৬.৭০ লাখ টকা মঞ্জুৰ কৰে। ভৱনটোৰ আধাৰশিলা কৰিবলৈ শিক্ষামন্ত্ৰী শৰৎ বৰকটকীক নিমন্ত্ৰণ জনোৱা হয়। মাত্ৰ কেইদিনমানৰ পূৰ্বে ভৱনটোৰ বাবে আৱন্টিত পুঁজি কেন্দ্ৰীয় চৰকাৰৰ হোৱা হেতু বৰ্তমান পুঁজি মুকলি বন্ধ কৰা বুলি শিক্ষামন্ত্ৰীয়ে অৱগত কৰি আধাৰশিলা কৰিব পৰা নাযাব বুলি কয়। শিক্ষামন্ত্ৰীয়ে তেনেদৰে কোৱাত ভৱনটোৰ বাবে আধাৰশিলা কৰিবলৈ গৈও থমকি ৰ'ব লগা হয়। কি কৰিম, কি নকৰিম বুলি দোধোৰ-মোধোৰত পৰিলো। যিহেতু আধাৰশিলাৰ বাবে প্ৰস্তুতি চলোৱা হ'লেই সেয়ে শিক্ষামন্ত্ৰীৰ পৰিৱৰ্তে পৰিচালনা সমিতিৰ সভাপতি ড° চন্দ্ৰকান্ত গগৈৰ দ্বাৰা সম্পন্ন কৰিবলৈ সিদ্ধান্ত ল'লো। পৰিচালনা সমিতিৰ সভাপতি গগৈ ছাৰে সন্মতি দিলে। যি হয় হ'ব, ভৱিষ্যতে হৈ থাকিব বুলি ভাবি ভৱনটো ঠিকাদাৰৰ হতুৱাই কৰাবলৈ হেঁচা দিলো। অৱশেষত ২ মাৰ্চ ২০১৬ ৰ দিনা সেই পৱিত্ৰ কামফেৰা সম্পন্ন হয়। পুৰোহিতৰ হতুৱাই পূজা মন্ত্ৰ কৰি আধাৰশিলা সম্পন্ন কৰা হয়। পৰৱৰ্তী সময়ত ভৱনটোৰ আঁচনি SOPD শিতানলৈ নিয়া হয়। ১৬০.০১৬ লাখ টকা চৰকাৰে মুকলি কৰি দিয়ে। ভৱনটো ৬৩ শতাংশ সম্পন্ন হোৱাৰ পিছত পুঁজিৰ অভাৱত কাম বন্ধ কৰি থয় ঠিকাদাৰে। কানৈ মহাবিদ্যালয়ৰ ২৩ আগষ্টত বহা উন্নয়ন সমিতিৰ সভাত এই সম্পৰ্কত বিতং আলোচনা কৰা হয় আৰু বিভিন্ন বিভাগৰ স্নাতকোত্তৰ শাখা মুকলি কৰাৰ ফলত ছাত্ৰ একতা সভাৰ ফালৰ পৰাও ভৱনটো নিৰ্মাণ সম্পূৰ্ণ কৰিবলৈ দাবী জনায়। উন্নয়ন সমিতিয়ে ভৱনটো ঠিকাদাৰৰ স'তে আলোচনা কৰি মহাবিদ্যালয় পুঁজিৰে সম্পূৰ্ণ কৰিবলৈ সিদ্ধান্ত লয়। সেই অনুসৰি ভৱনটো নিৰ্মাণৰ কাম মহাবিদ্যালয় পুঁজিৰে সম্পূৰ্ণ কৰিবলৈ ঠিকাদাৰৰ স'তে আলোচনা কৰি সিদ্ধান্ত লওঁ। অৱশ্যে ঠিকাদাৰে এখন চুক্তি পত্ৰত চহী কৰি কামখিনি আগুৱাই নিবলৈ অধ্যক্ষ হিচাপে সহায় কৰি দিয়ে। এই তিনিমহলীয়া ভৱনটো এটা সপোনৰ ভৱন হিচাপে গঢ়ি তোলাৰ পৰিকল্পনা কৰা হৈছিল। ভৱনটো নিৰ্মাণ কাৰ্য বন্ধ হৈ থকাৰ সময়ত বিভিন্ন পক্ষক আবেদন জনাই কাম সম্পূৰ্ণ কৰিবলৈ পত্ৰ লিখা কথাবোৰ মানসপটত স্মৃতি হৈ ৰ'ব। ভৱনটোৰ তলৰ মহলা উদ্ভিদ বিজ্ঞান বিভাগক পাঠদান, শিক্ষক-শিক্ষয়িত্ৰীৰ বাবে ব্যৱহাৰ কৰাৰ অনুমতি দিওঁ। উদ্ভিদ বিজ্ঞান বিভাগৰ দীৰ্ঘদিন ধৰি ভুগি অহা সমস্যাবোৰ কিছু আঁতৰ হয়।

পুৰণি ছাত্ৰী নিৱাসটো নামকৰণৰ বাবেও পদক্ষেপ গ্ৰহণ কৰা হয়। মহাবিদ্যালয়ৰ পৰিয়ালৰ সকলোৰে পৰামৰ্শ গ্ৰহণ কৰা হয়। পুৰণি ছাত্ৰী নিৱাসটোৰ যাঠি বছৰ পূৰ্ণ কৰাৰ উপলক্ষ্যে হীৰক জয়ন্তী উদ্‌যাপন কৰা হয়। ছাত্ৰী নিৱাসটোৰ প্ৰথমটো জয়ন্তী সেয়া। জয়ন্তী উপলক্ষ্যে সন্মুখৰ ভাগত অভ্যাগত, অতিথিৰ সুবিধাৰ বাবে ব্যৱস্থা কৰা হয়। কম্পিউটাৰ, পানচিং মেছিন ইত্যাদি সংযোগ কৰা হয়। অধীক্ষকৰ (Superintendent) বাবে কাৰ্যালয়, নৈশ চকীদাৰৰ বাবে কোঠা ইত্যাদি ব্যৱস্থা কৰা হয়। সন্ধ্যা ৫ বজাত আৱাসীসকল সমৱেত হ'ব পৰাকৈ প্ৰাৰ্থনাৰ ঠাই ব্যৱস্থা কৰা হয়। ইয়াৰ পৰৱৰ্তী সময়ত তৃতীয় মহলাৰ উন্নয়নৰ ব্যৱস্থা কৰা হয়। ছাত্ৰী নিৱাসটোৰ টিনপাতসমূহ পুৰণা হৈ পৰাত সেউজীয়া টিন লগোৱা হয়। কাষতে ৰুছাৰ অধীনত দুমহলীয়া আন এটা ছাত্ৰীনিৱাস নিৰ্মাণ কৰা হয়। ছাত্ৰীসকলে যোগাভ্যাস, সভা-সমিতি পাতিবলৈ আন এটা গৃহ অৰ্থাৎ সভাকক্ষ নিৰ্মাণ কৰা হয়। ছাত্ৰীনিৱাসলৈ যোৱা পথটো ব্লক লগাই সুন্দৰকৈ নিৰ্মাণ কৰা হয়। মুঠতে ২০১৫ চনৰ আগলৈকে ছাত্ৰীনিৱাসৰ অৱস্থা তথৈবচ আছিল বুলিব পাৰি। পানীৰ সুবিধা, বিদ্যুতৰ সুবিধা, জেনেৰেটৰৰ সুবিধা আদি কৰা হয়। শৌচাগাৰৰ টেংকীসমূহ পুৰণা হৈ পৰাত ব্যৱহাৰৰ অনুপযোগী হৈ পৰিছিল। নতুনকৈ টেংকিৰ ব্যৱস্থা কৰা হয়। ছাত্ৰীনিৱাসত ছাত্ৰীসকলৰ মাজত না না শৈক্ষিক কাৰ্যসূচী গ্ৰহণ কৰা হয়। নিয়মীয়াকৈ এখনকৈ বুলেটিন প্ৰকাশ কৰাৰ ব্যৱস্থা কৰা হয়। ছাত্ৰাৱাসৰ ক্ষেত্ৰটো অনুৰূপ ব্যৱস্থা গ্ৰহণ কৰা হয়। প্ৰায় ১৭ বছৰ ধৰি বন্ধ হৈ থকা ছাত্ৰাৱাসটো মুকলি কৰি সকলো ধৰণৰ সুবিধা দিয়াৰ ব্যৱস্থা কৰা হয়। নিয়মীয়াকৈ ছাত্ৰাৱাসৰ তৰফৰ পৰা আলোচনী প্ৰকাশ কৰা, না না কাৰ্যসূচী গ্ৰহণ কৰা আদি কামবোৰ কৰি শৈক্ষিক জয়যাত্ৰা অক্ষুন্ন ৰখা হয়। ন ন সুবিধা প্ৰদানৰ ব্যৱস্থা কৰা হয়। ছাত্ৰাৱাসত ছাত্ৰসকলৰ মাজত মাজে মাজে ক্ৰীড়া প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। ১৯৬৫ চনতে নিৰ্মাণ কৰা

ছাত্ৰাবাসটো পৰৱৰ্তী সময়ত বন্ধ হৈ পৰাত ব্যৱহাৰৰ অনুপযোগী হৈ পৰিছিল। অব্যৱহাৰ, অনুপযোগী ছাত্ৰাবাসটো মুকলি কৰি পৰম আনন্দ লাভ কৰিছিলো।

মহাবিদ্যালয়খনত ইংৰাজী স্নাতকোত্তৰ শাখা মুকলি কৰা হৈছিল ২০১৭ চনত। কানৈ মহাবিদ্যালয়ত যোগদান কৰি স্নাতকোত্তৰ বিভাগ মুকলি কৰাৰ কথা মনলৈ আনো। ইংৰাজী স্নাতকোত্তৰ শাখা মুকলি কৰাৰ পিছত অসম বিজ্ঞান আৰু প্ৰযুক্তি বিশ্ববিদ্যালয়ৰ অধীনত গণিত আৰু নৃতত্ত্ব বিভাগৰ স্নাতকোত্তৰ পাঠ্যক্ৰম ২০১৯ চনত মুকলি কৰা হয়। দুয়োটা বিভাগৰ বাবে পাঠদানৰ ক্ষেত্ৰত অসুবিধা হৈছিল শ্ৰেণী কোঠা নথকাৰ বাবে। পৰৱৰ্তী সময়ত নৃতত্ত্ব বিভাগৰ বাবে ভৱন, পৰীক্ষাগাৰ নিৰ্মাণ কৰা হয়। গণিত বিভাগৰ বাবেও এটা আছুতীয়াকৈ স্নাতকোত্তৰ গণিত বিভাগ বুলি ভৱন নিৰ্মাণ কৰা হয়। ভৱনটোত অত্যাধুনিক সা-সুবিধা সংযোজনৰ চেষ্টা কৰা হয়। প্ৰতিটো কোঠাত শীত-তাপ নিয়ন্ত্ৰিত যন্ত্ৰ ব্যৱহাৰ কৰা হয়। এই কামখিনি কৰি অতি আনন্দ লাভ কৰোঁ।

২০১৫ চনলৈকে কানৈ মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, ৰাইজ প্ৰৱেশৰ বাবে মাত্ৰ এখন গেইট অৰ্থাৎ মুখ্য প্ৰৱেশ দ্বাৰ আছিল। দ্বিতীয় এখন গেট আছিল যদিও সেই পথ আৰু গেইট ব্যৱহাৰৰ অনুপযোগী হৈ পৰাত মানুহ আহ-যাহ কৰা প্ৰায় বন্ধ হৈ পৰিছিল। বন্ধ হৈ পৰা গেইট, পথ মুকলি কৰি সকলোৰে সুচল হোৱাকৈ এখন নতুন গেইট সহ পথ নিৰ্মাণ কৰা হয়। ছাত্ৰাবাসৰ কাষেদি যোৱা পথটো নিৰ্মাণ কৰি দিয়াত সেই দিশে গাড়ীৰে সামগ্ৰী অনা নিয়া কৰা সুচল হয়। কাষতে বন্ধ হৈ থকা কেন্টিনখন নিৰ্মাণ কৰি দিয়া হয়। ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ বাবে সকলো ধৰণৰ ব্যৱস্থা কৰা হয়। শংকৰদেৱ সভাকক্ষৰ কাষত বন্ধ হৈ থকা গেট মুকলি কৰা হয়। সভাকক্ষৰ সন্মুখেদি ছাত্ৰী নিবাসলৈ যোৱা পথটোও ব্লক লগাই নতুনকৈ নিৰ্মাণ কৰি দিয়া হয়। বছৰ বছৰ ধৰি গছ-গছনি, মেটেকাৰে ভৰি থকা পুখুৰীটো পৰিষ্কাৰ কৰি হাঁহ আৰু মাছ পোহাৰ ব্যৱস্থা কৰা হয়। শংকৰদেৱ সভাকক্ষৰ পূৰ্ণ ৰূপ এটা দিয়াৰ ব্যৱস্থা কৰা হয়। শীত-তাপ নিয়ন্ত্ৰিত যন্ত্ৰৰ উপৰিও সকলো ধৰণৰ সামগ্ৰী নতুনকৈ সজাই তোলা হয়। কাষতে বাহিৰত এটা সুন্দৰকৈ সকলোৱে ব্যৱহাৰ কৰিব পৰা টয়লেটৰ ব্যৱস্থা কৰি দিয়া হয়। শংকৰদেৱ সভাকক্ষৰ ভিতৰৰ টয়লেট নতুনকৈ নিৰ্মাণ কৰি আটকধুনীয়াকৈ সজাই দিয়া হয়। এখন গ্ৰন্থ বিপনী নিৰ্মাণ কৰা হয় কানৈ মহাবিদ্যালয়ৰ সমবায় সমিতিৰ উদ্যোগত। সভাকক্ষৰ প্ৰথম মহলালৈ যোৱা চিৰিৰ তলত থকা ঠাইকনত এখন জেৰক্স, ডি টি পি, অন্যান্য সামগ্ৰী বিক্ৰী কৰি সকলোৰে সহায় হোৱাকৈ এখন সৰু দোকানৰ ব্যৱস্থা কৰি দিয়া হয়। শংকৰদেৱ সভাকক্ষৰ প্ৰথম মহলা নতুনকৈ নিৰ্মাণ কৰি আই চি জি চি কাৰ্যালয় আৰু কে কে এইচ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ কাৰ্যালয় মুকলি কৰা হয়। ইয়াৰ পূৰ্বে এই কাৰ্যালয় দুটা অনাদৰ, অৱহেলিত ৰূপত আছিল। কম্পিউটাৰ আচবাবৰ ব্যৱস্থা কৰি দুয়োটা কাৰ্যালয় সজাই তোলা হয়। মহাবিদ্যালয়ত মন্টেশ্বৰী শিক্ষক প্ৰশিক্ষণ আৰু ডে কেয়াৰ কেন্দ্ৰ এটাৰ আধাৰশিলাও কৰা হয় ১০ ডিচেম্বৰ, ২০২২-ত। এই কেন্দ্ৰটোৰ সমন্বক হিচাপে নিযুক্তি দিয়া হয় অধ্যাপক ড° জ্যোতি প্ৰসাদ ফুকনক। কাষৰ গেইটখনো আহল-বহল কৰাৰ সিদ্ধান্ত কৰা হয়। এই কামখিনি কৰিও এক নোপোৱা আনন্দ লাভ কৰো। কানৈ মহাবিদ্যালয় চৌহদত এটি ক্ষুদ্ৰ গ্ৰন্থাগাৰ মুকলি কৰাৰ ব্যৱস্থা কৰা হয়। প্ৰাক্তন উপাধ্যক্ষৰ স্মৰণত তেওঁৰ পুত্ৰ ৰাজীৱ দত্তই আগবঢ়োৱা আৰ্থিক সাহায্যত নিৰ্মাণ কৰা হয় এটা 'আইডিয়া চেণ্টাৰ'। এই কামবোৰ মহাবিদ্যালয়ৰ ইতিহাসত নতুন সংযোজন বুলিব পাৰি। এয়াই হ'ল কাম কৰাৰ আনন্দ। পুৰা পাঁচ বজাৰ পৰা নিৰবিচ্ছিন্নভাৱে কাম কৰি মহাবিদ্যালয়খনৰ উত্তৰণত মনোযোগ দি আহিছো। প্ৰতিটো কামেই আনন্দ দিয়ে, প্ৰতিটো কামেই ন ন অভিজ্ঞতাৰ সোৱাদ দিয়ে।●




# এখন কিতাপৰ আঁত ধৰি

**ড° প্ৰিয়দেৱ গোস্বামী**
উপাধ্যক্ষ, ডিঃ হঃ সুঃ কানৈ মহাবিদ্যালয়

এই কিতাপখন আধুনিক বিশ্বৰ দিশ পৰিৱৰ্তন কৰা এখন যুগান্তকাৰী গ্ৰন্থ। এই কিতাপখনত তেওঁ মানুহৰ মনত চিন্তা কৰা কাৰ্য কেনেধৰণে সম্পাদন কৰে এই বিষয়ে বিষদভাৱে আলোচনা কৰিছিল। Boole-য়ে আগবঢ়োৱা ধাৰণা অত্যন্ত মৌলিক। কিতাপখনৰ মূল তত্ত্ব আছিল যে বস্তুৰ অৱস্থিতি আছিল মুখ্য, কিন্তু পৰিমাণে প্ৰভাৱ নেপেলায়। এই কিতাপখনেই তৰ্ক বিদ্যাৰ সম্ভাৱিতাৰ গাণিতিক তত্ত্বৰ ভেটি গঢ়িছিল।


উদ্যোগীক বিপ্লৱে পৃথিৱীখনৰ সমাজ জীৱনক কৃষি ভিত্তিক সমাজ ব্যৱস্থাৰ পৰা এক বেলেগ ধৰণৰ পৰিৱৰ্তনৰ দিশে আগবঢ়াই আনিলে। যন্ত্ৰৰ আৱিস্কাৰ আৰু ব্যৱহাৰ মানৱ সমাজৰ অঙ্গ হৈ পৰিল। অতি গধুৰ কাম বিলাক আমি যন্ত্ৰ ব্যৱহাৰ কৰি অতি সহজে কৰিব পৰা হ'লো। সময়ো কম লগা হ'ল। সমাজ ব্যৱস্থাত যন্ত্ৰৰ ব্যৱহাৰে অমূল পৰিৱৰ্তন সাধি মানুহৰ বাবে পূৰ্বে অসাধ্য কামবোৰ কৰি দেখুৱালে আৰু আগৰ কৃষি ব্যৱস্থাৰ অৰ্থনীতিৰ সলনি উদ্যোগ অৰ্থনীতি গঢ়ি উঠিল। সকলো দিশতে যন্ত্ৰৰ প্ৰভাত এনেধৰণে পৰিল যে হাজাৰ বছৰ যুৰি চলি অহা কৃষি ব্যৱস্থাৰ সামাজিক বুনিয়াদী ধাৰণালৈ এক পৰিৱৰ্তন আহিল। ইয়াক আমি মানৱ সমাজৰ কৃষি বিপ্লৱৰ পাছৰ দ্বিতীয় বিপ্লৱ হিচাপে গণ্য কৰো। পৰিৱৰ্তনৰ এই বিপ্লৱেই হ'ল উদ্যোগীক বিপ্লৱ। মানুহৰ জ্ঞান অন্বেষণপৰ হেঁপাহ কিন্তু মানুহে চিন্তা কৰিবলৈ শিকাৰ পৰাই আৰম্ভণি হৈছে। মানুহে প্ৰকৃতি আৰু প্ৰাকৃতিক পৰিঘটনা বিলাক অধ্যয়ন কৰি বিভিন্ন দিশৰ জ্ঞানৰ ভাণ্ডাৰ বহু যুগৰ পৰা গঢ়ি তুলিছে। বিশেষকৈ বিজ্ঞান আৰু গণিতৰ চৰ্চা বহু দেশত বিকশিত হৈছিল। জ্ঞানৰ এনে বিকাশে এক দৰ্শনৰ সৃষ্টি কৰিলে। আমি কেনেকৈনো চিন্তা কৰো এই বিষয়েও বিভিন্ন সময়ত অনেক দাৰ্শনিকে বিভিন্ন ধাৰণা আগবঢ়াই আহিছে। এই ক্ষেত্ৰত দাৰ্শনিক এৰিষ্টটল বিশেষভাৱে উল্লেখযোগ্য। তেখেতৰ মতে সকলো উক্তি সঁচা বা মিছা হিচাবে চিনাক্ত কৰিব পাৰি। ভাৰতবৰ্ষটো মানৱ মনৰ চিন্তাৰ ওপৰত অনেক মূল্যৱান অধ্যয়ন হৈছিল আৰু ভাৰতীয় দৰ্শনৰ এক ধাৰা গঢ়ি উঠিছিল।

আধুনিক যুগত, উনবিংশ শতিকাত বিশ্বত বিজ্ঞানৰ অনেক আৱিস্কাৰ হৈছিল তথা তত্ত্বও বা প্ৰকল্প বিকশিত হৈছিল। ইউৰোপত বিশেষকৈ বিজ্ঞানৰ চৰ্চা অধিক হৈছিল। সেই সময়ত ইংলেণ্ড আছিল জ্ঞান চৰ্চাৰ এক অন্যতম কেন্দ্ৰ। গণিত বিষয়তো অনেক নতুন নতুন ক্ষেত্ৰত অধ্যয়ন হৈছিল। গণিতৰ এনে এক অধ্যয়নৰ বাটকটীয়া

আছিল George Boole. Boole-য়ে কিন্তু বহু বেছি আনুষ্ঠানিক শিক্ষাৰে শিক্ষিত নাছিল। গণিত তেখেতে চৰ্চা কৰিছিল আৰু গৱেষণা পত্ৰ প্ৰকাশ কৰিছিল। তেওঁৰ কৰ্মৰ স্বীকৃতি হিচাবে তেখেতক Queens কলেজত গণিতৰ অধ্যাপক হিচাপে নিয়োগ কৰা হৈছিল। ১৮৫৪ চনত Boole-য়ে An Investigation of the laws of thought নামেৰে এখন পুথি প্ৰকাশ কৰে। এই কিতাপখন আধুনিক বিশ্বৰ দিশ পৰিৱৰ্তন কৰা এখন যুগান্তকাৰী গ্ৰন্থ। এই কিতাপখনত তেওঁ মানুহৰ মনত চিন্তা কৰা কাৰ্য কেনেধৰণে সম্পাদন কৰে এই বিষয়ে বিষদভাবে আলোচনা কৰিছিল। Boole-য়ে আগবঢ়োৱা ধাৰণা অত্যন্ত মৌলিক। কিতাপখনৰ মূল তত্ত্ব আছিল যে বস্তুৰ অৱস্থিতি আছিল মুখ্য, কিন্তু পৰিমাণে প্ৰভাৱ নেপেলায়। এই কিতাপখনেই তৰ্ক বিদ্যাৰ সম্ভাৱিতাৰ গাণিতিক তত্ত্বৰ ভেটি গঢ়িছিল। থোৰতে ইয়াৰ অন্তনিহিত তত্ত্বক এনেদৰেও কব পাৰি যে এক অনেক যোগ কৰিলেও আমি ফলাফল এক হে পাম। অৰ্থাৎ বস্তুৰ অৱস্থিতি সম্পৰ্কে আমাৰ মগজুৱে চিন্তা কৰি এক ধাৰণাৰ সৃষ্টি কৰে, ইয়াত কিমান পৰিমাণে বস্তুটো আছে সেইটোৰ ওপৰত নিৰ্ভৰ নকৰে। এনেকৈও ক'ব পাৰি যে অনেক দেৱ-দেৱী থাকিলেও পৰমেশ্বৰ মাত্ৰ এজন। এনেধৰণৰ মতবাদ সেই সময়ৰ ৰক্ষণশীল সমাজৰ বাবে গ্ৰহণযোগ্য নাছিল গতিকে কিতাপখনৰ মতবাদে সেই সময়ত মান্যতা পোৱা নাছিল। ইতিমধ্যে বিজ্ঞান বিভিন্ন দিশত আগবাঢ়িছিল। বিজ্ঞানৰ বৈদ্যুতিক শাখাতো অনেক বিকাশ সাধন হৈছিল। ১৯৩৭ চনত আমেৰিকা যুক্তৰাষ্ট্ৰ MIT-ৰ এজন গৱেষক ছাত্ৰ C. E. Shannon য়ে। এই কিতাপখনে আগবঢ়োৱা ধাৰণা বৈদ্যুতিক বৰ্তনীত সংযোগৰ ক্ষেত্ৰত সফলতাৰে সংযোগ কৰিবলৈ সক্ষম হৈছিল। লগে লগে মানুহৰ মনৰ গাণিতিক চিন্তাক বৈদ্যুতিক বৰ্তনীত সফলতাৰে প্ৰয়োগ কৰি এক যুগান্তৰ আনিলে। অৰ্থাৎ আমাৰ মনে আগবঢ়োৱা গাণিতিক ধাৰণা যন্ত্ৰত প্ৰতিফলিত কৰিব পৰাটো সম্ভৱ হৈ উঠিল। লগে লগে আকৌ এক নতুন বিষয় গঢ়ি উঠিল। ইয়েই হ'ল বৰ্তমানৰ কম্পিউটাৰ বিজ্ঞান তথা Information technology। Boole-ৰ তত্ত্বৰ ওপৰত গঢ়ি উঠা বিষয় বৰ্তমান আমি Boolan algebra হিচাপে অধ্যয়ন কৰো। এই logic প্ৰয়োগ কৰি ১৯৪১ চনত বিশ্বৰ প্ৰথমটো কম্পিউটাৰ নিৰ্মাণ হৈ উঠিল। এনে ধৰণৰ বিকাশে আমাৰ মাজলৈ এক নতুন জোৱাৰ আনিলে। ই হ'ল তথ্য প্ৰযুক্তিৰ বিপ্লৱ। আজিৰ পৃথিৱীত আমি তথ্য প্ৰযুক্তি বা কম্পিউটাৰ, ইন্টাৰনেট অবিহনে জীয়াই থাকিব নোৱাৰো। বৰ্তমান তথ্য প্ৰযুক্তি বিদ্যাই আনি দিয়া পৰিৱৰ্তন আমি কোনেও উপেক্ষা কৰিবও নোৱাৰো। শেহতীয়াকৈ AI য়ে আন এক পৰিৱৰ্তনৰ ঢৌ আমাৰ মাজলৈ লৈ আনিছে। যন্ত্ৰই হয়তো এদিন মানুহকে প্ৰত্যাহ্বান জনাব। কম্পিউটাৰ বিজ্ঞানত নিতৌ নতুন নতুন প্ৰযুক্তিৰ উদ্ভাৱন হৈ আছে। বৰ্তমান Quantum Computing বিকাশৰ পথত। এই বিষয়ৰ বিকাশে মানৱ সমাজক পুনৰ কি গতি দিব সেয়া সময়তহে ক'ব পৰা যাব। বিজ্ঞানীসকলৰ ধাৰণা Quantum Computing ৰ প্ৰযুক্তি ২০৫০ চন মানৰ ভিতৰত বিকশিত হৈ উঠিব। AI ত সফলতা অৰ্জনৰ ক্ষেত্ৰত বিজ্ঞানীসকল যথেষ্ট আশাবাদী যদিও বৰ্তমান মানুহৰ মানসিক সক্ষমতাৰ অতি ক্ষুদ্ৰ অংশহে আহৰণ কৰিবলৈ সক্ষম হৈছে। এই ক্ষেত্ৰত আমেৰিকাৰ পদাৰ্থবিদ Michio Kaku ৰ দ্বাৰা প্ৰণিত পুথি Physics of the Future বিশেষভাবে উল্লেখযোগ্য। তেওঁ ২১০০ চনলৈকে কম্পিউটাৰ বিজ্ঞানত হ'ব পৰা সাম্ভাব্য আৱিস্কাৰৰ বিষয়ে বিষদভাবে বৰ্ণনা তথা বিশ্লেষণ আগবঢ়াইছে। সমগ্ৰ পৃথিৱীখন মাত্ৰ এখন কিতাপত লিপিবদ্ধ ধাৰণাই কেনে ধৰণে সলনি কৰি দিলে আমি যোৱা চাৰিটা দশকত লক্ষ্য কৰিছো। আজি সমগ্ৰ পৃথিৱীৰ অৰ্থনীতি IT-ৰ দ্বাৰা পৰিচালিত। মানুহৰ চিন্তা আৰু সেই চিন্তাৰ ফলশ্ৰুতি এখন মাত্ৰ কিতাপৰ প্ৰভাৱ কিমান হ'ব পাৰে আজি আমি সকলোৱে অনুধাৱন কৰিছো।●

# কানৈয়ানৰ গীত

গীতিকাৰ ঃ প্ৰতিষ্ঠাপক সম্পাদক, 'অসম নাট্য সন্মিলন'
শিল্পী পেঞ্চনাৰ, নাট্যসূৰ্য ফণী শৰ্মা বঁটা প্ৰাপক
হাচান ছৰিফ আহমদ



আমি ভাগ্যৱান
আমি কানৈয়ান


আমাৰ প্ৰাণৰো প্ৰাণত
জিলিকি আছে—
ডিবৰু নগৰৰ
শিক্ষাৰ মধ্যমণি
অতি মৰমৰ,
ডিব্ৰুগড় হনুমানবক্স
সূৰজমল কানৈ
মহাবিদ্যালয়

আজি হিয়াৰ উমেৰে
সুঁৱৰিছো—
মহাবিদ্যালয়ৰ
বৰেণ্য ৰূপকাৰ
অশ্বিনী, যোগীৰাজ, লক্ষ্মী আদিক
আৰু সুঁৱৰিছো
দান বীৰ মহামতি কানৈজীক


বিশ্বৰ নৰতম
জ্ঞান বিজ্ঞানৰ আৰ্হিৰে
আমাৰ পৰিকল্পনাত
ৰূপ লয় লক্ষ্যৰ দিগন্তলৈ,

'জ্ঞানতকৈ শ্ৰেষ্ঠ আন একো নাই'
পবিত্ৰ মূলমন্ত্ৰেৰে
শ্ৰমৰ মূল্যবোধেৰে
আমাৰ গতিৰ পৰিধি
বিশ্বৰ দূৰ দূৰলৈ—

জয় জয় জয়তু
কানৈ মহাবিদ্যালয়।●



প্ৰবন্ধ কৰণিত যুৱ চিন্তন আৰু অনুভৱ



# দৰিদ্ৰতা দূৰীকৰণত শিক্ষাৰ প্ৰয়োজনীয়তা


**গীতাঞ্জলী চেতিয়া**
পঞ্চম যাণ্মাসিক

সম্প্ৰতি শিক্ষাই হৈছে এটা জাতিৰ ভাগ্য নিৰ্মাতা। এখন দেশ, এখন সমাজ আৰু এটা জাতিৰ উন্নতিৰ ক্ষেত্ৰত শিক্ষাই হৈছে মেৰুদণ্ড স্বৰূপ। সেয়েহে ইয়াক এখন ৰাষ্ট্ৰৰ ৰাজহাড় আখ্যা দিব পাৰি। বৰ্তমান আমাৰ দেশ এখন উন্নয়নশীল দেশ যদিও দৰিদ্ৰতাৰ সংখ্যা এতিয়াও হ্ৰাস হোৱা নাই। দেশৰ প্ৰায় এক তৃতীয়াংশ লোকৰ বৰ্তমানো জীৱন ধাৰণৰ মানদণ্ড উন্নত হোৱা নাই। মৌলিক প্ৰয়োজনীয়তা সম্পদ যেনে— খাদ্য, বস্ত্ৰ আৰু বাসস্থানৰ অভাৱে এক অপূৰ্ণ জীৱন কটোৱা দেখা যায়। ইয়াৰ ফলত দেশৰ জনমূৰি আয় কমি যোৱা দেখা গৈছে। দৰিদ্ৰতাৰ সংখ্যা যিমানে বাঢ়িব দেশৰ উন্নতিও সিমানে কমিব, কিয়নো দেশৰ সৰহসংখ্যক পুঁজি এনে লোকসকলৰ বাবে আৱণ্টন দিব লগা হয়।

দৰিদ্ৰতাৰ সংখ্যা যিমানে বাঢ়িব সিমানে শিক্ষাৰ মানদণ্ডও কমি যায়, গতিকে শিক্ষিতৰ হাৰো আমাৰ দেশত কিছু পৰিমাণে কমি আছে। আচলতে দৰিদ্ৰতা আৰু শিক্ষাৰ মাজত এটা ওতপ্ৰোত সম্পৰ্ক আছে। বহু লোকে নিজৰ প্ৰয়োজনীয় সামগ্ৰীখিনি যোগাৰ কৰি ল'ব নোৱৰাৰ বাবে মাক-দেউতাকে কামত নিয়োগ থকাৰ লগতে নিজৰ সন্তানকো দিন হাজিৰা অথবা আনৰ ঘৰত কাম কৰিবলৈ ৰাখে। ইয়াৰ ফলত শিশুসকলে বিদ্যালয়লৈ যায় যদিও আধাতে সামৰি কামত নিয়োগ কৰা হয়। আনহাতে অন্য কিছুমানে একেবাৰে বিদ্যালয়ত প্ৰৱেশ নকৰেই। কিছুসংখ্যকে টকাৰ অভাৱত উচ্চ শিক্ষা ল'ব নোৱাৰি হতাশাত ভোগে। এনেদৰে নিবনুৱা সংখ্যাও যথেষ্ট পৰিমাণে বৃদ্ধি হৈছে আৰু দেশৰ তথা সমাজৰ উন্নতিত এক প্ৰধান সমস্যাৰূপে দেখা দিছে। সেয়েহে সকলোবোৰ সমস্যা দূৰীকৰণৰ ক্ষেত্ৰত শিক্ষাই হৈছে একমাত্ৰ চাবিকাঠী। শিক্ষাৰ যোগেদি মানৱ জাতি এডাল জখলাৰে এটা ঢাপৰ পৰা আন এটা ঢাপলৈ গতি কৰে।

বৰ্তমান সময়ত চৰকাৰে বিনামূলীয়া শিক্ষা ব্যৱস্থা গ্ৰহণ কৰিছে, গতিকে সকলো অভিভাৱকে নিজ সন্তানক কৰ্মত নিয়োগ নকৰি বিদ্যালয়ত নামভৰ্তি কৰাব লাগে। এই ক্ষেত্ৰত সকলো অভিভাৱক সজাগ আৰু সচেতন হ'ব লাগিব বিদ্যালয়লৈ প্ৰেৰণ কৰাৰ ক্ষেত্ৰত। কিছু সংখ্যক অভিভাৱকে পুত্ৰ সন্তানতকৈ অন্য সন্তানক কমকৈ গুৰুত্ব দিয়া দেখা যায়। তেওঁলোকে ভাবে যে, আনৰ ঘৰলৈ বিয়া দিব লাগিব যেতিয়া লিখা-পঢ়া বেছি নকৰিলেও হ'ব। সেয়ে আধাতে শিক্ষা সামৰণি পেলাই ঘৰতে কাম-বনত ব্যস্ত ৰাখে। ইয়াৰ ফলস্বৰূপে কন্যা সন্তান উচ্চ শিক্ষাৰ ক্ষেত্ৰত বহু পিছপৰি গৈছে। এটা কথা সকলোৱে মনত ৰখা উচিত যে যেতিয়ালৈকে নাৰীসকল শিক্ষিত নহয়, তেতিয়ালৈকে এটা জাতি, এখন সমাজ বা এখন দেশ উন্নতি হ'ব বুলি আশা কৰিব নোৱাৰি।

এটা উল্লেখনীয় কথা যে, কেৱল ডিগ্ৰী বা ডিপ্লমা ল'লৈই শিক্ষিত বুলি ক'ব নোৱাৰি, প্ৰত্যেকজন ব্যক্তি সঁজা



অৰ্থত প্ৰকৃত ৰূপত শিক্ষিত হ'ব লাগিব। তেওঁ সমাজৰ সামাজিক, নৈতিক, আৰেগিক, সাংস্কৃতিক আদি দিশত সাধ্যানুসাৰে সহযোগিতা আগবঢ়াব লাগিব। প্ৰত্যেক ব্যক্তি যদিহে প্ৰকৃত অৰ্থত শিক্ষিত হয়, তেতিয়া তেওঁলোকে যিকোনো চৰকাৰী চাকৰিত নিয়োগ হ'বলৈ যোগ্যতা অৰ্জন কৰিব। চৰকাৰী বিভিন্নধৰণৰ উচ্চ পদস্থ বিভাগত কৰ্ম সংস্থাপন সহজে লাভ কৰিব। উচ্চ শিক্ষাত কেৱল পাঠ্যপুথিৰ শিক্ষাই দিয়া নহয়, বিভিন্ন কাৰিকৰী শিক্ষাও যিহেতু প্ৰদান কৰা হয়, সেয়েহ তেওঁলোকে এই দিশতো শিক্ষা অৰ্জন কৰে। যদি কিবা কাৰণত চৰকাৰী চাকৰি নকৰিলেও বিভিন্ন কাৰিকৰী দিশৰ কৰ্মত নিয়োজিত হৈ নিজে স্বাৱলম্বী হোৱাৰ লগতে আত্মনিৰ্ভৰশীল হোৱাত সহায়ক হ'ব। ল'ৰাবোৰে বিভিন্ন ব্যৱসায় বা অন্য হস্ত কৰ্মত সেৱা আগবঢ়াই স্বাৱলম্বী হ'ব পাৰে। সেইদৰে ছোৱালীৰ ক্ষেত্ৰতো বিভিন্ন হস্ত কৰ্মৰ লগতে ব্যৱসায় কৰি জীৱন ধাৰণৰ মানদণ্ড উন্নত কৰিবৰ বাবে ক্ষমতা অৰ্জন কৰিব পাৰে। এই ক্ষেত্ৰত তেওঁলোকে যিকোনো সুকৰ্মৰ কৌশলসমূহ শিক্ষাৰ যোগেদি সুন্দৰভাৱে আয়ত্ত কৰে আৰু নিজৰ লগতে দেশৰো উন্নতিত যথেষ্ট সহায়ক হ'ব। যদিহে শিক্ষাৰ পোহৰ সমাজত নপৰে, তেন্তে এনে কৌশল আৰু যোগ্যতাৰ পৰা নিৰক্ষৰ লোকসকল বাদ পৰে, ফলত নিবনুৱাৰ সংখ্যা বৃদ্ধি হৈ দৰিদ্ৰতাৰ সংখ্যা বাঢ়ি যাব।

গতিকে শেষত এটা কথাই ক'ব বিচাৰোঁ—দেশৰ দৰিদ্ৰতা দূৰীকৰণৰ বাবে সকলো ব্যক্তিয়ে প্ৰকৃত শিক্ষা আহৰণ কৰাতো অত্যন্ত গুৰুত্বপূৰ্ণ। যেতিয়ালৈকে দেশৰ সকলো ব্যক্তি শিক্ষিত নহয় তেতিয়ালৈকে দৰিদ্ৰতা নিমূৰ্লৰ ক্ষেত্ৰত তথা দেশৰ উন্নতিৰ আশা কৰাতো কল্পনাতীত।●

## এয়া জীৱনৰ যাত্ৰাত

# সপোন দেখাৰ সময়

**ভাৰতী কলিতা**
পঞ্চম ষাণ্মাসিক

প্ৰতিজন ব্যক্তিৰ জীৱনত বা প্ৰতিজন ব্যক্তিৰ জীৱনৰ এটি সপোন, এটি আশা থাকে। পৃথিৱীত এনেকুৱা কোনো ব্যক্তি নাই যিয়ে সপোন দেখা নাই। প্ৰতিজন ব্যক্তিৰ জীৱনৰ এটি সপোন থাকে অথবা দেখে। যিয়ে সপোন দেখা নাই নতুবা নেদেখে তেওঁক মানুহ ৰূপত গণ্য কৰা নহয়। প্ৰতিজন ব্যক্তিৰ সপোন নানা ধৰণৰ হ'ব পাৰে। কিছু লোকে সমাজত নাম ৰখাৰ সপোন দেখে। আকৌ কিছু লোকে মহাত্মা গান্ধীৰ আদৰ্শ অনুকৰণ কৰি তেওঁৰ দৰে হোৱাৰ সপোন দেখে। আকৌ তাৰে কিছুমানে ভাল চাকৰি, ডাঙৰ গাড়ী, বহু ধন-সম্পত্তি, ওখ অট্টালিকা সজাৰ সপোন দেখে। প্ৰতিজন ব্যক্তিৰে সপোন দেখাৰ ধৰণ বেলেগ বেলেগ হয়। এতিয়া মুখ্য কথাষাৰি হ'ল 'সপোনে আমাক জীৱনৰ যাত্ৰাত এখোজ আগবাঢ়িবলৈ শিকায়। সপোনে প্ৰেৰণা প্ৰেৰণ কৰে। সপোনে আমাক সাহস, উৎসাহ, অনুপ্ৰেৰণা দিয়ে। সপোন দেখাটো এটা ভাল শৈলী।' কেতিয়াবা আপোনালোকে মন কৰিছেনে? এটি সৰু গছপুলিৰ পৰা এটি বৃহৎ গছৰ সৃষ্টি হয়। ঠিক সেইদৰে এটি সৰু সপোনৰ তাগিদাত বৃহৎ সফলতাৰ শিখৰ চুবলৈ সক্ষম হয়। এতিয়া কথা হ'ল আমাৰ কিছুমানৰ মনোভাবৰ ওপৰত আমি বহুলোকে এটা কথা বৰকৈ ভাবো। আমি দুখীয়া ঘৰৰহে? এনে কিছুমান কথা আমি আমাৰ মগজুত স্থান দিওঁ। পিছত তাৰ উত্তৰ ওলাইগৈ আমি নোৱাৰো। মানৱ জীৱনত দ্বিতীয়টো সমস্যা হ'ল— আমি যি ফলাফল আশা কৰো তাক নাপালে আমি এক্সকিউজ দিওঁ। সেয়া মনস্তাত্বিকভাৱে সকলো মানুহেই কৰে। কিন্তু যিসকলে নিজৰ মগজুত এটি সপোনক স্থান দিছে তেওঁলোকে নিশ্চয় এক্সকিউজক জীৱনৰ পৰা ত্যাগ কৰিছে। মানৱ জীৱনৰ একমাত্ৰ আৱশ্যকীয় শব্দটো হৈছে— 'নিজৰ ওপৰত বিশ্বাস ৰখা' আপুনি সফলতা লাভ কৰিবলৈ হ'লে আপোনাৰ নিজৰ ওপৰত যথেষ্ট বিশ্বাস থাকিব লাগিব। আপুনি নিজে নিজৰ কথাত ইমান বিশ্বাস কৰিব লাগিব যে যাতে আনেও সেই কথাটো মানি লয়, দেখা পায়, বুজি পায় আৰু বিশ্বাস কৰে। তেতিয়া তেওঁলোকেও আপোনাক সহায় কৰিব। মই আগতেই লিখিছো যে এয়া সপোন দেখাৰ সময়, এটি আশা হৃদয়ত পুহি ৰখাৰ সময়। আশা এটা

অসম্ভৱ=অ+সম্ভৱ? এতিয়া ইয়াৰ উত্তৰ পাম অসম্ভৱ। ইয়াক ইংৰাজীত লিখা হয়
Impossible=I am possible
মাত্ৰ আৰম্ভ কৰক যিমান সময় আপুনি আইডিয়া বা বিচৰা ফলাফল বা কৃতকাৰ্যতাৰ বিষয়ে কথা পতাত খৰচ কৰে, তাতোকৈ বহু বেছি সময় কাম কৰাত খৰচ কৰক। জীৱনত হাত দাঙি নিদিব। Never give up ... হাৰ মানি হাত দাঙি নিদিব। আপুনি এয়া নাভাবিব যে কেৱল আপুনিহে ইমান পৰিশ্ৰম কৰি আছে। আনে দেখোন একো নকৰাকৈ জীৱনটো সুন্দৰভাৱে জীয়াই আছে।



গোটাওক। আপোনাক এটা আশা লাগে। এই আশাটোৱে আপোনাক কষ্ট কৰিবলৈ, আগবাঢ়ি আহিবলৈ সহায় কৰিব। আশা আৰু সপোন আপোনাৰ জীৱনত থাকিলে আপুনি আজি ফলাফল নাপালেও কাম কৰি যাব পাৰিব। আপোনাক এটা আশা লাগে এই আশাৰ জন্ম হ'ব আপোনাৰ সপোনৰ পৰা। সেইবাবে সপোনৰ খুব প্ৰয়োজন আপোনাৰ জীৱনত। এতিয়া আমাৰ মনৰ কিছুমান বাক্য হ'ল। আমি যিকোনো কাম নকৰা আগতেই অসম্ভৱ নামৰ শব্দটোক আমাৰ জীৱনত স্থান দিওঁ। এতিয়া অসম্ভৱ নামৰ শব্দটোৱে আপোনাক সম্ভৱ কৰাব। এতিয়া প্ৰশ্ন হ'ল অসম্ভৱ কেনেকৈ কৰাব? ইয়াৰ উত্তৰ হ'ল অসম্ভৱ নামৰ শব্দটোক আমি ভাঙি দিম। অসম্ভৱ=অ+সম্ভৱ? এতিয়া ইয়াৰ উত্তৰ পাম অসম্ভৱ। ইয়াক ইংৰাজীত লিখা হয় Impossible=I am possible মাত্ৰ আৰম্ভ কৰক যিমান সময় আপুনি আইডিয়া বা বিচৰা ফলাফল বা কৃতকাৰ্যতাৰ বিষয়ে কথা পতাত খৰচ কৰে, তাতোকৈ বহু বেছি সময় কাম কৰাত খৰচ কৰক। জীৱনত হাত দাঙি নিদিব। Never give up ... হাৰ মানি হাত দাঙি নিদিব। আপুনি এয়া নাভাবিব যে কেৱল আপুনিহে ইমান পৰিশ্ৰম কৰি আছে। আনে দেখোন একো নকৰাকৈ জীৱনটো সুন্দৰভাৱে জীয়াই আছে। আপোনাৰ চিন্তাটো সম্ভৱতঃ ভুল। আপুনি হয়তো নাজানে তেওঁ সেই সফলতা অৰ্জন কৰিবলৈ কিমান বিফলতাৰ দলং পাৰ কৰিছে। যিমানে টান কাৰ্য নহওঁ কিয় কেতিয়াও হাৰ মানি নল'ব। হাত দাঙি নিদিব। কাৰণ হাৰ নমনা মানুহবোৰেহে এদিন নহয় এদিন সফলতাৰ দলং পাৰ কৰে। বিখ্যাত মহিলা মাদাৰ টেৰেছাই কিছু বাক্যত জীৱনক লৈ সুন্দৰ সুন্দৰ (বাক্য) আগবঢ়াইছে। তেওঁ কৈছে—

"Life is an opprortunity benefir from it- জীৱনটো এটা সুযোগ ইয়াৰ দ্বাৰা উপকৃত হোৱা।"

"Life is beauty admire it- জীৱন মানে সৌন্দৰ্য ইয়াক প্ৰশংসা কৰা।"

"Life is dream realige it জীৱনটো এটা সপোন ইয়াক অনুভৱ কৰা।"

"Life is a challenge meet it জীৱনটো এটা প্ৰত্যাহ্বান তাক সাক্ষাৎ কৰা।"

"Life is a duty eomplete it জীৱনটো এটা দায়িত্ব ইয়াক পালন কৰা।"

জীৱনটো হুবহু এটা যাত্ৰাৰ লগত তুলনা কৰিব পাৰি। গাড়ী মটৰেৰে ক'ৰবালৈ যাত্ৰা কৰিলো গাড়ীৰ খিৰিকীৰে দেখা পোৱা বস্তুবোৰ, গছ-গছনিবোৰ, ঘৰ-দুৱাৰ, মানুহবোৰ এইসকলোবোৰ আমি পিছত এৰি যাওঁ। এটা এটাকৈ বস্তুবোৰ এৰি আমি আগবাঢ়ি গৈ থাকো। এটাৰ পিছত এটা নতুন ঠাই। এনেদৰে আগুৱাই গৈ এটা সময়ত আমি উপনীত হওঁ লক্ষ্যস্থানত। "যাৰ জীৱনত লক্ষ্য নাই সপোন নাই, তাৰ সুখো নাই। প্ৰত্যেক ব্যক্তিৰ জীৱনত এক লক্ষ্য থকা উচিত। কিন্তু আমি এটা কথা পাহৰিব নালাগে যে, লক্ষ্যানুসৰিহে আপোনাৰ জীৱন হ'ব। আপোনাৰ লক্ষ্য উচ্চ বা বিশাল, উদাৰ আৰু উন্মুক্ত হোৱা উচিত। তেনেহ'লে আপোনাৰ জীৱন আপোনাৰ বাবে আৰু অন্যাৰ বাবেও বহু মূল্যৱান হৈ পৰিব।

জীৱনত বহু কষ্টৰ সন্মুখীন হ'বই লাগিব। জীৱনত বহু বিফলতা সহ্য কৰিব লাগিব কাৰণ "জীৱন মানেই জীৱন" Life is life।●



# ইণ্টাৰনেট আশীৰ্বাদ ইণ্টাৰনেট অভিশাপ

**আকাশদ্বীপ শইকীয়া**
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

বিজ্ঞান প্ৰযুক্তিবিদ্যাৰ চৰম উন্নতিৰ যুগত ইণ্টাৰনেট এক অপৰিহায্য অংগ ৰূপে ঠিয় দিছে। আনকি কেঁচা মাটিৰ গোন্ধত সেউজ সপোন ৰচি ভালপোৱা চহা সকলো ইণ্টাৰনেটৰ অবিহনে অচল হৈ পৰিছে। ইণ্টাৰনেট ব্যৱহাৰৰ ধনাত্মক আৰু ঋণাত্মক দুটা ভাগ থাকে। যাৰ ফলস্বৰূপে ইণ্টাৰনেট আশীৰ্বাদো হ'ব পাৰে অভিশাপো হ'ব পাৰে।

বৰ্তমান শিক্ষা ব্যৱস্থাত যুৱ প্ৰজন্মই শিক্ষাৰ মূল উৎস হিচাপে ইণ্টাৰনেটক আঁকোৱালি লৈছে। পঢ়া-শুনাৰ সম্পৰ্কীয় সকলো কথাৰ সমাধান ইণ্টাৰনেটত উপলব্ধ হোৱাৰ বাবে ইণ্টাৰনেটে শিক্ষাৰ সমাজখনত যথেষ্ট সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। ইয়াৰ উপৰিও ইণ্টাৰনেটৰ জৰিয়তে গৃহিণীয়ে বিভিন্ন ৰন্ধন প্ৰক্ৰিয়া আয়ত্ত কৰি লাভান্বিত হ'ব পাৰিছে। আজৰি বা আমনিৰ সময়তো ইণ্টাৰনেটৰ জৰিয়তে বিভিন্ন মনোৰঞ্জনাত্মক ছবি, কাহিনী, নৃত্য-গীত আদি ভাৰ্চোৱেলি উপভোগ কৰি আনন্দ লাভ কৰিব পাৰি। পৃথিৱীৰ বিভিন্ন ঠাইৰ বা-বাতৰি আমি ঘৰতে বহি ইণ্টাৰনেটত লাভ কৰিব পাৰো। পৰিবহণৰ বাবে টিকত সংগ্ৰহ, বিভিন্ন বিল পৰিশোধ, ধনৰ লেন-দেন, বিভিন্ন শিক্ষাগত ডিগ্ৰীসমূহ বৰ্তমান সময়ত ইণ্টাৰনেটৰ জৰিয়তে উপলব্ধ হৈছে। এনেদৰেই বিভিন্ন সু-কৰ্মৰে সংযোজিত হৈ ইণ্টাৰনেট বৰ্তমান পৃথিৱীত এক সহায়ৰ হাত আৰু জ্ঞানৰ ভঁৰাল ৰূপে থিয় দি মানৱ সমাজৰ উন্নতিত আশীৰ্বাদ প্ৰদান কৰিছে।

বিভিন্ন সুবিধাৰে উপলব্ধ হ'লেও ইণ্টাৰনেট যুৱ প্ৰজন্মৰ মৃত্যুৰ হাঠিয়াৰ বুলিও অভিহিত কৰিব নোৱৰা নহয়। বিভিন্ন সামাজিক এপ্ ব্যৱহাৰৰ জৰিয়তে বহু মৃত্যুৰ উদাহৰণ পোৱা গৈছে। ইনষ্টাগ্ৰাম, ফেচবুক, হোৱাটচআপ আদি এপসমূহৰ জৰিয়তে প্ৰথমতে অচিন জনৰ লগত বন্ধুত্ব স্থাপন কৰি পাছত বিভিন্ন ব্লেকমেইলিংৰ বলি হৈ অস্বস্তিত ভোগী আত্মঘাতিৰ দৰে ঘৃণনীয় পথ বহুজনে বাছি লৈছে। বৰ্তমান নিষিদ্ধ যদিও ব্লু হুইলৰ দৰে মাৰাত্মক গেইমৰ যোগেদি বহু যুৱকে প্ৰাণ হেৰুৱাইছে। হেকিংৰ জৰিয়তে আইন উলংঘন কৰি অপৰাধমূলক কাৰ্য কৰিছে। ইয়াৰ উপৰিও শিক্ষালাভ প্ৰক্ৰিয়াৰ সমাধানসমূহ ইণ্টাৰনেটতে উপলব্ধ হোৱাৰ বাবে কিতাপৰ লগত শিক্ষাৰ্থীৰ সম্পৰ্ক হেৰাই যাব ধৰিছে। অনলাইন শিক্ষাৰ ব্যৱস্থাৰ মাধ্যমক কু-প্ৰয়োগ কৰি ভাৰ্চুৱেল পৃথিৱীৰ ৰঙীন জগতৰ বিভিন্ন কু-কৰ্মত ছাত্ৰসমাজ বা শিক্ষাৰ্থীসকল নামি পৰিছে। ইণ্টাৰনেটৰ অত্যাধিক ব্যৱহাৰৰ ফলত শিশু তথা কিছু সংখ্যক বয়োজেষ্ঠ্য সমাজো সামাজিক অনুষ্ঠান তথা বিভিন্ন উৎসৱ পাৰ্বনৰ ফালে পিঠি দিয়ে। ম'বাইলত ইণ্টাৰনেট ব্যৱহাৰৰ বাবে ঘৰৰ মানুহৰ পৰা ব্যৱহাৰকাৰী আঁতৰি পৰিছে। যাৰ বাবে ইণ্টাৰনেট ব্যৱহাৰকাৰীসকলে এটা অকলশৰীয়া জীৱনক প্ৰাধান্য দিছে।

বৰ্তমান পৃথিৱীত ১৯৮৯ চনৰ পিয়ল তথ্য অনুসৰি মুঠ ৫৬.৭ শতাংশ মানুহে আৰু ভাৰতবৰ্ষত প্ৰায় ৪১.০ শতাংশ মানুহে ইণ্টাৰনেট ব্যৱহাৰ কৰিছিল। গতিকে আমি সকলোৱে বেয়াক নিহালি থৈ ভালক আঁকোৱালি আগবাঢ়িলে ইণ্টাৰনেটে বৰ্তমান পৃথিৱী তথা ভাৰতবৰ্ষক উন্নতিৰ জখলাত আৰু বহু আগুৱাই নিব বুলি মই ভাবো।●



# বালিমাহীৰ অৰণ্যলৈ এভুমুকি

**ভাস্কৰ জ্যোতি টাউদ**
প্ৰথম ষাণ্মাসিক, গণিত বিভাগ

পৃথিৱীত অসংখ্য অৰণ্য আছে। কিন্তু তাৰে বিশ্ববিখ্যাত অৰণ্য নিচেই তাকৰ। তাৰে এখন বিশ্ববিখ্যাত আৰু আদৰ্শ সজীৱ অৰণ্য হৈছে মুলাই অৰণ্য। কাৰণ এই অৰণ্য প্ৰকৃতিৰ দান নহয়, এইয়া মানৱৰ এক অমূল্য অৱদান। যি সময়ত মানুহৰ উৎপীড়নত বনাঞ্চল, অৰণ্য আদি ধ্বংস ঘৰলৈ প্লাৱিত হৈছে, সেই সময়ত পদ্মশ্ৰী যাদৱ পায়েংদেৱে নিজা প্ৰচেষ্টাৰে জননী আইক ৰক্ষা কৰিবলৈ মুলাই অৰণ্যৰ দৰে আদৰ্শবাদী, অৰণ্য গঢ়ি তোলে। মই আদৰ্শ শব্দটো এইবাবে ব্যৱহাৰ কৰিছো কাৰণ এই অৰণ্যখনৰ যোগেদি পৃথিৱীৰ বহুতো চিন্তাবিদ ব্যক্তি জাগৃত হ'ল এক নতুন যাত্ৰাৰ অভিমুখে। আৰম্ভ হৈছে বৃক্ষ ৰোপণৰ এক নতুন জাগৰণ আৰু সেই জাগৃত ব্যক্তিৰে এজন হৈছে মোৰ পিতৃ ললিত টাউদ।

যাদৱ পায়েঙৰ কাৰুকাৰ্যক আৰ্হি হিচাপে লৈ ব্ৰহ্মপুত্ৰৰ বালিচৰীয়া মৰুভূমি সদৃশ অঞ্চলত দেউতাই সপোন দেখিবলৈ আৰম্ভ কৰিলে সেউজীয়া এখন বিনন্দীয়া অঞ্চল। দেউতাই নিজৰ সম্যক জ্ঞানেৰে আৰম্ভ কৰিবলৈ এক নতুন যাত্ৰা। তেওঁ এজন কৃষি বিষয়ক কৰ্মচাৰী। সেইবাবে তেওঁৰ মাটিৰ গুণাগুণৰ ওপৰত অলপ হ'লেও জ্ঞান আছিল। সেয়ে তেওঁ শিমলু, আজাৰ, ঔটেঙাৰ দৰে গছপুলিবোৰেৰে নিজৰ যাত্ৰা আৰম্ভ কৰিবলৈ ল'লে। মই তেতিয়া আছিলো ষষ্ঠ শ্ৰেণীত। দেউতাৰ লগত মই আৰু লগতে আমাৰ খুৰাৰ ল'ৰা আৰু বৰদেউতাৰ ল'ৰা অৰ্থাৎ দুয়ো মোৰ ভাইটি। প্ৰত্যেকটো দেওবাৰে আমি সকলো দেউতাৰ লগত যাওঁ। গছপুলিবোৰ লাহে লাহে বাঢ়িবলৈ আৰম্ভ কৰিছিল আৰু মোৰ দেউতাৰ সপোনবোৰো আৰু অধিক সজীৱ হ'বলৈ ধৰিছিল। আমি এই যাত্ৰা আৰম্ভ কৰিছিলো ব্ৰহ্মপুত্ৰৰ চৰ-চাপৰি মুকলি ঠাইত য'ত গছ-গছনিৰ নামত ঝাওঁবন আৰু মাথোঁ বগৰী গছ আছিল। লগতে আমাৰ এটা ডাঙৰ সমস্যা আহি পৰিছিল তাত ঘাঁহ বিচাৰি বিচৰণ কৰা গৰুবোৰৰ ওপৰত। প্ৰথমাৱস্থাত মুকলি ঠাইত ৰোৱা পুলিবোৰৰ সকলোখিনি পাত গৰুৱে খাই তহিলং কৰি পেলাইছিল। পিছত দেউতাই চিন্তা কৰি পালে যে, যিবোৰ গছৰ পাত গৰুৱে নাখায়, তেনে গছপুলি মুকলি ঠাইত ৰুবলৈ আৰম্ভ কৰিলো আৰু বাকী গছপুলিবোৰ ঝাওঁবনৰ আঁৰত নাইবা বগৰী ডাল কাটি গৰু সোমাব নোৱৰাকৈ ধুনীয়াকৈ বেৰি ৰোৱা হৈছিল। এই যাত্ৰা আমি অবিৰত ৰাখিছিলো আৰু যেতিয়া আমাৰ কামৰ ধনাত্মক ফলাফল লাহে লাহে কৰিবলৈ ধৰিলে আমাৰ উৎসুকতা দুগুণে বাঢ়িব ধৰিলে।

মই সপ্তম শ্ৰেণীত আছিলো, বিদ্যালয়ত এখন নাটক মঞ্চস্থ কৰাৰ যো-জা চলিছে আৰু নাটখনত মইও অভিনয় কৰিবলৈ আগবাঢ়িলো। নাটখন নাম আছিল 'বালিমাহীৰ কথাৰে।' নাটখন যিদিনা মঞ্চস্থ কৰিছে সেইদিনা দেউতাও আহিছিল। দেউতাক নাটখনৰ বালিমাহী চৰাইজনীৰ কণী পাৰিবলৈ ঠাই বিচাৰি নোপোৱাৰ কৰুণ দৃশ্যই মৰ্মান্তিক কৰি পেলালে আৰু দেউতাই সেইদিনাই মনত ঠিক কৰি ল'লে যে জাৰ্জীমুখৰ যি নিঃশেষ হ'বলৈ ধৰা জৈৱ বৈচিত্ৰ্য সেইয়া পুনৰ উভতাই আনিব। দেউতাই আৰম্ভ কৰা এই যাত্ৰাৰ নাম ৰাখিলে বালিমাহী অৰণ্য। গছবোৰ ডাঙৰ হ'বলৈ লওঁতেই আমাৰ গাঁওৰ কিছুমান মানুহে দেউতাৰ লগত বিৰোধীতা কৰিবলৈ ধৰিলে (যিহেতু আমাৰ অঞ্চলটো বনৰীয়া হস্তীয়ে আক্ৰমণ কৰা অঞ্চল)। আমাৰ গাঁৱৰ মানুহবোৰে ভাবিছিল যে গছবোৰ ডাঙৰ হ'লে



হাতীবোৰে ইয়াতে আশ্ৰয় ল'ব আৰু আমাক আমনি কৰিব। কিন্তু সেই ধাৰণা যে ভুল সেই কথা কিছুমান শিক্ষিত মানুহৰ দ্বাৰা আৰু নিজেও উপলব্ধি কৰিবলৈ ল'লে আৰু দেউতাক সহায় কৰিবলৈ ধৰিলে।

'বালিমাহী অৰণ্য' এতিয়া ২৫০ বিঘা মাটিৰে আগুৰা আৰু নানান গছ-গছনিৰে ভৰপূৰ জাৰ্জীমুখ অঞ্চলৰ স্বাভিমান আৰু গৌৰৱ। ইয়াত বিশ্ব পৰিৱেশ দিৱস মাথোঁ এটা দিৱস নহয়, এক নতুন সূৰুযৰ দিশে ধাৱিত এটি নতুন আলোক আৰু উৎসৱ। বৰ্তমান 'বালিমাহী অৰণ্য' হৈছে বহুতো গুণী-জ্ঞানী, পৰ্যটক, সাংবাদিক, নেতা পালি নেতাৰ পৰ্যটন স্থল। গতিকে সকলো পঢ়ুৱৈক ধন্যবাদ জনাইছো আৰু 'বালিমাহী অৰণ্য'ক আশীৰ্বাদ আৰু এবাৰলৈ হ'লেও দৰ্শন কৰিবলৈ অনুৰোধ জনালোঁ।

'সেউজ পৃথিৱী গঢ়ো আহা' এইয়া মাথোঁ শ্লোগানত লিখিলে নহ'ব, আহক আমি সকলোৱে মিলি ইয়াক বাস্তৱায়িত কৰি তোলো।



# আধ্যাত্মিক শিক্ষা ঃ বৰ্তমান শিক্ষা ব্যৱস্থাত ইয়াৰ প্ৰয়োজনীয়তা আৰু জীৱনৰ মূল্যবোধ

**ঊীৰুপ্ৰভা চাংমাই**
স্নাতক ষষ্ঠ ষাণ্মাসিক
নৃতত্ত্ব বিভাগ

আধ্যাত্মিক শব্দটোৰ অভিধানিক অৰ্থ হ'ল, 'আত্মা সম্বন্ধীয় বা ব্ৰহ্মা বিষয়ক।" 'আধ্যাত্মিক' যাক আত্ম জ্ঞান বা ব্ৰহ্ম জ্ঞান বোলা হয়। এজন ব্যক্তিয়ে যেতিয়া নিজ আত্মাক অনুভৱ কৰিব পাৰি দৈৱিক জ্ঞান লাভ কৰে। সেই ব্যক্তিগৰাকীক আত্মজ্ঞানী বা আত্মগুণসম্পন্ন বুলি স্বীকৃতি দিব পাৰি আৰু আধ্যাত্মিক জ্ঞানেই হৈছে এই পাৰ্থিৱ জগতৰ মোক্ষ প্ৰাপ্তিৰ দুৱাৰদলি। এতিয়া প্ৰশ্ন হয়, আত্মা কি? আত্মা হৈছে এক চৈতন্য শক্তি, যাক এক সূক্ষ্ম বিন্দুস্বৰূপ জ্যোতিষ আভাস সৈতে তুলনা কৰিব পাৰি। যাৰ চেতনা শক্তি মাত্ৰ নিজৰ মাজত অনুভৱহে কৰিব পাৰি।

আধ্যাত্মিক শিক্ষা বুলি ক'লে সকলোৰে মনত এটি ভুল ধাৰণাই গা কৰি উঠে। কেৱল বাহ্যিক জগতত পূজা-অৰ্চনাৰে বা কেৱল ভগৱান ভক্তিয়েই আধ্যাত্মিক জ্ঞান নহয়। এই জ্ঞান হৈছে অতীন্দ্ৰিয়জ্ঞান। পঞ্চ ইন্দ্ৰিয়ৰ বান্ধোনৰ পৰা মুক্ত হৈ কেৱল আত্মাৰ স্বকীয় চেতনাৰে নিজকে জাগ্ৰত কৰিব পৰা স্বয়ংক্ৰিয় চেতনা শক্তিয়েই হৈছে অতিন্দ্ৰীয় জ্ঞান।

মানুহৰ জীৱনক সময়েৰেও জুখিব পাৰি কৰ্মৰেও জুখিব পাৰি। আমাৰ প্ৰত্যেকৰে জীৱনৰে এটা মূল্য আছে। এই মূল্য উপলব্ধি কৰি তাৰ ৰূপায়ণত ব্ৰতী হোৱাটোৱেই ঘাই কথা। জীৱনৰ এই উপলব্ধি কৰিবলৈ হ'লে আমি। বাহ্যিক শিক্ষাৰ উপৰিও আধ্যাত্মিক শিক্ষাৰ প্ৰতিও গুৰুত্ব দিব লাগিব।

সাম্প্ৰতিক সময়ৰ শিক্ষা ব্যৱস্থা সুদূৰ প্ৰসাৰী। জন্ম লগ্নৰে পৰা এটা শিশু, বৃদ্ধাৱস্থাৰলৈকে কেৱল জ্ঞান, অৰ্জনক লৈ ব্যস্ত। উদাহৰণস্বৰূপে আমি আমাৰ দৈনন্দিন জীৱনটোক ল'ব পাৰো। ৰাতিপুৱা শুই উঠাৰ পৰা ৰাতি শুৱাৰলৈকে কেৱল আদিন অন্ত নোহোৱা কৰ্ম দায়িত্ব লৈ জীয়াই আছো। আমাৰ চিন্তা-ভাবনাবোৰ কেৱল পাৰ্থিৱ শৰীৰ আৰু জগতখনৰ বাবে। তাৰ ফলস্বৰূপে আমাৰ মনত কেৱল ঈৰ্ষা, ভয়-শংকা, খং-ৰাগ ইত্যাদি ইত্যাদিয়ে জুমুৰি ৰাখিছে। ফলত পৃথিৱীখনৰ বাতাৱৰণ কেৱল অশান্তি, বিভীষিকাই ভৰপূৰ। আন নালাগে কম বয়সীয়া কিশোৰ-কিশোৰীয়ে মানসিক হতাশাত ভুগিবলৈ আৰম্ভ কৰিছে। ইয়াৰ কাৰণ যদি আমি বিচাৰি উলিয়াবলৈ যাওঁ, তেতিয়া আমাৰ মাত্ৰ এটাই উত্তৰ হ'ব, আমি নিজক চিনি নাপাওঁ, অৰ্থাৎ আমি কেৱল পঞ্চইন্দ্ৰিয়ৰ বান্ধোনত মনটোক আৱদ্ধ কৰি ৰাখিছো, আমাৰ অতিইন্দ্ৰীয় সুখানুভূতিৰ পৰা আমাৰ মনটো বঞ্চিত।

শ্ৰীকৃষ্ণই ভাগৱত গীতাত এটা উল্লেখ কৰিছে, তাৰ সাৰমৰ্ম এনে ধৰণৰ যে পাৰ্থিৱ জগতখন দুখন ঘৰ আৰু ক্ষন্তেকীয়া। ইয়াৰ মাজত মিলি থাকিব পৰাটোৱেই আচল কথা।

এতিয়া প্ৰশ্ন হয়, বৰ্তমান যুগত আধ্যাত্মিক শিক্ষাৰ কিবা প্ৰয়োজনীয়তা আছে জানো? নিশ্চয় আছে। শৰীৰক যেনেকৈ চিকিৎসাৰ প্ৰয়োজন ঠিক সেইদৰেই আমাৰ মনটোক নিকা কৰিবলৈ এই শিক্ষাৰ অতীৱ প্ৰয়োজন আছে। কাৰণ এটা সুস্থ আৰু নিকা মনেহে এখন সবাংগ সুন্দৰ সমাজ গঢ়িব পাৰিব।

আমি সকলোৱেই জানো যে মানুহৰ মন পঞ্চ বিকাৰেৰে ভৰপূৰ। এই পঞ্চবিকাৰসমূহ হ'ল লোভ, মোহ,



কাম, ক্ৰোধ আৰু অহংকাৰ। এই পঞ্চবিকাৰে মানৱ জীৱন আৰু সমাজত কিমান নেতিবাচক প্ৰভাৱ পেলাই আছে হয়তো বহলাই নক'লেও হ'ব। সমাজত যদি থকা কু-সংস্কাৰ, ব্যভিচাৰসমূহ নাশ কৰিবলৈ হ'লে প্ৰত্যেক মানুহৰ মন-মগজুত থিতাপি লৈ থকা এই বিকাৰসমূহক ধ্বংস কৰিবলৈ লাগিব আৰু এইয়া মাত্ৰ সম্ভৱ হ'ব আধ্যাত্মিক শিক্ষাৰ চৰ্চা আৰু প্ৰসাৰৰ দ্বাৰা।

বৰ্তমান যুগতো গোলকীয় বিজ্ঞানৰ যুগ। ধৰ্মৰো এটা বৈজ্ঞানিক ভিত্তি আছে। এলবাৰ্ট আইনষ্টাইনে কৈছিল, "বিজ্ঞান বিহীন ধৰ্মখোৰা আৰু ধৰ্মবিহীন বিজ্ঞান কণা।" গতিকে বিজ্ঞানতো ধৰ্ম প্ৰয়োজন।

বৰ্তমান সময়ত সকলোৰে মুখত চৰ্চিত এটা বিষয় যুৱ উচ্ছৃংখলতা। কিন্তু উচ্ছৃংখলতাৰ বাবে দায়ী কোন? তেওঁলোকৰ নৈতিক স্খলনৰ বাবে দোষী কোন? এই সকলোবোৰৰ বাবে সকলোৱে কেৱল পিতৃ-মাতৃ বা অভিভাৱকসকলক দায়ী সাজে, কিন্তু মোৰ এই সকলোবোৰৰ বাবে পিতৃ-মাতৃ তথা অভিভাৱকসকলৰ লগতে সমানে দায়ী বাহ্যিকতাৰ প্ৰতিযোগিতাৰ লগতে শিক্ষা ব্যৱস্থা। এই শিক্ষা ব্যৱস্থাটোৱে কেৱল মাত্ৰ এখন প্ৰতিযোগিতাত আমাক ঘোঁৰা দৌৰৰ অংশ হিচাপে আহৰি নোহোৱাকৈ দৌৰাই আছে ফলত নিজকে উপলব্ধি কৰিব পৰাকৈ একো শিক্ষা পোৱা নাই। দ্বিতীয়তে বাহ্যিকতা; আমি কেৱল যিকোনো ক্ষেত্ৰত আমাৰ বাহ্যিক ফলাফল সমূহ চাওঁ, কিন্তু আভ্যন্তৰীণ দিশটো আমি অৱহেলা কৰো। গতিকে কোৱা হয় যে, "আপুনি আপোনাৰ মিত্ৰ, আপুনি আপোনাৰ শত্ৰু, আপুনি আপোনাক মাৰে নে ৰাখে একান্ত নিজৰ কথা।" অৰ্থাৎ, যেতিয়া মনত এটা সংকল্প উদয় হয়, তেতিয়া আত্মা মিত্ৰ হয় অন্যথা অসৎ সংকল্পত আপোনাৰ আত্মা স্বয়ংক্ৰিয়ভাৱে শত্ৰু পৰিস্ফূৰ্ত হয়। গতিকে মন সদায়েই মূৰ্খ পাপী বা অধৰ্ম নহয়।

স্বামী বিবেকানন্দই কৈছিল, "যি শিক্ষাই ছাত্ৰক শাৰীৰিক, মানসিক আৰু আধ্যাত্মিক উৎকৰ্ষ সাধনত সহায় কৰিব পাৰে। তাকেহে প্ৰকৃত শিক্ষা বুলিব পাৰি।" শাৰীৰিক আৰু মানসিক এই দিশৰ বিকাশৰ বাবে আধ্যাত্মিক শিক্ষাৰ একান্ত প্ৰয়োজন আছে।

আজিৰ শিশু, কাইলৈ দেশৰ নাগৰিক আৰু পৰহিলৈ দেশৰ গুৰি ধৰোঁতা। এই বিকশিত অৱস্থাতেই যদি প্ৰতিটো শিশুক পাৰ্যমানে এটা সুস্থ পৰিৱেশ, নিকা মনৰ বাবে আধ্যাত্মিক শিক্ষাৰ অনুশীলন কৰোৱাব পৰা যায়; নিশ্চয় তেতিয়া সেই ল'ৰা-ছোৱালী উপৰিও এখন সুন্দৰ সমাজ তথা দেশ গঢ়াত অনন্য অৱদান হিচাপে পৰিগণিত হয়।●

স্বামী বিবেকানন্দই কৈছিল, "যি শিক্ষাই ছাত্ৰক শাৰীৰিক, মানসিক আৰু আধ্যাত্মিক উৎকৰ্ষ সাধনত সহায় কৰিব পাৰে। তাকেহে প্ৰকৃত শিক্ষা বুলিব পাৰি।"

# জৈৱ বৈচিত্ৰতা আৰু কিছু চিন্তা

**বিতোপন চৰৰ**
স্নাতক প্ৰথম ষাণ্মাসিক, বুৰঞ্জী বিভাগ

মই খুবেই প্ৰাকৃতিক, সৃষ্টিৰ অন্যতম ৰচনাই মোক বাৰুকৈ প্ৰভান্বিত কৰে। ভাল লাগে মোৰ বসন্তৰ শ্যামল কুঁহিপাত আৰু সমানে ভালপাওঁ মই ফাগুনৰ পছোৱাৰ সৰাপাতবোৰক নিচে এইয়া দেখোন প্ৰকৃতিৰ সৈতে কাব্যিক ভাল পোৱা দিঠকনো কি দেখিবলৈ পাওঁ মই ওখ ওখ কংক্ৰিটৰ মহলা তৰু-তৃণ একেবাৰে শূন্য আৰু ক'ত ক'ত প্লাষ্টিকৰ টুকুৰা যান্ত্ৰিকতাৰ জখলাইদি বগাই যোৱা পৃথিৱীত দমা-দমে গেলা-আৱৰ্জনাই গা কৰি উঠা দুৰ্গন্ধ, বীজাণু প্ৰদূষণ আৰু সকলোৰে বাবেই ভয়াবহ, পৰিত্ৰাণ কত দৰাচলতে জীৱ শ্ৰেষ্ঠ মানৱে যান্ত্ৰিকতাৰ উন্নতিৰ জখলাই বগাই নিজকে পাহৰি, বৰ্তমান সময়ক জিনিব বিচাৰিছে। জীৱ শ্ৰেষ্ঠ মানৱে বৰ্তমান সময়ত জৈৱ-বৈচিত্ৰতাক পাহৰি পৃথিৱীখন মাথো জীৱ শ্ৰেষ্ঠ মানৱৰ বুলি এক মাৰাত্মক অৱস্থাক আহ্বান জনাই গৈ আছে।

উদাহৰণস্বৰূপে বুজো আহক আমাৰ জৈৱ্য বৈচিত্ৰতাক নিয়ন্ত্ৰণ কৰাত প্ৰকৃতিৰ এজোপা গছে কিমান গুৰুত্বতা বহন কৰি আহিছে। যেনে—আহত গছ, যিজোপা গছক গছৰ ৰজা হিচাপে জনা যায়। আহত হৈছে ভাৰতবৰ্ষৰ বাবে বহুত মহত্বপূৰ্ণ গছ কাৰণ এইজোপা গছৰ পাতৰ সদৃশ আকাৰে ভাৰতৰ আটাইতকৈ আগশাৰী ভাৰত ৰত্ন বঁটা নিৰ্মাণ কৰা হয়—যিটো শান্তি আৰু প্ৰভাৱ প্ৰতীক কিন্তু এইজোপা গছ পৰিৱেশৰ বাবে ইমান জৰুৰী কিয় এই গছ বাছি থকাৰ বাবে মানুহ উপকাৰ হয়নে কিন্তু আজি ইয়াৰ মহত্ববোৰ জনাৰ প্ৰয়োজন কি এইজোপা গছৰ বৈজ্ঞানিক নাম হৈছে—Ficus Religiasa সাধাৰণতে এইজোপা গছ খুব দ্ৰুত গতিত বাঢ়ে আৰু এইজোপা গছৰ উচ্চতা ১০০ ফুট হোৱাৰ লগতে ইয়াৰ গা গছ ১০ৰ পৰা ১৫ ফুটৰলৈকে শকত হোৱা দেখা যায়। আৰু এইজোপা গছৰ ঠাল-ঠেঙুলিসমূহ কেইবা মিটাৰ ব্যাসাৰ্ধলৈকে বিস্তৃত হোৱা দেখা যায়। সাধাৰণতে আমি জানো যে আমাৰ চৌপাশে থকা প্ৰায় গছ-গছনিবোৰ সূৰ্যৰ পোহৰৰ উপস্থিতি বা দিনৰ ভাগতহে অক্সিজেন প্ৰদান কৰে। কিন্তু আহত গছজোপা আমাৰ এনে কিছুমান গছৰ ভিতৰত পৰে যিয়ে নেকি নিশাৰ ভাগতো কিছু পৰিমাণে অক্সিজেন প্ৰদান কৰে। এইজোপা গছে তাৰ সম্পূৰ্ণ জীৱন অক্সিজেনৰ প্ৰদান কৰাত সমৰ্পণ কৰে। আহত গছৰ তুলনাত সাধাৰণ যিকোনো গছে এবছৰত ২০০ৰ পৰা ২৬০ poundৰ লৈকেহে অক্সিজেন প্ৰদান কৰে। কিন্তু আহত গছ এজোপাই বছৰটোত ৫০০০ৰ পৰা ৬০০০ৰ pound মাত্ৰাত অক্সিজেন প্ৰদান কৰে। তথাপিও আজিৰ দিনত মানুহে বহু সংখ্যাক নগৰ অঞ্চলত গছসমূহ কাটিহে উন্নত হোৱান দেখা পাওঁ কিন্তু তাৰ বিকল্প পদক্ষেপ দেখিবলৈ পোৱা নাযায় যিয়ে আমাৰ জৈৱ বৈচিত্ৰতাক ধৰি ৰখাত অৱদান যোগাব। আৰু আহত গছৰ বৈশিষ্ট্য মাথো অক্সিজেন প্ৰদানতে সীমিত নহয়। এইজোপা গছৰ শিপাই সমূহ মাটি বহু গভীৰৰলৈকে গৈ পানী আৰু পোষক তত্ত্ববোৰ শুহি পাতৰলৈকে পঠিয়াই আৰু এই প্ৰক্ৰিয়াত আমাৰ চৌকাষৰ পৰিৱেশৰ তাপমাত্ৰা ঠাণ্ডা কৰি ৰখাত সহায় কৰে। আৰু এইজোপা গছে বায়ুত থকা ক্ষতি কাৰক বেক্টেৰীয়াসমূহক ৰোধ কৰিব পৰা ক্ষমতা থকাৰ লগতে এইজোপা গছত ঔষধীয় গুণো পোৱা যায়। যি ভাৰতৰ আয়ুৰবেদিক চিকিৎসাত পাতৰ পৰা শিপা মূল আদিলৈকে খজুৰতি, হৃদৰোগ আদিত ব্যৱহাৰ হয়। লগতে গছজোপাৰ আকৃতি বহুগুণে ডাঙৰ হোৱাত এইজোপা গছে বহুধৰণৰ আৰু প্ৰজাতিৰ জীৱ-জন্তুক খাদ্য আৰু আশ্ৰয় প্ৰদান আৰু জীয়াই থকাৰ উৎস হৈ আহিছে যিটোৱে পৰিৱেশ তন্ত্ৰক নিয়ন্ত্ৰণ কৰাত

সহায় কৰে। আমি জনাত যোৱা কেইবা বছৰত আমাৰ অজন স্তৰ পাতল হৈ আহিব ধৰিছে। যিটোৱে আমাৰ বাবে বহুত ডাঙৰ ভয়াবহতা কঢ়িয়াই আনিছে। অজন স্তৰ হৈছে পৃথিৱীৰ পৰা ১৫ৰ পৰা ১৮ কিলোমিটাৰ দূৰত অৱস্থিত এটা স্তৰ। যিয়ে সূৰ্যৰ পৰা ওলাই অহা অতি বেঙুনীয়া ৰশ্মিক পৃথিৱীলৈ অহাত বাধা প্ৰদান কৰে। আৰু এই বেঙুনীয়া ৰশ্মি জীৱ জগতৰ বাবে খুবেই ক্ষতিকাৰক। কিন্তু আহত গছৰ পৰা ওলোৱা isopren ($CH_3$) নামৰ পদাৰ্থবিধে অজন স্তৰক পুনৰ গঠন কৰাত সহায় কৰে। উক্ত উদাহৰণটি এটি তথ্যৰপৰা সংগ্ৰহ কৰা হৈছে আৰু এই সংগ্ৰহীত উদাহৰণটিৰ পৰা বুজিব পৰা যায় যে + মানৱ জীৱন আৰু পৰিৱেশ তন্ত্ৰক সুৰক্ষিত কৰি ৰখাত আমাৰ চৌকাষৰ একোজোপাকৈ গছৰ গুৰুত্ব কিমান। ইয়াৰ লগতে জানো আহক এই যান্ত্ৰিকতাৰ যুগত পৰিৱেশ তন্ত্ৰক প্লাষ্টিক আৰু মানুহৰ দ্বাৰা সুৰক্ষিত কৰি ৰখাৰ এটি উপায় যাক কোৱা হয় "শূন্য আৱৰ্জনা জীৱন" (zero waste life) আচলতে শূন্য আৱৰ্জনা এনেকুৱা এটা পদ্ধতি য'ত নেকি আমাৰ দৈনন্দিন জীৱনত শূন্য আৰ্ৱজনাৰ সৃষ্টিৰে জীয়াই থকাৰ এটা অভ্যাস য'ত পুনৰ নবীকৰণ। পুনৰ ব্যৱহাৰ, পৰিৱেশ অনুকূল সামগ্ৰীৰ গুৰুত্ব দিয়া হয়। সাধাৰণতে আমাৰ দৈনন্দিন জীৱনত ব্যৱহৃত ভিন্ন ভিন্ন কামত এজন ব্যক্তিয়ে বহু পৰিমাণে আৱৰ্জনা গোটাই আৰু আমাৰ অবহেলাত সেই আৱৰ্জনাসমূহ আমাৰ মাটি, পানী, বায়ু আমাৰ চৌকাষৰ প্ৰদূষণক সামান্য পৰিমা ণ হ'লেও ৰোধ কৰাৰ কেইটামান উপায় জানো আহক—

(১) জোখ-মাখৰ কথা (Measurement matter) আমি আমাৰ দৈনন্দিন জীৱনত ব্যৱহৃত হোৱা সামগ্ৰীৰ পৰা সৃষ্টি হোৱা আৱৰ্জনাৰ পৰিমাণ জনাটো খুবেই জৰুৰী। এনে কৰিলে আমি প্ৰদূৰ্ষণৰ ফলত সৃষ্টি হোৱা অপকাৰসমূহ কম পৰিমাণে হ'লেও ৰোধ কৰাৰ লগতে প্ৰদূৰ্ষণক নিয়ন্ত্ৰণত ৰাখিব পাৰিম।

(২) আৱৰ্জনাসমূহৰ পৃথকী কৰণ (segregate your waste) ঃ শুকান আৰু কেঁচা আৱৰ্জনাৰ পৃথকে পৃথকে সংৰক্ষণ। ইয়াৰ ফলত শুকান আৰু কেঁচা আৱৰ্জনাৰ পুনৰ ব্যৱহাৰ। পুনৰ নিৰ্মাণ আদিত সুবিধা হয় আৰু প্ৰদূৰ্ষণৰপৰা বহু পৰিমাণে পৰিত্ৰাণ পোৱাত সহায় কৰে।

(৩) অস্বীকাৰ কৰক (Refuse) ঃ বজাৰ-হাটলৈ গ'লে এবাৰ ব্যৱহৃত পৰিথিনক অস্বীকাৰ কৰক। যিয়ে প্লাষ্টিক যুক্ত পৃথিৱী গঢ়াত সহায়ক ৰূপে কাম কৰিব।

(৪) নাকাটিব (Don't snipitup) ঃ পলিথিন নেকেটসমূহ এচুকীয়া বা সৰুকৈ কটা বন্ধ কৰক। কাৰণ— নেকেটসমূহ সৰুকৈ কটাৰ ফলত ই সংৰক্ষণত অসুবিধাৰ সৃষ্টি কৰে আৰু পুনৰ নিৰ্যাতন অপ্ৰয়োজনীয় হয় পৰে আৰু মাটি প্ৰদূষণৰ মাত্ৰা বৃদ্ধি কৰে।

(৫) অধিক মাত্ৰাত ক্ৰয় (Buy Bib) ঃ আমাৰ দৈনন্দিন জীৱনত ব্যৱহাৰ হোৱা সামগ্ৰীসমূহ অধিক মাত্ৰাত থকা নেকটসমূহ ক্ৰয় কৰিব লাগে। সৰু মাত্ৰাৰ পেকেটত ক্ৰয় মানেই প্লাষ্টিকৰ আৱৰ্জনা আৰু প্ৰদূষণ।

(৬) পৰিৱেশ অনুকূল সামগ্ৰী (Eco finally product) ঃ আজিৰ দিনত আমি সদায় পৰিৱেশৰ অনুকূল সামগ্ৰী ক্ৰয় কৰাত অধিক গুৰুত্ব দিয়াটোও উচিত যেনেকৈ— প্লাষ্টিকৰ চামুচৰ সলনি কাঠৰ বা বাঁহেৰে তৈয়াৰী চামুচহে যদি ব্যৱহাৰ কৰো ইয়াৰ ফলত পৰিৱেশ তন্ত্ৰ আৰু জৈৱ বৈচিত্ৰতাক ক্ষতি নোহোৱাকৈ সুৰক্ষিত কৰাত সহায়ক ৰূপে কাম কৰিব। আৰু আমি সকলোৱে যদি নিজা নিজাকৈ শূন্য আৱৰ্জনা জীৱন যদি জীয়াব পাৰো তেতিয়া আমি শেষত প্ৰদূষণ নামৰ যুদ্ধটি জয়ী হোৱাত সফল হ'ম আৰু এখোজ স্বচ্ছতাৰ ক্ষেত্ৰত এখোজ আগবঢ়াৰ লগতে প্ৰদূষণমুক্ত পৃথিৱী গঢ়াত বৰঙনি যোগাম। ইয়াৰ লগতে মই আমাৰ মহাবিদ্যালয় অধ্যক্ষ মহোদয় ড° শশী কান্ত শইকীয়া ছাৰক অশেষ ধন্যবাদ জনাওঁ যে তেখেতে আমাৰ মহাবিদ্যালয়ত যি পৰিৱেশ অনুকুলতাক বজাই ৰখাত সক্ৰিয় পদক্ষেপ চলাই যোৱাৰ বাবে আৰু মই ভাবো ই এটা ডাঙৰ অৱদান আমাৰ জৈৱ বৈচিত্ৰতাক সুৰক্ষিত কৰি ৰখাত।●

# ছাত্ৰ সমাজত উচ্ছৃংখলতা

**বিশাল আকাশ**
স্নাতক পঞ্চম যাণ্মাসিক

এখন দেশৰ সামগ্ৰিক উন্নয়নৰ মূল চালিকা শক্তি হ'ল ছাত্ৰ সমাজ। ছাত্ৰসকল হ'ল এখন সমাজৰ ভৱিষ্যত। সম্প্ৰতি এই ছাত্ৰ শক্তিক কেন্দ্ৰ কৰি সমাজত গা কৰি উঠা প্ৰধান সমস্যা হ'ল ছাত্ৰ উচ্ছৃংখলতা যিটোৱে ভয়াবহ ৰূপ ধাৰণ কৰিছে।

ঘাইকৈ ১৪-১৫ আৰু ২৫-৩০ বছৰ বয়সৰ সীমাৰ ছাত্ৰ-ছাত্ৰীয়ে সমাজ গঠিত। পৰিৱেশ আৰু পৰিস্থিতিৰ প্ৰতিকূলতা বা অশুভ প্ৰভাৱৰ বাবে এচাম ছাত্ৰ-ছাত্ৰীয়ে আত্মনিয়ন্ত্ৰণ হেৰুৱাই পেলোৱাৰ ফলতে সৃষ্টি হৈছে ছাত্ৰ উশৃংখলতা। এই উচ্ছৃংখলতাৰ বাবে আজি মানৱ জীৱন অস্থিৰ হৈ পৰিছে। বিভিন্ন দেশৰ ছাত্ৰ সমাজত উচ্ছৃংখলতাৰ প্ৰৱণতা, নিয়ম-শৃংখলা নমনাৰ চানেকি অনেক আছে। ৰাতিপুৱা পূবত বেলি ওলাই পশ্চিমত মাৰ যায়। আকাশত মেঘ উঠিলে বতাহ ব'লে, বৰষুণ দিয়ে শৰৎ আৰু শীতৰ কুঁৱলী পৰে। এয়াই প্ৰকৃতিৰ নিয়ম।

মানৱ জীৱনতো এনেধৰণৰ নিয়ম শৃংখলাৰ প্ৰয়োজন। সমাজে সকলোৰে নিৰাপত্তা আৰু শান্তিৰ বাবে যিবোৰ নিয়ম, ৰীতি-নীতি পালনৰ যোগেদি মূল্য দি আহিছে সেইবোৰ আন্তৰিকতাৰে মানি চলিলেই সকলোৰে ৰক্ষা আৰু শান্তি। শৰীৰত যৌৱন মতলীয়া তেজৰ বলত এই নিয়মবোৰ ভংগ বা উলাই কৰা বাবে নানা বেমেজালি দুৰ্ঘটনা অকাল মৰণ বা অংগক্ষত হৈ চিৰৰুগীয়া হোৱা দুৰৱস্থা চলি আছে।

শৃংখলাবোধে মানুহৰ মনত এটা সাংস্কৃতিক শক্তিৰ সৃষ্টি কৰে মানুহৰ দেহৰ ভিতৰৰ সংঘত কৰি অধিক সবল কৰি তোলে।

বৰ্তমান সময়ত অসমত বিভিন্ন সময়ত গঢ় লৈ উঠা আন্দোলনৰ বাবেও ছাত্ৰ সমাজৰ ওপৰত কু-প্ৰভাৱ পৰিছে। তাৰ ভিতৰত ভূমিপুত্ৰসকলৰ আন্দোলন, গোষ্ঠীসংঘৰ্ষ আদিয়েও ছাত্ৰ তথা যুৱ সমাজৰ মূল্যবোধহীনতাত অৰিহণা যোগাইছে। শৃংখলা ভংগ কৰিলেই শক্তিৰ অপচয় হয়, সংঘাটৰ সৃষ্টি হয়। দুৰ্ঘটনা ঘটে, প্ৰাণ হানি পৰ্যন্ত হয়। আচলতে মূল্যবোধ আৰু সমাজ চেতনা এই দুয়োটাই সুস্থ নাগৰিক জীৱনৰ বাবে অতি প্ৰয়োজনীয়। উচিত বা অনুচিতৰ বিচাৰ, ন্যায় আৰু বিচাৰ লগতে সমাজৰ নিৰাপত্তা, শান্তি আৰু উন্নতিৰ কাৰণে আমাৰ চিন্তা, কৰ্তব্য আৰু আচৰণ কেনে হ'ব লাগে সেই বিষয়ৰ জ্ঞানকে সমাজচেতনা বুলি কয়। সমাজ চেতনা থাকিলে আমি নিজৰ অধিকাৰৰ বিষয়ে সচেতন হোৱাৰ লগতে আনকো আমি দিব লগা সন্মান, মৰ্যাদা, আৰু অধিকাৰ ভোগৰ সুবিধা দিবলৈ প্ৰস্তুত থাকিম। এয়াই আচলতে সৌজন্য বা শালীনতা। আজি ছাত্ৰ সমাজৰ একাংশই আৱেগ উতলা, উতনুৱা হৈ এই নীতি-নিয়মবোৰ মানি চলিবলৈ অমান্তি হোৱাৰ বাবেই উচ্ছৃংখলতাৰ সৃষ্টি হৈছে।

ছাত্ৰ সমাজৰ এভাগ বিপথে যোৱাৰ মূল কাৰণ হিচাপে কোনো কোনোৱেই পিতৃ-মাতৃ, অভিভাৱক, পৰিয়াল আৰু দায়িত্ব পালনত ব্যৰ্থতাৰ কথালৈ আঙুলিয়াই দিয়া দেখা যায়।

প্ৰাপ্তবয়স্ক আৰু পৌঢ় মানুহৰ মাজতো লোভ-লালসা আছে। নিজৰ ক্ষুদ্ৰ স্বাৰ্থৰ কাৰণে স্বাৰ্থ পদদলিত কৰাৰ শিক্ষাহে আমি বিদেশী চৰকাৰৰ আমোলত পালোঁ সেই শিক্ষা ব্যৱস্থা আৰৰ পদ্ধতি আমি আজিও সাবটি আছো। আচলতে, একেধৰণৰ উতনুৱা উল্লসিত দৃষ্টিয়ে আমাক আমাৰ স্থিৰ প্ৰমূল্যসমূহ আৰু শুদ্ধ আচৰণ বিধিৰ প্ৰতি অৱহেলাৰ জন্ম দিছে। ফলত আমি বালিত খোজকঢ়াৰ দৰে হৈছো।

আমাৰ দেশৰ প্ৰাচীন পৰম্পৰাত আস্তেয় অলোভ, অপৰিগ্ৰহ আদি সংযমৰ নীতিৰ কথা আছে। এইবোৰ উলাই কৰা কাৰণে সমগ্ৰ দেশৰ সমাজৰ লগতে ছাত্ৰ সমাজেও নৈতিক অধঃপতন আৰু অৱক্ষয়ৰ অভিমুখে যাত্ৰা কৰিছে।●

# বৈদিক গণিত ঃ এক প্ৰাচীন ভাৰতীয় পদ্ধতি

অৰ্ঘ্যা নাজিৰ
গণিত বিভাগ, স্নাতক দ্বিতীয় যাণ্মাসিক

পৃথিৱীত আন ঠাইত জ্ঞানৰ পোহৰ নৌপৰোতেই ভাৰতবৰ্ষত বিজ্ঞান, সাহিত্য, কলা আদিৰ চৰ্চা হৈছিল আৰু এই প্ৰতিটো দিশতে বিশিষ্ট স্থানলৈ উন্নীত কৰি বিশেষ অৱদান আগবঢ়াই গৈছিল। তাৰে এক নিদৰ্শন ৰামায়ণ, মহাভাৰত আদি বিখ্যাত গ্ৰন্থৰ জ্ঞান বিজ্ঞান তথ্য সম্বলিত কাহিনী। ইয়াৰ উপৰিও যুগ যুগ ধৰি ভাৰতত চৰ্চা হৈ অহা জ্ঞান-বিজ্ঞানৰ প্ৰতিটো শাখাৰ ভিতৰত গণিতৰ স্থান সকলোতকৈ ওপৰত। সেয়ে কোৱা হয়—

"যথা শিখা ময়ুৰাণাম্ নাগানাম্ ফায়ো যথা।
তথা বেদাংগ শাস্ত্ৰাণাম্, গণিতম্ মূৰ্ধণিস্থিতম্।।"

পাশ্চাত্য দেশবোৰত চতুদৰ্শ শতিকালৈ মাথোন বিদ্যালয়ীন শিক্ষাত যোগ-বিয়োগৰ ধাৰণাহে দিয়া হৈছিল। ভাৰতত ইয়াতকৈ বহু আগতেই সৌৰজগতৰ প্ৰতিটো গ্ৰহৰ গতি জনাৰ বাবে গণিত বিকশিত হৈছিল। দেৱ-দেৱীৰ পূজা-অৰ্চনাৰ বাবে বিভিন্ন বেদী তৈয়াৰ কৰাৰ জ্যামিতি বিকাশ হৈছিল। সঠিক দিশ নিৰ্ণয় কৰাৰ বাবে নক্ষত্ৰ মণ্ডলৰ গতি জনা বিজ্ঞান বিকশিত হৈছিল। পোহৰৰ গতি জনা বিজ্ঞান, বৃত্তৰ পৰিধি, বীজগণিত, চলন-কলন আদি বিকশিত হৈছিল। আনহাতে শূন্য আৰু দশমিক প্ৰণালী অবিহনে আজিৰ বিজ্ঞানৰ সভ্যতা মহাশূন্য। শূন্যৰ কল্পনা ভাৰতীয় মণিষীৰ আধ্যাত্মিকতা তথা অমূৰ্ত্ত অব্যক্ত বিৰাট ভগৱানৰে এক সৰল সহজ ব্যৱহাৰিক প্ৰতীক স্বৰূপ। প্ৰফেচাৰ জে.পি. হালষ্টেতে "On the foundation and Technique of Arithmetic" গ্ৰন্থত শূন্যৰ বিষয়ে লিখিছে।

দশমিক প্ৰণালী আৰু স্থানীয় মান প্ৰয়োগ গণিতৰ এক অদ্ভূত সৃষ্টি। ইয়াৰ প্ৰয়োগে গণিতৰ ক্ষেত্ৰখনৰ দুৱাৰ মুকলি কৰিলে। গণনাৰ বাবে অতি সহজ হোৱা এই পদ্ধতি আৰৱৰ বেপাৰীসকলে ভাৰতৰ পৰা শিকি লয় আৰু কালক্ৰমত ইয়াৰ প্ৰৱেশ ঘটে ইউৰোপত। আৰৱীসকলে 'হিন্দুসা' নাম দিয়া এই সংখ্যা পদ্ধতি হ'ল—'হিন্দু আৰৱীয় সংখ্যা পদ্ধতি', যি আজিৰ প্ৰচলিত দশমিক পদ্ধতি।

আৰ্যভট্টৰ 'আৰ্যভট্টীয়' আৰু ভাস্কৰাচাৰ্যৰ 'লীলাৱতী' গ্ৰন্থ ঊনবিংশ শতিকালৈ গণিতৰ পাঠ্যপুথি হিচাপে ভাৰতত আছিল। আনহাতে প্ৰাচীনকালত ছপাকাৰ্য স্থলত নথকা বাবেই বেছিভাগ গণিতৰ বিধি মুখে মুখে প্ৰচলিত আছিল। প্ৰাচীন গ্ৰন্থসমূহৰ পৰা স্বামী ভাৰতী কৃষ্ণ তীৰ্থই (১৮৮৪-১৯৬০) এই বিধিসমূহ উদ্ভাৱন কৰি ১৬ টা সূত্ৰ আৰু ১৩ টা উপ-সূত্ৰ প্ৰস্তুত কৰে আৰু 'বৈদিক গণিত' নামেৰে গ্ৰন্থ প্ৰকাশ কৰে। ইয়াৰ সহায়ত গণিতৰ সকলো শাখাৰ প্ৰশ্ন দ্ৰুতগতিত একে শাৰীতে সমাধান কৰিব পৰা যায়।

বৈদিক গণিতে অতি সহজে তথা মৌখিক আৰু অত্যাধিক গতিশীল কাৰ্যপ্ৰণালী দিয়ে কাৰণে ছাত্ৰৰ বাবে ই ৰোমাঞ্চকৰ আৰু আনন্দদায়ক হৈ পৰে। ফলত জিজ্ঞাসা থাকি যায়। লগতে নিয়মিত অভ্যাস কৰাৰ ফলত মস্তিষ্কৰ স্বতঃস্ফূৰ্ত সৰ্বাংগীণ বিকাশ হয়।

প্ৰচলিত গণিতৰ দুৰ্বোধ বিধিৰ বিপৰীতে বৈদিক গণিতৰ সহজ এই বিধিসমূহে ছাত্ৰৰ মনত উৎসাহ, আনন্দ, বিশ্বাস বঢ়ায় আৰু অনুসন্ধান প্ৰকৃতি জাগৃত কৰাৰ ফলত গণিত অধ্যয়নৰ প্ৰতি আগ্ৰহ বৃদ্ধি কৰে।

তলত বৈদিক গণিতৰ সহায়ত বৰ্গ নিৰ্ণয় কৰা কেইটামান পদ্ধতি বৰ্ণনা কৰা হ'ল—

**1. আনুৰূপেন বিধি ঃ**

এই বিধিৰ প্ৰয়োগ সাধাৰণতে 2 অংকবিশিষ্ট সংখ্যাৰ ক্ষেত্ৰত কৰা হয়। উত্তৰৰ তিনিটা ভাগ কৰা হয়। দহকৰ অংকৰ

বৰ্গ আটাইতকৈ বাওঁফালে লিখা হয়। মধ্যভাগত একক আৰু দহকৰ অংক গুণ কৰি লিখা হয়। এই সংখ্যা মধ্যভাগত দুবাৰ লিখা হয়। সোঁভাগত এককৰ অংকৰ বৰ্গ লিখা হয়।

উদাহৰণ—

(a) $19^2$

$1^2$    $1\times9$    $9^2$
     $1\times9$

---

1    $1^8$    $8^1$

উত্তৰ ঃ 361

প্ৰথম ভাগত দহক অৰ্থাৎ 1ৰ বৰ্গ 1 লিখা হয়। দ্বিতীয় ভাগত 1×9 দুবাৰ যোগ কৰা হয়। য'ত পোৱা যায় 18। তৃতীয় ভাগত 3ৰ বৰ্গ 81। উত্তৰত একক স্থানত 81ৰ এককৰ অংক 1, দহক স্থানত 81ৰ ওকলা 8 আৰু 18 যোগ কৰি পোৱা 26ৰ 6 লিখা হয়। শতক স্থানত 1ৰ লগত ওকলা 2 যোগ কৰিও পোৱাত প্ৰাপ্ত উত্তৰ 361।

(b) $41^2$

$4^2$    $4\times1$    $1^2$
     $4\times1$

---

16    8    1

উত্তৰ ঃ 1681

(c) $64^2$

$6^2$    $6\times4$    $4^2$
     $6\times4$

---

$3^6$    $4^8$    $1^6$

উত্তৰ ঃ 4096

অনুশীলনৰ বাবে—

(i) $91^2$

(ii) $37^2$

(iii) $48^2$

**2. সংকলন ব্যৱকলনভ্যাম্ সূত্ৰৰ সহায়ত বৰ্গ নিৰ্ণয় ঃ**

শূন্যান্ত সংখ্যাতকৈ 1 কম বা 1 অধিক সংখ্যাৰ বৰ্গকৰণত এই বিধি অতি উপযোগী। এই পদ্ধতিত কোনো সংখ্যাৰ বৰ্গ জ্ঞাত হ'লে বা সহজে নিৰ্ণয় কৰিব পাৰিলে, তাতকৈ 1 কম বা 1 অধিক সংখ্যাৰ বৰ্গও অতি সহজে নিৰ্ণয় কৰিব পাৰি।

উদাহৰণ—

(a) $20^2=400$ ৰ সহায়ত $19^2$আৰু $21^2$ নিৰ্ণয় কৰিব পাৰি। 19 সংখ্যাটো 20 তকৈ 1 কাম আৰু 21 সংখ্যাটো 20 তকৈ 1 অধিক।

$19^2=20^2-20-19=400-39=361$

$21^2=20^2+20+21=20^2+20+20+1=441$

অনুশীলনৰ বাবে — (i) $30^2=900$ ৰ সহায়ত 29 আৰু 31ৰ বৰ্গ নিৰ্ণয়।

(ii) $300^2=900000$ ৰ সহায়ত 299 আৰু 301 ৰ বৰ্গ নিৰ্ণয়।

**3. যাৱদুনম্ তাৱদূনীকৃত্য বৰ্গং চ যোজায়ত সূত্ৰ ঃ**

কোনো সংখ্যা, সংখ্যাটোৰ আধাৰ সংখ্যাতকৈ যিমান কম বা বেছি, সেয়া সংখ্যাটোৰ পৰা কমাই বা সংখ্যাটোৰ লগত যোগ কৰি আৰু তাৰ লগত লগ কৰি বৰ্গ নিৰ্ণয় কৰিব পাৰি। উত্তৰ বাওঁ অংশত সংখ্যাটোৰ পৰা আধাৰতকৈ কম বা বেছি সংখ্যাটো (বিচলন) বিয়োগ বা যোগ কৰা হয়। সোঁ অংশত বিচলনৰ বৰ্গ সংযোগ কৰা হয়।

উদাহৰণ—

(a) $7^2$=7-3 1 $(-3)^2$=49

ইয়াত আধাৰ =10

7 সংখ্যাটো আধাৰ সংখ্যা 10 তকৈ 3 কম। সেয়েহে বাওঁ অংশত 7ৰ পৰা 3 বিয়োগ কৰা হয়। আনহাতে, সোঁভাগত $(-3)^2=9$ লিখা হয়। আধাৰত থকা শূন্যৰ সমান সংখ্যক অংক সোঁ অংশত বহে। সেয়ে মাথো 9 বহিব।

(b) $16^2$=16+6 $16^2$ =$22_3$6=256

(c) $101^2$=101+1 1 $(01)^2$= 10201

[ইয়াত আধাৰ 100 বাবে সোঁ অংশত দুটা অংক বহিব]

(d) 1062= 106+6 1 (06)2 = 11236

(e) $97^2$=97–3 1 $(-03)^2$= 9409

অনুশীলনৰ বাবে—

(i) $98^2$

(ii) $99^2$

(iii) $105^2$

(iv) $109^2$

(v) $999^2$

# সত্য শিৱম সুন্দৰম

**জিটুপন দাস**
স্নাতক দ্বিতীয় যাণ্মাসিক, গণিত বিভাগ

"কানৈয়ান" শব্দটোৰ পোৱাৰ হেঁপাহটো পুহি ৰাখিছিলো, ২০২১-২২ মোৰ সুভাগ্য ঘটিল পৰমেশ্বক খাটনি ধৰা মনোকামনা পুৰণ হ'ল। সৌদিনা কানৈয়ান সংখ্যক বাৰ্ষিক প্ৰকাশৰ বাবে জো-যা চলাইছে বুলি জানিব পাৰি প্ৰকাশৰ্থে এটি কলম লেছেৰি কৰিলো। অনন্ত কোটি ব্ৰহ্মাণ্ডৰ পৰমাণু সদৃশতকৈ হাজাৰধিক সূক্ষ্ম দেহধাৰী জীৱই সচ্ছিদানন্দ ইচ্ছাত সনাতন সত্যৰ আধাৰত এটি কলম লিখাৰ নঙলামূৰতে, সাধীজনৰ পৰা ভুলৰ ক্ষমা আশিস বিচাৰিলো।

সনাতন সত্যই এই সত্যৰ ইচ্ছাত সৃষ্টিৰ চাৰিমুঠি ত্ৰিতপিকিলিষ্ট জীৱই চৌৰাশী লক্ষ্য মৌন ভ্ৰমি জীৱন নামৰ চক্ৰটোত অবিৰামভাৱে আহিছো গৈছো "পুনৰুপি জনম পুনৰুপি মৰনম" জীৱন সূত্ৰত... এই কথা মহাপুৰুষসকলৰ দৰ্শন আৰু সনাতন সত্যৰ গ্ৰন্থৰ আধাৰত নৰ কুল বা জীৱমাত্ৰাই তাড়নাৰ বাবে পথ সুগম কৰি গৈছে। আমি জীৱমাত্ৰাই অধীন অসত্য, জীৱন মৰীচিকা সদৃশ্য নাটঘৰত এটি ম্যাদৰ বাবে নিজ নিজ ভাও দি জীৱন লীলা নতুবা জীৱনৰ নাট সামৰণি মাৰো। কিন্তু প্ৰশ্ন হয় জিজ্ঞাসু কৰো কেতিয়াবা, পঞ্চভূতে আৰু অনু পৰমাণু সংগত এই শৰীৰটো জীৱন নাটৰ সামৰণিত ওৰ পৰে আৰু জড়তালৈ ৰূপান্তৰ হৈ। বস্তুবাদ সম্বন্ধৰ সকলোবোৰ নিমিযতে, সম্বন্ধ ছেদ। কোনটো সত্ত্বাৰ ইচ্ছাত জীৱমাত্ৰই জীৱন নাট ঘৰত আত্মীয়তাৰ সম্বন্ধ বান্ধিছিলো। সেই সত্ত্বাটোৰ মৃত্যু বা যবনিকা পৰিল নিকি? যদি পৰিল কেনেকৈ, কিন্তু জাগতিক তাড়নাত যদি ফঁহিয়াই চাও তেনে দেখা পাওঁ বা উদ্ধ মস্তিতৰ দ্বীপদীযুক্ত জীৱ শ্ৰেষ্ঠ মানুহ ৰূপী আমাৰ দৰে জীৱ ভাগৰে উদাহৰণ হলত তেন্তে দেখা পাম বা পাওঁ মানুহকে কেন্দ্ৰ কৰি চতুবিধ জীৱৰ ভূতসমূহৰ আভ্যন্তৰত উৎপন্ন হয়-ত্বক, ছাল-ৰক্ত, মাংস-মেদ, অস্থি মজ্জা-ঘ্ৰাণ, পাদ, পানী, গুহ্য, জিভা, কেশ, নখ মূৰ, সন্ধিমানাবোৰ বিভিন্ন ৰেখা কাম, ক্ৰোধ, ভয়, লজ্জা, অভিমান, হৰ্ষ সুখ-দুখ, প্ৰভৃতিৰ সমাকুল, বাত পিত্ত কাৰ্যস্বৰূপ তিনিবিধ ছিদ্ৰযুক্ত শিৰাজালেচৰ বেষ্টিত ইন্দ্ৰজালৰ দৰে বিস্ময়কৰ শুক্ৰ আৰু শুনিতৰ মাত্ৰাই ২৪ ঘণ্টাত কললাকাৰ পৰা কেন্দ্ৰ কৰি ন মাহত সম্পূৰ্ণ অবয়ক লাভ কৰা শৰীৰটো প্ৰাণ সঞ্চাৰ পূৰ্বে কৰা পৰা এই শক্তিৰ সত্ত্বা আহিল। যদি আহিল নিশ্চয় পূৰ্বতে কোনো এটা আধাৰত নিশ্চয় বিৰাজ আছিল। পূৰ্বতে বিৰাজ থকা এই শক্তি যোল্ল অনাই শৰীৰটো বিনাশ বা নষ্ট হ'লেও সেই শক্তি কোনো এটা আধাৰত নিশ্চয় অস্তিত্ব লোপ নোপোৱাকৈ থাকিব ই ধ্ৰুৱ। সনাতন সত্যৰ সংস্কৃতি আৰু দৰ্শনৰ পাঠত ইয়াৰ বিস্তৃত উল্লেখ আছে। এই জীৱ আৰু শৰীৰৰ সম্বন্ধত বিশ্বাতীত ভাৰতীয় দৰ্শনৰ আধাৰ, গীতা শাস্ত্ৰত শোক-মোহ পংকজৰ মাজত মগ্ন অৰ্জুনক সান্ত্বনা উপদেশৰ প্ৰসংগত ভাৰতীয় সংস্কৃতি পুৰুষ শ্ৰীকৃষ্ণই কৈছিল—

ন জায়তে ম্ৰিয়তে ৱা কদাচিন্
নায়াং ভুত্বা ভৰিতা ৱা ন ভূয়ঃ।
আজো নিত্যাঃ শাশ্বতোহয়ং পুৰানো
ন হন্যতে হন্যমানে শৰীৰে।।

(গীতা শ্লোক ২০)

সেই সত্ত্বাৰ অন্যতম "আত্মাৰ" নামাকৰণ। সেই শৰীৰক স্বচ্ছত কৰি তোলা আত্মাটোৰ কেতিয়াও জন্মও নাই, মৃত্যুও নাই। ইয়াৰ কেতিয়াও জন্ম হোৱা নাছিল, বৰ্তমানো জন্ম নাই আৰু ভৱিষ্যতেও জন্ম নহ'ব। এই আত্মা অজ নিত্য, চিৰস্থায়ী আৰু আদিম। শৰীৰটো নিহত হ'লেও

আত্মা নিহত নহয়।

ভাৰতীয় ইতিহাসৰ পুৰুষ। আৰু হিন্দু ধৰ্মদৰ্শনৰ অৱতাৰী, পুৰুষনামেও পৰিচিত বুদ্ধ দৰ্শনে আত্ম সত্তা অধিকাৰ কৰিলেও একপ্ৰকাৰে জন্মান্তৰবাদৰ বিশ্বাসৰে আওপকীয়াকৈ তেওঁ মতে এটা জ্বলা চাকিৰ পৰা যেনেকৈ আকৌ এটা চাকি জ্বলাব পাৰি, ঠিক তেনেকৈ এটা জীৱনৰ অৱসানে অন্য এটা জীৱনৰ সৃষ্টি কৰে।

অৱতাৰীবাদত বিশ্বাসী একেশ্বৰবাদী ধৰ্ম বুলি কোৱা খ্ৰীষ্টধৰ্ম প্ৰৱৰ্তক যীশুখ্ৰীষ্টৰ মতে—যিসকলে তোমাৰ শৰীৰ ধ্বংস কৰিব পাৰিলেও আত্মা ধ্বংস কৰিব নোৱাৰে বুলি উপদেশসূচক এই বাণীয়ে শৰীৰ আৰু আত্ম উমান পাওঁ।

ইছলামৰ পৱিত্ৰ ধৰ্মগ্ৰন্থ আল্লাৰ বাণী কোৰাণতো জগত আৰু আত্মাৰ অস্তিত্বত বিশ্বাস কৰে। কিয়নো মৃত্যুৰ পিছৰ জীৱন আৰু শেষ বিচাৰৰ দিনত আল্লাৰ সন্মুখত বিচাৰৰ কাৰণে উপস্থিত হয় কৃতকৰ্ম হিচাপ দিবলগাত পৰে জীৱবোৰে।

ইয়াৰ দ্বাৰা আমি এটা বিষয় সম্পূৰ্ণভাৱে উপলব্ধি কৰিব পাৰোহঁওক যে, জগত গুৰু শংকৰ গুৰুজনাই বৰগীত এভাগিত জ্যেষ্ঠপুত্ৰ ৰমানন্দ জন্মৰ সবৰ পায়, তেৰাৰ লেখিছিল—

"অথিৰ ধন জন জীৱন যৌৱন
অথিৰ এহু সংসাৰ।" —(বৰগীত)

এই সংসাৰ ক্ষণস্থায়ী নাটঘৰ, শৰীৰ মিছা আত্মাই স্বচ্ছত আৰু সত্য। এই সত্য সততা পৰাধীন ত্ৰিতাপক্লিষ্ট জীৱই পাহৰি অথিৰ সংসাৰৰ মায়াৰ আৱৰণত ডুব গৈ জীৱনৰ তাত্বিক-আধ্যাত্মিক আৰু আত্মউৎসগা দিশৰ গতিত ধাৱিত হোৱাৰ বিপৰীতে বস্তুবাদ বাসনাৰ লালসাত মই মোৰ শৰীৰৰে সঁচা এই ভাববোধৰে বিদ্যা নেওচি সংখ্যা বিশেষে অবিদ্যা আন্ধাৰত ডুব গৈ মানৱতা, সংস্কৃতি, স্ব-ধ্যান, ধৰ্ম, যোগ নীতি, সংখ্যা পাহৰি নিয়ন্তা দৃষ্টিত কালিমা সানিব লাগিছো যাৰ ফলশ্ৰুতিত সমগ্ৰ বিশ্বই, অপসংস্কৃতি আৰু আসুৰিক প্ৰবৃত্তিয়ে গ্ৰাস কৰিব ধৰিছে, অপসংস্কৃতি এই কবলত আমিও এই কথা অপ্ৰিয় হ'লেও স্বীকাৰ কৰিব লাগিব। এটা কথাই মনত বেছিঁকৈ আৱেগবিহ্বল কৰি তোলে প্ৰধানকৈ ভাৰতৰ বেলিকা জম্বুদ্বীৰদেৱৰ আৰু ব্ৰহ্মা বাঞ্চিত নৰতনু ভাৰতবৰ্ষত কলিযুগত জন্ম আশা আৰু অভিলাসী কিন্তু আমাৰ বেলিকা আমি মহাপূণ্যশালী, যিহেতু চৌৰাশী কোটি যৌন পিছত পৰম পিতাৰ অশেষ কৰুণাবলত ভাৰতভূমিত কলি কাল হৰিৰ নাম, সুলভ্য পিছতো কোনোবা অংশত বোধকৰোঁ ঘৃণে খাইছে। আদিম, পুৰণিক ইতিহাসৰ পাঠত সত্য ত্ৰেতা, দ্বাপৰত ভাৰতভূমিত আৱিভাব মহাপুৰুষসকলৰ গুণ-গৰিমা আৰু নিদৰ্শন অসীম। ভাৰতৰ উত্তৰ পূৰ্বত আৱিভাব হোৱা শংকৰ গুৰুজনাৰ কৃষ্ণ সংস্কৃতি বাহকৰূপে তেৰাৰ সংগী মাধৱ গুৰুজনাৰ সহিতে এক শৰণ হৰি নামধৰ্ম প্ৰতিষ্ঠা কৰি নৱ-বৈষ্ণৱ ধৰ্মক নতুন মাত্ৰৰে তেৰাৰ জীৱনৰ আহুপুৰুষাৰ্থ প্ৰচেষ্টাত কীৰ্তন, ভাগৱতনুবাদ, দশম, ৰামায়ণ ৰত্নাৱলী, নামঘোকে কেন্দ্ৰ কৰি নৰকুলৰ বাবে অমূল্য সম্পদ দি থৈ গৈছে। এই সম্পদসমূহ নীতিগত আৰু ব্যৱহাৰিক দিশত ব্যৱহাৰ কৰা বিপৰীতে সংখ্যাধিকে আমি মাংগলিক বিধি নীতি পালনৰ কাৰ্যতে ব্যৱহাৰ কৰি আহিছো যেন সূক্ষ্মতম বিবেকে অনুভৱ কৰিছো। ইয়াৰ প্ৰভাৱ বাৰুকৈ পৰা দেখা গৈছিল ভাৰতবৰ্ষত বিদেশী শাসন কালত মেকলেই প্ৰৱৰ্তন কৰা পশ্চিমীয়া শিক্ষা নীতিয়ে যিকি নহওক সময় বৰ্তমানো অতীত হোৱা নাই। বৰ্তমান সভ্যতা দিশত আঁতধৰা বিশ্বৰ প্ৰায়বোৰ দেশে প্ৰকৃত মানৱ গুণ সমৃদ্ধিৰে আগবাঢ়িব লাগিছে, বিদ্যালয়, মহাবিদ্যালয়, বিশ্ববিদ্যালয়সমূহত পুনৰ আধ্যাত্মিক পৰিৱেশ গঠনত প্ৰাধান্য দিছে, এই দিশত আমিও কাণ্ডত কাণ্ড মিলাই আগবাঢ়ি পুণ্যভাৰত গঢ়াৰ মানৱ হয়, ধন্য কৰো নৰ তনু ধন্য ধন্য কলি কাল ধন্য নৰ তনু ভাল ধন্য ধন্য ভাৰতবৰ্ষ এই পৰিৱেশৰে ধন্য কৰো ধন্য নৰ তনু।●



# উচ্চাকাংক্ষা

**লোপামুদ্ৰা দুৱৰা**
স্নাতক দ্বিতীয় যাণ্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ


প্ৰত্যেক মানুহৰ জীৱনৰ লক্ষ্য হোৱা উচিত এটা নহয় দুটা। প্ৰথমটো লক্ষ্য হ'ল নিজৰ সহজাত প্ৰতিভা আৰু অভিৰুচিৰ লগত সংগতি ৰাখি এখন কৰ্মক্ষেত্ৰ বাছি লৈ তাত কৃতকাৰ্য হ'বলৈ চেষ্টা কৰা।

দ্বিতীয়টো লক্ষ্য হ'ল নিজৰ সুকুমাৰ হৃদয় বৃত্তি আৰু নৈতিক চৰিত্ৰৰ উৎকৰ্ষ সাধন কৰি জীৱনত সুখ, শান্তি আৰু আনন্দ পাবলৈ চেষ্টা কৰা। (খণ্ড চাৰি)

অসমীয়া সাহিত্যৰ বটবৃক্ষস্বৰূপ এগৰাকী মহান সাহিত্যিক হৈছে—হোমেন বৰগোহাঁঞিদেৱ। তেখেত এনে এজন লেখক যাৰ কলমৰ সৃষ্টিয়ে প্ৰজন্মৰ পিছত প্ৰজন্মক মোহিত কৰি সাহিত্য চৰ্চাৰ প্ৰতি অধিক আকৰ্ষিত কৰাইছে। হোমেন বৰগোহাঁহিদেৱে অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰি গৈছে। এনে এজন মহান সাহিত্যিকৰ যোৱা ১২ মে' ২০২১ চনত আমাক সকলোকে অনাথ কৰি তেওঁ ইহলোক ত্যাগ কৰে আৰু অসমীয়া সাহিত্য জগতত এটা যুগৰ অৱসান ঘটে। এইগৰাকী মহান সাহিত্যিকৰ একাঁজলি শ্ৰদ্ধাৰ অৰ্ঘ আগবঢ়াই তেওঁৰ দ্বাৰা ৰচিত এখনি বহুৰচিত গ্ৰন্থ 'উচ্চকাংক্ষা'ৰ এটি পৰ্যালোচনা আগবঢ়াইছোঁ। ১৯৯৯ চনৰ নৱেম্বৰ মাহত প্ৰথম ষ্টুডেণ্টচ ষ্ট'ৰচে প্ৰকাশ কৰা 'উচ্চাকাংক্ষা' শীৰ্ষক উপন্যাসখন যদিও উপন্যাস বুলি কৈছে এইখন মূলতে হৈছে প্ৰবন্ধ সংকলন। গ্ৰন্থখনৰ নামটোতে নিহিত হৈ আছে সমগ্ৰ গ্ৰন্থখনৰ বিষয়বস্তু। উচ্চ+আকাংক্ষা অৰ্থাৎ আমি বৰ্তমান যি ভাবি আছোঁ যি কৰি আছোঁ তাতকৈ অধিক কৰিবৰ বাবে যি আকাংক্ষা কৰোঁ সেয়াই হৈছে উচ্চাকাংক্ষা। গ্ৰন্থখনৰ কলেৱৰ সৰু (৮২ পৃষ্ঠা) যদিও ইয়াৰ অন্তনিৰ্হিত ভাব যথেষ্ট গুৰু গম্ভীৰ। গ্ৰন্থখন ১১ টা পাঠত ভাগ কৰি লেখকে প্ৰথম পাঠত এখন গাঁৱৰ মজলীয়া বিদ্যালয়ৰ ন-দহ বছৰীয়া এজন ষষ্ঠ শ্ৰেণীৰ ছাত্ৰৰ পৰাই আৰম্ভ কৰিছে য'ত তেওঁৰ স্কুলীয়া দিনত হোৱা অভিজ্ঞতা আলোচনা কৰিছে। দ্বিতীয় পাঠটোত মজলীয়া বিদ্যালয়ৰ সাহিত্য বিষয়ৰ শিক্ষকজনে 'উচ্চাকাংক্ষা'ৰ অৰ্থ খুব সহজ সৰলভাৱে ভাষাৰে শিকায়। তৃতীয় পাঠত ইংৰাজ উপন্যাসিক ছাৰ ৱাল্টাৰ স্কটৰ উদ্ধৃতিৰে নিৰক্ষৰ লোকসকলো যে অজ্ঞানী নহয় সেই কথা লিখিছে। চতুৰ্থ পাঠত ছক্ৰেটিছে নিজৰ সন্তান কেনেকুৱা হোৱাটো বিচাৰিছিল আৰু আব্ৰাহাম লিংকনে ডাঙৰ ল'ৰাজনক পাঠশালাত ভৰ্তি কৰোৱাৰ সময়ত শিক্ষকলৈ লিখা সবিস্তাৰে বৰ্ণনা কৰিছে। পঞ্চম পাঠত অশেষ ধৈৰ্যৰ সহায়েৰে জীৱনত কৃতকাৰ্যতা অৰ্জন কৰা কেইজনমান মানুহ যেনে— বোপদেৱ, ডং টমাছ কুপাৰ, টমাছ কালাইল, টমাছ আলভা এডিছন, গিয়াৰ্ডিনি. অৰ্জন, উইলিয়াম কেৰীৰ সঁচা কাহিনী বৰ্ণনা কৰিছে। ষষ্ঠ পাঠত এজন হতাশাগ্ৰস্ত ডেকাই লেখকৰ ওচৰত উপদেশ বিচাৰি আহোঁতে তেখেতে ফ্ৰেমষ্টডৰ কাহিনী কৈ কিদৰে উৎসাহিত কৰিলে তাকো লিপিবদ্ধ

কৰিছে। সপ্তম পাঠত লিও টলষ্টয়, জৰ্জ ৱাশ্বিংটন, আব্ৰাহম লিংকনৰ নিচিনা মহান মনীষীসকলে কেনেদৰে শিষ্টাচাৰ মানি চলিছিল আৰু শিষ্টাচাৰ নহ'লে মানুহে জীৱনত যে উন্নতি কৰিব নোৱাৰে সেই কথা কৈছে। অষ্টম পাঠত কিতাপ পঢ়াৰ উপৰি আজৰি সময়খিনি সুচিন্তিতভাৱে কামত লগালে যে উপকৃত হ'ব পাৰিব সেই কথা কৈছে। নৱম পাঠত প্ৰতিজন মানুহৰে সমাজ তথা আন মানুহৰ প্ৰতি থকা দায়িত্বৰ কথা উদাহৰণসহ লিখিছে। দশম পাঠত জীৱ-জন্তু, গছ-গছনি, মাছ-কাছ আদি সকলো জীৱৰ কাৰণেও মানুহে কৰিবলগীয়া বহুত থাকে সেই কথা লিখিছে 'আকাংক্ষা' পাঠত প্ৰত্যেকজন মানুহে পালন কৰিবলগীয়া কৰ্তব্যৰ বিষয়ে উল্লেখ কৰিছে। যেনে—নিজৰ প্ৰতি, পৰিয়ালৰ প্ৰতি, সমাজৰ প্ৰতি আৰু প্ৰাকৃতিক পৰিৱেশৰ প্ৰতি। মানুহ হিচাপে খুঁত বিচাৰি ফুৰিলেও নিখুঁত বস্তু আমি ভালপাওঁ আৰু 'উচ্চাকাংক্ষা' গ্ৰন্থ হৈছে তেনে এক নিখুঁত গ্ৰন্থ। যিখন গ্ৰন্থত অনাৱশ্যকীয় শব্দসমূহ পৰিহাৰ কৰি সাৱলীল সুন্দৰ ভাষাত লিখিছে। আমি এটা সুস্থ সুন্দৰ জীৱন কেনেদৰে গঢ়িব পাৰো ইয়াৰ জৰিয়তে ফুটি উঠিছে। লেখকে উল্লেখ কৰিছে যে ছাত্ৰ-ছাত্ৰীসকলে জীৱনত ঢেৰ লক্ষ্য লোৱা উচিত নহয়; জীৱনত এটা স্থিৰ লক্ষ্য লোৱা উচিত আৰু সেই লক্ষ্যটোত উপনীত হ'বলৈ আমি পৰিশ্ৰম, সাধনা কৰিব লাগিব। এটা লক্ষ্যত মনোনিৱেশ কৰিলেহে আমি জীৱনত সফলতা লাভ কৰিব পাৰিম। হোমেন বৰগোহাঞিদেৱৰ এই অমূল্য গ্ৰন্থখনৰ বাৰ্তাসমূহ বিলাই দিব লাগে আৰু জীৱনটোক আৰু কেনেকৈ সুন্দৰ কৰিব পাৰি তাৰ বাবে চেষ্টা কৰিব লাগে। পৰিশেষত সকলো ভুল-ত্ৰুটি মাৰ্জনাৰে প্ৰয়াত সাহিত্যিক হোমেন বৰগোহাঞিৰ ভাষাৰে যৱনিকা পেলাব খুজিছোঁ—"কিতাপে মানুহক কুসংগ, কু-কৰ্মৰ পৰা ৰক্ষা কৰাৰ উপৰিও ই মানুহক অৱসাদৰ পৰা ৰক্ষা কৰে, কিতাপে মানুহক আনন্দ দিয়ে, শিক্ষা দিয়ে, সংগ দিয়ে। যি কিতাপে মানুহক এবাৰ কিতাপৰ নিচাই পাইছে সেই মানুহক আন কোনো নিচাই তলাব নোৱাৰে।●

...মানুহ হিচাপে খুঁত বিচাৰি ফুৰিলেও নিখুঁত বস্তু আমি ভালপাওঁ আৰু 'উচ্চাকাংক্ষা' গ্ৰন্থ হৈছে তেনে এক নিখুঁত গ্ৰন্থ। যিখন গ্ৰন্থত অনাৱশ্যকীয় শব্দসমূহ পৰিহাৰ কৰি সাৱলীল সুন্দৰ ভাষাত লিখিছে। আমি এটা সুস্থ সুন্দৰ জীৱন কেনেদৰে গঢ়িব পাৰো ইয়াৰ জৰিয়তে ফুটি উঠিছে।



# জীৱন এক নুবুজাৰ সাঁথৰ

**বৰষা ঠাকুৰ**
স্নাতক পঞ্চম ষাণ্মাসিক, অসমীয়া বিভাগ

জীৱন তিনিটা আখৰৰ সমষ্টি নহয়। জুবিন দাৰ ভাষাত ক'বলৈ গ'লে, "জীৱন জীয়াই থকাৰ এটি গান"। আহে জীৱনত এহেজাৰ এটা প্ৰত্যাহ্বান, তথাপি জানো থমকি ৰয় জীৱনৰ নিশ্চয় নহয়, আমি তেনেদৰেই আগুৱাও প্ৰত্যাহ্বান নেওচি সাফল্যৰ দিশে। জন্মত আৰু মুহূৰ্তত আমাৰ কোনো ধৰণৰ অধিকাৰ নাথাকে, কিন্তু জীৱন জীয়াই থকাৰ কালছোৱাত সম্পূৰ্ণ আমাৰ অধিকাৰ থাকে। এইবোৰ সম্পূৰ্ণৰূপে আমাৰ ব্যক্তিগত আমি কেনেদৰে কেনেদৰে জীৱনটো উপভোগ কৰো।

মাথোঁ দুখোজ আগুৱাই গৈয়ে কেতিয়াও হাৰ মানি ল'ব নালাগে, বিফল হ'লো বুলি। আৰু দুখোজ কেনেকৈ আগুৱাই যাব পাৰি সদায় সেইটো ভাবিব লাগে, তেতিয়া নিশ্চয় সাফল্যৰ মুখ দেখিব। এবাৰ বিফল হ'লো বুলিয়েই সি সফল হ'ব নোৱাৰি নেকি? জীৱনত সদায় আগুৱাই যাবলৈ চেষ্টা কৰিব লাগে, সফল হোৱাৰ দৃঢ় বিশ্বাসেৰে। মাদাৰ টেৰেছাই কিছু বাক্যত জীৱনক লৈ সুন্দৰ সুন্দৰ বাক্য আগবঢ়াইছে, তেওঁ কৈছে; "Life is Beauty Admire it.অৰ্থাৎ জীৱন মানে সৌন্দৰ্য ইয়াক প্ৰসংশা কৰা। "Life is a dream realized it, অৰ্থাৎ জীৱনটো এটা সপোন ইয়াক অনুভৱ কৰা। "Life is a challenge meet it.অৰ্থাৎ জীৱনটো এটা প্ৰত্যাহ্বান তাক সাক্ষাৎ কৰা বা সন্মুখৰ পৰা বিশ্বায়ণ কৰা।" "Life is a duty complete it অৰ্থাৎ জীৱন যে এটা দায়িত্ব ইয়াক পালন কৰা।"

সাধাৰণতে জন্ম আৰু মৃত্যুৰ মাজৰ কালছোৱাকে জীৱন বুলি কয়, জন্মৰ লগে লগে আৰম্ভ হয় এটি জীৱনৰ, শেষ নিশ্বাস থকালৈকে জীৱন থাকে। এই যে জীৱনটোত আমাৰ কৰণীয় বহুত। জীৱনটো সুখ-দুখেৰে ভৰা, জীৱন জীয়াই থকাৰ কালছোৱাত আমাৰ সংস্পৰ্শত অহা সকলো দি যায়, আমাক এক অভিজ্ঞতা। জীৱনটোক ন ৰূপত সজাবলৈ ... নতুন দৃষ্টিভংগীৰে চাবলৈ। মানুহে সদায় ভুলৰ পৰাই শিকে, ভুলবোৰে শিকায়, বুজায় বহু কথা ভুলবোৰ সদায় ভালকৈ নিবলৈ চেষ্টা কৰিব লাগে, ভুল হোৱাই সাৰি যোৱা নুবুজায়। ভুল হোৱা হৈছে শুধৰণিৰ এক পথ। আমি সাধাৰণতে মানুহবোৰে জীৱনত কিছুমান ভুল সিদ্ধান্ত লৈ পেলাও, যাৰ ফলত কিছু পৰি ৰৈও। সেই ভুলবোৰ আমি ভালকৈ নি জীৱনত আগুৱাই যাবলৈ চেষ্টা কৰিব লাগে। তেতিয়াহে জীৱনটো সুন্দৰ হৈ পৰিব। জীৱনটো সুখ-দুখৰ সমষ্টি, য'ত দুয়োটাই অন্তৰ্ভুক্ত হৈ থাকে। যদিহে জীৱনত দুখেই নাথাকে তেতিয়া জানো মানুহে সুখৰ সংজ্ঞা বুজিব? তেতিয়াহে জীৱনটো জীৱন হৈ থাকিব।●

# ছাত্ৰ জীৱন আৰু সমাজ সেৱা

**ৰাজকুমাৰ গগৈ**
প্ৰথম ষাণ্মাসিক, অৰ্থনীতি বিভাগ

জীৱনৰ আদিপাঠ যেতিয়া আৰম্ভ কৰিছিলোঁ তেতিয়া হয়তো নজনাকৈয়ে গাঁওখনৰ প্ৰাথমিক বিদ্যালয়ৰ সহপাঠীসকলৰ হৈ মাত মতাৰ স্বভাৱটো গা কৰি উঠিছিল।

সেই বাবেই ছাগে বিদ্যালয়খনৰ বিভিন্ন দায়িত্ব লাভ কৰিবলৈ সক্ষম হৈছিলো। লাহে লাহে গাঁওখনৰ সমাজ ব্যৱস্থাটোৰ প্ৰতি দায়বদ্ধ হ'বলৈ শিকিছিলোঁ। তাৰ বাবেই হয়তো গাঁৱৰ যুৱ সংঘৰ মূল দায়িত্ব লৈ গাঁৱৰ শৈক্ষিক, সামাজিক সমস্যাসমূহৰ হৈ মাত মাতিবলৈ সুবিধা পাইছিলোঁ। লাহে লাহে হয়তো তেতিয়াই সমাজ ব্যৱস্থাটো প্ৰতি আকৃষ্ট হ'বলৈ ধৰিলো।

হাইস্কুল শিক্ষা শেষ কৰি যেতিয়া কলেজীয়া শিক্ষা ল'বলৈ শদিয়াৰ একমাত্ৰ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানৰ শদিয়া মহাবিদ্যালয়ত নামভৰ্তি কৰিলোঁ তেতিয়া এটা কথা উপলব্ধি কৰিলোঁ যে ছাত্ৰ জীৱনত নিজৰ শৈক্ষিক দিশটো আগবঢ়াই নিয়াৰ উপৰিও এজন ছাত্ৰ বা ছাত্ৰীৰ অন্য এক কাম হ'ল কলেজখনৰ সমস্যা, ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক সমস্যা, অঞ্চলটোৰ সামাজিক সমস্যাসমূহৰ হৈ মাত মতা। সেই বাবেই হয়তো মোৰ হৃদয়ৰ পৰা সদৌ অসম ছাত্ৰ সন্থাৰ পৱিত্ৰ মজিয়াখন আঁকোৱালি লোৱাৰ হেঁপাহ জাগি উঠিছিল। কাৰণ এটা কথা সৰুৰে পৰাই শুনি আহিছিলোঁ যে ছাত্ৰ সন্থা নামৰ এক সংগঠনটো সদায় অন্যায়, দুৰ্নীতি, অত্যাচাৰৰ বিৰুদ্ধে মাত মাতি আহিছে সেই বাবেই হয়তো মোৰ এই আছু নামৰ সত্বাটোৰ প্ৰতি ভালপোৱাৰ ভাব জাগি উঠিছিল। মই জনা হোৱা পাছৰ পৰাই মোৰ মনত দেশভক্ত তৰুণৰাম ফুকনৰ এটা উক্তি সদায় সজীৱ হৈ আছে তেখেতে কৈছিল 'যি জন ছাত্ৰই ছাত্ৰ জীৱনত জাতীয়তাবাদ কৰা নাই সেইজন ছাত্ৰৰ ছাত্ৰ জীৱন ব্যৰ্থ।"

তেখেতৰ সেই অমৃত বাণীটো হৃদয়ৰ এচুকত লৈয়ে মই সদৌ অসম ছাত্ৰ সন্থাৰ অন্তৰ্গত শদিয়া আঞ্চলিক ছাত্ৰ সন্থাৰ এজন সদস্য হৈছিলো। তাৰ পাছতে ছাত্ৰ সন্থাৰ এজন প্ৰতিনিধি হৈ শদিয়াৰ বিভিন্ন প্ৰান্তত গৈ মানুহৰ মাজত শৈক্ষিক পৰিৱেশৰ বাতাবৰণ আনাৰ চেষ্টা কৰিছিলোঁ লগতে শদিয়াৰ দৰে এখন অতি পিছপৰা ঠাইৰ বিভিন্ন সমস্যাসমূহৰ সমাধানৰ পথ বিচাৰি মাত মাতিবলৈ কুণ্ঠাবোধ কৰা নাছিলোঁ।

যদিও মোৰ শৈক্ষিক ভৱিষ্যতৰ প্ৰতি লক্ষ্য ৰাখি মই ডিব্ৰুগড় আহিব লগা হ'ল তথাপিও আজিও মোৰ দেহত জাতীয়তাবাদী তেজৰ গোন্ধ আছে। জীৱনটো গতানুগতিক ব্যস্ততাৰে ভৰা যদিও ভৱিষ্যতৰ অনাগত দিনত এজন ছাত্ৰ হিচাপে শৈক্ষিক দিশৰ উপৰিও সমাজ অন্যান্য দিশৰ সমস্যাসমূহো সমাধান কৰিবলৈ আপ্ৰাণ চেষ্টা কৰি যাম।●

# স্নাতক কালত ছাত্ৰাবাসৰ আমেজ

**বিশাল চাহু**
পঞ্চম ষাণ্মাসিক, পৰিসংখ্যা বিভাগ
ছাত্ৰাৱাসৰ প্ৰিফেক্ট

উচ্চতৰ মাধ্যমিক পৰীক্ষা শেষ হ'ল। ফলাফলো ওলাল। এতিয়া সময় সমাজত প্ৰচলিত এটা ডিগ্ৰী অৰ্জন কৰাৰ। উজনি অসমৰ নামজ্বলা মহাবিদ্যালয় কানৈত পঢ়াৰ হেঁপাহ। তদুপৰি কলেজ হোষ্টেলৰ আৱাসী হৈ শিক্ষাগ্ৰহণ কৰাৰ ইচ্ছা। কিয়নো ছাত্ৰ জীৱনত হোষ্টেলৰ আৱাসী নহ'লে বিশেষকৈ ছাত্ৰ জীৱনটো আধৰুৱা যেন লাগে। ইচ্ছা পূৰণ হ'ল। কানৈ মহাবিদ্যালয়ৰ ডিম্বেশ্বৰ চলিহা ছাত্ৰাবাসত আৱাসীৰূপে স্থান পালো। আগতে শুনি অহাৰ ধৰণেৰেই হোষ্টেলত সোমাইয়ে জুনিয়ৰ চিনিয়ৰ পদবীবোৰ দেখিবলৈ পালোঁ। নতুনকৈ ছাত্ৰাবাসত আহি এটা কথাই মনলৈ আহিল যে, হোষ্টেলত অলপ নিজাকৈ সংযম কৰি ৰাখিব লাগিব। চিনিয়ৰৰ চকুত কিবা ভুল ধৰা পৰিলেই বিপদ আহিব পাৰে। এই অনুভৱ প্ৰত্যেকজন নতুন আৱাসীৰ মনত উদয় হোৱাটো স্বাভাৱিক। দিন বাগৰিল। ছাত্ৰাবাসৰ কিছু নীতি-নিয়ম আমাক বুজাই দিয়া হ'ল। সন্ধিয়া সময়ত প্ৰাৰ্থনা কৰিবলৈ যাওঁতে চিনিয়ৰ দাদাকেইজনে প্ৰাৰ্থনাৰ পাছত আমাক শিকাই দিয়া ধৰণেৰে নিজৰ পৰিচয় দাঙি ধৰাৰ লগতে কিছু আড্ডা হয়।

আমাৰ ছাত্ৰাবাসত বিশেষ প্ৰচলিত আছে নাচ-গান। নতুনকৈ অহা আৱাসীয়ে নাচিব নে গান গাব সোধা হ'ল। নাচিব নাজানো, গাব নাজানো ক'লে নহ'ব। কৰিবটো লাগিবই। প্ৰথমে আমিও এইবোৰ ভূগিবলৈ পাই ভাবিছিলো দাদাকেইজনে অত্যাচাৰ কৰিছে। কিন্তু নহয়, এইবোৰ আমাৰ আত্মবিশ্বাস আৰু সাহস বঢ়োৱাৰ এটা মাধ্যম। সোণ জিলিকিবলৈ জুইৰ তাপ সহিবই লাগি। লগতে ছাত্ৰাবাসত থাকি বন্ধুসকলৰ সৈতে কৰা উৎপাত, লগতে থকা ৱাৰ্ডেন ছাৰক কৰা অশান্তি, ৰাতি-কলেজৰ কেম্পাছত সমনীয়াৰ সৈতে মৰা আড্ডাবোৰ, কোনো লগৰীয়াৰ ৰূমত কিবা খোৱা বস্তু দেখিবলৈ পালেই পলকতে খাই শেষ কৰি পেলোৱা আদি সকলোবোৰ চিৰযুগমীয়া স্মৃতি হৈ জীৱনৰ সোণালী পাতত থাকি যাব। লগতে ছাত্ৰাবাসত থকা ফলস্বৰূপে গুৰুসকলৰ পৰা সততে পোৱা শিক্ষা, নিৰ্দেশনা, সঁহাৰি আদি বহুদিশে আমাক লাভান্বিত কৰিছে আৰু কৰি থাকিব।


শেষত ইমানেই কম, যি ছাত্ৰই ছাত্ৰ জীৱনত হোষ্টেল আৱাসী হ'ব পাৰিছে, নিঃচিন্তনীয়ভাৱে তেওঁলোকে জীৱনৰ যিকোনো পৰিস্থিতিৰ লগত খাপ খাব পৰাকৈ যোগ্যতা অৰ্জন কৰিছে। ছাত্ৰ জীৱনত ছাত্ৰাবাসৰ আমেজ, তাত পোৱা শিক্ষাই ছাত্ৰ এজনৰ লগত অমূল্য সম্পদৰূপে চিৰজীৱন ৰৈ যাব আৰু জীৱনৰ বাটত সহায় কৰি যাব।●

# ৰচনাৰ ওপৰত ৰচনা

**সমীৰ কিৰণ সোনোৱাল**
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

ৰচনা হ'ল সাধাৰণতে লেখক নিজা যুক্তি সন্নিৱিষ্ট এটা লেখা। ৰচনাসমূহক আনুষ্ঠানিক আৰু অনানুষ্ঠানিক হিচাপে শ্ৰেণীভুক্ত কৰা হৈছে। আনুষ্ঠানিক ৰচনাৰ বৈশিষ্ট্য হৈছে "গুৰুতৰ উদ্দেশ্য, মৰ্যাদা, যুক্তিসংগত সংগঠন আৰু দৈঘ্য"। আনহাতে অনানুষ্ঠানিক ৰচনাৰ বৈশিষ্ট্য হৈছে ব্যক্তিগত উপাদান (যেনেঃ আত্মপ্ৰকাশ, ব্যক্তিগত ৰুচি আৰু অভিজ্ঞতা, (গোপনীয়তা), হাস্যৰস, ৰূপৰেখা, বিষয়বস্তুৰ অগতানুগতিকতা বা নতুনত্ব" ইত্যাদি।


সাহিত্য সমালোচনা, ৰাজনৈতিক ইস্তাহাৰ, শিকি অহা যুক্তি, দৈনন্দিন জীৱনৰ পৰ্যবেক্ষণ, স্মৃতি, লেখকৰ প্ৰতিফলন আদিত ৰচনা সাধাৰণতে ব্যৱহাৰ কৰা হয়। প্ৰায় সকলো আধুনিক ৰচনা গদ্যত লিখা হয়। কিন্তু পদ্যত লিখা ৰচনাবোৰকো Dubbed Essay বুলি গ্ৰহণ কৰা হৈছে




(যেনেঃ আলেকজেণ্ডাৰ পোপৰ "এছ্ছই অন ক্ৰিটিচিজম" আৰু "এন এছেই অন মেন")। সংক্ষিপ্ততাই সাধাৰণতে ৰচনা সংজ্ঞা দিলেও জন লকৰ "এন এছেই কনচাৰ্নিং হিউমেন আণ্ডৰষ্টেণ্ডিং "আৰু থমাছ মালথাছৰ 'এন এছেই অন দ্যা প্ৰিন্সিপাল অব পপুলেচনৰ দৰে ডাঙৰ ডাঙৰ গ্ৰন্থবোৰ ইয়াৰ বিপৰীত উদাহৰণ।

কিছুমান দেশত যেনে— আমেৰিকা আৰু কানাড়া)ত ৰচনা অনানুষ্ঠানিক শিক্ষাৰ এটা প্ৰধান অংশ হৈ পৰিছে। ছাত্ৰ-ছাত্ৰীসকলক তেওঁলোকৰ লিখাৰ দক্ষতা বৃদ্ধিৰ বাবে গঠনমূলক ৰচনাৰ আৰ্হি শিকোৱা হয়। নামভৰ্তিৰ ৰচনা বিশ্ববিদ্যালয়সমূহে আৱেদনকাৰী নিৰ্বাচনতে প্ৰায়ে ব্যৱহাৰ কৰে, আৰু মানৱীয় আৰু সমাজ বিজ্ঞানত ৰচনা প্ৰায়ে চূড়ান্ত পৰীক্ষাৰ সময়ত ছাত্ৰ-ছাত্ৰীৰ প্ৰদৰ্শনৰ মূল্যায়ণৰ উপায় হিচাপে ব্যৱহাৰ কৰা হয়। ৰচনা ধাৰণাতো লিখা বাহিৰেও আন মাধ্যমলেও সম্প্ৰসাৰিত কৰা হৈছে। চলচিত্ৰ ৰচনা হৈছে এনে এখন চলচিত্ৰ যিয়ে প্ৰায়ে তথ্যচিত্ৰ নিৰ্মাণৰ শৈলিক সামৰি লয় আৰু (কোনো বিষয়বস্তু বা ধাৰণা এটাৰ বিৱৰ্তনৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰে। ফটোগ্ৰাফিক ৰচনা এখনত এটা বিষয় হিচাপে সামৰি লোৱা হয় আৰু ইয়াৰ লগত সংলগ্ন লিখনি বা কেপচন থাকিব পাৰে।

ৰচনা শব্দটো ফৰাচী অব্যৱহৃত ৰচনাকাৰৰ পৰা আহিছে, যাৰ অৰ্থ "চেষ্টা কৰা" বা "প্ৰচেষ্টা কৰা"। ইংৰাজী ৰচনাৰ প্ৰথম অৰ্থ আছিল "এটা পৰীক্ষা বা" এটা প্ৰচেষ্টা" আৰু এইটো এতিয়াও এটা বিকল্প অৰ্থ। ফৰাচী মিচেল ডি মণ্টেইনে (১৫৩৩-১৫৯৩) তেওঁৰ ৰচনাক ৰচনা হিচাপে বৰ্ণনা কৰা প্ৰথমজন লেখক আছিল। তেওঁ এই শব্দটো ব্যৱহাৰ কৰি এইবোৰক নিজৰ চিন্তাক লিখিত ৰূপ দিয়াৰ





প্ৰচেষ্টা হিচাপে বৰ্ণনা কৰিছিল। পৰৱৰ্তী সময়ত ৰচনা সংজ্ঞা বিভিন্ন ধৰণেৰে কৰা হৈছে। ইয়াৰে এটা সংজ্ঞা হ'ল "আলোচনাৰ কেন্দ্ৰীভূত বিষয়ৰ সৈতে গদ্য ৰচনা" বা "দীঘলীয়া পদ্ধতিগত বক্তৃতা। ৰচনা কি ধাৰাত পৰে তাৰ সংজ্ঞা নিৰূপণ কৰাটো কঠিন। এলডাছ হাক্সলি নামৰ এজন আগশাৰীৰ ৰচনাকাৰে এই বিষয়ে নিৰ্দেশনা দিয়ে। তেওঁ উল্লেখ কৰে যি ৰচনাখন প্ৰায় যিকোনো বস্তুৰ বিষয়ে প্ৰায় সকলো কথা কোৱাৰ বাবে এক সাহিত্যিক যন্ত্ৰ, আৰু লগতে কয় যে, পৰম্পৰা অনুসৰি, প্ৰায় সংজ্ঞা অনুসৰি ৰচনাখন এটা সংক্ষিপ্ত টোকোৰা। তদুপৰি হাক্সলিয়ে যুক্তি আগবঢ়াই যে ৰচনাসমূহ এনে এটা সাহিত্যিক প্ৰজাতিৰ অন্তৰ্গত যাৰ চৰম পৰিৱৰ্তনশীলতাক তিনিটা মেৰুৰ ৰেফাৰেন্স ফ্ৰেমৰ ভিতৰত অতি ফলপ্ৰসূভাৱে অধ্যয়ন কৰিব পাৰি। এই তিনিটা মেৰু বা ৰচনাখনৰ অস্তিত্ব থাকিব পৰা জগত হ'ল—

**ব্যক্তিগত আৰু আত্মজীৱনীমূলক ঃ** এই মেৰুটোত আটাইতকৈ আৰামদায়ক অনুভৱ কৰা ৰচনাকাৰসকলে "প্ৰতিফলিত আত্মজীৱনীৰ খণ্ডবোৰ আৰু উপাখ্যান আৰু বৰ্ণনাৰ মূল ছিদ্ৰৰে পৃথিৱীখন চায়"।

**উদ্দেশধৰ্মী, বাস্তৱিক ঃ** এই মেৰুৰ পৰা লিখা ৰচনাকাৰসকলে "নিজৰ বিষয়ে প্ৰত্যক্ষভাৱে নকয়, কিন্তু কোনো সাহিত্যিক বা বৈজ্ঞানিক বা ৰাজনৈতিক বিষয়বস্তুৰ প্ৰতি নিজৰ মনোযোগ বাহিৰলৈ ঘূৰাই দিয়ে, আৰু প্ৰাসংগিক তথ্যৰপৰা সাধাৰণ সিদ্ধান্ত লোৱা হয়।

**বিমূৰ্ত সাৰ্বজনীন ঃ** এই মেৰুটোত আমি সেই ৰচনাকাৰক বিচাৰি পাওঁ যিয়ে উচ্চ বিমূৰ্ততাৰ জগতখনত নিজৰ কাম কৰে, যিসকলে কেতিয়াও ব্যক্তিগত নহয় আৰু যিসকলে অভিজ্ঞতাৰ বিশেষ তথ্যৰ কথা খুব কমেইহে উল্লেখ কৰে।

হাক্সলীয়ে লগতে কয় যে, "আটাইতকৈ সন্তুষ্টিদায়ক ৰচনাসমূহে এটা-দুটা নহয়, ৰচনাখনৰ অস্তিত্ব সম্ভৱপৰ তিনিওখন জগতৰে সৰ্বোত্তম ব্যৱহাৰ কৰে।"●


CASSELL'S NATIONAL LIBRARY.

AN
ESSAY ON MAN.

MORAL ESSAYS AND SATIRES.

BY
ALEXANDER POPE.

CASSELL & COMPANY, LIMITED:
LONDON, PARIS & MELBOURNE.

# কানৈ গ্ৰীণ ক্লাব, পৰিৱেশ আন্দোলন আৰু অধ্যক্ষ মহোদয়

গৌতম চেতিয়া
পঞ্চম ষাণ্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ

কৰ্মসূৰ্য ড° শশীকান্ত শইকীয়া ছাৰৰ নেতৃত্বত এদল দুৰন্ত সৈনিক কানৈ গ্ৰীণ ক্লাব।

সন্মানীয় অধ্যক্ষ মহোদয়ৰ আহ্বানত ২০১৫ চনৰ জুন মাহতে গঢ় লৈ উঠিছিল "কানৈৰ সেউজ সংঘ" (গ্ৰীণ ক্লাব)। উল্লেখনীয় যে মহাবিদ্যালয়ত চতুৰ্থ বৰ্গৰ স্থায়ী (চৰকাৰী) কৰ্মচাৰী নাই বুলিবই পাৰি। অধ্যক্ষ মহোদয়ৰ প্ৰতি থকা আন্তৰিকতা শ্ৰদ্ধা আৰু মহাবিদ্যালয়খনৰ প্ৰতি থকা দায়বদ্ধতাই মহাবিদ্যালয়ৰ চৌহদত বাস কৰা প্ৰতিজন দায়বদ্ধ কৰ্মচাৰী লগতে কানৈৰ ডিম্বেশ্বৰ চলিহা ছাত্ৰাবাস আৰু ছাত্ৰীনিৰ্বাসৰ আৱাসী শুভাকাংক্ষীসকলক প্ৰতিদিনে পুৱা ৫ বজাত কানৈ বাকৰিত একত্ৰিত কৰিলে আৰু আজিকোপটি ২০১৫ চনৰ জুন মাহৰ সেই বিশেষ দিনটোৰ পৰা এই ধাৰা অব্যাহত আছে। এই গ্ৰীণ ক্লাবেই মহাবিদ্যালয়খন আটকধুনীয়া কৰি ৰাখিছে। ২০১৫ চনৰ পৰা ২০২২ চনলৈ ধাৰাবাহিকভাৱে মহাবিদ্যালয়ৰ স্বচ্ছতাৰ লগতে পৰিৱেশ সেউজীয়াকৰণৰ দিশটোক এনেদৰে সু-সংগঠিত ৰূপত আগুৱাই নিয়া হৈছে যাৰ ফলত কানৈ মহাবিদ্যালয়ৰ প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ মাজত চাফ-চিকুণ পৰিষ্কাৰ-পৰিচ্ছন্নতা আদি মনোভাব শিপাবলৈ লৈছে।

এই সেউজ পৰিৱেশে মহাবিদ্যালয়ৰ শৈক্ষিক পৰিৱেশক সোণত সুৱগা চৰাইছে। কঠোৰ শীত গ্ৰীষ্ম, ৰ'দ বৰষুণ, উৎসৱ-পাৰ্বন সকলো নেওচি পুৱা ৪ বজাতেই মহাবিদ্যালয়ৰ চৌহদৰ প্ৰতিজন দায়বদ্ধ কৰ্মচাৰীয়ে ঢাৰি-পাতি এৰে আৰু পাঁচ বজাত হাতত ঝাড়ু ৰং আদি সৰঞ্জাম লৈ সাজু হয়। ঠিক সমানেই ছাত্ৰাবাস, ছাত্ৰীনিবাসতো আগদিনাই প্ৰাৰ্থনা সভাত ঠিক কৰি দিয়া অনুসৰি নিৰ্দিষ্ট আৱাসী সকলো পাঁচ বজাতে হাতত ঝাড়ুলৈ উপস্থিত হয়হি। সকলোৱে আগ্ৰহেৰে বাট চায় অধ্যক্ষ মহোদয়লৈ ঠিক পাঁচ বজাৰ আশে পাশেই মুখত এমোকোৰা হাঁহি লৈ মহাবিদ্যালয়ত উপস্থিত হয়হি অধ্যক্ষ মহোদয়। কেতিয়াবা কেতিয়াবা কিন্তু ছাৰে উগ্ৰ ৰূপো লয়, কিন্তু তাৰ মাজতো লুকাই থাকে ছাৰৰ কৰ্মচাৰীসকলৰ প্ৰতি থকা ছাত্ৰাবাস-ছাত্ৰীনিবাসৰ আৱাসীসকলৰ প্ৰতি থকা নিভাঁজ মৰম, আন্তৰিকতাবোৰ। উল্লেখনীয় যে, আৰম্ভণীৰে পৰা আজিকোপতি অধ্যক্ষ মহোদয়ৰ অনুপস্থিতি খুউব আঙুলীমূৰত লেখিব পৰাকৈহে হৈছে। খুউব টানত নতুবা কৰ্মসূত্ৰে দূৰণীবটীয়া স্থানলৈ গ'লেহে তেখেতৰ অনুপস্থিতি হয়। সেই দিনকেইটাতো কিন্তু দায়বদ্ধ কৰ্মচাৰীসকলে এই সেউজ সংগ্ৰাম অব্যাহত ৰাখে।

গ্ৰীণ ক্লাবে কি কি কৰে? হাতত ঝাড়ু, টুকুৰি, খন্তি, কেঁচি, ঠেলা ঘাঁহ কটা মেচিন প্ৰয়োজনত কোৰ, দা, মৈ, ৰং, স্প্ৰে, কেতিয়াবা টুলুঙা নাৱত। মহাবিদ্যালয়খনৰ চৌহদকে ধৰি ছাত্ৰ প্ৰসাৰগাৰ, ছাত্ৰীৰ লগতে শিক্ষক-শিক্ষয়িত্ৰী জীৰণী কোঠাৰ প্ৰসাৰগাৰ চাফ-চিকুন কৰা, ডাষ্টবিনসমূহ চাফা কৰা মহাবিদ্যালয়ৰ চৌহদৰ ফল-ফুল আদি গছ-গছনি ৰোপন কৰা লগতে প্ৰতিপালন কৰা মহাবিদ্যালয়ৰ চৌহদ নতুবা শ্ৰেণীকক্ষ, প্ৰেক্ষাগৃহ আদিত বিশৃংখলভাৱে থকা (বেঞ্চডেস্ক চকী আদি শৃংখলাবদ্ধভাৱে নিজ নিজ স্থানত ৰখা দিনৰ ভাগত ছাত্ৰ-ছাত্ৰী নতুবা অন্য লোকে পেলাই যোৱা বিভিন্ন পেকেটসমূহৰ লগতে নিষিদ্ধ যদিও লুকাই চুৰকৈ পেলোৱা গুটকা-তামোলৰ পিক্ আদি চাফা কৰি প্ৰতিদিনে প্ৰায় ৩৫০০ ৰো অধিক ছাত্ৰ-ছাত্ৰীক এক সেউজ, নিকা পৰিৱেশ, শুদ্ধ বায়ু প্ৰদান কৰে।

বোধকৰো পৃথিৱী যিকোনো প্ৰান্ততে এনে স্বেচ্ছাসেৱকৰ কৰ্মৰ উদাহৰণ বিৰল। এই সেউজ, স্বচ্চ আন্দোলনৰ এজন সক্ৰিয় আৰু কনিষ্ঠ, ছাত্ৰ সদস্য হ'বলৈ পাই আমি গৌৰৱান্বিত আৰু সৌভাগ্যৱান। মুঢ়ানি আমগুৰি এখন সৰু গাঁৱত মোৰ জন্ম, জীৱনৰ আদিপাঠ গাঁৱতে লৈ

উচ্চতৰ মাধ্যমিক পৰীক্ষা চাবুৱাৰ ডি.ডি.আৰ. মহাবিদ্যালয়ৰ পৰা উত্তীৰ্ণ হ'লো। উচ্চ শিক্ষাৰ বাবে ডিব্ৰুগড় নগৰীৰ সেই বিশাল ঐতিহাসিক ভৱনৰ দুৱাৰ টুকুৰিয়ালোহি। ২০২০ বৰ্ষৰ ২১ ছেপ্তেম্বৰ তাৰিখে মহাৰজত বৰ্ষ গৰকা সেই সদ্যব্যস্ত কেশৱ চন্দ্ৰ গগৈ পথৰ কাষচ সগৌৰৱে মূৰ দাঙি দেশত বৃটিছৰাজৰ সাক্ষী, স্বাধীনতা, দেশৰ বিভাজন সাক্ষী, অসমৰ জুইয়ে পোৰা তিৰাশীৰ, বৰভূঁইকম্পৰ সাক্ষী ঐতিহাসিক তাহানিৰ "ডিব্ৰুগড় মহাবিদ্যালয় আজিৰ ডিব্ৰুগড় হনুমানবক্স সুৰজময় কানৈ মহাবিদ্যালয়ত ভৰি দিলোহি। ১০ নৱেম্বৰ, ২০২০ তাৰিখে মহাবিদ্যালয়ৰ একমাত্ৰ ছাত্ৰবাস তাহানিৰ 'নতুন ছাত্ৰাবাস' আজিৰ ডিম্বেশ্বৰ চলিহা ছাত্ৰাবাসত আৱাসী হিচাপে নতুন পৰিচয় লাভ কৰো। সেই দিন ধৰি পৰীক্ষাৰ সময়ছোৰা নতুবা স্ব-গৃহলৈ গলে নতুবা কোনো অসুখ-বিসুখ হ'লে সেইদিন এৰি আজিলৈ পুৰা পাঁচ বজাত গ্ৰীণ ক্লাৱৰ এজন হৈ সামান্য সেৱা আগবঢ়াই আহিছো। এই সেৱাৰ প্ৰতি শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়ৰ সঁহাৰি অতি ইতিবাচক, যিয়ে মোক লগতে ছাত্ৰাবাস-ছাত্ৰীনিবাসৰ আৱাসীসকলক অনুপ্ৰেৰণা যোগায়।

গৌৰৱময় ৭৭ বৰ্ষ সোণালী ইতিহাসেৰে সমৃদ্ধ ঐতিহ্যমণ্ডিত ডি.এইচ এচ কানৈ মহাবিদ্যালয়ে সম্প্ৰতি 'গ্ৰীণ অডিটেড কলেজ', 'স্বচ্ছতাৰ কলেজ', 'শ্ৰেষ্ঠ শৃংখলাবদ্ধ কলেজ', 'অসমৰ পৰিষ্কাৰ মহাবিদ্যালয়' নামেৰে সুনাম আৰ্জিছে। ডি এইচ. এচ কানৈ মহাবিদ্যালয়ে কেন্দ্ৰীয় চৰকাৰৰ খোৱাপানী আৰু স্বচ্ছতা মন্ত্ৰণালয় তৰফৰপৰা দেশৰ ভিতৰত স্বচ্ছতাৰ দ্বিতীয় 'ৰাষ্ট্ৰীয় স্বচ্ছ ভাৰত পুৰস্কাৰ ২০১৭', ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱ ২০২০ আৰু ২০২২ বৰ্ষত দুবাৰকৈ শ্ৰেষ্ঠ শৃংখলাবদ্ধ মহাবিদ্যালয়'ৰ সন্মান ডিব্ৰুগড় জিলা প্ৰশাসনৰ তৰফৰ পৰা ২০১৮ চনত ডিব্ৰুগড় স্বচ্ছতা পুৰস্কাৰ, ডিব্ৰুগড় নাগৰিক মঞ্চৰ তৰফৰ পৰা ২০২২ চনত 'অসম পৰিষ্কাৰ মহাবিদ্যালয়'ৰ সন্মান নেহৰু যুৱ কেন্দ্ৰ ডিব্ৰুগড় শাখাৰ তৰফৰ পৰা মহাবিদ্যালয়খনক স্বচ্ছতাৰ সন্মান প্ৰদান গুণগত শিক্ষা প্ৰদান কৰাৰ ISO-9001:2015 প্ৰমাণ পত্ৰ লাভ কৰিছে।

কৰ্মসূৰ্য ড° শশীকান্ত শইকীয়া মহোদয়ৰ প্ৰত্যক্ষ নেতৃত্বত গ্ৰীন ক্লাৱৰ আন আন সদস্যসকল হ'ল, দেবাৰু ভূএগ্ৰা, ৰঞ্জিৎ বৈৰাগী, অনুপম দত্ত, নিতুল দত্ত, কৃষ্ণকান্ত পাৰ, চন্দ্ৰ সন্দিকৈ, সঞ্জয় বৈশ্য, মনোজ শৰ্মা, দীপজ্যোতি ফুকন, চন্দেশ্বৰ দত্ত, হেমন্ত দাস, পূৰ্ণেশ্বৰ দাস, জ্যোতি চেতিয়া, পুতলী বৰা, খগেন ফুকন, বনজিৎ ডেকা, অনিল সিংহ, গৌতম চেতিয়া, (ৰেল বিষয়া অনুপম মহন্ত প্ৰাক্তন ছাত্ৰ দিলীপ সিং লগতে ডিম্বেশ্বৰ চলিহা ছাত্ৰাবাস আৰু ছাত্ৰীনিবাসৰ আৱাসীসকল।

গ্ৰীণ ক্লাৱৰ উদ্যোগতে মহাবিদ্যালয়ৰ চৌহদত নানান ফল-ফুলৰ গছ-গছনি ৰোপন তথা প্ৰতিপালন কৰাৰ লগতে মহাবিদ্যালয়ৰ চৌহদৰ পুখুৰীত মীন পালন আৰু হাঁহ পালন কৰি স্বাৱলম্বীতা এক আদৰ্শ দেখুৱাইছে আমাৰ নৱপ্ৰজন্মৰ বাবে এক আদৰ্শ তথা নিবনুৱাসকলৰ অনুপ্ৰেৰণাৰ উৎস হৈ ৰ'ব।

কানৈৰ গ্ৰীণ ক্লাৱৰ কৰ্মৰাজীৰ সম্পৰ্কে ডি.এইচ. এচ. কলেজ গ্ৰীণ কেম্পাছ আৰু উদ্ভিদ বিজ্ঞান বিভাগৰ উদ্যোগত 'Handbook on plant species Diversity of DHSK College' শীৰ্ষক দুখনকৈ গ্ৰন্থ প্ৰকাশ পাইছে। যিয়ে গ্ৰীণ ক্লাৱৰ কৰ্মৰাজীক এক অনন্য স্বীকৃতি প্ৰদান কৰিছে।

কিন্তু, এনে অনুভৱ হয় যে গ্ৰীণ ক্লাৱ আৰু মহাবিদ্যালয়লৈ ইয়াৰ ত্যাগ আজিও উপেক্ষিত হৈ আছে। গ্ৰীণ ক্লাৱে যিদৰে সঁহাৰি পাব লাগিছিল আজিও যেন বঞ্চিত হৈ আহিছে এনে অনুমান হয়। কেৱল অধ্যক্ষ মহোদয়ে ক্লাৱক অভিভাৱকৰ দৰে পালন কৰি আহিছে। মহাবিদ্যালয়ৰ সন্মানীয় অধ্যাপক-অধ্যাপিকা, প্ৰাক্তন ছাত্ৰ তথা শুভাকাংক্ষী ৰাইজলৈ এটি বিনম্ৰ অনুৰোধ যেন সকলোৱে গ্ৰীণ ক্লাৱক সহযোগ কৰক, আৰ্থিকভাৱে সহায় কৰি অনুপ্ৰেৰণা আজি উৎসাহ যোগাওক।


গ্ৰীণ ক্লাৱ কেৱল চাফাই বৃক্ষৰোপনও প্ৰতিপালন আদিতে আবদ্ধ থকা নাই প্ৰতি বছৰে প্ৰকৃতিৰ হকে কাম কৰি আহা সমাজৰ একোজন প্ৰকৃতিবিদক "ডিম্বেশ্বৰ চলিহা স্মাৰক গ্ৰীণ ক্লাৱ বঁটা" প্ৰদান কৰি আহিছে। ই প্ৰকৃতিবিদসকলক কিছু হ'লেও উৎসাহ প্ৰেৰণা যোগাব বুলি আশা কৰা হৈছে।

কানৈ গ্ৰীণ ক্লাৱ আৰু ইয়াৰ কৰ্মৰাজীয়ে "সুস্থ পৰিৱেশত হে সুস্থ মনে বিৰাজ কৰে" উক্ত কথাযাৰ প্ৰতিপন্ন কৰিছে।

জয়তু কানৈ গ্ৰীণ ক্লাৱ।
জয়তু ডিম্বেশ্বৰ চলিহা ছাত্ৰাবাস।
জয়তু ডিব্ৰুগড় হনুমান বক্স সুৰজমল কানৈ মহাবিদ্যালয়।।

# সময়

অনিশা দিহিঙীয়া
দ্বাদশ শ্ৰেণী



নিৰবিচ্ছিন্ন গীতময় প্ৰৱহমান বোৱতী নৈখনেই হৈছে সময়। কাৰো মাত কথা কাকূতি বিননি আদেশ শুনিবৰ ইচ্ছা নাই এই বোৱতী নৈখনিৰ। ঘড়ীৰ বাৰটাঘৰত ঘূৰি থকা কাঁটাকেইডালে তাৰেই উমান দি যায় যেন ষ্টেচনবিহীন এক নিৰ্ভীক নিস্তব্ধ ৰেলগাড়ী চলি আছে। যাৰ কোনো ৰৈ যোৱাৰ অৱকাশ নাই নিতৌ দিন গৈছে ৰাতি আহিছে। কোনো জন্ম হৈছে কোনো হেৰাই গৈছে এনেকৈয়ে দৈনন্দিন চলি আছে এক ৰুটিন। আমি সকলোৱেই সময়ৰ দাস।

মই এদিন জন্ম হৈছিলো আৰু এদিন যে এই সংসাৰ ত্যাগ কৰিব লাগিব ই এক চিৰসত্য কথা। মায়াময় সংসাৰৰ মাথোঁ কেইটামান দিনহে মোক সময়ে দিব। সেইকেইটা দিনতেই মই সকলো কাম সমাধা কৰিব লাগিব। সেয়েহে কৰিব লাগিব প্ৰতিটো সময়ৰ প্ৰতিটো কাম, ৰাখি যাব লাগিব আদৰ্শৰ চানেকি অনাগত দিনবোৰ সময়ৰ সোঁতত আহিবলগা যাতে উপকৃত হয়। মানুহ জন্ম হয় আৰু মৃত্যু হৈ মাটিৰ লগত বিলীন হৈ পৰে, কিন্তু থৈ যোৱা যশস্যাখিনিয়ে উঠি অহা প্ৰতিটো প্ৰজন্ম মাজত নিতৌ চামিল হৈ থাকে

ধূলিয়ে বালিয়ে বাল্য কালটি যোৱাৰ পাছত আৰম্ভ হয় স্কুলীয়া জীৱনতো। মাথো দহোটা বছৰতেই আমি ভৱিষ্যত জীৱনটো কেনেকৈ পাৰ কৰাম সঠিক ৰূপত গঢ়ি তুলিব পাৰো। প্ৰথমে শ্ৰেণীত ভৰি দিয়েই আমাৰ জীৱনৰ শিক্ষাও জ্ঞানৰ পোহৰখিনি পাতনি মেলো। এই দহোটা বছৰ যদি আমি ভালকৈ শিক্ষা গ্ৰহণ নকৰোঁ তেন্তে আমাৰ জীৱনটো বেয়াৰ ফালে ঢাল খাই পৰিব সময়হ সোঁতত আৰু সময় থাকোতেই আমি সকলোখিনি কৰিব লগে দহোটা বছৰৰ প্ৰতিটো বছৰেই সমান মূল্যৱান। প্ৰতিটো বছৰত আমি নতুন নতুন কথা শিকিবলৈ পাওঁ। ভৱিষ্যতে নাপাব লগা শিক্ষা আৰু জ্ঞানখিনি দহোটা বছৰৰ প্ৰতিটো বছৰতেই আমি ভালদৰে গ্ৰহণ কৰিব লাগে। আৰু মানৱ সম্পদ ৰূপে নিজকে গঢ়ি তুলিব লাগে যি ছাত্ৰ-ছাত্ৰীয়ে সময়ৰ শৰ সময়ত মাৰিব পাৰে অৰ্থাৎ প্ৰতিটো সময়ত পাব লগা

...এয়াই হ'ল সময়। সকলো শেষ
হৈ গ'লেও সময় বৈয়েই থাকিব।
জোন-বেলি নিতৌ ওলাব আৰু
সময়ে তাক আহ্বান কৰিয়েই
থাকিব। নতুন নতুন গ্ৰহ, নক্ষত্ৰ
ওলায়ে থাকিব সময়ৰ বুকুত
আহিবই লাগিব। আমি এই অহা
সময়ৰ সদ্ ব্যৱহাৰ কৰিব লাগে।
হে সময় তুমি নালাগে থাকিব।
কিন্তু আমালৈও চকু মেলি চোৱা,
আমাকো ভাল অসম অলপ দিয়া।
কি জানিবা কৰিব পাৰোঁ বিশ্বক
জয়। দিয়া আমাকো ভাল সময়।

শিক্ষা আৰু জ্ঞানখিনি সময়তেই আহৰণ কৰে তেনে ছাত্ৰ-ছাত্ৰীৰ জীৱনটো হৈ পৰে সোণালী জীৱন আৰু যি আওকাণ কৰে তেওঁৰ জীৱনটোলৈ অমাৱস্যা নামি আহে, প্ৰতিটো ভৱিষ্যতৰ দিন হৈ পৰে অন্ধকাৰময় আমি স্কুলীয়া ছাত্ৰ-ছাত্ৰীয়ে এই দহোটা বছৰযে অকল পঢ়ি ভাল মান পত্ৰ এখন ল'ব লাগে এনে নহয় সময়ে আমাক বান্ধি ৰাখিছে যে এই সময়ছোৱাতেই আমি মানুহ স্বৰূপে কৰিব লগা সকলো কামেই কৰিব লাগে। সময়ে আমাক ইমান কম সময় দিছে যে প্ৰতিটো মুহূৰ্তই ইমানেই মূল্যৱান তাক হেৰুৱাই যোৱাৰ পাছতহে মূল্য নিৰূপিত হয়। আমি ভালকৈ খোৱা-বোৱা, পিন্ধা-উৰা, ফুৰা-চকা, খেলা-ধূলা, গান-বাজনা, দূৰদৰ্শন চোৱা শিক্ষা জ্ঞান একোটা সময়তেই সকলো কৰিব লাগে। সময়ৰ এনাজৰীডালে আমাক এনেদৰে বান্ধি ৰাখিছে যে সকলো ফালে দিশতে পাৰ্গত হৈ উঠিবই লাগিব। বৰ্তমানৰ প্ৰতিযোগিতামূলক পৃথিৱীখনত সকলো দিশতে সমানে আগবাঢ়িলে নিজৰ হেৰুৱাই পেলোৱাৰ উপক্ৰম হয়। মন, শৰীৰ সুস্থ কৰি তুলিবলৈ প্ৰতিটো সময়কে সদ্ব্যৱহাৰ কৰিবই লাগিব।

অকল শিক্ষা ল'লেই নহ'ব সমানে জ্ঞান আহৰণ কৰিব লাগিব। পৃথিৱীৰ ইমূৰৰ পৰা সিমূৰলৈ নিজকে পৰিচয় কৰাবলৈ হ'লে নাচ-গান বা খেলা-ধূলাত কঠোৰ পৰিশ্ৰম কৰি নিজকে প্ৰস্তুত কৰি তুলিব লাগিব সময়ে সকলোকে একেটা সমানেই দিছে যে এই দহোটা বছৰত সকলো ফালে সমানে আগবাঢ়ি যাব লাগিব। যি কঠোৰ পৰিশ্ৰম কৰিব সি ভাল ফল পাবই। মই কাৰোবাৰ দৰে হওঁ বুলি ভবাতকৈ মোৰ আদৰ্শ আনে চিনিব পৰাকৈ নিজকে প্ৰস্তুত কৰি তুলিব লাগিব। মোৰ তামোকৰ ওচৰত ঘৰ বা মই অমুকৰ ঘৰৰ বুলি কোৱাতকৈ মোৰ ঘৰৰ অমুক বুলি পৰিচয় দিব লাগিব সকলো দিশতে পাৰদৰ্শিতা দেখুৱাজনেই হৈ পৰে অমৰ অৰ্থাৎ সকলোৰে হৈ পৰে আদৰ্শৰ বাটকটীয়া।

এয়াই হ'ল সময়। সকলো শেষ হৈ গ'লেও সময় বৈয়েই থাকিব। জোন-বেলি নিতৌ ওলাব আৰু সময়ে তাক আহ্বান কৰিয়েই থাকিব। নতুন নতুন গ্ৰহ, নক্ষত্ৰ ওলায়ে থাকিব সময়ৰ বুকুত আহিবই লাগিব। আমি এই অহা সময়ৰ সদ্ ব্যৱহাৰ কৰিব লাগে। হে সময় তুমি নালাগে থাকিব। কিন্তু আমালৈও চকু মেলি চোৱা, আমাকো ভাল অসম অলপ দিয়া। কি জানিবা কৰিব পাৰোঁ বিশ্বক জয়। দিয়া আমাকো ভাল সময়।●

"শব্দৰ মাজত বিচাৰি ফুৰিছো হৃদয়ৰ কস্তুৰী।
ধ্বনিৰ মাজত মই অবিৰত অনুসন্ধান কৰিছো সুৰৰ অনুৰূপ।
যিবোৰ ছবি চকুৰ মণিৰ ভিতৰেদি অহা-যোৱা কৰি আছে
তাৰ মাজত সন্ধান কৰিছো সুখ আৰু দুখৰ সোৱাদ"।

# পশ্চিমীয়া অপসংস্কৃতি আৰু আমাৰ আওপুৰণি মূল্যবোধ

**লক্ষ্মীপ্ৰিয়া কলিতা**
অৰ্থনীতি বিভাগ

সৰুৰে পৰা পঢ়ি আহিছো, শিকি আহিছো যে সমাজ আৰু সংস্কৃতি পৰিৱৰ্তনশীল। মানৱ সভ্যতাৰ আদিৰে পৰা বিভিন্ন সংস্কৃতিৰ মিলন চলি আহিছে, জীৱন ধাৰণৰ প্ৰক্ৰিয়াৰ পৰিৱৰ্তনৰ লগে লগে সংস্কৃতিও সলনি হৈ আহিছে, আৰু এই পৰিৱৰ্তন হ'ব মানুহক নিয়ন্ত্ৰণ কৰাৰ বাহিৰত।

কোনোবাই যদি কয়, পাঁচশ বছৰৰ আগতে আমি যি কৰিছিলো, সেয়াহে আমাৰ সংস্কৃতি, আজিকালি কৰি থকাবোৰ নহয় বুলি ক'লে বোৱতী নদীক একে ঠাইতে বান্ধি ৰখাৰ প্ৰচেষ্টাৰ দৰে হ'ব। ঠিক সেইদৰে আমাৰ লোক-সংস্কৃতিৰো এক নিজস্বতা আছে, আৰু এই নিজস্বতাই আমাৰ পৰিচয়। এই আত্মা জীয়াই থকালৈকে, সংস্কৃতিৰ আৱশ্যম্ভাৱী পৰিৱৰ্তনবোৰে আমাক একো অপকাৰ কৰিব নোৱাৰে।

এতিয়া প্ৰশ্নটো হ'ল এই সংস্কৃতিৰ আত্মাটোক ক'ত বিচাৰি পোৱা যাব? যিহেতু আমাৰ সমাজ ব্যৱস্থা আজিলৈকে কোনো বিজ্ঞানসন্মত বিশ্লেষণ হোৱা নাই, গতিকে আমি এই প্ৰশ্নটোৰ উত্তৰ আওঁপকীয়াকৈ বিচাৰিব লাগিব। আৰু তাৰ একমাত্ৰ উপায় হ'ল—আমাৰ সংস্কৃতিৰ বিষয়ে জ্ঞান আৰু গৌৰৱবোধ।

আমাৰ সংস্কৃতিৰ লগত পশ্চিমীয়া সংস্কৃতিৰ মূল পাৰ্থক্যটো হ'ল মূল্যবোধৰ। তেওঁলোকে ব্যক্তি স্বাধীনতাক উচ্চ স্থান দিয়ে আৰু ভোগৰ মাজেৰে জীৱন উপভোগ কৰাৰ পোষকতা কৰে, ইয়াত দোষণীয় একো নাই। তেওঁলোকৰ যুদ্ধ বহু ইতিহাস, কঠিন জীৱনশৈলীত তেনে এক ধাৰণাই গঢ় লোৱা স্বাভাৱিক। কিন্তু আমাৰ সংস্কৃতি, ত্যাগৰ ধাৰণাৰ ওপৰত প্ৰতিষ্ঠিত।

**পশ্চিমীয়া অপসংস্কৃতি আৰু আমাৰ আওপুৰণি মূল্যবোধ ঃ**

পশ্চিমীয়া অপসংস্কৃতি আৰু আমাৰ আওপুৰণি মূল্যবোধ এই মূল ধাৰণা দুটিৰ ক্ষেত্ৰত প্ৰথমে, পশ্চিমীয়া সংস্কৃতিক আমি অপসংস্কৃতিৰ নাম দিয়াটো মুঠেই ভাল কথা নহয়, হয়, বহুতো পশ্চিমীয়া দেশত সকলোৱে মুকলিমূৰীয়াকৈ যৌন জীৱন উপভোগ কৰে, তেওঁলোকে পৰিয়ালৰ কথা বিশেষকৈ নাভাবি নিজৰ জীৱন উপভোগ কৰে। ব্যক্তিগত সিদ্ধান্ত বিলাকত আপোন লোকৰ মতো গ্ৰাহ্য নকৰে। কথাই প্ৰতি বিবাহ বিচ্ছেদ কৰে। কিন্তু তাৰ লগতে তেওঁলোকে নিজৰ দেশ-জাতিক অন্তৰৰ পৰা ভাল পায়, ভণ্ডামি নকৰে, সৰলভাৱে ভালক ভাল বুলি কয়, শ্ৰমক সন্মান দিয়ে, শিশু খাদ্য ভেজাল কৰিও সমস্যাৰ সৃষ্টি নকৰে। আমাৰ চকুত যেনেকৈ মুক্ত যৌন জীৱন এটা অপসংস্কৃতি, তেওঁলোকৰ মতেও ভগৱানৰ নামৰ লোকক ভয় দেখুৱাই ধন অৰ্জন কৰাটো এক অপসংস্কৃতি। আমাৰ সংস্কৃতিক উচ্চ আসন দি তেওঁলোকৰ সংস্কৃতিক অপসংস্কৃতি বুলি কওঁতে সেইখিনিতেই আমাৰ ঠেক মনোবৃত্তিৰ পৰিচয় পূৰণ কৰা হ'ব।

দ্বিতীয়তে, আওপুৰণি মূল্যবোধ, সমাজ এখনৰ মানসিক মূল্যবোধ কেতিয়াও আওপুৰণি নহয়, আৰু ই সদা গতিশীল, আজি যদি সমাজৰ এক বৃহৎ অংশই ৰেইন ডেম বেয়া বুলি কৈছে সেয়া আধুনিক সমাজৰ মূল্যবোধ আমি যদি ব্যক্তিস্বাধীনতাৰ কথা দোহাই দি ইয়াক আওপুৰণি বুলি ইতিকিং, কৰিলে আচলতে আমি যে সমাজখনক নুবুজো, সেইকথাটোহে প্ৰতিফলিত হ'ব। কাৰণ অতীজৰ পৰা আমাৰ



জীৱন তুলনামূলকভাৱে সহজ আছিল, প্ৰাকৃতিক পৰিৱেশে আমাৰ সকলো সুবিধা হাত উজাৰি দিছিল। তাতে বিশ্বৰ এই খণ্ডত সভ্যতাৰ বিকাশ বাকী ঠাইবোৰতকৈ বহু আগতে হৈছিল। ঠিক আগতে বুলি ক'লে ভুল হ'ব আচলতে বিভিন্ন



সভ্যতাৰ লোকসকলে ইয়াতে আহি থিতাপি লৈছিল সুচল পৰিৱেশৰ বাবে। আৰু তুলনামূলকভাৱে সহজ জীৱন শৈলীয়ে আমাৰ পূৰ্ব পুৰুষক আনতকৈ বেছি গভীৰভাৱে চিৰন্তন সুখৰ সন্ধান কৰিবলৈ সুবিধা দিছিল।

ভোগৰ ধাৰণা আমাৰ মাজতো নাছিল বুলি ক'লে ভুল হ'ব কাৰণ মানুহৰ প্ৰথম প্ৰবৃত্তি সেইটোৱেই। যেতিয়া এই পশ্চিমৰ অধুনা উন্নত দেশবিলাকে সভ্যতাৰ প্ৰথম পাঠ পঢ়াত ব্যস্ত আছিল, তেতিয়া ভাৰতত কামসূত্ৰ লিখা হৈছিল। পিছে বহুদিন পৰীক্ষা-নিৰীক্ষাৰ মাজেৰে আমাৰ পূৰ্বপুৰুষে উপলব্ধি কৰিলে ভোগ নহয়। ত্যাগৰ মাজেৰেহে আচলতে জীৱন উপভোগ কৰিব পাৰি। উদাহৰণস্বৰূপে বহুতো আধুনিক ছাৰ্ভে আৰু নিৰীক্ষণে প্ৰমাণ কৰিছে যে যৌন সম্পৰ্কৰ কোনো আগতীয়া অভিজ্ঞতা নথকা স্বামী-স্ত্ৰীৰ যৌন জীৱন, অভিজ্ঞসকলতকৈ বেছি উপভোগ্য হয়। কাৰণ দুয়ো মিলি একেলগে শিকে। কেতিয়াবা ভুল হয়, সেই ভুলো একেলগে কৰে, সহমৰ্মিতা বাঢ়ে। ইজনে সিজনক বেছি ভালকে বুজিব পৰা হয়।

মধুৰাত্ৰিৰ দিনাই এজনে কোনো আনজনক আড্ডাৰ পাৰ্ফমাৰ বুলি প্ৰমাণ পত্ৰ নিদিয়ে। ভাৰতীয় সভ্যতাৰো সেই কথাটো উপলব্ধি কৰিলে আৰু সেয়ে বিবাহপূৰ্বক যৌন সম্পৰ্কক অস্বীকাৰ কৰিলে, মানে নিয়ন্ত্ৰণ কৰিবৰ চেষ্টা কৰিলে। ঠিক একেটা কাৰণতে ভাৰতীয় সংস্কৃতিয়ে LGBT বা তেনেধৰণৰ যৌন অৱস্থাবিলাককো গ্ৰহণ নকৰিলে। আচলতে ভোগৰ ধাৰণাটেৱেই সীমাহীন।

যিটো বস্তু পোৱা নাই সেইটোৰ প্ৰতি আগ্ৰহ থাকে, পালে সুখো পোৱা যায়। কিন্তু সেই বস্তুটোকে নিবিচৰাকৈ সহজ পালে তাৰ প্ৰতি আগ্ৰহ কমি যায়, আৰু মানুহৰ উন্নত মগজুৱে আৰু কিবা নোপোৱা বা পাব নোৱৰা বস্তু এটা আৱিষ্কাৰ কৰে। অপ্ৰাপ্তি আমাৰ সুখৰ বাবে অতি প্ৰয়োজনীয়। ত্যাগ কৰিলে এই অপ্ৰাপ্তি সহজ লভ্য হয় নহ'লে বহুদূৰ যাব লাগে।●

# শিক্ষা জীৱনত বুৰঞ্জী বা ইতিহাস অধ্যয়নৰ প্ৰয়োজনীয়তা

**লোপামুদ্ৰা শইকীয়া**
চতুৰ্থ ষাণ্মাসিক, বুৰঞ্জী বিভাগ

অতীতত ঘটি যোৱা ঘটনা বা কাম-কাজসমূহৰ বিষয়ে যাৰ দ্বাৰা আমি যথাযথভাৱে জানিবলৈ সক্ষম হও সেয়া হ'ল ইতিহাস বা বুৰঞ্জী। History ইতিহাস বা বুৰঞ্জী বিষয়টোক লৈ আমাৰ বহুতৰে মনত এক ভ্ৰান্ত ধাৰণা আছে। প্ৰকৃততে আমাৰ বাবে এই বিষয়টি কিমান বিশাল আৰু কিমান প্ৰয়োজনীয় তাক আমি জনাটো খুবেই আৱশ্যকীয়।

সাম্প্ৰতিক সময়ত দেখা পোৱা যায় যে প্ৰায় সংখ্যক ব্যক্তিয়ে বৃত্তিমুখী দিশসমূহৰ বিশেষকৈ কিছুমান বৃত্তিমুখী প্ৰতিষ্ঠানত অটল থকা দেখা যায়। এই দিশসমূহক ভৱিষ্যত জীৱনৰ প্ৰধান থ'ল হিচাপে লৈয়ে আগবাঢ়িব বিচাৰে। কিন্তু ইয়াৰ লগে লগে শিক্ষাৰ ক্ষেত্ৰত বুৰঞ্জী বা ইতিহাস অধ্যয়নৰ যাত্ৰা ক্ৰমান্বয়ে হ্ৰাস পাবলৈ ধৰিছে। বুৰঞ্জী বা ইতিহাস কি সেইয়া যেন পাহৰণিৰ গৰ্ভত বিলীন হ'ব ধৰিছে। কিন্তু বুৰঞ্জীৰ অৰ্থ সকলোৰে পক্ষে জনাটো প্ৰয়োজনীয়। বুৰঞ্জীৰ অৰ্থ হ'ল—বু-মুৰ্খ, ৰণ-শিক্ষা আৰু জী-ভঁৰাল অৰ্থাৎ নজনা জনৰ শিক্ষাৰ ভঁৰাল। অতীতৰ যিবোৰ কথা আমি জ্ঞাত নহয় অথচ সেইবোৰ কথা জনাটো আমাৰ প্ৰয়োজনীয় সেই কথাবোৰ আমাক বুৰঞ্জীয়ে শিকায়। সংস্কৃত ভাষাত বুৰঞ্জীৰ অৰ্থ হৈছে 'ইতিহাস'।

এক কথাত জাতিৰ ঐতিহ্যৰে অলংকৃত কাহিনীয়েই হৈছে ইতিহাস বা বুৰঞ্জী। বুৰঞ্জীৰ বুকুতেই একো একোটা জীৱন্ত জাতি সোমাই থাকে।বুৰঞ্জীয়ে প্ৰত্যেকগৰাকী ব্যক্তিক প্ৰাচীন সময়, ঘটনা-পৰিঘটনা, যুদ্ধ-বিগ্ৰহ, কোনো ঠাই, ৰজা-মহাৰজা আদিৰ উপৰিও আন বহুতো দিশৰ সম্পৰ্কে জনাত সহায় কৰে। মুঠৰ ওপৰত ইতিহাস বা বুৰঞ্জী হৈছে মানৱ সভ্যতাৰ ক্ৰম বিৱৰ্তনৰ জীৱন্ত দলিল। বুৰঞ্জীৰ দাপোণত আমি অতীতক দেখোঁ, বৰ্তমানক চিনো আৰু ভৱিষ্যতৰ পথৰ সন্ধান বিচাৰোঁ।

ইতিহাস বা বুৰঞ্জীৰ বিষয়টোৰ সৃষ্টি তথা ক্ৰমবিকাশৰ স্তৰবোৰলৈ চকু দিলে আমি পাওঁ যে গ্ৰীক পণ্ডিত, ইতিহাসবিদ হেৰ'ডটাছে পোনপ্ৰথমবাৰৰ বাবে 'হিষ্টৰি (History)' শব্দটো ব্যৱহাৰ কৰিছিল। মূল ইংৰাজী এই History শব্দটো গ্ৰীক 'ইষ্টোৰিয়া' আৰু লেটিন 'হিষ্টোৰিয়া'ৰ পৰা আহিছে। যাৰ অৰ্থ অনুসন্ধান, গৱেষণা উদ্‌ঘাটন আৰু ফলাফল বা প্ৰভাৱৰ লিখিত বিৱৰণ।

বুৰঞ্জী বিষয়টো অধ্যয়ন কৰা উচিত কাৰণ ই ব্যক্তি আৰু সমাজ দুয়োটাৰ বাবে অপৰিহাৰ্য আৰু ইয়াত সৌন্দৰ্যক আশ্ৰয় দিয়া হয়। তাত আছে বিষয়টোৰ প্ৰকৃত কাৰ্যসমূহৰ বিষয়ে আলোচনা কৰাৰ বহু উপায় যিহেতু ইয়াত ভিন্ন ঐতিহাসিক অৰ্থৰ পথ। বুৰঞ্জীৰ অধ্যয়নৰ প্ৰয়োজনীয়তাৰ সংজ্ঞা অৱশ্যে দুটা মৌলিক তথ্যৰ ওপৰত নিৰ্ভৰশীল।

ইতিহাসে আমাক মানুহ আৰু সমাজক বুজিবলৈ সহায় কৰে।

প্ৰথমতে বুৰঞ্জীয়ে মানুহ আৰু সমাজে কেনে আচৰণ কৰে তাৰ তথ্যৰ ভঁৰাল আগবঢ়ায়। বুজি পোৱাৰ ... মানুহ আৰু সমাজৰ কাৰ্য-কলাপ কঠিন যদিও কেইবাটাও শাখাই এই প্ৰচেষ্টা চলায়।

পৰিৱৰ্তনশীল সময়ৰ লগত বুৰঞ্জী বিষয়টোৱে বিভিন্ন সময়ত বিভিন্ন অলংকাৰ পৰিধান কৰি আজিৰ ৰূপ পাইছেহি। সাহিত্য যেনেদৰে আধুনিক সাম্প্ৰতিক সমাজৰ দাপোণ ঠিক তেনেদৰে ইতিহাস বা বুৰঞ্জী হৈছে অতীত সমাজৰ দাপোণ। বুৰঞ্জী অধ্যয়নৰ অবিহনে আমি অতীত

সম্পৰ্কে কল্পনা কৰিব নোৱাৰোঁ। মানুহৰ চিন্তা চেতনাৰ পৰা আৰম্ভ কৰি প্ৰত্যেকটো বিষয়ৰ নিজস্ব ইতিহাস/বুৰঞ্জী আছে। এই প্ৰত্যেকটো বিষয়ৰ ইতিহাস/বুৰঞ্জী অধ্যয়নৰ একো একোখন বহল ক্ষেত্ৰভূমি আছে আৰু এইবোৰ বিভিন্ন সময়ৰ, বিভিন্ন পৰ্যায়ৰ মাজেদি নিজৰ অস্তিত্ব ইতিহাসৰ পাতত খোদিত কৰিবলৈ সক্ষম হৈছে।

আমি প্ৰত্যেকেই অৱগত যে অতীতৰ সকলো দেশ ভালদৰে বিবেচনা কৰি নোচোৱাকৈ বৰ্তমানৰ শিক্ষাক উপযুক্তভাৱে গঢ়ি তোলাটো সমুচীন নহয়। অতীতৰ ঘটনাসমূহ বৰ্তমানৰ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত নকৰিলে শিক্ষা ক্ষেত্ৰখন আধৰুৱাস্বৰূপ হ'ব পাৰে। বুৰঞ্জীয়ে যিকোনো ঘটনা-পৰিঘটনা কেনেকৈ হৈছিল, মানৱ জাতিৰ উৎপত্তিৰ পৰা আৰম্ভ কৰি কোনো ঠাই, ৰজা-মহাৰদাৰ সম্পৰ্কে সকলো। অধ্যয়ন কৰে যিখিনিৰ দ্বাৰা শিক্ষাক আগুৱাই নিয়াত সহায় হয়। বুৰঞ্জী বিষয়টো অতি পুৰণি এটা বিষয়। প্ৰথম অৱস্থাত এই বিষয়টিৰ সৈতে খুব কম সংখ্যক কথাহে লিপিৱদ্ধ আৰু মনোনিবেশ কৰা হৈছিল। সেই সময়ছোৱাত ইতিহাসবিদসকলৰ দৃষ্টিত যিটো ঘটনা বা পৰিঘটনা বেছি গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছিল সেইবোৰ ঘটনাহে তেওঁলোকৰ সৃষ্টিত প্ৰতিফলিত হৈছিল।

বুৰঞ্জীৰ প্ৰাথমিক অৱস্থাত বিশেষকৈ যুদ্ধ-বিগ্ৰহ, সামৰিক সফলতা-বিফলতা, ধৰ্ম, ৰজা, ৰাজ্য আদি বিষয়বোৰহে বেছি প্ৰাধান্যতা পাইছিল। য'ত ৰাজপৃষ্ঠপোষকতা লাভ কৰা ঐতিহাসিকসকলৰ লিখনিসমূহত কেৱল ৰজা-মহাৰজাৰ গুণানুকীৰ্ত্তনেই ভৰি আছিল। সেয়েহে এই দৃষ্টিকোণৰ পৰা চাবলৈ গ'লে সেই সময়ত বুৰঞ্জীৰ বিস্তৃতি তথা ইয়াৰ পৰিসৰৰ ক্ষেত্ৰখনলৈ এক ব্যাপক পৰিৱৰ্তন আহিছে, সময়ৰ অগ্ৰগতি আৰু পৰিৱৰ্তনশীল সমাজ ব্যৱস্থাত এই বুৰঞ্জী বিষয়টোৰ অধ্যয়নৰ পৰিসৰ বাঢ়িছে।

আধুনিক বুৰঞ্জীবিদসকলৰ দৃষ্টিত তিনিটা বিশেষ প্ৰশ্নই বুৰঞ্জীৰ পৰিসৰক বৃদ্ধি কৰাত অৰিহণা যোগাইছে। এইকেইটা হৈছে—(১) কি ঘটিছিল, (২) কিয় ঘটিছিল, (৩) কেনেকৈ ঘটিছিল। বৰ্তমান সময়ত বুৰঞ্জীয়ে বহু বিষয়ক সামৰি লৈছে। কাৰণ মানৱ জীৱনৰ প্ৰতিটো প্ৰত্যাশাকে বিভিন্ন কৰ্মৰে আগুৰি থাকে। যিবোৰ হৈছে আইন, আখ্যান, মৌখিক সাহিত্য, কলা, দৰ্শন, বস্তুবাদী মানসিকতা, সমাজ, অৰ্থনীতি, ৰাজনীতি ইত্যাদি।

আধুনিক ঐতিহাসিকসকলৰ দৃষ্টিভংগীত ইতিহাসৰ মুখ্য আলোচ্য বিষয় হোৱা উচিত মানুহৰ প্ৰগতি আৰু সফলতা; ই বিজ্ঞান, প্ৰযুক্তিবিদ্যা, উদ্ভাৱন আদি যিয়েই নহওক। এই দিশৰ পৰা আমি ইতিহাস/বুৰঞ্জীক এক "তুলনামূলক অধ্যয়ন"ৰ বিষয় হিচাপে নামকৰণ কৰিব পাৰোঁ। আধুনিক বিশ্বত 'মাইক্ৰ' ইতিহাস' লিখাৰ পদ্ধতিয়েও ইতিহাসৰ পৰিসৰলৈ এক নব্য জীৱন কঢ়িয়াই আনিছে।

ঐতিহাসিকসকলে শ্ৰমিক আন্দোলন, শ্ৰেণী সংগ্ৰাম, কলা, বাণিজ্য, উদ্যোগৰ লগতে অন্যান্য সামাজিক পৰিৱৰ্তন আদি বিষয়বোৰক তেওঁলোকৰ লিখনি আৰু গৱেষণাৰ বিষয় হিচাপে বাছি লোৱা পৰিলক্ষিত হৈছে। নাৰী জাতিৰ সামাজিক স্থান আৰু মুক্তিয়েও ইতিহাসত প্ৰবলভাৱে গুৰুত্ব পাইছে। অন্যহাতেদি কেতবোৰ ইতিহাসবিদে ইতিহাসৰ দৰ্শনৰ ওপৰত গুৰুত্ব দিয়া দেখা পোৱা যায়। মাৰ্ক্স, হেগেল, স্পেনজাৰ, ক'ট আদি পণ্ডিতসকলে সমাজৰ উন্নতি আৰু অধোন্নতিৰ কথা ইতিহাসৰ বুকুত খোদিত কৰিছে। এইবোৰৰ দ্বাৰা প্ৰমাণ পোৱা যায় যে দিনক দিনে বুৰঞ্জী/ইতিহাস বিষয়টিয়ে নিজৰ পৰিসৰ বঢ়াই নি আছে।

বুৰঞ্জীয়ে নৈতিক চিন্তাৰ বাবেও এক ভুখণ্ডৰ ব্যৱস্থা কৰে। ব্যক্তি আৰু অতীতৰ পৰিস্থিতিৰ কাহিনী অধ্যয়ন কৰা বুৰঞ্জীৰ ছাত্ৰ এজনক নিজৰ নৈতিক জ্ঞান পৰীক্ষা কৰিবলৈ, বুৰঞ্জীয়ে পৰিচয় প্ৰদান কৰাত সহায় কৰে। বুৰঞ্জী অধ্যয়ন কৰিলে অতীতৰ পৰিয়াল, গোট, প্ৰতিষ্ঠান আৰু গোটেই দেশসমূহ কেনেকৈ গঠন হৈছিল আৰু সংহতি বজাই ৰাখি বিৱৰ্তন কেনেকৈ হৈছিল সেয়া জানিবলৈ পোৱা যায়।

এচাম পণ্ডিতে তেওঁলোকক মতামত আগবঢ়াই কয় যে, বুৰঞ্জীবিদসকলে কোনো এটা ঐতিহাসিক ঘটনা দুই ধৰণে পৰিবেশন কৰে। প্ৰথমতে তেওঁলোকে ঘটনা এটাৰ বিষয়ে তথ্য সংগ্ৰহ কৰে আৰু তাৰ পাছত তেওঁলোকে সেই ঘটনাৰ কাৰকবোৰক ব্যাখ্যা তথা বৰ্ণনা কৰে। এই দিশটোৱেই প্ৰমাণ কৰে যে এই দুই পথত ইতিহাসৰ বস্তুনিষ্ঠতা আৰু বিষয়বস্তুনিষ্ঠতাই গুৰুত্ব লাভ কৰে। পণ্ডিত


ট্ৰেভেলিনৰ মতে, “এজন ঐতিহাসিকে কোনো এটা ঘটনা বৰ্ণনাৰ বাবে তিনিটা দিশক অৱলম্বন কৰে, সেইকেইটা হৈছে বৈজ্ঞানিক, কাল্পনিক আৰু সাহিত্যিক।

ইয়াৰ উপৰি বৰ্তমান সময়ত পৰিৱেশ, প্ৰকৃতিৰ ইতিহাসো বুৰঞ্জী অধ্যয়নৰ অবিচ্ছেদ্য অংগ হৈ পৰিছে। কিয়নো ডাঙৰ পৰ্বত, পাহাৰ, নদ-নদী এই সকলোবোৰৰে মানৱ সভ্যতাৰ বিকাশত বলিষ্ঠ ভূমিকা আছে আৰু লগতে ইয়াৰ প্ৰত্যেকৰেই নিজা নিজা এক ইতিহাস আছে। গতিকে বৰ্তমান সময়ত ইতিহাস লিখোঁতে আমি এই বিষয় এৰাই চলিলে নহ'ব বা এৰাই চলাটো অনুচিত।

পুৰণি কীৰ্তিচিহ্ন, মুদ্ৰা আৰু লিপিসমূহৰ উদ্ধাৰেও বুৰঞ্জী বিষয়টিৰ পৰিসৰলৈ এক নতুন পৰিৱৰ্তন আনিলে। ১৯শ শতিকাত যেতিয়া ভূতত্ত্ব আৰু প্ৰত্নতত্ত্ব বিষয়কেইটিয়ে নিজৰ অস্তিত্ব আত্মপ্ৰকাশ কৰিবলৈ সক্ষম হ'ল তেতিয়াই অতীতসমূহে মানুহৰ জ্ঞানো বহুত বৃদ্ধি পালে। কিয়নো এই বিষয়দুটাৰ দ্বাৰা বুৰঞ্জীৰ বুকুত মানুহৰ কৰ্ম আৰু জীৱনশৈলীক জনাত বহু পৰিমাণে সহায় কৰিছিল। প্ৰত্নতত্ত্ববিদসকলে তেওঁলোকৰ খনন কাৰ্যৰ দ্বাৰা বিশ্বৰ বহু প্ৰান্তত ভগ্নাৱশেষ আৱিষ্কাৰ কৰিছিল যাৰ দ্বাৰা বুৰঞ্জী ৰচনাৰ এক নতুন দুৱাৰ মুকলি হৈছিল। এই ভগ্নাৱশেষবোৰৰ আৱিষ্কাৰৰ দ্বাৰা বহু হাজাৰ বছৰীয়া মানুহৰ চিন্তা আৰু সৃষ্টিৰ গোপন ৰহস্যবোৰৰ তথ্য-পাতিয়ে বুৰঞ্জীৰ পৰিসৰক বহল কৰাত প্ৰবল বৰঙণি যোগাইছিল।

এক কথাত ক'বলৈ গ'লে, প্ৰথমতে বিশ্ব সম্পৰ্কে মানুহৰ ধাৰণা বা অতীতত বিশ্বৰ বিভিন্ন প্ৰান্তত কি ঘটনা সংঘটিত হৈছিল, মানুহবোৰ কেনেদৰে আছিল ইত্যাদি সকলো সম্পৰ্কে বুৰঞ্জীবিদসকল অপৰিপক্ক আছিল। উদাহৰণস্বৰূপে এনে এটা সময় আছিল যি সময়ত ভাৰতীয়, চীনা আৰু ইৰাণীয়ান সভ্যতাক পৃথিৱীৰ আনবোৰ সভ্যতাতকৈ শ্ৰেষ্ঠ বুলি ভবা হৈছিল।

পিছত যেতিয়া বুৰঞ্জীবিদসকলে বিভিন্ন তথ্যৰ দ্বাৰা অতীতৰ বিশ্বখনৰ সম্পৰ্কে তথ্য উলিয়াই অধ্যয়ন কৰিলে তেতিয়া অতীতৰ সমাজখনৰ বিষয়ে জানিবলৈ আৰু বৰ্তমানৰ সমাজখনৰ লগত মিলাই কি কি পৰিৱৰ্তন হ'ল এই সম্পৰ্কেও জানিব পাৰিলে। গতিকে আমিও বুৰঞ্জী অধ্যয়ন কৰা উচিত যাতে আমি অতীতৰ বিশ্বখনৰ সম্পৰ্কে জানিব পাৰো। কাৰণ বৰ্তমানৰ বিশ্বখনৰ বিষয়ে জ্ঞান লাভ কৰিবলৈ হ'লে অতীতৰ বিশ্বখনৰ বিষয়ে জনাটো অত্যন্ত গুৰুত্বপূৰ্ণ।●






# Why studying Economics is Vital in Today's world

**Abhinashree Chutia**
Dept : Economics
3rd Semester

"Economics can be defined in a few different ways. It's is the study of scarcity, the study of how people use resources and respond to incentives, or the study of decision-making. It often involves topics like wealth and finance but it is not all about money. Economics is a broad discipline that helps us understand historical trends, interpret today's head live, and make predictions about the coming years."

"Economics may sum obtuse in the abstract". However, it has very powerful real world implications. Specifically, according to the AEA, economics can helps us answer many big questions, such as why some counties are rich while other are poor. Why men earn more than women; how data can help us make sense of the world, what causes recessions and why we ignore information that would be used toward better abscission-making.

Economics is everywhere, Indeed economics promotes understanding of and insight into problems specific to our times, including everything from education and the environment to health care and national security.

As an economics student, motivation to study the world of economics in too beautiful from my view, you too can enter in this world called "ECONOLIC".

Motivation – Lack of money is the root of all evil.

The tough is never pure and really simple. Facts do not cease to exist because they are ignored. ●

# History of Astrochemistry

Throughout much of human history, space was thought to be void but with pansage of time. They could realize it was filled with small obscuring dust grains. In the later half of the 20th century, scientists discovered existence of molecules such as ammonia in space and the discoveries had been accelerated with detection and identification of CH(1938), CN(M40), $H_20$ (1969), $CH_3CH_20H$ (1975). In the 6.0r with the emerging radio technology, molecules were detected in emission through their low energy rotation. The first examples were the OH radical and ammolna ($NH_3$) as the first polyatomic molecules.

Thus extensive theoretical and laboratory work was started to understand the formation and destruction of molecules in different space envier orvipnments.

**Kubid Borgahain**
4th Semester

●●

**Area of Interest :**

Astsochemists examine chemical composition and processes for stars, parents and interstellar media. Sieutists in this field use Earth based satellites, spar velieles to explore how atoms, mobecoles, inons and free radicals interact outside roith the atmosplese.

Contribute to our understading of genlegical process on other planets.

Examine undercoles on her plants and in outer space to understand the conditions under which life might form.

**Arnab Dowerah**
6th Semester

●●

**Cosmo Chemistry :**

Cosmo chemistry or chemical cosmology is the study of the chemical composition of matter in the universe and the process that led to those compositions. This in done primarily through the study of the Physical samples. Given that the asteroid parent bodies of meteorites were some of the first solid material to condense from the early solar nebula, cosmochemistry are generally but not exclusively concerned with the object contained within the solar system.

**Sujata Paul**
4th Semester

●●

**Recent Discovery :**

The most exciting discovery mogul be that of polar aromatic molewle Beuzmitrite exciting primarily because it establishes that aromatic chemistry accurs under the inhospitable condition of space and became formation of the first aromatic ring is the rate limitary step in PAH formation, which means that much larger organic compounds are possible.

**Larely Saha**

●●

A nebula is an enormous clod of dust and gas occupying the space bet stars and acts as a nursery for new stars. They are made up of dust and other ionized gases. Some are rich in carbm while the most luminous ones as arsabudant in nitrogen. The closets known nebula to Earth is the Helix Nebula-700 light years away.

**Bishal Besaias**
4th Semester

# A seed of Success

**Kashmira Gogoi**
B.A. 1st Sem., Dept : Anthropology

**Introduction**

A burning coupled with absolute detachment is the key to all success.

-Mahatma Gandhi

Passion is something which will get you up in the morning and will give you a sense of purpose in your life. Passion is a very strong feeling or a strong belief in something you are only passionate about, something you care so much about that you are willing to suffer for it.

For example- I have a very strong interest in writing down things, I don't have the tendency to push myself through sleep deprivation in order to get much time in that. But on the other side, I would do almost anything to learn about medicines because I am deeply passionate about it and will abandon several works in order to follow my passion. When you have passion for something, you will love it and your interest will increase gradually overtime it's like a fuel for the little spark inside you which can turn into a greatest result in life when you will find it.

CEO o Google 'Mr Sundar pichai' once said, "Take as much time as you need to find the thing that excited you more than anything else in the world. Not the things that your parents want you to do or the thing that all you friends are doing" cause each of us have their own gifts or ability to pursue something in life that they are interested in and some well know person said that your gift or your ability can be anything not just singing, running, dancing, jumping your gift is the thing that you do the absolute best with the least amount of effort, so once you identify them that's the beginning of it but there's a lot of work to do even after you identify your ability, if you do not work towards it, it will be worth nothing.

Most of the students finds difficulty in choosing or finding hobbies or showing interest in anything or in finding passion. The reason why we should find our interest also pursue them is because in can help us to get absolutely amazing benefits in our career.

**Benefits of having passion in life**

Well, benefits of following passion might be different for everyone. It may pay is more than enough or it may not. And these is the reason why most of the people in our society do their jobs 8-10 hours a day in which they are not even interested in. I have seen most of our classmates do not have any hobby or interest in any of the college activities. No, it doen't seem like a big problem but the thing is if we put our interest or if we take part in some of the activities it might help us to concentrate in our studies and there will be



also less chance to suffer from stress, low mood and depression. Moreover, group activities can also improve our communication skills and relationship with others and also improve our mental health.

Finding passion might be difficult for someone, specially who have their interest in everything. And a well known person said that interest and skills can be improved overtime. And if your passion becomes your career than our work will become quite easy to handle. We will also become more and more self confident and it will help us to overcome our fear and will make us more attractive to others.

### How to find our passion or interests

There's famous quote "No one is born with passion. This power is ignited by inspiration."

So where we will grow up. Our environment, our people and everything we hear or listen is going to influence. It might sound terrifying but it's the actual nature of humans. We adapt qualities, hobbies or interest, from the surrounding. For example- If we have someone in our family who likes art, sculptures etc then there will be a probility of getting attracted by something like that or if we have a singer in our family there is the possibility getting influenced by singing and we might only have to work on it to improve the skills.

### Conclusion

Passion can become the glimmer of our victory only if we work on it or try to improve it. And once we identify if then that's the beginning it but there's a lot of work to do even after we identify our passion toward something. So we should feel the power that comes from focusing on what excites us. ●

**Reference :**

1. Singh Kuldeep : "The beginners"
2. Ken Robinson : "Finding your element"

# The Forest Man of India
# Jadav Payeng

**Suresh Charoh**



Jadav Payeng the indigenous rising tribe of Assam was born at Kokilamukh, Jorhat. The full name is Jadav Molai Payeng, people also called him Molai or Jadav Payeng in lovely.

He is the oride of missing tribes not only for missing but whole tribes of Assam. He is or environmental and forestry worker from Majuli. He has planted and terded trees for smual decade on the sardbar of the great. Brohamputra river twning the sardbar into forestry area. Which is also know as the Molai forestry area. He had planled encompass an area of about 1,3600 acres which is realy around 550 hectares of land.

Due to such forestry work Jadav Molai Payeng was honors with Padma Shree award on 26 February 2015 by the India govt. on Republic Day.

On Molai was signed agreement with Mexcian (NGO) to plant trees of 1 million due to such Nature loving and parting trees he had been honor with different award.

At present day's Molai also the Subject of the Children book in different school and College of the morel. "The subject of the Children book" is written by Kirayala Varma.●



# Cleanliness

**Dinesh Taye**
H.S. (Science)

**Introduction**

Cleanliness is one of the most important qualities of the life.It is considered next to godliness, cleanliness is defined as the state of being clean or act of keeping things clean. It is very important for good health, the sing of good health, is cleanliness. It is very necessary from all point of views; physically, mentally, spiritually and environmentally, it is crucial to conderstand the importance of deanliness as it is the first step towards a healthy riving, it keep the people away from infections diseases virouses and thus prevent them from fatal conditions. The one who maintain cleanliness enjoy good health and live a ctive lifestyle. Enhaneing their lifespan and keeping themselves physicall fit.

**Advantage**

Cleanliness in our surrounding will mean enhanced healthyness and be auty. It will not only beautifull the surrounding rather also make it more attractive, it will here to attract more tourists to enhance the economy of the country in the eyes of pereigners.

Basic cleanliness is start from our personal cleanliness and pygienc. To start with we must wash hands regularly. Washing hand regularly keeps germs and bacteria away so it is very important to wash hands before eating meal, one must take shower daily, brush twice a day, eat clean and hygiene food, ueeping your towels and toiletries clean, washing your bedding atter use, drinking clean water and cutting nails, other than this, environmental cleanliness is also crucial such as reducing the use of plastic bags, throwing garbage in the bins, effectively disposing of water weeping water bodies clean, reducing pollution by making less use of vehicles and mush more.

**Conclusion**

Cleanliness playes a vital role in the over all development of an individual. The famous swachh bharath Abhiyan is a part of cleanliness program that is stated to educate people about the important of cleanliness, so we should inculcate such habits that keeps our environment clean and healthy. It everyone does their bit Responsibility, we can make earth cleaner and greener.●

# Social Awareness

**Barbee Das**
B.A. 3rd Sem., Dept : Sociology

The concept of social awareness in fairly simply, it's a person's ability to consider the perspective of other individuals, groups, or communities, and apply that understanding to interaction with them.

As we grow, social awareness skills and societal awareness helps us to understand how fits into are and contributes to the community and the world, as well as have we get what we heed from the world.

**An in school example :**

School are a perfect place to watch the development of social awareness and every passing movement will present examples of gracing emotional intelligence and awareness in children.

It the two original children also have a fairly under developed social ability, this kind of forced interaction might be accepted but if their emotional skills are signally more developed, the third child's action is likely to be consider rude.

**Type of Social awareness :**

**Emotional self awareness**

Being motion ally aware is the skill behind understanding what one is feeling and appreciating how different moods can impact those around us.

**Self-regulation**

Self regulation is the art of controlling the response to motions anticipation and comes in an effect to avoid being emotionally reactive in personal and social situation.

Motivation involves understanding how to use motivation factors to tearn and achieve personal goals.

Empathy is the skill of considering the motion and circumstances of other individuals.

**Respect**

Respect is best defined as having a regard for another person or groups experiences, motion, wishes or fights.

**Kindness**

Kindness is the idea of beings friendly and considerate to other people and is especially important even if you don't share view or standpoint.

**Listing Actively**

Active listening is the skill of truly beings seen to listen paying attention and taking time to understand what is being said.

**Cooperation**

Cooperation is an important part of finding a resolution or a way of working will other individuals or groups.

**Taking the next steps**

There's no single, magic lesson that will have the components of EQ fall immediately into place for every child tusfead, the positive action model emphasizes cache positive action and ability, promoting a healthy and positive cycle.


With each unit, children at your school will start to recognize and manage their motions develop and understanding of others, and handle social situation effectively, both in school and in the community-paving the way for success throughout life.

**Conclusion on social awareness**

Social awareness refers to condition where man as a member of society has complete knowledge of circumstances around. He is socially alert and achieves and well involved to the solution of core social issues of society. The following Essay on social awareness talks about its moving, concept and importance of social awareness in life.●

# Feminism and Pseudo Feminism

**Sunu Mohan**
B.Sc. 5th sem., Dept. : Physics




Feminism means equal rights and opportunities between both sense. It does not deny the biological differences between man and woman but demands equal rights and opportunities in cerebral side. Feminism demands social, political, cerebral opportunities equally. It covers the economical side also.

Feminism in not just important for women but every sex, gender, caste, creed and more. It empowers the people and society as a whole. But in our society here's a misconception that only women can be feminists.

Its absolutely wrong, feminism does not just benefit women. It strives for equality of the sense, not the superiority of women. Feminism allows people to live freely and empower lives without getting tied down by traditional restrictions. It has had a life changing impact an everyone, especially women. If we look at history, we see that its is what gave women the right to vote. It was no small beat but was achieved successfully by women.

Moreover, feminism constantly questions patriarchy and strives to renounce genders roles. It allows men to be whoever they which to be without getting Judged. It is not taboo for men to cry anymore because

they must be allowed to express themselves freely. Feminism also helps the LGBTQ community greatly as it advocates for their right too. Feminism gives a place for everyone and it is best to practices inter sectional feminism to understand everyone's struggle.

In order to succeed feminism needs to work within the very systems women want to change. And this means that women must reconsider their relation to power and power structures. Power is complex yet in itself is not negative, or bed and it does not have to be consigned to the sole possession of patriarchy. To quote the feminist philosopher Elizabeth Grosz, "It feminists believe that their goal is to abandon power. Then they have already lost the game from which they can't withdraw."

There are feminists and the pseudo feminists came along. Pseudo-feminism suggests that women deserve more respect or people of other sense do not deserve respect. Living in a culture where women face many challenges every day is the worst thing is that same people hurt the term feminism. On social media, hardly anyone knows about feminism and they and up being pseudo-feminist. Do pseudo-feminists really want equal treatment? No they want to create a world governed only by women. Will a women be getting away with any wrongdoing? Women a social media why identify themselves as feminists want equality and recognition for women they think to deserve it. They're going to bosh a women if he's their lenses wife or sister like a politician but they're going to support a women bushing that same political leaders. Hypocrisy and pseudo-feminism get a melting point here.

Pseudo-feminists are also rebelled on the internet as "feminasis" by hey board warriors, they are individuals who do not completely grasp the definition of feminism and who try to find signs of injustice and violence even through there is none. Pseudo-feminists have managed to mutilate the definition of feminism from what it is to a brand of man-hate, seeking any opportunity to seek vengeance rather than equality. While they are biased in promoting their cause, community, or sex, feminists seek equality rather than superiority. While spotting a pseudo-feminist it's not common. All in all we need to mature to the concept of gender equality and give females the opportunities they deserve, but what we don't need is people spreading hate and unrest in the name of feminism.

Half-knowledge in more dangerous than the very ignorance. Not every man out there is a rapist, abuser, stalking or storing at a women but there. Feminism is a form of chauvinism. There is no benchmarking and no contest.●

# জীৱন

**লোপামুদ্ৰা দুৱৰা**
দ্বিতীয় ষাণ্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ

জীৱনৰ কিছু ৰং আছে
জীৱনৰ কিছু শোক আছে
আছে বহুৰঙী বেশ।

জীৱন হৈছে বহুৰঙী আবিৰ। এই আবিৰৰ ৰং সানি প্ৰত্যেকজন মানুহেই সুখেৰে অতিবাহিত কৰাটো ইমান সহজসাধ্য নহয়। তেজপুৰ জিলাৰ কামপুৰ নামৰ এখন সৰু গাঁৱৰ মদনহঁতৰ ঘৰখন। ঘৰখনৰ পাঁচোটি পৰিয়াল। মাক-দেউতাক, ৰূপহী (তাৰ ঘৈণীয়েক) আৰু সিহঁতৰ একমাত্ৰ সন্তান বাবু, ইয়াৰ বয়স চাৰিবছৰ হৈছেহে মাথোঁ। একেবাৰে সাধাৰণ পৰিয়াল, দেউতাক আৰু পুতেকে দিন হাজিৰা কৰি যেনেতেনে জীৱন নিৰ্বাহ কৰি আছে। হাজাৰটা অভাৱ তাৰ মাজতো কিন্তু দুখীয়াৰ উৰুখা পঁজাৰ পৰা হাঁহিৰ ৰেঙনি আঁতৰা নাছিল। এয়া একবিংশ শতিকা য'ত জীৱনে সকলোকে বেয়াকৈয়ে জুৰুলা কৰিলে, মূল্যবৃদ্ধিৰ উৰ্ধ সীমাই মদনহঁতৰ ঘৰখনক একেবাৰে জুৰুলা কৰি তুলিছে। একবছৰেই হ'বৰ হ'ল বাবুৰ এখন কাণত সমনীয়াৰ লগত খেলোতে দুখ পালে নেকি? এখন কাণেৰে ভালদৰে শুনি নাপায়। মদনে কি কৰিব, কি নকৰিব একো তলকিবই পৰা নাই। কম বয়সতে সংসাৰৰ জেমেলাই তাক বিধ্বস্ত কৰি তুলিছে। দেউতাকে দিয়া টকা এহেজাৰ লৈ ঘৰৰ পৰা ওলাই গ'ল গুৱাহাটীলৈ কোম্পানী এটাত কাম কৰিবলৈ বুলি। দুমাহমান সুকলমে দিনবোৰ বাগৰিল, সকলোৰে চকুত মদন এতিয়া এজন কৰ্মোদ্যমী যুৱক।

মানুহে নাজানে কপালৰ কথা; বিধাতাইহে লিখে কপালৰ লিখন। মদনহঁতৰ ঘৰখনৰ লগতো সেয়াই যেন হ'ল। ৰূপহীয়ে একসপ্তাহ ধৰি মদনৰ একো খবৰেই পোৱা নাই; বাবুৱে দেউতাক আহিব বুলি বৰ আশাৰে বৈ আছে, দেউতাকে অনা নতুন কাপোৰ পিন্ধিব আৰু যে বহুত পুতলা আনিব! ৰূপহীৰ মনটো বৰ অস্থিৰ হ'বলৈ ধৰিলে, সম্পূৰ্ণ সাতদিন ধৰি মানুহজনৰ খবৰ পোৱা নাই; ক'লৈ গ'ল? কি হ'ল? ভাবি ভাবি ৰূপহী আৰু মাক-দেউতাকে পাৰ পোৱা নাই। সেইদিনা আছিল সোমবাৰ, হঠাতে ৰূপহীৰ মোবাইলৰ স্কিনত এটা অচিনাকি নম্বৰ ভাহি আহিল, সিফালৰপৰা অচিনাকি ব্যক্তি এজনে ক'লৈ মদন ফুকন ওৰফে পৱিত্ৰ দাসে ULFAত যোগদান কৰিছিল কিছুদিনৰ পূৰ্বে আৰু বৰ্তমান অসম আৰক্ষীৰ হে চোৰাং চোৰাগিৰি কৰা অপৰাধত মদন ফুকন ওৰফে পৱিত্ৰ দাসক মৃত্যুদণ্ড দিয়া হৈছে কিছুসময় পূৰ্বে বুলি কৈ ফোনটো কাটি দিলে। ৰূপহীয়ে মুখেৰে এটা শব্দও উচ্চাৰণ কৰিব নাপালে; একো এটা সুধিবও নাপালে মাথোঁ গম পালে যে মদনৰ মৃত্যু হৈছে।

ৰূপহী শিলৰ দৰে ঠেৰেঙা লাগি বহি পৰিল, কি কৰিব তাই, মদনক কিয় এনেকুৱা কৰিলে বাৰু? কাৰ বাবে মদনে আলফা স্বাধীনত যোগদান কৰিছিল; কাৰ অপৰাধত এয়া হ'ল... নাই নাই তাই আৰু ভাবিব নোৱাৰে, হঠাৎ মাটিত খহি পৰিল ৰূপহী। এনেকৈয়ে এটা দিন পাৰ হ'ল। মাক-দেউতাক। অকণমানি বাবু আৰু ৰূপহীৰ বুকু উদং কৰাই নি মদনক মাৰি পেলালে। গোটেই ঘৰখন মৰিশালী হৈ পৰিল। বুঢ়ীমাকজনীয়ে পদূলিত বৈ বাটৰুৱাবোৰক কয়, "এই পোনাকণ (মদন) আহি আছে; তাৰলৈকে বৈ আছোঁ।" সকলো নিমাত; নিস্তব্ধ! জোনাক গুচি ঘৰখন শূন্যতাৰে ভৰি পৰিল। এনেকৈয়ে যে কিমানজনে প্ৰাণ দিছে; এনেকৈয়ে যে কিমানজন সুঠাম ডেকাৰ মৃত্যু হৈছে? শেষ নহ'ব নেকি বাৰু ৰাঙলী তেজৰ অসম।

আজিৰ অসমীয়াই নিজক
নিচিনিলে;
অসম ৰসাতলে যাব।●

# আলাপ

**সাগৰিকা ভাজনী**
চতুৰ্থ যাণ্মাসিক, পদাৰ্থ বিজ্ঞান বিভাগ

বৰষুণৰ টোপালবোৰ হিয়াৰ হাতৰ আঙুলিয়েদি অন্তৰ পাইছিলগৈ। তাই মাথোঁ বৰষুণৰ টোপালবোৰক আলিংগন কৰাৰ চেষ্টা কৰিছিল—এয়া বিষাদৰ বৰষুণ (?) নে হেঁপাহৰ (?) সমীৰ আহি তাইৰ কাষত থিয় হৈছিলহি।

সমীৰ— "কি ভাবিছ?"

তাৰ মাতত থত্‌মত্‌ খাই তাই বাস্তৱলৈ ঘূৰি আহিল। হিয়া "ভাবিছো, মানুহৰ জীৱনৰ বিৰাট ট্ৰেজেদীবোৰৰ কথা! কিয় বাৰু মানুহৰ নোপোৱাৰ প্ৰতি হেঁপাহ; কিয় বাৰু মানুহৰ অস্তিত্বৰ আশংকা; হৃদয়ৰ কোণৰ নিসংগতা আতংকময়।"

সমীৰ— "এই যে নিসংগতা, আশংকা আৰু আশাই জানো মানুহক মানুহ কৰি নোতোলে। এই সকলোবোৰ আছে বাবেইতো আমি আছোঁ; তুমি আছা, মই আছোঁ।"

হিয়া—"মই নাজানো সমীৰ মানুহৰ জীৱনৰ ৰহস্যময়তা, কিন্তু জানিব বিচাৰো। ক'ত যে কিতাপৰ পৃষ্ঠাত বিচাৰি চলাথ কৰিলো, কিন্তু অনিশ্চয়তাৰ বাদে চোন একোৱেই নাপালোঁ। কিবা এটা আছে প্ৰত্যেকৰে হৃদয়ৰ নিৰ্ভীক কোণত; যদিও প্ৰত্যেকেই সুকীয়া, কিবা এক মিল আছে প্ৰত্যেকৰে মাজত আৰু সেয়া কি জানো নিসংগতাৰ ভয়। আমি যিমানেই সাহসী হৈ নেদেখুৱাও কিয়, এই পৃথিৱীত সকলোৱে নিসংগতাক ভয় কৰে। মই জানিব বিচাৰোঁ কি আছে নিসংগতাৰ সিটো পাৰে। মই জিনিব বিচাৰো নিসংগতাক, জীৱনক।"

সমীৰ— "মানুহৰ কাম জীৱনটো কিয় আছে, কি আছে সেয়া ভাবি থাকিবলৈ নহয়। মানুহৰ কাম হ'ল এই একমাত্ৰ জীৱনটো যেনেকৈ আছে তেনেকৈ যাপন কৰা। চাবা, এদিন এনেকৈ ভাবি থাকোঁতে কেতিয়া জীৱনটোৰ যতি পৰিব গমেই নাপাবা।"

হিয়া—"তুমি ভুল নহয়। কিন্তু জীৱনৰ অৰ্থ বিচাৰিয়েই জানো অমৰ সাহিত্যৰাজিৰ সৃষ্টি নহয়? জীৱনৰ অৰ্থৰ পম খেদি যাওঁতে বুটলা শিলগুটিকেইটাই জানো পাছত অট্টালিকাৰ সৃষ্টি নকৰে।"

সমীৰ—"জীৱনৰ অৰ্থ বিচাৰি বহু বাটৰুৱা আহিল; কিন্তু কোনেও নিজৰ গন্তব্য স্থান নাপালেগৈ; সেয়া পোৱাও সম্ভৱ নহয়। সৃষ্টিয়ে আমাক ইয়াতে সীমাবদ্ধ কৰি ৰাখিছে হিয়া। তুমি জীৱনটোক যেনেকৈ পাইছা, তেনেকৈ উপভোগ কৰা, সাহিত্যৰ সৃষ্টি কৰা, শিল্প সৃষ্টি কৰা। জীৱনে তোমাক যেনেদৰে দিছে, তুমিও জীৱনক উপহাৰ দিয়া। সৌৱা চোৱা, বৰষুণ জাকত প্ৰাণ চঞ্চল হোৱা গছৰ পাতবোৰক, এই বৰষুণজাকে তোমাৰ মনলৈ নমাই অনা সেউজীয়াবোৰক?"

হিয়া—"আনিছে সমীৰ, আনিছে। এই সেউজীয়াবোৰৰ লগতে বৰষুণজাকে বিষাদো নমাই আনে নেকি?"

সমীৰ—"বিষাদ জীৱনৰ চিৰ সহচৰ। যদি আমি ভবামতেই সকলো হ'লহেঁতেন, এই জীৱনৰো একো মূল্য নাথাকিলহেঁতেন। সেয়েহে মানুহৰ নোপোৱাৰ হাবিয়াস, বিৰহ বেদনা।"


মেঘে গৰজিব ধৰিছিল। ক'লা ডাৱৰে আঁৱৰি ধৰিছিল হিয়াৰ চকুৰ সন্মুখৰ আকাশখন। তাই চাই ৰৈছিল আকাশখনলৈ, আকৌ এবাৰ চাইছিল ওচৰতে থিয় হৈ থকা সমীৰলৈ।

হিয়া—"মই কি বিচাৰো জানা সমীৰ?"

সমীৰৰ নথিৰ দৃষ্টি হিয়ালৈ।

হিয়া—"জীৱনটো এক শিল্প হোৱাটো আৰু মই হ'ব বিচাৰো সেই শিল্পক অমৰ কৰি তুলা এজন অক্লান্ত শিল্পী।

সমীৰ—"তুমি বিচাৰা হিয়া; কিন্তু কামনা নকৰিবা।



ভবাটোৱেই যথেষ্ট নহয়। তুমি হ'ব লাগিব জীৱনৰ দূৰন্ত পথিক।"

হিয়া—"কিন্তু মনৰ এই অনিশ্চয়তাবোৰ কিহৰ?"

সমীৰ—"অনিশ্চয়তাৰ পথে তোমাক নিশ্চয়তালৈ লৈ যাব। তুমি মাত্ৰ জীৱনে দিয়া ফুল, কাঁইটক আঁকোৱালি লৈ খোজ দিয়া। তুমি হোৱা পোহৰৰ পথিক। জীৱনে নিজৰ ৰহস্যময়তালৈয়ে জন্ম লৈছে। তুমি মই সেই ৰহস্য ভেদিব নোৱৰা। কিন্তু সেই ৰহস্যময়তা, নিসংগতা, অনিশ্চয়তাক সাৰথি কৰি জীৱনক এক সুন্দৰ সাহিত্যলৈ পৰিণত কৰিব পাৰা। সেই সাহিত্য, যি সাহিত্যই মানুহক চিৰদিনলৈ অমৰ কৰি ৰাখিব।"

হিয়া—"মই কামনা কৰিম সমীৰ, জীৱন নামৰ সাঁথৰক সাহিত্যলৈ ৰূপান্তৰ কৰিবলৈ। নিৰ্জনতাক লগৰী কৰি নিসংগতাক জিনিবলৈ। জীৱনক শিল্পৰ ৰূপ দিবলৈ।"

নিৰৱতাই দুয়োকে আঁৱৰি ধৰিলে। হিয়াই আকৌ চাই পঠিয়ালে ক'লা মেঘখিনিলৈ। লাহে লাহে এচপৰা-দুচপৰাকৈ ক'লা ডাৱৰবোৰ আঁতৰিব ধৰিছিল। সূৰ্যৰ এচমকা কোমল পোহৰ ডাৱৰ ফালি নামি আহিছিল। বিষাদৰ বৰযুণজাকে পথাৰত সিঁচি গৈছিল হেঁপাহৰ শস্য।●

# শেলাইৰ তৰপ

**চানদীপ গগৈ**
স্নাতক দ্বিতীয় যাণ্মাসিক, নৃতত্ত্ব বিভাগ

অনিমাৰ ঘৰৰ পাছফালে থকা পুৰণি দমকলটোৰ মসৃণ পৃষ্ঠখন শেলাইৰে পৰিপূৰ্ণ হৈ আছে। তাতে তেওঁ আজি নিজৰ ল'ৰাটোৰ আৰু নাতিয়েকৰ পুৰণা কাপোৰকেইটা ধুবলৈ যাওঁতে পিছল খাই পৰিল। বয়সৰ চাপ পৰা দেহাটোৰ কিছু কিছু অংশত তেওঁ ভালকৈয়ে আঘাত পালে।

হঠাতে কেনেকৈ পৰি গ'ল সেইয়া তেওঁ নিজেও বুজিব নোৱাৰিলে। কাপোৰৰ বাল্টিটো হাতৰ পৰা পৰিলত বৃহৎ এটি শব্দৰ সৃষ্টি হৈছিল যদিও সেই শব্দ শুনি তেওঁৰ ওচৰলৈ দৌৰি আহিবলৈ ঘৰটোত এটাও প্ৰাণী নাই। অজ্ঞানপূৰ্ণ দৃষ্টিৰে তেওঁ বহু সময় নীলা আকাশখনলৈ চাই ৰ'ল। এবাৰত তেওঁৰ জ্ঞান ঘূৰাই আহিল, কেকোজেকোকৈ কোনোমতে তেওঁ বহি ল'লে সেই ঠাইত। সম্পূৰ্ণ শৰীৰটোত লাহে লাহে বিষ অনুভৱ হ'বলৈ ধৰিছে তেওঁৰ। মূৰৰ পাছফালৰ অংশত বেছিকৈয়ে আঘাতপ্ৰাপ্ত হোৱা যেন পাইছে তেওঁ।

বহাৰ পৰা উঠিব লওঁতেই কঁকালৰ পুৰণি বিষটোৱে মেৰপাক মৰাৰ দৰে আৱৰি ধৰিলেগৈ মগজুৰ স্নায়ুকোষত, এইয়া অসহ্যকৰ আছিল অনিমাৰ বাবে। প্ৰায় চিঞৰি দিলে তেওঁ। কিন্তু অৰ্থহীন সেই চিঞৰ, কাৰণ প্ৰায় তিনিদিনমানৰ পৰাই উৰুঙা তেওঁৰ ঘৰ। মৰমৰ ল'ৰা নয়ন বোৱাৰীয়েক আৰু পুতেকৰ সৈতে চহৰলৈ গৈছে। এইবাৰ নাতিয়েকক বোলে চহৰতহে পঢ়াবগৈ, তাৰবাবে ভাড়াঘৰ এটাও চাইছে। দুদিনমান তাতে থাকি উভটি আহিব বুলি কৈ গৈছে। কিন্তু অহামাহৰ পৰা অনিমাৰ হৃদয়খন নিথৰুৱা কৰি বহুদিনৰ বাবেই গুচি যাব তেওঁলোক।

এই কথাটো মনত পৰিলেই হৃদয়খন গধুৰ হৈ আহে তেওঁৰ। গাঁও এৰি চহৰত কেনেকৈ থাকিবগৈ তাৰ সপোন ৰচি থাকোতেই সকলো সপোন এদিন চূৰ্ণ কৰিছিল তেওঁৰ বোৱাৰীয়েকে। ভাড়া ঘৰটোত বোলে চাৰিজনকৈ মানুহ থাকিবলৈ ঠাই নহ'ব সেইবাবে অকলশৰীয়া বুঢ়ী অনিমাই নিজৰ মৰমৰ ল'ৰা আৰু নাতিয়েকক এৰি গাঁৱতেই থাকিব লাগিব। এই কথাষাৰ মনত পৰিলত অনিমাই নিজৰ হৃদয়খন ডাঠ কৰি সাহসী কৰি ল'লে, নিজৰ মনতেই কিছুমান কথা ভাবিবলৈ ধৰিলে— "অনিমা! এনেকৈ যদি তই শেলাই ধৰা ঠাইবোৰত পৰি মৰি থাক কেনেকৈ থাকিবি অকলশৰে। নিজৰ ল'ৰাটোক ভাল মানুহ কৰিবলৈ হ'লে চহৰত পঢ়াবলৈ নিবই লাগিব মই পৰা হ'লে নয়নকো নিলোহেঁতেন, "কথাষাৰ ভাবি তেওঁ বিষত চিঞৰি চিঞৰি পিছল খাই পৰা ঠাইডোখৰৰপৰা উঠি ল'লে। মূৰৰ পাছৰ অংশত খুউব জোৰেৰে বিষ অনুভৱ হৈছে তেওঁৰ, বাওঁহাতৰ কিলাকুটিৰ পৰাও তেজ বৈ আহিছে। দমকলৰ এচোকত বাওঁ ভৰিৰ কেঁঞা আঙুলিটো লাগি ভালেডোখৰ ছাল এৰিলে।

অ'ত ত'ত ধৰি তেওঁ ঘৰটোৰ ভিতৰলৈ কোনোমতে সোমাই আহিল। নিজৰ বিছনাখনত কোনোমতে বহি ল'লে। ঘড়ীটোলৈ মূৰ তুলি চালে ভালদৰে কিমান বাজিল ধৰিব নোৱাৰে তেওঁ তথাপিও বেলিটোলৈ চাই তেওঁ গম পাইছে যে দিনৰ এক বা দুই বাজিবৰ হ'ল। আজি ওচৰৰ ঘৰৰ অৰ্থাৎ অনিমাৰ দেওৰেকৰ ছোৱালীজনীও নহা হ'ল তেওঁৰ খবৰ এটা ল'বলৈ, এনেইতো দিনটোত দুবাৰ তিনিবাৰকৈ আহি পাতি হাঁহৰ দৰে পেক পেকাই থাকেহি আজি তাইৰো হাই-উৰ্মি নাই। আনদিনা তাইৰ মোবাইলৰ পৰাই প্ৰতিটো খবৰ দিয়া লোৱা কৰে অনিমাই নিজৰ ল'ৰাৰ লগত। কিন্তু আজি কালি বৰ বেছি সময় কথা নাপাতে অনিমাৰ ল'ৰাই তেওঁৰ লগত। কিবা বোলে Busy থাকে কামত।

পুনৰ অসহ্যকৰ বিষটো ধৰিল অনিমাৰ কঁকালত। শুই দিব লওঁতেই মূৰটোও বিষ হ'ল। হাতখন মূৰৰ পাছফালে স্পৰ্শ কৰোঁতে গম পোৱা গ'ল যে সেই অংশত তেজ গোট খাই কোমল হৈ ফুলি আহিছে। অনিমাই নিজৰ মনতে ভাবিবলৈ ধৰিলে— "নাই নহ'ব এনেদৰে অনিমা। কিবা বেয়া বেমাৰহে লগ ল'ব এনেই খৰচ বাঢ়িব নয়নৰ মোৰ কাৰণে ইমানকন হওঁতেই তাক খবৰটো দিওঁগে কাৰোবাৰ পৰা।"

কথাষাৰ ভাবি অনিমাই ভৰ দুপৰীয়াৰ ৰ'দত কেকাই-জেকাই ঘৰৰ পদূলিটোৰ ফালে উলাই গ'ল। ঘৰৰ সন্মুখ পাই বাঁহৰ জপনাখন খুলিবলৈ লওঁতেই মালিনীয়ে আহি ধৰা দিলে অনিমাৰ আগত। অনিমাৰ সেই অৱস্থাটো দেখি তাই কিছু সময় জলকা মাৰি ওপৰৰ পৰা তললৈ চাই চিঞৰি চিঞৰি প্ৰশ্ন কৰিবলৈ ধৰিলে।

"ইচ্ ৰাম বৰমা...!! কেনেকৈ ক'ত পৰি দুখ পালে ইমানকৈ ছাল এৰি আহিলে। হে প্ৰভু তেজ উলাইছে ইমানকৈ। কঁকালতো দুখ পালে নেকি? বিষও হৈ থাকে নহয় আগৰপৰা। আৰু মূৰতো পালে নিকি..."

"ইমানকৈ কিয় চিঞৰি মৰিছ অ'?" অনিমাই ক'লে

"নিচিঞৰিম কিয়? ক'ত কেনেকৈ পৰিলে?"

"এহহ... টিউৱেলটো দেখা নাই জানো যিটো শেলাই ধৰি আছে তাতে পৰিলোঁ।"

"এই পৰজীৱী অদৰকাৰী বস্তুবোৰৰ পৰা শান্তি নাই।"

"হ'ব সেইবিলাক বাদ দে তইনয়নে ফোন এটা লগাই দেছোন মোক।"

"ওম লগাই দিম বাৰু আগতে বলকছোন ভিতৰলৈ ওলাই লওক গৈ আপোনাক ডাক্তৰৰ ওচৰলৈ লৈ যাওঁ।"

"তই ফোনটো লগাছোন আগতে।"

"ওফ। মৰমৰ ল'ৰাটোৰ লগত কথা নাপাতিলে শান্তিয়ে নাপাই মানে, অৱস্থাই নাই নিজৰ সিফালে পৰি।"

কথাষাৰ কৈ মালিনীয়ে ফোনটো লগাই দিলে। অনিমাই অধীৰ আগ্ৰহেৰে কঁপা কঁপা হাতখনেৰে ফোনটো মুখৰ ওচৰলৈ নিলে। এবাৰত নুঠালে আকৌ এবাৰ লগাই চালে। এইবাৰত ফোনটো গ্ৰহণ হ'ল সিফালৰপৰা নয়নৰ অলপ খং সংমিশ্ৰিত কথা ভাহি আহিলে।

"কি হ'ল মালিনী? এবাৰত ফোন নুঠালে বুজিব লাগে নহয় কিবা কামত Busy আছো বুলি।"

অনিমাই তপৰাই উত্তৰ দিলে

"মই হে নয়ন..."

"অ' মা কি ক'বলে আছে সোনকালে ক'।"

কথাষাৰ শুনি অনিমাৰ বুকুখন পুনৰ গধূৰ হৈ আহিল। গধূৰ হৃদয়খনেৰেই তেওঁ ক'লে।

"ব্যস্ত আছে যদি নালাগে দে এতিয়া নকওঁ।"

মালিনীয়ে প্ৰায় চিঞৰি উঠা দি কৈ উঠিল

"কিয় নক'ব অ বৰমা ইমান ডাঙৰ কথাটো। দাদা... শুনাবক বৰমা টিউৱেলৰ শেলাইখিনিত পিছলি পৰিল বৰ বেয়াকৈ দুখ পালে।"

"কিমান দুখ পালি মা।" নয়নে সুধিলে

"বাওঁ হাতত অলপ, কঁকালৰ বিষটো দেখোন আছেই মূৰৰ পাছফালেও পালো অলপ। তহঁত গুচি আহিব পাৰিবি নেকি আজি?" অনিমাই বৰ আগ্ৰহেৰে প্ৰশ্ন সুধিলে।

নয়নে তপৰাই উত্তৰ দিলে।

"কেনেকৈনো যাবি মা ইমান কাম আছে। আৰু কিমাননো মোৰ ওপৰতে আশা কৰি থাকিবি পইচা পাতি দিয়ে থাকো দেখোন। এনেকৈ এবাৰ পৰীক্ষা বুলিয়ে দৌৰি যাব পাৰিম নেকি মই স'ব এৰি। এতিয়া যাছোন মালিনীৰ লগতে মই কেতিয়ালৈ যাব পাৰিম ক'ব নোৱাৰো।"

নয়নৰ এই কথাষাৰৰ প্ৰতিটো শব্দয়ে যেন বুকুত হুলে বিন্ধাদি বিন্ধিলে অনিমাৰ। তেওঁৰ আৰু বেলেগ একো শুনিবলৈ সাহস নহ'ল। মালিনীৰ মুখৰ পৰাও মাত হেৰাল। সিফালৰপৰা নয়নে মালিনীক মাতি ক'বলৈ ধৰিলে।

"মালিনী! মই টকা পঠিয়াই দিওঁ তোৰ একাউণ্টত মাক লৈ যাছোন তইয়ে।"

"হ'ব দাদা। তই মোক টকা নিদিলেও হ'ব বৰমাক ডাক্তৰ ওচৰলৈ নিজে লৈ গৈ দেখাব পৰাকৈ মোৰ শক্তিও আছে জ্ঞানে আছে।" কথাষাৰ কৈ মালিনীয়ে ফোনটো কাটি দিলে।

মালিনীয়ে অনিমাক ডাক্তৰ ওচৰলৈ নিবলৈ গাড়ী এখন ধৰিলে। আনদিনা কথাৰ আউল নিছিগা মানুহ দুগৰাকী বৰ্তমান মৌন। অনিমাৰ গধূৰ বুকুখনত হাজাৰটা প্ৰশ্ন বহুতো দুখ। কিছু সময়ৰ আগতে শুনা নিজৰ মৰমৰ ল'ৰাটোৰ কথাখিনিয়ে বাৰে বাৰে খুন্দিয়াছেহি তেওঁৰ মনত "কিমাননো মোৰ ওপৰতে আশা কৰি থাকিবি" এই কেইশাৰী বাক্যয়ে যেন মৃত্যু সম দুখ দিব পাৰিব অনিমাৰ বুকুত সেই কথা হয়তো তেওঁ কেতিয়াও ভবাই নাছিল। পৰজীৱি অদৰকাৰী সেই শেলাই উদ্ভিদৰ তৰপটোলৈ অনিমাৰ বাৰুকৈ মনত পৰিছে। তেওঁ ছাগে সেই শেলাইৰ তৰপটোৰ দৰেই ই পৰিছে নিজ পুত্ৰৰ বাবে অদৰকাৰী আৰু কেৱল নিজ সন্তানৰ আশাত থকা এগৰাকী পৰজীৱী মাতৃ।●

# মূধচৰ ফাঁকেৰে সৰি পৰা সপোন

**ভাৰতী কলিতা**
স্নাতক চতুৰ্থ ষাণ্মাসিক, অসমীয়া বিভাগ

এখন ভিতৰুৱা গাঁৱৰ পৰা ওলাই গৈছিল গুৱাহাটীৰ দৰে বিশাল এখন মহানগৰীলৈ যাওঁতে দেউতাকে গোটেই বছৰ কষ্ট কৰি গোটোৱা টকাকেইটা অনুপৰ হাতত দি কৈছিল—'বোপাই', দেখিছ্ই নহয় আমাৰ অৱস্থা তই আমাৰ পৰিয়ালৰ মান ৰাখিব লাগিব...। সৰুৰে পৰা যেনেকৈ আমাৰ মান ৰাখিছ আগলৈও ৰাখিব লাগিব। বাকী নতুন ঠাই, নতুন মানুহ তাত ভালদৰে থাকিবি ...। অ, বোলো মই শুনিছোঁ গুৱাহাটী মহানগৰীৰ পানীবোৰ বৰ বেয়া আইৰণ আছে খালে গৰম কৰি খাবি। ৰাতি এপৰলৈকে বাহিৰত নাথাকিবি আৰু খোৱা-বোৱাবোৰ ভালদৰে কৰিবি বোপাই।

তই কেতিয়াও মোৰ দৰে এজন সাধাৰণ নিৰক্ষৰ মানুহ হ'ব নালাগে। মোৰ আশীৰ্বাদ সদায় আছে বোপাই। বৌটি মানে অনুপৰ মাক। সি যাবলৈ ওলোৱা দিনাখনৰ পৰা নিজৰাৰ চকুৰে নিজৰা বৈ আছে। আঁচলৰ ধন অনুপ। কেতিয়াও ঘৰৰ পৰা বাহিৰত যোৱা নাই, কিমান যে সহজ-সৰল সি। মাক নিজৰাৰ ভয় ইমান এটা বৃহৎ মহানগৰত বাপুকন কেনেকৈ থাকিব? মাকে তাক মূৰত হাত বুলাই ক'বলৈ ধৰিলে— 'বোপাই, মোৰ বিশ্বাস তই জয়ী হ'বি। চা! আগৰদৰে এটা কথাই কয় 'ভাল হ'বলৈ বহুদিন লাগে কিন্তু, বেয়া হ'বলৈ এখন্তেক যথেষ্ট। আমি তোক সংগ ন'লবি বুলি নকওঁ ল'বি আগত যেনেকৈ আগত যেনেকৈ সংগ পাতিছিলি তেনেকৈ চাই চিতি ল'বি বুজিলি সোন?

মাকৰ কথাবোৰ শুনি সি ও যে চকুৰ পানীবোৰ ধৰি ৰাখিব পৰা নাই। কিমান যে তাক লৈ দুয়োজনে কষ্ট কৰে তাৰ ঠিকনা নাই, তাক ভাল মানুহ হিচাপে গঢ়ি তুলিবলৈ মাকে আনৰ ঘৰত ৰোৱনী খাটে, দেউতাকে খেতি আধিও কৰে। এনে সময়বোৰ অপচয় নকৰে দুয়োজনে মুঠৰ ওপৰত অনুপ ভাল মানুহ হোৱাটো দুয়োজনে বাঞ্চা কৰে। আইমণি অনুপৰ সৰু ভনীয়েক। ককায়েকৰ বৰ মৰমৰ।

চাইকেলখনতে দেউতাকে তাক বহুৱাই বাছ ৰখোৱা আস্থান লৈ গ'ল হাতত তিনিহাজাৰ টকা দিলে চলিবলৈ আৰু অনুপক ক'লে যদি টকাৰ অসুবিধা হয় চিঠি লিখিবলৈ। বহু আশা বুকুত বান্ধি এখন নতুন ঠাইলৈ ৰাওনা হ'ল। গুৱাহাটী বিশ্ববিদ্যালয়ত পঢ়াৰ সুযোগ পালে। এটা নতুন পৰিৱেশ ...আগতে কিতাপত পঢ়িবলৈ পাইছিল কটন বিশ্ববিদ্যালয়ৰ বিষয়ে। কি যে কপাল আৰু আজি সেইখন বিশ্ববিদ্যালয়ৰ সি এজন ছাত্ৰ।

নতুন চহৰ, নতুন মুখ দেখা পালে। সি অতি কম সময়ৰ ভিতৰত নতুন বন্ধু গঢ়িলে অনুপে। সিহঁতবোৰ অভিজাত শ্ৰেণীৰ অভিজাত মানুহৰ সন্তান। কথাই প্ৰতি অনুপক ইতিকিং কৰে ... কেতিয়াবা হোটেলত খোৱাবলৈ কয় কিন্তু যিকেইটা টকা দেউতাকে তাৰ বাবে পঠিয়াই সেইকেইটাৰে সি ভালদৰে চলিবলৈকে নহয়। বন্ধুবৰ্গক সি ক'ৰপৰা হোটেলত খোৱাবলৈ টকা পায় ...। মনতে, সি বহুত কান্দে নিজৰ জীৱনটোক লৈ। ভগৱানে কিহৰ বাবে তাৰ লগত তেনে কৰিছে সেই প্ৰশ্ন নিতৌ বিছনাত বাগৰি কান্দি কান্দি কয়।

খং উঠে কেতিয়াবা মাক-দেউতাকক লৈ। কিন্তু খং কৰি পাবনো কি? যিমান পাৰে দিয়েই। তাক এখন নামজ্বলা চহৰত তাক পঢ়িবলৈ পঠিয়াবলৈ আৰু তেওঁলোকে কি কৰিব পাৰে শক্তি চাই ভক্তি ...

লাহে লাহে সি ঠিৰাং কৰিলে যে বন্ধুবৰ্গ ত্যাগ কৰিব সি।



ৰাতি শুব নোৱাৰে কত যে কিমান চিন্তা তাৰ... পৰিয়ালৰ চিন্তা, পঢ়াৰ চিন্তা, আকৌ ভাড়া দিব নোৱাৰিলে ভাড়াঘৰৰ মালিকৰ চিন্তা। এই কমবয়সতে অনুপৰ কত যে কিমান চিন্তা। এতিয়া আকৌ এক নতুন চিন্তা বন্ধুবোৰক হোটেলত খোৱাব নোৱাৰাটো তাৰ বাবে এটা বৃহৎ চিন্তাত পৰিণত হৈছে। সি এটা উপায় মনতে ভাবিলে দেউতাকলৈ সি এইবাৰ চিঠি লিখিলে যে এইবাৰ তাক টকাকেইটামান বেছিকৈ প্ৰয়োজন হৈছে। কথা মতেই কাম। দুই তিনিদিনমানৰ পিছত দহ হাজাৰ টকা খামত ভৰাই ডাকোৱালে চিঠিৰ লগতে দি গ'ল। পাছদিনা কলেজত গৈ বন্ধুকেইটাক খোৱালে। তাৰ পিছতে বাহঃবাহঃ .... আকৌ, খোৱাৰ মাজত অপূৰ্বই অনুপক ক'লে—

ঃ ... ঐ, ল'ৰাটো আজি ৰাতি বটল এটা খোৱালে বৰ ভাল পাম ...।

কিছুপৰ সি নিমাত ...

গম্ভীৰ পাৰ্থৰ মাতষাৰি ভাহি আহিল

ঃ আৰে, ভাই অপূৰ্ব অনুপ ল'ৰা নহয় যে ...। গম পাইছ নহয়?

গোটেইকেইটাই পাৰ্থৰ কথা শুনি হাঁহিলে। ইফালে অনুপ খঙত অগ্নিশৰ্মা হৈ পৰিল ...। খঙৰ ভমকত সি যি খাওঁ খাবি বুলি কৈ দিলে ...

ৰাতি গোটেইকেইটা অনুপৰ ৰুমত উপস্থিত হ'লগৈ। মদৰ বটল, গাহৰি মাংসৰ জুতি অনুপৰ ৰুমত। ... পাহৰি গ'ল মাক-দেউতাকৰ আশা, সপোন, হেঁপাহবোৰক।

পাছদিনা ৰাতিপুৱা সি নিজক আইনাত চাবলৈ নোৱৰা হ'ল। কি কৰিলে সি? মাকৰ আশাবোৰক প্ৰতি টোপাল মদৰ নিচাত জাহ গ'ল। দেউতাকৰ শাসন অশ্লীল শব্দবোৰত বিলীন হ'ল। ভনীয়েকৰ বিশ্বাস, মৰম মদৰ গোন্ধত ঠিকনাহীন হ'ল। কিহৰ বাবে সি মৰমৰ গাঁওখন এৰি আহিছিল এতিয়া সি আচলতে কৰিছে কি? ঠিকনা হেৰুৱা পখীৰ দৰেই হৈ পৰিছে সম্পূৰ্ণ। শেষত ... দেউতাকলৈ চিঠি এখন লিখিলে ...

শ্ৰদ্ধাৰ পিতাই ...

তোৰ বোপা এতিয়া আগৰ দৰে হৈ থকা নাই। তই ভবাৰ দৰে মই হৈ থকা নাই পিতাই। নতুন ঠাইত মই সম্পূৰ্ণ নতুন হৈ গ'লোঁ। তোৰ পুতেৰাই এতিয়া শেৱালিৰ গোন্ধত মোহিত নহয় ... পকা কঁঠাল এতিয়া প্ৰিয় নহয়। এতিয়া তোৰ পুতেৰাই এটা বন্ধ কোঠাত চিগাৰেটৰ ধোঁৱাত বিলীন হৈছে, মদৰ বটলত সপোন ৰচিছে। বৌটিৰ আশাবোৰে ঠিকনা হেৰুৱালে ...। ভনীৰ ককাই এতিয়া আগৰ দৰে হৈ থকা নাই। পৰিৱৰ্তনৰ বতাহজাকে চুই গ'ল আৰু কৰি দিলে সম্পূৰ্ণ পৰিৱৰ্তন। বৌটি ... তোৰ আঁচলত বান্ধি ৰখা টকাকেইটা মোৰ কোনো ভাল কামত নাহিল অথচ, এতিয়া সেই টকাকেইটা মদৰ বটলৰ দামত লাগিল।

কি কবি ক? তহঁতৰ মান ৰাখিব নোৱাৰিলোঁ। মই সম্পূৰ্ণ ভাঙি পৰিলোঁ ...

ঘৰলৈ উভতি গৈ তহঁতৰ মান হানি নকৰোঁ মই। এতিয়া এটাই সিদ্ধান্ত ল'লোঁ চিৰদিনৰ বাবে বিলীন হৈ পৰিব মহানগৰীৰ কোলাত। মোক ক্ষমা কৰিবি তহঁতৰ নষ্ট পুতেৰক।

ইতি

তেনেকৈ চিঠিখন লিখি ডিঙিত ৰছীডাল লগাই অনুপে সামৰণি মাৰিলে এটা অধ্যায়ৰ। মুধচৰ ফাঁকেৰে সৰকি পৰিল সপোনৰ টোপাল...।

# স্মৃতিবোৰে ৰিঙিয়াই

**পাৰবিন চেতিয়া**
স্নাতক দ্বিতীয় ষাণ্মাসিক, বুৰঞ্জী বিভাগ

ঃ বাইদেউ টিকেট ... বাইদেউ

মানুহজনৰ মাততহে যেন ...

নীলাঞ্জনাই কল্পনা সাগৰৰ পৰা নামি এই বাস্তৱৰ পৃথিৱীখনত ভৰি দিছেহি। সপোন আৰু বাস্তৱৰ মাজৰ যুদ্ধখনেই হৈছে জীৱন ...। কথাবোৰ ভাবি থাকোতে হঠাৎ তাইলৈ এটা ফোনকল আহিল। এটা অচিনাকী নম্বৰ ...। তাই ৰিচিভ কৰাত তাই এটা চিনাকি মাত শুনিলে।

ঃ নিলু ...

হঠাৎ যেন আকাশখন ভাঙি পৰিব তাইৰ গাত, বুকুখন খান্দি নিছে যেন কিবা বিষ এটাই ... কি হৈছে তাই কথাবোৰ পাগুলি থাকোঁতে সিপাৰৰ পৰা কৈ উঠিল।

ঃ মই তোমাক এবাৰ লগ পাব বিচাৰো নিলু।

তাইৰ যেন মুখৰ মাত হেৰাই গ'ল কি ক'ব তাই কাক কি বুজাব তাই ... তাইচোন নিজেই ভালকৈ একো বুজি পোৱা নাই, তাই নীৰৱে থাকিল। সময়বোৰ যেন আজি স্তব্ধ, চাৰিওফালে যেন নীৰৱতা বিৰাজমান। এই নীৰৱ নিৰ্বিকাৰ সময়বোৰতো যেন ৰিণিকি-ৰিণিকি বাঁহীৰ সুৰৰ নিচিনাকৈ আছে মধুৰতা।

তাই হ'ব বুলি কৈ ফোনটো কাটি দিলে। ঘৰত গৈ তাই আজি মনৰ এই খেলি মেলিবোৰ ডায়েৰী পৃষ্ঠাত আৱদ্ধ কৰিবলৈ ল'লে আৰু তাই সেই অতীতৰ পৃষ্ঠাবোৰো এবাৰ লুটিয়াই চালে কি যে মধুৰ আছিল সেই সময়বোৰ ...।

ঃ শুনাচোন।

তাই পিছফালে ঘূৰি দেখে এজন মৰমলগা অলপ ওখ সুন্দৰ মুখৰ ল'ৰাজন। গহীন জোখেৰে তাইৰ ওচৰলৈ আগবাঢ়ি আহিছে।

ঃ তুমি বহুত ভাল গান গোৱা, ভাল লাগিল কালি।

ঃ উম Thanks

তাই অলপ খৰ খোজেৰে তাৰ ওচৰৰ পৰা আঁতৰি আহিল। সদায় সেই ল'ৰাজনে তাইৰ লগত কথা পাতিব বিচাৰে, কিন্তু তাই যেন একো ক'ব নোৱাৰে সদায় পলাই ফুৰে। এনেকৈ দিনবোৰ গৈ আছিল এদিন নীলাঞ্জনাই তাইৰ লগৰ পৰী, প্ৰিয়া, স্নিগ্ধাহঁতৰ লগত কলেজৰ ক্লাছ ৰুমত সোমাওঁতে দেখে সকলো ছাত্ৰ-ছাত্ৰী ৰুমটোৰ এটা কোণত জুম পাতি বৈ আছে হয়তো কোনোবাই গীটাৰ বজাই আছে সিহঁতিও গ'ল তাই আচৰিত হৈ চাই থাকিল। সেই যে শান্ত মনৰ ল'ৰাজন ইমান ধুনীয়াকৈ গীটাৰ বজাব বা গানো গাব পাৰে তাই ভাবিবই পৰা নাছিল। এনেতে সকলোৱে হাত তালি বজাই চিঞৰি উঠিল অনুৰাগ বুলি। তাইও কোনো নুশুনাকে সৰু মাতেৰে কৈ উঠিল ৰাগ বুলি। এতিয়া লাহে লাহে নীলাঞ্জনাও ৰাগৰ প্ৰতি আকৰ্ষিত হৈছিল। তাই তাক লক্ষ্য কৰে ইমান গহীন। শিশু সুলভ ল'ৰা এটা অকল নিজৰ পৃথিৱীতে মগ্ন হৈ থাকে। এনেকৈ দিনবোৰো গৈ থাকিল ক্লাছবোৰ হৈ আছিল সিহঁতৰ। পৰীক্ষাবোৰো ওচৰ চাপি আহিছিল। সকলোকে গ্ৰুপ Discussion ৰ বাবে গ্ৰুপ বনাই দিয়া হৈছিল। নীলাঞ্জনাৰ গ্ৰুপত পৰী, দুৱৰী, ৰাহুল আৰু অনুৰাগ আছিল। অনুৰাগৰ নামটো শুনি হাঁহিৰ জেউতিৰে উজ্বলি উঠিছিল তাইৰ মুখ। সিহঁতৰ গ্ৰুপ Discussion ৰ সুবিধা হোৱাকে ৰাহুলে এটা Whats App গ্ৰুপ খুলিলে। সিহঁতি প্ৰায়বোৰ Discuss তাতে কৰে। এদিন গ্ৰুপ Discussion হৈ থাকোতে নীলাঞ্জনালৈ এটা মেছেজ আহিল সেই বিশেষ ব্যক্তিজনৰ। নামটো জিলিকি আছিল তাইৰ মোবাইলৰ পাতত ৰাগ। উফ কি আছে এই নামটোত! তাইক জোকাৰি নিব পৰা এক শিহৰণ। তাই মেছেজটো চাই দেখে।

ঃ Hi its me Anurag

তাইও hlw বুলি দিলে

ঃ ভাল নে তোমাৰ

তাইও উত্তৰত দিলে ভাল।

সদায় গ্ৰুপতে কথা পতা হয় এনেকৈ কথা পতা নহয়চোন সিহঁতৰো। দিওঁ দিওঁ বুলি মেজেছ এটা দিব নোৱাৰে সদায় থমকি ৰয় জানোচা কিবা ভুলে হৈ যায়। সিহঁতি সদায় এনেদৰে কথা পাতিব ল'লে। কথা অলপ নাপাতিলে যেন ৰাতি নোপোৱাবই। এদিন তাই কথা পাতি থাকোতে সুধিলে তোমাৰ ঘৰত কোন কোন আছে, সিঁও অলপ সময় ৰৈ মেছেজ দিলে ...

ঃ মা, বাইদেউ আৰু মই।

আৰু এটা হুমুনিয়াহ কাঁঢ়ি লিখিলে

ঃ দেউতা ঢুকোৱা আজি তিনি বছৰে হ'ল এই তিনি বছৰে মাই দুয়োটাৰে দায়িত্ব পালন কৰি আহিছে। বাই master's কৰি ওচৰৰে private college এখনত কৰি আছে আৰু এনেদৰে আমাৰ জীৱনবোৰো চলি গৈ আছে।

তাই তাৰ কথা শুনি ক'লে ...

ঃ এদিন সকলো ঠিক হ'ব চাবা।

সি অলপ হুমুনিয়া কাঁঢ়ি লিখিলে ...

ঃ উম।

ঃ তোমাৰ ঘৰৰ কথা নক'লা যে?

ঃ তুমি সুধাই নাই আকৌ ক'বলৈ।

ঃ অহ এতিয়া সুধিছো নহয়।

ঃ উম ... মোৰ মা, পাপা আৰু ভাইটি এটা।

আচলতে নীলাঞ্জনা ঘৰৰ সকলোৰে আলাসৰ লাডু। বাপেকৰ যেন কলিজাটো তাই। খুব মৰমত ডাঙৰ হোৱা এজনী নীলা চৰাইহে যেন নীলাঞ্জনা। এনেদৰে সিহঁতৰ মাজত সদায় কথা-বতৰা চলি থাকিল। কলেজত সদায় সিহঁতে লগতে থাকিছিল আৰু তাৰ লগত থকা সময়খিনিত তাই নিজকো পাহৰি পেলাইছিল। সিহঁতি নিজঁৰ নিজৰ প্ৰায়বোৰ কথা ইটোৱে-সিটোক কৈছিল। দিনবোৰ যেন খুব সোনকালেই পাৰ হৈ গৈছে। সিহঁতৰ আজি Presentation আছে আৰু ইমানদিনে কৰা কষ্ট যেন আজি সাৰ্থক হোৱা পথত। সকলোৱে নিজৰ নিজৰ গ্ৰুপ presentation দিলে। এইবাৰ নীলাঞ্জনাহঁতৰ নাম আহিল সিহঁতেও খুব সুন্দৰকৈ নিজৰ presentation দিলে। পৰীক্ষাবোৰ যেন ইটোৰ পিছত সিটো আহি থাকে সিহঁতৰ। কটন যেন সেইকাৰণে বিশেষ। আচলতে কটনত পঢ়া বাহিৰেও বাকীবোৰ দিশটো যেন কোনো ধৰণে পিছপৰি থকা নাই কাহানিও। সেয়া লাগিলে খেল হওক নাইবা গান-নাচ নাটক আৰু কটন মানে যেন এক আৱেগ আৰু এই আৱেগক কোনোৱে মোহাৰিব নোৱাৰে। সিহঁতি এইবাৰ M.Sc Mathematics last year student। তাই যেন কথাবোৰ ভাবিলে আচৰিতহে লাগে এইবোৰ যেন কালিৰহে কথা আছিল। সঁচাকৈ সময়বোৰ বৰ গতিশীল। এনেদৰে সিহঁতৰ last year final exam ও কাষ চাপি আহিছে। এদিন নীলাঞ্জনাই দত্ত সূৰ্য কুমাৰ ভূঞা লাইব্ৰেৰী পৰা আহি থাকোতে ৰাগে পাছফালৰ পৰা মাতিলে—

ঃ নিলোঁ শুনাচোন ...

তাই পাছফালে ঘূৰি চাই দেখে ৰাগে তাৰ সেই গহীন খোজেৰে তাইৰ ওচৰলৈ আগবাঢ়ি আহিছে।

ঃ নিলোঁ

ঃ উম কোৱা

ঃ ব'লা

ঃ ক'ত?

ঃ য'ত আনি নিজক বিচাৰি পাওঁ এই মহানগৰী কোলাহলৰ পৰা অলপ আঁতৰত।

সিহঁতি আহিছিল মৌন পাণ্ডু ঘাটলৈ। অনুৰাগে প্ৰায় ইয়ালৈ আহে।

ঃ জানা নিলোঁ মই সকলো কথা মানুহক প্ৰকাশ কৰিব নোৱৰা হয়তো সেইকাৰণে আজিলৈকে কাকো একো মোৰ ভাল লগা বেয়া লগাবোৰ জানিব নিদিলোঁ। কাকো একো ক'ব নোৱাৰো নিজৰ মাজতে থওঁ। নাজানো তোমাৰ লগত কেনেকৈ ইমান সহজ হ'ব পাৰিলো কিন্তু কি জন্ম মানুহক কেতিয়াও মনৰ ভিতৰখন দেখুৱাব নালাগে নহ'লে সকলোৱে আজিকালি কেৱল পুতৌহে কৰে।

ঃ উম সকলো কথা ভাষাৰে প্ৰকাশ কৰিব নোৱাৰি কিছুমান কথা নক'লেও বুজি পাব পাৰি যদি মানুহজন তোমাৰ সকলোতকৈ প্ৰিয় হৈ পৰে আৰু সেই মানুহজনে নক'লেও তুমি তেওঁৰ মনৰ কথা বুজি পোৱা উচিত আৰু শুনা এই চিগাৰেট খোৱাটো অলপ কমাবা বুজিছা।

অৱশ্যে আজিকালি ৰাগে চিগাৰেট বহুত কমহে খায়।



নীলাঞ্জনাই বেয়া পায় বুলিয়ে হয়তো। ৰাগে মিচিকিয়াই মাথো ক'লে—হ'ব দিয়া।

ঃ এতিয়াটো আমি সকলো নিজৰ নিজৰ জীৱন পথত আগুৱাই যাব লাগিব নাজানো আকৌ কেতিয়াবা এই সময়বোৰ ঘূৰাই পাম নে নাপাম।

ঃ বেলেগৰ কথা নাজানো তুমি কিন্তু সদায় মোৰ মৰমৰ নিলোঁজনীয়ে হৈ থাকিবা। আমাৰ এই বন্ধুত্ব কেতিয়াও শেষ নহয়।

বন্ধু? আমি কেৱল বন্ধুৱে নে? তাই যেন নিজকে নিজে সুধিলে নাই এই প্ৰশ্নৰ উত্তৰ তাইৰ ওচৰতো নাই। এনেকৈ এটা দুটা কথা পাতি কেতিয়ানো সন্ধ্যা নামি আহিল গমে নাপালে সিহঁতি। আজি নীলাঞ্জনা মনটো ভাল লাগিল। ভাল নালাগিবই বা কিয়? ভাল লগা ঠাইখনৰ ওচৰত ভাল লগা ব্যক্তিৰ সান্নিধ্য লগতে ভাল লগা মৌপ্ৰিয়া সাধুকথাবোৰ এইবোৰ তাই ভালকৈ উপভোগ কৰিলে। এনেকৈ দিনবোৰ গৈ থাকিল faremell কায চাপি আহিল সকলোৱে যেন সেই দিনটোত কি কৰিব তাক লৈ ব্যস্ত হৈ পৰিল। ৰাহুল, পৰীহ'তে নীলাঞ্জনা আৰু অনুৰাগক লগতে এটা গান গাবলৈ জোৰ কৰি আছিল সিহঁতেও গাবলৈ মান্তি হ'ল আৰু সেইদিনা সকলো শাৰী নহ'লে মেখেলা-চাদৰ পিন্ধিম বুলি কথা পাতি লৈছিল। সেইদিনা নীলাঞ্জনাও পাতল নীলা মেখেলা-চাদৰ এযোৰ পিন্ধিছিল চুলিখিনি অলপ তিতি আছিল বাবে চুলিখিনি মেলি আহিছিল। মুখত অলপ প্ৰসাধনৰ বাহিৰে বেলেগ একো কৰা নাছিল। সঁচাকৈ আজি তাইক বহুত মৰম লাগিছিল অনুৰাগেও আজি ক'লা ৰঙৰ কুৰ্টা এটা আৰু বগা ৰঙৰ পাইজামাৰে তাকো বহুত ধুনীয়া লাগিছিল। এনেকৈ এটা দুটাকৈ proformance বোৰ হৈ আছিল। এবিাৰ সিহঁতকো মতা হৈছিল stape ৰ ওপৰলৈ। অনুৰাগে তাৰ মৰমৰ গীটাৰখন লৈ বজাব আৰম্ভ কৰিছিল নীলাঞ্জনায়ো তাই আটাইতকৈ ভাল লগা অংগৰাগ পাপন মহন্তৰ এটি গীত গাইছিল।

"তোমাৰ কথা ভাবিলেই জানো জোনাক উপচি পৰে
বুকুৰ সিপাৰে এহেজাৰ গোলাপে ৰঙা ৰঙা কৰি মেলে।"

গোটেই হলটো যেন কঁপি উঠিছিল সিহঁতৰ গানত। এনেকৈ এটা এটা ক্ষণ পাৰ হৈ গৈছিল আৰু সেইদিনা সকলোৱে শেষত এখন গ্ৰুপ ফটো উঠিলে। এনেদৰে সেই দিনটো সুন্দৰকৈ পাৰ হৈছিল আৰু এনেদৰে সিহঁতৰ final পৰীক্ষা হ'ল। সিহঁতে নিজৰ নিজৰ পথ বাছি লৈছিল অনুৰাগে bangalor এটা research centre ত job ৰ কাৰণে apply কৰি থৈছে এইফালে নীলাঞ্জনাও NET exam ৰ কাৰণে preparation কৰিবলৈ লাগিছিল। সকলো যেন নিজক লৈ বহুত ব্যস্ত হৈ পৰিল। অনুৰাগৰ একসপ্তাহৰ ভিতৰতে join কৰিবলৈ আহিল কাৰণে তাৰ selection হৈছিল। খবৰটো পোৱাৰ লগে লগে অনুৰাগে নীলাঞ্জনালৈ ফোন কৰিলে।

ঃ কি কৰিছা

ঃ আছো

ঃ তুমি ...

ঃ শুনা মই যাব লাগিব কাইলৈ।

তাই যেন উশাহ বন্ধ হৈ যাব এতিয়া তাই অলপ থুকা-থুকি মাতেৰে ক'লে ...

ঃ ইমান সোনকালে

ঃ উম order আহিছে যাব লাগিব।

অলপ য়ম নীৰৱতা ...।

ঃ নিলোঁ তুমি যেতিয়াই মোক বিচাৰা তোমাৰ কাষত মোক পাবা। তুমি সদায় মোৰ নিলোঁজনীয়ে হৈ থাকিবা।

তাই অকল উম বুলি কোৱাৰ বাহিৰে একো ক'ব

নোৱাৰিলে। আজি যেন ৰাতিটো বহুত গধুৰ হৈ আহিছিল অনুৰাগ আৰু নীলাঞ্জনাৰ বাবে। অনুৰাগে লাহেকৈ ক'লে—

ঃ মই যদি তোমাক অলপ হ'লেও দুখ দিছো বেয়া নাপাবা নিলোঁ মই আকৌ আহিম।

নীলাঞ্জনাই মনতে ক'লে তুমিটো মোৰ কল্পনাত সদায় শুদ্ধ ৰাগ। এনেকৈ এটা এটা ক্ষণ পাৰ হৈ গৈছে আজি নোকোৱাকৈ ইটোৱে-সিটোৰ মনৰ কথা বুজিব পাৰিছে। এইয়া বন্ধুত্ব কেতিয়াও হ'ব নোৱাৰে তেন্তে? কি এই সম্পৰ্ক নীলাঞ্জনাই একো নাম দিব নিবিচাৰে এই সম্পৰ্কক। কিছুমান সম্পৰ্কৰ নাম নাথাকে। থাকে মাথো ভালপোৱা, অযুত বিশ্বাস। এনেকৈ এটা গধুৰ ৰাতি পাৰ হৈ গৈছিল। তাৰ পিছত দিনৰ পিছত দিন পাৰ হৈ গ'ল। অনুৰাগ নিজৰ কামত সোমাই পৰিল। দিনটো খবৰ এটা ল'বলৈও সময়ৰ অভাৱ হ'ল। নীলাঞ্জনাও নিজৰ পৰীক্ষাৰ কাৰণে ব্যস্ত হৈ পৰিল তথাপিও তাই সদায় অনুৰাগৰ এষাৰ মাতৰ বাবে ব্যাকুল হৈ পৰিছিল। অনুৰাগে কেতিয়াবা মেছেজ এটা দিয়ে নহ'লে বেছি ব্যস্ত নাথাকিলে ফোন কৰে। এনেকৈ অভিমানবোৰ থূপ খাই ভিতৰি জুৰুলা কৰি দিছেহি নীলাঞ্জনাক। আজি তিনি বছৰে এবাৰো ভালকৈ কথা নপতা ব্যক্তিজনৰ পৰা হঠাৎ তেনেকুৱাতে ফোন কল অহাত তাই বাস্তৱ জগতলৈ ঘূৰি আহিছে আৰু ফোনটো চাই দেখে ৰাগৰ ফোন। তাই ৰিচিভ কৰিলে সেইফালৰ পৰা ৰাগে ক'লে ... ভালে আছেনে মোৰ নীলা চৰাইজনী।

তাই একো ক'ব নোৱাৰে। আছে মাথো এসোপা অভিমান। এই অভিমানবোৰ ৰাগে ভাঙিব পাৰিবনে?

ঃ একো নোকোৱা

ঃউমহো।

ঃ জানো বহুত খং উঠি আছে তোমাৰ কিন্তু মই তোমাক আজি এটা কথা ক'ব বিচাৰো নিলোঁ। জানাই মই বেছি কথা ক'ব নাজানো আৰু কথা বনাইয়ো ক'ব নাজানো জানা। তোমাক যে প্ৰথম দেখিছিলো Cotton ৰ Campus ত তেতিয়াই তোমাৰ প্ৰেমত পৰিছিলো নিলোঁ। তোমাক যেতিয়াই লগ পাওঁ আকৌ এবাৰ প্ৰেমত পৰো তোমাৰ। আজি পাঁচ বছৰে মনৰ কথা লুকুৱাই ৰাখিলো তোমাৰ পৰা আৰু নোৱাৰিলোঁ নিলোঁ নাজানো তুমি কি বুলি ভাবা। মোক বাৰু তুমি ভাল পাবানে?

তাই ঘনকৈ উশাহ লৈ ক'লে ...

ঃ কাৰোবাক ভাল পাবলৈ কাৰণ নালাগে য'ত কাৰণ থাকে তাত স্বাৰ্থ থাকে আৰু য'ত স্বাৰ্থ থাকে তাত ভালপোৱা নাথাকে।

এনেকৈ যেন অভিমানৰ টোপোলাটো খালি হৈ গৈছিল।

ঃ এইটো সপ্তাহতে গৈ আছোঁ এতিয়া শুৱা লগ পাম সোনকালে।

তাই যেন আকৌ এবাৰ জী উঠিছিল। উফ কি আছে এই মাতষাৰত। তাইক জোকাৰি যাবলৈ যথেষ্ট এই মাতষাৰ। আৰম্ভ হ'লেটো শেষ হ'বই। কিন্তু যি শেষৰ পৰা আৰম্ভ হয় তাৰ শেষ কেতিয়াও নহয়। এক অনাবিল প্ৰশান্তিত চকু মুদি দিলে নীলাঞ্জনাই মুখত এটা মিচিকিয়া হাঁহি লৈ। তেতিয়া মোবাইলত বাজি আছিল কণ্ঠশিল্পী শংকুৰাজ কোঁৱৰ আৰু কবি মৈত্ৰেয়ী পাটৰৰ এটি বিশেষ গীত—

"উভতাই আনিলা
জীয়াই তুলিলা
মোক জীয়াই তুলিলা
মোক জীয়াই তুলিলা
এই ৰিক্ত বুকুতে বাসনা ঢালিলা
মোৰ তেজে তেজে শিৰে শিৰে
বোৱালা প্ৰেমৰ অলকানন্দা ...।

# নিয়তিৰ বিচাৰ

**তন্ময়ী গগৈ**
স্নাতক চতুৰ্থ যাণ্মাসিক, পদাৰ্থ বিজ্ঞান বিভাগ

মাকে অতনুৰ বাবে তাত বাঢ়ি আছিলে। দেখা পাই অতনু গৈ বাঢ়ি দিয়া কাঁহীখনৰ সন্মুখত একো নোকোৱাকৈ বহি ল'লেগৈ। মাকে অতনুৰ মুখলৈ নোচোৱাকৈয়ে সুধিলে ঃ "এইটো সময়ত আকৌ ক'লৈ ওলাই গৈছিলি?" মাকৰ প্ৰশ্নটো শুনি অতনুৱে মিছা কথা এষাৰেই কৈ পেলালে ঃ "লগৰকেইটাই জৰুৰী কাম এটাত মাতি পঠাইছিল, নগ'লে নহ'ব বুলি কোৱাতহে গ'লো।"

ঃ "হ'লেও ইমান ৰাতিখন নোকোৱাকৈ ওলাই নাযাবি, মোৰ চিন্তা হয়।" সি যে মিছা কথাষাৰ ক'লে, মাকে যেন বুজি পালে, হ'লেও তাৰ সুৰতে সুৰ মিলাই কথাষাৰ শেষ কৰি থ'লে। অতনুৱেও মনৰ ভিতৰতে 'অ' বুলি কৈ মাকৰ সন্মতি দিলে। দুয়োৰে মাজত দ্বিতীয়তো প্ৰশ্ন উত্থাপন নহ'ল। অতনুৱে মাকে নেদেখাকৈ মাকৰ মুখলৈ চাই পঠিয়ালে। মাকৰ মুখত যেন কিবা টান বস্তুৱে জোৰত আঘাত কৰাত ফলত ঠাইডোখৰৰ তেজ মৰি ক'লা হৈ পৰিছে, মাকৰ কাণফুলি এপাতৰ ওচৰৰ পৰা অলপকৈ তেজ নিগৰি আহিছে, বাচনবোৰ ইফালৰ পৰা সিফাললৈ নিওঁতেই যেন মাকৰ হাতখন দুৰ্বল হৈ পৰিছে। চকু দুটা কান্দি কান্দি ৰঙা হৈ পৰিলে কিন্তু মুখত কান্দোনৰ চিন নাই। মাকৰ মুখত কোনো আৱেগৰ চিন নেদেখিলে অতনুৱে, দেখিলে মাথো কিছু সময়ৰ আগতে দেউতাকে দি যোৱা আঘাত। তাক ভাত বাঢ়ি দি মাকে কাষতে বহি ল'লে। অতনুৰ ভোক লগা নাছিল কিন্তু মাকে কষ্টত বাঢ়ি দিয়াৰ বাবে সি খাবলৈ চেষ্টা কৰিলে। এগৰাহ ভাত চোবাই এইবাৰ অতনুৱে মাকক প্ৰশ্ন কৰিলে ঃ "দেউতা ক'লৈ গ'ল?"

ঃ "খুৰাৰ দোকানৰ ফালে ওলাই গৈছে, আহি পাওঁতে দেৰি হ'ব বুলি কৈছে।"

ঃ "মানে আকৌ মদ খাই আহিব। সেইবোৰত খৰচ কৰিবলৈ হয়, কিন্তু মোক Science ত পঢ়ালে টিউচনত দিবলৈ পইচা নহয়।" অতনুৱে মেট্ৰিক পাছ কৰি Science ত পঢ়িবলৈ মন কৰিছিল, কিন্তু Science ত পঢ়ালে টিউচন, দামী কিতাপৰ খৰচ বেছি হ'ব বুলি দেউতাকে তাক Arts ত নাম লগাই দিলে। সেইটো কথা লৈ তাৰ আজি দিন পৰ্যন্ত দেউতাকৰ ওপৰৰ খং আঁতৰা নাই। সেইটো কাৰণেই খঙৰ ভমকত মুখৰ পৰা সেইষাৰ ওলাই গ'ল।

ঃ "তোৰ দেউতাই নিজৰ বাবে ঘটিছে, তেওঁৰ যেনেকৈ ইচ্ছা তেনেকৈ খৰচ কৰিব পাৰে। আমাৰ খোৱা-বোৱা, থকা-মেলাৰ খৰচ বহন কৰিছেই দেখোন।"

ঃ "সিমানখিনিটো তুমিও চাকৰি কৰি কৰিব পাৰা, তুমি চাকৰি নকৰা কিয়? তোমাৰোতো দেউতাৰ সমানেই অৰ্হতা আছে।" অতনুৱে মাকক খঙতে চিঞৰি চিঞৰি কৈ পালে।

ঃ "পৰিস্থিতিৰ নজনাকৈ কথা নক'বি অতনু।" এইবাৰ মাকৰ খং উঠিল।

ঃ "তোমাকনো কি পৰিস্থিতিয়ে বাধ্য কৰিলে? মোকো কোৱা।" এইবাৰ মাকে অলপ খংটো কমাই ক'লে—"তই এতিয়া ডাঙৰ হ'লি, সেয়ে কথাষাৰ তোক কৈছো। তই যেতিয়া জন্ম হৈছিলি, সেই সময়ত দেউতাৰ উপাৰ্জনেৰে ঘৰখন ধৰিবলৈ টান হৈছিল। তেতিয়া মই তোৰ দেউতাক কৈছিলো যে মইও কিবা এটা কৰি উপাৰ্জন কৰোঁ বুলি। তেতিয়া তোৰ স্বৰ্গীয় ককাই মোক ধমকি দিছিলে যে 'মোৰ ল'ৰাই ঘৈণীয়েকৰ অৰ্জনৰ খোৱাতকৈ সুদা পেটে থকাই শ্ৰেয়, আনকি মোক তোৰ সৈতে ঘৰৰ পৰা ওলাই যাবলৈ কৈছিলে। মইনো পানী কেঁচুৰাটো লৈ ক'লৈ যাম।

দেউতাৰ ঘৰলৈ উভতি গ'লেও গাঁৱত দেউতাৰ নামত চেকা লাগিব। সেয়ে মই মোৰ বিয়াত অনা অলংকাৰবোৰ তোৰ দেউতাৰ হাতত ঘৰ চলাবলৈ দি দিলো। সেইদিনাৰ পিছত আজিও যদি মই উপাৰ্জন কৰাৰ অনুমতি বিচাৰি যাওঁ, মই তোৰ ককাৰ কথা উপলুঙা কৰিছোঁ বুলি দেউতাই মোৰ ওপৰত মাৰ-ধৰ কৰে।" অতনুৰ মাকৰ কথা শুনি বেজাৰ লাগিলে। সি অন্য এটা প্ৰশ্ন কৰিবলৈ সাহস নকৰিলে। সি একো কথা নোকোৱাকৈ গোটেইখিনি ভাত খাই থ'লে। খাই উঠি নিজৰ কাঁহীখন লৈ যাওঁতে সি মাকক ক'লে—"মই আজি তোমাৰ লগত শুম।" "নালাগে দে, নিজৰ ৰুমতে শুবি, মই তোৰ দেউতা অহালৈ ৰ'ব লাগিব দৰ্জাখন খুলিবলৈ।" "নাই, মই আজি তাত নুশুও। ৰুমৰ কাষত বহুত জয়াল মাত শুনা পাওঁ; মোৰ ভয় লাগে।"

ঃ "হ'ব দে, শুবি মোৰ লগতে।" মাকে পাতলকৈ মিচিকিয়াই ক'লে। সময়ত দুয়ো বিছনাত পৰিল। দুয়োৰ মাজত কোনেও কথা কোৱা নাই। অতনুৰ বিছনাত বাগৰিয়েই টোপনি ধৰিছিল, কিন্তু সি দেউতাক অহালৈ অপেক্ষা কৰিব। সি দৰ্জাখনি খুলিবলৈ যাব। যি মাকক দেউতাকৰ কাষ চাপিব নিদিয়ে। অলপ পিছতে দেউতাক আহি মূল দুৱাৰত জোৰত ঢকিয়াবলৈ ধৰিলে। মাকে বিছনাৰ পৰা নমাৰ আগতেই অতনুৱে দৌৰি গৈ দৰ্জাখন খুলি দি আকৌ দৌৰি আহি ৰুমৰ দৰ্জাৰ চিট্‌কিনি মাৰি বাঁহৰ কুণ্ডা এটা হেণ্ডেলৰ মাজত ভৰাই দৰ্জাখন জোৰ দিলেও খুলিব নোৱাৰাকৈ বন্ধ কৰি মাকক শুবলৈ ক'লে। মাকে জানে, দেউতাকে কৰা অত্যাচাৰবোৰ অতনুৰ সহ্য নহয়, সেয়ে সি মাকক নিৰাপদে ৰাখিবলৈ সকলো প্ৰকাৰে চেষ্টা কৰে। সেয়ে সি কি কৰে, মাকে তাত প্ৰশ্ন নকৰে। দুয়োৱে আকৌ বিছনাত পৰিল। দৰ্জাৰ বাহিৰত দেউতাকে মদৰ নিচাত ঘৰৰ বস্তু দলিয়াই, মাকক সম্বোধন কৰি বহুত অবাইচ মাত মাতিছে। কিন্তু এইবোৰ যেন অতনুৰ বাবে সাধাৰণ। অন্তত ঃ মাকৰ ওপৰত হাত তোলা নাই; সিমানেই যথেষ্ট। দেউতাক অতনুৰ বাবে মানৰ নহয় দানৱ। সি সৰুৰ পৰাই মাকৰ ওপৰত হোৱা অত্যাচাৰবোৰ অসহায়ভাৱে দেখি আহিছে। সৰুতে সি সেইবোৰ দেখি ভয় খাই ফেঁকুৰি ফেঁকুৰি কান্দিছিলে। যেতিয়া অলপ ডাঙৰ হ'ল, তাৰ মনত এটা প্ৰশ্ন উদয় হৈছিল, তাৰ মাকক সহায় কৰিবলৈ কোনো আগবাঢ়ি নাহে কিয়? সি নিজেই এদি মাকক উদ্ধাৰ কৰিবলৈ যাওঁতে দেউতাকে তাক ধমকি দিছিল যে যদি সি মাজত সোমাই, তাৰ মাকক মাৰি আধা মৰা কৰিব। সেইদিনা দেউতাকে তাকও বহুত মাৰিছিলে। মাকে তাক সহায় কৰিবলৈ গৈ নিজে দুগুণ কষ্ট পাইছিলে। সেয়ে অতনুৱে দেউতাকক ঘিণ কৰে। সি দেউতাকৰ বিপক্ষে গৈ একো কৰিব নোৱাৰে, সেয়ে সি মাকক দেউতাকৰ পৰা যিমান পাৰে আঁতৰাই ৰাখে। দেউতাকে মদ নাখালে হুলস্থূল নহয়। কিন্তু যিদিনা মদ খাই ঘৰলৈ আহে সেইদিনা ঘৰৰ পৰিৱেশ বিনষ্ট হয়। এইবোৰ কথা ভাবিয়েই অতনু টোপনি গ'ল।

এদিন ৰাতিপুৱা দেউতাকে পেপাৰ পঢ়ি থাকোতে কলেজলৈ যোৱাৰ বাটত অতনুৱে দেউতাকক মাত লগালে।

ঃ "দেউতা পৰীক্ষাৰ ফৰ্ম-ফিলাপৰ বাবে পইচা লাগিছিলে।"

ঃ "তোক দুদিনমানৰ আগতে কলেজৰ কাৰণে পইচা দিছিলোহে, আকৌ লাগেইনে? পঢ়াতো তোৰ একো ভাল হোৱা নাই, কেনেবাকৈ তই ঘৰৰ পইচা চোৰ কৰিছ নেকি?" অতনুৰ খং উঠি গ'ল। সি মুখে মুখে উত্তৰ দিলে। "মই তোমাৰ নিচিনা নহয় চোৰ কৰি খাবলৈ আৰু মই যিটো পঢ়িম কৈছিলো পঢ়িব দিছিলা জানে, তেনেহ'লে মোৰপৰা কিবা এটা ভাল কিয় আশ কৰিছা।" দেউতাকৰ খং উঠি গ'ল। বহি থকাৰ পৰা উঠিয়ে তাক এক চৰ সোধালে। অতনুৱে খঙত একো নোকোৱাকৈ ওলাই গ'ল। সি যোৱাৰ পিছত মাকে পাকঘৰৰ পৰা ওলাই আহি ক'লে—"সিহঁতৰ সঁচাকৈ পৰীক্ষাৰ ফৰ্ম ফিলাপ হৈ আছে। আজি শেষ দিন। আজি পইচা নিদিলে পৰীক্ষাত বহিব নিদিব।" পিছৰ কথাষাৰ মাকে মিছাকৈ কৈ দিলে।

ঃ "ঠিক আছে তেনেহ'লে, মই নিজেই কলেজত খবৰ কৰিম, যদি তহঁতি মিছা কথা কৈছ', চাই থাকিবি।" মাকে একো নক'লে।

খঙৰ ভমকত সেইদিনা অতনুৱে ৰাতি পলমকৈ ঘৰত সোমাল। ইতিমধ্যে দেউতাকে ঘৰতে বহি মদৰ বটল লৈ খাই আছে। সি অহা দেখি মদৰ গিলাচত শোহা এটা মাৰি তাক সুধিলে ঃ "ক'ত আছিলি ইমান দেৰি? ৰাতিখন ঘূৰি ফুৰ, পঢ়া-শুনা বাদ দেস আজি তোৰ কলেজত গৈ ইমান হাজাৰ টকা দি আহিছো, হ'লেও তোক পঢ়াই কিবা

লাভ হৈছে জানো? কাম কৰিবলৈ পঠিওৱা হ'লেই মোৰ কিবা লাভ হ'ল হয়।" অতনুৰ খং কমাই নাছিলে। দেউতাকৰ কথাত তাৰ খং চুলিৰ আগ পালেহি। সি দেউতাকৰ মদৰ বটলটো লৈ ঘৰৰ বাহিৰলৈ দলিয়াই পঠিয়ালে। মাটিত পৰি কাঁচৰ বটলটো ভাঙি থাকিলে। দেউতাকৰ খঙত চকু ৰঙা হৈ গ'ল। তেওঁ দৰ্জাৰ চুকতে থকা জেউৰাৰ খুটি বনাবলৈ থোৱা বাঁহ এডাল উলিয়াই আনি অতনুৰ ফালে খেদি গ'ল। তেনেতে মাকে পিছফালৰ পৰা দেউতাকক ধৰি ৰখালে, ল'ৰাটোক নামাৰিবলৈ। অতনু কিন্তু নিজৰ ঠাইৰ পৰা এখোজো নাতৰিলে। দেউতাকৰ খং বাঢ়ি গ'ল। 'মোক ৰখাবলৈ তোৰ ইমান সাহস' বুলি অতনুক এৰি দেউতাকে মাকক প্ৰহাৰ কৰিবলৈ ধৰিলে। অতনুৰ আৰু সহ্য নহ'ল। এইবাৰ ঘৰলৈ উভতি আহোতেই সি বাটত ভৰি আহিছিলে, মাকক আৰু কষ্ট সহিবলৈ নিদিয়ে। সেয়ে সি জোৰত আগবাঢ়ি গৈ দেউতাকক ঠেলা মাৰি দিলে। দেউতাকে সন্তুলণ হেৰাই ওচৰৰ টেবুল এখনত খুন্দা খাই পৰি গ'ল। সি সেই সুযোগতে মাকক ধৰি, ভিতৰৰ কমলৈ মাকক ঠেলি দি দৰ্জাখনত খুণ্ডা মাৰি বন্ধ কৰি ল'বলৈ ক'লে। মাকে দেউতাকৰ ভয়ত অতনুৱে যি ক'লে তাকে কৰিলে। দেউতাকে পৰাৰ পৰা উঠি মাকক দেখা নাপাই অতনুকে খেদি গ'ল। সি ঘৰৰ বাহিৰলৈ দৌৰ মাৰিলে। পিছে পিছে দেউতাকে হাতত কামি এচাৰি ডাল। সি বহুত দূৰ দৌৰি গৈ ওচৰৰ উপপথটো পালেগৈ। সেইটো বাটত গাড়ী-মটৰৰ আহ-যাহ বেছি। অতনুৱে চেগ বুজি বাটতো পাৰ হৈ দিলে। দেউতাকে তাৰ পিছে পিছে যাওঁতেই মদৰ নিচাত গাড়ী এখনকে খুন্দিয়াই দিলে আৰু বাটৰ মাজতে পৰি গ'ল। সেইখনৰ পৰা কথমপি ৰক্ষা পৰিলে যদিও কিছু মুহূৰ্ততে অন্য এখন গাড়ী তেওঁৰ ভৰিৰ ওপৰেদি পাৰ হৈ গ'ল। বিষত তেওঁ বিকট্ চিঞৰ মাৰিবলৈ ধৰিলে। কিন্তু অতনুৱে এবাৰো উভতি চাবলৈ নৰ'ল। সি দৌৰি গৈ আন্ধাৰত নোহোৱা হৈ গ'ল। দেউতাকৰ চিঞৰ শুনি বাটৰ কাষৰ মানুহ আগবাঢ়ি আহি এম্বুলেঞ্চ এখন আনি দেউতাকক হস্পিতাললৈ লৈ গ'ল। দেউতাকৰ ভৰিৰ অৱস্থা বহুত বেয়া। শিৰা-উপশিৰাসমূহ চিঙি পৰিলে। এখন ভৰি কাটিবলগীয়া হ'ল। অতনুৰ মাক দেউতাকৰ লগতে আছিলে কিন্তু অতনুৰ খা-খবৰ নাই। সি সেই দিনটোৰ পৰা ঘৰলৈ উভতি অহা নাই। মাকে সদায় সি উভতি আহিবলৈ প্ৰাৰ্থনা কৰি উচুপে। দেউতাকক ঘৰলৈ অনাৰ কেইদিনমানৰ পিছত এদিন মাকলৈ অতনুৱে ফোন কৰিলে। অতনুৰ মাত শুনি মাকে চকুপানী ৰখাব নোৱাৰি কান্দি কান্দি ক'লে।

ঃ "সোণ, ঘৰলৈ উভতি আহ। তই আজিৰ পৰা একো চিন্তা কৰিব নালাগে। আজিৰ পৰা মই উপাৰ্জন কৰিম। তোৰ কেনো অসুবিধা হ'ব নিদিওঁ। তই ঘৰলৈ উভতি আহ।" অতনুৱে গহীনভাৱে ক'লে—"মা, মই যদি ঘৰলৈ যাওঁ, তুমি মোৰ লগত সেইখন ঘৰৰপৰা গুচি আহিব লাগিব।"

ঃ "চা সোণ, দেউতাৰ গা বেয়া। মই এনেকুৱা পৰিস্থিতিত তেওঁক এৰি থৈ কেনেকৈ যাম।"

ঃ "দেউতাই তোমাৰ লগত এইকেইবছৰে যি ব্যৱহাৰ কৰিলে তাৰ শাস্তি ঈশ্বৰে তেওঁক দিলে। তোমাক আৰু কষ্টত থাকিবলৈ দিব নোৱাৰো মই।"

ঃ "চা সোণ, যিদিনা তোৰ দেউতাৰ লগত মই বিয়া হৈছিলো, সেইদিনাই কথা দিছিলো যে জীৱনৰ সকলো পৰিস্থিতিতে আমি একেলগে থাকিম। সেয়ে মই তেওঁক এৰি থৈ যাব নোৱাৰো।" অলপ ৰৈ মাকে আকৌ ক'লে, এইবাৰ কিন্তু মাকৰ মাতত দুখ নহয় সাহস আছিল। "তই উভতি আহিব নালাগে। তই নিজৰ যত্ন নিজে ল'ব পাৰিবি মই জানো। তই নিজে এজন ভাল মানুহ হ'বি। মই প্ৰাৰ্থনা কৰিম। কিবা প্ৰয়োজন হ'লে মোৰ ওচৰলৈ আহিবি। মই তোক সদায় সহায় কৰিম।" অতনুৱে মাকৰ কথাষাৰ বুজিলে—"ঠিক আছে তেনেহ'লে, মই তোমাক কথা দিছো, মই ডাঙৰ হৈ ভাল মানুহ হৈ আহিম আৰু তোমাক এটা সুখৰ জীৱন দিম। তেতিয়ালৈকে তুমি অপেক্ষা কৰা।"

ঃ "ইমান বছৰে তোৰ মুখখন চাইয়েই জীয়াই থাকিবলৈ সাহস পালো, এতিয়া তোৰ মুখখন চাবলৈয়েই মই জীয়াই থাকিম। মোৰ আশীৰ্বাদ সদায় তোৰ লগত থাকিব।" ●

# জীৱনৰ ৰং

**চায়া বৰুৱা**
স্নাতক দ্বিতীয় ষাণ্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ

খিৰিকীৰ ফাঁকেৰে নামি আহিছে কোমল এছাটি ৰ'দ... স্মৃতিৰ মানসপটৰ পৰা ভাহি আহিছে এষাৰ মাত ...

ঃ মই সোনকালে উভতি আহিম।

আকৌ এক নীৰৱতা। ডায়েৰীৰ পৃষ্ঠাবোৰে আকৌ এবাৰ সোঁৰৰাই দিছে অতীতৰ সেই দিনবোৰ ...।

ঃ মা মোৰ বৰ ভোক লাগিছে।

নিয়ৰৰ মাতত শতাব্দীৰ তন্ময়তা ভাগিল। স্মৃতিৰ গভীৰতাৰ পৰা তাই বৰ্তমানৰ তিক্ত সময়লৈ উভতি আহিল। ডায়েৰীখন সামৰি তাই নিয়ৰক হাতত ধৰি ডাইনিং টেবুললৈ লৈ গ'ল। আজি তাই নিয়ৰে খাই ভাল পোৱা সকলোবোৰে ৰান্ধিছে।

ঃ মোৰ সোণটোৰ আজি বৰ ভোক লাগি আছিল ন? আজি স্কুলত তোমাৰ কেনেকুৱা লাগিল কোৱাচোন।

ঃ মা মই কেতিয়াও স্কুল নাযাওঁ।

এইবুলি কৈ নিয়ৰে মাকৰ বুকুত কুচি-মুচিকৈ সোমাই পৰে। তাৰ চকুৰপৰা নিগৰি পৰিছে দুটোপাল অশ্ৰুৰ ধাৰা।

ঃ কিয় মোৰো সোণ? কোনে কি ক'লে তোমাক? মোলৈ মনত পৰিছিল তোমাৰ?

ঃ মোৰ লগত কৌশিক, ৰাজু, ভাৰ্গৱ, ইমন সকলোকে সিহঁতৰ মাক-দেউতাকে থ'বলৈ যায়। মোৰো মন যায় পাপাৰ লগত বাইকত বহি স্কুল যাবলৈ, পাপাৰ পিঠিত উঠি খেলিবলৈ অ' মা মোৰ পাপালৈ বৰকৈ মনত পৰে। কোৱানা পাপাক মোৰ ওচৰলৈ আহিবলৈ।

শতাব্দীয়ে জোৰকৈ ওলাবলগীয়া কান্দোনটোক কোনোমতে চেপি ৰাখিছে। তাই এনেকুৱা এটা পৰিস্থিতিৰ যে সন্মুখীন হ'ব লাগিব সেই কথা কেতিয়াও ভবা নাছিল। হয়, সময়ে সকলো সলনি কৰে। শতাব্দীৰ জীৱনটো বহুখিনিয়ে সলনি হ'ল। ভগৱান ইমান নিষ্ঠুৰ কেনেকৈ হ'ব পাৰে। শতাব্দী এজনী খুব-সৰল ছোৱালী। তাইৰ প্ৰেম বিবাহ হৈছিল একেখন গাঁৱৰে দিবাকৰৰ লগত। তেওঁলোকৰ বিয়াৰ কথাটো দিবাকৰৰ ঘৰৰ মানুহে প্ৰথমাৱস্থাত মানি লোৱা নাছিল যদিও পিছত দিবাকৰৰ বুজনিত তাইক বোৱাৰী হিচাপে আঁকোৱালি লৈছিল। খং-অভিমান, মৰম-চেনেহ এইবোৰৰ মাজতে এটি এটি পল পাৰ হৈছিল। দিবাকৰৰ কাৰণে শতাব্দী আছিল অভিমানী প্ৰিয়া। তাৰ পিছতে সিহঁতৰ মৰমৰ সংসাৰখনলৈ এটি কণমানি শিশুৰ আগমন ঘটিল। সকলোবোৰ ঠিকে চলি আছিল কিন্তু লাহে লাহে দিবাকৰৰ মাকৰ মনত বোৱাৰীয়েকৰ প্ৰতি বেয়া ভাব এটাই ঠাই লৈছিল আৰু এই বেয়া ভাববোৰ আন কোনো নহয় সমাজৰ নিষ্ঠুৰ মানুহবোৰেই সুমুৱাই দিছিল। দিবাকৰ ঘৰত নথকা অৱস্থাত তাইক মানসিকভাৱে শাস্তি দিয়া হৈছিল। এই সকলোবোৰ সমস্যাৰ বিষয়ে এদিন তাই মাকক ফোন কৰি কৈছিল—

ঃ মা মই বৰ কষ্ট পাইছো অ'।

ঃ ছোৱালী মানুহ হৈ এইখিনি সহ্য কৰিবই লাগিব। শহুৰ-শাহুৱে যি কয় তাকে মানি চলিবি।

মাকৰ এনে পোনপটীয়া উত্তৰ তাই আশা কৰা নাছিল। দিবাকৰে কষ্ট পাব বুলি এই কথাবোৰ মাকৰ বাহিৰে কাকো কোৱা নাছিল। দিনৰ ভাগত মুখত এমুকুৱা হাঁহি লৈ মাজ নিশাৰ উচুপনিত তাই সকলোবোৰ উৰুৱাই দিছিল। দিবাকৰে এদিন সকলোবোৰ কথা গম পোৱাৰ পিছত মাকৰ প্ৰতি তাৰ মনত ঘৃণা উপজিছিল।

তেতিয়াৰপৰাই যেন তেওঁলোকৰ ঘৰখনত বিষাদৰ ধুমুহা বলিছিল। "মই সোনকালে উভতি আহিম" বুলি কৈ সেইদিনা দিবাকৰে ঘৰৰ পৰা ওলাই গৈছিল। তাৰ পিছতে



আহিল সেই খবৰটো ... "দিবাকৰ আৰু এইখন পৃথিৱীত নাই। এটা পথ দুৰ্ঘটনাত তাৰ মৃত্যু হৈছে।" ঘৰৰ মানুহে তাৰ মৃত্যুৰ বাবে দায়ী তাইকে সজালে। নানাজনে নানা কথা শুনালে। ইমানবোৰ অপমান সহ্য কৰিব নোৱাৰি তাই নিয়ৰৰ লগত সেইখন ঘৰৰ পৰা আঁতৰি আহিছিল চিৰদিনৰ বাবে। নিয়ৰ তেতিয়া দুবছৰীয়া কেঁচুৱা।

ঃ নিয়ৰচোন টোপনি গ'ল। বিছনাত শুৱাই দে গৈ যা।

কথাবোৰ ভাবি থাকোতে কেতিয়ানো নিয়ৰ তাইৰ কোলাত টোপনি গ'ল গমেই নাপালে। ককায়েকে কওঁতেহে মন কৰিছে।

ঃ তই এইখন ঘৰত আৰু কিমান দিন থাকিম বুলি ভাবিছ।

ঃ মানে?

ঃ তইটো জানই মই দৰমহাও বহুত কম পাওঁ। তেনে অৱস্থাত ঘৰখন চলাবলৈ অলপ দিগদাৰ হৈছে। এটা কাম নকৰ কিয় ... তই দিবাকৰৰ ঘৰলৈকে যাগৈ। সেইখন জানো তোৰো ঘৰ নহয়? তই ইয়াত এনেকৈ থকা দেখি সমাজখনে নানা কথা উলিয়াইছে। এইবোৰ শুনি শুনি অতিষ্ঠ হৈ পৰিছোঁ। তই মোক ভুল নুবুজিবি ...।

ঃ যিখন ঘৰে মোক ইমান কষ্ট দিলে সেইখন ঘৰলৈ মই কেনেকৈ উভতি যাওঁ। মোৰ জীৱনত ৰং সানি দিয়া মানুহজনেই এতিয়া ...।

নাই তাই একো ক'ব নোৱাৰে। মুখৰ আগত ভাল হৈ পিছমুহূৰ্তত সমালোচনা কৰা সমাজখনক তাই আৰু বুজাব নোৱাৰে। তা যুঁজিব লাগিব জীৱনৰ সৈতে। এতিয়াৰ পৰা নিয়ৰেই তাইৰ পৃথিৱী। দিবাকৰৰ মৃত্যু হোৱা আজি তিনিটা বছৰেই হ'ল। সেই তিনিটা বছৰে তাই ককায়েকৰ ঘৰখনতে আছেহি। দেউতাকৰ মৃত্যু নিয়ৰে আজিলৈকে মানি ল'ব পৰা নাই। দেউতাক বিহীন জীৱন কটোৱা সিমান সহজ নহয় সেইয়া তাইয়ো বুজে। কিন্তু ...। ককায়েকক সোনকালেই কিবা এটা ব্যৱস্থা কৰিম বুলি কৈ তাই সেই ঠাইৰ পৰা আঁতৰি আহে। আচলতে তাইক এজাক মুকলি বতাহৰ প্ৰয়োজন। যি বতাহে কঢ়িয়াই আনিব পাৰে এমুঠি সুখ এমুঠি শান্তি। বাহিৰত তেতিয়া ধাৰাসাৰ বৰষুণ ...। বৰষুণজাকেও যেন জানি-বুজি দিবাকৰৰ কথাকেই বাৰে বাৰে সোঁৱৰাই দিছে। কাৰণ দিবাকৰৰ বৰষুণ প্ৰিয়। তাইৰ এতিয়াও মনত আছে ... দিবাকৰে এদিন তাইক কৈছিল—

ঃ "এবাৰ বৰষুণ জাকক ভাল পাবলৈ শিকা। পাৰিলে এবাৰ তিতি চাবা বৰষুণত। এনেকুৱা লাগিব যেন তোমাৰ সকলোবোৰ বিষাদ বৰষুণে ধুই দিব।"

দিবাকৰৰ কথাত তাই খুব মতে হাঁহিছিল। ফিল্মী মানুহ বুলি কৈ তাক জোকাইছিল।

তাৰ পিছত মধুৰ সময়বোৰ লাহে লাহে গ'লি গ'ল ... জীৱনৰ ৰংবোৰ নোহোৱা হ'ল।

আজি কিয় জানো শতাব্দীৰো বৰষুণ জাকত তিতিবলৈ বৰকৈ মন গৈছে। কিমাননো মাজনিশাৰ উচুপনিক নিজৰ সংগী কৰিব। মেলি দিছে তাই বৰষুণত নিজৰ দুয়োখন হাত। যেন ধুই নিব তাইৰ সকলোবোৰ বিষাদ ...। আজি তাইৰ দেৱতাসদৃশ মানুহজনেও হয়তো কৈছে—

"জীৱনৰ ৰংবোৰ পুনৰ ঘূৰাই আনা ...
মই জানো তুমি পাৰিবা
কাৰণ তুমি যে মোৰ অভিমানী প্ৰিয়া ...।"●

# হেৰোৱা আবেলি

**চানদ্বীপ গগৈ**
স্নাতক তৃতীয় যাণ্মাসিক, নৃতত্ত্ব বিভাগ

পুৰণি আধা ভঙা কাঠৰ খিৰিকীখনেৰে সোমাই আহা এচেৰেঙা ৰ'দটোৱে নিৰৱক পুৱাতেই জগাই দিলেহে। কালি বাওঁহাতৰ বুঢ়া আঙুলিত দুখ পোৱা ঠাইডোখৰত খুউব জোৰেৰে বিষ অনুভৱ হৈছে তাৰ। অমাক ওচৰত থকা হ'লে চাগে বৰ আলফুলেৰে মলম লগাই দিলেহেঁতেন তাৰ সেই দুখ পোৱা ঠাইডোখৰত। সি শুই থকাৰ পৰাই দুৱোকাযে এবাৰ উনুকিয়াই চালে নাই আজিও আনদিনাৰ দৰে অকলশৰীয়া সি।

শুই থকা তুচকযোৰৰ পৰা উঠি সি সেই ঠাইডোখৰ সুন্দৰকৈ পৰিষ্কাৰ কৰি পেলালে। ওচৰতে থকা ভঙা কাঠৰ খিৰিকীখনেৰে সি বাহিৰলৈ চালে পুৱাৰ কোমল ৰ'দছাটিৰ পৰশ লৈ খুউব আনন্দ মনেৰে কুৰুলিয়াই ফুৰিছেহি শালিকী চৰাইজনীয়ে। উল্লাসেৰে আঁকোৱালী লৈছে। এটি নতুন পুৱাক। পোহৰ ভাল পোৱা পৃথিৱীখনে পুনৰ শুভাৰম্ভ কৰিছে এটি নতুন দিনৰ। সি এইবাৰ খিৰিকীখন সম্পূৰ্ণৰূপে খুলি পেলালে বাহিৰত থকা জোপোহা নৰসিংহ গছজোপাৰ আঁৰত বাহ সজা বুলবুলি চৰাইজনীলৈ তাৰ চকু গ'ল, চৰাইজনীয়ে বৰ্তমান চাৰিটাকৈ পোৱালি জগাই তুলিছে। জাৰকালৰ শীতে যাতে শেৱালিকেইটাৰ কোমল হৃদয়ক আঘাত নকৰে তাৰ বাবে তাই নিজৰ শৰীৰৰ ওমৰে আবৰি ধৰি ৰাখিছে তাইৰ প্ৰতিটো কণমানি পোৱালিক। ৰ'দৰ তাপে বাহটোৰ ঠাই টুকুৰা জৰ্জৰিত নকৰালৈকে বুলবুলি চৰাইজনীয়ে নিজৰ পোৱালিকেইটাক এৰি থৈ নাযায়। সেই দৃশ্য দেখি নিৰৱৰ চকু দুটা চল্‌চলিয়া হৈ পৰিল। মাকলৈ মনত পৰিছে তাৰ মাকৰ লগত কটোৱা সেই আবেলি সময়কণ তাৰ বৰ প্ৰিয় আছিল। ফিকা চাহৰ লগত গুঁৰৰ মিঠা সুৱাদে ঘূৰণীয়া কৰি তুলিছিল সেই ৰঙীন আবেলিবোৰক।

এনেতে ঘৰৰ মালিকনিয়ে তাক মাতি নিলেহি। তেওঁৰ হাতত থকা কাপোৰৰ টোপোলাটো তাৰ ফালে দলিয়াই ধুবলৈ দি গ'ল। সি পুৱাটোৰ কাপোৰ ধুবলৈ আৰম্ভ কৰিলে বৰফৰ দৰে চেঁচা পানীবোৰে তাৰ হাতৰ ছালবোৰক টুটোৰা পেলাইছেহি। তাৰ দোষ পোৱা ঠাই টুকুৰাৰ পৰা লাহে লাহে তেজ নিগৰিব ধৰিছে। তাৰ মাকক চিএৰি মাতি দিও যে লাগিল সি যেন ক'ব—"অ' মাহুহু মাহুহু চাছোন চা ইমান বিষাইছে দোষ পোৱা দোষৰ কিবা অকণ লগাই দে হি আহছোন" কিন্তু নিচিএৱৰে সি, আজি কালি তাৰ বাবে যেন এনে সকলোবোৰ চিন্তাই ব্যৰ্থ।

আজি প্ৰায় তিনিবছৰে পাৰ হ'ল তাৰ মাকৰ মৃত্যু হোৱা। নিজৰ বায়েককো শেষবাৰ তেতিয়াই দেখিছিল সি। নিজৰ আপোন মানুহখিনিক যে জীৱনত আৰু কেতিয়াও ভালদৰে লগ নাপাব সেই কথা সি হয়তো এই তিনিবছৰত উপলব্ধি কৰিব পাৰিছে।

পিতৃহীন নিৰৱৰ সৰু পৰিয়ালটোক মাকেই সৰু সুৱা কাম কৰি চলাই ৰাখিছিল। টকাৰ অভাৱ অধিক আছিল যদিও সুখৰ মাত্ৰা কিন্তু কোনোদিনাই কমি যোৱা নাছিল সিহঁতৰ পৰিয়ালত। বায়েক আৰু মাকৰ সৈতে হাঁহিৰে আৰম্ভ হোৱা তাৰ দিনটো হাঁহিৰ সৈতেই শেষ হৈছিল। চৰকাৰী বিদ্যালয়খনত শিকোৱা প্ৰাৰ্থনা, বিভিন্ন অসমীয়া সংগীত, অংকৰ নেওঁতাসমূহ সি গধূলি খুউব আগ্ৰহৰে আঁওৰাইছিল। ঠিক একে ধৰণেৰেই আৰম্ভ হৈছিল সেই দিনটো, ফিকা চাহৰ লগত গুঁৰৰ মিঠা সুৱাদে পুনৰ ৰসাল কৰিছিল সেই আবেলি সময়কণ চাহৰ বাটিকেইটা বায়েকক ধুবলৈ দি বজাৰলৈ উলাই গৈছিল নিৰৱৰ মাক। আবেলি পাৰ হৈ ৰাতি হ'ল কিন্তু সিহঁতৰ



মাক ঘূৰি নাহিল। পুৰা এখন বগা ৰোগী বাহনত, এখন বগা কাপোৰে ঢাকি অনা হৈছিল সিহঁতৰ মাকক। সেই সময়ত তাৰ মাকৰ ওঁঠত আৰু হাঁহি নাছিল উজ্বল চকু দুটিত নিৰ্মলভাৱে শুকাই গৈছিল, সদাই সুগন্ধী বিয়পোৱা তেওঁৰ শৰীৰৰ পৰা সেই সময়ত দুৰ্গন্ধ বিয়পিবলৈ আৰম্ভ কৰিছিল। তাৰ বায়েকে কান্দিছিল সি চিঞৰিছিল সকলোকে প্ৰশ্ন কৰিছিল কেনেকৈ কি হ'ল। বহুজনে ধৰি বুজাইছিল তাক এখন উদণ্ড গাড়ী কেনেদৰে তাৰ মাকৰ গাৰ ওপৰেৰে পাৰ হৈ গুচি গৈছিল।

সেইয়া শেষ আছিল তাৰ সেই ভাল লগা দিনবোৰৰ, তাৰ ৰসাল স্মৰণীয় আবেলিবোৰৰ। সমন্ধীয় খুড়াক এজনে আনি এজন ধনৱন্ত লোকৰ ঘৰত পইচা সলনি কাম কৰিবলৈ এৰি দিলে তাক। বায়েকৰ কি হ'ল তাৰ খবৰ সি আজিলৈকে পোৱা নাই।

মালিকনিয়ে আহি পুনৰ অন্য কামত লগোৱালেহি তাক। আজি তেওঁলোকৰ ঘৰলৈ আকৌ আলহী আহিছে সম্পূৰ্ণ ঘৰটো পুনৰ পৰিষ্কাৰ কৰোৱাছে তাক।

অতিথিয়ে আহি ঘৰৰ দুৱাৰত ভৰি দিয়াৰ মাত্ৰকে মালিকনিয়ে ঘৰখনৰ কাম বিলাকক লৈ নিজৰ ব্যস্ততাৰ উন গাবলৈ ধৰে যেন সকলোবিলাক তেওঁ নিজেহে কৰে। নিৰ্বৰৰ খং উঠে এনেবোৰ কথাত। তেওঁলোকে সমাজৰ দুখ-গুণ সকলোবিলাকৰ কথা পাতিছে ভালৰ ভালটো কেৱল তেওঁলোকে কৰে বেমাৰ হিচাপে তেওঁলোকৰ তালিকাত নাহেয়। তেওঁলোকৰ এনে কথা-বতৰাবোৰৰ মাজতে নিৰৱে আহি চাহৰ যোগন ধৰিলে। আলহী গৰাকীয়ে তাক দেখি লগে লগে প্ৰশ্ন কৰিলে—"এই লেবাৰ ল'ৰাটো ক'ত পালে আপুনি?" কথাষাৰে যেন বুকুত শুলে বিন্ধাদি বিন্ধিলে নিৰৱৰ হৃদয়ত। সি তাৰপৰা আঁতৰি আহিল যদিও স্পষ্টকৈ শুনিবলৈ পাইছিল তেওঁলোকৰ বাকি সকলোবিলাক কথা।

—"জানো ...? তেখেতে ক'ৰপৰা খবৰ কৰি আনিছিলে পাহৰিলো মাক-বাপেক নাই তাৰ খুড়াকে পইচাৰ বাবে কামত লগাইছিল ইমান সৰু ল'ৰাটোক এবছৰমান টকা দি আৰু নিদিলো। ইমানকে কিবা কিবি এটা দি আমিয়ে ৰাখিলো আৰু "ঘৰৰ মালিকনিয়ে ক'লে।

"ভালেই কৰিলা আমাৰ মানে বিয়াখনৰো চুৰা জাৰৰ আদিবোৰ পেলাবলৈ লেবাৰ ল'ৰা এটা ৰাখিছিল ইয়াকে পোৱা হ'লে। আপোনাৰ কিবা অসুবিধা হ'ব নেকি?" অতিথি গৰাকীয়ে আগ্ৰহেৰে প্ৰশ্ন কৰিলে।

"লৈ যাব ইয়াকে এদিনৰ কাৰণেহে, মোৰ একো অসুবিধা নহয়।"—ঘৰৰ মালিকনিয়ে তপৰাই উত্তৰ দিলে।

কথাখিনিয়ে আঘাত কৰিলে নিৰৱক। কিন্তু সেই আঘাত কাৰ আগত ব্যক্তি কৰিব সি। দিনৰ সকলো কাম শেষ কৰি সি ঘৰটোৰ গোদামত সোমাল সেইটোৱে তাৰ শোৱা কোঠালি। খুলি ৰখা ভঙা খিৰিকীখন জপাবলৈ গৈ সি দেখিলে বুলবুলি চৰাই পোৱালিকেইটাই ওপৰলৈ মুখ মেলি চিঞৰি আছে তাৰে এটাই চকু মুদি মৃত্যুৰ শেষ ক্ষণ গণিছে। পুৰাতেই বাহত পোৱালিকেইটা এৰি এতিয়ালৈকে উভতি অহা নাই বুলবুলি চৰাইজনী। ঠিক তেনেকুৱা এটি আবেলি। ৰঙা বেলিয়ে জিপাল কৰা ধুনীয়া আকাশখন নিৰৱৰ বাবে পুনৰ এক আৱেগ মিশ্ৰিত দুখৰ ছামা। বেলি পৰি গধূলি হ'ল তেতিয়ালৈকে সি চামে ৰৈ আছে। বাহটোলৈ সঁচাকয়ে আৰু উভতি নাহিল চৰাইজনী। তাৰ মাকৰ দৰে চাগে চৰাইজনীৰো ক'ৰবাত মৃত্যু হৈছে নহ'লেনো গাৰ উমেৰে জমাই তোলা কণমানি পোৱালিকেইটাৰ ওপৰলৈ উভতি নাহিলহেঁতেন? কেকাই থকা পোৱালিটোৰ জাৰত মৃত্যু হ'ল বাকি তিনিটাও চাগে বেছি দেৰি জীয়াই নাথাকিব। সি খিৰিকীখন বন্ধ কৰি দিলে। ঠিক এনেদৰে মাকৰ মৃত্যুত নিৰৱৰও মৃত্যু হৈছিল চাগে কোনোদিন। কিয়নো সি আহি কলি আগৰ দৰে হাঁহিব নাজানে, চিঞৰি ফূৰ্তি কৰিবও নাজানে গধূলি সময়ত আগ্ৰহেৰে সি আৰু প্ৰাৰ্থনা, অসমীয়া সংগীত নগাই গণিতৰ নেওতাখনো সি কেতিয়াবাই পাহৰিলে। নিৰৱে তাৰ ল'ৰালি সেই আবেলি সময়কণতেই হেৰুৱালে।●

# অনুতাপ

**লাকী বেগম**
স্নাতক দ্বিতীয় ষাণ্মাসিক, নৃতত্ত্ব বিভাগ

প্রদ্যুত আৰু পাপু দুয়ো সপ্তম শ্ৰেণীত পঢ়ে। সিহঁত দুয়ো নলে গলে লগা বন্ধু। প্রদ্যুত বৰ ধনী ঘৰৰ ল'ৰা। তাৰ দেউতাকে অইল কোম্পানীত চাকৰি কৰে। কিন্তু তাৰ বিপৰীতে পাপু অতিকৈ দুখীয়া ঘৰৰ ল'ৰা। সৰুতে দেউতাক ঢুকাইছিল। তেতিয়াৰে পৰা মাকে অ'ত-ত'ত কাম কৰি কোনোমতে পাপুক প্রয়োজনীয় সকলোখিনি পূৰণ কৰিবৰ বাবে যৎপৰোনাস্তি চেষ্টা কৰে। মাকৰ কেৱল এটাই আশা যে- পাপু পঢ়া-শুনা কৰি এজন ভাল মানুহ হ'ব। সৰুৰে পৰাই মাকে পাপুক ভাল শিক্ষা দিবলৈ চেষ্টা কৰে যাতে সি এদিন সমাজত নিজকে এজন মানুহ হিচাপে প্রতিষ্ঠিত কৰিব পাৰে।

এদিনাখন বিদ্যালয়লৈ গৈ থকাৰ সময়ত প্রদ্যুতে পাপুক ক'লে যে- দেউতাকে তাক এটা লেপটপ আৰু ম'বাইল ফোন উপহাৰ হিচাপে দিছে। বিদ্যালয়ৰপৰা আহি পাপুৱে কথাটো মাকক ক'লে। তাৰ পাছত সি প্রদ্যুতৰ ঘৰলৈ গ'ল লেটপট আৰু ম'বালই ফোনটো চাবলৈ। প্রদ্যুতে পাপুক লেপটপ আৰু ম'বালইলফোনটোৰ ব্যৱহাৰ কৰিবলৈ দিলে। পিছদিনা পাপু পুনৰ প্রদ্যুতৰ ঘৰলৈ গ'ল লেপটপ আৰু ম'বাইলফোন ব্যৱহাৰ কৰিবলৈ। লাহে লাহে পাপুৰ মনত এই দুটা বস্তুৰ প্রতি এক আকৰ্ষণ আহি গ'ল। দিন বাগৰাৰ লগে লগে হঠাতে এদিন পাপুৱে মাকক লেপটপ আৰু ম'বাইলফোন লৈ দিবলৈ ক'লে। মাকে পাপুক তেতিয়া ওচৰত মাতি ক'লে যে- "পাপু, তই ভালদৰে পঢ়া-শুনা কৰি মেট্ৰিকটো পাছ কৰাৰ পাছত মই তোক লেপটপ আৰু ম'বাইলফোন দুয়োটাই দিম। তই মাথো পঢ়াত মনোযোগ দে।" মাকৰ কথা শুনি পাপুৰ মনটো ভাগি পৰিল আৰু সি কেইদিনমান বিদ্যালয়লৈ নোযোৱা হ'ল। কিয়নো তাৰ সকলোবোৰ বন্ধুৰ লেপটপ বা ম'বাইলফোন আছে। আনকি তাৰ আটাইতকৈ ভাল বন্ধুজনৰো এতিয়া লেপটপ আৰু ম'বাইল ফোন আছে। সি বিদ্যালয়ৰ আন বন্ধুবোৰৰ আগত লাজ পাব বুলি কেইদিনমান বিদ্যালয়লৈ নগ'ল।

মাকে পাপুৰ মনৰ কথা বুজি পাই পিছদিনাই নিজৰ হৃদৰোগৰ চিকিৎসাৰ বাবে জমা কৰা ধনেৰে পাপুক ম'বাইলফোন এটা কিনি দিলে। ম'বাইলফোনটো পাই সি আনন্দত আত্মহাৰা হৈ পৰিল। লাহে লাহে ম'বাইলৰ ব্যৱহাৰে পাপুক আন কথা পাহৰাই দিলে। আগৰদৰে সি বৰ্তমান পঢ়া-শুনাতো মনোযোগ নিদিয়া হ'ল। অনবৰতে কেৱল লগৰ-সমনীয়াৰ সৈতে মিলি ম'বাইল ব্যৱহাৰ কৰি থাকে।

কেইদিনমানৰ পাছত, পাপুৰ এনেবোৰ কাৰ্য দেখি মাকে বৰ বেজাৰ পালে। তেওঁ পাপুক যি এজন প্রতিষ্ঠিত ব্যক্তি হিচাপে গঢ়ি তুলিব বিচাৰিছিল। সেই আশা যেন এক আশা হৈয়ে ৰ'ব, লাহে লাহে পাপুৰ মাকৰ শৰীৰৰ অৱস্থাও বেয়ালৈ গতি কৰিবলৈ ধৰিলে। হঠাতে নিশা মাকৰ অৱস্থা বেয়ালৈ যোৱাত পাপুৱে ওচৰৰে কেইজনমান ব্যক্তিৰ সহায়ত ততাতৈয়াকৈ কাষৰ চিকিৎসালয়খনলৈ লৈ গ'ল। তেতিয়া পাপুৱে মাকৰ হৃদৰোগৰ কথাটো গ'ম পালে। অস্ত্রোপচাৰৰ কাৰণে জমা কৰা ধনেৰে যে মাকে তাক ম'বাইলফোন কিনি দিলে। সেই কথা গ'ম পাই সি মনে-প্রাণে ভাগি পৰিল। নিজৰ ভুল উপলব্ধি সি নিজৰ ম'বাইল ফোনটো বেছি পোৱা টকাৰে আৰু আন আন ব্যক্তিৰ বৰঙনিৰ সহায়ৰে মাকৰ ৰোগৰ চিকিৎসাত যথেষ্ট সহায়ক হ'ল। শেষত নিজৰ ভুলৰ বাবে সি মাকক ক্ষমা খুজিলে আৰু প্রতিশ্রুতি দিলে যে সি আজিৰ পৰা পঢ়াত মনোযোগ দিব আৰু মাকৰ আশা পূৰণ কৰিবলৈ চেষ্টা কৰিব।●

# ৰিধান


**সঞ্জু ছেত্ৰী**
ষষ্ঠ ষাণ্মাসিক

বিজয় যাদৱ মনত একপ্ৰকাৰৰ জিজ্ঞাসাৰ জন্ম হৈছে, এই Covid-19 ভাইৰাছ কি? কেনেধৰণৰ, কেনেকৈ সৃষ্টি হৈছে ইত্যাদি ইত্যাদি বিভিন্ন প্ৰশ্নই মনক বেৰি ধৰিছে। বিজয় ১৬ বছৰীয়া ৰঘুবীৰ যাদৱৰ পুতেক। ৰঘুবীৰ যাদৱৰ ঘৰ উত্তৰ প্ৰদেশৰ ৰায়বৰেলী জিলাৰ, একেবাৰে ভিতৰৰ উন্নতিৰ পোহৰ ঢুকি নোপোৱা, জাতি-ভেদ প্ৰথাৰে বেৰি ৰখা, কুসংস্কাৰে পূৰ্ণ 'কুন্তলী' নামৰ গাঁৱত। য'ত তেওঁলোকৰ পৰিয়ালে মানুহ হোৱাৰ সপোন লৈ দুবেলা দুমুঠি খাই বাচিবলৈ দেখা সপোন, সেই সময়ৰ অবান্তৰ সপোন। ৰঘুবীৰ যাদৱো নিষ্ঠাৱান, কৰ্মী, পুৰুষ, নিষ্ঠাৰে দিনে-নিশাই কষ্ট কৰিও, বিশেষ একো ফল লাভ কৰিব নোৱাৰি। ল'ৰা-ছোৱালীহালক বিদ্যালয়ত নামভৰ্তি কৰোৱাই উচিত জ্ঞান দি মানুহ কৰাৰ সপোনো কেৱল সপোন হোৱাৰ দিশত। ৰঘুবীৰ দুখীয়া হ'লেও সপোনবোৰক সামৰি উৎসাহী মন লৈ জীয়াই থাকিবলৈ চেষ্টা কৰিছিল। সপোনবোৰ সাৰ্থক কৰাৰ একমাত্ৰ আশা হ'ল ৰঘুবীৰৰ ল'ৰা-ছোৱালীহাল।

ৰঘুবীৰে গাঁৱত সপোনবোৰ পোখা মেলা নেদেখি ভৱিষ্যত পৰিকল্পনা কৰি গাঁও এৰাৰ সিদ্ধান্ত লয়। এবাৰ কাষৰ গাঁৱৰ এখন সভাত বাবাসাহেব ভীমৰাও আম্বেদকাৰৰ জীৱনীৰ বিষয়ে আলোচনাত, সপোনৰ মায়ানগৰী মোম্বাই কথা শুনিবলৈ পাইছিল য'ত সপোন দেখাসকলৰ সপোন সাৰ্থক হয়। ৰঘুবীৰেও সন্মানেৰে দুবেলা দুমুঠি খোৱা আৰু সন্তানসকলৰ ভৱিষ্যতৰ স্বাৰ্থত মহানগৰীলৈ অহা আজি ১০ বছৰেই হ'বৰ হ'ল। সপৰিয়ালে বৃদ্ধা মাক তিনিটা সন্তানসহ মুম্বাইত সপোনক সংৰোপণ কৰি, জীৱন বাটত ব্যস্ত আছিল। পতি-পত্নী দুয়ো কাম কৰি সংসাৰখনে নতুন দিশ পাইছিল। ল'ৰা-ছোৱালীহালকো ওচৰৰে চৰকাৰী বিদ্যালয়ত নামভৰ্তি কৰিছিল। পিছে বিজয় আৰু সৰু পুতেক ৰমেশ খুব তীক্ষ্ণ। বিজয়ৰ ডাঙৰ হৈ বিজ্ঞানী হোৱা সপোন, আকৌ ৰমেশ আৰ্মি অফিচাৰ হোৱা সপোন আৰু তিতলীৰ আকৌ অধ্যাপক হোৱাৰ সপোন লৈ আগবাঢ়িছিল।

ৰঘুবীৰৰ নৱনিৰ্মিত গঢ়ি তোলা ঘৰখনত 'ক'ৰনা'ৰ ধুমুহাই ছানি ধৰিছিল, বিজয় ৰমেশহঁতৰ স্কুল বন্ধ হোৱা আজি দুসপ্তাহ মানেই হ'বৰ হ'ল, বিজয়ে মা-দেউতাকক এই ভাইৰাছৰ বিষয়ে বিভিন্ন কথা জনাইছে বুজাবলৈ চেষ্টা কৰিছে। আজি দুদিন ধৰি ৰঘুবীৰে কোনো কামো নোপোৱা হ'ল। ৰঘুবীৰে ঠেলাৱালাহঁতৰ আলোচনাত শুনিছিল মহাৰাষ্ট্ৰত বহু মানুহৰ গাত এই ভাইৰাছ বিধে দেখা দিছে। প্ৰধানমন্ত্ৰী ডাঙৰীয়াই লকডাউন ঘোষণা কৰিল। 'ঠাকুৰে' চৰকাৰেও সুৰক্ষাৰ প্ৰতি মন দি কটকটীয়া ব্যৱস্থা কৰিছে। চৰকাৰে বিভিন্ন আঁচনি বিভিন্ন ব্যৱস্থা কৰিছে ৰঘুবীৰৰ দৰে দুখীয়া লোকৰ বাবে। কিন্তু ৰঘুবীৰৰ দৰে বহু নিছলা লোকৰ না হাতত টকা আছে না ৰেচন কাৰ্ডৰ সুবিধা আছে। এনে পৰিৱেশত ৰঘুবীৰৰ পৰিয়াল ভোকত থকাটো প্ৰায় নিশ্চিত। প্ৰথম ১৫ দিনমান হাতত থকা টকাৰে চলিল কিন্তু সেইকেইটকাইনো আৰু কিমান দিন জুৰে। যদিও মাজে সময়ে বিভিন্ন লোকৰ পৰা পোৱা সাহায্য সামগ্ৰীয়ে পৰিয়ালৰ মনত প্ৰাণৰ সঞ্চাৰ যোগায়। তাতে আকৌ মাজে মাজে পোৱা মহাৰাষ্ট্ৰৰ ভয়ানক খবৰসমূহ। ৰঘুবীৰৰ চিনাকি এজন ঠেলাৱালা আৰু তেখেতৰ সমগ্ৰ পৰিয়াল এই Covid-19ত আক্ৰান্ত বুলি জানিবলৈ পাই ৰঘুবীৰৰ মনত ভয়ে আৱৰি ধৰিছিল।


আকৌ তেখেতৰ নতুনকৈ লোৱা Smart



Phoneত পোৱা বিভিন্ন উৰা বাতৰিয়ে মানসিকৰূপে ভাঙি পেলাইছিল। তেখেতে খবৰসমূহ পাই আছিল লক ডাউনৰ ১২ দিনৰ পাছতেই তাৰ ওচৰ-পাজৰৰ বিহাৰ, মধ্যপ্ৰদেশ, উত্তৰ প্ৰদেশৰ বহুতো লোকে উভতনি যাত্ৰা আৰম্ভ কৰিছিল। ৰঘুবীৰেও মনক দৃঢ় কৰি উত্তৰ প্ৰদেশলৈ যোৱাৰ সিদ্ধান্ত ল'লে। যিমান অসুবিধা হ'লেও গাঁৱত খাবলৈ নাপাই মৃত্যু নহয় বুলি ৰঘুবীৰৰ বিশ্বাস। গাঁৱত ৰঘুবীৰৰ ভাইটিসকলো আছে আৰু পৈতৃক সম্পত্তিৰ ৰূপত তাৰ ১ বিঘামান মাটিও আছে। কিন্তু যাব কেনেকৈ গাড়ী, ট্ৰেইন একোকে চলা নাই, গতিকে যোৱাটো একপ্ৰকাৰৰ অসম্ভৱ, যদিও উত্তৰ প্ৰদেশৰ চিনাকি পৰিয়াল খোজেৰে যাবলৈ ওলোৱা বুলি জানিবলৈ পাই, ৰঘুবীৰৰ পৰিয়ালো লগতে খোজ লোৱাৰ সিদ্ধান্ত লয়। লগত প্ৰয়োজনীয় সামগ্ৰী অলপ লৈ আৰু যাত্ৰাৰ বাবে পানী, খাবলৈ শুকান ৰুটি লৈ যাত্ৰা আৰম্ভ কৰে। দিনটো ৰ'দ দিয়াৰ বাবে ৰাতি চন্দ্ৰৰ পোহৰত খোজকাঢ়ি দিনত আৰাম কৰাৰ সিদ্ধান্ত লয়, এনেদৰে ১৫ জনীয়া দলটি মৃত্যু ৰাজ্যৰ পৰা পলাই সৰাৰ বাবে আগবাঢ়িল। দুৰাতি এনেদৰে নিৰন্তৰ যাত্ৰাৰ অন্তত ৰমেশৰ চেণ্ডেলযোৰ ক্ষয় গৈ ভৰিৰ ছাল এৰাই যায় যদিও দেউতাকৰ চিন্তা হ'ব বুলি নোকোৱাকৈয়ে যাত্ৰা চলাই গ'ল। ৰাস্তাত বিভিন্ন অসুবিধাই দেখা দিয়াৰ বাবে ট্ৰেইনৰ ট্ৰেকেৰে যাত্ৰা চলাই মাজে মাজে পানী, শুকান ৰুটী খাই পুনৰ যাত্ৰা আৰম্ভ কৰে।

দ্বিতীয় দিনৰ যাত্ৰাত সকলো ভাগৰি পৰিছিল। ৰঘুবীৰে জানিছিল ট্ৰেইনৰ চলাচল হোৱা নাই গতিকে, সকলোৰে তাতে আৰাম কৰে ট্ৰেইনৰ ট্ৰেকত কাপোৰ পাৰি সকলো শুই পৰে। কিন্তু বিধিৰ কঠোৰ বিধান এফালৰপৰা অহা মালবাহী ট্ৰেইনৰ হৰ্ণে তেওঁলোকক জগাব নোৱাৰিলে, মাত্ৰ ছিটিকি পৰিল সেই শুকান ৰুটীবোৰ।●

# এজন দৰিদ্ৰ ব্ৰাহ্মণ আৰু বাটৰুৱা



এসময়ত এখন গাঁৱত এজন অতি দৰিদ্ৰ ব্ৰাহ্মণ আছিল। তেওঁৰ ল'ৰা-ছোৱালী নাছিল। একমাত্ৰ পৰিবাৰৰ বাহিৰে তেওঁৰ আন কোনো নাছিল। দিনৰ দিনটো খুজি মাগি যি খুদকণ পায় তাকে আনি ৰান্ধি খাই জীৱন কটায়। সেই ব্ৰাহ্মণৰ এটা গুণ আছিল যে খুজি অনা চাউলকেইটাকে ৰান্ধি খাবৰ সময়ত যদি কোনো আলহী নাহে তেওঁৰ বাটৰ মুখত চাই থাকে কোনোবা বাটৰুৱা সেইফালে আহে নেকি। যদি পায় তেন্তে ঘৰলৈ মাতি আনি অন্ন ভোজন কৰায়। বামুণীয়ে কিন্তু এই কথা পচন্দ নকৰে। কাৰণ আলহীক খুৱালে তেওঁ লঘোনে থাকিব লগা হয়।

এদিন বামুণীক ভাত ৰান্ধিবলৈ দি বামুণ নদীত গা ধুবলৈ গ'ল। সেইদিনা বামুণীয়ে এটা কাম কৰিলে। বাৰীৰ পিছফালে থকা বাঁহনিৰ পৰা কেইডালমান বাঁহৰ এছাৰি কাটি আনিলে। এছাৰি কেইডালমান ভালকৈ চাঁচি তেলতুল সানি চিক্‌মিকিয়া কৰি ৰ'দত শুকাবলৈ দিলে। এনেতে এজন বাটৰুৱা আহি সুধিলে আই এই এছাৰিকেইডাল কিয় তৈয়াৰ কৰিছে আৰু ৰ'দত শুকুৱাইছে? তেতিয়া বামুণীয়ে কান্দি কান্দি ক'বলৈ ধৰিলে—আজি বামুণে এই এছাৰিকেইডাল কাটি আনি মোক দিছে আৰু তেল-তুল সানি ৰ'দত শুকুৱাবলৈ কৈছে। আজি আমাৰ ঘৰলৈ যিয়ে আলহী আহে তাকে এই এছাৰিৰে কোবাব। এইবুলি কোৱাৰ লগে লগে বাটৰুৱাজনে বামুণৰ ঘৰৰপৰা বেগাই ওলাই গ'ল। ইতিমধ্যে বামুণ গা ধুই আহি ঘৰ পাইছিলহি। তেওঁ বাটৰুৱাজন তেওঁৰ ঘৰৰ পৰা ওলাই যোৱা দেখা পালে। বামুণীক সুধিলে মানুহজন যে ওলাই গ'ল। তেওঁক ভোজন কৰালা নেকি? বামুণীয়ে ক'লে এই এছাৰিকেইডাল মানুহজনে মোক খুজিছিল। মই ক'লোঁ এটা মেকুৰীয়ে মই বান্ধি খোৱা বস্তুবোৰ পেলাই নষ্ট কৰে সেইকাৰণে মেকুৰী খেদাবৰ কাৰণে এই এছাৰি কেইডাল ৰ'দত শুকুৱাই থৈছোঁ। গতিকে এইকেইডাল মই আপোনাক দিব নোৱাৰিম। এই বুলি কোৱা কাৰণে মানুহজন গুচি গ'ল। অ' হয় নেকি? তেতিয়াহ'লে এছাৰিকেইডাল মোক দিয়াচোন। এই বুলি কৈ ল'ৰালৰিকৈ এছাৰিকেইডাল হাতত লৈ বামুণ মানুহজনৰ পিছে পিছে দৌৰি দৌৰি যাবলৈ ধৰিলে। হেৰি বাটৰুৱা ৰ'বাচোন। তোমাৰ কাৰণে এই এছাৰিকেইডাল মই লৈ আহিছোঁ। বাটৰুৱাজনে পিছলৈ চাই বামুণৰ হাতত এছাৰিকেইডাল দেখি বেছিকৈহে দৌৰিবলৈ ধৰিলে। ভাবিলে বামুণীয়ে কোৱা কথাকেইষাৰ সঁচা। বামুণ যিমানে দৌৰিছে বাটৰুৱাজনে তাতোকৈ বেছিকৈ দৌৰিবলৈ ধৰাত বামুণৰ ভাগৰ লাগিল আৰু মাটিত বহি ফোপাবলৈ ধৰিলে। অলপ সুস্থ হোৱাত বামুণ ঘৰলৈ ফিৰি আৰু বামুণীক ক'লেহি। তুমি



এছাৰিকেইডাল মানুহজনক দি দিব লাগিছিল। চোৰাচোন তেওঁ আমাক কিমান বেয়া পাই গ'ল। মই ইমান দৌৰিও তেওঁক লগ ধৰিব নোৱাৰিলোঁ। বামুণীৰ পেটে পেটে বৰ হাঁহি উঠিল আৰু আনন্দও পালে। ইফালে কিন্তু বামুণৰ কাৰণে বেয়া লাগিল কাৰণ বামুণীৰ কাৰণেই বামুণ দৌৰি দৌৰি ভাগৰুৱা হ'ল, কষ্ট পালে।

এনেকৈ দিনবোৰ গৈ আছে। বামুণে খুজি মাগি আনে দুয়ো খায়। বামুণে ভাবে আজিকালি বাটৰুৱাবিলাক তেওঁৰ ঘৰৰ আগেৰে নেযায় কিয়? বামুণীক কিন্তু কথাটো কোৱা নাছিল। এদিন বামুণে খুজিবলৈ যাওঁতে সেই মানুহজন লগ পালে। মানুহজনে বামুণক দেখি পলাল। বামুণ আচৰিত হ'ল। ইয়াৰ ভিতৰতে কিবা ৰহস্য লুকাই আছে। এই ভাবি বামুণে মানুহজনক লগ ধৰিলে আৰু ক'লে— “মই সেইদিনা এছাৰি কেইডাল দিবৰ কাৰণে আপোনাৰ পিছে পিছে ইমান দৌৰিছোঁ, কিন্তু আপুনি মোক লগ নিদিলে।” মই ভাগৰুৱা হৈ মাটিত বহি পৰিলোঁ। আপুনি হেনো বামুণীক সেই এছাৰিকেইডাল খুজিছিল। মই সেইকেইডাল আপোনাক দিবলৈহে আহিছিলোঁ। তেতিয়া বাটৰুৱাক ক'লে— সেইদিনা মই তোমাৰ লগত যেতিয়া সোমাইছিলোঁ তেতিয়া বামুণীয়ে কৈছিল; আমাৰ ঘৰলৈ যেয়ে আহিব তেওঁকে এই এছাৰিৰে বামুণে কোবাব। গতিকে মই তোমাৰ ঘৰত ভাত খাবলৈও নাই আৰু এছাৰি কোব খাবলৈও নাই বুলি গুচি আহিলোঁ। এইবোৰ শুনি বামুণীৰ ওপৰত বামুণৰ খুব খং উঠিল আৰু নিজেও বৰ লজ্জিত বোধ কৰিলে। ঘৰলৈ ঘূৰি গৈ বামুণে কিন্তু বামুণীক সুধিলে। সেইদিনা যে বাটৰুৱাজনে তোমাক এছাৰি কেইডাল খুজিছিল? তুমি কি নিদিলা? তেতিয়া বামুণীয়ে খুব দুখ মনেৰে বামুণক ক'ব ধৰিলে। আপুনি ইমান দুখ কষ্ট কৰি চাইলকেইটা খুজি মাগি আনে আমি নিজে খাবলৈ নেপাওঁ। আপুনি আনক খোৱায়। মই লঘোণে থাকিবলগা হয়। সেইকাৰণে মই সেইদিনা বাটৰুৱাজনক তেনেকুৱা কৰিলোঁ। এতিয়া চোৱাচোন আমি লঘোনে থাকিবলগা হোৱা নাই।

বামুণেও কথাটো উপলব্ধি কৰি অনুতপ্ত হ'ল আৰু দুবেলা দুমুঠি খাই জীৱন যাপন কৰিব ধৰিলে।●

# পুৰাৰ খিৰিকী

মৃদুলা চেতিয়া

"মোক কিয় ইমান দুৰ্ভগীয়া কৰি তুলিলা ভগৱান। আপোনজনৰ সান্নিধ্যৰ পৰা মোক কিয় বঞ্চিত কৰিলা।" হঠাৎ উচ্চস্বৰে কান্দিব ধৰিলে শ্ৰাৱণীয়ে। ক'ব নোৱাৰো, কি হ'ল সদায়েই হাঁহি-ধেমালিত মতলীয়া হৈ থকা ছোৱালীজনী আজি এক গভীৰ যন্ত্ৰণাত ডুবি থকা যেন লাগিল।

কি হ'ল শ্ৰাৱণী? মই সুধিলোঁ। নাই, কোনো উত্তৰ নাই মাথো কান্দিব লাগিছে চিঞৰি চিঞৰি। একো নুবুজিবা মই। ক্ষন্তেক সময়ৰ পিছতে ৰুমটোলৈ এক অজান নিস্তব্ধতা নামি আহিল। শ্ৰাৱণীক পুনৰাই কি হ'ল সোধাৰ প্ৰয়োজনবোধ নকৰিলোঁ। মনতে ভাবিলোঁ তাই ক'ব বিচৰা নাই যেতিয়া সুধি থাকিলে আমনিহে পাব। মানুহৰ অন্তৰ ভাষাবোৰ একান্তই স্বকীয়। শ্ৰাৱণী কানৈ মহাবিদ্যালয়ৰ প্ৰথম ষান্মাসিকৰ কলা শাখাৰ ছাত্ৰী। খুব হাঁহিমুখীয়া তাই। দেখিলে এনে লাগে। কোনো কথাই যেন সহজভাৱে ল'ব নাজানে। তাই মোক কেতিয়াবা কয় "ঝৰ্ণা বা আপোনাৰ নিচিনা ভাবুক প্ৰাণী। মই দেখা নাই দেই। ইমান কিয় ভাবে প্ৰতিটো কথাকেই। Life টোত অলপ Enjoy কৰকচোন।"

ছোৱালীজনীৰ দাবি, ক'ম। নলগোৱাকৈ ৰাজধানী এক্সপ্ৰেছৰ দৰে তীব্ৰ গতিত কোৱা কথাকেইটাত মই নাহাঁহি নোৱাৰোঁ।

কৰিম কৰিম শ্ৰাৱণী কাইলৈৰ পৰা Life ত Full Enjoy কৰিম। মোৰ কথাত সাউতকৈ শ্ৰাৱণী বিছনাত বহি ল'লে। মুখত এগালমান প্ৰশ্নবোধক চিন আঁকি লৈ তাই মোৰ মুখলৈ চাই ৰ'ল। তেনেকৈ থকা দেখি মই হাতৰ অংগী-ভংগীৰে সুধিলোঁ কি হ'ল? তাই মূৰ জোকাৰিলে। মই বুজিলো একো হোৱা নাই।

এদিন মই হঠাতে শ্ৰাৱণীক সুধিছিলোঁ তই জীৱনত কি বিচাৰ, শ্ৰাৱণী? তেনে সহজ হৈ তাই উত্তৰ দিছিল—"একো নিবিচাৰো" একো নিবিচাৰ কিয়? মই চিৰিয়াছ হৈ সুধিছোঁ। ময়ো চিৰিয়াছকৈ কৈছোঁ। একো নিবিচাৰোঁ, যি আছে সেয়াই বহুত, ভগৱানে বহুত বেছিকৈ দিছে মোক সেই কাৰণে।

হ'লেও ... সকলো পোৱাৰ পিছতো মানুহৰ থাকি যায় পাবলৈ। মানুহৰ wish বোৰেই তেনেকুৱা হয়, আন-লিমিটেড। এইবোৰৰ মাজত এনেকুৱা কিবা এটাতো থাকিব যি পালে তই আটাইতকৈ সুখী বুলি ভাবিবি নিজক। শ্ৰাৱণীয়ে অবাক হৈ চাই আছিল মোলৈ। তাৰ পিছত আকৌ তাইৰ সেই চিৰপৰিচিত খিলখিল হাঁহিৰে চৌপাশ মুখৰিত কৰি তুলিলে। "কিয় সুধিছে? আপুনিটো বুৰঞ্জীৰ মানুহ তাৰপৰা কিবা Topic বিচাৰি লওঁক, ৰিৰ্চাচৰ কাৰণে ঢেৰ আছে, সেইবোৰ কিয়? কি হৈছে ঝৰ্ণা বা?" তাই হাঁহি কথা সলাইছিল।

সন্মুখৰ ৰুমটো নাছৰিণৰ এজনীয়া ৰুম। Sociology Department ৰ তাই। অলপ আন্ধাৰ অলপ পোহৰত ছয়া-ময়া হৈ থকা বেলকনিত বৈ তাই দুলি দুলি কথা পাতিছে। কঁকাল পাৰ হৈ যোৱা দীঘল চুলিকোছা মেলি তাই এনেকৈয়ে সদায় কথা পাতে। মাজে মাজে উচ্চস্বৰে কাৰোবাক গালিও পাৰে। এদিন সকলোকে অবাক কৰি চিঞৰি চিঞৰি কান্দিছিল তাই। তাই মতামত নোলোৱাকৈ বিয়া ঠিক কৰিছে আব্বাকে। হিন্দু ল'ৰা এটাক ভাল পায় সৰুৰেপৰা। কেনেকৈ বিয়া হ'ব তাই অচিনাকি মানুহ এটাৰ লগত? বহুত কষ্ট কৰি তাই বিয়াৰ তাৰিখ পিছুৱালে। এদিন সন্ধিয়া ৰঙা পৰা ফুলা চকুদুটা তুলি কৈছিল মোক "মই পলাম চাবা, জীৱনটো মোৰহে কি বুলি ভাবে সিহঁতে" মই কৈছিলো আৰু এবাৰ বুজাই চোৱাচোন মাহঁতক।

তাই খং আৰু বিষাদ মিশ্ৰিত সুৰেৰে কৈছিল, নুবুজে

ঝৰ্ণা একো লাভ নাই আম্মায়েই নুবুজিলে জানা ঝৰ্ণা আম্মাই ভাল পাইছিল হিন্দু ল'ৰা এটাক মোৰ দৰেই, কিন্তু তেওঁ অলপো সাহসী নাছিল। কিবা এটা কৰাটো ডাঙৰে কথা... কথা এটা ক'বলৈ সাহস নকৰিলে, কিয় জানা আম্মাই মানি লৈছিল।— যে তেওঁ ভুল কৰিছিল, আৰু আজি আব্বাই তেওঁক মানুহ বুলিয়ে নাভাবে, আব্বাৰ বাবে ছোৱালীৰ কোনো মূল্যই নাই। তেওঁৰ ইচ্ছা-অনিচ্ছা সকলোবোৰ আমাৰ ওপৰত জাপি দিছে। বহুত তৰ্ক-বিৰ্তক কৰি মই ওলাই আহি এইখিনি পাইছোহি ঝৰ্ণা। আম্মাই কৰা ভুলটোকে মই পুনৰ কৰিব বিচৰা নাই ঝৰ্ণা, মই গুচি যাম তুষাৰৰ লগত। আম্মাকো লৈ যাম, যাব নুখুজিলেও লৈ যাম।

মোৰ মালৈ মনত পৰি গৈছিল কিমান স্পষ্টভাৱে নাছৰণি ক'ব পাৰিছিল ঘৰৰ সমস্যাবোৰৰ কথা, মই কিয় নোৱাৰো? এক মুহূৰ্ত বাবে মই ভাবিবলৈ বাধ্য হৈছিলো অভিৰাজে কোৱাৰ দৰে মই সঁচাই গোৱাৰ নেকি বাৰু?

ক'ব নোৱৰাকৈয়ে কানৈ মহাবিদ্যালয়ৰ পঞ্চম যান্মাসিকৰ অভিৰাজ নামৰ ল'ৰাজনৰ প্ৰতি মোৰ আকৰ্ষণ বাঢ়ি গৈছিল, অভিৰাজে প্ৰতিটো সময়তে মোক ফোন কৰি মোৰ খবৰ লৈছিল, Care কৰিছিল বহুত। মই খুব কম কথা কওঁ। কিন্তু অভিৰাজ!!! কথাৰ ভাণ্ডাৰ হ'লেও ভাল লাগিছিল ল'ৰাজনক খুব সহজভাৱে কথা পাতিছিলোঁ। তাৰ লগত, লাহে লাহে দিনবোৰ পাৰ হৈ গৈছিল। তাৰ ব্যৱহাৰ পাতিবোৰ সলনি হ'বলৈ ধৰিছিল। এদিন হঠাৎ সি মোক কৈছিল "তোমাৰ দৰে ছোৱালী মই সঁচাই দেখা নাই দেই ঝৰ্ণা। মই তোমাৰ নিচিনা শিল হৈ থাকিব নোৱাৰো। নোৱাৰো মই তোমাৰ হৈ থাকিব, তুমি তোমাৰ মতে থাকা আৰু মই মোৰ মতে থাকোঁ। কথাটো কৈ উচাৎ মাৰি আঁতৰি গৈছিল অভিৰাজ। মোৰ ক'ব লগা একো নাছিল। মাথোঁ নিৰুত্তৰ হৈ চাই ৰৈছিলোঁ সি যোৱালৈ, সেয়াই শেষ। দ্বিতীয়বাৰ মই কাকোকে মোৰ কাষ চাপিব দিয়া নাই।

মই ভাবিলোঁ অভিৰাজে কোৱাৰ দৰে গোৱাৰ। নাই, তেনেকুৱা একো নহয়, তেনে হোৱা হ'লে ইহঁতে খুলি নিদিলেহেঁতেন মোৰ সন্মুখত হৃদয়ৰ কোমল দলিছা। মইয়ো থ'ব নোৱাৰি হেঁতেন বিশ্বাসৰ দুহাত ইহঁতৰ কান্ধত। শ্ৰাৱণীয়ে টোপনিতে বিৰবিৰাইছে সপোন দেখিছে চাগে। মোৰ আকৌ মালৈ মনত পৰিল। মুহূৰ্তে মুহূৰ্তে দেউতাই মাক সন্দেহৰ চকুৰে চাই বাৰে বাৰে প্ৰমাণ কৰিব বিচাৰে মা অবিশ্বাসী, অসতী। ক'তা মায়েচোন সেইজন দেউতাৰ বাবে নিজৰ ব্ৰাহ্মণ ঘৰখনৰ লগত সকলো সম্পৰ্ক ছেদ কৰি তেওঁৰ লগত সংসাৰ পাতিবলৈ ৰাজী হৈ গৈছিল। তেওঁৰ ওপৰত থকা অগাধ ভালপোৱা বিশ্বাস ভৰসাই মাক টানি আনিছিল দেউতাৰ কাষলৈ। সেই বিশ্বাস সেই ভালপোৱা দেউতাই জানো জগোৱা নাছিল মাৰ ওপৰত। ক'ত গ'ল সেইবোৰ নে কোনো মূল্যই নাই আৱেগ-অনুভূতি। মায়ে মোক সৰুৰে পৰাই কয় "ঘৰৰ মানুহক কষ্ট দি একো কামে নকৰিবি। মুনু বিয়া-বাৰু ক্ষেত্ৰত বিশেষকৈ মাক-দেউতাকে সদায় ল'ৰা-ছোৱালীৰ ভাল হোৱাটোহে বিচাৰে, নহ'লে মনত কষ্ট পাাবি গোটেই জীৱন। মই নীৰৱে শুনো মাৰ কথা। সোধাৰ প্ৰয়োজনো নাই মায়ে কিয় কয় এই কথা তাৰ উত্তৰ মোৰ সন্মুখত ... চকুৰ আগত মোক বুকুত সাবটি মায়ে হুমুনিয়াহ আৰু চকুৰ পানীয়ে সেমেকা কৰি তোলা বতাহখিনিৰ সৈতে চিৰ পৰিচিত হৈ মইয়ো বুকুত বিষাদ আৰু যন্ত্ৰণাৰ পাহাৰ এটাহে গঢ়িলোঁ, ক'ব নোৱৰাকৈয়ে কৰিব পৰা একোৱেইটো নাছিল কণমানি হাত দুখনেদি সেই সৰুৰে পৰাই মাৰ ডিঙিত সাবটি সহমৰ্মিতা জনোৱাৰ বাহিৰে।

দেউতাই মাৰ গাত হাত উঠাবলৈ কুণ্ঠাবোধ নকৰে। এয়া কেনে ভালপোৱা? মোৰ সকলোবোৰে খেলি-মেলি লাগে। কাৰ কথাই বা বিশ্বাস কৰিম, নাছৰিণৰ নে মাৰ সকলোবোৰ দেখোন বাস্তৱ। শ্ৰাৱণীয়ে ঠিকেই কৰে একোকে নাভাবে তাই একো নাভাবে??? শ্ৰাৱণীয়ে প্ৰায় সদায়েই গালি খাই প্ৰাৰ্থনা কৰাৰ সময়ত উপস্থিত নথকাৰ বাবে। সদায় দেৰি হয় তাইৰ হোষ্টেল সোমাওঁতে টিঘিল ঘিলাই ঘূৰি ফুৰে কলেজ কেম্পাছত। মন গ'লেই হৈ হাল্লা কৰি ৰিডিং আৱাৰৰ নীৰৱতাক থান-বান কৰি দিয়াৰ বাবে তাইৰ ওপৰত কিমান দিন যে কমপ্লেইন আহিছে, কিয় তাই ইমান বেচিজিল মই বুজি নাপাওঁ, ইমান বুজোৱাৰ পাছতে তাই একেই আছে অহাৰ পৰা।

হোষ্টেলত ১১৬ জনী ছোৱালী আছে। দিন-ৰাতি ব্যস্ততাৰ সুৰুঙা পালেই আড্ডা জমি উঠে, বিনিময় হয় সুখ আৰু দুখ। কোনোবাই পাৰ ভাঙি যোৱা আনন্দ আৰু কোনোবাই পাৰ হ'ব নোৱৰা। বিষাদৰ নৈ বুকুত বান্ধিয়ে নিজৰ মাজত ব্যস্ত থাকে। তাৰ মাজতো প্ৰিয়াক দেখি মোৰ সঁচাকৈ আমনি লাগে, প্ৰিয়াই কয় বহুত বেছি আনন্দ কৰি ফুৰা মানুহৰ



মাজত দুখ থাকে। সকলোৰে ভবাৰ দৰে মইও ভাবিছিলোঁ— দৰ্শন আৰম্ভ হৈ গ'ল তাইৰ কিছুমান অদ্ভুত কথাই ছোৱালীবোৰক পলাবলৈ বাধ্য কৰিছিল। তাই নুশুনাকৈ ফুচফুচাই কয় সিহঁতে "আহিল কামোৰ" মইও বিৰক্ত হৈছিলোঁ। সমস্যা কাৰ নাথাকে, সকলোৰে সমাধানৰ বাটো নিজৰ মতে উলিয়াই লয়। কিহৰ ইমান উপদেশ। বিৰক্ত হৈ মই বহি লৈছিলোঁ তাইৰ সন্মুখত। উপায় নাই, মানুহক উপেক্ষা কৰিব নাজানো মই। শ্ৰাৱণীৰ কোনো প্ৰতিক্ৰিয়াই নাছিল। মই ভোৰভোৰাইছিলো 'প্ৰিয়াজনী সঁচাকৈ মহাকামোৰ।' শ্ৰাৱণীয়ে যেন অবাক হৈছিল। তেনেকৈ নাভাবিব ঝৰ্ণা বা বেলেগক চল্যুচন দি ফুৰা মানুহৰো ডাঙৰ সমস্যা থাকে। আপুনি সুধিবচোন প্ৰিয়া বাক তেওঁক সকলোৰে বেয়া পাই, দেখা দেখিকৈ উপেক্ষা কৰে। এনেকুৱাও হ'ব পাৰে তেওঁৰ মনৰ কথাবোৰ ক'বলৈ মানুহ বিচাৰি আছে পোৱা নাই, মই থত-মত খাই গ'লো। এনেকৈ ভাবে শ্ৰাৱণীয়ে। শ্ৰাৱণীয়ে ধৰিব পাৰিছিল, "ভয় নাখাব, মই কোৱা কথা নহয় আমাৰ চাৰে কোৱা কথা। ভাল লাগিল বচ মনত ৰৈ গ'ল আৰু আজি এপ্লাই কৰি দিলোঁ। খাপ খাইছেনে একদম কাৰেক্ট জাগাত? আৰু মনত ৰাখিম তাৰ পিছত আপোনাক কম Ok? বেলেগ এজনী শ্ৰাৱণী ওলাই আহিছিল সেইদিনা মোৰ চিনাকি শ্ৰাৱণীজনীৰ ভিতৰৰ পৰা কিন্তু শ্ৰাৱণীয়ে সঁচা কথাই কৈছিল। প্ৰিয়াক যেতিয়া সুধিছিলো মই তাইৰ চকু দুটা সেমেকিছিল। তাৰ পিছত মোৰ হাতত ধৰি উচুপি উচুপি কান্দিছিল। কেঞ্চাৰত ভুগি থকা মাকৰ মাত্ৰ এমাহ আয়ুসৰ কথা কৈ তাই হাহাকৰ কৰিছিল। বহুত কষ্টৰে তাই পঢ়ি আছে কলেজত। মাকৰ বাহিৰে তাইৰ যে কোনোৰে নাই। কোনোবা সংগঠন এটা আৰ্থিকভাৱে সহায় কৰা বাবেই ইয়াত পঢ়াতো তাইৰ বাবে সম্ভৱ হৈছে।

মই অলপ লৰ-চৰ কৰি বহিলোঁ আৰু মাত্ৰ কেইমাহমানৰ পিছতে মই কলেজৰপৰা যামগৈ। এই আপেন হৈ পৰা মানুহবোৰৰ পৰা আঁতৰি হয়তো আৰু কেতিয়াও লগ নাপাম। কথাষাৰ ভাবিয়ে মোৰ মনটো খালি খালি লাগিল। আপোনা-আপুনি এটা হুমুনিয়াহ সৰি আহিল। হঠাৎতে কান্ধত কাৰোবাৰ হাতৰ স্পৰ্শ পাই মই উচপ্ খাই উঠিলো। ঘূৰি চালো—শ্ৰাৱণী "তিনি বাজিল নুশুৱে নেকি? কথাষাৰ কৈয়ে তাই ইফালে সিফালে চাই কাষতে থকা টুলখন লৈ বহি পৰিল। আপুনি বহুত লাকী ঝৰ্ণা বা মা আছে, দেউতা আছে এখন ভৰপূৰ ঘৰ আছে। প্ৰব্লেম যিয়েই নহওক আছেটো এখন ঘৰ। অনবৰতে লোকৰ প্ৰব্লেমবোৰ নিজৰ স'তে একাকাৰ কৰি দি কি পায় কওঁকচোন। কষ্ট ... তাতকে বেছি একো নাপায়। মোৰো কষ্ট হৈছিল আগতে ... বহুত কষ্ট।

আন্ধাৰ আৰু পোহৰে একেলগে চুমি থকা শ্ৰাৱণীৰ মুখখন বুজিবলৈ চেষ্টা কৰিলোঁ মই, সৰল যেন লগা ছোৱালীজনীক হঠাতে জটিল যেন লাগিল গ'ল মোৰ। মই নজনাকে আছো নেকি শ্ৰাৱণীৰো দেখা দিয়া দুঃস্বপ্ন!! কটাইছে নেকি তাইয়ো বিষণ্ণতা আৰু নিৰাশাই একেলগে বিপৰ্যস্ত কৰি তোলা বহুতো উজাগৰী নিশা। তাইৰ বেচিজিল কামবোৰতে লুকায় আছে নেকি তাইৰ জীৱনৰ অতীত হৈ যোৱা বেচিজিল সময়। একেলগে বহুতো প্ৰশ্নই মোৰ মনত খলকনি তুলিলে। উত্তেজনা প্ৰকাশ নকৰি মই নীৰৱে ক'লো, থাকক তাই যদি ল'ব পাৰিছে অকলে যন্ত্ৰণাৰ ভাৰ, তেন্তে তেনেকৈই ভাবক কেতিয়াবা বিষাদ ভাগ বতৰা কৰিলে দুগুণ বিষাদ বাঢ়েহে। সদায় যে এনে কৰিলে মন পাতল লাগিবই লাগিব তাৰ কোনো নিশ্চিয়তা নাই।

দুয়োজনীয়ে নীৰৱে কৈছিলোঁ অলপ সময়, মোৰ কিবা এটা ভাল নালাগিছিল। মই হয়তো শ্ৰাৱণীক এইটো ৰূপত বিচৰা নাছিলো। সদায় দৌৰি-ধাপৰি, হাঁহি-মাতি থকা শ্ৰাৱণীজনীকে মোৰ ভাল লাগিছিল। নকওঁ বুলিয়ে ভাবিছিলোঁ। আপুনি একো নোসোধাকৈ মোক

ক'বলৈ বাধ্য কৰিলে। আজৰ মানুহ আপুনি, ইমান কম সময়তে ইমান বেছি ভাবুক হ'লে কম বয়সতে ইমান বেছি ভাবুক হ'লে বেয়া কথাষাৰ কৈ তাই আকৌ নীৰৱে ৰ'ল যেন তাই নীৰৱতাৰ সৈতে খেলাহে কৰিছে। মাজে মাজে কথা কৈ নীৰৱতাক ভাঙি তাই যেন ৰঙহে পাইছে। মই মাত্ৰ চাই থাকিলো তাইলৈ।

মোৰ কোনো নাই বুলি ক'লে হয়তো ভুল কোৰা হ'ব, হ'লেও মোৰ মা-দেউতা কোনো নাই। মোৰ চকুৰ আগতে গুলিয়াই মাৰি থৈ গ'ল সিহঁতে। বহুতে সময়ৰলৈকে ধৰফৰাই ধৰফৰাই মৰি গৈছিল, নিথৰ হৈ গৈছিল এইবোৰ বহুত কথা মই চাই আছিলোঁ ঝৰ্ণা বা, কেৱল চাই আছিলো কন্দাও নাছিলো পাহৰি গৈছিলো সকলো। মোৰ তেতিয়া আৰু বুজিবলৈ বাকী নাথাকিল যে কেইদিনমান আগত হিয়া ঢাকুৰি কন্দাৰ কাৰণ কি আছিল, উত্তৰ মোৰ সন্মুখত।

কোনে, কোনে মাৰিলে? ডিঙিৰ ওচৰত আহি বৈ যোৱা মাতটো কথমপি উলিয়াই সুধিলো। আশ্চৰ্যত মোৰ দুচকু বহল হৈ গৈছিল।

নাজানো, দেউতাক টকা বিচাৰিছিল। দেউতাই নিদিলে আমি একো নাজানিছিলো, মানুহকেইটাই প্ৰায় আহিছিল দেউতাক মাতি নি কিবা কথা পাতে। মায়ে সুধিছিল দেউতাক? দেউতাই বিজনেছৰ কামত অহা বুলি কয়, তাৰ পিছত সকলো শেষ। মোৰ নামাৰিব কি ভাবি নামাৰিলে নাজানো সৰু আছিলো যে সেইকাৰণে ছাগে। ক্লাচ থ্ৰিত আছিলো মোৰ মুখত সিহঁতে কাপোৰ বান্ধি গুচি গৈছিল। মোক লৈ গৈছিল মামাই তেওঁলোকৰ ঘৰলৈ একেবাৰে।

মই যন্ত্ৰৰ দৰে স্থিৰ হৈ শুনি গৈছিলো কথাবোৰ প্ৰতিক্ৰিয়া প্ৰকাশৰ বাট নাছিল, শ্ৰাৱণীয়ে কৈ গৈছিল, মেলি দিছিল অ'ত দিনে জপাই থোৱা হৃদয়ৰ যন্ত্ৰণাৰ বৰপেৰা।

মামাৰ সন্তান নাছিল, মামীয়ে মোক পায় সকলো পাহৰি পেলালে। সন্তানহীনতাই তেওঁক দিয়া মনোকষ্ট তেওঁ মোহাৰি পেলালে। অনবৰতে দুয়ো মোৰ লগতে লাগি আছিল। সেই ভয়ংকৰ ৰাতিটো বাৰে বাৰে সপোন হৈ মোৰ ওচৰলৈ আহিছিলে দিঠকতো লগ এৰা নাছিল। কিন্তু ঝৰ্ণা বা মই এটা কথা শিকিলো সময়েই সকলো দুখ-কষ্ট হ্ৰাস কৰা মহৌষধ। মই লাহে লাহে ওলাই আহিব পাৰিছিলো স্মৃতিৰ জটিল পাকচক্ৰৰ পৰা। মামা আৰু মামীক মা-পা পা মাতিবলৈ শিকালে। সকলোবোৰ হেৰুওৱাও মই বহুত কিবা কিবি পালো, নাপাব'ত পাৰিলোহেঁতেন। ভগৱানে মোক বহুত দিছে আৰু বিচাৰিলে পাপ কৰা হ'ব।

এতিয়াও মোৰ মনত পৰে মোৰ মা-দেউতালৈ অন্তৰখনে হাহাকাৰ কৰে, মোৰ এতিয়াৰ মা-পাপা মুখলৈ চাই মই ৰৈ যাওঁ, মই মনোকষ্টত আছো বুলি গম পালে তেওঁলোকে কিমান বেছি আঘাত পায় ভাবকচোন, সেইকাৰণে মই আগুৱাব শিকিছোঁ, যি পাৰিছোঁ উপভোগ কৰিছো। নোপোৱাবোৰৰ হিচাপ নিকাচ কৰি একো লাভ নাই। আপুনিও নকৰিব।

মই উচুপিছো, মুখ ঢাকি মই সৰু ছোৱালীৰ দৰে কান্দোনত ভাঙি পৰিছোঁ, শ্ৰাৱণী বহাৰ পৰা উঠি আহি মোক সাবটি ধৰিলে মই জোৰেৰে সাবটি ধৰিলো শ্ৰাৱণীক বহুত সময়ৰ পিছত মই নিজকে চম্ভালি লৈ লাহে লাহে ক'লো— কোনো মানুহে সুখত নাই নেকি শ্ৰাৱণী? কিয় ইমান কষ্ট?

আপুনি বেছিকৈ ভাবে কথাবোৰ সেইকাৰণে এনেকুৱা ভাবনা হৈছে। সকলো মানুহৰে সুখ থাকে, দুখো থাকে, মইতো এতিয়া সুখী, স্মৃতিবোৰ মচি পেলাব নোৱাৰোঁ কিন্তু স্মৃতিয়ে দিয়া দুখবোৰ কমা'ব টো পাৰো। দেউতালৈ খং উঠে কেতিয়াবা কাৰোবাক যদি এবাৰ ক'লে হয় সমস্যাবোৰৰ কথা, আপুনিও নকয় খুলি কথা।

ঝৰ্ণা বা আপুনি বহুত সহনশীল হয়। এইবোৰ কথা ভাবি সময় নষ্ট নকৰি। অভিৰাজ বোলো মানুহটোৱে আপোনাক বুজিব নুখুজিলে, নহ'লে নুবুজাৰ প্ৰশ্নই নাছিল। আপুনি এখন খোলা কিতাপৰ দৰে। ইচ্ছা কৰিলে পঢ়িব পাৰি। তাৰ পিছতো যদি কোনোবাই নুবুজে।

মই একো নক'লো, নিস্তব্ধতাৰ সুৰুঙা ফালি শ্ৰাৱণীয়ে উপদেশৰ সুৰত কৈ গ'ল—"শোওঁ গৈ মই, আপুনিও শুই থাককহি।" শ্ৰাৱণীয়ে অভিনয় দেখি মই হাঁহি ৰখাব নোৱাৰিলোঁ। সকলো পাহৰি মই খিল্‌খিলাই হাঁহি উঠিলো। শ্ৰাৱণীয়ে চাই থাকিল মোলৈ। অলপ পিছত শ্ৰাৱণী টোপনিৰ কোলাত ঢলি পৰিল। এৰা, কেতিয়াবা এজনৰ বিষাদে আন এজনৰ বিষাদ মচি পেলাব পাৰি। পৃথিৱীত দেখোন অপ্ৰয়োজনীয় বুলিব একোৱে নাই।

ৰাঙলী হ'ব খোজা পূবৰ আকাশখনলৈ চাই গানৰ কলি এটা গুণগুণাই মই বিছনাত পৰিলো। পোহৰ হ'বলৈ আৰু বেছিপৰ নাই।●

# Dearest Magic

**Smitra Chakraborty**
B.A. 2nd Semester, Dept. : English

Magic, yes! That is the name that I connote you with you are the magic of my life. You, with your wand has oozed all the darks days of my life like a gander pampers the rose bud, you take my care like a father, scorn me like a friend for my mistakes and embrace my drawback. Your magical wand of love has even made the butterflies felt in the stomach beautiful. What is love? It is nothing but a tale of two pair of eyes, how a pair in the crowd of all temptations, finds another pair that gives solace. Love is like a shadow in the summer days and blanket of inters. Never in my life before, I have had encountered such a feeling, such a passion. Love to me was just a nancensical distraction shown in movies. I always wondered what it was. Is it just violins being played by some in the background, that cool breeze and that bell sound ting! No! Love is nothing like that. It is a much more pious feeling. Providing solace in pensive days. I love spending time with your presence make me happy your tendr steps in my life turns all gloomy days into glee. For the first time ever in my life, someone has occupied even my prayers. Although if we fight at times rare, it is too bashful. Unfortunately. You will never be mine, your are someone else's and I know that. But you know what your hippies is what matters to me the most, never the lest be it with me are someone else. As shakes sears had said, you're the ninth star to my lost bark in the sea. Yes! I agree at times, I feel sad. I want to be with you. But that's okay. I am strong enough to hold back myself. All my self love is thy contribution. I do not have any expectations from you, but all I have is hope, that someday it, if my love for thee is pure and strong enough, if we are destined to be together, we will be one. Two minds will then merge into one soul. I know you're practical and realistic, while I am the one still believing in fairy totes and fantasies, but as said by Newton "Opposite attracts."

I don't know what I wrote, whether correct, but all I know is that I am expressing what I felt, but as said by Einstein that love does not observes gravity. I do not know whether you will read it or not, but all I want to say is that " I love you".●

# Dead Comes

**Parismita Mili**
B.A. 1st Semester, Dept : History

Once upon a time, in a village a cowherd living a comfort life by taking care of a large number of cow. He loves his work very much. The wake up early in the morning and milking the comes. After that, he takes breakfast and take the comes out into the fields. He also gave name to the comes like sedi, Melo, Taker etc. With these names he made song and enjoy the whole day by dancing and singing.

But unexpectedly, one day two of his can is take by ill. They became very upset, His beloved two comes is going to stop living. He work hard to help them but it's not work.

Next morning, without doing anything he just take the bath and went out in search of area where he can berried the and comes. After found the area he came back and took help gram one of his friends to carry the dead comes. Because of dead, the comes became too heaving, anyhow they manage to bring them in a very near forest where there is no sign of settlement. They start digging. After sometime his friend sits on the ground for rest. He simply Fust start to look around the forest, suddenly he notice that a group of vulture watching them from the top of the tree. He understand that, they want their dead comes from them. He ask his friend, "we should love this dead comes for vulture in stand of burring."But, he did not agree with him. He said, "I can't do like that. I can't see my belove comes in that way. It will make me terrible. And it's going to smell."

Now, his friend tries to conveyance. He said, "See it's not terrible. Now great full your comes are. Thy are getting change, that they can save life, after death. Lock at there unthread, how pitiful they are. And about smell here's no settlement around. It's not going to affect much. Or it's not like that we are throwing them in water like other people do. It would smell and make river unclean, if we are throwing them in water. After thinking sometime, he agreed. They left the dead comes and watch from for a way that how anthers are great full for what they have done.

While walking back to home. Friend said, "let's do more like this "He added, "lets step doing only you humans, now its turn for other creatures."●

কবিতাৰ কৰণি

# ল'ৰালি কাললৈ মনত পৰে

জ্যোতিপ্ৰসাদ পেগু
স্নাতক চতুৰ্থ ষাণ্মাসিক (বিজ্ঞান শাখা)

সৌ জীৱনটি যে কেনেকুৱা বিস্ময়কৰ
আছিল...।
মনত পৰিলেই ভাল লাগে
উপভোগ কৰাৰ কাৰণে।
মনত পৰিলেই বেয়া লাগে
এৰিবলৈ বাধ্য পৰাৰ কাৰণ
ৰং ধেমালিৰ জীৱনটো...

ঘৰৰ চোতালত চাং বনাই
জোনাকৰ তলত বহি
আইতাকৰ মুখত সাধু শুনি
নিৰস ৰাতিৰ ৰস উলিয়াই উলিয়াই
অতিবাহিত কৰা সময়টো
ফুলৰ সুবাসত মতলীয়া হোৱা
পখিলাৰ পিছে পিছে দৌৰি
লক্ষ্যহীন স্থানত হাজিৰ হৈ
আনন্দিত হ'ব পৰা সেই জীৱনটো...

বৰ বগৰীৰ তলত
ফৰ্মুটি দলিয়াই
কণ কণ পকা গুটি পাই
উল্লাস কৰিব পোৱা সৌ ক্ষণবোৰ...
জান-জুৰিৰ কাষত
বালিৰ ঘৰ সাজি
ঘৰ সংসাৰৰ এটি দৃশ্য
অভিনয় কৰাবোৰ...

বৰষুণ খেদিবৰ বাবে
কেঁচুঘৰ সাজি দিয়াবোৰ...

দুখ কষ্ট ভাগৰে ঢুকি নোপোৱা জীৱনটো।●

# জীৱনৰ সংজ্ঞা কি

ধেনী মেদক
দ্বিতীয় ষাণ্মাসিক (অসমীয়া বিভাগ)

জীৱন, জীৱনৰ সংজ্ঞা কি?
নাই কোনো জীৱনৰ সংজ্ঞা।
জীৱন মাথো এক বেদনা
বহুতো উচ্চাকাংক্ষা আৰু লাঞ্ছনা
জীৱন, প্ৰেম-ভালপোৱা গভীৰতা
আৰু বেদনা, প্ৰবঞ্চনা
আছে বহু দুখ-যন্ত্ৰণা।
বিলাসৰ উচ্চ অভিলাষ,
নাই সত্য পৱিত্ৰতা।
জীৱনৰ সত্য আৰু লক্ষ্যত
সফলতা আৰু বিফলতা
স্বাৰ্থ আৰু নিস্বাৰ্থৰ মাজতো
বহু গোপনীয়তা।
সাহিত্য সংস্কৃতিটো আধুনিকতা,
ৰূপ-গুণ মহিমাৰ
বিশ্লেষণৰ জটিলতা।
বিৰহৰ কান্দোনত চকুপানী
আৰু মিলনৰ মধুৰ হাঁহি,
উলংগ কলমৰ নিষ্ঠুৰ আঘাতত
ৰঙা-নীলা চিয়াহীৰ উচুপনি
জীৱন, এইয়ে জীৱন নেকি?●

# অপেক্ষা

**লাকী বেগম**
দ্বিতীয় ষাণ্মাসিক, নৃতত্ত্ব বিভাগ

নিস্তব্ধ নিশাৰ নিৰ্জনতাত
দি থৈ গ'লা সঁহাৰি,
নীৰৱ হৈ পৰিলো মই
নিথৰুৱা যেন মন-প্ৰাণ।

তুমি আছিলা—
চেনেহৰ অমিয়া যাঁচিবলৈ
স্বপ্নৰ মধুৰ অনুভৱ দিবলৈ
জীৱন যাত্ৰাৰ লগৰীয়া হৈ!

কিন্তু সিদিনাই আহিল এজাক পছোৱা
চুই গ'ল মোৰ হৃদয়ৰ আপোনজনক
নিস্তব্ধ নিথৰ সকলো
মনে-প্ৰাণে যেন মই অকলশৰীয়া।

আকৌ আহিবা প্ৰিয়া
ধাৰাষাৰ বৰষুণ হৈ
বুৰাই নিবা হৃদয়ৰ কোণক
অন্তৰৰ আলাপৰ স'তে বিলীন হ'বাহি
চেনেহৰ টোপোলাটি লৈ।

সিদিনাই অন্ত পৰিব
তোমালৈ অপেক্ষা কৰা
মোৰ বিৰল হেঁপাহৰ;
য'ত লুকাই আছে
প্ৰতিটো ক্ষণৰ
নিসংগতাৰ বিশাল হুমুনিয়াহ।
পুনৰ আঁকোৱালি ল'ম আপোনজনক।●

# দেৱদাৰুৰ আঁৰে আঁৰে

**পাৰবিন চেতিয়া**
স্নাতক দ্বিতীয় বাৰ্ষিক, বুৰঞ্জী বিভাগ

কি যে অপূৰ্ব সৃষ্টি এই কৃষ্ণ নগৰ
য'ত প্ৰাণ পাই উঠে হেজাৰ স্বপ্ন

আকাশত পাৰ ভাঙি অহা চৰাইজাকৰ দৰে
য'ত ভ্ৰমি ফুৰে তৃষ্ণাতুৰ দৰে হৈ থকা
মনবোৰে...
মিঠা মিঠা লগা অনুভূতিবোৰ আৱেগবোৰ
এই কৃষ্ণ নগৰে দি যোৱা এক উন্মুক্ত উশাহ
স্মৃতি হেন্দোলনিত পেন্দোলামৰ দৰে
ওলমি থকা ভাবনাবোৰ আজিও দেৱদাৰু
দেশ তোমাৰ নামত উৎসৰ্গিত...

স্মৃতি সুগন্ধি ফুলপাহ আজিও কঢ়িয়াই ফুৰোঁ
মৰমৰ বালিচৰাত আজিও তোমাক লৈ ফুৰোঁ
সেই দেৱদাৰু দেশ তোমাৰ উশাহত প্ৰাণ
পাই উঠে...
মৰহি যোৱা হেজাৰ পুষ্পিত
আলোকেৰে সজ্জিত মনবোৰ...।●

# সোণ হৰিণৰ চেঁকুৰ

ত্ৰিদিশা গগৈ
দ্বিতীয় ষাণ্মাসিক, অৰ্থনীতি বিভাগ

দূৰত্বৰ জোখ ভঙা
দুডাল চিৰিৰ মাজতে সীমাবদ্ধ
ৰেলৰ ৰাস্তাটোৰেই হয় আমি।
দৌৰি দৌৰি,
ভৰিত কাঁইট সোমালেও,
তেজ গোট মাৰি চেঁকুৰা হ'লেও
কোনেও নকয়,
তুমি অলপ জিৰাই লোৱা।
মই বিচৰা পৰিপূৰ্ণ সেউজ পাহাৰখন
তেওঁলোকে বিচৰা
শূন্য বৰফৰ পাহাৰখনৰ দৰে
নহ'বও পাৰে।
এই যে এটা কীট আছে,
চুঁচৰিব নোৱৰা
অহংকাৰৰ নামত, নিজ সন্তানকে কামুৰি থাকে।
তাৰ অস্তিত্ব থাকেগৈ
চিগাৰেটৰ ধোঁৱাত।
ঠিকেই, আমি
সোণ হৰিণৰ চিক্‌মিকনি
খেদি ফুৰা প্ৰতিযোগিতাৰ এজাক ঘোঁৰা।
কিন্তু বতাহৰ জানো প্ৰাচীৰ আছে?
শব্দই জানো গানক ৰুধিব পাৰে?
নোৱাৰে আৰু নোৱাৰিবও।
হাজাৰ আন্ধাৰৰ মাজতো
ভৰিত খুন্দা খাই চেতন আহেই,
যে আমি সপোন দেখিলোঁ।
গছৰ পুৰণি পাত সৰি
কুঁহিপাত এদিন ওলাবই
পথাৰখন এদিন সোণালী হয়েই।
আৰু তেতিয়াই
ধানবোৰ সোণগুটি হৈ
জিলিকি ৰয়।●



# ৰাধাৰ চকুলো

প্ৰিন্সী কলিতা
দ্বিতীয় ষান্মাসিক, সমাজতত্ত্ব বিভাগ

কানাইৰ বাঁহীৰ সুৰত আজিও কঁপে
আজলি ৰাধাৰ মন...
ৰাধাৰ বুকুৰ মাজেদি বয়,
অনন্ত প্ৰেমৰ সুদীৰ্ঘ যমুনা নৈ...।
কিন্তু, কেৱল ৰাধাইনে!
শতজনী গোপীনিৰ কানাই বুকুৰ কুটুম
শতজনীৰ লগত মেলা কৰা কানাইৰ প্ৰতি
আক্ষেপেৰে ভৰে ৰাধাৰ মন।
তথাপি, তাই নিস্তব্ধ...
কৰ্তব্যৰ অজুহাতত আঁতৰি যায় চতুৰ প্ৰেমিক,
প্ৰথমতে মথুৰা, তাৰ পাছত দ্বাৰকাৰ নৃপতি।।
শত দূৰৈৰ ৰুক্মিণী আজি কানাই আপোন,
কিন্তু ৰাধা...
তৰাটোৰ দৰে জোনৰূপী কানাইৰ লগত
মাথো উচ্চাৰিত হয় তাইৰ নাম...।
আছে জানো তাত প্ৰেমৰ পূৰ্ণতা?
শূন্য আজি বৃন্দাবন, শূন্য যমুনাৰ পাৰ,
শূন্য ৰাধাৰ মন...!
যমুনাৰ পাৰত বহি আজিও কান্দে
ৰাধাই নিৰৱে, নিসংগে...
আজি বৈ যায় যমুনা, ৰাধাৰ চকুলো হৈ...।।●

# জীৱন এক নুবুজা সাঁথৰ

**বৰষা ঠাকুৰ**
চতুৰ্থ ষান্মাসিক, অসমীয়া বিভাগ

এজাক বতাহৰ প্ৰয়োজন
মনৰ মাজত থকা দুখবোৰ
উৰুৱাই নিবলৈ।

শান্ত এজাক বৰষুণো লাগে
মনৰ মাজত দোলা লগা
কিছুমান উত্তপ্ত জুই নুমুৱাবলৈ।

লাহে লাহে হৃদয়খন
দিন হ'ব ধৰিছে।
চকু পানীবোৰ আজিকালি
শুকাবলৈ ধৰিছে।

মনৰ মাজৰ আৱেগবোৰো কিবা আউল লগা।
হৃদয়খন কঠোৰতকৈ কঠোৰ হৈ পৰিছে।

শিলতকৈ শিল, কঠোৰতকৈ কঠোৰ।

আৱেগত আৱেগিক নোহোৱাকৈ।
পৰিস্থিতিৰ দায়ত শিল হৈ পৰিছে।
এতিয়া এই হৃদয়।●

# পৰিৱেশ আৰু পাকঘূৰণি

**চিৰন্তন গগৈ**
উদ্ভিদ বিজ্ঞান বিভাগ

(১)
শুনিছোঁ জীয়াঢল খৰাং হ'ল
মানুহবোৰৰ মুখত আনন্দৰ ঢৌ এটা দেখা গ'ল,
শুনিছোঁ জীয়াঢল বৰ বাউলী
মানুহবোৰৰ মুখত ত্ৰাসৰ ঢৌ এটা দেখা গ'ল।

(২)
এহ! পুলিটো কাটি পেলালে?
মানুহজনে ক'লে, অপতৃণ আতৰাওঁতে নেদেখিলোঁ।
ক্ষন্তেক জিৰাবলৈ ভাল ছাঁ পালো।
মানুহজন ৰোৱা দেখি, মানুহটোৱে ভাবিলে! পুলিটো কাটি বৰ ভাল নকৰিলো।

(৩)
শুনিছোঁ পাভ অভয়াৰণ্য হ'ল।
ভালে হ'ল মানুহখিনিৰ প্ৰতিবাদত জীৱখিনিৰ গুৰুত্ব বাঢ়িল।
শুনিছোঁ ৰে'লৰ খুন্দাত হাতী দুটাৰ মৃত্যু হ'ল।
এহ! মানুহখিনিৰ চঞ্চলতাত জীৱবোৰ গুৰুত্ব কমিল।

(৪)
কথাবোৰ বাতৰি কাকততে থাকিল
পৰিৱেশ সংৰক্ষণৰ কথাবোৰ কাগজ এখনতে থমকিল।
অবাধ বন ধ্বংস, জীৱ-জন্তুৰ আৱাসস্থলী ধ্বংস ধাৰণাবোৰ,
কাগজৰ মেৰপাঁচত পাকঘূৰণি খাই পৰি থাকিল।●

# আইৰ নিচিনা সেউজীয়াবোৰ ...

চিৰঞ্জীৱ সন্দিকৈ
ৰাজনীতি বিজ্ঞান বিভাগ

আইৰ বুকুৰ মাজত উমলি থাকোতেই
আকাশত দেখিছিলো এজাক শুকুলা বগলী,
সুধিছিলো আইক ক'লৈনো যায় ইহঁত দুপাখি মেলি?
আয়ে মোৰ মুখলৈ চাই কৈছিল—সেউজীয়া বিচাৰি।
সিদিনা বুজিছিলো সেউজীয়াবোৰ মোৰ আইৰ নিচিনাই ধুনীয়া।
আজি আই নাই, পিছে সেউজীয়াবোৰ আছে,
য'ত মই হেৰাই পাওঁ মোৰ আই
সেউজীয়াৰ কোঁহে কোঁহে ফুলি উঠা কোমল
ফুলবোৰত প্ৰাণময় হৈ উঠে মোৰ আইৰ হাঁহিটি।
মোৰ আইৰ মুকলি চুলিটাৰি দৰেই এই জিৰজিৰ
নিজৰাটি,
যাৰ পাৰতে আশ্ৰয় লৈছে কত শত পশু-পক্ষীয়ে।
সিহঁতৰ সতে মোৰো মন যায় উমলিবলৈ
কি যে মুক্ত সিহঁত, কিযে প্ৰাণোচ্ছল!
ষ্ট্ৰিট লাইটৰ পোহৰ পোৰে আমাৰ নগৰৰ
সেউজীয়াবোৰ ঢাকি পেলাইছিল,
হাহাকাৰ কৰি উঠিছিল সেউজ আত্মাবোৰে।
সৌন্দৰ্য হেৰাই যোৱাৰ ভয়াবহতাত ডুব গৈছিলো
বিষাক্ত গৰলত,
কিন্তু এদিন মোৰ কোঠালিৰ পূব খিৰিকীৰে সোমাই
আহিল চিৰন্তন মাতৃ প্ৰকৃতি,
বেলিৰ পোহৰ আৰু ফাগুনৰ বতাহৰ ৰূপ লৈ।
মৃত্যুমুখী মই পাইছিলো জীৱনৰ নতুন সন্ধান।
বুজিছিলো এই সেউজীয়াবোৰৰ বাবেইতো মই জীয়াই আছো,
মোৰ বুকুৰ উশাহবোৰো যে সেউজীয়া।
কোনো দূৰৈত ৰিণিকি ৰিণিকি দেখা পোৱা
পাহাৰখনটো মোৰ সহোদৰ,
মই নাচিলে সিও নাচি উঠে উলাহত।
কতনা খেলিলো ডাৱৰৰ লুকা ভাকু
কতবাৰ লগত পালো মোৰ আইক



আকাশৰ নীলাবোৰৰ মাজত।
শৰৎকালৰ ৰূপালী জোনে কতনা ঢালিলে
মোৰ বুকুত শান্তিৰ বাৰিধি,
কেঁচা বোকাৰ পথাৰত বিচাৰি পালো জীৱনৰ
গভীৰ অৰ্থ।
সঁচাই এই সেউজীয়াবোৰ আইৰ নিচিনা
আকাশ আৰু বৰনদী পিতাইৰ নিচিনা
বিশাল আৰু সাহিয়াল।
প্ৰাণময় প্ৰকৃতি জীপাল সেউজবোৰ
আইৰ নিচিনাই ধুনীয়া,
য'ত মই হেৰাই পাও মোৰ অস্তিত্ব,
সেউজীয়াত বিলীন হৈয়ে মই পাওঁ
মোৰ প্ৰকৃত আত্ম পৰিচয়,
যাৰ সপোন সেউজীয়া, সেউজীয়া যাৰ জীৱন
আৰু যাৰ খোজে যিয়ে মাথো সেউজীয়াৰ বাটেৰে...।

# নিশাৰ শেষত দিন


ত্রিদিশা শর্মা
স্নাতক ষষ্ঠ ষাণ্মাসিক, প্ৰাণী বিজ্ঞান বিভাগ

ফটিকৰ দৰে লাগে
শান্ত-সমাহিত আকাশখনিত
জিলিকা
থুপি থুপি তৰাবোৰ।
হৃদয়ৰ ভাষা প্ৰকাশৰ
যেন অবিৰত প্ৰয়াস সেয়া
তিৰ্বিৰ্ তিৰ্বিৰ্ কথাবোৰ।।

কোটি কোটি তৰাৰ একছত্রী সম্রাট
কলংকিত অথচ সুন্দৰ
সেয়ে যেন আজি সি অহংকাৰী
চতুৰ্দশীৰ চন্দ্ৰমা।...
শুভ্ৰ মেঘালীৰ আঁচলৰ আঁৰত তাৰ
লুকা-ভাকুৰ খেলা।...

এজাক সমীৰ কোবাই যায়
সৰি পৰে মুকুতা সদৃশ
নিয়ৰৰ বহু কণা।
দেহ-মন স্থবিৰ কৰি তোলা
ভাৰাক্ৰান্ত মন শান্ত কৰি তোলা
হিম শীতল সেই
চতুদৰ্শীৰ চন্দ্ৰমা।

হঠাতে আকাশখন ৰাঙলী হৈ পৰিছে
প্ৰসৱবেদনাত যেন
তাই চট্‌ফটাইছে।
ক্ষন্তেক পিছতে
মাতৃত্বৰ গৌৰৱ আৰ্জি
আকাশীয়ে কিছু জিৰণি লৈছে।
জগতক পোহৰোৱাৰ প্ৰতিশ্ৰুতি পুত্ৰ
ৰক্তাভ ভাস্কৰৰ।●



# দিগন্তত বিয়লি


জাহ্নৱী দত্ত
স্নাতক প্ৰথম ষাণ্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ

দূৰ দিগন্তৰ সীমনাত
দীপ্ত সূৰুযৰ সুপ্ত শিখাত
জিলিকি উঠা হেঙুলীয়াৰ সোণালী
ৰহণ।
আপোন পাহৰা হৈ স্বচ্ছন্দে বৈ যোৱা
স্ৰোতস্বিনীত,
স্ৰৱণৰ মধুৰ আলোড়ন
ধূসৰ পদুলিমুখত পূবৰ পছোৱাজাকে
সুখৰ পৰাণ ঢালি,
সিক্ত আৱেগৰ মাদকতা সিঁচি
মন-প্ৰাণ কৰিছে চঞ্চল
আপোন মনৰ মাধুৰী সনা,
নীলিম আকাশৰ বিশালতাত
নীড়মুখী পক্ষীজাকৰ কলৰৱে
হঠাৎ জগাই
এক বুজাব নোৱৰা শিহৰণ।●

# মলয়াৰ অভিমান

**শিল্পীশিখা দাস**
স্নাতক ষষ্ঠ ষাণ্মাসিক, অসমীয়া বিভাগ

ধুনীয়াবোৰ বাৰু ক'ত লুকাই থাকে
ধুনীয়াৰ সংজ্ঞা বিচাৰি বাৰে বাৰে হাবাথুৰি খাওঁ।
হঠাৎ এজাক মলয়া বতাহ মোৰ কোঠাৰ
খিৰিকী খুলি সোমাই আহিল।
আৰু মোক তাইৰ স্বভাৱজাত
অভিমানেৰে ক'লে—
শুনাচোন! সৌ আকাশখনিলৈ চোৱা
নীলা আবিৰ সানি যিয়ে
বাৰে বাৰে নিজৰ লাবণ্যক ঢাকিবলৈ
আপ্ৰাণ প্ৰচেষ্টা চলাইছে।
পিছে তাতো বাৰে বাৰে অপৰাগ হৈছে।
তোমাৰ সেয়া দেখি মুখত হাঁহি বিৰিঙা নাইনে?
এইয়াটো ধুনীয়া নহয়নে?
মাজে মাজে আকাশখনিৰ
চিৰ বন্ধু শিশুটি আহিছে।
কিন্তু চোৱাচোন জোনটিক
নিবিকাৰভাৱে যেন জীৱনৰ
শেষ শান্তিকণ বিচাৰি
ওলমি ৰৈছে আকাশখনিৰ বুকুত।
সভ্ৰমেৰে অভিমানেৰে।
উপায়বিহীন নীড়খনি এইবাৰ লাজতে
ৰঙচুৱা হ'ল।
সূৰুযৰ মিঠা সংস্পৰ্শত আকাশখনিয়ে যেন লভিলে
এক অনাবিল ঐশ্বৰ্য শক্তি
পোহৰাই তুলিবলৈ সমগ্ৰ পৃথিৱীক।
পাহাৰ ভৈয়াম, সাগৰ মালদ্বীপবোৰ যেন
সূৰুযৰ সোণালী আভাৰ একাঁজলি



পৰশৰ বাবেই ৰৈ আছিল।
সকলোৰে যেন সূৰুয আৰু আকাশখনিৰ যোৰাটো
সদায়েই প্ৰিয়।

মই মলয়াৰ উত্তৰত অবাক হ'লো
আৰু মলয়াজাকেও মোৰ পোহৰ মুখখনিত
সকলো অভিমান পাহৰি
এটি চুমা আঁকি উভতি গ'ল
ৰচকী বৰদৈচিলাজনী হৈ
কিজানি ধুনীয়া বিলাবলৈ।●

# আইৰ কলিজাখনত মামৰে ধৰিল

ভাৰতী কলিতা



আই বোলে অ' বোপাই
হাবিৰ চতিয়নাজোপাৰ তললৈ নাযাবি।
বৰশী বাই অলৌ-তলৌকৈ ঘূৰি নুফুৰিবি
বতাহত সপোনবোৰ হেৰাব,
বনগুটি গজিব।
নামঘৰত চাকিগচি জ্বলা
ভড়ালত সোণগুটিৰ চ'ৰা।
অমানিশাৰ অন্ধকাৰে ধিৰে ধিৰে আৱৰিছে
কলিজাৰ সুৰুঙাবোৰ বন্ধ কৰ ...
মোৰ আইজনী বৰ মৰমীয়াল,
চেগ বুজি কথা কয়
আইৰ মতে "জীৱন সাধাৰণ নহয়"
সঞ্চয় দৰকাৰ হয়।
আইজনী কামে-বনে পাকৈত
আজিৰ গাভৰু পৰাজয় হ'ব মোৰ আইৰ লগত
মোৰ আই সাধাৰণ তিৰোতা নহয়।
মোৰ আইজনীয়ে বৰকৈ কয়
"শিক্ষা কেৱল কিতাপতে পোৱা নাযায়, সাধাৰণ
কৰ্মৰ পৰা শিক্ষা আহৰণ কৰিব পাৰি..."
ইমান শিক্ষা কিয় লাগে?
যিটো শিক্ষাই মৰম, ভালপোৱা, আপোন-পৰ
নোবোজে!
কেলেই লাগিছে টকাৰে কিনিব সুখৰ সঁফুৰা
সুখৰো বিচাৰিব জানিলে
পিন্ধি থকা কামিজৰ মাজতে পোৱা যায়।
মোৰ আই কুকুৰা ডাকতে সাৰ পাই
দুবৰি বনে সাৰ পাই উঠে
প্ৰাণ পাই উঠে
যেতিয়া সূৰুযৰ আগমন ঘটে।
আইৰ সপোনবোৰ সৰাপাতৰ দৰে সৰিছে
আইৰ পোনাকণ,
চহৰৰ বিলাসীকতাত বিলিন হৈছে।
তেলবিহীন টিপচাকি আইৰ পঁজাত জ্বলিছে
সপোনবোৰ আইৰ আপোনা-আপুনিকৈ চকুৰে সৰিছে!
আশাৰ টোপোলাৰ পৰা সৰি পৰিছে আইৰ কষ্ট আৰু ত্যাগ।
জৰাজীৰ্ণ হৃদয়খনত আকৌ ফাঁট মেলিছে
আইৰ বুকুখন পুৰিছে
এতিয়া পোনাকণৰ আইৰ কলিজাখনত মামৰে ধৰিল।●

# অনুভৱ

**নিশিতা কোঁৱৰ**
স্নাতক দ্বিতীয় যাণ্মাসিক

সন্ধিয়াৰ বতাহজাকক জানো পাহৰিব পাৰিবা?
য'ত প্ৰথমবাৰৰ বাবে আমাৰ চিনাকি হৈছিল।
যিয়ে সেই বকুলজোপাৰ তলত বহি,
মই অহা বাটলৈ চাই আছিলা।

সেই দিনটোত,
মোৰ মনত ভাহি থকা কথাবোৰ
তুমি জানো তেতিয়া বুজিব পাৰিছিলা?

হেঁপাহৰ চিনাকি মুখখন,
যি মোৰ সপোনৰ দলিচাৰ প্ৰথমজন পুৰুষ
যাৰ আগত মই মোৰ দিনটোৰ সকলোবোৰ কথা
উজাৰি ক'ব পাৰিছিলোঁ।
তেওঁক জানো মই পাহৰিব পাৰিম??

তুমি জানানে,
ভাল লগাবোৰ সঁচাকৈয়ে মধুৰ
য'ত পোৱা-নোপোৱাৰ কোনো হিচাপ নাথাকে।
কিন্তু সময়ৰ সোঁতত এইবোৰো যে স্মৃতিলৈ পৰিৱৰ্তন হয়,
সেইয়াহে বুজি উঠিবলৈ কঠিন।●



# জীৱনৰ ৰং বিচাৰি

**অমৃত দাস**
স্নাতক ষষ্ঠ যাণ্মাসিক
ৰসায়ন বিজ্ঞান বিভাগ

জীৱনৰ ৰং বিচাৰি
এমুকুৰা হাঁহিৰ সৈতে
তোমাৰ দেশলৈ যাম।

দুবৰিৰ উপবনত
আমি দুয়ো কথা পাতিম
অনেক আৰু অনন্য।

অলপ আন্ধাৰ নামি আহিব,
ভয় নাখাবা (?)
জোনাকী আহিব দিয়া
তুমি যোৱাৰ বাট দেখাবা।
কি যে অপূৰ্ব।●

# অৱশেষ

**পংকজ দত্ত**
স্নাতক তৃতীয় ষাণ্মাসিক, ভূগোল বিভাগ



"সোণ অ' নাহিলি সুখৰ দিনত ..."
কচুঠুৰি, কণবিলাহী ভেকুৰীগুটিৰ পিটিকাকণ
কাঁহীত দি কান্দে মমতাই।
দেখিছানে কেতিয়াবা
অন্তহীন মৰমৰ ৰহঘৰা
কেনেকৈ এটি জুপুৰিত থাকে লুকাই।

বিজুলী বাতিয়ে পোহৰ নকৰা
ধূলি-বালি, বোকা-পানীৰে জীপাল হৈ থকা
মানুহৰ দেশত আন এখন দেশ
সঁচা মানুহৰ আছুতীয়া দেশ
জীয়াই আছে য'ত জীৱনৰ অৱশেষ।
ইয়াত খাতি খোৱা মানুহে সাঁচি থয়
সৰু সৰু সপোনৰ উন্মাদনা
পৃথিৱীৰ অবৰোধীত সম্ভাৱনা।

নদীয়ে ইয়াত পিয়াহ গুচাই
বনৰীয়া সুগন্ধিয়ে দুখ পাহৰাই
জোনাকীয়ে দিয়ে বাট দেখুৱাই।
তুলসীৰ তলত নাহৰৰ চাকি জ্বলে
বুঢ়ীআইৰ সাধুবোৰত পৰীবোৰ উৰে।
চেনেহৰ শেতেলীত ৰাতিবোৰ শুই থাকে
আকালো নাই, ভৰালো নাই
মাত্ৰ বুকুৰে বুকুৰ কথা বুজে
লুকুৱাই থোৱাৰ লুকাই থকাৰ
নাইবা আঁতৰি যোৱাৰ খেল নাথাকে।

ইয়ালৈ নাহিবা, যদি নিবিচাৰা কপালৰ ঘাম
ক'লা চশমা পিন্ধি চোৰ চাৱনিৰে নাচাবা
সেউজীয়া উন্মুক্ত টৌবোৰ।
চলাহি কথাৰে হাত মেলি নুচুবা
পাখি মেলি উৰি ফুৰা ৰংবোৰ।
তুমি তোমাৰ পৃথিৱীতে থাকা,
চকুলোৰ আতিথ্য ইয়াত জিলিকি থাকক
মানুহৰ সঁচ ইয়াতেই সময়ে সাঁচি ৰাখক।●

# মোৰ আই মোৰ নদী

আইৰ দৰেই আপোন
মোৰ আজন্মৰ যাযাবৰী নদী।
তোৰ বিধৌত বলুকাত
মোৰ ওমলা দিনৰ বালিঘৰ।
আইৰ আলসুৱা কোলাত
থুনুক-থানাক অমাতৰ মাত।
তোৰ নিজম ঘাটৰ নদালিৰ আঁৰত
গোপনে গজালি মেলি লহ-পহ।
মোৰ কৈশোৰৰ কোমল সপোন
তোৰ জীয়াঢলৰ উঠন বুকুত
মোৰ ব'হাগৰ গোপন বেথা।
তোৰ জোনাকী মোহনাৰ বালিচন্দাত দগমগ।
মোৰ এৰি অহা দিনৰ
জীয়া ছবি
আই মোৰ আদৰৰ
আই মোৰ আদৰৰ।●





# দেউতা

**সমীৰণ হাজৰিকা**
স্নাতক চতুৰ্থ ষাণ্মাসিক
পদাৰ্থ বিজ্ঞান বিভাগ

প্ৰায়ে এক বিশেষ প্ৰশ্নৰ মুখামুখি হও
তোমাৰ দেউতাই কি কৰে,
ক'লে জানোঁ মানি ল'ব
ক'লে জানোঁ বিশ্বাস কৰিব তেওঁৰ বেদনা,
তথাপিও কয় থওঁ ...
প্ৰখৰ ৰ'দত কেঁচা ঘাম মাটিত পেলাই
সেমেকা ঘৰখন ৰসাল কৰে মোৰ দেউতাই,
নিজৰ মুখত হাঁহিৰ মুখা পিন্ধি
পৰিয়ালৰ সুখৰ বাবে সকলোবোৰ ত্যাগ কৰে তেওঁ,
আজি তেওঁ পৰিয়ালৰ পৰা বহু দূৰৈত
অচিন ঠাইত, অচিন পৰিৱেশত, অপৰিচিত মানুহৰ সৈতে
চকুৰ চকুলো চকুতে বিলীন কৰে তেওঁ,
পৰিয়ালৰ অপৰিকল্পিত অৱস্থাত
সকলোৰে সেমেকা মনবোৰ সৰল কৰে তেওঁ,
যিজনে নিজে কান্দে
পৰিয়ালৰ এমুঠি হাঁহিৰ বাবে,
যিজনে নিজে জ্বলে
পৰিয়ালৰ পোহৰ দিয়াৰ স্বাৰ্থত,
তেখেতৰ পোহৰৰ অবিহনে আমিবোৰ আধৰুৱা।●

# মন্থন

**প্ৰিয়া গগৈ**
স্নাতক চতুৰ্থ যাণ্মাসিক
পদাৰ্থ বিজ্ঞান বিভাগ

দুৰ্যোগ দুৰ্ভাবনাই
আজি মোৰ ব'হাগ,
জীয়া পাখিৰ অপৰিপক্ক পাতল শব্দই আনে,
আহিনৰ গেৰেলী ধানৰ চিৰাৰ
সুগন্ধী সুবাস।

এবুকু ৰ'দৰ উত্তাপত
দগ্ধ মই,
সিৰাই সিৰাই উত্তেজিত দেহা;
কঁপে থৰথৰ
দোকোল টকা বানৰ দৰে
নাহেতো কাল ধুমুহা?

দিগন্তত সূৰ্যৰ বিস্ফোৰণ
বিশাল আকাশত আতংক,
ধৰিত্ৰীৰ কিযে বিড়ম্বনা;
আকালৰ জুইতো
বাৰুদৰ যন্ত্ৰণা।
এনেকৈয়ে আহে আতৰ্জনলৈ
অলেখ প্ৰতিশ্ৰুতিৰ বন্যা;
সৌ সিদিনা আকৌ
আমি তৃতীয় প্ৰজন্মই
হীৰক জয়ন্তী
পাতিলো জানা।

বিষাদৰ বাঁহীৰ শব্দত
গোহালীৰ দামুৰীজনীয়েও দেদাউৰি পাৰে
ৰিব্‌ৰিব্ মলয়া বলিলে
ফাগুন জানো নহাকৈ থাকে,
তুমি প্ৰতিশ্ৰুতি দিলে
সপোন পৰীৰ জগতখন জিলিকি উঠে।●

# নতুন প্ৰেৰণা

**ধেনী মেদক**
স্নাতক দ্বিতীয় ষাণ্মাসিক
অসমীয়া বিভাগ

যদি জীৱনলৈ আহে ধুমুহা
প্ৰেয়স, তুমি থমকি নৰ'বা।
যদি দুচকুৰে কৰে আমনি
প্ৰেয়স, লোৱা তুমি নতুন প্ৰেৰণা।
নতুন সূৰুয আহিব ওলাই
জীৱনৰ গীত গাই গাই
যদি কান্দোন জীৱনৰ খেল
বেদনা জীৱনৰ ধেমালি
বহুত পাইয়ো একো নোপোৱা
সুখ-দুখ আহে হৃদয় কঁপোৱা।
জীৱন সংগ্ৰামত বহুতো
আশা-নিৰাশা।
তথাপি তুমি নাভাগৰিবা
প্ৰেয়স তুমি শুনা আহ্বানৰ শীৰ্ষ
চুবলৈ সাজু হোৱা।
জীৱন যদিও হয় দুখৰ পৰিচয়
নকৰা প্ৰেয়স তুমি মিছা অভিনয়।
তোমাৰ ভৱিষ্যতে মাতি আছে ৰিঙিয়াই
প্ৰেয়স তোমাৰ নৱ নৱ দুৱাৰ মুকলি।
নতুন স্বপ্ন, উচ্চাকাংক্ষা, অভিলাষ
প্ৰেয়স তোমাৰ সত্য আৰু লক্ষ্যৰ পথ
সাবটি লোৱাগৈ লোৱা।●

# প্ৰকৃতিৰ সৌন্দৰ্য

**ত্ৰিদিশা গগৈ**
স্নাতক দ্বিতীয় ষাণ্মাসিক, অৰ্থনৈতিক বিভাগ

মোৰ উৰিবলৈ মন গৈছে আজি।
হুৰ্ হুৰ্ বতাহজাকৰ লগত একাকাৰ হ'বলৈ।
অজুহাতৰ উকা পৃষ্ঠাখনৰ পৰা ওলাই,
অমিয়া শব্দৰে ভৰা,
পূৰ্ণ কিতাপখনলৈ যাব বিচাৰিছো।
ভ্ৰান্ত কৰা সেউজীয়াবোৰ
নামি আহিছে,
মোৰ অলৌকিক মনৰ মাজলৈ।
কলীয়া ভোমোৰাটোৰে
বৰকৈ গান গাইছে।
ফুলমতি প্ৰেমিকাজনীৰ লগত
উন্মাদ হৈ চুম্বন কৰিছে।
মোৰ আউল হৈ পৰা চুলিকোচাত
আঁহত গছৰ হৃদয় আকৃতিৰ পাতবোৰৰ
লহৰে ...
বেণী গুঁঠি দিছে।
অ' সেয়া কি শুনিছো?
বগা চাদৰ এখন গাতে মেৰিয়াই
কুলু কুলু নদীখনে,
ধৰিত্ৰী আহক সাবটি ধৰিছে।
মোক মাতিছে! চঞ্চল মনক শীতল কৰিবলৈ।
বেদনাত গলিত মোৰ মনটোৰে
আজি সকলো সুন্দৰতাৰ উমান পাইছে।
মই এতিয়া,
পলাশৰ দৰে, হাঁহিব ধৰিছো।
শিমলু তুলাৰ দৰে,
কোমল পৰশ হৈ পৰিছো।



নাজানো এয়া কি বলিয়ালি?
নৈতিক নে অনৈতিক?
কেৱল বিলীন হ'ব খুজিছো
প্ৰকৃতিৰ সৌন্দৰ্য নামৰ
এই অভিনয়খনিত!●

# বসন্তৰ প্ৰকৃতি

**প্ৰিন্সী কলিতা**
স্নাতক দ্বিতীয় ষাণ্মাসিক
সমাজতত্ত্ব বিভাগ

প্ৰকৃতি আজি আকৌ ন ৰূপত
কাৰণ, ব'হাগ আহিছে
সেই কুলিজনী, সেই বৰদৈচিলাজাকে,
কঢ়িয়াই আনিছে ব'হাগৰ বাতৰি
আজি, নঙঠা বিৰিমে লাজতে হ'বলা,
সেউজীয়া সাজ পিন্ধিলে।
বিবিধ সাজেৰে ঋতুৰ ৰজাইও
সেউজী দলিচা পাৰিলে।
কুলু কুলুকৈ বৈ যোৱা সেই নদীখনেও
আজি প্ৰকৃতিৰ সৌন্দৰ্যত।
আত্মহাৰা হৈ নিজৰ গতি সলালে
ফুলে ফুলে জাতিষ্ক এই প্ৰকৃতিত
সেই পৰিভ্ৰমী পক্ষীবোৰে,
আজি সোণত সুৰগা চৰালে।
প্ৰকৃতিৰ এই মোহনীয় ৰূপত
আকাশে যেন প্ৰকৃতিক প্ৰশ্ন কৰে
"ইমান সাজোন-কাচোনৰ কাৰণ?"
কাৰণ, মাথো এটাই
"বসন্ত আহিছে, উৰুঙা প্ৰকৃতিক
আকৌ এবাৰ জীপাল কৰিবলৈ।"●



# ফাগুন

**ঘন কৃষ্ণ গোহাঁই**
স্নাতক চতুৰ্থ ষাণ্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ

তুমি বৰ অপূৰ্ব জানা
তোমাৰ আগমনে দিয়ে,
জীৱনৰ এক অফুৰন্ত যাত্ৰা।
তুমি বাৰেণ কিয়া এনেকোৱা
কিয় কাৰোবা জীৱনত
ৰং ছটিয়াই কাৰোবাক নিথৰুৱা
কৰি থৈ যোৱা।
চোৰাচোন তোমাৰ পৰশ
পাবলৈ ক'তযনে বাট চাই থাকে।
কিন্তু তোমাৰটোৰ দয়া
সকলোৰে বাবে নহয়নে কি কোৱা।
তোমাৰ মাদকতাই
দি যায় এক উন্মাদনা।●

# ৰঙীন জীৱনী

**প্ৰকৃতি চেতিয়া**
স্নাতক দ্বিতীয় ষাণ্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ

মই কোনো কাব্যিকতা প্ৰেমী জীয়ৰী নহয়
নাই কোনো মোৰ অৰ্থৰ ভাণ্ডাৰ,
নাই কোনো মোৰ কামনা, উল্লাস
আছে মাথোঁ এক ৰঙীন ভৱিষ্যত
জীৱন মানে কি নাজানো
নাজানো ফুলাম নে উকা
আৰু নুসুধিবা, নুসুধা
জীৱনৰ আশা!! মাথোঁ কুঁৱলী ফালি
গৈ থাকিম গৈ থাকিম
যেতিয়ালৈকে কুঁৱলীৰ ছানি শেষ নহয়
পোৱা-নোপোৱাৰ দোমোজাৰ মায়াজালত
আজি বন্দী মই
বহু আশা বান্ধি বগাই আহিছো মোৰ
জীৱনৰ তৃতীয়খন জখলাত
বুকুত অযুত হেঁপাহ আছে এই হেঁপাহক হাতত লৈ
জীৱনৰ গোলাপ কাঁইটত খুচি-বিন্ধি গৈ আছো
আই-পিতাই সদায় বাট চাই আছে
মোৰ পোহৰৰ শলিতাত
য'ত বিৰিঙিব এটুপি সুখৰ চকুলো
আৰু ৰঙীন উজ্জ্বল হাঁহি।
কিনো ক'ম!!
কোনেও নাজানে দিয়া
বিধাতাৰ লিখনি
বিধিয়ে দিলেও বিধাতাই নিদিয়ে
এই মোৰ ৰঙীন জীৱনী।।●



# জীৱনৰ চাকনৈয়া

**পাৰবিন চেতিয়া**
স্নাতক দ্বিতীয় ষান্মাসিক
বুৰঞ্জী বিভাগ

উচ্চ আকাংক্ষা
পিয়াঁহটোৰ হৃদয়
এয়া কিহৰ ভোগ?

আপোনাৰ ভোগ বাঢ়িছে
প্ৰেমৰ ভোগ, ভোগৰ ভোগ।

হয়তো নুশুনিলে আপুনি
জীৱনৰ সত্য কাহিনীবোৰ
জীৱনৰ চাকনৈয়াত
আমি হৈছো একোজন প্ৰহৰি
প্ৰেম বিহীন জীৱনৰ কঠিন প্ৰহাৰত
আপুনি যেন এটি ভাগৰুৱা পক্ষী
সুস্থ শৰীৰ ৰুগীয়া মনৰ মানুহজন
আপুনিয়েই নহয় জানো।●


# নব্য মানৱৰ বেহা

লোপামুদ্ৰা দুৱৰা
স্নাতক দ্বিতীয় ষাণ্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ

মানুহ আছে অলেখ লেখ গণিব নোৱাৰি
হাতৰ আঙুলিত যে ল'বই নোৱাৰি।
এয়া কি যে মানুহৰ পম ...
মানুহ আছে জাকে জাকে
দেখিব লেখিব শুনিব ভাল
কৰ্মত পিছে পিঠি এৰা দিয়া
এই মানুহৰ পম ...
হায় কি যে কৰো আহিছে বিপদ
কাৰো দেখাদেখি নাই
বাৰে বাৰে পদূলিৰ আগ দেখিছো
আহিব নেকি কোনোবা
মোক কৰিবলৈ অকণ সঁহাৰি?
নাই কোনো নাই, দেখাদেখি নাই
ক্ষুদকণকো পাবলৈ নাই
এয়া হেনো নব্য মানৱ সমাজ
আধুনিকতাৰ বেশা পিন্ধা!
নাই, নালাগে আধুনিকৰ ভূষা
নোৱাৰো খহিব আৰু
কাতৰ কৰিছো মানৱক
উদ্ধাৰ কৰা অ' প্ৰাণৰ প্ৰভু!!●

# মৰীচিকা

হেঁপাহৰ চাৰিআলিটো, ঘৰৰ কাষৰ তিনিআলিটো
আৰু যে চোতালৰ কোণৰ মোৰ সেই
নাৰিকলৰ শাৰী শাৰী গছবোৰে ...
হাতবাউল দি মাতে, বাৰে বাৰে
কলী গাইজনীয়েও যেন আৱেগ ৰচে
মোৰ বাবে ...
আটোম-টোকাৰিকৈ ডাঙৰ হোৱা
মাৰ হাতত লৰি-ঢাপৰি ফুৰা
মোৰ চেনেহৰ ছাগলী পোৱালীকেইটাৰ
কি যে উথপ্ ... থপ্
নাচাওঁ বুলি ভাবিলেও বলীয়া
ফাগুনৰ মদাৰজোপাতো মোৰ
হৃদয়খন জোৰা লাগি যায়।
ইটো মূৰৰপৰা সিটো মূৰলৈ
সোণৰ চপৰা যেন কণমানিবোৰ
তাতে আকৌ স্নেহৰসী খুড়ীহঁতৰ
সৈতে হোৱা আড্ডাবোৰ
নোৱাৰো এৰিব এই হেঁপাহবোৰ
সেয়ে হয়তো মোৰ জীৱনটো ৰঙীন
ভগৱানে একো নিদিলেও এই
অকৃত্ৰিম হেঁপাহবোৰ যে দিলে
সেয়ে হয়তো মৰুভূমিত মৰীচিকা
খেদি ফুৰিব নিবিচাৰো।●



# ভালপোৱা

পৱন শৰ্মা
সমাজতত্ত্ব বিভাগ

ভালপোৱা এবাৰেই হয় মই মান্তি নহয়
এবাৰেই পাৰিলে আমি আকৌ থিয় নহওনি
কাৰুবাক হেৰুৱাই আমি জীয়াই থাকিবলৈ এৰি দিওঁ নি
ঠিক তেনেদৰে এবাৰ ভালপোৱাত পৰাজয় হ'লো বুলি যে
মই ভালপোৱা কৰিবলৈ কিয় এৰি দিম
জীৱনলৈ ভালপোৱা বাৰে বাৰে আহে
বেলেগ বেলেগ ৰাস্তাত
কেতিয়াবা মই সেই ভালপোৱা চিনিব নোৱাৰোঁ
কেতিয়াবা চিনিব পৰিও অচিনাকি হৈ যাওঁ
আৰু কেতিয়াবা ভয়াতু হৈ সকলো স্বীকাৰ কৰি লও
জানো প্ৰথম ভালপোৱা সকলোৰে বাবে প্ৰিয়
আশা থাকে চকুত
সমাজৰ ভয় নাথাকে
চিলাৰ দৰে হৃদয় দুপাখি মেলি উৰিব ধৰে
যেতিয়া সেই আশা বেমেজালি হয়
ভাগি পৰোঁ মই
প্ৰতিশ্ৰুতি নিজৰ লগত কৰোঁ
যদি এতিয়া নহয়, তেন্তে কেতিয়াও নহয়
কিন্তু হৃদয়ত আছে তেওঁ
তথাপিও চকুত থিতাপি লয় আন কোনোৱে
আংকিত হয় হৃদয় মগজুৰে সকীয়নি দিয়ে
পুৰণি অনুভৱ সাঁতুৰিবলৈ ধৰে দুই নয়নত
এই সময়ত হৃদয়ৰ কথা শুনিম
তোমাৰ হৃদয়ে কি কয়, সুন্দৰ অনুভৱ
যদি হৃদয় মান্তি নহয়
কিয়নো জীৱন মানে ভালপোৱা
ভালপোৱা মানে জীৱন।●



# সপোন

জ্যোতিপ্ৰসাদ পেগু
স্নাতক চতুথ ষাণ্মাসিক
পদাৰ্থ বিজ্ঞান বিভাগ

গোটেই দিন কামত ব্যস্ত হৈ
ৰাতিৰ আকুল নিদ্ৰাত পোৱা সপোন
এক সুদৃশ্যৰ দৰ্শনস্থল।
ই ন ন অদ্ভূত দৃশ্যৰ প্ৰদৰ্শন কৰি থাকে।
যাৰ বাহু বন্ধনত মই নিজেই আতুৰ।

সপোনত পোৱা মজা
বাস্তৱৰ এটি আশাটিতকৈ উত্তম।
কিয়নো সপোনত আমাৰ মনৰ
কল্পনা আৰু লক্ষ্যবোৰ
সহজতে উপনীত কৰিব পাৰো।

নাই মোৰ কোনো ভ্ৰুক্ষেপ ইয়াৰ বিপক্ষে
যিয়ে মোৰ বাস্তৱত নঘটা ঘটনাবোৰ
মুদি থকা চকুৰ মাজেৰে
অন্তস্পৰ্শা কৰি দেখুৱাই যায়।
কাৰণ মই বাস্তৱত কৰিব নোৱৰা,
কৰিব নজনা আৰু কৰি নোপোৱা ঘটনা
সপোনতে অনুভৱ কৰি তৃপ্তি পাওঁ।
ই মোৰ বাবে এটি ৰসাল আৰু
আনন্দকেন্দ্ৰৰ মনোমোহা ঠাই।●

# খোজত জীৱন

**দীপশিখা শইকীয়া**
স্নাতক প্ৰথম ষাণ্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ

তাৰপিছত
অকণমান ৰৈ দিলেই হয়তো
কথাবোৰ হৈ পৰিব ৰহস্যময়ী
ঠিক লিওনাৰ্ড' দ্যা ভিন্সিৰ মনালিছাৰ হাঁহিটোৰ দৰে।

উশাহবোৰত বাট লৈছিল
জীৱনৰ খোজবোৰে,
পুৱাৰ সূৰুযেও পশ্চিমত মাৰ যায়
অথচ জীৱনৰ খোজবোৰ ৰৈ নাযায়।

শৈশৱ পাৰ হৈ যায়
এটি সেউজীয়া হাঁহিৰে জীৱন খোজত,
যৌৱনৰ ডেউকা মেলাতেই যেন
নিষেধাজ্ঞা ভংগ কৰি প্ৰৱেশ কৰে
ভগ্ন হৃদয়ৰ উচুপনিবোৰে।

বাস্তৱৰ দুৱাৰখনত টুকুৰিয়াই দিওঁতে
ঢলি পৰিল প্ৰাপ্তি অপ্ৰাপ্তিৰ যুঁজখন,
খলা-বমাৰ অভিযোগ আৰু কিমান দিনলৈ চলিব ...?
কেতিয়াবা মন মগজুৰ অঘোষিত প্ৰতিযোগিতাতো
দিক্‌ভ্ৰষ্ট হয় খোজত খোজ।

তথাপিও খোজ দিবলৈ পাহৰা নাই
ৰৈ দিয়াৰ চেষ্টায়ো চলা নাই,
অমাৱস্যাৰ পিছতেই ন জোন ওলাবই।
জীৱনৰ সেউজীয়া খোজবোৰো গৈ থাকে
স্মৃতিৰ বাট মুকলি,
এখিলা উকা কাগজৰ
ৰং বিচাৰি।●



# আলিংগন

**শ্ৰুতিস্মৃতি গগৈ**
স্নাতক তৃতীয় ষাণ্মাসিক
পদাৰ্থ বিজ্ঞান বিভাগ

নষ্টালজিক সেই প্ৰহেলিকা আলিংগন,
আজিও ৰোমাঞ্চিত হৈ বুকুত কঁপি উঠে ...
আপুনি বাৰু কঁপে নে?
আকৌ বিচাৰোঁ,
বাৰে বাৰে বিচাৰোঁ,
অন্তৰংগ বাৰ্তালাপত
আপোনাৰ সৈতে বিলীন হ'বলৈ।
বহুদিন হ'ল ...
আপোনাৰ দুচকুত চকু গৈ
ঢৌ খেল নেদেখা,
অশান্ত মনক কেনেকৈনো বুজাওঁ;
আপুনি যে এতিয়া
ব্যস্ত জীৱনৰ ক্লান্ত ঠিকনা
আপোনাৰ ব্যৱহৃত ...
সুগন্ধিৰ গোন্ধ নোপোৱাও দেখোন
বহুদিন হ'ল,
অংগাৰীকাওঁ প্ৰেমত তেজাল হ'ল
মাথো,
আপোনাৰ পৰশহে আপেক্ষিক হৈ ৰ'ল।
আৰু ...
আপোনাৰ এই বাউলি প্ৰেমিকাই,
মাদকতাত বুৰ গ'ল
মদাৰে বুলুৱা
ফাগুনী পচোৱাত
এক আপেক্ষিত ঠিকনাৰ।●

## শাওণৰ উন্মাদনা

**জয়শ্ৰী গগৈ,** স্নাতক প্ৰথম যাণ্মাসিক

শাওণৰ চিপ্‌চিপ্ বৰষুণ,
কলাফুল পাওঁ পাওঁ
বোকামাটিৰ পথাৰখনত
মূৰত টকৌপতীয়া
জাপিটো লৈ সি,
ওঁঠত এটি সন্তুষ্টিয়া হাঁহি
মুখত এটি পুৰণি গীতৰ
কলিৰ গুণগুণনি।
মাজে মাজে বাটলৈ
এটি হেঁপাহৰ চাৱনি,
তাৰ যে তাইজনীৰ হাতৰ
পইতা-ভাতৰ লালসা।
সেয়া তাই...
মূৰত জাপিটো,
হাতত গামোচাৰে বন্ধা
ভাতৰ টোপোলা।
পথাৰৰ সৰু আলিৰে
পৰো নপৰোকৈ আহি থকা তাইৰ
লাহি ককাঁল চুম্বি চুলি কোছাক
চাৰে গা মা পাৰ তান ধৰা পছোৱাজাকে
হেঁপাহৰে নচুৱাইছে,
তাইৰ ডালিম গুটীয়া দাঁতকেইটিৰে
সুমথিৰা ৰঙৰ হাঁহি
উফ ... যেন বৃন্দাবনলৈ
ৰাধাজনী হৈ ঢপলিয়াইছে।
কেঁচা সেমেকা মাটিৰ গোন্ধত
সি হাতত এমুঠি লৈ
পছোৱাজাকৰ মাজত কৃষ্ণ জন হৈ
তাইৰ সৌন্দৰ্যৰ সংজ্ঞা বিচাৰে,
আৰু তাই...
ৰাধাজনী হৈ
তাৰ বাঁহীৰ সুৰৰ
অপেক্ষাত ৰয়
আকুলতাৰে।●



## সোণলৈ বুলি চিঠি ...

**নিতুৰাণী গগৈ**
স্নাতক প্ৰথম যাণ্মাসিক, বুৰঞ্জী বিভাগ

সোণ, তোৰ মনত আছেনে, সেইদিনৰ কথাবোৰ,
তই যে মোক কৈছিলি, ৰাধাহঁতৰ পদূলিৰ
আলি কেঁকুৰিটোত ৰৈ থাকিবলৈ আৰু যে
কৈছিলি তোক লগ পাব আহিলে
সদায় সেউজীয়া বুটাবছা কাপোৰযোৰ
পিন্ধি আহিবলৈ মনত পৰিছে নে তোৰ ?
তই যে আহি পোৱাৰ পিছত
যে কৈছিলি, আজি কাপোৰযোৰ বৰকৈ
শুৱনি কৰিছে মোৰ ফুলজনীক।
ইয়াৰ পিছতেই যে তই তোৰ কলাৰঙী
বেগটোৰ পৰা চিঠিখনি উলিয়াই মোক
দি কৈছিলি ভালে থাকিবি ফুল
অহাবেলিৰ আমাৰ মিলনৰ সাক্ষী
অগ্নিদেৱতাক কৰিম।
তই চিঠিখনি দি উভতি যাবৰ পৰত
সন্ধ্যা নামি আহিছিল ডুবিত বেলিৰ
পোহৰত মোৰ সোণটো একেবাৰে
কেঁচাসোণৰ দৰে জিলিকি উঠিছিলি তই।
তই সেইদিনা দি থৈ যোৱা চিঠিখন
আজিও সাঁচি ৰাখিছো জান ? যোৱা
পয়ষষ্ঠি বছৰ ধৰি সাঁচি ৰাখিছোঁ জানা ?
আজি বহুত দিনৰ মূৰত তই দি যোৱা
চিঠিখন উলিয়াই লৈ পঢ়িলো।
চিঠিখন ঠিকেই থাকিল
কিন্তু প্ৰতিশ্ৰুতি দি যোৱা
মানুহজনহে অচিন দেশলৈ গ'লগৈ।
এতিয়া বাৰু মৃত্যুৰ সিপাৰে
আমাৰ বাৰু মিলন হ'বনে সোণ ?
এয়া, আজি মই মোৰ চিৰকুমাৰীতা
বিদায় দিব লৈছো। আজি মোৰ
গন্তব্যস্থান সেই অচিন দেশ, য'ত মোৰ
সোণ আছে। বিদায় সময়। বিদায় নিষ্ঠুৰতা।
এতিয়া মোৰ যাত্ৰাৰ গন্তব্যস্থান মাথো
সেই স্থান সেই অচিন দেশ।●



# এয়া মোৰ ফাগুন ...

## আলিংগন

শ্ৰুতিস্মৃতি গগৈ
স্নাতক তৃতীয় ষাণ্মাসিক
পদাৰ্থ বিজ্ঞান বিভাগ

নষ্টালজিক সেই প্ৰহেলিকা আলিংগন,
আজিও ৰোমাঞ্চিত হৈ বুকুত কঁপি উঠে ...
আপুনি বাৰু কঁপে নে?
আকৌ বিচাৰোঁ,
বাৰে বাৰে বিচাৰোঁ,
অন্তৰংগ বাৰ্তালাপত
আপোনাৰ সৈতে বিলীন হ'বলৈ।
বহুদিন হ'ল ...
আপোনাৰ দুচকুত চকু গৈ
ঢৌ খেল নেদেখা,
অশান্ত মনক কেনেকৈনো বুজাওঁ;
আপুনি যে এতিয়া
ব্যস্ত জীৱনৰ ক্লান্ত ঠিকনা
আপোনাৰ ব্যৱহৃত ...
সুগন্ধিৰ গোন্ধ নোপোৱাও দেখোন
বহুদিন হ'ল,
অংগাৰীকাওঁ প্ৰেমত তেজাল হ'ল
মাথো,
আপোনাৰ পৰশহে আপেক্ষিক হৈ ৰ'ল।
আৰু ...
আপোনাৰ এই বাউলি প্ৰেমিকাই,
মাদকতাত বুৰ গ'ল
মদাৰে বুলুৰা
ফাগুনী পচোৱাত
এক আপেক্ষিত ঠিকনাৰ।●

ত্ৰিদিশা গগৈ
স্নাতক দ্বিতীয় ষান্মাসিক
অৰ্থনৈতিক বিভাগ

খিড়িকিখন মেলি দিছো
অচিনাকি প্ৰণয়ৰ এজাক বতাহে
মোৰ মূৰৰ প্ৰতিডাল কেশৰ
উৰুৱাই লৈ গ'ল।
ধূলি সোমাই চকু দুটা
অস্বস্তি কৰি গ'ল যদিও
বতাহজাক যেন চিনাকি লাগিল।
বাহিৰলৈ ওলাই চাবলৈ গ'লো
কিজানিবা দেখো তোমাক!
নাই, মোৰ এঘাৰ মাহৰ অপেক্ষাৰ
তেতিয়াও অন্ত নপৰিল।
কেৱল আগফালৰ আঁহতজোপাৰ
হৃদয় আকৃতিৰ শুকান পাতবোৰে,
মোক দি গ'ল তোমাৰ উপস্থিতিৰ অনুভৱ।
হঠাৎ মুখখনত এটি
মিচিকীয়া হাঁহি উঠি গ'ল।
সেই সুযোগতে মদাৰজোপাইও
মোৰ গালত
আৰু অলপ ৰঙা ৰং বোলাই দিলে।
মই যেন চাটি ফুটি গ'লো।
সমস্ত প্ৰকৃতিয়ে,
মোক বেৰি ধৰি জোকাবলৈ ধৰিলে।
আজাৰজনীয়ে কাণত
ফুচ্‌ফুচাই ক'লে ...
এয়া ফাগুন
আৰু ... আৰু
তোমাৰ ফাগুন!●

# সংগ্ৰাম



প্ৰেৰণা গগৈ
স্নাতক তৃতীয় ষাণ্মাসিক
উদ্ভিদ বিজ্ঞান বিভাগ

জীৱন মানেইটো সংগ্ৰাম,
প্ৰতিদিন, প্ৰতিপুৱা, প্ৰতিনিশাই
আমাৰ বাবে এক সংগ্ৰাম।
আৰু সংগ্ৰামীজনেহে প্ৰকৃত অৰ্থত
জীৱনত জীয়াই থাকিবলৈ শিকিছে,
লাগে সেই সংগ্ৰাম নিজক আত্মনিৰ্ভৰশীল
কৰিবলৈ হওক বা নিজৰ পৰিয়ালেই
হওক বা নিজৰ অস্তিত্বৰ বাবেই হওক।
সংগ্ৰামী জীৱনত আমি নিজকে, নিজৰ
দৈনন্দিন ঘাত-প্ৰতিঘাতৰ কিদৰে পৰিচালনা
কৰোঁ, কিদৰে পৃথিৱীৰ লগত যুঁজ দিওঁ,
সেইয়া সম্পূৰ্ণ নিৰ্ভৰ কৰে আমাৰ ওপৰত।
প্ৰকৃত সংগ্ৰাম আমাৰ প্ৰাথমিকতাৰ
পৰাই আৰম্ভ হয়, অকল জীৱনত জীয়াই থকাটোৱেই সংগ্ৰাম
নহয়, জীৱনটোক
সুকলমে আগুৱাই নিয়াত জীৱনৰ
গতিপথত অহা সকলো সমস্যা, কিদৰে সমাধান কৰি নিজকে
সাহসী আৰু এজন সুব্যক্তি ৰূপত প্ৰতিষ্ঠিত কৰিব পাৰো,
সেয়াই হৈছে আচল সংগ্ৰাম।●

# আপোনাৰ বাবে

নয়না সোনোৱাল
স্নাতক প্ৰথম ষাণ্মাসিক

আপোনাৰ বাবেই মোৰ
এই পৃথিৱী, এই আকাশ
আৰু মোৰ হৃদয়ৰ
সেউজীবোৰ ...!
মন গ'লে কেতিয়াবা আহিব
এপাহি গোলাপ হৈ ফুলিবহি
মোৰ হৃদয় ফুলনিত
মেৰিয়াই ৰাখিম মই আপোনাক
মোৰ মৰমৰ বান্ধোনেৰে
আপোনাৰ সুবাসে
মোৰ হৃদয় জুৰাম
আৰু তাৰ পৰশ লাগি
মোৰ কলি হৈ ৰোৱা
সপোনবোৰে পাহি মেলিব,
আপোনাৰ বাবেইতো মোৰ
এই ভালপোৱা, এই আৱেগ,
আৰু সৰু সৰু
মৰমৰ অনুভূতিবোৰ ...
সপোনত সৰুকৈ সজোৱা
মোৰ এটি পঁজা
আপুনি আহি পাৰি দিব তাত
সুখৰ দলিচা ...।
আপোনাৰ বাবেইতো
মই আছোঁ ... মই থাকিম ...
আপোনাৰ বাবেইতো
মোৰ এই সৃষ্টি
কিছু অৰ্থহীন কবিতাৰ পৃষ্ঠা
আপোনাৰ বাবেইতো
মোৰ এই কল্পনা
মোৰ সপোন আৰু
মোৰ উশাহ ...
আপোনাৰ বাবেইতো মোৰ
এই পৃথিৱী, এই আকাশ।●



# প্ৰেমৰ অনুৰাগ

**পৰিণীতা ফুকন**
স্নাতক প্ৰথম ষাণ্মাসিক
পদাৰ্থ বিজ্ঞান বিভাগ

প্ৰেম মানে জানো কেৱল প্ৰাপ্তিৰ সুখ
কাৰোবাক পাবৰ বাবে কৰা অপেক্ষা
নহয় জানো প্ৰেমৰে আন এটা সত্ত্বা!
নজনাকৈয়ে কাৰোবাৰ মাজত সংগোপনে
নিজকে বিলীন কৰাৰ অনুভূতিয়েই সুকীয়া

কাৰোবাৰ সুখৰ বাবে যেতিয়া
নিজৰ স্বাভিমান সামৰি লিখা হয়
প্ৰেমৰ একপক্ষীয় স্বৰ্গীয় কবিতা
নহয়নে ই প্ৰেমৰে আন এক সংজ্ঞা।

হৃদয়ত গোপনে এজনক স্থান দি চোৰাচোন
অনুভৱ কৰিবা প্ৰেমৰ প্ৰকৃত সুবাস
সেই সুবাসৰ পৰশে জগাই তুলিব
অন্তৰত নিবিড় ভালপোৱাৰ মাদকতা।

নিজৰ কৰিব খুজিও যেন
থমকি ৰৈ আজি হেঁপাহবোৰ,
কাৰোবাৰ সুখতেই যেন বিচাৰি পাওঁ
নিজৰ সেই সুখৰ চেকুৰাবোৰ।
এতিয়া যেন আশা কেৱল আগুৱাই যোৱাৰ
তোমাৰ সুখত সুখী হৈ আকাশৰ বুকুলৈ।।●

# অনুভৱ

**মৃদুলা চুতীয়া**
পঞ্চম ষাণ্মাসিক

নিষ্ঠুৰ নিয়তিৰ ওচৰত
পৰিচয় বিহীন হৈ পৰা
ছাঁটোৰ নাম যে তুমি,
মইতো জনাই নাছিলোঁ।

প্ৰতিটো দোকমোকালিতে
সপোনৰ কবিতা ৰচা
অনুভূতিবোৰৰ নাম যে
অভিনয় আছিল,
মইতো জনা নাছিলোঁ।

ভালপোৱা, আৱেগবোৰ যে
হৃদয়ৰ ওচৰত হাৰ মানি
আধালিখা প্ৰতিচ্ছবি হ'ব বুলি
কোনে ভাবিছিল কোৱা?

মই ভাবিছিলোঁ কি জানা
আকাশৰ ৰংবোৰৰ কথা,
জানিব বিচাৰিছিলোঁ মই
সপোনৰ সেই ভাষা ...
ভাবিবলৈ মই বাধ্য হৈছিলোঁ
পৰিচয় বিহীন নোহোৱা মানৱৰ কথা।

কিন্তু,
তুমিটো ধাৰণা বোৰেই
সলনি কৰি দিলা,
সেয়েহে আজি মই নাজানো
বিশ্বাস কি?
কাৰণ...
মোৰ অনুভূতিবোৰ যে
অভিনয় নাছিল...।।●

# মাজনিশা



**হিমাশ্ৰী দত্ত**
ষষ্ঠ যান্মাসিক

মাজনিশাৰ পোহৰবোৰ
বৰ সৃষ্টিশীল নহয়নে?
সূৰুযৰ ফাকুৰে ৰাঙলী হোৱা
পথাৰৰ সেউজেৰে পৰিপূৰ্ণ
নীলা চাদৰ লোৱা
লাজুকী ধৰণীক তেজোময় ৰূপ দিছে,
জোনাকীৰ বুটা বছা ওৰণি টানি
মিচিকিয়া হাঁহি মাৰিছে শ্যামল ধৰণীয়ে।
জোন-তৰাৰ নিকুঞ্জ মালাৰে মোহময়ী এই ধৰা।
পিছে,
মই মাথো তোমাৰেই অপেক্ষাত
চকুযুৰি জপাই
উন্মুক্ত মনেৰে সোৱাদ লৈছোঁ
মলয়াৰ মিঠা সুবাসৰ।
দূৰৈত জিলীৰ মাত
হঠাৎ যেন বতাহজাক বৈ গ'ল।
নিয়ৰৰ টোপাল পিন্ধা
তোমাৰ খোজৰ অনুভৱ কৰিছোঁ
লাহে লাহে কৌতুহল তোমাৰ হাঁহিটিও পৰিদৃষ্ট।
একেলগে আগুৱাইছোঁ আমি,
হয়তো বহুদূৰলৈ,
চকুযোৰ মেলি দেখোঁ
তুমিচোন নাই

আৰু মোৰ গাত এইখন উকা চাদৰ,
সমস্ত শৰীৰ চেঁচা পৰি ৰ'ল।
ঢলি পৰিছোঁ মই
আৰু চিঞৰি চিঞৰি হত্যা কৰিছোঁ
'তুমি' নামৰ সকলো ৰং।
হৃদয়ত চেপি ৰখা,
নিকা ভালপোৱাখিনিৰ
বিষণ্নতা দূৰ কৰিছোঁ মই।
পিছে,
এই দৃশ্যপট মাথো এপলক,
এতিয়া মাথোঁ তোমাৰেই অপেক্ষাত।
আহিবা তুমি,
পুনৰ বিলীন হৈ যাম
মাজনিশাৰ এই সৃষ্টিশীল পোহৰত।●

# আধুনিকতা



হে আধুনিকতা তুমি আৰু আগুৱাই নাযাবা
হে আধুনিকতা তুমি আৰু আগুৱাই নাযাবা,
তুমি কিয় মোৰ সংস্কৃতি
ম্লান কৰিব খুজিছা?
কিয় হে, আধুনিকতা?
হে বন্ধু
মোৰ ল'ৰাই ইংৰাজীত কথা কয়
অসমীয়া নকয় জানা বন্ধু।
ঘৰৰ সকলোকে মাতে ...
Father, mother, sister, grandfather
grandmother ...
মই কিমান গৌৰৱ কৰোঁ।
হে, আধুনিকতা তুমি ম্লান কৰিব ধৰিছা
জাতীয় সাজপাৰ, জাতীয় ভাষা;
জাতীয় পৰিচয়
মিচিং ল'ৰাজনে মিচিং ল'ৰাজনকে সুধিব,
What is your name"
Where are you?
কি পৰিৱৰ্তন বঢ়িয়া কিযে পৰিৱৰ্তন
নক'বনো কেলেই পৃথিৱীত ঘূৰিব লাগিবতো
আধুনিকতাত,
যুৱক-যুৱতীৰ চিন নাই
কি সাজপাৰ, যিহে চেহেৰা
প্ৰকাশ কৰিব নোৱাৰি।
আজি ৯০ শতাংশ প্ৰজন্মই কয়
ব'ল K.P. Rajanigandha, Beer
কিনোগৈ ব'ল, ব'ল খাওঁগৈ ব'ল।
মোৰ ল'ৰাক কিনি দিব পাৰিছোঁ।
I Ten, Kten, yamaha, (pulsar?)
Adventure
কিযে Hero
কিযে ষ্টাইল, কিযে মজা।
মোৰ ল'ৰাক কিনি দি গৌৰৱ কৰিছোঁ মই
মোৰ ল'ৰাই চলাইছে, ষ্টাইল কৰিছে,
একো নাযায়তো তোমাৰ
সঁচাকৈ আধুনিকতা।
হেৰাই গ'ল নেকি?
চিৰ চেনেহী মোৰ ভাষা জননী
হেৰাই যাব নেকি?
মিবু গালোক, ৰিবি গালেং, দখনা, মেখেলা চাদৰ
হেৰাই যাব নেকি?
ঐনিতম, বিহুগীত, বৰগীত, বনগীত
কি জাতীয় সম্পদ
কি অসমীয়া মান;
কি আধুনিকতা?
সঁচাকৈ আধুনিকতা তুমি আৰু
আগুৱাই নাযাবা
মই অসমী আযে কৈছোঁ।●

# মই আপোনাৰ হ'ব বিচাৰোঁ

গায়ত্ৰী দেউৰী
তৃতীয় ষাণ্মাসিক

আপোনাৰ নামৰ এটা জোনাকী সন্ধিয়া মোক দিয়ক,
বিনিময়ত মই আপোনাক মোৰ অনামী হৃদয়খন দিম।
মোৰ এটি এটি ক্ষণিক উশাহ আপোনাক দিব বিচাৰোঁ,
বিনিময়ত মই আপোনাৰ হ'ব বিচাৰোঁ।
মোৰ পদুলিৰ হাচনাহানাজোপাও আপোনাৰ নামৰেই,
বিনিময়ত মোক আপোনাৰ এপাহ বকুলবুলীয়া হাঁহি দিয়ক।
চিৰদিন ৰাখি থ'ম বুকুৰ সোঁ-কোণত।
সদায়ৰ বাবে মোক আপোনাৰ
জীয়া কবিতাৰ সুৰ কৰাই লওক,
মই আপোনাক
মোৰ বেসুৰা গানৰ ৰাগিনীৰে সজাই ল'ম।
ৰাণী হ'ব নোখোজো মই।
প্ৰিয়জনৰ সপোন কাৰেঙৰ স্বপ্নাদাসী হ'ব বিচাৰোঁ।
বিনিময়ত মই আপোনাক মোৰ হৃদয় কাৰেঙৰ সম্ৰাট পাতিম।
সেন্দূৰৰ ইতিহাস ৰচিব নিবিচাৰোঁ,
মাথোঁ এবাৰ ভাল পাওঁ বুলি কওক,
বিনিময়ত মোৰ গোটইকেইটা জনম
আপোনাৰ নামৰ সৈতে লিখি দিম।●



# জীৱন পথৰ অদৃশ্য সংগ্ৰাম

অভিলাষ সোনোৱাল
ষষ্ঠ ষাণ্মাসিক

অদৃশ্য পথৰ সন্ধান বিচাৰি মানৱ প্ৰজাতি
আজি যেন অদম্য সাহসেৰে আগুৱাই গৈছে।
থৈ গৈছে মাথোঁ ইতিহাস ৰূপী প্ৰাচীৰ।

ভৱিষ্যত ক'ব,

সাঁথৰ যেন লগা পথৰ জটিলতাৰ মাজত
হয়তো কোনোবা ভাগৰি গৈছে, হয়তো
কোনোবা হেৰাই গৈছে আৰু হয়তো কোনোবা
জয়ী হৈছে।

অদৃশ্য সংগ্ৰামৰ জয় পৰাজয়ৰ নিয়তিৰ চৰ্ত,
আমি যেন অদম্য সাহসেৰে আগুৱাই যোৱা
দুৰ্গম ৰাস্তা অতিক্ৰম কৰা সংগ্ৰামী জীৱনৰ
সৈনিকহে মাথোঁ।

সৈনিক হয় আমি সংগ্ৰামী জীৱনৰ,

জীৱন পথৰ অদৃশ্য সংগ্ৰামক পৰাজিত
কৰাটো আমাৰ মূল লক্ষ্য।

আগুৱাই যোৱা মাথোঁ সাহসী হৈ,

নিষ্ঠা, সততা, কৰ্মৰে দিয়া নিজৰ পৰিচয়

জীৱনে দিব তোমাক জয়ীৰ পৰিচয়।●



# সপোন

**নিপু বৰুৱা**
ষষ্ঠ ষাণ্মাসিক

ভগ্ন ডেউকাৰ মনৰ পক্ষীয়ে
জানো চুমিব পাৰে আকাশৰ সীমনা।
ব্লেকআউটৰ ক'লা ধোঁৱাই কৰা নিতাল
নিস্তব্ধতা
তাৰ মাজেৰে যেন চিকিমিকি সূৰুযৰ
সোণোৱালী আভা।
এক নতুন দিগন্তৰ আশা ...
কিছু নিকা সমাজৰ প্ৰত্যাশা
য'ত নাথাকিব হত্যা-হিংসা,
নিবনুৱা আৰু ৰাজনীতিৰ ধূসৰতা,
নাথাকিব ব্যাভিচাৰ, জাত-পাত
ধৰ্মৰ নামত বিভীষিকা।
মাথোঁ থাকিব সফলতা, জীৱন জীনাৰ
উৎসাহ।
সংগ্ৰামেইটো জীৱনৰ আন এক নাম,
আকাল-মহাকাল
মানৱতাৰ জয়গান।
সফলতাৰ শিখৰ আৰোহণে সমাজত
সুখৰ হাঁহি
বিৰিঙুৱাই যেন হওক
জীৱনৰ সপোন সাৰ্থকতা ...
আকাশ ... আকাশ চুবৰে মন। ●

# নাৰী তুমি অনন্য


**লক্ষ্মীপ্ৰিয়া কলিতা**
প্ৰথম ষাণ্মাসিক
অৰ্থনীতি বিজ্ঞান বিভাগ

নাৰী তুমি অনন্য
হয় জানো আজিৰ সমাজত তুমি
মানৱতাৰ শক্তি
কেতিয়াবাই শেষ হ'ল
এখন শুদ্ধ সমাজ বুলি কৈ
নাৰীৰ চিত্ৰিত স্বৰূপ দাঙি লাভ কি?
মনত ভয়, আপছুচৰ হেঙাৰৰ পৰা
মুক্ত জানো আজি?
ন্যায় ন্যায় বুলি চিঞৰি
আজি সকলো নিমাত
অধিকাৰৰ বিপৰ্যয় হ'ল।
হেলাৰঙে সকলো
সহ্য কৰা হৈছে কিয়?
সৃষ্টিতম নাৰী জানো আজি অনন্য!
হাতৰ জেতুকা ৰঙৰ পৰিৱৰ্তে
তুমি তেজেৰে হাত ৰাঙলী
কৰিব পৰা সাহসৰ
আজি খুবেই প্ৰয়োজন অ'।
নাৰী তুমি অনন্য।
তুমি নিজে প্ৰত্যাক্ৰমণৰ
বাবে সাজু হ'বৰ সময় হ'ল
নিমাতৰ আজি প্ৰয়োজন নহয়,
কাৰণ ...
নাৰী তুমি অনন্য।●



# ধৰ্ষণ

বিশাল আকাশ মাউত



গভীৰ নিশাৰ মৌনতা কেতিয়াবা
উপলব্ধি কৰিছানে ...
ব্যতিত কৰিছানে মোৰ দৰে বহুতো
বিনিদ্ৰ ৰজনী ...
কাণত হাত দি শুনানে মাজৰাতিৰ
নিৰ্জনতাৰ কোলাহল ...

কেতিয়াবা উজাগৰে থাকি চাবাচোন
শুনিবা
দোভাগ ৰাতি সংমিশ্ৰিত জন্তু মানৱৰ
অবাইছ মাত ...
হয়তো মদ খাই ঘৈণীয়েকক পিটাৰ চিয়ঁৰ।
ৰাতিৰ নিৰ্জনতা যেতিয়া গভীৰৰ পৰা গভীৰতৰ হয়
তেতিয়া শুনিবা ৰাস্তাৰ কুকুৰৰ
তীব্ৰ ভুক্ ভুকনি ...
হয়তো আজি হয়তো পুনৰ এগৰাকী গাভৰুৰ নামত
কলংকিত অধ্যায় লিখিত হৈছে ...
যাৰ সাক্ষী সেই অজান চাৰিঠেঙীয়া।
হয়তো ... সি কিবা বুজি বাকী মানুহক
জগাবলৈহে চিঞৰিছে ...
কিন্তু জীৱশ্ৰেষ্ঠই জানো টোপনি নামাৰি
তালৈ কাণসাৰ দিব?
পিছদিনা পুৰা নিউজ চেনেলত পৰিৱেশন হ'ব।

মাজৰাতি দুবৃৰ্ত্তৰ অসহায় যুৱতীক ধৰ্ষণ ...।
আৰক্ষীৰ তদন্ত চলি আছে ...
দোষী কিন্তু কৰায়ত্ত নহ'ল ...
হ'লেও আদালতত প্ৰমাণিত নহ'ল
কেইদিনমান তাৰ ক্ষোভৰ জুই জ্বলিল ...
সময়ত আকৌ নুমাল ...
কিন্তু ...
ছোৱালীজনী আদবয়সতো বুঢ়ী হ'ল ...
তাইৰ আৰু বিয়া নহ'ল
পৰিয়ালৰো কলংক হ'ল তাই
কাৰণ ...
তাই যে ধৰ্ষিতা।।

# এৰি অহা গাঁওখন

**অনিশা দিহিংগীয়া**
দ্বাদশ শ্ৰেণী
বিজ্ঞান বিভাগৰ

কেনেকৈ পাহৰো মোৰ সোণৰ গাঁওখনিক
আঘোণৰ সোণবৰণীয়া ৰংবোৰৰ সৈতে
নিৰ্মজিত প্ৰতিছায়া।
য'ত মই এৰি থৈ আহিছো
আমি আৰু আমাৰ ল'ৰালিৰ পাঁচোতাকৈ বসন্ত
শৰতৰ শেৰালিৰ সুভাস,
নৈ পৰীয়া কহুৱা বিৰিণাবোৰ
যেতিয়া হালি-জালি নাচি উঠে
তেতিয়াই হয়তো বাজি উঠে
তেতিয়াই হয়তো বাজি উঠে
মোৰ হৃদয়ৰ মাদলৰ সুৰ
নিশাৰ নিৰ্জনতাৰ উজাগৰে
নিশাবোৰৰ কথাকে জানো সোঁৰৰাই নিদিয়ে
আকৌ মোৰ মনত পৰে
কুণ্ডিলৰ সেই ঢৌবোৰক
গ্ৰীষ্মৰ অসহ্যকৰ মাজতো
মই স্পন্দনহীন, অমায়িক, নিস্তৰংগ হৈ
আত্ম প্ৰকাশ কৰিছো
মোৰ ৰঙা কলিজাৰ চেকুৰাত সৃষ্টি হোৱা
এবুকু আশা ভৰা মৰমৰ
মোৰ এই সোণোৱালী গাঁওখন।●

# ইতিহাসৰ পম খেদি

**কল্লোল দত্ত**
তৃতীয় ষাণ্মাসিক
অসমীয়া বিভাগ

এনেকৈয়ে প্ৰতিটো পল পাৰ হৈ উৰি যায়
অতীতলৈ
দিন আহে দিন যাই ...
ৰাতি আহে ৰাতি যায়
সুখৰ অনুভূতিয়ে ক্ষন্তেকতে লয় বিদায়
নিৰাসক্ত হৈ পৰে জীৱন ...
দুখৰ বেদনাই মনতে থিতাপি লয়

জীৱনৰ সপোনবোৰে দিয়ে মোক আকৌ জীয়াই
থকাৰ নতুন প্ৰেৰণা এক নতুন আশা।
এক নতুন উদ্যম।।

জীৱনৰ নদীখনে লৈ এক নতুন গতি
এই জীৱনৰ ময়ো মৃত্যু পথৰ যাত্ৰী
আশা মাথোঁ সেই শেষ ক্ষণলৈ!●

# নীলাভ আকাশ

কৌশিক দোলাকাষৰীয়া
প্ৰথম ষাণ্মাসিক
বুৰঞ্জী বিভাগ

পোৱাৰ পোহৰেৰে জিলিকি উঠা তুমি
ৰঙচোৰা বেলিয়ে প্ৰভাতৰ আভাস দিয়া তুমি
বিশাল বিশাল ডাৱৰৰ মাজে মাজে
লুকাই থাকা তুমি।
যেতিয়া মেঘে গৰজি উঠে
কলা ডাৱৰৰ মাজে মাজে
সেমেকা মনেৰে লুকাই
ধৰাৰ সৌন্দৰ্য উপভোগ কৰা তুমি।
ৰাতিৰ আকাশৰ চিকমিক তৰাৰে
পোৱাৰ ৰঙচুৱা আভাসে
এখন মলিবিহীন
বিশাল আকাশ তুমি।●

# উপলব্ধি

বেদান্ত গগৈ
তৃতীয় ষাণ্মাসিক
পদাৰ্থ বিজ্ঞান বিভাগ

এটি পথৰ পথিক আমি
একত্ৰিত হওঁ মিলি জুলি
ভিন্নতা পাহৰি।
ওলাই যাওঁ আহক আমি
সঠিক পথৰ সন্ধানত
সঠিক সমাজ গঢ়াৰ পথত।
গঢ়ো আমি নতুন পৃথিৱী
যত থাকিব সুখ, সমৃদ্ধি
আৰু আনন্দৰ বন্যা।।●

# জীৱন

প্ৰান্তিক দত্ত
প্ৰথম ষাণ্মাসিক, ভূগোল বিভাগ

জীৱনৰ জখলা বগাব নাজানিলো
সকলোৰে যেন আগুৱাই গ'ল,
মই হে থমকি ৰ'লো,
পোৱা নোপোৱাৰ হিচাপ বহু কৰিলো
হতাশ মোৰ জীৱনক,
আৰু নকৰো হিচাপ
পোৱাখিনি কম নহয় মোৰ
আছে মোকো ভালপোৱা মানুহ
মা-দেউতা সেয়ে বহুতো।●

# কানৈ

দৰ্শনা বড়া
প্ৰথম ষান্মাসিক, অৰ্থনীতি বিভাগ

কৃষ্ণচূড়া আৰু দেৱদাৰুৰে সমৃদ্ধ
কুসুমৰ স্নিগ্ধ সুবাসেৰে সুশোভিত
সপোনৰ মায়ানগৰী তুমি কানৈ
সঁচাকৈয়ে, চিৰচেনেহী তুমি কানৈ
প্ৰতিজন কানৈয়ানৰে অতিকৈ আপোন
এই যে কানৈয়ান হোৱাৰ হেঁপাহকণ
তোমাৰ বুকুতেই জাগি উঠে।
কানৈ... তোমাকেই লৈ দেখোঁ আমি সপোন,
তোমাকেই লৈ কৰোঁ আমি গৌৰৱ—
তোমাৰ বুকুতেই প্ৰাণ পাই উঠে,
অজস্ৰ প্ৰতিভাৰ আঁকৰ।
কেতিয়াবা, তোমাৰ সুকোমল স্পৰ্শত জন্ম হয়
একো একোজন মহান ব্যক্তিৰ।
৭৫ বছৰ ইতিহাসে গৰকা মৰমৰ কানৈ,
তুমি প্ৰতিজন কানৈয়ানৰে বুকুত ৰোৱা জিলিকি,
তুমি হোৱা দীৰ্ঘজীৱী—●

# নাৰী

**দিপন ভূঞা**
তৃতীয় ষাণ্মাসিক
পদাৰ্থ বিজ্ঞান বিভাগ

নাৰী তুমি অনন্যা
নাৰী তুমি মহান
নাৰীয়েই সাহসৰ প্ৰতীক
ত্যাগৰ মূৰ্ত নিদৰ্শন।
নাৰী মানে নহয় দুৰ্বলতা
নাৰী মানে নহয় শোষণতা
পুৰুষ যেনেকৈ দেৱতুল্য
নাৰী তেনেকৈ দেৱী তুল্য
নাৰী বিনে নাই গতি
নাৰী হৈছে জগত জননী।
নাৰী মানেই নহয় চলনাময়ী
নাৰী হৈছে মমতাময়ী।
নাৰীয়েই হেনো পৃথিৱীৰ মাতৃ
নাৰীয়েই হেনো সৃষ্টিকামী
কত যে যন্ত্ৰণাৰ সাক্ষী
তোমাৰে দেহাটি
নদী হৈ বৈ যোৱা তুমি
আগ্নেয় হৈ জ্বলি উঠা তুমি
প্ৰেমেৰে ঘৰ সাজা তুমি
হাঁহিৰে দুখ সহ্য কৰা তুমি
চকুপানীবোৰ লোৱা সামৰি
বিপ্লৱী হুংকাৰেৰে যোৱা আগবাঢ়ি।
নোৱাৰিম চাগে লিখিব তোমাৰ গুণ গৰিমা
শব্দহীন আজি মোৰ কবিতা।। ●



# মোৰ অনুভৱ

**অমিত মাহাতু**
প্ৰথম ষান্মাসিক
বুৰঞ্জী বিভাগ

প্ৰেম বিহীন জীৱন আৰু
আত্মা বিহীন শৰীৰ একে ...


জানো সম্ভৱ প্ৰেম বিহীন জীৱন?
কল্পনাই কৰিব নোৱাৰি
প্ৰেম মানেই দুটি আত্মাৰ মিলন
প্ৰেম বিহীন জীৱন কেনেকৈনো সম্ভৱ?
মই যন্ত্ৰ হ'ব নোখোজো
মইও আপোনালোকৰ মাজৰ পৰাই এজন
মোৰো হৃদয় আছে, মোৰো সপোন আছে
যাৰ অপেক্ষাত দিনবোৰ
এদিন-দুদিনকৈ বাগৰিছে
এই সমাজখনৰ প্ৰতি মোৰ
বিদগ্ধ প্ৰেম আছে যিটো মই
কৈ বা লিখি প্ৰকাশ কৰিব নোৱাৰিম।
কেনেকৈনো সম্ভৱ প্ৰেম বিহীন জীৱন!●

# জীৱদ্দশা

**কল্লোল দত্ত**
তৃতীয় যাণ্মাসিক, অসমীয়া বিভাগ

আবেলিৰ ৰ'দ জাকে বননি চুলেহি
অলপ পাছতে বেলিও ডুবিব
ৰাস্তাৰে মানুহৰ অহৰহ আহ্-যাহ্
যেন এক অঘোষিত প্ৰতিযোগিতাহে।

লাখুটি ডালকে সাৰথি কৰি
অতদিনে তেওঁ চলি আহিছে
আজিও তাৰ ব্যতিক্ৰম নহয়।



জুপুৰীটোৰ পৰা কোনোমতে
তেওঁ পদুলিমুখ পালেহি
এটা বুঢ়া চৰাইয়ো সেই সময়তে
পদুলিৰ কেঁতেৰীয়া গছজোপাত পৰিছেহি।

সমস্যা কাতৰ জীৱনৰ চঞ্চল দৌৰত পৰা
এজনো লোকৰ আহৰি নাই
তেওঁক এবাৰ ঘূৰি চাবলৈ।

লাহে লাহে আন্ধাৰ নামি আহিল
ঠৰক বৰক খোজেৰে তেওঁ
জুপুৰীটোত সোমাল।

ওলাই আহিব খোজা বলিয়া ভোকটোক
নিয়ন্ত্ৰণৰ ৰিপু মাৰি
শুবলৈ চেষ্টা কৰিলে।

জুপুৰীটোৰ মুখেদি জোনৰ
পোহৰ একাঁজলি সোমাই আহিল।
এই পোহৰতে তেওঁ দেখিবলৈ পালে,
ধূসৰত হৈ উঠা
শৈশৱ আৰু যৌৱন।

আৰু দেখিবলৈ পালে
এখন যন্ত্ৰণাকৃতিৰ পৃথিৱী।
তেওঁ মনতে ভাবিলে
বুঢ়া চৰাইটোও কিজানি
এতিয়া শুই পৰিছে।●

# নিস্তব্ধ জীৱন

**দেৱজীত বৰা**
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

বিষাদ বিষাদ লগা
শূন্যতাৰে ভৰা এই জীৱন।
কি পালো কি হেৰুৱালো
একোকে ধৰিব নোৱাৰিলো।
যাৰ বাবে এই সেউজীয়া
ধৰণী দেখিলো।
যাৰ দুহাতে ধৰি
এই সেউজীয়া বননিত
থুনুক-থানাককৈ
খোজ পেলাবলৈ শিকিলোঁ।।
যিয়ে নেকি কত বেদনাৰে
দিন ৰাতি উজাগৰ কৰি
মাৰ ভালৰ বাবে ঈশ্বৰৰ ওচৰত
শৰণাগত হৈছিল।।
তেওঁৰেই আজি
মই ডাঙৰ হোৱাৰ পাছত
ক'লে যে, তেওঁ মোক
বিচৰাই নাছিল।
হয়তো মইয়ে বেয়া
তেওঁলোক মোৰ যোগ্য পিতৃ-মাতৃ।
মইহে তেওঁলোকৰ
যোগ্য সন্তান হ'ব নোৱাৰিলো।
মোক ক্ষমা কৰি দিবা।●

# আইলৈ একলম

**বাস্তৱ মৰাণ**
তৃতীয় ষাণ্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ

শৰৎ আহিলেই
মই উন্মনা হৈ পৰো
শৰতৰ আবেলিবোৰত
তাতে আকৌ এতিয়া মোৰ নতুন ঠিকনা
কিন্তু মই ...

তই কেনে আছ আই
শৰতৰ এই আবেলিবোৰত
তোৰলৈ বৰকৈ মনত পৰিছে ...
তই জাননে আই
আমাৰ ডি.চি. হোষ্টেলৰ
খিৰিকিৰে সন্ধ্যাবোৰ নামি আহিছে
চৌপাশে ইলেক্ট্ৰিক লাইটবোৰ জ্বলি উঠিছে
পোহৰেৰে সন্ধ্যাবোৰ জীপাল কৰি তুলিছে ...

কিন্তু মই বিচাৰি পোৱা নাই আই
শৰতৰ সেই আবেলিবোৰ
য'ত আছিল তোৰ হৰিনাম
তুলসীৰ তলৰ চাকি গছ
আৰু যে ৰাতিবোৰ গভীৰ হৈ আহিলেই
পদূলিৰ শেৱালিজোপাৰ
সুবাস বিয়পি পৰে চৌপাশে ...
অহঃ পাহৰিছোৰেই
পদূলিৰ শেৱালিজোপাৰ ফুলিছেনে
আগৰ দৰে ...??

এইবাৰ কাতি বিহুত
তোৰ তুলসীৰ তলৰ চাকিৰ আগত
সেৱা কৰিবলৈ যাব নোৱাৰিলো
তই বেয়া নাপাবি আই ...।

শৰতৰ এই আবেলিবোৰত
তোলৈ বৰকৈ মনত পৰিছে আই।।●

# Exams

**Onphung Narzary**
H.S. 1st Year (Science)

Exam days are here again,
Lots of pain, lots of pain,
But if you study hard you well gain,
Lets of marks like a rain,
So, friends its time to study hard,
No T.V., no wasting of time.
Focus and concentrate
Only on your study.
All the end we will get a prosperousness!●

# Jealous

**Tilak Chandra Taye**
B.Sc. 3rd Semester
Dept : Mathematics

I am jealous of rain,
Cause its touches your skin
I am jealous of wind,
Cause its touches your body
I am jealous of sun,
Because the sun beam kisses you in you chick
I am jealous of my eyes,
Because every times it's looked you more beautiful
I am jealous of my heart,
Because its beat with your name
I am jealous of shadow,
Because its stay with you
I am jealous of my soul,
Because its only wants to feel you
I am jealous of myself,
Because whenever I try to hold myself its swept away like sand.●

# Childhood

**Anisha Kushwaha Dutta**
B.A. 3rd Semester
Dept : Political Science

The Sun shone bright
Our minds were light
Santa and Lack frost
Were only why we fight,
Flock of birds
We used to chase
Before we began this race!

It's a glorious period of everyone's
Life which has many memories
Some ware happiness some are painful
On that particular period
We lives more lives
It does not matter that
Every moment are memorial or not
But the happiness of real life is on that moment.
We forget the Joys and sorrows
Of childhood that time is something like this.●





# Paradise Bird

**Sumanjit Dey**
6th Semester

I turn an my cell phone
When I lay in rest
Mudding on the texts
Which came in my what'sapp.
They clock my art
They clock my zest
My head been hurt
My heart aches.

Coz I can't let go of the things they said
Its easy to say that, "I don't care."
But if feels like you're been holding my neck.
"Can't you stap boy". Those noise
Pounding in my head.

I aunt roughing around
Can't you let me be myself.

Some times I gaze upon the paradise
Fird, to take me away.

Because In need an angel
To same me from hell.

# Life

Its starts with the morning of birth
And ends with the night of death,
Where ups-downs, happiness-sadness
Profit-loss, gaing-lossing.
Are the different lessons of the day.

Life is a race of perfection
Where someone wants to be perfect,
And someone needs a perfect one
But don't want to be best themselves.

Life is a bunch of problems
Which makes the ones unbreakable,
Just needs our determination and mindset
Along with the deepest patience.

Life is a tree of relationship
Whereas parents are the roots,
Friends, family are like the trunk
And life parley is like the green life.

Life is just a flow of feelings
Where we flows ourselves in the flow,
Its starts with the morning of birth
And ends with the night of death.



# Tree's teara

**Smita Chakraborty**
2nd Semester
Department : English

The tree sheds tears when
We won't be recalling her, for us what she did.
She gave food, fodder and fountainhead
Sprouting for us a cooling shade
In worn out summer days.
The most ungrateful we are!
Destroying her dwellings, her descendants, her derivations.
She weeps her pain for us,
For we friends like snake divulging her
Being lured by the materialistic and sophisticated world.
The tree snobs the betrayal
Seeing her sapling's death body:
Smoke and gases all around,
Devoid of sunlight, nothing for her to live
Due to our malefic and malign activities.●



# Divested Bosom

**Smita Chakraborty**
2nd Semester (Arts)
Dept. : English

Ablazing all agonies and anxieties,
Let me torrefy all dally and dash.
If thy love is venomous, I'm here
To guzzle it in a flurry of rush.
Thee averted to come; howbeit, never did thee!
My heart, my soul, lurched and slid all.
O dear dove, remit him the message of passion mine:
In loving embraces, I went to hide and bade him all.
No one to stop me; no they to arraign.
Beloved, how can thee know my torment when we part.
"One day hope you fall in love
And that too breaks your heart."
Yet dusk and darwn, I wish thy bark locate the star of love
May thy bosom never deprive, what my bosom divested off.●

# Natural Beauty

**Sumanjit Dey**
6th Semester, Botany Department

From the morning dews,
To the thundering clouds;
The word itself is a
Collection of natural reassures.
From the mountain highs,
To the valley laws;
Mother earth has showered
On us with blissful jaws.
The galore of beauties,
And the sanctum of rubies;
Has always been the nature.
To all the astonishing flora
And the ravishing fauna,
It's our duty and the only
Choice to die for.●



# Frosty Pinery

**Sharmistha Khound**
Bsc 1st semester
Zoology (hons)

Away from human habitations, Coniferous forest,
At the foot of the precocious mountains,
Stretches infinity
Ineffable beauty of the verdant forest
Moonlit trees and
The dark aura, casting a white spell.
Moonlight bung objected entry
By the shielding dense canopy
Turning the bottom of
The forest pitch black
Mighty mountains dressed in white,
Flows glaciers forming pristine lakes.
The splendiferous sky presents
Polar light which can be
Heard and seen.
It Seems the sky is
Being played with
Green, pink, yellow,
White and blue
Sunless winder night,
Lasting for days
Pristine lakes freezing,
Slowly into ice …
Songs of ice echoing,
Through the forest
Entire land swathed with snow,
It's the tradition
For a Northern forest.●

# The Awaited Autumn

**Parishmita Chetia**

The leaves will tum golden soon
Autumn is coming by,
The breeze is so moist in monsoon
Now it will be sodry.

The autumn wind is feared by trees
Because it is so bold,
It looks at their golden leaves
And like a raider robs all their gold.

The autumn sky looks marvelous at night
No haze cover the stars,
The moon too looks lovely and bright
Let's treasure how beautiful they are.●





# Window pane

As I sit upon the wooden chair
Kept for long in solitude
Next to the glass pane ...
Warmly held in palms for
Chills to get rid off,
My orbs walks to
'le cid'
And draws moi within
Greys that scatters
Like tinkling bell to eases
When visitors' patted on panes.

As I sip through the hot chocolate
Look at the feeble deeps
De' rain
That lives before the frame,
It flows along my veins up
Up till the brain
Navigates all thorough I have ...
My head possessed
Plays the mesic I feel most
While I read a book best loved,
Reminisces
The feel I love to pressure
And makes me dream
Of all twined better
When the rain
Visits
Next on this window pane.●

# হাৰ্হি দেৱালয় ঃ চুতীয়াসকলৰ সভ্যতা-সংস্কৃতি, বিহু আৰু ইতিহাস

**নিপু বৰুৱা**
ষষ্ঠ ষাণ্মাসিক,

চুতীয়াসকলৰ পূৰ্ব ৰজা শ্ৰীকৃষ্ণৰ শহুৰ আৰু লক্ষ্মী দেৱীৰ অংশজাত ৰুক্মিণীৰ পিতৃ ভীষ্মকৰ ৰাজধানী কুণ্ডিল নৈৰ পাৰৰ কুণ্ডিল নগৰত বৰ্তমানেও অৱস্থিত তামেশ্বৰী দেৱী (দুৰ্গা) অংশ কেঁচাইখাইতী থানৰ মহিমাময়ীদেৱী প্ৰায় ১৫ শ শতাব্দীমানতে ব্ৰহ্মপুত্ৰ নদীয়েদি পালি-পহৰীয়া সহ শদিয়াৰপৰা ভটিয়াই আহি ঠাই সলনি কৰি বৰ্তমানৰ ঠাই পাইছে। ঠাইসমূহ হৈছে ক্ৰমে—বুঢ়ীসুঁতি চাপৰি, ৰায়পথাৰ, বুঢ়াকটা, কুলাপাহাৰ, চেঙাজান, বটুৰামুখ, দেওঘৰীয়া, হাৰ্হি চাপৰি, গোৱাল গাঁও আৰু বৰ্তমান দেৰলীয়া গাঁৱত স্থায়ীভাৱে থিতাপি লৈ হাৰ্হি দেৱালয়ৰ নামেৰে জনাজাত।

এক কিংবদন্তি মতে দক্ষ যজ্ঞত প্ৰাণ এৰা সতীৰ সুদৰ্শন চক্ৰছেদিত ৫১ টা অংগৰ হাড় আৰু শিৰ পৰি যোৱা কাৰণে এই ঠাইৰ নাম হাৰ্হি হ'ল। চিচি অঞ্চলত প্ৰৱেশ কৰি দেৱীয়ে ধেমাজিত জিৰণি লয়। সেয়েহে ধেমাজিত বৰ্তমানেও কালি মন্দিৰ অৱস্থিত। ইয়াৰ পাছৰ ধেমাজিৰ পৰা বৰদলনি বৰ্তমানৰ নগাঁও মংগলতিত প্ৰৱেশ কৰে। সেই স্থানতে এখনি আই থান বৰ্তমানেও বিৰাজমান। সেই স্থানৰ পৰা দেৱী ভটিয়াই আহি মাছখোৱাৰ দেওঘৰীয়াত প্ৰৱেশ কৰি জিৰণি লয়। তাতো দেওশাল প্ৰতিষ্ঠা হয় আৰু সেই দেওশালত এতিয়াও দেৱী পূজাৰ ৰীতি-নীতি প্ৰচলন হৈ আছে। দেৱীৰ লগত অহা দেউৰী, চুতীয়াসকল চিচি, ধেমাজি, বৰদলনি ইত্যাদি ঠাইসমূহত থিতাপি লয়। মাছখোৱাৰ দেওঘৰীয়াৰ পৰা পুনৰ ভটিয়াই আহি সাপতীয়া অঞ্চলেদি ভটিয়াই আহি বৰ্তমানৰ গোৱাল গাঁৱত থিতাপি লয় আৰু এইখিনি গাঁৱতেই প্ৰথমে আৰ্হি অঞ্চলৰ গোসাঁনী দেৱীৰ স্থান নিৰ্মাণ হয়। এই গাঁৱৰ নিচেই সমীপতে দেৱীৰ পূজাৰ নৈবেদ্য মাহ-প্ৰসাদ ধোৱা পুখুৰীটি এতিয়াও সাক্ষী হৈ জিলিকি আছে। এইখিনি গোসাঁনী থানত চুতীয়াসকলৰ জনা-বুজা, বহুদিশত জ্ঞান থকা দেউৰীসকলে (দেউৰীসকলক এটা সময়ত চুতীয়াসকলৰ পূজাৰী শ্ৰেণী বুলি গণ্য কৰা হৈছিল, পৰৱৰ্তী সময়ত পৃথক জাতি বুলি চিনাকি দিবলৈ লয়) প্ৰথমে পূজা-পাতল কৰিছিল। তেওঁলোকে বেল গছৰ পাত আৰু টংলতি গছৰ পাতেৰে দেৱী পূজা কৰি দেৱীক সদ্য জাগ্ৰতা কৰি আছিল বুলি জনা যায়। গোৱাল গাঁৱৰ সকলো ব্যক্তিয়েই চুতীয়া জাতিৰ লোক।

গোৱাল গাঁৱৰ পৰা দেৱীৰ স্থান কালৰ গতিত বৰ্তমানৰ দুলীয়া বৰুৱা গাঁৱৰ নামঘৰৰ কাষতে থকা বেলগছৰ তললৈ পৰিৱৰ্তন হয়। এইখিনি গাঁৱত পূৰ্বপুৰুষৰ পৰা এতিয়ালৈকে নিৰান্নবৈ শতাংশ লোকেই চুতীয়া জনগোষ্ঠীৰ লোক বিদ্যমান। এই গাঁৱত এতিয়াও দা-ধৰা, বলিকটা, দেবেয়া বা দবা কোবোৱা, খাটনিয়াৰ ইত্যাদি পৰিয়ালৰ পু-জীসকল জীয়াই আছে। এই স্থানৰ দেৱী-দুৰ্গাৰ মন্দিৰৰ গৃহ কাঠ-বাঁহেৰে ৰাইজে সাজিছিল। এই মন্দিৰত ব্ৰাহ্মণ-পূজাৰীয়ে পূজা-পাতল চলাইছিল আৰু এতিয়াও হাৰ্হি দেৱালয়ত ব্ৰাহ্মণ-পূজাৰীয়েই পুৱা আৰু সন্ধ্যা পূজাৰ কাম চলায়। ব্ৰাহ্মণ-পুৰোহিতসকলৰ এই ঠাইলৈ অহা পূৰ্বপুৰুষজন আছিল প্ৰয়াত ঋষিকেষ বিদ্যাভূষণ। পিছলৈ এই পৰিয়ালটি বৰঠাকুৰ (পূজাৰী) পৰিয়াল নামে খ্যাত হ'ল। দেৰলীয়া গাঁৱত এতিয়াও ঋষিকেশৰ পু-নাতিসকল জীয়াই আছে।

বদনে অসমলৈ মান আনি অসম দেশ শ্মশানত পৰিণত কৰিলে। সেই মানৰ সৈন্য হাৰ্হি অঞ্চলত প্ৰৱেশ কৰি অনেক লোকক হত্যা কৰিলে, বহুতো সম্পদ লুট কৰিলে। মানসকলৰ সেনাপতি খিণ্ডিমাহা তিলোৱা আৰু খিণ্ডিমাহা



বন্দুলাৰ অধীনত অহা সৈন্য কিছুমানে সেই সময়ত দুলীয়া বৰুৱা গাঁৱত থকা দেৱালয়ত প্ৰৱেশ কৰি দেৱালয়ৰ বহু সোণ-ৰূপৰ সম্পদ লুট কৰিলে। বৰ গোসাঁনীৰ বিগ্ৰহত হিলৈ মাৰিলে, দেৱালয়ত গৰু কাটি বৰভোজ খাই পৱিত্ৰ হিন্দুৰ মন্দিৰ অপৱিত্ৰ কৰিলে। বৰটোপৰ গুলি লাগি দেৱীৰ বিগ্ৰহৰ পৰা বগাতেজ হুলুকা হুলুকে বৈ অহা দেখি মান সৈন্যই বহুত ভয় খালে আৰু দেৱালয়ত প্ৰৱেশ কৰা সৈন্যসোপাই তেজ বমি কৰি মৰিল। এতিয়াও বৰ গোসাঁনী বিগ্ৰহটিত তেজ বৈ যোৱা চিহ্ন জিলিকি আছে। সেই মানৰ আক্ৰমণত বহুতো চুতীয়া বীৰৰ মৃত্যু হ'ল আৰু বহুতো মান সৈন্যও মৰিল। দেৱলীয়া গাঁৱৰ বেঙেনাখুৱা বৰুৱাৰ দুইনাতি বৰ পৰাক্ৰমী আছিল। তেওঁলোকে মানৰ সৈন্য কেইবাজনো বধিলে। তাৰে এজনক মানে বান্ধি ছাটি লৈ ঢকুৱাখনা জানৰ ওচৰত বান্ধি ৰাখিছিল। সেইজনে অতি কৌশলেৰে বান্ধ মুকলি কৰি তামোল গছৰ ওপৰলৈ বগাই জানৰ পানীলৈ জাপ মাৰি সাঁতুৰি পলাল। মান সৈন্যই যাঁঠি মাৰিছিল যদিও বিন্ধিব নোৱাৰিলে। সেই বীৰ দেৱলীয়া গাঁৱৰ চুতীয়াসকলৰ গৌৰৱৰ সন্তান।

মানৰ আক্ৰমণৰ পিছত ১৮২৬ চনত ইয়াণ্ডাবু সন্ধি হ'ল। বৃটিছ ৰাজে মানক অসমৰ পৰা খেদি পঠালে। মানৰ আক্ৰমণ ঠাণ্ডা পৰাত হাবিৰ মাজত লুকাই থকা দেৱলীয়া গাঁও, দুলীয়া বৰুৱা, গোৱাল গাঁও আদি গঞাসকল ওলাই আহি পুনৰ গাঁও পাতিলে। বেলতলতে ৰাইজে পুনৰ দেৱালয় পাতিলে যদিও মনবোৰ পৱিত্ৰ যেন নলগা হ'ল।

তেনে সময়ছোৱাতে বাৰিষা কালত ৰাজবিষয়াসকল হাৰ্হি অঞ্চললৈ কৰ-কাটল সংগ্ৰহ কৰিবলৈ আহি দেৱলীয়া গাঁৱৰ ভগা আমৰ তলৰ জানত বৰনাও লাগি ধৰাত ৰাতি নাৱতে কটালে। ৰাতি ৰজাৰ বিষয়াই স্বপ্ন দেখিলে। স্বপ্নত দেৱীয়ে ক'লে— বোলে আমাৰ পূজাৰ স্থান অপৱিত্ৰ হ'ল। গতিকে আমাৰ বেলতলৰ পৰা সলাব লাগে। তেৱে তোমাৰ নৌকা এৰা যাব। ৰাতিপুৱা শুই উঠি ৰাজবিষয়াই ৰাতিৰ স্বপ্নৰ বাতৰি সকলোকে দিলে আৰু ৰায়ত গোটাই গায়নৰ ঘেটা মাৰি দেৱীলৈ বৰটোপোলা বন্ধাত নাও এৰা খালে। তেতিয়া আহোমৰ ৰজা আছিল শিৱ সিংহ (তেওঁ দেৱালয়লৈ ৭০০ পুৰা মাটি দান দিছিল। ১৭১৪-১৭৪৪ চনৰ ভিতৰত এই তথ্য থকা শিলালিপি আৰু তামৰ ফলিখন ৮০ দশকলৈকে আছিল)। ১৭২২ চনৰ কোনোবা শুভ ক্ষণত দুলীয়া বৰুৱাৰ স্বৰ্গীয় মঘোৱা চুতীয়াদেৱৰ ঘৰৰ কাষতে থকা বেলতলৰ পৰা বৰ্তমানৰ দেৱলীয়া গাঁৱত অৱস্থিত স্থানলৈ দেৱালয় স্থানান্তৰিত কৰা হ'ল। ৰাইজে কাঠ-বাঁহেৰে সাজি দেৱালয় পুনৰ স্থাপন কৰিলে। ঢকুৱাখনা জানৰ পাৰত তেনে সময়ছোৱাতে ভৰ বাৰিষা। এডাল বৃহৎ শলস গছ চাৰিকড়ীয়া নৈয়েদি উটি আহি বৰ্তমানৰ ঢকুৱাখনা জান আৰু চাৰিড়ীয়া নৈৰ সংগম স্থলত লাগি ৰয়হি। বৰপূজাৰীয়ে সপোন দেখিলে কাঠডাল দেৱীয়ে দেৱালয় বনাবলৈ আনিছে। সপোনৰ কথা ৰাইজক অৱগত কৰিলে। কিন্তু সেই সময়ত জানটো বৰ্তমানৰ জোখত বহল নাছিল। গতিকে সমস্ত দেৱলীয়া, দুলীয়া গাঁৱৰ চুতীয়া ৰাইজে চাঙি-ঢকুৱাত মাটি ভৰাই জান খান্দি বহল কৰি পানী বোৱাই দি বৰ কাঠ আনি এইডাল কাঠেৰেই দেৱালয়ৰ বৰঘৰ বনালে। এতিয়া থকা পকী ঘৰটিত সেইডাল কাঠৰ বহুতো কাঠ লগোৱা আছে। ঢকুৱাত মাটি ভৰাই জান খন্দাৰ বাবে সেই জানৰ নাম ঢকুৱাখনা জান নামে খ্যাত আৰু এই জানেই ঢকুৱাখনা আৰু ধেমাজি বিধান সভা সমষ্টিৰ সীমা হৈ আছে। এই ভাগি দেৱালয় থকাৰ বাবেই চৰকাৰী মেপতো এই গাঁও দেৱলীয়া গাঁও নামে খ্যাত হ'ল। পূৰ্বতে দেৱালয়ত দুৰ্গা মূৰ্তি থকাৰ হেতুকে দুৰ্গাপুৰ বুলিও গাঁওখনিৰ নাম আছিল।

বৰ্তমান দেৱলীয়া গাঁৱৰ বাসিন্দাসকলৰ ৯৯ শতাংশই চুতীয়া জনগোষ্ঠীৰ লোক। দুটি ব্ৰাহ্মণ

পৰিয়াল আছে। এটি প্ৰয়াত গণো চন্দ্ৰ বৰঠাকুৰ আৰু আনটি প্ৰয়াত সংস্কৃত পণ্ডিত চেনী চন্দ্ৰ শৰ্মা কটকীদেৱৰ পৰিয়াল। বৰঠাকুৰৰ পৰিয়ালটি পূৰ্বতে কনৌজৰ পৰা অহা আৰু কটকীদেৱৰ পৰিয়াল যোৰহাটৰ পৰা অহা দেৰলীয়া গাঁৱৰ জনগাঁঠনিত বড়া, বৰুৱা, চুতীয়া, পাচনী আদি উপাধিধাৰী ব্যক্তিসকল আছে। পূৰ্বতে এই গাঁৱত যোগী আৰু কুমাৰ সকলো আছিল বুলি জনা যায়। এতিয়া কুমাৰ পৰিয়ালৰ লোকসকল চুতীয়া লোক। বড়া আৰু বৰুৱা উপাধিৰ চুতীয়া লোকসকল এইখিনি গাঁৱৰ পুৰণি বাসিন্দা। বৰুৱা উপাধিৰ এটা ঠালক ৰজা বলিৰ পৰিয়াল বোলে। নৰবলি প্ৰথা প্ৰচলনৰ শেষৰ বলি হিচাপে অনা অতি সুন্দৰ, তেজস্বী ল'ৰাটি ৰাইজে কাটিবলৈ অপাৰগ হৈ বগা ম'হ বলি দিম বুলি দেৱীক কাকুতি-মিনতি কৰাত দেৱী সন্তুষ্ট হৈ নৰবলি ত্যাগ কৰিলে আৰু ল'ৰাটিক দেৰলীয়া গাঁৱত মাটি-বাৰী দি ৰাখিলে। বুৰঞ্জীৰ মতে চুতীয়াসকলৰ এটা ফৈদৰ নাম 'বৰুৱালি'। এই ফৈদৰে 'ষাড়' বংশৰ লোককেই এই বলি প্ৰথাৰ বাবে প্ৰস্তুত কৰোৱা হৈছিল আৰু তাৰে কিছু সংখ্যক লোকক যোগ্যতা অনুযায়ী ৰাজকীয় সন্মান দিয়া হৈছিল। সেই বলিৰ বংশ পৰিয়ালৰ পু-নাতিসকলে গোসাঁনী গাঁওবুঢ়া হৈ পদভোগ কৰি ইহলোক ত্যাগ কৰি গৈছে। উল্লেখযোগ্য যে এই স্তম্ভৰ লেখক এই বলি পৰিয়ালৰেই উত্তৰসুৰী।

আমগুৰি, মদাৰগুৰি, নেওগঘুলি গাঁৱৰ বাসিন্দাসকলৰ সৰহ সংখ্যকৰ পূৰ্বপুৰুষ দেৱীভক্ত হোৱাৰ লগতে দেৱালয়ৰ বিষয়ববীয়া চুতীয়া লোক আছিল। দেৱালয়ৰ সন্মুখতে থকা দলংখনৰ দুয়োফালে থকা (বৰ্তমান থকা) বাঁহবাৰীসমূহত পূৰ্বতে কেইটিমান পৰিয়াল আছিল। তেওঁলোক আছিল দেৱীভক্ত শাক্ত পন্থীৰ লোক। এই লোকসকল এই ঠাইৰপৰা শিমলুডোঙা, হাৰ্হি চাপৰি আৰু চেতিয়া গাঁৱলৈ উঠি গৈ স্থায়ী বাসিন্দা হয়গৈ। বৰ্তমান শিমলুডোঙা গাঁৱৰ বহু গগৈ উপাধিধাৰী পূৰ্বপুৰুষ এইখনি হাৰ্হি দেৱালয়ৰ কাষৰে ব্যক্তি বুলিও ক'ব বিচাৰে। উল্লেখনীয় যে চুতীয়াসকলৰ মৰমৰ মাত কৌকৈ বোলাসকলৰ কিছু লোক আহোম সংমিশ্ৰণ হৈ গগৈ উপাধিধাৰী হয় বুলি জনা যায়।

**সংস্কৃতিৰ খতিয়ান ঃ**

য'ত সংস্কাৰ থাকে তাতেই সংস্কৃতি জীয়াই থাকে। কালৰ গতিত সংস্কৃতিৰ ধাৰাও বদলি হয়। অকল চুতীয়া জাতিটোৱেই নহয়, জোনাইৰপৰা আৰম্ভ কৰি মাজুলী পৰ্যন্ত বহু জনগোষ্ঠীৰ লোকৰ বাবে দেৱালয়খনি সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ স্বৰূপ আছিল। ইয়াত অকল দুৰ্গাপূজা ভাগহে পালন হয় এনে নহয়, বৰঞ্চ ভাওনা, মাঘী পূৰ্ণিমা, বৰসবাহ, যাত্ৰাপালা, লক্ষ্মী সবাহ, শিৱৰাত্ৰি, কালি পূজা ইত্যাদি ভক্তসকলে বৰ উলহ-মালহ আৰু সম্প্ৰীতিৰে পালন কৰি আহিছে। এইবোৰ উৎসৱত গীতবাদ্য-নৃত্যৰ প্ৰয়োভৰে মানুহৰ হৃদয়ত সংস্কৃতি তথা নান্দনিক চৰ্চাৰ এক মধুৰ জাগৰণ গঢ়ি তোলে আৰু লোক নৃত্য, লোকগীত আৰু লোকবাদ্যসমূহৰ যোগেদি সাংস্কৃতিক চেতনা আৰু বিমল আনন্দৰ জোৱাৰ তোলে। এই উৎসসমূহৰ লগত পূৰ্বৰেপৰা যে চুতীয়া লোকসকল প্ৰত্যক্ষভাৱে জড়িত তাৰ উজ্জ্বল নিদৰ্শন হাৰ্হি দেৱালয়ত অনুষ্ঠিত এই ধৰ্মীয় বিশ্বাসৰ ভেটিত পালন কৰি অহা উৎসৱ তথা বছেৰেকীয়া কৰ্মসমূহ। জাতীয় চেতনা, জাতীয় ঐক্য, জাতীয় সম্প্ৰীতি এইবিলাকৰ লগত জড়িত হৈ আছে। দশক পূৰ্বলৈকে ইয়াত বিষ্ণুমূৰ্ত্তি মণিকূটৰ পৰা বাহিৰলৈ আনি প্ৰতিষ্ঠা কৰি নিগমৰ কল্পতৰু মহাভাগৱত ভাগি পাঠ হৈছিল। কিন্তু বহুকেইজন বিষ্ণুভক্ত লোকে বলিকটা ঠাইত মহাভাগৱত পাঠ কৰা ঘোৰ অন্যায় বুলি প্ৰতিবাদ কৰাত মহাভাগৱত পাঠৰ কাৰ্য বন্ধ হয়। দেৱালয়খনিৰ মণিকূটতক অকল দেৱী দুৰ্গাৰ বিগ্ৰহেই আছে এনে নহয়, ইয়াত বিষ্ণু, শিৱ শংকৰ, গণেশ, কাৰ্তিক, লক্ষ্মী, সৰস্বতী শালগ্ৰাম, চণ্ডী, চেমাকালি, চামুণ্ডাকালি, কাত্যায়নী আদি দুৰ্গা দেৱীৰ বিভিন্ন ৰূপৰ বিগ্ৰহ, এখন সাঁচিপাতৰ কীৰ্ত্তন পুথি, শালগ্ৰাম মন্ত্ৰ পুথি, কেঁকোৰা দোলা, পুৰণি কাঠৰ বলিশাল, পুৰণি পূজাত ব্যৱহাৰ হোৱা বাদ্যযন্ত্ৰ আছে। মূৰ্ত্তিসমূহ কিছুমান শিলৰ আৰু কিছুমান ধাতুৰ। পূজাত ব্যৱহৃত পুৰণি বলিকটা দা ১৪ খন। প্ৰত্যেকৰে ওজন প্ৰায় ১২ কিলোগ্ৰাম। ইয়াৰ পৰা বুজা যায় চুতীয়াসকলে বহু দেৱ-দেৱীক অতীতৰ পৰাই উপাসনা কৰে। বৰ্তমান হাৰ্হি দেৱালয়ৰ আশে-পাশে থকা চুতীয়া লোক বসতিপূৰ্ণ অঞ্চলসমূহত এক বিষ্ণুৰ উপাসকসকলৰ বাদে অন্যানসকলে এতিয়াও দেৱী দুৰ্গা, বিষ্ণু, গণেশ, লক্ষ্মী, সৰস্বতী, কালি আদি দেৱ-দেৱীসকলক উপাসনা কৰে। এইসকল মিশ্ৰ সংস্কৃতিৰ পূজাৰী। এক দেৱ এক সেৱ এক বিনে নাই কেৱ, এই ভাগি তত্ত্বৰ সেইসকলৰ উপাসক নহয়। প্ৰত্যেকজন দেৱতা আৰু প্ৰতিগৰাকী দেৱীৰ পূজা উপাসনা এক সুকীয়া ৰীতি-নীতিৰে পালন কৰে।

চুতীয়াসকলৰ পূৰ্বপুৰুষসকলে দেৱী দুৰ্গাৰ শক্তিক প্ৰাধান্য দি সকলোবোৰ ধৰ্মীয় কাৰ্য দেৱালয়তে সমাপন কৰিছিল। ব্ৰাহ্মণসকল অসমলৈ অহাৰ পূৰ্বতে চুতীয়াসকলৰ ভিতৰত বৌদ্ধিক দিশত আগবঢ়া দেউৰীসকলে পূজা-পাতল কৰিছিল। তেওঁলোকে কোনো বিশেষ মন্ত্ৰেৰে দেৱী পূজা কৰা নাছিল। বেল আৰু টংলতি গছৰ পাতেৰে দেৱীৰ পূজাভাগ আগবঢ়াই সদ্য-জাগ্ৰত কৰি ৰাখিছিল। যিকোনো পোছাক পিন্ধি, যিকোনো মানসিকতাৰে ব্যক্তি দেৱালয়ত প্ৰৱেশ কৰিব নোৱাৰিছিল। অসৎ মনোভাবৰ ব্যক্তি প্ৰৱেশ কৰিলেই লগে লগে তেজ বমি কৰিছিল আৰু মৃত্যুও হৈছিল। ব্ৰাহ্মণ পূজাৰীসকলে গায়ত্ৰী মন্ত্ৰেৰে দেৱীক মন্ত্ৰ অধীন কৰি পেলালে। ফলস্বৰূপে বৰ্তমান কালত দেৱী দুৰ্গাৰ জাগ্ৰত ৰূপ প্ৰত্যক্ষ নহয়। কথিত আছে দেৱতাসকল মন্ত্ৰ অধীন আৰু মন্ত্ৰসমূহ ব্ৰাহ্মণৰ অধীন। বৰ্তমান পূজাসমূহত ব্ৰাহ্মণ পূজাৰীয়ে মন্ত্ৰৰ লগতে তুলসীৰ পাতহে ব্যৱহাৰ কৰা দেখা যায়। ভিন্ন বিধিয়ে দেৱী পূজাৰ সংস্কৃতি এই দেৱালয়ত চুতীয়াসকলে লাভ কৰিছে। শদিয়াৰ কেঁচাইখাইতী গোসাঁনী স্থানত এতিয়াও পূৰ্ব ৰীতিৰেই দেৱীৰ পূজা চলি আছে। এই দেউৰীসকলে ব্ৰাহ্মণসকলৰ পূজাৰ ৰীতিসমূহক ঘৃণা কৰে। তেওঁলোকৰ মতে গায়ত্ৰী মন্ত্ৰেৰে দেৱীক পূজা কৰিলে অবাধ্য দেৱী দুৰ্গাৰ জাগ্ৰত শক্তি বিনষ্ট হয়। উল্লেখযোগ্য যে আন তীৰ্থস্থানসমূহৰ দৰে দেৱালয়ৰ আশে-পাশে এক বিস্তৃত অঞ্চল জুৰি পুখুৰী, নাদ আদিৰ ভগ্নাৱশেষ দেখা পোৱা যায়। যেনে—মাহধোৱা পুখুৰী, ভকতৰ পুখুৰী, চাউল ধোৱা পুখুৰী আদি।

দেৱালয় সাম্প্ৰতিক কালত জনমানসৰ পৰা হেৰাই যাব খোজা আই সবাহৰ নাম, লক্ষ্মী সবাহৰ নাম, শীতলা দেৱীৰ নাম, ফাকুৱা খেলা, ঘুনুচা বিয়া, গৰখীয়া সবাহ ইত্যাদি নামৰ কঠিয়াতলি। বহু নপঢ়া আই-মাতৃসকলেও এইখিনি স্থানতে উল্লেখিত অনুষ্ঠানসমূহ পালন কৰোতে পৰিৱেশন কৰাৰ অভ্যাসবশতঃ তেখেতলোকে সুন্দৰকৈ গাব জানে। দেৱলীয়া গাঁও, দুলীয়া বৰুৱাৰ কেইবাগৰাকী বুঢ়ী আইয়ে অসমৰ বিভিন্ন প্ৰান্তত এনে আই সবাহ, শীতলা দেৱী সবাহ ইত্যাদি কৰি গৈছে। বৰ্তমান বৈষ্ণৱ সংস্কৃতিয়ে বেছিকৈ গা-কৰি উঠাত হৰিনামৰ অনেক সুন্দৰ নীতি-নিয়ম, সাজ-পোছাক, গীত-মাত, নৃত্য, পূজাৰ নৈবেদ্যৰ কথা জড়িত হৈ আছে। এইবোৰ বৰ্তমানৰ চামে ভূ-নোপোৱা হৈছে, যি অতি পৰিতাপৰ কথা।

ৰজাৰ ধৰ্ম আৰু প্ৰজাৰ ধৰ্ম পূৰ্বতে একেই আছিল। প্ৰায়সকল চুতীয়া ৰজাই শাক্ত পন্থীৰ আছিল। ভীষ্মক ৰজাৰ নগৰীতে দেৱী মন্দিৰ থকাৰ কথা ভাগৱতত উল্লেখ আছে। কিন্তু ৰজা ভীষ্মক কৃষ্ণৰো ভক্ত আছিল। তেনেদৰে চুতীয়া ৰজা লক্ষ্মীনাৰায়ণো বিষ্ণুভক্ত আছিল বুলি জনা যায়।

পূৰ্বৰ ককা-আজোককাসকলৰ পৰা জানিব পৰা মতে ৰজাই দেৱালয় তথা পূজাৰীসকলৰ বাবে বহু পৰিমাণৰ ভূমি দান কৰিছিল। ১৯৩০ চনৰ চিলিং আইন অনুসৰি প্ৰায় ৭০০ বিঘাৰ আধাৰো অধিক মাটি চৰকাৰে কৰ্তন কৰি ৩৫০ পুৰা মাটি দেৱালয়ক আৱণ্টন কৰি বাকীখিনি দুলীয়া বৰুৱা, গোৱাল গাঁও, ন-কপহুৱা, পুৰণি কপহুৱা, মকৰাচুক আৰু আমগুৰি গাঁৱৰ ৰায়ত দেবোত্তৰ ভূমি হিচাপে ভোগ দখল কৰিবলৈ দিয়ে আৰু এতিয়াও ৰাইজে ভোগ দখল কৰি আছে। আকৌ পৰৱৰ্তী কালত ১৯৭৬ চনত কেৱল তিনি বিঘা মাটিহে দেৱালয়খনক গতাই দিয়াত বৰ্তমান ই অতি শোচনীয় অৱস্থাত পতিত হৈছে।

শাক্তপন্থী ভক্তসকলে অতীতৰ পৰা এতিয়ালৈকে সমস্ত লৌকিক আৰু পাৰলৌকিক কৰ্মফল ভোগৰ বাবে প্ৰধানতঃ দেৱী দুৰ্গাকেই দুখ-দুৰ্গতি নাশিনী, ধন-বিদ্যা আৰু মুক্তিৰ অধিকাৰিণী ৰূপত উপাসনা কৰি আছে। এই জনবিশ্বাসৰ লগতে মানুহৰ মাজত মিলা-প্ৰীতি তথা একতাৰ বান্ধোন গঢ়ি উঠিছে। ঢকুৱাখনাৰ গৌৰৱ ফাটবিহুৰ সৃষ্টিৰ কঠিয়াতলি হৈছে হাৰ্হি দেৱালয়খনি। শদিয়াৰ কেঁচাইখাইতী স্থানৰ পৰম্পৰাৰে এইখিনি দেৱালয়তো শ শ বছৰ ধৰি ৰঙালী বিহু পালন কৰি আহিছে। সৌ সিদিনালৈকে দেৱলীয়া, দুলীয়া বৰুৱা আদি গাঁৱৰ চুতীয়া লোকসকলে সৰ্বপ্ৰথমে ৰাইজৰ মংগল কামনা কৰি বিহুৰ হুঁচৰি আৰম্ভ কৰে আৰু ৭ ব'হাগত দেৱালয়ত বিহু সামৰে আৰু সেইদিনা ফাটবিহু উৎসৱ পালন কৰে। শদিয়াৰ কেঁচাইখাইতী দেৱালয়ত এই নিয়ম এতিয়াও আছে আৰু হাৰ্হি দেৱালয়তো বিদ্যমান। এই ৭ ব'হাগ বীৰ চুতীয়া জাতিৰ অতি উল্লেখনীয় আৰু বেদনাসিক্ত তথা গৌৰৱময় দিন। এই দিনটোতে চুতীয়া ৰাজ্যৰ বেলি মাৰ গৈছিল। চুতীয়াৰ বীৰাংগনা ৰাণী সতী সাধনীয়ে আত্মসমৰ্পণ কৰি আহোম ৰজাৰ ৰাজকাৰেঙত সুখী জীৱন যাপন কৰাৰ পৰিৱৰ্তে জাতিৰ স্বাভিমান ৰক্ষা কৰি চন্দনগিৰি পৰ্বতৰ পৰা

গংগা হ্ৰদত কুবেৰ প্ৰদত্ত সোণৰ মেকুৰী, ঢাল আৰু তৰোৱাল বুকুত বান্ধি জঁপিয়াই প্ৰাণ ত্যাগ কৰি সতীত্বৰ মহা খ্যাতি জগতলৈ চন্দ্ৰ-দিবাকৰ থকালৈকে ৰাখি গ'ল। এই বিহু চুতীয়া জাতিৰ সৃষ্টি আৰু প্ৰধান কৃষ্টি। এই চুতীয়া বীৰক নিৰস্ত্ৰ বিহুৱা বেশত পাই বধ কৰিলে আৰু আহোম সেনাপতি কনচেং বৰপাত্ৰই চন্দনগিৰিৰ পৰা চুতীয়া শেষ ৰাজ্য নীতিপালৰ মূৰটো কাটি নিজ ৰাজ্যৰ ৰাজধানী পোৱালেগৈ। সেয়েহে চুতীয়াসকলে বিষাদৰ সুৰেৰে বিহু গীতত আজিও গাই—

"দেহি ঐ ...
কনচেঙে লৈ গ'ল জোলোঙাত ভৰাই
নীতিপাল ৰজাৰ মূৰ
ৰাণী সাধনীয়ে প্ৰাণত্যাগ কৰিলে ঐ বুকু হম হমাইছে মোৰ ...।"

**ফাটবিহুৰ উৎস ঃ**

"হাচতি ঐ চ'ত, বিচটি ঐ চ'ত
বুধে গৰু বিহু, মংগলে উৰুকা
বিহু গৈ আছিলি ক'ত?"

চুতীয়াসকলে মাহৰ প্ৰথম সপ্তাহৰ প্ৰথম বুধবাৰৰ পৰাহে বিহু উদ্‌যাপন কৰিছিল।

সাত বিহুৰ ষষ্ঠ দিনটোক দেও বিহু আৰু তাৰ পিছৰ দিনটোক সাত বিহু বা চেৰা বিহু বা এৰা বিহু বোলে। পূৰ্বতে চুতীয়াসকলে দেও বিহুৰ পিছদিনাৰ পৰা বিহু নামাৰিছিল। সেইদিনা দেওক সন্তুষ্ট কৰাৰ পিছত সকলোৱে হেঁপাহ পলুৱাই বিহু মাৰি বিদায় দিছিল। সেইবাবে এই বিহুক চেৰা বা এৰা বিহু বুলিছিল। অন্যহাতে এই সাতবিহুৰ দিনাই ৰঙালী বা মেলা বিহুত সমবেত হোৱা বিভিন্ন গাঁৱৰ বিহু দলবোৰৰ মাজৰ এৰা-এৰি হোৱা বা ফাট খোৱাৰ বাবে এই বিহুক এৰা বিহু বা ফাট বিহু বুলিও বহুতে ক'ব খোজে।

চুতীয়া লোকসকলে হাৰ্হি দেৱালয়ত শ শ বছৰ ধৰি হাজাৰ বছৰ অতিক্ৰম কৰি সাত ব'হাগত ফাটবিহু উদ্‌যাপন কৰি আহিছে। চিচিবৰ গাঁৱৰ পৰা আৰম্ভ কৰি মাজুলী পৰ্যন্ত চুতীয়া, মিচিং, কৈৱৰ্ত, আহোম জনগোষ্ঠীয় লোকে সাত ব'হাগত ফাটবিহু উদ্‌যাপন কৰি হাৰ্হি দেৱালয় গমগমাই থাকে। আমি নিজে এইখিনি দেৱালয়ত কেইবাবাৰো ফাটবিহু পালন কৰিছো। ইয়াত মাজুলী, মাজি গাঁও আদিৰ প্ৰয়াত ৰামচৰণ ওজাকে আদি কৰি কেইবাজনো ওজা ঢুলীয়াৰ মনোমোহা, বুকু হম্‌হমোৱা ঢোলৰ চাপৰৰ অনেক চেওৰ লগতে বিহুৰ নাম আমাৰ শুনাৰ সৌভাগ্য এইখিনি দেৱালয়তেই হৈছিল আমাৰ বয়োজ্যেষ্ঠসকলৰ। ইয়াত বিহুমাৰি ঢোল বজাই বজাই ঢুলীয়াৰ হাত ফাটিছিল, ঢোল ফাটিছিল, নাচনীৰ কাপোৰ ফাটিছিল। সেয়েহে দেৱালয়ত বিহু উৰুৱা এই দিনটোক ফাটবিহু বুলি কোৱা হয়। অৱশ্যে আজিকালি কিছু ধৰ্মীয়, সামাজিক কাৰণত ঢকুৱাখনাৰ ম'হঘুলি চাপৰিত কেন্দ্ৰীয়ভাৱে ফাটবিহু উদ্‌যাপন কৰাৰ উপলক্ষ্যত হাৰ্হি দেৱালয়ৰ ফাটবিহুৰ দিনা বিহুৱা দলৰ সংখ্যা কমিছে। ইয়াত বিহুৱা দলসমূহে কোনো কৃত্ৰিমতা নৰখাকৈ দেৱীৰ সন্মুখত সেৱা জনাই ৰাইজৰ মংগল কামনা কৰি বিহু মাৰে। ইয়াত পুৰস্কাৰৰ আশাত বিহু পালন কৰা হয়। বিহুৰ সামৰণিত পূজাৰীয়ে সকলো বিহু দলকে সমূহীয়াভাৱে আশীৰ্বাদ প্ৰদান কৰে আৰু ৰাইজৰ ফালৰ পৰা এটি মাননী আগবঢ়োৱা হয়।

চুতীয়াসকলৰ আটাইতকৈ প্ৰিয় উৎসৱ বিচু অৰ্থাৎ বিহু। বিহু উপলক্ষে হাৰ্হি দেৱালয়ৰ উৎপত্তিস্থল তাম্ৰেশ্বৰী মন্দিৰত এভাগি বৃহৎ পূজা অনুষ্ঠিত হৈছিল। পূজাত দেওধ্বনিসকলে নৃত্য কৰিছিল, এই নৃত্যক দেওধ্বনি নৃত্য বোলা হয়। চুতীয়া ৰণত আহোমসকলে কাৰফাই, হিলৈ, বৰটোপ, হাতীৰ উপৰিও ডবা, কালি, ঢোল, বাঁহী, তাল, ম'হৰ শিঙৰ পেঁপা আদি বাদ্যযন্ত্ৰ পাইছিল। চুতীয়াসকল যে ভাল ঢুলীয়া তাৰ প্ৰমাণ ঢোল বাদনত 'চুতীয়া চেও' বুলিও এটা চেও এতিয়াও প্ৰচলিত। আনহাতে তাম্ৰেশ্বৰী মন্দিৰৰ ভগ্নাৱশেষৰ মাজত এচপৰাত নৃত্যৰত পুৰুষৰ ছবিয়ে প্ৰাক্ আহোম যুগত যে চুতীয়াসকলৰ মাজত বিহু প্ৰচলিত তাকেই সূচায়। 'চুতীয়া চোলা ঐ গলধন ফটা' বুলি বিহু নামত শুনা আজিও ৰিনিকি ৰিনিকি স্মৃতি পটত ভাহি আছে।

বৰ্তমানৰ ম'হঘুলি চাপৰি ফাটবিহুৰ মূল সুঁতি হাৰ্হি দেৱালয়ৰ ফাটবিহুত কেইবছৰমান আগলৈকে প্ৰচলিত হৈ শুনি অহা কেইফাঁকিমান চুতীয়া জাতিৰ লগত জড়িত বিহু তলত উল্লেখ কৰা হ'ল—

১। "স্বৰ্গদেৱে আনিলে চুতীয়া কাঁড়ী ঐ
বুকু বহল বহল চাই,
এঠেমা ভিৰায়ে মাৰে বৰ ধনু
হেদামত সৰকি যায়।"

ইয়াত চুতীয়াসকল যে দক্ষ কাঁড়ী আছিল তাক বৰ্ণনা

কৰা হৈছে।

২। "... চাৰিশাললৈ চাই পঠিয়াও
চাৰি পৰবতে লৰে ল' হয়া,
শদিয়া ৰাজলৈ চাই পঠিয়াও
বুকুতে অগনি জ্বলে ল' হয়া।"

ইয়াত ইংৰাজৰ দিনত বহুতো দেউৰী চুতীয়া লোক পুনৰ শদিয়ালৈ ঘূৰি যোৰা যি মানসিক বিষাদ-বেদনা তাক বৰ্ণনা কৰা হৈছে।

৩। "হুঁচৰি এ চ'ত আছিলি ক'ত
শদিয়াৰ আঁহতৰ তলত
হুঁচৰি এ চ'ত আছিলি ক'ত
আমি যে ওমলো য'ত
দুবৰি নগজে ত'ত
...............
হুৰাই ল সৰগৰ তৰা
চাই থাক নিলগৰ পৰা
................
হাতত কাৰফাই ল হেৰৌ দাদাই
মাৰ অ' মাৰ অ' বালিচৰাই।"

৪। "শদিয়াৰ জীয়ৰী নানিবি ককাইদেউ উঘা ঘূৰা হেন ঘূৰে।
গৰুচৰ ৰাজৰ জীয়ৰী নানিবি ককাইদেউ লোকৰ ঘৰে ঘৰে ফুৰে
নামছাঙৰ জীয়ৰী নানিবি ককাই খোপাত এতোলা সোনে।"

৫। ... কুণ্ডিলৰ আগৰাতি ওখকৈ শিমলু
তাতে লয় কুৰুৱাই বাঁহ।
শদিয়া বাজত ঐ চাৰিশাল গোসাঁনী
তালৈ নমস্কাৰ কৰো।
সোণৰে জখলা ৰূপ হেতামাৰী
আহে চাৰিশালী নামি।
.................
ভৰিৰ গিৰিপনি মাৰা ভালেকৰি
গৰুচৰ বাজলৈ শুনে।
কুণ্ডিলত উপজিত কুণ্ডিলৰ দেউৰী
মহণ্ডত উপজিল লোণ।
শামুকৰ পেটত মাণিক উপজিল
মৰি মৰি উপজিল জোন।
জোনৰে সাৰথি জোনাকী পৰুৱা।
সৰগৰ সাৰথি তৰা।।
আমাৰে গোসাঁনী আমাৰে সাৰথি।
গা ধুই কৰি যাওঁ সেৱা।।
শদিয়াত আছে ঐ চাৰিশাল গোসাঁনী।
তালৈ কৰিছোঁ সেৱা।"

এইখিনি দেৱালয় এতিয়া চৰকাৰী অনুদানেৰে অতি সুন্দৰকৈ মণিকূট ভাগি এটি গম্বুজ আকাৰে বনাই আটক ধুনীয়াকৈ চাৰিওফালে পকী বেৰেৰে সংৰক্ষণ কৰি ৰখা হৈছে। প্ৰতিবছৰে দুৰ্গাপূজা ভাগ পালন কৰাৰ উপৰিও ভক্তসকলে ভাওনা, বৰসবাহ আদি বছেৰেকীয়া কৰ্মসমূহ উদ্‌যাপন কৰে। চণ্ডিপুৰাণ আদিৰ তত্ত্বক সাৰোগত কৰি পূজাৰীৰ মাধ্যমেৰে দেৱী দুৰ্গা পূজা কৰে। অৱশ্যে মাহ-প্ৰসাদ, পায়স ইত্যাদিৰে বহুতে সাত্বিক পূজাও কৰে। কেঁচাইখাইতী, কামাখ্যা, পঞ্চানন দেৱালয় আদিতো সাম্প্ৰতিক কালত বলি প্ৰথা চলিয়ে আছে। পূৰ্বতে নৰবলি প্ৰথা প্ৰচলন আছিল। নৰবলি বন্ধ হোৱাৰ পিছৰে পৰা বগা ম'হ দিয়া প্ৰচলন হয়। বৰ্তমানেও নৰবলি দিয়া দা-খন সংৰক্ষণ কৰা আছে। বগা ম'হ নাপালে ক'লা ম'হকে পিঠিত এখন বগা বস্ত্ৰ দি বলি দিয়ে। তদুপৰি হাঁহ, ছাগলী আদি প্ৰাণীসমূহ দুৰ্গাপূজা কেইদিনৰ বাদেও অন্য সময়তো বলি দিয়ে। তদুপৰি বেল, কোমোৰা, কুঁহিয়াৰ আদিও বলি দিয়ে। প্ৰতিবিধ বস্তুৰ বলিকটা দা বেলেগ বেলেগ আছে। বলিকটাৰ বাবে নিৰ্দিষ্ট মানুহ আছে। তদুপৰি বলিধৰা, দা-ধৰুৱা আদি বেলেগ বেলেগ লোক আছে।●

(লেখকে সদৌ লখিমপুৰ জিলা চুতীয়া ছাত্ৰ সন্থাৰ সহঃসাধাৰণ সম্পাদক হিচাপে কাৰ্য নিৰ্বাহ কৰিছিল লগতে তেওঁ চুতীয়া জনগোষ্ঠীৰ গৱেষণা লগত জড়িত।)

# অসমৰ ভূমিপুত্ৰ জাতিসমূহৰ বৈশিষ্ট্য

পূজা বৰুৱা
উচ্চতৰ মাধ্যমিকৰ দ্বিতীয় বাৰ্ষিক

অসম এখন বৈচিত্ৰপূৰ্ণ সংস্কৃতিৰ মিলনভূমি। এই মনোমোহা ৰাজ্যখনৰ মানুহবোৰ বিশেষকৈ আৰ্য, মংগোলীয়। অষ্ট্ৰিক আৰু ব্ৰহ্ম দেশীয় মূলৰ লোক। সকলো জাতি-উপজাতি সন্মিলিত হৈ গঢ় দিছে বৃহত্তৰ অসমীয়া সংস্কৃতিৰ। অসমত বসবাস কৰা জাতি জনগোষ্ঠীসমূহ আৰু তেওঁলোক প্ৰত্যেকৰে সংস্কৃতি, কলা-কৃষ্টি, সাজপাৰ তথা সমাজ ব্যৱস্থাৰ এক সুকীয়া পৰিচয় আছে।

অসমত বসবাস কৰা জনজাতিৰ বেছিভাগেই নিজস্ব ভাষা আছে যদিও অসমীয়াই হৈছে অসমত প্ৰচলিত মূখ্য ভাষা। তদুপৰি অসমীয়াৰ বিশ্বাস, অনুভৱ, গৌৰৱ পৰিচয় ইত্যাদিৰ বাবে ব্যৱহৃত অসমীয়া সংস্কৃতিৰ বহুতো স্বীকৃত গুৰুত্বপূৰ্ণ প্ৰতীকাত্মক উপাদান আচে। সেইবোৰ হ'ল অসমীয়া 'গামোচা', 'জাপি', 'তামোল-পাণ', 'শৰাই' আদি।

অসমত বসবাস কৰা কেইটামান জনগোষ্ঠীৰ বিষয়ে উল্লেখ কৰা হৈছে—

**মৰাণ জনগোষ্ঠী ঃ**

এওঁলোক অসমৰ পুৰণি জনগোষ্ঠীসমূহৰ ভিতৰত অন্যতম। উজনি অসমৰ কেইবাখনো জিলাত এই জনগোষ্ঠীৰ অধিকাংশ লোকে বসবাস কৰে। মৰাণসকলক বড়ো-কছাৰীমূলৰ বুলি ভবা হয়। অসমৰ আটাইতকৈ পুৰণি জাতি হৈছে মৰাণ।

মৰাণসকল নিজা সামাজিক, সাংস্কৃতিক উপাদানেৰে অতীজৰেপৰা চহকী। সাজপাৰৰ ক্ষেত্ৰতো জনগোষ্ঠীটোৰ এটা নিজা পৰিচয় আছে। তেওঁলোকে ঘৰতে নিজৰ লাগতিয়াল সাজ-পাৰসমূহ প্ৰস্তুত কৰে। মৰাণৰ পুৰুষসকলৰ সাজ-পাৰসমূহ হৈছে চুৰিয়া, কামিজ, পাঞ্জাৱীসহ চোলা। মুগা সূতাৰে ফুলবছা শুদ্ধ বগা গামোচা, ৰঙা, সেউজীয়া পাৰি দিয়া ফুলাম গামোচা কপাহী পাগুৰি, মুগাৰ পাগ, পাহমাৰি এখন চেলেং, টঙালি, চেলেং, মূৰত পাগুৰি, মুৰিয়াল ইত্যাদি। মৰাণ জনগোষ্ঠীৰ মহিলাসকলৰ সাজপাৰসমূহ হৈছে মুগা মেখেলা। কঁকামৰা, পাককাথি কাপোৰ। কিংখাপ বা চাতনৰ মেখেলা, কলীয়া ৰিহা, গুটিফুলৰ চেলেং, ৰঙা ব্লাউজ ইত্যাদি।

মৰাণসকলৰ ভাষা হৈছে অসমীয়া। তেওঁলোকে অসমীয়া ভাষা গ্ৰহণ কৰে। 'মৰাণ' শব্দটোৰ অৰ্থ হৈছে 'বনৰ অধিবাসী।'

সাংস্কৃতিকভাৱে মৰাণসকল অতি চহকী। মৰাণসকলৰ প্ৰধান উৎসৱ হৈছে বিহু। অতীজতে তেওঁলোকে শদিয়াৰ কেঁচাইখাতী থানৰ লগতে তিনিচুকীয়া জিলাৰ মাকুমৰ দেওখাল, চৰাইদেউ আদিত শাল পাতি দেৱ-দেৱীৰ পূজা-অৰ্চনা কৰিছিল। ব'হাগৰ প্ৰথম মংগলবাৰে দেৱ-দেৱীৰ পূজা-অৰ্চনা কৰি বিহু নমাইছিল আৰু মংগলবাৰে উৰুকা, বুধবাৰে গৰুবিহু আৰু বৃহস্পতিবাৰে মানুহ বিহু ৰূপে সাতদিন। সাত বিহু মাৰিছিল আৰু এনেদৰে অন্যান্য অসমীয়াতকৈ ভিন্ন দিন বাৰত আজিও তেওঁলোকে বিহু পালন কৰে। তেওঁলোকৰ বিহুক 'মৰাণ বিহু' নামেৰে জনা যায়। গছতলৰ বিহু, ৰাতি বিহু, ধৰ্ম হুঁচৰি, বৰমগা আদিয়ে মৰাণ বিহুক সমৃদ্ধ কৰিছে।

মৰাণসকল কৃষি কৰ্মতো বহুখিনি আগবঢ়া। তেওঁলোকে প্ৰত্যেকটো সময়ত প্ৰত্যেকটো কৃষি কৰি থাকে।

**মটক জনগোষ্ঠী ঃ**

মটকসকল অসমৰ এটি অতি পুৰণি টাই-মংগোলীয় জনগোষ্ঠী। 'মটক' শব্দটি টাই ভাষাৰ শব্দ। টাই ভাষাত 'ম' মানে শক্তিশালী বুদ্ধিমান আৰু 'টক' মানে

উপযুক্ত, জোখা, তুলাচনী। অৰ্থাৎ উপযুক্ত জ্ঞানী, শক্তিশালী, পণ্ডিতলোক। কৃষি কৰ্ম আছিল তেওঁলোকৰ মূল জীৱিকা। মটক টাই মংগোলীয় জনগোষ্ঠী হিচাপে পৰম্পৰাগত ধৰ্ম হৈছে তাও। তেওঁলোকে প্ৰকৃতি জগতৰ গাঁঠিয়াল দেৱতাৰ পূজা কৰে। জীৱ-জন্তু গৰাকী ভিন্ন দেৱতা, উপৰি পুৰুষ মৃতক দেৱতা, জগত মাতৃ আই, লক্ষ্মী আই আদি ভিন্ন দেৱতাৰ বিশ্বাস কৰে। পাছলৈ মটকসকলে সপ্তদশ শতিকাত কাল সংহতিৰ প্ৰৱৰ্তক গোপাদেৱৰ শিষ্য অনিৰুদ্ধদেৱে প্ৰচাৰ কৰা মায়ামৰা বৈষ্ণৱ ধৰ্ম গ্ৰহণ কৰিছিল। মায়ামৰা ধৰ্ম গ্ৰহণ কৰাৰ পাছতোন তেওঁলাকে মিশ্ৰিত ৰূপত নিজা পৰম্পৰাগত ধৰ্মীয় বিশ্বাসসমূহ ধৰি ৰাখিছে।

মটক জনগোষ্ঠীৰ পুৰুষৰ সাজপাৰসমূহ হৈছে— চুৰিয়া, চোলা, মুগা সূতাৰে ফুলবছা গামোচা, ৰঙা পাৰি দিয়া গামোচা, পাগুৰি। চেলেং ইত্যাদি। মহিলাসকলে পৰিধান কৰা সাজপাৰসমূহ হৈছে—মুগা মেখেলা, ককাঁমৰা, ৰিহা, সেউজীয়া পাৰি দিয়া চাদৰ, গামোচা ইত্যাদি।

আনন্দমেলা আৰু উৎসৱৰ দেশ অসম। অসমত পালন কৰা বেছিভাগ উৎসৱৰ উৎসাহ-উদ্দীপনা এনেকুৱা যে অসমৰ সকলোবোৰ বাসিন্দাৰ বাৰেৰহনীয়া কৃষ্টিৰহে যেন ই এক সংমিশ্ৰণ। মটকসকলৰ প্ৰধান উৎসৱ বিহু। ব'হাগ বিহু, যিটো বিহুৰে মানুহৰ আশা-আকাংক্ষাৰ শুভাশুভ নিৰ্ণয় কৰে। কাৰণ এইটোৱে হৈছে খেতি আৰম্ভ কৰাৰ বতৰ। কাতি বিহু যিটো বিহুৰে শস্য কটা আৰু বন্ধাৰ চিন দিয়ে আৰু মাঘ বিহু। যিটো বিহু শস্য চপোৱাৰ বতৰৰ বতৰা দিয়ে।

**চুতীয়া জনগোষ্ঠী ঃ**

চুতীয়াসকল অসমৰ আদিম অধিবাসীসকলৰ ভিতৰত অন্যতম জনসমষ্টি। আনুমানিক ষষ্ঠ শতিকাৰ পৰা প্ৰাচীন চুতীয়া ৰাজ্যৰ ঐতিহাসিক তথ্য-পাতি পোৱা যায়।


চুতীয়াসকল ভাস্কৰ্য শিল্পতো চহকী আছিল। মৰা চৰাইৰ সৈতে বিষ্ণুমূৰ্তি, শিৱ-পাৰ্বতীৰ মূৰ্তি, সূৰ্যৰ মূৰ্তি কেঁচাইখাতী থান। মালিনী থান আদিয়ে এওঁলোকৰ স্থাপত্য ভাস্কৰ্যৰ পৰিচয় দাঙি ধৰে। এইসমূহৰ উপৰিও সোণেৰে নিৰ্মিত দুগদুগি, সোণোৱালী গলপতা, সোণৰ কেৰু। সোণ আৰু ৰূপৰ গামখাৰু, জোনবিৰি, সোণৰ মেকুৰী, দবা, কালি, চ'ৰা নাও আদি ব্যৱহাৰ কৰাৰ প্ৰমাণ পোৱা যায়। এইবোৰে তেওঁলোকৰ উন্নত সংস্কৃতিক চেতনাৰ পৰিচয় বহন কৰে।

অতীজত চুতীয়া পুৰুষে পাটৰ বস্ত্ৰ, এৰীয়া এঙা চোলা, কপাহী চুৰিয়া পিন্ধিছিল আৰু গামোচাৰে পাগুৰি মাৰিছিল। কিছুমানে মুগা আৰু পাটৰ ধুতী চোলা আৰু পাগুৰি ব্যৱহাৰ কৰিছিল। মহিলাসকলে এৰী মুগা পুহি, সূতা কাটি, কাপোৰ বৈ লৈছিল, চাদৰ, ৰিহা-মেখেলা, ফুলাম গামোচা ইত্যাদি সাজপাৰ পৰিধান কৰে।

চুতীয়াসকলৰ প্ৰধান উৎসৱ বিহু। অসমৰ বাপতিসাহোন বিহুটিক বিহু ৰূপত উপলব্ধ কৰাৰ ক্ষেত্ৰত চুতীয়াসকলৰ অৱদান লেখত ল'বলগীয়া। 'বাপতিসাহোন' চুতীয়া ভাষাৰ শব্দ। চুতীয়া ভাষাত 'বাপ' মানে দেউতা। 'বাপতি' মানে দেউতাৰ আৰু 'সাহোন' মানে সম্পত্তি। গতিকে বিহু চুতীয়াৰ বাবে দেউতাকে দি লোৱা সম্পত্তি। পৈত্ৰিক সম্পত্তি, চুতীয়াসকল ইমানেই বিহু বলীয়া আছিল যে, য'লৈকে গৈছিল তালৈকে এই বিহু কঢ়িয়াই লৈ গৈছিল। তাৰ অন্যতম উদাহৰণ ঢকুৱাখনাৰ 'ফাটবিহু'। এই 'ফাট'বিহুৰ শব্দটো চুতীয়া ভাষাত 'ফাট' মানে ভাটি। আধুনিক কালত যদিও ফাটবিহু বিভিন্ন ঠাই বাগৰি ম'হঘুলি চাপৰিলে স্থানান্তৰিত হৈ সকলোতে জনাজাত হ'ল। তথাপিও দেৱলীয়া গাঁৱত আজিও পৰম্পৰাৰ চিনস্বৰূপে ফাটবিহু উদ্‌যাপন হৈ আছে।

**মিচিং জনগোষ্ঠী ঃ**

এওঁলোক অসমৰ ভৈয়ামৰ জনজাতিসমূহৰ ভিতৰত দ্বিতীয় বৃহত্তম জনজাতি। মিচিংসকল মূলতে মংগোলীয় জনগোষ্ঠীৰ মান-তিব্বতী শাখাৰ অন্তৰ্গত। ভৈয়ামত থকা মিচিংসকল সাধাৰণতে নৈৰ পাৰত চাংঘৰ সাজি গাঁও পাতি



বাস কৰে। অসমৰ ধেমাজি, তিনিচুকীয়া, লখিমপুৰ, ডিব্রুগড়, গোলাঘাট, যোৰহাট, মাজুলী, দৰং, শোণিতপুৰ জিলাত মিচিংসকলে প্ৰধানকৈ বাস কৰিছে।

উৎসৱ-পাৰ্বনৰ দিশত বসন্ত কাল অহাৰ মাত্ৰকে মিচিংসকলৰ আনন্দত ত'ত নোহোৱা হয়। কাৰণ ফাগুনৰ প্ৰথম বুধবাৰটোত মিচিংসকলে পালন কৰে আলি আঃয়ে লৃগাং উৎসৱ। মিচিং নৃত্য গীতেৰে চৌদিশ মুখৰিত হয়। অন্যহাতে পঃৰাগ উৎসৱৰো আছে এক বিশেষ তাৎপৰ্য। নৃত্যৰ ক্ষেত্ৰতো গুম্ৰাগ মিচিংসকলৰ প্ৰধান কৃষি নৃত্য। আঃয়ে লৃগাং উৎসৱটোক শস্য বা কঠীয়া সিঁচাৰ আৰম্ভণি উৎসৱ বুলি কোৱা হয়। মিচিং ভাষাত 'আলি' মানে শস্যৰ বীজ 'আঃয়ে' মানে ফল আৰু 'লিগাং' মানে উৎসৱ বুজায়। সাধাৰণতে এই উৎসৱত মিচিংসকলে শস্য সিঁচাৰ লগতে ডেকা-গাভৰু, বুঢ়া-বুঢ়ী সকলোৰে সমূহীয়া ভোজভাত খাই নানান নৃত্য-গীত কৰে।

ধৰ্মৰ দিশত মিচিংসকলে সমাজৰ লগত খাপ খোৱাকৈ হিন্দু বা কিছু সংখ্যক খ্ৰীষ্টান ধৰ্ম গ্ৰহণ কৰে যদিও কোনো দেৱ-দেৱীক পূজা নকৰে।

মিচিংসকলে কৃষিক মূল জীৱিকা হিচাপে লৈ জীয়াই থাকে। লগতে পশু পালন কৰাতো এক প্ৰাচীন পৰম্পৰা। ভিন্ন শস্যৰ খেতি কৰা উপৰিও কুকুৰা, গাহৰি, গৰু-ছাগলী আদি পুহি জীৱিকা নিৰ্বাহ কৰে। অৱশ্যে বহুজন শিক্ষিত হৈ অৰ্থ বাণিজ্যতো হাত দিছে। মিচিংসকলে পৰিধান কৰা সাজপাৰসমূহ হৈছে—এগে (মেখেলা), মেঠনি, গালুগ (চোলা), চাদৰ, য়াপ (মূৰত মৰা গামোচা), য়েচ্চাং (ৰিহা), চগৰেক গাচৰ (চাদৰ) ইত্যাদি। পুৰুষসকলে পৰিধান কৰা সাজপাৰসমূহ হৈছে—তবগ্ গালুক, গাদু গালুক, মিবু গালুক, দুমীৰ, দুমৌৰ, উগন গালুগ ইত্যাদি।

বৃহত্তৰ অসমীয়া জাতিৰ বাৰেৰহনীয়া কৃষ্টি-সংস্কৃতি জীয়াই ৰখাত মিচিংসকলৰ অৱদান অপৰিসীম।

**দেউৰী জনগোষ্ঠী ঃ**

দেউৰীসকল হৈছে বৃহৎ অসমীয়া জাতিৰ অন্তৰ্গত এটা জনগোষ্ঠী। এই জনগোষ্ঠীৰ লোকসকলৰ প্ৰধানকৈ অসম, অৰুণাচল প্ৰদেশ আৰু নালালেণ্ডত পোৱা যায়। তেওঁলোকে প্ৰধানকৈ অসমীয়া ভাষা আৰু তিব্বতীয়া বাৰ্মা ভাষাৰ ব্যৱহাৰ কৰে।

ধৰ্মত দেউৰীসকল হিন্দু। হিন্দু শাস্ত্ৰত উল্লিখিত দেৱ-দেৱতাসকলক এওঁলোকে অতি প্ৰাচীন কালৰ পৰা অতি শ্ৰদ্ধা-ভক্তি আৰু বিশ্বাসেৰে উপাসনা কৰি আহিছে। ধৰ্মোৎসৱ হিচাপে এওঁলোকে পুৰণি কালৰ পৰা প্ৰধানকৈ তিনিটা উৎসৱ পালন কৰি আহিছে। সেইকেইটা হ'ল—ব'হাগ বিচু (ইবাঁকু বিচু), মাঘ বিচু আৰু অম্বুবাচী পূজা উৎসৱ বা 'সাতঅ-চুৱাদাবেবা" পৰম্পৰা। তদুপৰি "পিটা-হাবা বিচু" আৰু "মেটুৰা লেবা" তেওঁলোকৰ অন্যতম উৎসৱ। কেৱল এইকেইটা উৎসৱতহে দেউৰীসকলে নিজ নিজ খেলৰ দেওশালত বিশেষভাৱে পূজা আগবঢ়ায়। দেওশালত আগতীয়াকৈ পূজা-অৰ্চনা নকৰাকৈ উৎসৱ পতাৰ নিয়ম নাই। ব'হাগ বিহুৰ বাহিৰে বাকী দুটা উৎসৱত দেওধনী নুঠে আৰু দেওধনী নাচো নহয়। দেওশালত পতা অন্য এটা গুৰুত্বপূৰ্ণ পূজা হৈছে ন ধানৰ পূজা। এই পূজাপ্ৰতিবছৰে শাওন মাহৰ শুক্লা পক্ষ প্ৰথমটো বুধবাৰে পতা হয়। দেউৰীসকলৰ ধৰ্মীয় কাম-কাজ সম্পূৰ্ণ শাক্ত পন্থীয়। বিভিন্ন পূজাত বলি-বিধানৰ ব্যৱস্থা আছে।

দেউৰীসকলে পৰম্পৰাগত সাজপাৰসমূহ ঘৰতে প্ৰস্তুত কৰি লয়। দেউৰীসকলৰ মহিলাসকলে মেথনি, দীঘল মুগা অথবা কপাহী মেখেলা, মুগা ৰিহা অথবা বাইগা, চোলা ইত্যাদি। দেউৰীসকলৰ পুৰুষসকলে পৰিধান কৰা সাজপাৰসমূহ হৈছে। চোলা, চুৰিয়া, কপাহী চোলা, হাত দীঘল মুগা চোলা অথবা পাটৰ কাপোৰ চোলা, পাটৰ অথবা কপাহী কাপোৰৰ পাগুৰি ইতাদি।

দেউৰীসকলে সাধাৰণতে কৃষিজীৱি। তেওঁলোকৰ জীৱিকাৰ ঘাই উপায় হৈছে কৃষি। বিশেষকৈ ধান, মাহ, সৰিয়হ, আলু, কচু, শাক-পাচলি আদি খেতিৰ ওপৰত নিৰ্ভৰ কৰিয়েই তেওঁলোকে জীৱিকা নিৰ্বাহ কৰে। কপাহ খেতি তেওঁলোকৰ পৰম্পৰাগত খেতি। এক সামান্য অংশই চাকৰি কৰি জীৱন নিৰ্বাহ কৰিলেও এওঁলোকে সাধাৰণতে কৃষি কৰ্ম নেৰে।●

# আহোম যুগত ধেমাজিৰ বুৰঞ্জী

**প্ৰিয়তম দাস**
ষষ্ঠ ষাণ্মাসিক

পৰ্যাপ্ত নিৰ্ভৰযোগ্য সমলৰ অভাৱৰ বাবে ধেমাজি অঞ্চলৰ ইতিহাস অধ্যয়ন কৰাটো একপ্ৰকাৰ জটিল কাম। অসম বুৰঞ্জী অধ্যয়নত সহায়ক স্বৰূপে হোৱা বিভিন্ন প্ৰকাৰৰ ভিত্তিবহুল সমলবোৰে ধেমাজি অঞ্চলৰ ইতিহাস অধ্যয়নৰ ক্ষেত্ৰত সহায় নকৰে আৰু সেয়ে আজি পৰ্যন্ত অসমৰ ইতিহাস চৰ্চা আৰু অধ্যয়নত ধেমাজি অঞ্চল উপেক্ষিত হৈয়ে ৰৈছে। অৱশ্যে এই সমল দৈন্যতাই ইয়াকো প্ৰতিপন্ন নকৰাকৈ নেথাকে যে ঠাইখনত অতীত কালত অসমৰ অন্যান্য ইতিহাস প্ৰসিদ্ধ ঠাই দৰে চহকী মানৱজাতিৰ কেন্দ্ৰ হিচাপে তেনেকৈ গঢ়ি উঠা নাছিল। তুলনামূলকভাৱে মানৱ বসতিৰ গুৰুত্বহীন এই এলেকাটোৰ তাৰ মাজেয়েদি ইতিহাসৰ যুগ পাৰ হৈ গৈছে। কিন্তু মানৱ সভ্যতাৰ ইতিহাসে ইয়াক গুৰুত্ব নিদিয়া অথবা তাৰপৰা বঞ্চিত হোৱাৰো ইতিহাস বেলেগকৈ ৰৈ গৈছে। সেই ইতিহাস কি...?

একোখন ঠাইৰ উত্থান আৰু পতন, একোটা জাতিৰ বীৰত্ব আৰু দুৰ্বলতা এই দুই বিপৰীত অৱস্থাকে ইতিহাসে নিজৰ গণ্ডিত সামৰে। গতিকে, ধেমাজি অঞ্চলনো কি কাৰণত অতীতৰ মানৱ সভ্যতাই সামৰা ঠাইৰ তুলনাত উপেক্ষিত হ'ল তাৰো ইতিহাস চাব লগা। যি কি নহওক, এই ইতিহাস লক্ষ্য কৰোতে প্ৰয়োজন হোৱা সমলৰ অভাৱ সত্ত্বেও সমসাময়িক অন্য ঠাইত ঐতিহাসিক সমলকো তুলনামূলক বিশ্লেষণেৰে সিদ্ধান্তত উপনীত হ'ব লাগিব। এই ক্ষেত্ৰত যুক্তিসিদ্ধ অনুমান আৰু বিশ্বাসো কৰিব লগা হয়। যি কি নহওক ঐতিহাসিক অধ্যয়নৰ ক্ষেত্ৰত সহায়ক হোৱা প্ৰত্নতত্ব, লিখিত পুথি, জনবিশ্বাস, ভ্ৰমণ টোকা আদিকে আমি সহায় হিচাপে গ্ৰহণ কৰিছোঁ। কিন্তু ধেমাজিৰ ইতিহাসৰ সমস্ত সমল যে এই পৰ্যন্ত উদ্ধাৰ হৈছে সেই কথা কোৱাৰ যুক্তি নাই। ইতিহাসত নতুন নতুন সমল উদ্ধাৰে নতুন সত্য উন্মোচন কৰে, আৰু ঠিক সেইদৰে ধেমাজিতো এই কথা প্ৰযোজ্য।

'কালিকা পুৰাণ' আৰু 'যোগিনী তন্ত্ৰ' ৰচনা কালৰ মাজত প্ৰায় চাৰিশ বছৰৰ ব্যৱধান থাকিলেও দুয়োখন প্ৰাচীন পুথিতে অসমৰ ধৰ্মীয়, সামাজিক আৰু ভৌগোলিক চিত্ৰৰ ওপৰত প্ৰায় সাদৃশ্যমূলক বৰ্ণনা পোৱা যায়। দুয়োখন গ্ৰন্থতে তুলনামূলকভাৱে ধেমাজিৰ ভৌগোলিক অৱস্থিতিৰ ইংগিত আৰু বসতিৰ উৎসৰ বিষয়েও অনুমান কৰিব পৰা সূত্ৰ পোৱা যায়। এই গ্ৰন্থ দুখনত দিক্কৰুদ্দিনী আৰু স্বৰ্ণদ্দি বিধৌত অঞ্চলত কিৰাতসকলৰ বসতি বিস্তাৰৰ উৎস বৰ্ণিত হৈছে। যি কি নহওক, নৰকৰ ৰাজত্ব কালতে প্ৰাগজ্যোতিষপুৰত জনজাতীয় সমাজৰ লোকায়ত ধৰ্ম-সংস্কৃতিৰ মাজত হিন্দুকৰণ প্ৰক্ৰিয়া প্ৰৱৰ্তন কৰিবলৈ ধৰা আৰ্যব্ৰাহ্মণসকলে ঠিক তাৰ লগে লগেই উজনিলৈ আহি লুইতৰ উত্তৰ পাৰত বৰ্তমানৰ ধেমাজি অঞ্চলতো সোমাইছিল আৰু হিন্দুকৰণত ব্ৰতী হৈছিল। আৰ্য ব্ৰাহ্মণসকলৰ প্ৰভাৱত হিন্দুকৃত হোৱা এটা জনজাতীয় গোষ্ঠীয়ে কালক্ৰমত কলিতা জাতি নামে জনাজাত হয় আৰু তেওঁলোকে কলিতা ৰাজ্য প্ৰতিষ্ঠা কৰে। কুণ্ডিল ৰাজ্যৰ বিকাশ আৰু প্ৰভুত্ব, বিষ্ণুৰ লগত সম্পৰ্কিত ৰুক্মিণীৰ পিতৃ ভীষ্মক ৰজা সৰ্বভাৰতীয় সামাজিক বন্ধনৰ অন্তৰ্গত হোৱা আদিক মহাভাৰতীয় সনাতন হিন্দু ধৰ্মৰ প্ৰভাৱ বুলিব পাৰি। কিন্তু ঐতিহাসিকভাৱে অসমৰ ৰাজনৈতিক প্ৰভাৱ এই পূব কোণটো বৰ্মণ বংশৰ শেষৰ দুজন ৰজা ভূতিবৰ্মা আৰু ভাস্কৰ বৰ্মাৰ ৰাজত্ব কালৰ হোৱা বুলি জনা যায়। ইয়াৰ পৰৱৰ্তী যুগ শালস্তম্ভ বংশৰ হৰ্জৰ বৰ্মাই ব্ৰহ্মপুত্ৰ উপত্যকাৰ সুদূৰ পূবৰ পৰ্বত ভৈয়ামৰ সীমালৈকে প্ৰাচীন কামৰূপ ৰাজ্য বিস্তৃতি ঘটাইছিল। সেই হিচাপত আমাৰ আলোচ্য বিষয় ধেমাজিও প্ৰাচীন কামৰূপৰ অন্তৰ্ভুক্ত হৈছিল। পৰৱৰ্তী পালবংশৰ শ্ৰেষ্ঠ ৰজা ৰত্ন পালৰ দিনত স্বৰ্ণদ্দিয়ে সামৰা অঞ্চলৰ পৰা পৰশুৰামে প্ৰতিষ্ঠা কৰা কুণ্ডিল ৰাজ্যৰ সীমালৈকে প্ৰাজ্য নামৰ এখন প্ৰত্যন্ত নৃপতিৰ ক্ষত্ৰিয় ৰাজ্য আছিল। প্ৰাচীন কামৰূপ ৰাজ্যৰ তিনিওটা

ৰাজবংশৰ ৰাজত্বকেইটাৰ প্ৰভাৱিত ভৌগোলিক এলেকাত তান্ত্ৰিকতাবাদৰ অনেক পীঠ, উপাসনা স্থান মূৰ্তি আদি প্ৰতিষ্ঠা হৈছিল। তাৰে অন্যতম স্থান মালিনী থান। গতিকে দেখা পোৱা যায় যে ৰত্নপাল প্ৰাজ্য ৰাজ্যৰ অৱস্থিতিৰ পৰাই ধেমাজিৰ ঐতিহাসিক যুগৰ আৰম্ভ হয়। কিন্তু প্ৰাপ্ত সমলৰ বিশৃংখলতাই আমাক এই সিদ্ধান্তত উপনীত হোৱাতো অসুবিধাত পেলায়। চুতীয়াৰ প্ৰথম ৰজা বীৰপালৰ ১২৬০ খ্ৰীষ্টাব্দৰ আগতো যদি ৩৪ জন ৰজাই চুতীয়া ৰাজ্য শাসন কৰিবলৈ লয়। তেন্তে গড় হিচাপত ৩৪ জন ৰজাৰ ৰাজত্বকাল হিচাপে কৰি আগুৱাই গ'লে একাদশ শতিকাৰ ৰত্নপালৰ দিন পায়গৈ। খুব সম্ভৱ প্ৰাজ্য ৰাজ্যৰ পৰাই চুতীয়া ৰাজ্যৰ বিকাশ ঘটিছিল। কিন্তু তাৰ মাজতো ড° নাথ আৰু ড° কাকতিৰ কলিতা ৰাজ্যই আকৌ এই ক্ষেত্ৰত বেমেজালিত পেলায়।

আমাৰ আলোচ্য ধেমাজি অঞ্চল বুলোতে অবিভক্ত ধেমাজি মহকুমাক সামৰা হৈছে। কাৰণ ধেমাজি জিলাৰ পৰা লক্ষীমপুৰ জিলালৈ ফালি নিয়া ঘিলামৰা আৰু ঢকুৱাখনা অঞ্চলৰ সৈতে ধেমাজি অঞ্চলৰ ঐতিহাসিকভাৱে সামাজিক বান্ধোন বিদ্যমান।

যি কি নহওক, ধেমাজি অঞ্চলত আহোম প্ৰভূত্ব চুতীয়া ৰাজৰ অৱনতিৰ লগে লগে আৰম্ভ হোৱা বুলি অসমৰ ইতিহাস চৰ্চাত প্ৰতিপন্ন হৈছে। কিন্তু কি এলিয়াচ নিৰ্দেশিত ৩৪ জন চুতীয়া ৰজাৰ একেবাৰে শেষৰজনৰ আগৰজনক চ্যুকাফাই আহি সৌমাৰত লগ পোৱা বুলিও ইতিহাসত উল্লেখ আছে। কিন্তু চ্যুকাফাই পূৰ্বসুৰী তাই দিগ্বিজয়ী চাংলফাৰ সৈতে চুতীয়া ৰজাৰ যুদ্ধ আৰু এই যুদ্ধৰ লগত চ্যুকাফাৰ আগমনৰ সম্পৰ্ক কিমান ঐতিহাসিক তাত পুৰামাত্ৰাই সন্দেহৰ স্থল আছে।

১৫২৩ খ্ৰীষ্টাব্দত চুতীয়া ৰাজ্য আৰু ১৫২৬ খ্ৰীষ্টাব্দত হাবুং ৰাজ্য দখল কৰি চুহংমুং দিহিঙীয়া ৰজাই বৰ্তমানৰ ধেমাজি অঞ্চলত আহোম ৰাজত্ব সম্প্ৰসাৰণ কৰে। আহোম শাসনলৈ যোৱাৰ পূৰ্বেই, ওপৰত উল্লেখ কৰি অহা অনুসৰি এই খণ্ডত আৰ্থ-সামাজিক আৰু সাংস্কৃতিক কাঠামো গঢ় লৈ উঠিছিল। ভূঞাসকলৰ দৰেই চুতীয়াসকলৰো এটা উন্নত সামাজিক-সাংস্কৃতিক পৰম্পৰা আছিল। বৰ্মন বংশৰ পৰা আৰম্ভ হোৱা ঐতিহাসিক ৰাজতান্ত্ৰিক শাসন আৰু আৰ্য ব্ৰাহ্মণসকলৰ আধ্যাত্মিক প্ৰভাৱৰ লগতে কৃষি অৰ্থনীতিত পেলোৱা পৰোক্ষ প্ৰভাৱে বস্তুগত দিশত অসমীয়া জাতি গঠন প্ৰক্ৰিয়াৰ আৰম্ভ কৰিছিল, আৰু তাৰ ভিতৰত এই ৰাজখণ্ডও বাদ পৰা নাছিল। গতিকে সেইফালৰপৰা আহোমসকলে ভূঞা আৰু চুতীয়া ৰাজ্য দখল কৰি পোৱা নতুন ৰাজ্যৰ নতুন সমাজখন চ্যুকাফাই সৌমাৰত প্ৰৱেশ কৰি সন্মুখীন হোৱা থলুৱা জনজাতীয় সমাজতকৈ যথেষ্ট আধুনিক বা উন্নত আছিল বুলি ক'ব পাৰি।

ওপৰত কোৱা হৈছে যে দিহিংগীয়া ৰজাই চুতীয়া আৰু হাবুং ৰাজ্য দখল কৰিহে আজিৰ সম্পূৰ্ণ ধেমাজিখণ্ড আহোম ৰাজ্যৰ ভিতৰুৱা কৰিছিল। কিন্তু এই দুই ৰাজ্যৰ সীমা ক'ত আছিল? চুতীয়াৰ ইতিহাসত ৰাজ্যখনৰ পশ্চিম সীমা বঢ়া-টুটা অৱস্থাত পোৱা যায়। আহোমসকলে দখল কৰা সময়ত চুতীয়া ৰাজ্যৰ পশ্চিম সীমা লুইতৰ উত্তৰত আছিল চিচি নদী আৰু দক্ষিণত আছিল বুঢ়ী দিহিং। হাবুং ৰাজ্য লুইতৰ উত্তৰত আছিল। গতিকে উক্ত ৰাজ্যখন চিচি নদী বা বৰ্তমানৰ চিচিবৰগাঁওৰপৰা পশ্চিমলৈ নাৰায়ণপুৰলৈকে থাকিব লাগিব।

যিকি নহওক ১৫২৩ খ্ৰীষ্টাব্দত প্ৰথম চুতীয়া ৰাজ্য দখল কৰি আহোম ৰজাই নতুনকৈ বৰপাত্ৰ গোহাঁই পদ সৃষ্টি কৰি শদিয়াৰ পৰা ন ৰাজ্যখণ্ড তেওঁৰ হাতত দি শাসন কৰিবলৈ এৰি দিয়ে। চুতীয়া ৰাজ্যত থকা ব্ৰাহ্মণ কায়স্থ আদি উচ্চ বৰ্ণৰ লোকক ৰাজধানী পাকৰিগুৰিত স্থাপন কৰে। পাকৰিগুৰি বৰ্তমান জোনাই মহকুমাত লুইতৰ কাষলৈ চিমেন চাপৰি আৰু ডেকাপামৰ মাজত অৱস্থিত। ১৫২৬ খ্ৰীষ্টাব্দত ভূঞা ৰাজ্য মাৰি বৰপাত্ৰ গোহাঁইৰ হাতত শাসন দি বানলুঙীয়া গোহাঁই স্থাপন কৰে। ভূঞা বা বাহুং ৰাজ্যৰ অনেক লোকক নগাঁও অঞ্চললৈ স্থানান্তৰিত কৰা হয়। যিকি নহওক এতিয়া ভূঞা বা হাবুং ৰাজ্য আৰু চুতীয়া ৰাজ্যৰ মাজত যিটো সীমাৰ কথা উল্লেখ পোৱা যায়, অন্যান্য ঐতিহাসিক সমল কিছুমানে আকৌ ইয়াত খেলিমেলি লগায়! চিচি নদী চুতীয়াৰ পশ্চিম সীমা হ'বলৈ হ'লে ঘিলামৰা অঞ্চলটো চুতীয়া ৰজাই ব্ৰাহ্মণ গুৰুক নিজৰ ৰাজ্যৰ ভিতৰতে ভূমি দান কৰাৰ যুক্তি নেথাকে। ঘিলামৰা খোদ হাবুং ৰাজ্যৰ ভিতৰতে পৰি যায়। অৱশ্যে ভূমিদান সম্পৰ্কীয় ফলিকেইখন যে প্ৰকৃততে চুতীয়া ৰাজ্যৰে পণ্ডিত ঐতিহাসিকসকলৰ মাজত তাতো মতভেদ আছে। ইবন বটুতাই চীন দেশ ভ্ৰমণৰ পৰা ঘূৰি আহোঁতে দেখা পোৱা ব্যৱসায় প্ৰাচুৰ্যময় হাবুঙত জিন্না নামৰ এজন ৰজা থকা বুলি ড° ৰাজমোহন নাথে কৈছে। তেন্তে আমি এটা কথাত উপনীত হ'ব পাৰো যে আহোম ৰাজ শক্তিয়ে চুতীয়া ৰাজ্য আৰু হাবুং ৰাজ্য সম্পূৰ্ণৰূপে দখল কৰাৰ পিছতহে বৰ্তমানৰ ধেমাজি জিলা আৰু ঘিলামৰা, ঢকুৱাখানা অঞ্চল আহোম ৰাজ্যৰ

অন্তৰ্ভুক্ত হৈছিল। চুতীয়া শক্তিৰ বেলি অস্ত যাবৰ সময়ত এই ৰাজ্যৰ উত্তৰপৰীয়া পশ্চিম সীমা চিচি নদী আছিল। তেতিয়া নাৰায়ণপুৰলৈকে হাবুং ৰাজ্য থাকিব লাগিব। এইখিনিতে এটা খেলি-মেলি লগা কথা হ'ল যে আহোম চুতীয়াৰ এখন ৰণ দিখৌৰ মুখত হৈছিল বুলি জনা যায়। কিন্তু দিখৌ নদী সেই সময়ত অৰ্থাৎ যোল্ল শতিকাত দিহিং নদীৰ লগত লগ লাগি লুইতত পৰিছিল কাজিৰঙাৰ মাজত। সেয়ে হ'লে উত্তৰ পাৰে ৰণখন হ'ব লাগিব বৰ্তমানৰ ঢলপুৰ আৰু নাৰায়ণপুৰৰ মাজত। অৱশ্যে আন এখন যুদ্ধ দিহিঙৰ পাৰতো হৈছিল বুলি জনা যায়। দিখৌ আৰু দিহিঙৰ লগ হোৱা ঠাইতো দিখৌ মুখত হোৱা বুলি ধাৰণা কৰিব পাৰি। আহোম ৰজাই চুতীয়া ৰাজ্য দখল কৰিলেও উত্তৰলৈ থকা পূৰ্বে চুতীয়াৰ প্ৰাধান্য ৰহিত পাৰ্বত্য এলেকাবোৰত পৰ্বত ভৈয়ামৰ সীমান্তই দি থকা হাজাৰ বছৰৰ পুৰণি দক্ষিণ-পূব এচিয়াৰ ৰেচম ব্যৱসায়ৰ পথটোৱেই উত্তৰ, পূব সীমান্ত হৈ থাকিব।

যি কি নহওক, মানৱ ইতিহাসৰ লগত বসতি প্ৰধান অঞ্চলৰ ভৌগোলিক ইতিহাসৰ পূৰামাত্ৰাই সম্পৰ্ক আছে। এই ভিত্তিতে আহোম চুতীয়া ৰাজ্য আৰু হাবুং ৰাজ্য দখল কৰিবৰ সময়ত অবিভক্ত ধেমাজি অঞ্চলৰ ভৌগোলিক অৱস্থা কেনে আছিল সেই কথা নিৰ্ণয় কৰা প্ৰয়োজন। কিন্তু ইয়াৰ বাবে কোনো নিৰ্ভৰযোগ্য সমলো পাবলৈ নাই। বুঢ়াসকলে কয়, একালত অৰুণাচল পাহাৰলৈকে লুইতৰ পৰা সোৱণশিৰী, জীয়াঢল, গাইনদী আৰু বৰ লুইতে একাকাৰলৈ ঢৌৱাই আছিল। অৱশ্যে বুটিকোৰৰ পৰা দক্ষিণ-পশ্চিমলৈ মাছখোৱা, ঘিলামৰা, ঢকুৱাখনা আদি অঞ্চলৰ এই জলাহ অৱস্থাৰ বাহিৰত আছিল বুলি ঐতিহাসিক অধ্যয়নৰ যোগে অনুমান কৰিব পাৰি। আনহাতে গোগামুখ, বৰদলনি হৈ ধেমাজিলৈকে অঞ্চলটোও জলাহময় আছিল বুলি ধাৰণা কৰিব পাৰি। পূবলৈ চিচিবৰ গাঁও অঞ্চলটোৰ মাজে মাজে বাম আছিল বুলি প্ৰতাপসিংহ স্বৰ্গদেউৰ দিনত হোৱা বৰবৰুৱা দুৱাৰখনৰ পৰা অনুমান হয়। ইপিনে চিলাপথাৰৰ পৰা আৰম্ভ কৰি ডেকাপামলৈকে অঞ্চলটো অত্যন্ত দ আছিল। চিমেন চাপৰি অঞ্চলত মাটিৰ ১২ ফুট মান তলত কাঠেৰে ভৰি থকা বুলি এই লেখকক অঞ্চলটোৰ ভালেকেইজন লোকে জানিবলৈ দিয়ে। চিমেন নদীৰ গৰাখহনীয়াত এতিয়াও তাহানিতে পোত যোৱা ঘৰবাৰী ওলাইছে। ১৯৫০ চনৰ বৰভূঁইকম্পলৈকে অঞ্চলটো অত্যন্ত দ'আছিল। কিন্তু জোনাই অঞ্চলটোৰ আহোম চুতীয়াৰ ৰাজত্বৰ আগৰপৰা বসতি প্ৰধান আছিল বুলি পোৱা যায়। যিকি নহওক, ডাঙৰ স্কেলৰ অসমৰ প্ৰাকৃতিক মানচিত্ৰ নিৰীক্ষণ কৰিলে দেখা পোৱা যায় যে ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰৰ পূবৰ ধেমাজি জিলাৰ চিচিমুখৰ পৰা লক্ষীমপুৰ, শোণিতপুৰ, দৰং, কামৰূপ, নলবাৰী, বৰপেটা আৰু ধুবুৰী জিলাৰ ৰূপচীৰ কাষৰ চাৰেশ্বৰ বিললৈকে সামান্য ব্যৱধানত থকা এলানি দ' বিল জলাহ অঞ্চল আছে। এই দ' অঞ্চল কিছুমানৰ উৎপত্তি বিৱৰ্তনিক কাৰণত হোৱা যদিও ইয়াৰে সৰহ ভাগেই ব্ৰহ্মপুত্ৰৰ পুৰণা। এৰাসুঁতি বুলি প্ৰমাণ পোৱা গৈছে। গতিকে অতীজৰ বিভিন্ন সময়ত ব্ৰহ্মপুত্ৰই উক্ত জলাহ ঠাই কিছুমানৰ মাজেদি অৰ্থাৎ এতিয়ালৈকে যথেষ্ট উত্তৰেদি বৈ আছিল বুলি ভাবিব পাৰি। সেই অনুসৰি অতীজৰ কোনো সময়ত ব্ৰহ্মপুত্ৰই ধেমাজি আৰু লক্ষীমপুৰ জিলাৰ বুঢ়ী সুঁতি মৰিঢল, জীয়াঢল আৰু সোৱণশিৰি এই তিনিখন নৈৰ নামনি অংশইদি, অৰ্থাৎ বৰ্তমানতকৈ ১০-১৫ কিলোমিটাৰ উত্তৰেদি গৈছিল। আনকি সপ্তদশ শতিকাৰ মাজভাগলৈকে লুইতখন চাৰিকঢ়িয়া নৈয়েদি বৈ আহি খেৰকটীয়া সুঁতি হৈ সোৱণশিৰিক লগত লৈ এতিয়াৰ মাজুলীৰ উত্তৰেদি বৈ গৈছিল। এতিয়া চিচি নদীয়েও গতি সলালে, তাৰ পূৰ্বৰ এটা শাখা বৰ্তমানৰ গাইনদী।

দিহিংগীয়া ৰজাৰ পিছত চুতীয়া শক্তিয়ে পুনৰ মূৰ দাঙি উঠিব নোৱৰাত অঞ্চলটো আহোমৰ ৰাজত্ব স্থায়ী হৈ পৰিল। ইফালে হাবুং অঞ্চলৰ ভূঞা ৰজাসকলকো দমন কৰি একাংশক নগাঁও অঞ্চললৈ স্থানান্তৰ কৰিলে। দিহিংগীয়া ৰজাৰ পিছত প্ৰতাপ সিংহ স্বৰ্গদেউৰ ৰাজত্ব কাললৈকে ১৫৩৯ খ্ৰীষ্টাব্দৰ পৰা ১৬০৩ খ্ৰীষ্টাব্দলৈকে অঞ্চলটোত কোনো উল্লেখযোগ্য ঘটনা হোৱা বুলি ক'ব নোৱাৰি। শদিয়াৰ পৰা বৰপাত্ৰ গোহাঁই আৰু শদিয়াখোৱা গোহাঁই আৰু হাবুংত বানলুঙীয়া গোহাঁইয়ে শাসন কৰিছিল। কিন্তু হাবুংৰ বানলুঙীয়া গোহাঁইক কোন ঠাইত স্থাপন কৰিছিল জনা নাযায়। আহোম ভাষাত 'বান' মানে ডাঙৰ বা বৰ আৰু 'লুং' মানে গাঁও, বনলুং অৰ্থাৎ বৰগাঁও। এতিয়া চিচি নদীৰ পাৰত থকা বাবে চিচি বৰগাঁও নাম হোৱা এই অঞ্চলত স্থাপন কৰা বুলি অনুমান কৰিব পাৰিলেও সমসাময়িক আহোম ৰাজ্যৰ আঞ্চলিক অৱস্থিতি আৰু প্ৰশাসনিক ব্যৱস্থাৰ অৱস্থাৰ ওপৰত ভিত্তি কৰিলে বিশ্বাস নহয়। কাৰণ, পূৰ্বে ভূঞা আৰু চুতীয়া ৰাজ্যৰ সীমান্ত অঞ্চল চিচি বৰগাঁও তুলনামূলকভাৱে শদিয়াৰ ওচৰতে। আনহাতেদি হাবুং ৰাজ্য চিচি বৰগাঁৱত আৰম্ভ হৈ সুদূৰ পশ্চিমৰ নাৰায়ণপুৰলৈকে

বিস্তৃত, গতিকে গোটেই ৰাজ্যখনে পশ্চিমফালে থাকি যায়। মন কৰিবলগীয়া এই যে, বৰগাঁও নামৰ গাঁও অঞ্চলটোত কেইবাখনো আছে। কিন্তু কোনখন বানলুঙীয়া গোহাঁইয়ে স্থাপন কৰিছিল সেইকথা ঐতিহাসিক আৰু ভৌগোলিক বিচাৰত চিনাক্ত কৰিব নোৱাৰি। আহোম শাসন ব্যৱস্থাত প্ৰচলিত খাত-পাম ব্যৱস্থাই কিন্তু বানলুঙীয়া গোহাঁইৰ প্ৰতিষ্ঠাপক সোৱণশিৰিৰ পশ্চিমলৈ ইংগিত দিয়ে। ঐতিহাসিক বিচাৰত হাবুং ৰাজ্য পশ্চিমে নাৰায়ণপুৰৰ পৰা আৰম্ভ হৈছিল। কিন্তু কেন্দ্ৰস্থল ক'ত আছিল সেই কথা জনা নাযায়। অৱশ্যে ইবন বটুতাই চীনদেশৰ ভ্ৰমণৰ পৰা ১৩৪৫ খ্ৰীষ্টাব্দত স্থলেদি উভতি আহোঁতে সোৱণশিৰি নদীৰ দুয়োপাৰে বিস্তৃত হৈ থকা ব্যৱসায় বাণিজ্যৰে প্ৰাচুৰ্যময় হাবুং নগৰৰ অৱস্থা দেখি অভিভূত হৈছিল। মন কৰিবলগা যে পূৰ্বতে হাবুং ৰাজ্যৰ বিস্তৃতি যথেষ্ট বহল আছিল। প্ৰাচীন কামৰূপ ৰাজ্যৰ ৰজাসকলৰ প্ৰত্যন্ত নৃপতিসকলৰ দ্বাৰা প্ৰথম গঠিত। ৰাজ্যখন পিছত কাললৈ ঠেক হৈ আহিছিল। ইংৰাজ চাহাব বেড আৰু গেইটে হাবুং ৰাজ্যক সোৱণশিৰি আৰু চামপৰা নদীৰ মাজতে মাত্ৰ ৩০ মাইল দীৰ্ঘতম চিনাক্ত কৰিছে। খুব সম্ভৱ পূৰ্বৰ বিস্তৃত হাবুং ৰাজ্যৰ কেন্দ্ৰীয় অঞ্চলহে পিছৰ কাললৈ জনস্মৃতিত আৱদ্ধ হৈ থাকিল। সেয়ে হ'বলৈ হ'লে সোৱণশিৰিৰ পৰা লুইতৰ পাৰে ঢকুৱাখনা, মাছখোৱা আৰু ঘিলামৰা অঞ্চলক সামৰি হাবুংৰ কেন্দ্ৰীভূত অঞ্চল বৈ গৈছিল। সেই বহল হাবুংখন কোন ঠাইত চুকাফাই ৰাজধানী পাতিছিলহি সেই কথা সমসাময়িক ভৌগোলিক অৱস্থাৰ ওপৰত ভিত্তি কৰিহে ক'ব পৰা যায়। কিন্তু বৰ্তমান ধেমাজি অঞ্চলৰ আহোম সম্প্ৰদায়ৰ লোকসকলে আজোহা চাপৰিকে হাবুঙৰ কেন্দ্ৰস্থল আৰু চ্যুকাফাই আহোম ৰাজ্যৰ ৰাজধানী প্ৰতিষ্ঠা কৰা ঠাইখন বুলি কোৱা ঐতিহাসিক চিন্তা-চৰ্চা নোহোৱাকৈ কেৱল আৱেগিকভাৱেই চিনাক্ত কৰিছে। দিহিংগীয়া ৰজাৰ পিছত আহোম প্ৰভূত্ব ধেমাজি অঞ্চলত ক্ষীণ হৈ আহে। তেওঁৰ মৃত্যুৰ পিছত থোৱা ৰজাৰ ৰাজত্ব কালত কোঁছৰ প্ৰভাৱ পৰা বুলি জনা যায়। নৰনাৰায়ণৰ আহোম ৰাজ্য অভিযানৰ আগে আগে ৰাজধানী গড়গাঁৱৰ পৰা কোঁচ কটকীয়ে আহোম ৰজাৰ সাম্ৰাজ্যবাদী নীতি আৰু উত্তৰ-পূব কোণত থকা আহোম প্ৰভাৱৰ বিষয়ে কোঁচ বিহাৰলৈ প্ৰতিবেদন পঠাইছিল। সেই প্ৰতিবেদন সৌমাৰখণ্ডৰ সবিশেষ খবৰ পাই নৰনাৰায়ণে সৌমাৰ অভিযানৰ বাবে সেনা-ৰছদ পাতি আদি সৰবৰাহত সুবিধা পায়। গোহাঁই কমলে সেই অনুসৰি ভৈয়াম আৰু পাহাৰৰ সীমান্তইদি উক্ত পথটো দুবছৰৰ মূৰত নিৰ্মাণ কৰি সম্পূৰ্ণ কৰে। পথটো কোঁচবিহাৰত আৰম্ভ হৈ তাহানিৰ হাবুং ৰাজ্যৰ নাৰায়ণপুৰলৈকে প্ৰথম পৰ্যায়ত নিৰ্মাণ কৰা হয়। কিন্তু "শ্ৰীশ্ৰী স্বৰ্গমহাৰাজৰ জন্ম কথা" নামৰ পুৰণি পুথিখনত উল্লেখমতে উক্ত পথটো তাৰ পৰাও আগবাঢ়ি আহি জুৰিয়া বিলৰ কাষেদি পাৰ হৈ ঢল নদীৰ কাষ পায়হি। ড° পদ্মেশ্বৰ গগৈয়ে তাহানিৰ ঢল নদীক বৰ্তমান কুমতীয়া নদী বুলি চিনাক্ত কৰিছে। ড° গগৈয়ে আৰু কৈছে যে খুব সম্ভৱ সোৱণশিৰিৰ পৰা কুমতিয়ালৈকে অঞ্চলটো বহুদিন ধৰি জনবসতি শূন্য অৱস্থাত থকাত পথটো পৰিত্যক্ত অৱস্থাত আছিল। নৰনাৰায়ণৰ পৰা ঢল নদীলৈকে পথটো কৰোঁতে অতিৰিক্ত দুবছৰ সময় লাগিছিল বুলিও পোৱা যায়। মন কৰিব লগা যে উক্ত পথছোৱা নিৰ্মাণৰ সময়ত গোহাঁই কমলে আহোম ৰজাৰ পৰাও সহায় পাইছিল। ১৫৬২ খ্ৰীষ্টাব্দত কোঁচ ৰজা নৰনাৰায়ণে উক্ত পথেদি পাইছিল। ১৫৬২ খ্ৰীষ্টাব্দত কোঁচ ৰজা নৰনাৰায়ণে উক্ত পথেদি আহোম ৰাজ্য অভিযান চলায় আৰু এই অভিযানতে কোঁচ সৈন্য আহি হাঁহি-কাঁহীকুচি আদি পাইছিল বুলি জনা যায়। সেই আলিয়েদি উজাই অহা কোঁচ সৈন্যক স্বৰ্গদেউ চুক্লুনমুঙে কাঁহীকুচিত (ঘিলামৰাৰ পৰা ৩ কিঃ মিঃ মাইল উত্তৰে) ছাউনি পাতি ভেটা দিছিল। এই যুদ্ধত স্বৰ্গদেৱে নিজে কঁহুৱা কাটি বেৰা দি আছিল বাবে সেই ঠাইক কাঁহী নগৰো বোলে। যি কি নহওক, এই ক্ষেত্ৰত এটা কথা অনুমান কৰা হয় যে গোহাঁই কমলে পথটো সোৱণশিৰিৰ পৰা পোনে পোনে পূবলৈ অৰ্থাৎ বৰ্তমান ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণ কৰা ঠাই সেই সময়ত জলাহেৰে পূৰ্ণ আছিল আৰু পাহাৰ-ভৈয়ামৰ সীমান্তত ঘন জান জুৰিৰে ভৰি থকাৰ ফলত পথটো যথেষ্ট নামনিয়েদি ঢকুৱাখানা আৰু ঘিলামৰাৰ মাজেদি আনি উত্তৰমুখী কৰিছিল। তেতিয়াহে জুৰিয়া বিলৰ কাযেদি আহি ঢল বা কুমতিয়া নদী পাবহি। ঘিলামৰা নৰ্থবেংক কলেজৰ পৰা প্ৰায় ১ কিঃ মিঃ উত্তৰে গড়কাপ্তানী আলিৰ পৰা এক মাইল পূবৰ কুমতিয়া নৈলৈকে আজিও উক্ত পথৰ অৱশেষ পোৱা যায়। স্থানীয় লোকে উক্ত পথছোৱাক আজিও গোহাঁই আলি আৰু আলিৰ পূবৰ ঠাইখনক গোহাঁইবাৰী বোলে। নৰনাৰায়ণৰ দ্বিতীয় অভিযানত ১৫৬৩ খ্ৰীষ্টাব্দত আহোম ৰজা কোঁচৰজাৰ বাহিনীৰ লগত ঢকুৱাখানাৰ হাৰ্হি অঞ্চলত তয়াময়া ৰণ হৈছিল। সেই যুদ্ধত কোঁচ সৈন্যৰ লগত আহোম বাহিনীৰ ত্যাও মুং চুং পিকচাই হাজৰিকা আৰু

লাপতে খাওমুং আদি কেইবাজনো বীৰৰ মৃত্যু হৈছিল।

আহোম ৰাষ্ট্ৰ গঠন ব্যৱস্থা সংস্কাৰ সাধন কৰা স্বৰ্গদেউ প্ৰতাপ সিংহই বৰপাত্ৰ গোহাঁইৰ খাতত অন্তৰ্ভুক্ত অঞ্চল শদিয়াৰ পৰা সোৱণশিৰিলৈকে খেল ব্যৱস্থা আৰু পাইক ব্যৱস্থাৰে নতুন নতুন গাঁও সংগঠনৰ কাম সম্পন্ন কৰিছিল। এই ক্ষেত্ৰত তেওঁৰ প্ৰৱৰ্তিত বৰবৰুৱা পদবীৰ মোমাই তামুলী বৰবৰুৱাই লুইতৰ উত্তৰ কুলত দোলামাৰী, বৰ চৰীয়া আদি গাঁও স্থাপন কৰা বুলি কোৱা যায়। মন কৰিবলগীয়া যে ইয়াৰ দোলামাৰী গাঁও বৰ্তমান পশ্চিম ধেমাজি অঞ্চলৰ কাৰৈমাৰী আৰু বুঢ়া ভকত গাঁৱৰ ওচৰৰ দুলিমেৰ এমেকাই হ'ব। বৰচৰীয়া বুলি এখন গাঁও উত্তৰ লক্ষীমপুৰ নগৰৰ উপকণ্ঠত এতিয়াও আছে। পশ্চিম ধেমাজি অঞ্চলৰ বহু গাঁও সেই কালতে স্থাপিত হোৱা বুলি উক্ত গাঁওবোৰৰ ভৌগোলিক অৱস্থিতিৰ পৰাই অনুমান কৰিব পাৰি। প্ৰতাপ সিংহ স্বৰ্গদেৱে তেওঁৰ ৰাজত্বকালত সমগ্ৰ ৰাজ্যখনৰ চাৰিসীমা গড় বান্ধি বেৰ দি থোৱা বুলি জনা যায়। তৰে এটা গড় সোৱণশিৰিৰ পৰা গাই নদীলৈকে বান্ধি এই সীমান্ত এলেকাটোত কাঠবৰুৱা আৰু বৰবৰুৱা দুৱাৰ স্থাপন কৰিছিল আৰু ওচৰত কিছুমান বহতীয়া গাঁও স্থাপন কৰে। এয়ে পচা প্ৰথাৰ নিদৰ্শন। খুব সম্ভৱ উক্ত বহতীয়া গাঁওবোৰ চিচি আবৰ গাঁও বুলি একালত পৰিচিত আছিল বুলি শুনা যায়। যিকি নহওক, সোৱণশিৰিৰ পৰা গাই নদীলৈকে প্ৰতাপ সিংহৰ গড়টো চোৱাতল গড়ৰে অংশ বিশেষ বুলি ধৰিব পাৰি। তেওঁৰ ৰাজত্ব কালত বিশ্বনাথৰ পৰা ভাণ্ডাৰী গোহাঁয়ে উক্ত গড়টো ডফলা পাহাৰৰ পৰা পূবলৈ নিৰ্মাণ কৰা হোৱা নাছিল।

পাইক ব্যৱস্থাৰ গইনাত বিশ্লেষণ কৰিলে। বিশ্বাস হয় যে খ্ৰীষ্টীয় ১৬/১৭ শতিকাত শদিয়াৰপৰা সোৱণশিৰিলৈ জনসংখ্যা যথেষ্ট ঘন আছিল। বৰপাত্ৰ গোহাঁয়ে লাভ কৰিছিল ১৮০০০ পাইক। প্ৰতিজন পাইকৰ পৰিয়ালত গড়ে ৫ জনকৈ মানুহ ধৰিলে মুঠ ৭০,০০০ জন। আনহাতেদি ওপৰত কৰা আলোচনা অনুসৰি সেইকালত বুটিকোৰৰ পৰা ঢকুৱাখনালৈকেহে কেৱল মাত্ৰ বসতিযোগ্য এলেকা থকালৈ চাই উক্ত অঞ্চলসমূহত জনবসতি যথেষ্ট ঘনেই আছিল যেন লাগে।

ধেমাজি অঞ্চলত বৰ্তমান জনসংখ্যাৰ এক বৃহৎ অংশ মিচিং জনগোষ্ঠী উত্তৰৰ পাৰ্বত্য অঞ্চলৰ পৰা ভৈয়ামলৈ কেতিয়া নামি আহি ইয়াৰ স্থায়ী বাসিন্দা হ'লহি সেই কথাও আলোচনা কৰিব লগা। কিন্তু ইয়াৰ কোনো নিৰ্ভৰযোগ্য তথ্য ওলোৱা নাই। আগতেই উল্লেখ কৰি অহা হৈছে যে প্ৰতাপসিংহ স্বৰ্গদেউৰ ৰাজত্ব কালত প্ৰজাসাধাৰণক পৰ্বতীয়া মিৰি জাতিৰ উপদ্ৰৱৰ পৰা ৰক্ষা কৰিবৰ হেতু পৰ্বতৰ কাষত গড় বান্ধি কাঠবৰুৱা আৰু বৰবৰুৱা দুৱাৰ দুখন স্থাপন কৰিছিল। গতিকে স্পষ্টভাৱে ধাৰণা কৰিব পাৰি যে খ্ৰীষ্টীয় ১৭ শতিকাৰ প্ৰথম ভাগত মিৰিসকল ভৈয়ামলৈ নমা নাই। আনকি পৰৱৰ্তীকালত জয়ধ্বজ সিংহ আৰু চক্ৰধ্বজ সিংহৰ ৰাজত্ব কালতো উক্ত অঞ্চলত মিৰি উপদ্ৰৱ চলাৰ বিষয়ে পোৱা যায়। কিন্তু এই তুলনামূলক অনুমান আৰু বিশ্বাস শুদ্ধ যেন নালাগে। শংকৰদেৱৰ প্ৰিয় শিষ্য পৰমানন্দ আতৈ মিচিং সম্প্ৰদায়ৰ লোক আছিল। প্ৰায় ১৫০০ খ্ৰীষ্টাব্দত শংকৰদেৱে পৰমানন্দক গাংমৌ থানত প্ৰতিষ্ঠা কৰি তেওঁ ধুৱাহাটো বেলগুৰিলৈ আহিছিল বুলি গুৰুচৰিত পুথিৰপৰা জনা যায়। এতিয়া মন কৰিবলগা কথাটো হ'ল যে মিচিং সম্প্ৰদায়ৰ এজন পৰমানন্দ তদানীন্তন তান্ত্ৰিক হিন্দু পন্থাত বীতৰাগ হৈ বৈষ্ণৱ মাৰ্গৰ প্ৰতি অনুৰক্ত হ'বলৈ তেওঁ বা তেওঁৰ পূৰ্বপুৰুষ ইয়াৰ বহুবছৰ আগত আহিয়েই থলুৱা ধৰ্মবিশ্বাসৰ লগত পৰিচিত হ'ব লাগিব। সেয়ে হ'ল মিচিং জনগোষ্ঠীৰ প্ৰথম ভৈয়াম আগমন তেতিয়াৰপৰা কমেও ৫০ ৰ পৰা ৭০ বছৰৰ পূৰ্বেই হ'ব লাগিব আৰু সেয়া ১৫ শতিকাৰ মাজভাগত হ'ব লাগিব। এই ক্ষেত্ৰত আমাৰ হাতত আৰু এটা ভিত্তি আছে, সেয়া হ'ল মিৰজুমলাৰ অসম আক্ৰমণৰ সময়ত, যোগীগোপা যুদ্ধত বৰ সেনাপতি ৰজা শশুৰ বাদুলি ফুকন পৰাস্ত হোৱাত আহোম ৰজাই এজন পালি সেনাপতি মিৰি সন্দিকৈক মূল সেনাপতি পাতি মিৰজুমলাৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ পঠাইছিল। আৰু সেই ক্ষোভতেই বাদুলি ফুকনে মিৰজুমলাক গড়গাঁৱলৈ পথ নিৰ্দেশ কৰিছিল। গতিকে অসমৰ সৈন্য বাহিনীত পালি সেনাপতি আৰু বৰ সেনাপতি পদত অধিষ্ঠিত হ'বলৈ হ'লে, আহোম ৰাজ্যত মিচিং জনগোষ্ঠী সামাজিকভাৱে সুপ্ৰতিষ্ঠিত হৈ ৰজাঘৰৰ লগতো সু-সম্পৰ্ক গঢ়ি উঠিব লাগিব। সেই সময়ত মিচিংসকলে ৰাজ্যখনৰ অন্যান্য জনগোষ্ঠীৰ লগতে একে স্থানত বসতি কৰিবলৈ সুবিধা পাইছিল নিশ্চয়। ধেমাজি অঞ্চলৰ অসমৰ অন্যান্য জিলাতকৈ মিচিংলোকৰ বসতি অধিক ঘন। খুব সম্ভৱ মোমাই তামুলী বৰবৰুৱাই কাঠবৰুৱা আৰু বৰবৰুৱা দুৱাৰৰ যোগেদি বহতীয়া গাঁও পাতি ভৈয়ামৰ লগত মিচিংসকলৰ যাতায়াতৰ সুগম কৰি তুলিছিল। কিন্তু জয়ধ্বজ সিংহৰ ৰাজত্বকালত মিৰি উপদ্ৰৱ যে হৈছিল, সেয়াও এই ক্ষেত্ৰত বিচাৰযোগ্য। খুব সম্ভৱ সেই

সময়ত জনগোষ্ঠীয় বিভেদৰ ফলতে এই ঘটনা হৈছিল। মিৰি শব্দৰ অৰ্থ মাজত। অৰ্থাৎ দীৰ্ঘদিন ধৰি তেওঁলোকে পৰ্বত ভৈয়ামৰ মাজত মধ্যস্থতাকাৰী হিচাপেই কাম কৰিছিল। যি কি নহওক শৰাইঘাটৰ যুদ্ধৰ আগে আগে (১৬৬৮ খৃঃ) চক্ৰধ্বজ সিংহই মিৰি জাতিৰ উপদ্ৰৱ দমনৰ বাবে উত্তৰপাৰলৈ আহি ঘিলামৰাত বাহৰ পাতি সোৱণশিৰিৰ কাষৰ টুৱা বিহিয়া গাঁৱৰ ওচৰত এখন নগৰ পাতি অনেক নগৰীয়া বৃত্তিয়াললোকক বহুৱায়। ইয়াৰোপৰি সোৱণশিৰিৰ কাষত গড় মাৰি তেওঁ কেইবাটাও বনৰীয়া ম'হ মাৰিছিল। চক্ৰধ্বজ সিংহ বৃত্তিয়াললোকৰ নগৰখন বৰ্তমানৰ চামপৰা নৈত আগাৰিত ৰাষ্ট্ৰীয় ঘাইপথৰ উত্তৰে ৰাজধানী ৰাজবাৰী নামৰ ঠাইতে পতা বুলি বিশ্বাস কৰা হয়।

মাছখোৱা অঞ্চলৰ ৰজাবাৰী, আৰিমত্ত গড় আদিৰ ঐতিহাসিকতাও বিচাৰযোগ্য। মাছখোৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সমীপত থকা গড়টো আৰু পুখুৰীকেইটা লগতে ঢকুৱাখনা, ঘিলামৰা, পশ্চিম ধেমাজি অঞ্চলৰ পুৰণি পুখুৰীসমূহ ভূঞাৰ ৰজা আৰিমত্তই খন্দা বুলি অঞ্চলটোত প্ৰবাদ চলি আছে। আহোমসকলে দখল কৰাৰ পূৰ্বেই মাছখোৱা, ঢকুৱাখনা, ঘিলামৰা আদি ঠাই ভূঞাৰ পোৱালি ৰজা কিছুমানৰ দ্বাৰা শাসিত হ'লেও ভূঞাৰ উত্থানৰ প্ৰথম পৰ্যায়ৰ আৰিমত্ত ৰজাই সোৱণশিৰি পাৰ হৈ ৰাজ্য বহলোৱা প্ৰমাণ নাই। কমতা ৰজা নীলধ্বজ বংগৰ অভিযানকাৰী হুচেইন চাহৰ হাতত পৰাস্ত হোৱাতে পতন হৈছিল আৰু ভূঞা সামন্তসকলে সেই সুযোগতে কমতা ৰাজ্য দখল কৰিছিল। ভূঞা সামন্তসকলৰ নেতাস্বৰূপ আৰিমত্তই বিশেষ শক্তি প্ৰয়োগ কৰিব লগা হৈছিল কমতা ৰাজ্যত প্ৰভাৱ বিস্তাৰতহে, উজনিৰফালে মন দিয়াৰ অৱকাশ নাছিল তেওঁৰ। নামনিৰ কামৰূপৰ বেতনা নামৰ ঠাইত তেওঁ নতুন ৰাজধানী পাতি কাষে-পাজে অনেক গড়, পুখুৰী আদি বন্ধায়। সেই হিচাপত নামনিৰ পুৰণি গড়, পুখুৰী আদিৰ মূলৰ লগত আৰিমত্তৰ নাম সংযোজিত হৈ ৰয়। আনকি তেওঁৰ পূৰ্বৱৰ্তী ৰজা বৈদ্যদেৱে নিৰ্মাণ কৰা বৈদ্য গড়টোও পিছৰ কালত আৰিমত্তৰ নাম সংযোজিত হ'ল। উল্লেখযোগ্য যে ইতিহাসৰ বিভিন্ন সময়ত বিভিন্ন কাৰণত মানুহ প্ৰব্ৰজন কৰোতে পুৰণা ঠাইৰ স্মৃতিৰ প্ৰভাৱ নতুন ঠাইত গুৰুত্বপূৰ্ণভাৱেই পৰে। আৰু সেই সূত্ৰেই খুব সম্ভৱ বেতনা বা কামৰূপৰ ফালৰপৰা উঠি আহি মাছখোৱা অঞ্চলত বসতি কৰা কোনো লোকে এই গড়, পুখুৰী আদিবোৰ আৰিমত্ত ৰজাৰ ভূমিকাৰ লগতে সংযোগ সাধন কৰি কিংবদন্তিৰ ৰূপ দিলে। অৱশ্যে মাছখোৱা গড়ৰ সম্পৰ্কত আহোমৰ বুৰঞ্জী পুথিসমূহ একেবাৰে নিমাত নহয়। জয়ধ্বজ সিংহই মিৰজুমলাৰ অসম আক্ৰমণৰ আগে আগে ৰাজ্যখনত কেইটামান গড় আৰু ৰাস্তা বন্ধোৱাৰ বিষয়ে পোৱা যায়''... আৰু ভটিয়া পাৰৰ পুখুৰী খনালে ও বুৰুজ পাতি কেৰিমেৰি গড় ও মাছখোৱা আগৰ ও ভোমোৰাগুৰি আলিও বাদুলি বৰফুকনৰ দ্বাৰা বেটনি আলি বন্ধালে। উক্ত মাছখোৱা গড় বৰ্তমান মাছখোৱা গড়টোৱেই বুলি এই বাবেই ভাবিব পাৰি যে, অন্য এখন একে নামৰ ঠাই গুৱাহাটীৰ মাছখোৱাত জয়ধ্বজ সিংহৰ দিনত আহোম ৰাজ্যৰ ভিতৰত নাছিল। কাৰণ তেওঁৰ পূৰ্বৱৰ্তী আহোম ৰজা প্ৰতাপ সিংহৰ দিনত মোগলৰ সৈতে হোৱা চুক্তি মতে উত্তৰে বৰ নদী আৰু দক্ষিণে অসুৰৰ আলি আহোম মোগলৰ মাজত সীমা নিৰ্দ্ধাৰিত হৈছিল, তাৰ ফলত খোদ গুৱাহাটীখন মোগলৰ হাতলৈ গৈছিল। যি কি নহওক জয়ধ্বজ সিংহই খুব সম্ভৱ মিৰি উপদ্ৰৱ দমন কৰিবলৈ আহি ইয়াত কিছুদিন ৰওঁতেই উক্ত গড়টো বান্ধিছিল আৰু সেই অঞ্চলতে পুখুৰী আদি খন্দোৱাৰ লগতে এখন বাৰীও স্থাপন কৰিছিল। বিশ্বাস হয় যোৰকটাৰ ৰজাবাৰী তেতিয়াই স্থাপিত হোৱা।

আহোম যুগত তুংখুঙীয়া বংশৰ শাসন কালত ধেমাজি, ঘিলামৰা মাছখোৱা আদি অঞ্চল প্ৰমোদ বাসৰ কেন্দ্ৰ হৈ পৰিছিল। তাৰ ভিতৰত ১৭৩৮ চনত শিৱসিংহই মহাৰাণী অম্বিকা আৰু পৰিষদবৰ্গৰে সৈতে ঘুগুহাত মাছ-কাছ খাই প্ৰমোদ বিহাৰ কৰি থকা অৱস্থাতে ৰাণীৰ মৃত্যু হৈছিল। এমাহ ধৰি প্ৰমোদ বাস কৰাৰ পিছত ৰাণীৰ শূলধৰা অসুখত মৃত্যু হোৱাত ৰজাই প্ৰিয়তমা পত্নীৰ স্মৃতি যুগমীয়া কৰি ৰাখিবৰ নিমিত্তে সেই স্থানতে এটা স্মৃতি সৌধ বন্ধায়। সেয়াই বৰ্তমানৰ ঘুগুহা দৌল। কিন্তু থলুৱা লোকৰ মুখত দৌলটো বামুণী কোঁৱৰে বন্ধোৱা বুলিহে প্ৰকাশ। ইয়াৰ আগতে আহোম ৰজা ঘৰৰ সংকট কালত চুতেওফা বা পৰ্বতীয়া ৰজাই এই অঞ্চলত ফুৰিবলৈ আহি কাঁহী নগৰত (কাঁহীকুছি) তিনিমাহ মাছ-কাছ মাৰি খাইছিল।

কমলেশ্বৰ সিংহৰ দিনতো ঘিলামৰা আদি ঠাইত আহোম ৰজাৰ প্ৰভাৱ পৰা বুলি জনা যায়। মোৱামৰীয়া বিদ্ৰোহৰ শেষৰ ফালে ডিব্ৰুগড়ৰ মৰাণবিলাকে বিদ্ৰোহ কৰাত বিদ্ৰোহৰ শেষৰ ফালে ডিব্ৰুগড়ৰ মৰাণবিলাকে বিদ্ৰোহ কৰাত ১৮০৪ চনৰ জানুৱাৰী মাহত স্বৰ্গদেৱে ডেকাফুকনৰ নেতৃত্বত এদল সৈন্য পঠাই বিদ্ৰোহ দমন কৰিছিল। আত্মসমৰ্পণ কৰা

বিদ্ৰোহীসকলক ডেকাফুকনে ব্ৰহ্মপুত্ৰ পৰা কৰাই ঘিলামৰাত বহুৱায় আৰু তেওঁলোকৰ ওপৰত চকু ৰাখিবৰ বাবে কোম্পানী চিপাহী ৰাখে। মন কৰিবলগা যে ঘিলামৰাৰ গোপালপুৰত থকা মায়ামৰীয়া নামৰ পুখুৰীটোৱে সেই কথা সোঁৱৰাই আছে। সেই সময়তে মৰাণৰ সেনাপতি ঘিলা ৰণত পৰিছিল ইয়াতে আৰু তেতিয়াৰ পৰা ঠাইখনৰ নাম ঘিলামৰা হ'ল বুলি থলুৱা লোকে কয়। মানৰ দ্বিতীয় আক্ৰমণৰ সময়ত (১৮১৯) ঘিলামৰাত উক্ত কোম্পানী ফৌজটোৰ মানৰ সৈতে যুদ্ধ হয় আৰু মানে পৰাস্ত কৰি একাংশক হত্যা আৰু একাংশক বন্দী কৰি দিয়ে। বিশ্বেশ্বৰ বৈদ্যাদ্বিপৰ 'বেলিমাৰ বুৰঞ্জী'ত এই বিষয়ে এনেদৰে পোৱা যায়।

এত হন্তে মান আসি ঘিলামৰা পাইলা।
হাত যোৰা দিয়া সবে চিপাহি ধৰিলা।।
হাল হাল কৰি সবে সাংগুৰীয়া লৈলা।
ৰাজাৰ বিপক্ষ বুলি কাহাকো কাটিলা।।
এই বাৰ্তা সৰু-গোসাই চাৰ মুখে পাইলা।
সসন্যে সহিতে ৰাত্ৰি বিভংগে পলাইলা।।

মানৰ আক্ৰমণৰ ফলত এই অঞ্চলৰ পূৰ্বৰ খেলবন্ধিয়া মেটমৰা জনসংখ্যাৰ ঘুগুহা, কাঁহীকুছি, লাখটকীয়া, পোৰা শইকীয়া, কাৰৈমাৰী, ঢকুৱাখনা, ঘিলামৰা আদি গাঁওবোৰ পোৰা শইকীয়া, কাৰৈমাৰী, ঘিলামৰা আদি গাঁওবোৰ চেদেলি-ভেদেলি হৈ পৰে। একেবাৰে কেইবাবছৰো জনশূন্য অৱস্থাত থকা গাঁওবোৰ হাবি-জংঘল আৰু বাঘ ভালুকেৰে ভৰি পৰে। পশ্চিম ধেমাজি অঞ্চলৰ আটাইতকৈ পুৰণা গাঁও লাওমুৰী। এই গাঁৱৰে এজন বৃদ্ধলোকৰ মুখত শুনামতে মান আহি ঘিলামৰা পোৱা খবৰ পাই সেই গাঁৱৰ মানুহে পলাই পত্ৰং দিলে। মান যোৱাৰ চাৰি বছৰমানৰ পিছত মাত্ৰ চাৰিটা পৰিয়ালৰ কেইজনমানহে আগৰ ঘৰ-বাৰীলৈ উভতি আহে। ঘুগুহা দৌলৰ চৌহদতে মেটমৰা গাঁও আছিল। মানৰ ভয়ত সেই গাঁৱৰ মানুহ পলাল। পিছত তাত হাবি-জংঘলেৰে ভৰি পৰে। বুঢ়াসকলৰ মুখত শুনামতে চলিত পৰীৰিৰ প্ৰথম জনবসতি ঘিলামৰা আৰু ঢকুৱাখনা অঞ্চলত হৈছিল।

মন কৰিবলগা যে যোৱা ১৯৯১ চনৰ অক্টোবৰ মাহত পশ্চিম ধেমাজিত দুলুং নদীৰ গড়াত এটা মুদ্ৰাৰ টেকেলী উদ্ধাৰ হৈছিল। মুদ্ৰাৰ পিঠিত লিখিত কথা উৰ্দুভাষাত আছে। বিজ্ঞজনৰ কাষ চাপি জনামতে মুদ্ৰাৰ বৰ্ণিক ৰজা মোগল সম্ৰাট ছাহজাহান। ঘুগুহাৰ ওচৰত থকা লাখটকীয়া গাঁওখনত আহোম ৰজা ভগা ৰজাৰ দিনত এজন লাখটকীয়া মুদৈয়ো বসতি আৰু ব্যৱসায় কৰা বুলি জনা যায়। খুব সম্ভৱ মোগল সাম্ৰাজ্যৰ ব্যৱসায়ীয়ে জলপথৰে ব্যৱসায় কৰোঁতে আহোম ৰাজ্যৰ মুদৈসকলৰ লগত যোগাযোগ কৰিছিল আৰু তেতিয়াই এই মুদ্ৰা ইয়াত থাকি যায়। আনহাতেদি মুদ্ৰা উদ্ধাৰ হোৱা নদীৰ স্থাপন পাৰৰ ঠাইখন একালত বেপাৰৰ কুঠি থকা বুলি অনুমান হয়। ঠাইখন ওখ, চাৰিওফালে ঢাপ মৰা। ৰুদ্ৰসিংহ স্বৰ্গদেউৰ দিনত হোৱা আহোম কছাৰী ৰণৰ সময়ত ঢকুৱাখনা, মাছখোৱা, ঘিলামৰা আদি অঞ্চলৰ পৰা ১০৮০ জন ৰণুৱা পাইক নিয়া বুলি জনা যায়। ইয়াৰ পিছত স্বৰ্গদেউ ৰাজেশ্বৰ সিংহৰ দিনত কাঢ়ানদীৰ পৰা চাৰিকড়িয়া নদীলৈকে ঢকুৱাখনা জানটো খন্দোৱা হৈছিল। তেওঁৰ দিনত চিচি, লুটাচোৰ, খেৰকটা আদি গাঁৱৰ পৰা কৰ-কাটল সংগ্ৰহ কৰিবলৈ কঢ়া আৰু চাৰিকড়িয়া নদীত নৌ পৰিবহণৰ ব্যৱস্থা কৰা বুলিও জনা যায়। উল্লেখ্য যে, কড়া নদীত একতা মূল্য দি পাৰ হ'ব লগা হোৱা আৰু চাৰিকড়িয়াত চাৰিকড়া (কড়ি) দি পাৰ হ'ব লগাত নদী দুখনৰ নাম ক্ৰমে কড়া আৰু চাৰিকড়িয়া নামেৰে জনাজাত হৈছিল। সেই সময়ত চাৰিকড়িয়া নদী বৰ্তমানতকৈ কেইবাগুণো ডাঙৰ আছিল। কাৰণ খ্ৰীষ্ট্ৰীয় ১৭ শতিকাত লুইতখন চাৰিকড়িয়াইদি বৈ যোৱা বুলি আগতেই উল্লেখ কৰা হৈছে।

যি কি নহওক আহোম ৰাজ্যৰ পতনৰ আৰম্ভণিৰ পৰা উক্ত অঞ্চলতো ৰাজ্যখন নানা ঠাইৰ দৰে অসামাজিক ঘটনাই পীড়া দিবলৈ ধৰিছিল। মোৱামৰীয়া বিদ্ৰোহৰ ফলত বিৰাজ কৰা অৰাজকতাত উত্তৰ পৰ্বতীয়া জনজাতিসকলৰ ওপৰত উপদ্ৰৱ কৰিছিল। শদিয়াৰপৰা আৰম্ভ কৰি পূবৰ অংশত খামতিসকলে আৰু চিচিবৰগাঁৱৰ পৰা পশ্চিমলৈ আবৰসকলে উপদ্ৰৱ চলোৱা বুজি জনা যায়। মানৰ আক্ৰমণে সেই কুৰা জুইত ঘিঁউ ঢালিছিল। সেই সময়ত চুবুৰীয়া পৰ্বতীয়া জনজাতিৰ লোকসকলে ভৈয়ামৰ গাঁওবোৰৰ ওপৰত পূৰামাত্ৰাই সুবিধা লৈছিল। শদিয়াৰ পৰা ছয় মাইল, অৰ্থাৎ দিবাং নদী পাৰ হৈ বৰ্তমানৰ জোনাই মহকুমাৰ ভিতৰলৈকে সেই কালতে খামতিসকলে প্ৰভুত্ব চলাইছিল অৰাজকতাৰ সুবিধা পাই। তাৰপৰা পশ্চিমৰ দিক্ৰং নদীলৈকে এই বিস্তৃৰ্ণ অঞ্চলত জনবসতি ধ্বংস হৈ গৈছিল। সেই সময়ত উক্ত অঞ্চলত ১৭৭০ ঘৰ মানুহ আৰু ৪১৪২ জন লোকে অটব্য অৰণ্যৰ মাজত মাজে

মাজে পূৰ্বৰ সভ্যতাৰ ঢাপৰ পৰা স্খলিত হৈ বিক্ষিপ্তভাৱে বাস কৰি থকা ব্ৰিটিছ সামৰিক বিষয়া পেম্বাৰটনৰ প্ৰতিবেদনৰ পৰা জনা যায়।

ইয়াণ্ডাবু সন্ধি মৰ্মে অসম ইংৰাজ কোম্পানীৰ খাচ দখললৈ যায়। কিন্তু আহোম ৰজাঘৰৰ ক্ষমতা হঠাতে সমূলঞ্চে কাঢ়ি আনিলে, বিদ্ৰোহ দেখা যাব বুলি আশংকা কৰি ইংৰাজ গৱৰ্ণৰ আৰ্মহাষ্টে উজনি অসমত উত্তৰ পাৰে বিশ্বনাথ আৰু দক্ষিণ পাৰে ধনশিৰি নদীক সীমা কৰি আহোম ৰজাঘৰৰ উত্তৰাধিকাৰী পুৰন্দৰ সিংহক বছৰি ৫০,০০০ টকাৰ লাল বন্দীকৈ শাসন কৰিবলৈ দিয়ে। তেতিয়া ধেমাজি, ঢকুৱাখনা আৰু ঘিলামৰা আদি অঞ্চলো শাসিত হয়। মোৱামৰীয়া বিদ্ৰোহৰ সামৰণিত পূৰ্ণানন্দ বুঢ়াগোহাঁইয়ে দিহিং নদীৰ উজনিতখণ্ড তেওঁৰ পৰা এৰুৱাই নি সৰ্বানন্দৰ বেংমৰা ৰাজ্যত চামিল কৰি দিয়ে। ১৮৩৯ চনত পূৰন্দৰ সিংহই পূৰ্বে চুক্তিবদ্ধ ধন আদায় দিব নোৱৰাত কোম্পানী চৰকাৰে পূৰন্দৰ ৰাজ্যখন দখল কৰে। ইফালেদি কুমতিয়াৰ পৰা জোনাই তথা দিবাং নদীলৈকে অঞ্চলবিশেষে সৰ্বানন্দ শাসনতে ৰৈ যায়। কিন্তু ১৮৪২ চনত সৰ্বানন্দৰ বেংমৰা ৰাজ্যৰ অন্তৰ্ভুক্ত শদিয়াত থকা সেনা বিষয়াক হত্যা কৰাত, সৰ্বানন্দই ইংৰাজক দিয়া নিৰাপত্তা প্ৰতিশ্ৰুতি ভংগ হোৱা বুলি সেই ৰাজ্যও ইংৰাজে খাচ দখললৈ চপাই লয়। লগে লগে ধেমাজি অঞ্চলো ব্ৰিটিছৰ অধীনলৈ যায়।●

**প্ৰসংগ সূত্ৰ ঃ**

১। Dr. Rajmohan Nath Background of Assamese Culture, Dutta Baruah & Co. Guwahati-11948.p.64

২। Dargabga Rock Inscription of Bhutivarama-Kamrup Sasanavali, Edited by Dr. D. Sharma, MA, Ph.D, 1981, part-3

৩। Tezpur Rock Inscription of Harjaravarma, Kamrupa Sasanvali, Edited by Dr. D. Sharma, MA, Ph.D, Publication Board of Assam, 1981, part-3,P.40

৪। The Guahati Grant of Indrapala-Kamrupasasanavali Edited by Dr. D. Sharma, P.B.S-1981, P-91

৫। প্ৰাচীন ভাৰতৰ ৰজা-মহাৰজাৰসকলে ৰাজ্যৰ সীমান্ত অঞ্চলৰ প্ৰভাৱশালী লোকক বিস্তৃৰ্ণ এলেকাত শাসন ক্ষমতা প্ৰদানেৰে স্থাপন কৰিছিল। সেই এলেকাবোৰত কৃষিকাৰ্যৰ লগতে সীমান্তৰক্ষী হিচাপে কাম কৰিবলৈ সাধাৰণ মানুহকো স্থাপন কৰি দিয়ে। নিৰ্দিষ্ট সময়ত নিৰ্দিষ্ট পৰিমাণে এই শাসনকৰ্তাসকলে ৰজা ঘৰত ৰাজহ জমা দিয়ে। কালক্ৰমত ৰাজ্যৰ ৰজা বা ৰাজবংশৰ প্ৰতিনিধি দুৰ্বল হৈ পৰিলে ৰাজ নিযুক্ত শাসনকৰ্তাসকলে স্বাধীনতা ঘোষণা কৰে। এইসকলেই ভাৰতীয় ইতিহাসত প্ৰত্যন্ত হিচাপে খ্যাত হয়। গতিকে ইন্দপালৰ গুৱাহাটী ফলিত উল্লেখিত প্ৰাজ্য ৰাজ্যও এনে এখন প্ৰত্যন্ত নৃপতিৰ ৰাজ্য আছিল বুলি বিশ্বাস হয়।

৬। প্ৰাচীন কামৰূপ ৰাজ্য তান্ত্ৰিক ধৰ্মীয় ঐতিহ্যৰ সৈতে সংগতি ৰহিত মূৰ্তি আৰু ভাস্কৰ্য পূব অসমৰ মালিনা থানতো দেখা যায়। খুব সম্ভৱ পাল বংশৰ ৰাজত্ব কালতে আৰ্য ব্ৰাহ্মণৰ ৰাজ পৃষ্ঠপোষকতা মৰ্মে উক্ত পীঠ প্ৰতিষ্ঠা হৈছিল। ৰত্ন পালে স্থাপন কৰা প্ৰাজ্য ৰাজ্যৰ দিনতে মালিনী থানৰ আৰম্ভণি বুলি তুলনামূলক অধ্যয়নৰ পৰা জানিব পাৰি।

৭। প্ৰখ্যাত ঐতিহাসিক নি এলিয়াচে ব্ৰহ্মদেশৰ ৰজাৰ পৃষ্ঠপোষকতাত সংৰক্ষিত এখন পুৰণি অসম বুৰঞ্জী পাণ্ডুলিপি সংগ্ৰহ কৰি চুতীয়া ৰাজ্যৰ ইতিহাস উদ্ধাৰ কৰিছিল। উক্ত পাণ্ডুলিপিৰ পৰা লাভ কৰা সমলমতে চুতীয়া ৰাজ্যত বীৰপালৰ আগত ৩৪ জন ৰজাই শাসন কৰিছিল। আৰু প্ৰথমজন ৰজা আছিল অশ্বভিন্না। Introductory sketch of History of the Shans in upper Burma and West Yunam, Calcutta, 1876.

৮। ঐতিহাসিক হৰ্ণোলে ৰত্নপালৰ ৰাজত্বকাল তেওঁৰ কৰতবাৰী ফালি, বৰগাঁও ফলি আৰু শুৱালকুছি ফলি অধ্যয়ন আৰু সময় হিচাপে কৰি ১০১০ খৃঃ পৰা ১০৫০ খৃঃৰ ভিতৰত বুলি ঠিৱাং কৰিছে। গতিকে বীৰপালৰ ৰাজত্ব কালৰ আৰম্ভণি ১২৬০ খৃঃৰ পৰা আগলৈ ৩৪ জন ৰজাৰ ৰাজত্বকাল হিচাপে কৰিলে প্ৰথম কেইজনমান চুতীয়া ৰজাৰ সময় ৰত্নপালৰ সময় পায়গৈ। সেই হিচাপেও নি এলিয়াচ নিৰ্দেশিত চুতীয়া ৰাজ্যৰ ৩৪ জন ৰজাৰ প্ৰথম কেইজনমান গুৱাহাটী ফলি নিৰ্দেশিত ৰত্নপালৰ প্ৰাজ্য ৰাজ্যৰে ক্ষত্ৰিয় ৰজা হ'ব বুলি বিশ্বাস হয়।

৯। ড° বাণীকান্ত কাকতিয়ে তেওঁৰ The Mother Coddess Kamakhya নামৰ গ্ৰন্থত কলিতা ৰাজ্যক জোনাইৰ পৰা কেইবামাইলো উত্তৰত অৰুণাচল পাহাৰৰ মাজত হ'ব বুলি মন্তব্য কৰিছে। য'ৰপৰা আবৰ মিচিং আদি পৰ্বতীয়া জনজাতিবিলাকৰ বসতিস্থলৰ মাজেদি ১৫ দিন খোজ কাঢ়িলেহে আহোম ৰাজ্য পায়।

১০। ১৫২৩ চনত চুহুংমুং দিহিংগীয়া ৰজাই চুতীয়াৰাজ্য দখল কৰাৰ পিছত শদিয়াত ফ্ৰাচেংমুং বৰগোহাঁইক স্থাপন কৰি ন অধিকৃত ৰাজ্যখণ্ড শাসন কৰে (সাতসৰী অসম বুৰঞ্জী পৃঃ ১২)। ইয়াৰ পৰাই চিচি নদীৰ পশ্চিম পাৰৰ হাবুং ৰাজ্য দখলৰ চেষ্টা কৰি ১৫২৬ চনতহে আহোমৰ দখললৈ গৈছিল।

১১। Dr. Padmeswar Gogoi- The Tai and the Tai Kingdom. P-161. R.B. Pemberton-The Eastern Prontier of British India (Calcutta-1835) P.109

# শদিয়াৰ বিহু

**মদন সোনোৱাল**
দ্বিতীয় ষাণ্মাসিক, দৰ্শন বিভাগ

"বিহু আনন্দীয়া বিহু বিনন্দীয়া
বিহুৰ মৌ-মিঠা মাত,
বিহপ বা লাগি বিহুৱা ককাই ঐ
দেউধানি উঠিছে গাত।"

বিহু হৈছে অসমীয়াৰ জাতীয় উৎসৱ। বিহুৰ অহাৰ লগে লগে অসমীয়া লোকসকলৰ মন-প্ৰাণ নাচি উঠে। হিয়া উল্লাহে নধৰা হয়। অসমৰ জাতীয় উৎসৱৰ জৰিয়তে অসমীয়া লোকসকলে নিজৰ জাতিৰ পৰিচয় দাঙি ধৰে। অসমৰ পাহাৰ-ভৈয়াম, গাঁৱে-ভূঞে, চহৰে-নগৰে সকলোতে ব'হাগৰ প্ৰথম দিনটোৰ পৰা বিহু পালন কৰা হয়। কিন্তু তাৰে ব্যতিক্ৰম উজনি অসমৰ তিনিচুকীয়া জিলাৰ অন্তৰ্গত শদিয়া অঞ্চলৰ বিহু পালন কৰাৰ কিছু পৃথক নীতি-নিয়ম আছে। ঐতিহ্যমণ্ডিত শত ফুলৰ দেশ শদিয়া হৈছে শক্তি উৎপাদনৰ কেন্দ্ৰ। ব'হাগৰ প্ৰথমটো মংগলবাৰৰ পৰা শদিয়া বিহু পালন কৰি ব'হাগৰ শেষ মংগলবাৰে বিহু সামৰে। ব'হাগৰ প্ৰথমটো মংগল বাৰে তাঁতশালত পাণ-তামোলৰ শৰাই আগবঢ়াই বলি-বিধানেৰে বিহু পালন কৰিবলৈ অনুমতি বিচাৰি শাললৈ শৰাই আগবঢ়াই। ইয়াৰ পাছতেই বুঢ়া-বুঢ়ীশালত অৰ্থাৎ বুধবাৰে পূজা-অৰ্চনা কৰি ম'হ বলি দি বিহু নমাই দিবলৈ অনুৰোধ কৰে। তাৰ পাছতেই দেউধাইয়ে বিহু নমাই ডেকা-



জীয়ৰীক বিহু কৰিবলৈ দিয়ে। শদিয়াৰ সকলো ঠাইৰপৰা যোৱা ডেকা-গাভৰুৱে বিহু কৰে আৰু তেতিয়াৰপৰাই প্ৰতিখন গাঁৱতে হুঁচৰি গাব পাৰিব বুলি দেউধাইয়ে ঘোষণা কৰে।

এনেদৰে প্ৰায় এমাহ ধৰি গাঁৱে গাঁৱে হুঁচৰি মাৰি শেষ কৰি প্ৰতিখন গাঁৱতে বিহু উৰুৱাই। ব'হাগৰ শেষৰটো মংগলবাৰে পৰম্পৰাগত নীতি-নিয়ম অনুসৰি কুকুৰা মৰা গাঁৱতে বহুৱা নৃত্য প্ৰদৰ্শন কৰি হেঁপাহৰ ৰঙালী বিহুটি শেষ কৰে অৰ্থাৎ এবছৰৰ বাবে বিদায় জনায়।●



# Buddhism

## Buddhism believe in peace

**Prachi Boruah**
2nd Sem.

Buddhism is one of the world's largest religions and originated 2.500 years ago in India. Buddhism is also know as Buddha Dharma or Dharmavinaya. An Indian religion or philosophical tradition based on a series of original teachings attributed to Gautama Budda. Buddhists believe that the human life is one of suffering, and that meditation. Spiritual and physical labor and good behavior are the ways to achieve enlightenment of nirvana. Originating in ancient India as a movement professing sramana between the 6th and 4th Centuries BCE, it gradually spread throughout much of Asia. Presently, it is the world's fourth-largest religion with over 520 million followers (Buddhists) who comprise seven percent of the global population.

Buddhism is one of the world's major religions. It originated in India in 563-583 B.C.E with Siddhartha Gautama, and over the next millennia it spread. Siddhartha Gautama was the first person to reach this state of enlightenment and was, and is still today. Known as the Buddha Buddhists do not believe in any kind of deity or god, although three are super national figures who can help of hinder people on the path towards enlightens.

Siddhartha Gautama was an Indian prince in the fifth century B.C.E. who upon seeing people poor and dying, realized that human life is suffering. He renounced his wealth and spent time as a poor beggar, meditation and traveling but ultimately remaining unsatisfied, setting or something called the Middle way. This idea meant that neither estreme asceticism or extreme wealth were the path to enlightenment, but rather, a way of life between the two extreme eventually, in a state of deep meditation, he achieved enlightenment, or nirvana underneath the Bodhi tree (the tree of awakening). The Mahabodhi Temple in Bihar, India the site of his enlightenment is now a major Buddhist pilgrimage site.

The Buddha taught about for Noble Trusth. The first trust is called "Suffering (dukkha)," which teaches that everyone in life is suffering in some way. The second truth is "Origin of suffering. This states that all suffering comes from desire. The third truth is "Cassation of suffering" and it says that it is possible to stop suffering and achieve enlightenment. The fourth truth. "path to the cassation of suffering is about the Middle way. Which are the steps to achieve enlightment.

Buddhists believe in a wheel of rebirth, where souls are born again into different bodies depending on how they conducted themselves in their previous lives. This is connected to "Karma". Which refers to how a person's good of bad actions in the past or in

their past lives can impact them in the future. Three are two main groups of Buddhism : Mahayana Buddhism and Theravada Buddhism. Mahayana Buddhism is common in Tibet, China. Taiwan, Japan, Korea and Mangolia. It emphasizes the role models of bodhisattvas (being that have achieved enlightenment but return to teach humans). Theravada Buddhism is common in sri Lanka, Cambodia. Tahiland, Laos and Burma (Myanmar). It emphasizes a monastic lifestyle and meditation as the way to enlightenment. Buddhism has been a controversial religion. The head of the Tibetan school of Buddhism and traditional leader of Tibet, the Dalai Lama, fled from China-controlled Tibet in 1959 to India in fear of his life. Many Tibetan Buddhists actively resist Chinese control of the region.

**Mantra : Vandana**

Nammo Tassa
Bhagawato Arahato
Samma Sambuddhassa
Meaning :

Honour to him. The blessed one, The worthy one. The fully Enlightened one.

Tisarana
Buddham Saranam Gachami
Dhammam Saranam Gachami
Sangbam Saranam Gachami
Meaning :
I go to the Buddha as my refuge
I go to the Dhamam as my refuge
I go to the Sangha as my refuge

Dutiyampi Buddha Saranam Gachami
Dutiyampi Dhammam saranam Gachami
Dutiyampi Sargham saranam Gachami
Meaning :

For the second time, I go to the Buddhi Dhamma, Sangha as my refuge.

Titiyampi Budham saranam Gachami
Tatiyampi Dhammam saranam Gachami
Meaning :

For the third time. I go to the Buddha, Dhamma, sangham as my refuge

**Panchasila**

Panatipata veramani
Sikkha padam samadiyami
Meaning :

I take the precept to Abstain from destroying living beings

Adinnadana veramani
Sikka padam samadiyami
Meaning :

I take the precept to Abstain from taking not given.

Kamesu Michachara veramani
Sikka padam samadiyami
Meaning :

I take the precept to abstain from sexual misconduct

Musavada veramain
Sikka padam samadiyami
Meaning :

I take the precept to abstain from false speech.

Sura Meraya Majja pamadathana
Veramani sikkha padam samadiyami
Meaning:

I take the precept to abstain from taking anything that causes intoxication or heedlessness.●

# শিক্ষা ব্যৱস্থাত নতুন শিক্ষানীতি ২০২০ ৰ প্ৰভাৱ

**নিকিতা মৰাণ**
স্নাতক দ্বিতীয় ষাণ্মাসিক, অৰ্থনীতি বিজ্ঞান বিভাগ

"শিক্ষা হৈছে আটাইতকৈ শক্তিশালী অস্ত্ৰ, যাৰ সৈতে আপুনি বিশ্ব সলনি কৰিব পাৰে।" —নেলচন মেণ্ডেলা

শিক্ষাই প্ৰতিজন ব্যক্তিৰ জীৱনত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। দেশ এখনৰ উন্নয়ন আৰু প্ৰগতিৰ ক্ষেত্ৰতো শিক্ষাই অপৰিসীম গুৰুত্ব বহন কৰে। আন কথাত শিক্ষা হৈছে আটাইতকৈ গুৰুত্বপূৰ্ণ ৰাষ্ট্ৰীয় কাৰ্যকলাপ আৰু দেশৰ প্ৰগতিৰ মেৰুদণ্ডস্বৰূপ। প্ৰত্যেক দেশে নিজ দেশৰ শৈক্ষিক দিশৰ উন্নয়নৰ বাবে এক নিৰ্দিষ্ট শৈক্ষিক নীতি গ্ৰহণ কৰে। ভাৰতবৰ্ষতো স্বৰাজোত্তৰ কালৰেপৰা "ৰাষ্ট্ৰীয় শিক্ষানীতি" নামেৰে শিক্ষানীতি গ্ৰহণ কৰি অহা হৈছে আৰু সময়ে সময়ে এনে শিক্ষানীতিসমূহৰ সংশোধন ঘটোৱা হৈছে।

ভাৰতবৰ্ষৰ প্ৰথম শিক্ষানীতি গ্ৰহণ কৰা হৈছিল ১৯৬৮ চনত ইন্দিৰা গান্ধী চৰকাৰৰ দিনত দ্বিতীয়খন শিক্ষানীতি ১৯৮৬ চনত ৰাজীৱ গান্ধী চৰকাৰৰ দিনত আহিছিল। ১৯৮৬ চনত গৃহীত ৰাষ্ট্ৰীয় শিক্ষানীতি সংশোধন ঘটোৱা হৈছিল ১৯৯২ চনত। ১৯৯২ চনত সংশোধন ঘটোৱা এই শিক্ষানীতিয়েই ২০২০ চনলৈকে বৰ্তি আছিল। কিন্তু প্ৰচলিত শিক্ষা ব্যৱস্থাক অধিক ফলপ্ৰসূ আৰু আধুনিক কৰি তুলিবৰ বাবে ৩৪ বছৰৰ মূৰত এক নতুন শিক্ষানীতি "ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০"ৰ চিন্তা-চৰ্চা চলিল।

যোৱা ইংৰাজী ৩০ জুলাই, ২০২০ তাৰিখে ভাৰত চৰকাৰৰ কেন্দ্ৰীয় কেবিনেটে নতুন শিক্ষানীতিখনক অনুমোদন জনায়। ভাৰতীয় মহাকাশ গৱেষণা সংস্থাৰ প্ৰাক্তন মুৰব্বী ড° কে কস্তুৰীৰংগনৰ অধ্যক্ষতাত এই শিক্ষানীতিখনৰ খচৰা প্ৰস্তুত কৰা হৈছিল। শিক্ষা মন্ত্ৰালয়ে এই খচৰা সকলোৰে পৰামৰ্শ গ্ৰহণৰ বাবে ২০১৯ চনৰ ৩১ মে'ত ৰাজহুৱা কৰিছিল। প্ৰায় ২ লাখৰো অধিক পৰামৰ্শ লাভ কৰাৰ অন্তত অৱশেষত শিক্ষানীতিখনে চূড়ান্ত ৰূপ লাভ কৰে। সুদীৰ্ঘ ৩৪ বছৰৰ মূৰত অহা নতুন শিক্ষানীতিখনৰ প্ৰধান লক্ষ্য হৈছে ২০৪০ চনলৈ ভাৰতৰ বৰ্তমান প্ৰচলিত শিক্ষা ব্যৱস্থাৰ পৰিৱৰ্তন সাধন কৰি এক নতুন ৰূপ প্ৰদান কৰা।

ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০-এ প্ৰাক্ শৈশৱকালীন যতন আৰু শিক্ষাক প্ৰতিজন শিশুৰ সৰ্বাংগীন বিকাশ সুনিশ্চিত কৰি তেওঁলোকক ভৱিষ্যত শিকনৰ বাবে প্ৰস্তুত কৰাৰ নিমিত্তে এই ব্যৱস্থা গ্ৰহণ কৰিছে। এই শিক্ষানীতিত আটাইতকৈ বেছি মন কৰিবলগীয়া বিষয়টো হ'ল শিক্ষা ব্যৱস্থাৰ গাঁথনিৰ ক্ষেত্ৰত। ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ এ বিদ্যালয় শিক্ষাক বৰ্তমানৰ ১০+২ ব্যৱস্থাৰ পৰিৱৰ্তে ৫+৩+৩+৪ গাঁথনিত বিভক্ত কৰাৰ প্ৰস্তাৱ আগবঢ়াইছে। এই ৫+৩+৩+৪ গাঁথনিটো এনেধৰণৰ—

(১) আধাৰমূলক স্তৰ (৩ বছৰৰপৰা ৮ বছৰলৈ)

এই স্তৰটো দুভাগত বিভক্ত কৰা হৈছে। প্ৰথমতে, তিনি বছৰীয়া প্ৰাক্ বিদ্যালয় আৰু দ্বিতীয়তে, প্ৰথম আৰু দ্বিতীয় শ্ৰেণীৰ শিক্ষাক সাঙুৰি লোৱা হ'ব। এই স্তৰত মূলত ঃ কাৰ্যকলাপৰ জৰিয়তে শিকনৰ ওপৰত গুৰুত্ব আৰোপ কৰা হ'ব।


(২) প্ৰস্তুতিমূলক স্তৰ ঃ (৮ বছৰৰ পৰা ১১ বছৰলৈ)

এই স্তৰত তৃতীয় শ্ৰেণীৰ পৰা পঞ্চম শ্ৰেণীৰ শিক্ষাক সাঙুৰি লোৱা হ'ব।

(৩) মধ্যম স্তৰ ঃ (১১ বছৰৰ পৰা ১৪ বছৰলৈ)

এই স্তৰত ষষ্ঠ শ্ৰেণীৰপৰা অষ্টম শ্ৰেণীৰ শিক্ষাক

# নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতি,২০২০



সন্নিৱিষ্ট কৰা হ'ব।

(৪) মাধ্যমিক স্তৰ ঃ (১৪ বছৰৰপৰা ১৮ বছৰলৈ)

এই স্তৰত নৱমৰ পৰা দ্বাদশ শ্ৰেণীৰ শিক্ষাক অন্তৰ্ভুক্ত কৰা হ'ব। শিক্ষাৰ এই স্তৰত শিক্ষাৰ্থীক বহুমুখী পাঠ্যক্ৰমৰ জ্ঞান দিয়া হ'ব আৰু লগতে গভীৰ আৰু জটিল চিন্তা-ধাৰাৰ প্ৰতি আকৃষ্ট কৰা হ'ব।

ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০-এ পাঠ্যক্ৰমৰ কিছু পৰিৱৰ্তন কৰাৰ পোষকতা কৰিছে যাতে পাঠ্যক্ৰমসমূহে শৈক্ষিক বিষয়সমূহৰ লগতে ২১ শতিকাৰ প্ৰয়োজনীয়তাসমূহৰ লগত খাপ খোৱাকৈ শিক্ষাৰ্থীসকলক বিভিন্ন দক্ষতা আহৰণত সহায় কৰিব পাৰে। ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ এ ছাত্ৰ-ছাত্ৰীক ষষ্ঠ শ্ৰেণীৰ পৰাই বৃত্তিমুখী শিক্ষা প্ৰদান কৰাৰ পোষকতা কৰিছে। লগতে ছাত্ৰ-ছাত্ৰীৰ পৰা পাঠ্যক্ৰমৰ অযথা বোজা গ্ৰহণ কৰাৰ কথাও এই শিক্ষা নীতিত উল্লেখ আছে। ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ এ ভাষাৰ ক্ষেত্ৰতো কিছু গুৰুত্বপূৰ্ণ পৰিৱৰ্তন অনা দেখা গৈছে। বিদ্যালয়ত শিক্ষাদানৰ আৰম্ভণিৰ সময়ছোৱাত শিশুসকলে পঞ্চম শ্ৰেণীৰ পৰ্যন্ত ঘৰুৱা ভাষা, স্থায়ী ভাষা বা মাতৃভাষাৰ মাধ্যমত কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছে। ৰাজ্যভাষা আৰু মাতৃভাষাৰ বাবে ই এটা ইতিবাচক দিশ। লগতে ত্ৰি-ভাষিক সূত্ৰক অধিক শক্তিশালী ৰূপত ৰূপায়ণ কৰাৰ পোষকতা কৰা হৈছে। নতুন শিক্ষানীতিয়ে শিক্ষকসকলকো এক সুৰক্ষিত, অনুকূল পৰিৱেশ প্ৰদান কৰা, তেওঁলোকৰ কৰ্মক স্বীকৃতি প্ৰদান কৰা, নিযুক্তি প্ৰক্ৰিয়াৰ কিছু সালসলনি কৰাৰ প্ৰস্তাৱ আগবঢ়াইছে। এই শিক্ষানীতিয়ে এক স্বচ্ছ শক্তিশালী প্ৰক্ৰিয়াৰ মাধ্যমেৰে শিক্ষক নিযুক্তি দিয়াৰ কথা উল্লেখ কৰিছে। লগতে শিক্ষক হ'বৰ বাবে চাৰিবছৰীয়া বি.এড. পাঠ্যক্ৰমৰ ব্যৱস্থা কৰাৰ কথা উল্লেখ কৰিছে।

সুদীৰ্ঘ ৩৪ বছৰৰ মূৰত ভাৰতবৰ্ষই কস্তুৰীংগন কমিটিৰপৰা এখন নতুন শিক্ষানীতি লাভ কৰিছে। এই ৩৪ বছৰত সমগ্ৰ বিশ্বত বহুতো পৰিৱৰ্তন আহিল। নতুন শিক্ষানীতিখন ২১ শতিকাৰ প্ৰয়োজনসমূহৰ ওপৰত ভিত্তি কৰিয়ে মূলত ঃ প্ৰস্তুত কৰা হৈছে। তদুপৰি মহাবিদ্যালয়, বিশ্ববিদ্যালয় পৰ্যায়ৰ উচ্চ শিক্ষা ব্যৱস্থাৰ বাবেও আমূল পৰিৱৰ্তনৰ ব্যৱস্থা লোৱা হৈছে। একেদৰে প্ৰায়োগিক, কৰিকৰী, বৃত্তিমূলক প্ৰায়বোৰ বিষয়ৰ ওপৰত কিছু নতুন দৃষ্টিভংগী তুলি ধৰা হৈছে। এতিয়া সকলোৰে দৃষ্টি নিবদ্ধ থাকিব শিক্ষানীতিখনৰ কাৰ্যকৰীকৰণ সন্দৰ্ভত। শিক্ষানীতিখনৰ কাৰ্যকৰীকৰণৰ ক্ষেত্ৰত অহা প্ৰত্যহ্বানসমূহ নেওঁচি বুকুত আশা বান্ধি আমি সকলোৱে নতুন শিক্ষানীতি ২০২০ ৰ কাৰ্যকৰীকৰণৰ ক্ষেত্ৰত গুৰুত্ব দিয়া উচিত। তেতিয়াহে অনাগত দিনত ভাৰতবৰ্ষৰ শিক্ষাজগতখনত অভূতপূৰ্ব পৰিৱৰ্তন হ'ব যাৰ ফলত ভাৰতৰ শিক্ষা ব্যৱস্থাই এক উচ্চ শিখৰত স্থান লাভ কৰিবলৈ সক্ষম হ'ব।●

# শিক্ষা ব্যৱস্থাত নতুন শিক্ষানীতি ২০২০ ৰ প্ৰভাৱ

**লাকী বেগম**
স্নাতক দ্বিতীয় যাণ্মাসিক, নৃতত্ত্ব বিভাগ

শিক্ষা হৈছে এজন ব্যক্তিৰ জীৱনৰ মূল শক্তি। প্ৰতিজন ব্যক্তিৰ জীৱনত শিক্ষাই এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। প্ৰায় ৩৪ বছৰৰ পাছত ভাৰতবৰ্ষত নৱ চিন্তাৰে নতুন শিক্ষানীতিৰ প্ৰৱৰ্তন কৰা হৈছে। কোনো এখন দেশত যেতিয়া আমূল পৰিৱৰ্তন ঘটাব লগা হ'লে তেতিয়া সেই দেশৰ শিক্ষা ব্যৱস্থাটোৰ পৰিৱৰ্তন আনিব লাগে বুলি কোৱা হয়।

স্বাধীনতাৰ পাছৰে পৰাই "ৰাষ্ট্ৰীয় শিক্ষা নীতি" অভিধাৰে ভাৰতবৰ্ষত কিছুমান নিৰ্দিষ্ট শিক্ষানীতি গ্ৰহণ কৰা হৈছে। প্ৰয়োজন সাপেক্ষে ভাৰতৰ শিক্ষা নীতিত বহুতো সাল-সলনি কৰা হৈছে। ভাৰতবৰ্ষৰ নতুন "ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ " ত যোৱা ২০২০ চনৰ ভাৰতৰ কেন্দ্ৰীয় কেবিনেট অনুমোদন জনায়। যাৰ লগে লগে সুদীৰ্ঘ ৩৪ বছৰৰ পাছত ভাৰতৰ শিক্ষা ব্যৱস্থাটোত এক বিৰল পৰিৱৰ্তন আহিলে। এই নতুন শিক্ষানীতিয়ে ভাৰতৰ গ্ৰাম্য তথা চহৰাঞ্চলৰ শিক্ষাৰ লগতে বহুমুখী শিক্ষাকো এক নতুন মাত্ৰা প্ৰদান কৰিলে। এই শিক্ষা নীতিৰ মূল লক্ষ্য হ'ল—২০৪০ চনলৈ ভাৰতৰ বৰ্তমান প্ৰচলিত শিক্ষা ব্যৱস্থাৰ পৰিৱৰ্তন সাধন কৰি এক নতুন ৰূপ তথা গাঁথনি প্ৰদান কৰা।

ভাৰতবৰ্ষত শিক্ষাৰ মানদণ্ড উন্নত কৰিবলৈ ২০১৫ চনৰ জানুৱাৰীত প্ৰাক্তন কেবিনেট সচিব টি.এছ.আৰ সুব্ৰমণিয়ামৰ অধীনত এখন কমিটি গঠন কৰা হয়। তাৰ পাছত ২০১৭ চনত দাখিল কৰা প্ৰতিবেদনৰ আধাৰত ভাৰতীয় মহাকাশ গৱেষণা সংস্থা (ISRO)ৰ প্ৰাক্তন অধ্যক্ষ কৃষ্ণস্বামী কস্তুৰীৰ গনৰ নেতৃত্বত গঠন হোৱা খচৰা কমিটিয়ে সম্পূৰ্ণ প্ৰতিবেদন দাখিল কৰে। যি দেশৰ মানৱ সম্পদ উন্নয়ন মন্ত্ৰণালয়ে আনুষ্ঠানিকভাৱে ঘোষণা কৰে। অৱশেষত বিভিন্ন লোকৰ পৰামৰ্শ লৈ ২০২০ত নতুন শিক্ষানীতি মুকলি কৰা হয়।

ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ ত ঘটা কেইটামান পৰিৱৰ্তন আৰু প্ৰভাৱৰ সম্পৰ্কে তলত আলোচনা কৰা হৈছে।

(ক) ভাষাৰ ক্ষেত্ৰত ঃ

ভাৰতৰ নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতি, ২০২০ য়ে মাতৃভাষা আৰু ৰাজ্যিক ভাষাসমূহক অধিক গুৰুত্ব প্ৰদান কৰি। পঞ্চম শ্ৰেণীলৈকে সকলো শিক্ষাৰ্থীক নিজৰ ৰাজ্যৰ মাতৃভাষাতে পাঠদান কৰিব লাগিব। লগতে অন্যান্য বিদেশী ভাষাকো গুৰুত্ব প্ৰদান কৰা হ'ব। নতুন শিক্ষানীতিয়ে কোনো শিক্ষাৰ্থীৰ ওপৰত কোনো ভাষা বলপূৰ্বকভাৱে অধ্যয়নত গুৰুত্ব নিদিয়ে।

যিটো সময়ত ইংৰাজী ভাষাই ভাৰতত সকলো বিষয়তে আগস্থান লাভ কৰিছে। সেই সময়তে এনে ধৰণেৰে মাতৃভাষাত অধ্যয়ন কৰিবলৈ দিয়া সুবিধাই বিশ্বাস। কিয়নো আমি সকলোৱে প্ৰথমে নিজৰ মাতৃভাষা শিকাত গুৰুত্ব দিব লাগে। তেতিয়াহে আমি আমাৰ দেশ বা মাতৃভূমিক ভাল পাবলৈ শিকিব আৰু আমাৰ ভাষাৰ ক্ষেত্ৰত জ্ঞান আহৰণ কৰিব পাৰিম।

ভাষাৰ ক্ষেত্ৰত ঘটা এই পৰিৱৰ্তনে ভাৰতৰ শিক্ষা ব্যৱস্থাত বিশেষভাৱে প্ৰভাৱ পেলাব বুলি ক'ব পাৰি।

(খ) বিদ্যালয়ৰ শিক্ষা ঃ

ভাৰতৰ বিদ্যালয়সমূহৰ বৰ্তমানৰ গঠন "১০+২" ম'ডেলৰ সলনি "৫+৩+৩+৪" ম'ডেলত গঠন কৰা হ'ব। এই নতুন "৫+৩+৩+৪"

এনেধৰণৰ—

(১) নিৰ্মাণৰ স্তৰ— এই স্তৰটো এজন শিক্ষাৰ্থীৰ জীৱনৰ আটাইতকৈ প্ৰাৰম্ভিক স্তৰ। এই স্তৰটো বহুলভাৱে দুটা ভাগত ভাগ কৰা হৈছে—প্ৰথমতে তিনিবছৰ প্ৰাক্ স্কুল, দ্বিতীয়তে প্ৰথম আৰু দ্বিতীয় শ্ৰেণীক প্ৰাথমিক পৰ্যায়ৰ

বিদ্যালয়ত যোগ দিয়া হ'ব। এই স্তৰটো ৩-৮ বছৰীয়া শিশুক সামৰি লোৱা হ'ব। এই স্তৰত শিক্ষাৰ্থীক অধ্যয়নৰ লগতে আন আন কাৰ্য-কলাপৰ সৈতে চিনাকি কৰাই দিয়া হ'ব।

প্ৰাথমি পৰ্যায়তে তেওঁলোকক এনেধৰণে প্ৰদান কৰা শিক্ষাই শিক্ষাৰ্থীৰ ফুল কোমলীয়া মনত বহুতো ন-চিন্তা জাগ্ৰত কৰিব। যিয়ে ভাৰতৰ শিক্ষা-ব্যৱস্থাত পৰিৱৰ্তন ঘটাব।

(২) প্ৰাথমিক স্তৰ ঃ এই স্তৰত তৃতীয়ৰপৰা পঞ্চম শ্ৰেণীলৈ সন্নিৱিষ্ট কৰা হ'ব আৰু ৮-১১ বছৰৰ শিক্ষাৰ্থীক সামৰি লোৱা হ'ব। নতুন শিক্ষানীতিৰ অনুসৰি এই স্তৰত শিক্ষাৰ্থীক ভাষা, কলা, বিজ্ঞান, গণিত, সমাজ বিজ্ঞান আদি বিষয়ৰ সৈতে চিনাকি কৰাই দিয়া হ'ব।

যিহেতু প্ৰাথমিক স্তৰত ভাৰতৰ শিক্ষা ব্যৱস্থাত শিক্ষাৰ্থীক এনে বিষয়বোৰৰ সম্বন্ধে খুউব কমহে পৰিচয় কৰাই দিয়া হয়। গতিকে মোৰ দৃষ্টিত এই পৰিৱৰ্তনে ভাৰতৰ শিক্ষা ব্যৱস্থাত এক গুৰুত্বপূৰ্ণ প্ৰভাৱ বিস্তাৰ কৰিব। যিয়ে শিক্ষাৰ্থীক বিভিন্ন বিষয়ৰ প্ৰতি আকৰ্ষিত কৰি তুলিব।

(৩) মধ্যম স্তৰ ঃ এই স্তৰত ষষ্ঠৰ পৰা অষ্টম শ্ৰেণীলৈ সন্নিৱিষ্ট কৰা হ'ব আৰু ১১ৰ পৰা ১৩ বছৰৰ শিক্ষাৰ্থীক সামৰি লোৱা হ'ব। এই স্তৰত শিক্ষাৰ্থীসকলক ভৱিষ্যতৰ বাবে তৈয়াৰ কৰা হ'ব। তেওঁলোকক এই স্তৰতে নিজৰ নিজৰ লক্ষ্য বাছি ল'বলৈ সহায় কৰা হ'ব। যিয়ে মোৰ দৃষ্টিত তেওঁলোকক এক নিৰ্দিষ্ট বাটৰ সন্ধান দিব।

(৪) মাধ্যমিক স্তৰ ঃ এই স্তৰত নৱমৰ পৰা দ্বাদশ শ্ৰেণীলৈ সন্নিৱিষ্ট কৰা হ'ব আৰু ১৪ৰ পৰা ১৮ বছৰৰ শিক্ষাৰ্থীসকলক সামৰি লোৱা হ'ব। এই স্তৰটো দুটা পৰ্যায়ত ভাগ কৰা হ'ব—প্ৰথম পৰ্যায়ত নৱম আৰু দশম শ্ৰেণী আৰু দ্বিতীয় পৰ্যায়ত একাদশ আৰু দ্বাদশ শ্ৰেণী। এই পৰ্যায়ত শিক্ষাৰ্থীসকলক বহুমুখী পাঠ্যক্ৰমৰ জ্ঞান দিয়াৰ লগতে গভীৰ আৰু জটিল চিন্তা-ধাৰাৰ প্ৰতি আকৃষ্ট কৰাৰ চেষ্টা কৰা হ'ব।

শিক্ষাৰ এই স্তৰতে ছাত্ৰ-ছাত্ৰীক বহু বিষয় গ্ৰহণৰ বিকল্প দিয়া হ'ব। যিয়ে শিক্ষাৰ্থীৰ জ্ঞানৰ ভঁৰাল টনকিয়াল কৰিব। এনেধৰণৰ শিক্ষা ব্যৱস্থাই ভাৰতৰ শিক্ষাৰ দিশটোক যথেষ্ট প্ৰভাৱ পেলাব।

এনেদৰে বিদ্যালয়ৰ শিক্ষাৰ লগতে আন বহুতো দিশত ঘটোৱা পৰিৱৰ্তনে ভাৰতৰ শিক্ষা ব্যৱস্থাত এক নতুনত্ব আনিছে। এনে কিছুমান বিশেষ পৰিৱৰ্তনৰ প্ৰভাৱ সম্পৰ্কে তলত আলোচনা কৰা হৈছে—

১। নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতি, ২০২০ৰ মতে প্ৰতিটো শ্ৰেণীৰ পাঠ্যক্ৰমৰ অযথা বোজা হ্ৰাস কৰা হ'ব। যিয়ে শিক্ষাৰ্থীৰ মানসিক চাপ কমোৱাত যথেষ্ট প্ৰভাৱ পেলাব।

২। নতুন শিক্ষা নীতিয়ে পৰীক্ষা পদ্ধতিটোকো সহজ কৰিবলৈ যথেষ্ট গুৰুত্ব প্ৰদান কৰিছে। পৰীক্ষাৰ চাপ কমাবলৈ এবছৰত দুটাকৈ পৰীক্ষা অনুষ্ঠিত কৰা হ'ব। এই পৰীক্ষাৰ দুটা ভাগ থাকিব বিকল্পধৰ্মী আৰু বৰ্ণনাধৰ্মী। এনেধৰণৰ পৰীক্ষা বা মূল্যায়ণ পদ্ধতিয়ে শিক্ষাৰ্থীক পৰীক্ষাৰ প্ৰস্তুতি কৰিবলৈ যথেষ্ট সহায়ক হ'ব আৰু মূল্যায়ণ পদ্ধতিটো যথেষ্ট প্ৰভাৱ পেলাব।

৩। এই নতুন শিক্ষা নীতিৰ অনুসৰি একাদশ আৰু দ্বাদশ শ্ৰেণীত শিক্ষাৰ্থীসকলক প্ৰতিটো বিভাগ (কলা, বিজ্ঞান, বাণিজ্য তথা আন বৃত্তিমূলক শিক্ষা)ৰ বিভিন্ন বিষয়সমূহ অধ্যয়ন কৰাৰ সুযোগ প্ৰদান কৰিব। এটা বিভাগৰ শিক্ষাৰ্থীয়ে আন দুটা বিভাগৰ বিষয়ো অধ্যয়ন কৰিব পাৰিব আৰু ইচ্ছা অনুযায়ী যিকোনো ভাষা অধ্যয়নৰ সুবিধা লাভ কৰিব। যিয়ে শিক্ষাৰ্থীক আন আন বিষয়সমূহৰ জ্ঞান আহৰণত সহায় কৰিব। নতুন শিক্ষানীতিত থকা এই পৰিৱৰ্তনটোৱে এক যুগান্তকাৰী প্ৰভাৱ ভাৰতৰ শিক্ষা ব্যৱস্থালৈ কঢ়িয়াই আনিব বুলি ক'ব পাৰি।

৪। নতুন শিক্ষা নীতিত ষষ্ঠ শ্ৰেণীৰ পৰাই কম্পিউটাৰৰ শিক্ষা প্ৰদান কৰা হ'ব আৰু বিভিন্ন ধৰণৰ অভিজ্ঞতাসম্পন্ন শিক্ষণৰ কাৰ্যসূচী বিদ্যালয়সমূহত অনুষ্ঠিত কৰা হ'ব। যিয়ে ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা বিকাশত যথেষ্ট প্ৰভাৱ পেলাব লগতে শিক্ষা ব্যৱস্থাতো এক নতুনত্ব আনিব।

এনেদৰেই নতুন "ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০"য়ে ভাৰতৰ শিক্ষাক্ষেত্ৰত এক নতুন আলোড়নৰ সৃষ্টি কৰিছে। এই নতুন শিক্ষানীতিয়ে ভাৰতৰ শিক্ষা ব্যৱস্থাৰ লগতে বিশ্বৰ আগত ভাৰতবৰ্ষক এক নতুন দিশ প্ৰদান কৰিছে। এই শিক্ষানীতিয়ে ভাৰতৰ শিক্ষা পদ্ধতিটোৰ পৰিসৰ বহল আৰু শিক্ষাৰ গুণগত মানদণ্ড উন্নত কৰিব আৰু ভাৰতীয় শিক্ষা ব্যৱস্থাত যথেষ্ট প্ৰভাৱ পেলাব। সেইকথা ন' দি ক'ব পাৰি। মোৰ দৃষ্টিত এয়া এক ঐতিহাসিক আৰু সাহসী পদক্ষেপ।

নতুন শিক্ষা নীতিয়ে বিশেষকৈ জাতীয় শিক্ষাৰ ক্ষেত্ৰত যি এক আমূল পৰিৱৰ্তন আনিছে, সেয়াই এই নীতিৰ মূল কেন্দ্ৰবিন্দু বুলি মই ক'ব বিচাৰোঁ অথচ এই নীতিত সন্নিৱিষ্ট কৰা প্ৰতিটো নতুন নীতিয়েই ভাৰতৰ শিক্ষা ব্যৱস্থাৰ লগতে সমগ্ৰ দেশৰ সৰ্বাংগীন উন্নতিত এক সুদূৰপ্ৰসাৰী প্ৰভাৱ বিস্তাৰ কৰিব।●

# Impact of New Education Policy 2020 in Education system

**Pratikraj Kakoty**
B.A. 4th Semester, Dept : History

As Nelson Mandala saya, "Education is the most powerful weapon which you can use to change the world."

Education empower people to become mindful of their liberties and obligations. It equips them with cognitive ability, mental growth, morals and ideas. In this way, education benefits the society by empowering children and the future citizens in a holistic manner.

In fact, with the objective of making India a global super power and knowledge hub, the National Education policy, 2020 was brought to our haul the country's education system.

The aim of the NEP, 2020 is to make education system holistic, flexible, multidisciplinary and aligned to the needs of $21^{st}$ century and the 2030 sustainable development goals.

A one new initiative action
Is better then
34 years of repeated action

A new NEP usually comes along every few decades India has had there to date 1968, 1986 (later revised in 1992) and 2020. The NEP 2020 has been in the making for nearly 5 years based on the reports of two committees Subramanian committee (2016) and kasturirangan committee (2019)

In order to understand the features of the current education policy 2020. Various provisions of this will have to be interpreted on the basis of which we will evocate whether the NEP 2020 is progressive or not.

Many changes were made in the NEP 2020 such as 5+3+3+4 system is being adopted in place of earlier 10+2 formula. It also emphasizes on making mother tongue, local language or the regional language the medium of instruction at wast till guade 5.

It calls for replacing the ministry of Numan Resource of Development (MHAD) with the Ministry of Education from pre-school to secondary level with 50% gross enrollment ratio in higher education by 2035.

In fact, 4.6% of GDP is being spent in education so far, now it is being talked about increasing it to 6% so that there can be trans parency in education. Multi disciplinary universities are expected to teach everything from science, arts, management etc. By 2040, the government seeks to phase out single stream institutions in favor of this model. A system called "PARAKH' is being developed to comprehensively assess students.

Once selected into a college, students will enroll in a 3 or 4 year undergraduate degree, with and option of leaving whenever

they want. 1st year-certificate, 2nd year Diploma, 3 or years-Degree, 4 years t research-eligible PhD candidate


However, in view of the provisions of the National education policy, 2020 many challenges are also clearly visible.

In ncreasing GER drastically i.c almost adding the same number of scats that India has had in the last 70 years in the next 15 years may wad to a focus on quantity rammer than quality. There is also an emphasis on vocational training but to make it effective, their must be close coordination and communication between the education and skills ministry.

The NEP also talks about creating several requlatory bodies which is a good idea but to make this institutions successful, it is imperative that they are built better and staffed with people who have the vision to implement the policy mandate.

Thus, if use look at the NEP 2020 from the perspective of socio-economic and cultural aspects then we see a very exciting and progressive vision of the future but its implementation must be properly assimilated by both the centre and the state. It needs to be realistic budgeting, flexibility in the tweaking of priorities when required, strong leaders phi and a singular focus on outcomes.

Therefore, if India has to prove the concept of 'New India' in the era of widespread cometitiness from the perspective of 21st century then, the NEP, 2020 will surely prove to be a milestone.●



# Impact of New Education Policy-2020 in Education System

**Nishanta Saikia**
$4^{th}$ Semester, Department : History

"Education is the most powerful weapon which you can use to change the world."

**-Nelson Mandela**

India has been a centre of knowledge and learning since time immemorial. Indian scholars were at the forefront of new discoveries, inventions and innovations in many fields like astronomy, grammar, mathematics, medicine and surgery. Ancient Indian universities like Nalanda and takshashila attracted students from all over the known world. However, India lost some of her old glory following the Turkish invasions beginning in the $11^{th}$ century A.D. When ancient universities were lunrred down.

The Western-style education system was introduced in India in the $19^{th}$ century by an Englishman rammed Thomas Babington Macaulay. A reformation in this Macaulay an education system was long overdue looking at the needs of the $21^{st}$ century as the old system encouraged rote bearing. Therefore, the approval of the National Education policy of India 2020 (abbrereiated as NEP 2020) by the union cabinet was a watershed moment. The policy is a comprehensive framework for elementary education to higher education as well as vocational training and it aims to transform India's education system by the year 2020. Yet us look at a synopsis of the major changes belove.

**Elementary and Secondary Education :** The currently prevalent 10+2 system, with 10 years of schooling and 2 years of Higher Secondary education, will be replaced by a 5+3+3+4 system. Three years of pre-primary education and two years of classes I and 2 shall be the foundational stage. Classes 3 to 5 will be called the preparatory stage, classes 6-8 will be treated as the middle stage, and the Secondary stage will be from classes 9 to 12 thus, the NEP expanded the years of mandatory schooling (under the Right to education Act, 2009 and Article 21 A of the Indian constitution), which was hitherto 6-14 years, to 2-18 years of age.

The NEP impact will also be felt on the prevalent system of board exams. The board exams for class 10 and 12 will continue but they will have bower stakes. The line of separation between the Arts, commerce and Science streams will be blurred. From class 9 onwards, students will be able to choose a combination of sulyects of their liking from all three streams.

The focus of the board exams will move be on testing grasp of concept, analytical skills, critical thinking and application of knowledge rather than rote burning. Co-curricular activities well also be assessed and vocational solicits be taught in order to ensure the holistic development of the student. Moreover, board exams will be held twice a year, giving students a second chance to improve their scores. All these changes are expected to make learning fun and utilitarian and to reduce the anxiety

around board exams.

**Embracing Linguistic Diversity :** The NEP recommends that the students' mother tongue should be the medium of instruction in schools until at least the 5th grade. This will be helpful for the students as they tend to grasp concepts quickly and effectively when taught in their mother tongue, However, problems may arise for children of central government employees who are transferred from one state to another frequently.

The three-language formula will continue as multi-linguilism has many cognitive benefits on young children. But no language would be imposed on anyone.

**Higher Education :** A Higher education commission of India (HECI) will be set up as an umbrella body governing all higher education (except medical and legal education) by morning the University tyrants commission (UGC), All India Council for Technical Education (AICTE) and the National Council for Teacher education (NCTE).

A Common entrance exam will be held twice every year for admission to colleges and Universities across the country. This in expected to reduce the workboat of students who appear in many different entrance exams conducted by different Universities.

However, this may also bad to the proliferation of many couching centers all over the country like it happened with the Medical and Engineering entrance exams. This will further maiden the gap between the rich and the poor for equal access to education. The students from affluent families can spend a huge chunk of money on coaching, crack the entrance exam and secure admission in the top colleges and Universities, while students from a disadreantaged background will be left behind.

Your-year undergraduate courses will be introduced with multiple exit options, Colleges and Universities will also provide multi-disciplinary education. For eg . a student can opt for Physics and History in the same course. Thus, the NEP offers greater flexibility to students to pursue their higher education.

There will be at least one University in or near every district. Moreover, foreign Universities will also be permitted to set up campuses in India. Thus, the NEP can be said to have opened up the Indian education system similar to the opening up of the Indian Economy following the reforms of 1991.


Great emphasis will move be laid on Research and Development (R&D) as it spurs information, invention and progress. A National Research Foundation will be established to fund and promote peer resaved research in Universities. Thus, the NEP is expected to be a great driver in India's Economic grouted.

**Embracing Technology :** State-of-the-art technology will be used in teaching, bearing and assessment as will as in educational administration and management. A National Education Technology Forum (NEET) will be established which will host Massive open online course (MOOC) as well as E-contents in various Indian languages.

However, completely radicating the Cen-and-Paper mode of education may lead to problems as was evident by the screen fatigue suffered by many students due to online classes.

**Concluding oleservations :** Thus, we notice that the New education policy-2020 seems to have both positive and negative impacts in the education system. However, the positive for outweight the negative ones. The real success of the policy will only be achieved if it is implemented efficiently at the ground level. The success of the NEP well have a big role to play in making India a Krishna guru again.●

সাক্ষাৎকাৰ শিতান



# ৰাষ্ট্ৰপতি ভৱনৰ সংগ্ৰহালয় বিভাগৰ উপ-সঞ্চালক শ্ৰীযুত পংকজ প্ৰতীম বৰদলৈ ছাৰৰ সৈতে এটি চমু সাক্ষাৎকাৰ

সাক্ষাৎকাৰ যুগুতালে ঃ শ্ৰী নিপু বৰুৱাই

**প্ৰশ্ন ঃ** ছাৰ নমস্কাৰ। আমি পোন প্ৰথমে আপোনাৰ জন্ম, শৈশৱ আৰু শিক্ষা জীৱনৰ বিষয়ে জানিব বিচাৰিম।

**উত্তৰ ঃ** যোৰহাটৰ পূব প্ৰান্তৰ কাছগড়াল অঞ্চলত মোৰ জন্ম। শৈশৱ কৈশোৰ মোৰ ভোগদৈৰ পাৰত অতিবাহিত হৈছে। মোৰ পিতৃ অসম চৰকাৰৰ চাকৰিয়াল আছিল। মাতৃ এগৰাকী সু-গৃহিণী আছিল।
মোৰ কৈশোৰ গাঁৱতে পাৰ হৈছে। গাৱঁৰ ধূলি মাটি আৰু গ্ৰাম্য জীৱন শৈলীৰ মাজত মই শৈশৱ কৈশোৰ পাৰ কৰিছো। গাঁৱৰ নামঘৰৰ গধূলি প্ৰাৰ্থনা যেনেকৈ এক সুখৰ স্মৃতি তেনেকৈ সুখস্মৃতি হৈছে আঘোণৰ ধাননী পথাৰৰ চেচোঁৰ বিচাৰি ফুৰাৰ স্মৃতি।
গাৱঁৰে প্ৰাথমিক বিদ্যালয়ত শিক্ষা গ্ৰহণ কৰি মই দেৱকান্ত বৰুৱা পাব্লিক হাইস্কুলৰ পৰা শিক্ষান্ত পৰীক্ষাত প্ৰথম বিভাগত লেটাৰ নম্বৰসহ উত্তীৰ্ণ হওঁ। জে. বি কলেজত উচ্চতৰ মাধ্যমিক পাছ কৰি মই দিল্লী বিশ্ববিদ্যালয়ৰ পৰা ইতিহাস বিষয়ত স্নাতক হওঁ। ইয়াৰ পাছত ৰাষ্ট্ৰীয় সংগ্ৰহালয় সংস্থাৰ পৰা সংগ্ৰহালয় ব্যৱস্থাপনা বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰোঁ।

**প্ৰশ্ন ঃ** আপুনি আমাৰ মহাবিদ্যালয়খন পৰিদৰ্শন কৰিছে গতিকে মহাবিদ্যালয়খনৰ সম্পৰ্কত আপোনাৰ ধাৰণা জানিব বিচাৰিম?

**উত্তৰ ঃ** ডিব্ৰুগড়ৰ এই ঐতিহ্যমণ্ডিত কলেজখনৰ ভ্ৰমণৰ সময়ত কলেজখনৰ পৰিষ্কাৰ-পৰিচ্ছন্নতা আৰু শৈক্ষিক পৰিৱেশে আকৰ্ষিত কৰিছিল। কলেজখনৰ উপলব্ধ সম্পদেৰে ছাত্ৰ-ছাত্ৰীৰ সকলোধৰণৰ বিকাশৰ বাবে গ্ৰহণ কৰা ইতিবাচক পদক্ষেপে মোক আকৰ্ষিত কৰিছিল। সকলো পক্ষৰে সহযোগত এই কলেজখনৰ সকলো সম্ভাৱনীয়তাক বহল পৰিসৰত ব্যৱহাৰ কৰা উচিত।

**প্ৰশ্ন ঃ** ছাত্ৰ জীৱনত আপোনাৰ লক্ষ্য কি আছিল?

**উত্তৰ ঃ** নিৰ্দিষ্ট লক্ষ্য নাছিল। সময়সাপেক্ষ সলনি হৈ আছিল! ইতিহাস বিষয়ত আগ্ৰহ থকা বাবে সেই দিশতে কিবা এটা কৰাৰ মন আছিল।

**প্ৰশ্ন ঃ** বিশ্বৰ বিভিন্ন ঠাইত আপোনাৰ নাম আছে, সমাজ জীৱনৰ সৈতে জড়িত থকা এগৰাকী সমাজ সচেতন ব্যক্তি হিচাপে আপোনাৰ দৃষ্টিত শৈক্ষিক, সাংস্কৃতিক আদি দিশবোৰত ছাত্ৰ সমাজ কেনেধৰণে আগবঢ়াৰ প্ৰয়োজন আছে বুলি ভাবে?

**উত্তৰ ঃ** ছাত্ৰ সমাজক প্ৰয়োজনীয় পৰামৰ্শৰ প্ৰয়োজন আছে। একে সময়তে সমকালীন সমাজৰ বিভিন্ন দিশক লৈ সূক্ষ্ম পৰ্যবেক্ষণ তথা অধ্যয়নৰ প্ৰয়োজন আছে। ই ছাত্ৰ সমাজক নিৰপেক্ষ, স্পষ্ট আৰু গঠন মুখী দৃষ্টিভংগী গ্ৰহণত সহায় কৰিব। এনে দৃষ্টি ভংগীৰেই ছাত্ৰ সমাজে ইতিবাচক কাম সমাজ দেশ আৰু জাতিৰ বাবে কৰিব পাৰিব।

**প্ৰশ্ন ঃ** এখন ভিতৰুৱা গাঁও সমাজৰ পৰা অসমীয়া মাধ্যমত পঢ়ি বৰ্তমান কৰ্মসূত্ৰে নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱন সংগ্ৰহালয়ৰ উপ-সঞ্চালক পদত অধিষ্ঠিত হৈছে। এই বৰ্ণিলময় ঘাত-প্ৰতিঘাতৰ যাত্ৰাৰ বিষয়ে

থুলমূলকৈ জনাওক যাতে ছাত্ৰ সমাজ উপকৃত আৰু অনুপ্ৰাণিত হয়।

**উত্তৰ ঃ** হয়। ভিতৰুৱা অঞ্চল এটাৰ পৰা ওলাই অহাৰ বাবে কিছু সংগ্ৰাম এই যাত্ৰাত নথকা নহয়। যোগাযোগ ব্যৱস্থাৰ অনুন্নত অৱসৰ সৰু চহৰৰ দূৰৱৰ্তী গাঁও এখনৰ পৰা এই যাত্ৰা আৰম্ভ হৈছিল। উচ্চতৰ মাধ্যমিক পঢ়ি থাকোতেই, যদিও দিল্লী বিশ্ববিদ্যালয়ত অধ্যয়ন কৰাৰ কথা ভবা হৈছিল, পৰীক্ষাৰ আগত হোৱা এটা দুৰ্ঘটনাই এই সম্ভাৱনাক নিৰুৎসাহ কৰিছিল। তাৰপাছতো মোৰ স্বৰ্গগত মাতৃৰ আশীৰ্বাদ আৰু ইচ্ছা এক মূল কাৰক।

**প্ৰশ্ন ঃ** সাহিত্যৰ প্ৰতি আপোনাৰ ধাউতি কেনেকুৱা? বৰ্তমান সময়ত সাহিত্য জগতখনত কিছু ঋণাত্মক প্ৰভাৱ পৰিছে লগতে ছাত্ৰ সমাজে সাহিত্য চৰ্চা এক প্ৰকাৰ কমাই পেলাইছে গতিকে এই সমস্যাসমূহক আপুনি কি দৰে আলোকপাত কৰিব।

**উত্তৰ ঃ** বৰ্তমানেও সাহিত্যৰ মই ছাত্ৰৰ অৱস্থানতহে আছোঁ। ক'ব পাৰে পাঠক। ছাত্ৰ সমাজে সাহিত্য চৰ্চা কমাই পেলাইছে বুলি মই নাভাবো। নতুন প্ৰজন্মৰ মাজত সাহিত্য প্ৰীতি আছে। বহুসংখ্যক সম্ভাৱণাপূৰ্ণ লেখক নতুন প্ৰজন্মত আছে।

**প্ৰশ্ন ঃ** নতুন শিক্ষানীতিখনে আমাৰ শিক্ষা ব্যৱস্থাত কেনেধৰণৰ প্ৰভাৱ পেলাব আপোনাৰ এইক্ষেত্ৰত ধাৰণা?

**উত্তৰ ঃ** ২০১০ৰ শিক্ষানীতিৰ তিনিতৰপীয়া ব্যৱস্থাই পূৰ্বৰ দুতৰপীয়া (১০/২) ব্যৱস্থাটোক নস্যাৎ কৰি কিছু পৰিমাণে সামগ্ৰিক শিক্ষাসমাজৰ সমস্যাসমূহক ভিন ভিন প্ৰক্ৰিয়াৰ আলমত সমাধান কৰাৰ চেষ্টা কৰিছিল। ২০২০ ৰ নতুন শিক্ষানীতিৰ চাৰিস্তৰীয় ব্যৱস্থাই (5+3+2+2) শিক্ষা-ব্যৱস্থাটোক আৰু ওচৰৰ পৰা পৰ্যবেক্ষণ কৰি নিপুণ ভাৰতৰ লক্ষ্যৰে এক শক্তিশালী প্ৰজন্ম গঠন কৰাৰ প্ৰয়াস কৰিছে। প্ৰাক-শৈশৱকালীন শিক্ষাতে খেল-ধেমালি (joyful learning)ৰ জৰিয়তে ভাষা আৰু গণিতৰ লগত পৰিচিত কৰি তাৰ পাছৰ পৰ্যায়সমূহত সমাজবাদ, মানৱতাবাদৰ দৰে জটিল বিষয়সমূহক অভিজ্ঞতামূলক শিক্ষাৰে বিস্তৃত পৰিসৰত আলোচনাৰ মাধ্যমেৰে শিক্ষা প্ৰদানৰ লক্ষ্যৰে এক সুসংহত শিক্ষক প্ৰশিক্ষণ, ছাত্ৰ-ছাত্ৰীৰ ৰুচি অনুযায়ী বৃত্তিমূলক শিক্ষা প্ৰদান, প্ৰযুক্তিগত শিক্ষা প্ৰদান, ডিজিটেল শিক্ষা আদিয়ে শিক্ষাপ্ৰতিষ্ঠানসমূহক আধুনিকীকৰণ কৰিব বুলি বিশ্বাস আছে।

**প্ৰশ্ন ঃ** বৰ্তমান শিক্ষা ব্যৱস্থাত কেৰোণসমূহ আৰু ইয়াৰ সমাধান কেনেকৈ সম্ভৱ।

**উত্তৰ ঃ** চাকৰিকেন্দ্ৰিক মানসিকতাৰ পৰা ছাত্ৰ সমাজক মুক্ত কৰাটো প্ৰথম প্ৰত্যাহ্বান। তাৰ পৰিৱৰ্তে বৃত্তিমূলক শিক্ষা গ্ৰহণেৰে জীৱনৰ নিৰাপত্তা প্ৰদান কৰিব লাগিব। প্ৰতিযোগিতামূলক পৰীক্ষাসমূহক অগ্ৰাধিকাৰ দিয়া হয় তথা প্ৰতিযোগী মানসিকতাই মুষ্টিমেয় ছাত্ৰৰ উত্তৰণত সহায় কৰে যদিও প্ৰতিযোগী মনোভাৱৰ লগতে নৈতিক শিক্ষা তথা সামগ্ৰিক শিক্ষাত মনোনিৱেশ কৰাটোও প্ৰয়োজনীয়। আমাৰ যদি এটি মানৱ সম্পদো সমাজ বা দেশৰ কামত নহাকৈ বৈ যায়, সেই সম্পদৰ অপচয়ৰ বাবে আমাৰ শিক্ষা ব্যৱস্থাত কেৰোণ আছে।

**প্ৰশ্ন ঃ** শিক্ষা ব্যৱস্থাত মাতৃভাষাত পাঠদান বা পাঠ্যপুথি প্ৰণয়নৰ ওপৰত আপোনাৰ মতামত।

**উত্তৰ ঃ** প্ৰাথমিক স্তৰত মাতৃভাষাতে পাঠদান কৰা উচিত। ই শিশু এটিৰ সৈতে আত্মিক বান্ধোন গঢ় দিয়াত সহায় কৰিব। উচ্চতৰ পৰ্যায়ত আন্তঃৰাষ্ট্ৰীয় মাধ্যমকো সমানে চলাই নিলে লাভ হ'ব বুলি ভাবো কাৰণ ইয়ে এজন ছাত্ৰক ভিন ভিন দেশৰ কিতাপ অধ্যয়নৰ জৰিয়তে ভিন্ন চিন্তা আৰু জ্ঞানৰ সৈতে পৰিচয় কৰাই দিব।

**প্ৰশ্ন ঃ** অসমীয়া মাধ্যমৰ শিক্ষাৰ্থীয়ে উচ্চ শিক্ষা গ্ৰহণৰ সময়ত মাধ্যম সলনি হৈ পৰা ফলত যথেষ্ট অসুবিধাৰ সন্মুখীন হয়, আপুনিও নিশ্চয় এই পৰিস্থিতিৰ সন্মুখীন হৈছিল। গতিকে এই সমস্যাৰ লগত মোকাবিলা কৰাটো কিদৰে সম্ভৱ আৰু ইয়াৰ সমাধান সূত্ৰ কি?

**উত্তৰ ঃ** "জেন'গ্লচ'ফবিয়া (Xenoglossophobia) বুলি শব্দ এটা আছে, এই ভয়টো আঁতৰাব লাগিব। বহুত সময়ত

সংকোচবোধে আমাক বিভিন্ন শিক্ষাগ্রহণৰ পৰা বিৰত কৰে। শিকাত সংকোচ থাকিব নালাগে। মাতৃভাষাৰ লগতে আন ভাষা-চৰ্চাও সৰুৰে পৰা চলাই নিব পাৰিলে এনে অসুবিধা নহয়। আজিকালি ইন্টাৰনেটৰ যুগ। ভাষা শিকিবলৈ খুবেই সহজ। বিভিন্ন এপত অনলাইন কোৰ্চ আছে। ছাত্ৰ এজনৰ সুবিধা হোৱাকৈ ফ্ৰী কৰ্চো আছে। শিকিবলৈ আগ্ৰহ থকাটো মূল কথা। শিকিম বুলি আত্মবিশ্বাস থকাটো হৈছে সকলো প্ৰত্যাহ্বানৰে অন্তিম সমাধানসূত্ৰ।

**প্ৰশ্ন ঃ** আজিৰ যুৱপ্ৰজন্মই নিজৰ লক্ষ্যত উপনীত হ'বৰ বাবে কি কি প্ৰদক্ষেপ গ্ৰহণ কৰাটো প্ৰয়োজনীয়?

**উত্তৰ ঃ** ওপৰত কোৱা কথাখিনিত এই উত্তৰটোও আছে। ইতিবাচক মনোভাৱেৰে নিৰ্মল দৃষ্টি নিক্ষেপ কৰিলে সকলো লক্ষ্যৰে পথ দেখা পোৱা যায়। লক্ষ্য এটা নিৰ্ধাৰণ কৰাৰে পৰা লক্ষ্যত উপনীত হ'বলৈ যি সাধনাৰ প্ৰয়োজন আছে তাৰ বাবে যিখিনি সময়, ধৈৰ্য আৰু অধ্যাৱসায় লাগিব, সকলোখিনিৰে এক সুনিৰ্দিষ্ট পৰিকল্পনা থাকিব লাগিব। সময়তকৈ আগত একো নহয় আৰু সাধনা কেতিয়াও অথলে নাযায়।

**প্ৰশ্ন ঃ** ছাত্ৰ অৱস্থাত এজন ছাত্ৰই ৰাজনৈতিক ক্ষেত্ৰখনত ভৰি দিয়াটো সমাজখনৰ বাবে যোগাত্মক নে ঋণাত্মক দিশ বুলি ভাবে?

**উত্তৰ ঃ** খুবেই যোগাত্মক কথা। ৰাজনীতিত ভাল ছাত্ৰৰ প্ৰয়োজন আছে। শিক্ষা আৰু ৰাজনীতি সমানে চলাব পৰাটো কিন্তু সহজ কথা নহয়। শিক্ষা বাদ দি ৰাজনীতিত ভৰি দিলে তেনে ৰাজনীতিয়ে দেশ তথা জাতিৰ সমস্যা সমাধানত ফলপ্ৰসূ হ'ব বুলি আশা কৰিব নোৱাৰি। গতিকে দুয়োটা দিশ সমান্তৰালভাৱে চলাই নিব পৰা ছাত্ৰৰহে এই যোগ্যতা আছে বুলি মই ভাবোঁ।

**প্ৰশ্ন ঃ** সমাজ সংস্কাৰত এজন শিক্ষক আৰু সাহিত্যৰ ভূমিকা বা অৱদান কেনেধৰণৰ বুলি ভাবে।

**উত্তৰ ঃ** সমাজৰ বেয়াখিনি আঙুলিয়াই দি ভালখিনিক উৎসাহ দিব পৰাটো এজন শিক্ষক বা সাহিত্যিকৰ কৰ্তব্য হোৱা উচিত, যিহেতু এজন শিক্ষক বা সাহিত্যিক এক বৃহত্তৰ প্ৰজন্মক পৰিচালনা কৰাৰ ক্ষমতা লাভ কৰে।

**প্ৰশ্ন ঃ** বৰ্তমান দুটা জ্বলন্ত সমস্যাৰ ভিতৰত নিবনুৱা সমস্যা আৰু জলবায়ু পৰিৱৰ্তন সমস্যা অন্যতম, গতিকে ইয়াৰ ওপৰত আপোনাৰ মন্তব্য কি?

**উত্তৰ ঃ** নিবনুৱা সমস্যাৰ বিষয়ে ওপৰত কোনো এঠাইত কৈছোঁ। চাকৰিকেন্দ্ৰিক মানসিকতাৰ পৰা ছাত্ৰ সমাজক মুক্ত কৰি বৃত্তিমূলক শিক্ষা গ্ৰহণেৰে জীৱনৰ নিৰাপত্তা প্ৰদান কৰিব লাগিব।

জলবায়ু পৰিৱৰ্তনৰ সমস্যাৰ বাবে আমি মানুহেই দায়ী। জনসংখ্যা বিস্ফোৰণ, আবাসস্থল তথা নগৰীকৰণৰ বাবে প্ৰকৃতিৰ ওপৰত অত্যাচাৰ আমি মানুহেই কৰিছোঁ। মানুহ জাতিটো আত্মকেন্দ্ৰিক নহৈ সমূহ জীৱ-জগতৰ বাবে চিন্তা কৰিব লাগিব। অন্যথা এই সমস্যাই মানৱ জাতিকে নিঃশেষ কৰিব।

**প্ৰশ্ন ঃ** আপুনি যিহেতু বিজ্ঞান বিষয়ত যথেষ্ট অধ্যয়ন কৰিছে। গতিকে আপুনি বিজ্ঞান আৰু গাঁও সমাজৰ সম্পৰ্ক আৰু ইয়াৰ খুটিনাতিসমূহক কেনেদৰে পৰ্যালোচনা কৰিব।

**উত্তৰ ঃ** মই ইতিহাসৰ ছাত্ৰ। ইতিহাসৰ ছাত্ৰ হিচাপেও মই বিজ্ঞানসন্মত আচৰণক অগ্ৰাধিকাৰ দিওঁ। পিছপৰা সমাজৰ অনগ্ৰসৰতাৰ এক মূল কাৰক হিচাপে অন্ধবিশ্বাস আৰু কুসংস্কাৰ বুলি ভাবোঁ। যেতিয়ালৈ যুক্তিবাদৰ আধাৰত সমাজ এখনে গতি কৰিব নোৱাৰে, তেতিয়ালৈকে সেই সমাজে আধুনিকতাৰ লগত তাল মিলাই চলিব নোৱাৰিব।

**প্ৰশ্ন ঃ** আধুনিকতাৰ কৰাল গ্ৰাসত আমাৰ সংস্কৃতি বিপদাপন্ন হৈছে, মানুহবোৰৰ মানৱীয় গুণ হেৰাই বস্তুবাদী হোৱা দেখা গৈছে। ইয়াৰ ওপৰত আপোনাৰ মতামত।

**উত্তৰ ঃ** আধুনিকতাৰ প্ৰকৃত অৰ্থটো ব্যাপক আৰু বিস্তৃত। ঠেক গণ্ডীৰ মাজত আধুনিকতাক ৰাখিলে সংস্কৃতি বিপন্ন হোৱাৰে কথা। প্ৰথমে আধুনিক শব্দটোৰ প্ৰকৃত ব্যাখ্যা হৈ লওকচোন বাৰু।

**প্ৰশ্ন ঃ** অসমীয়া সমাজ জীৱনত পৰা পশ্চিমীয়া প্ৰভাৱক আপুনি কেনেধৰণে চায়?

**উত্তৰ ঃ** বিশ্বায়নৰ সময়ত আমি পূবৰ পৰা পশ্চিমলৈ, উত্তৰৰ পৰা দক্ষিণলৈ সকলো দিশৰে লগত সংযোগ স্থাপন কৰিব লাগিব। সেইবুলি শিপা পাহৰিলে নহ'ব।

পশ্চিমীয়া প্ৰভাৱে আমাৰ সমাজ জীৱনত একো ক্ষতি কৰিব নোৱাৰে যদিহে আমাৰ ঘাই শিপাডাল সুৰক্ষিত হৈ থাকে। অসমীয়া সমাজ জীৱনৰ মুক্তশৈলীয়ে আমাৰ স্বতন্ত্ৰতাত সদায় গুৰুত্ব দি আহিছে, আমি মুক্ত হৈও অসমীয়া জাতি আৰু ভাষাৰে একত্ৰিত হৈ আহিছোঁ, গতিকে পশ্চিমীয়া প্ৰভাৱক লৈ মই বৰ চিন্তিত নহওঁ।

**প্ৰশ্ন ঃ** সততে উচ্চাৰিত হোৱা এটি অভিযোগ আছে যে, 'অসমীয়া সমাজ কৰ্মবিমুখ আৰু অতি আৱেগিক' এই সন্দৰ্ভত আপোনাৰ মতামত জানিব বিচাৰিম।

**উত্তৰ ঃ** কৰ্মবিমুখিতাৰ অভিযোগ আছে। আচলতে এইটো কোনো নিৰ্দিষ্ট জাতিক লৈ ক'ব নোৱাৰি, মানুহৰ এয়া সহজাত প্ৰবৃত্তি। মানে টানত নপৰালৈকে কোনেও কষ্ট কৰিব নোখোজে। অসম এখন ধানে-ধনে উভেনদী ৰাজ্য। প্ৰকৃতিয়ে সকলো উজাৰি দিছে অসমক। আনহাতে পাহাৰীয়া ঠাইসমূহ নতুবা বিহাৰ, ৰাজস্থানৰ দৰে ৰাজ্যত মানুহৰ জীৱনশৈলী বহুত কঠিন। অসমীয়া মানুহৰ এই সহজ জীৱনশৈলীয়ে নিজ ৰাজ্যত কৰ্মবিমুখী হৈ উঠাৰ অভিযোগ আছে। অথচ এইখিনিয়েই কিন্তু বহিঃৰাজ্যত কৰ্মঠ হৈ কাম কৰাৰ সুনাম আছে।

আৱেগৰ কথাটো ক'বলৈ গ'লে মই মই আৱেগিক বুদ্ধিমত্তাৰ কথা ক'ব খুজিম। আবেগক নএগ্ৰাৰ্থক ৰূপত নলৈ শক্তিৰ ৰূপত গ্ৰহণ কৰিলে বহুত কাম হোৱাৰ সম্ভাৱনা আছে।

**প্ৰশ্ন ঃ** এইখিনিতে আন এটা প্ৰশ্নলৈ আহিছোঁ, আমি দেখি আহিছো যে সমাজৰ বহু শীৰ্ষস্থানীয় ব্যক্তিয়ে কিছুসময়ত স্ব-বিৰোধিতা মন্তব্য কৰা দেখা যায়। এইক্ষেত্ৰত আপোনাৰ দৃষ্টিৰে সমাজখনত এনে মন্তব্যই কেনেকুৱা প্ৰভাৱ পেলাব পাৰে বুলি ধাৰণা কৰে।

**উত্তৰ ঃ** স্ব-বিৰোধিতা ক্ষতিকাৰক। স্ব-বিৰোধিতা দুই ধৰণেৰে কৰিব পাৰে। কেতিয়াবা জ্ঞাতে, কেতিয়াবা অজ্ঞাতে। যিসকলে জানি-বুজি স্ববিৰোধী মন্তব্য ৰাখে, তেওঁলোকক সুবিধাবাদী বুলি ভবাৰ থল আছে। যিসকলে নজনাকৈ স্ব-বিৰোধী মন্তব্য ৰাখে তেওঁলোকক অবিবেচকী মনৰ বুলি ভাবিব পাৰি। সুবিধাবাদী নতুবা অবিবেচকী- দুয়োটা প্ৰবৃত্তিয়েই সমাজৰ বাবে ক্ষতিকাৰক।

**প্ৰশ্ন ঃ** আপুনি আজৰি সময়খিনি কেনেদৰে অতিবাহিত কৰে?

**উত্তৰ ঃ** কিতাপ পঢ়ি ভাল পাওঁ। মাজে মাজে লিখিবলৈ চেষ্টা কৰোঁ। সময় পালে কিশোৰ চেমনীয়াৰ মাজত কটাব খোজোঁ। ইয়াৰোপৰি মেণ্ডোলিন আদি বাদ্য বজাই অতিবাহিত কৰোঁ।

**প্ৰশ্ন ঃ** বৰ্তমান সময়ত বিভিন্ন শিক্ষানুষ্ঠানত ৰেগিংৰ দৰে ঘটনা পুনৰ হোৱা দেখিব পোৱা গৈছে গতিকে ইয়াৰ আঁৰৰ কাৰণ আৰু এই সমস্যাৰ সমাধানৰ পথ কি বুলি ভাবে?

**উত্তৰ ঃ** প্ৰাথমিক স্তৰৰ পৰাই ছাত্ৰ-ছাত্ৰীসকলক কাউন্সেলিং আদিৰ মাধ্যমেৰে সুস্থ মন এটাৰ অধিকাৰী কৰি তুলিলে ৰেগিঙৰ দৰে সমস্যাসমূহ গুৰিতে নাশ কৰি তুলিব পৰা যাব। বহুতখিনি মহাবিদ্যালয় তথা বিশ্ববিদ্যালয়ে ৰেগিং সমস্যা নিৰ্মূল কৰিব পাৰিছে, বাকীসকলেও এই আৰ্হিত কাম কৰিলে সফল হোৱাৰ আশা কৰিব পাৰি। এণ্টি ৰেগিং স্কোৱাড সবল হ'ব লাগিব। কৰ্তৃপক্ষৰ ভূমিকাই মূল।●

অনুগল্প

# বেদনা

অনুৰণন শৰ্মা
পঞ্চম ষাণ্মাসিক

ছবছৰীয়া অনু মাক উমাৰ সৈতে স্কুলৰ অভিভাৱকৰ সভালৈ গৈছে। লগৰ বন্ধু-বান্ধৱীয়ে সকলোকে মাক-দেউতাকৰ সৈতে দেখি তাই মাকক কৈছে—"মা! মোৰ দেউতা কিয় নাহে? তুমি দেউতাক কিয় কোৱা নাই স্কুললৈ মতা বুলি?" উমাই কি উত্তৰ দিব। নিষ্ঠুৰ নিয়তিয়ে যে উমাৰ শিৰৰ সেন্দূৰখিনি কেতিয়াবাই মচি আছিল। অনুৰ জন্মৰ এবছৰৰ পিছতেই বিহুৰ বজাৰ কৰিবলৈ বুলি অশোক ওলাই গৈছিল। কিন্তু সেই যে অশোক গৈছিল কেতিয়াও আৰু উভতি নাহিল। ঘৰলৈ বিহুৰ বজাৰৰ বিপৰীতে খবৰ আহিল "অশোক আৰু নাই"। উদণ্ড গাড়ীৰ চালকৰ চকাই অশোকৰ শৰীৰ চূৰ্ণ-বিচূৰ্ণ কৰি দিছিল। অনুলৈ বুলি অনা সেই বগা ফ্ৰকটো তেজেৰে ৰাঙলী হৈ মাজবাটত পৰি ৰৈছিল। আজিও মাজ নিশাৰ চন্দ্ৰমাত ভাহি উঠা অনুজনীৰ মুখখন চাই উমাৰ হৃদয়ৰ এচুক মোচৰ খাই যায়। অনুৰ প্ৰশ্নই শব্দহীন নিঃসংগতাই ক্লান্ত কৰি পেলোৱা উমাজনীৰ হৃদয়খন ভাঙি চুৰমাৰ কৰি দিছিল। কিন্তু উমাই মৰমেৰে অনুৰ মূৰত হাত বোলাই আকাশলৈ আঙুলিয়াই কৈছিল—"তোমাৰ সাধুৰ দৰে সৌ ডাৱৰৰ মাজত বহি দেউতাই আমাক চাই আছে।"●

# অনুৰাগ

মৃদুলা চুতীয়া
পঞ্চম ষাণ্মাসিক

সেইদিনা আছিল
কলেজৰ নৱাগতৰ প্ৰথমটো দিন,
বগা চুৰিদাৰযোৰৰ সৈতে
তায়ো আহিছিল সোণাৰুৰ দেশলৈ,
মিচিকিয়া হাঁহিটোৰে
মোৰ হৃদয়খন কাঢ়ি নিয়া
ডালিমগুটীয়া দাঁতৰ গৰাকী,
মিছ ডট ডট ...
: Excuse Me শুনকচোন ...
Physics Department কোনটো বাৰু?
দেখুৱাই দিব নেকি?
ঃ অহ্ newcomer!
(উফ্‌ফ্ কি হৃদয়স্পৰ্শী কণ্ঠ, কি কওঁ)
উমম
এই যে blue colour building টো দেখিছা, সেইটোৱেই...
: ouu, thank you.
দীঘল বেণীগোঁথা চুলিখিনি পাছফালে নি, তাই গুচি গৈছিল
Department ৰ ফালে
আৰু মই তাতেই ৰৈ আছিলোঁ
আকৌ এবাৰ ঘূৰি চাব বুলি,
উহো নাচালে ...
ঘৰলৈ আহি বিছনাত পৰিলোঁ,
নাই, কলেজত কালিলৈ নৱাগত আদৰণি সভা বুলি ইমানবোৰ
কাম কৰি আহিলোঁ, ভাগৰৰ নামত

অলপো টোপনি নাহিল। দুচকো মুদিলেই কেৱল তাইৰ মুখখনি,
মিছ ডট্ ডট্ ...
ছেঃহহ... নামটোৱেই সুধা নহ'ল
থাকক আজিলৈ ...

পাছদিনা ...
আজি নৱাগত আদৰণি সভা,
ভিৰৰ মাজত মোৰ মনটোৱে যে কেৱল তাইক বিচাৰি ফুৰিছিল।
হঠাৎ এটি ঘোষণা,
এগৰাকী নৱাগতাই গান গাব;
নাম নীহাৰিকা দত্ত।

হাতত গিটাৰখন লৈ
দীঘল চুলিকোচা মেলি
stage ত মোৰ হৃদয়ৰ গৰাকী
মিছ নীহাৰিকা দত্ত।
মই যেন এনেকথৰে তাইলৈ চাই ৰৈছিলোঁ। তাইৰ গিটাৰৰ সুৰ মোৰ হৃদয়ত বাজিছিল। heartbeat
fast হৈ গৈছিল ...
অনুৰাগ তোমাৰ বাবে
অনুভূতি তোমাৰ বাবে ...

দিনবোৰ বাগৰিল ...
আজিকালি দেখোন হৃদয়খন
তাইৰ মৰমলগা মুখখনিতে থমকিব খোজে।
আৰু ...
মোৰ হৃদয়ত লাগিৰোৱা তাইৰ সুৰটো যে ... উফফ্

এদিন আমাৰ অসমীয়া বিভাগৰ মহলাৰ সন্মুখত ৰৈ আছিল।
মুখত স্বাভাৱিক হাঁহিটোৰে
সৈতে তাই মোৰ ফালে আগবাঢ়ি আহিছিল।

ঃ hlww
ঃ Hi, চিনি পাইছা?
ঃ উমম, নীহাৰিকা দত্ত
ঃ বাহ্, মোৰ নামটো আপোনাৰ মনত আছে।
ঃ উমম্, কিয় নাথাকিব ... ইমান ধুনীয়া কণ্ঠ তোমাৰ।
ঃ ইচচ্ ...
ঃ মানে বিশেষ কথা নাই,
আপোনাৰ কিতাপ পঢ়িছোঁ, খুউব ভাল লিখে, চিনাকি হ'ব পাৰোঁ?
ঃ (আহ্ তুমি কি বুজিবা প্ৰিয়া, তোমাৰ নামতেই যে মোৰ উকা
ডায়েৰীৰ প্ৰতিটো পৃষ্ঠাত লিখিছোঁ
হাজাৰ কবিতা)
ঃ hey, কি ভাবিছা?

নাই, একো ভবা নাই;
তুমিনো মই লিখা মেলা কৰোঁ বুলি কেনেকৈ জানিলা,
সেইটোহে ভাবিছোঁ।

ঃ ouu, college prospectus ত। এইবছৰৰ শ্ৰেষ্ঠ কবিগৰাকীতো আপুনিয়েই ...
... library ৰ magazine বোৰতো পঢ়িছোৱেই আপোনাৰ কবিতাবেৰ ...
প্ৰশংসাৰ বাবে ধন্যবাদ ... বাৰু মোৰ class আছে ... আকৌ লগ পাম ... আহিছোঁ
হেই শুনকচোন ...
Can I contact you?

ঃ sure number টো দি গুচি আহিলোঁ তাৰপৰা লাজতে তাইৰ চকুত চকু থৈ আৰু কথা পাতিব নোৱাৰিলো

অভিমানবোৰ সামৰি
ভালপোৱাৰ ঠিকনাটো
তোমাৰ নামত চিৰস্থায়ী
কৰিব খোজো;
গাই যাব খোজো তোমাৰ নামত
পৰিসীমাহীন ৰ'দালিৰ গান।
—উফ্, কি লিখে এই ল'ৰাজনে

এনেকৈয়ে তাই কেতিয়াবা message কৰিছিল ... দিনে দিনে
তাইৰ লগত চিনাকিও
বাঢ়িছিল লগতে মোৰ আৱেগবোৰ ...

বাৰিষাৰ এটি সজল পুৱা ...
মগজুৱে বাধা দিলেও মনটোৱে চোন তাইক কথাবোৰ ক'বলৈ
অনুমতি দিছে, তাইৰ প্ৰতি থকা
মোৰ অনুভৱবোৰৰ কথা, অজানিতে তাইক পাই পেলোৱাৰ
কথা ...
হাতত ছাতি এটা লৈ
তাই বৈ আছিল, সোণাৰুজোপাৰ তলত।
অস্থিৰ চকুযুৰি লৈ তাই যেন মোৰলৈকে বৈ আছিল।

ঃ Good morning
ঃ morning, Niharika.

ভালেই হ'ল আপোনাক ইয়াতেই লগ পালোঁ।

অ' কিবা কথা আছিল নেকি? মানে ... মইয়ো তোমাক কথা
এটা কম কম বুলি কোৱা হোৱা
নাই ... সঁচা কথা ক'বলৈ গ'লে কথাটো ক'বলৈ সাহসখিনি
গোটাব পৰা নাছিলোঁ। ...
অ' কওঁকচোন কি কথা আছিল আপোনাৰ।

উমমম

কি হ'ল বৈ গ'ল যে

নীহাৰিকা, প্ৰথম লগ পোৱা দিনাৰে পৰা মই তোমাক ভাল
পাই পেলাইছোঁ ... তোমাক মোৰ
হৃদয়ে বিচাৰে।

ঃ oh God, really
কথাটো মই বিশ্বাস কৰিব নাইপৰা ...

তোমালোক Science ৰ মানুহবোৰ এনেকুৱাই নেকি বাৰু?
Proof নহ'লে বিশ্বাস নকৰাচোন।
প্ৰমাণ দিব লাগিব নেকি?

তাই তেনেকৈয়ে আঁতৰি গৈছিল কোনো উত্তৰ নিদিয়াকৈ,
থৈ
গৈছিল মোৰ বাবে মাথোঁ
দোমোজাবোৰ ... সেইদিনা তাই message এটাও কৰা
নাছিল। ভাবিলোঁ ... মোক তাই বেয়া পোৱা
নাইতো?
পিছদিনা একেখিনি ঠাইতে তাই বৈ আছিল লগৰবোৰৰ
সৈতে ... মোক দেখা পাই তাই মাত
লগালে ...

শুনকচোন আপোনালৈ চিঠি এখন আছিল, পঢ়ি চাব ...
চিঠি।

ঘৰলৈ আহি চিঠিখন পঢ়িবলৈ ল'লোঁ ...

আপুনি হয়তো ভাবিছে, এই social media দিনত মই
আপোনালৈ চিঠি কিয় লিখিছোঁ। কিন্তু
মনৰ কথাবোৰ মোৰ যে, এনেকৈয়ে ক'বলৈ মন গ'ল
আপোনাক আপোনাৰ কবিতাবোৰৰ
লগতে কবিজনৰো প্ৰেমত পৰিছিলোঁ মই।
বহুত ভাল লাগে
ভাল লাগে আপোনাৰ ব্যক্তিত্ব
ভাল পাওঁ আপোনাক, সঁচাকৈ কৈছোঁ।
আপুনি যদি মোৰ প্ৰেমিকজন সঁচাই হ'ব বিচাৰিছে,
প্ৰতিশ্ৰুতিৰে বান্ধিব নালাগে মোক, সঁচা মৰম ভালপোৱাৰে
চিৰদিন মোৰ হ'লেই মই সুখী
I Love you
Mr. Nilav Phukon
I Love you.

## নীলা খামৰ চিঠি

**চয়নিকা দাস**
স্নাতক দ্বিতীয় ষাণ্মাসিক
ইংৰাজী বিভাগ

মৰমৰ ৰিকু,

মৰম ল'বা, আশাকৰোঁ তুমি কুশলে আছা, তোমাৰ মৰম আৰু ভগৱানৰ কৃপাত মোৰো মংগল। আজি এটা নতুন কলম কিনিলো, বুজিছা? সেয়েহে ভাবিলো তোমালৈ চিঠি এখনকে লিখো। জানাইচোন, নতুনতে কলমবোৰে খহতা লিখে। সেয়েহে বোলো কলমটোও কোমল কৰো আৰু এই সুযোগতে তোমালৈ চিঠিও লিখো। আজি মোৰ মূৰটো বৰকৈ খজুৱাই আছিল। উফি হৈছে। সেইদিনা যে তোমাক পুখুৰীপাৰত লগ কৰিব যাওঁতে তোমাৰ মূৰত হাতখন ফুৰাই দিওঁতে মোৰ হাতত যে উফি লাগি আহিছিল, কিমান যে ঘিণ লাগিছিল নহয়। বাৰু তোমাৰ মূৰৰ উফি তোমাৰ মূৰতে থাকক। কিন্তু মোৰ মূৰত উফি হোৱা দেখি মই আজি হোষ্টেলৰ দাদাৰ দোকানলৈ Head and shoulder ৰ পেকেট কিনিব গৈছিলোঁ। তাতে কি হ'ল জানা? দোকানত সাইলাখ তোমাৰদৰে পিছফালৰ পৰা দেখাত ল'ৰা এজনক দেখিছিলোঁ। মই ভাবিলো, আও তুমি ইয়াত কেনেকৈ। তাকো মোক নজনোৱাকৈ। সেয়েহে মনে মনে পিছফালৰ পৰা বাঘ ঢকা এটা দি মাতিবলৈ যাওঁতেই ল'ৰাজনে পিছফালে ঘূৰিল। তেতিয়া দেখিলোঁ যে, তুমি নহয়চোন। তোমাতকৈও হাজাৰগুণে ধুনীয়া এজন ল'ৰা। তেওঁক দেখি কেনেকুৱা ভাবনা আহিছিল জানা? তেওঁক দেখাৰ লগে লগেই এনেকুৱা লাগিছিল যেন তোমাৰ নামৰ সকলো memories, recycle binত ভৰাই সেই ল'ৰাজনৰ নামৰ নতুন folder এটা মোৰ হৃদয়ত create কৰি ল'ম। কিন্তু মোৰ সেই চিন্তা-ভাবনাত চেঁচা পানী ঢালিলেহি তেওঁৰ যখিনী যেন দেখাত প্ৰেয়সীজনীয়ে। তাই যেতিয়াই আহি তাক পিছফালৰপৰা সাবটি ধৰিলেহি। তেতিয়াই মই লগালগ তোমাৰ স্মৃতিবোৰ recyele bin ৰ পৰা restart কৰি ল'লোঁ।

তুমি ছাগে ভাবিছা, মই সঁচাকৈয়ে তেনেকুৱা কিবা কৰিম। কিন্তু এইটো সত্য তুমিয়ো জানা আৰু মইয়ো জানো যে আমি এটা আনটোৰ অবিহনে অসম্পূৰ্ণ। মোৰ মন-প্ৰাণৰ তুমি সম্পূৰ্ণ আসন গ্ৰহণ কৰিছা। কোনো দেখাত সৰ্বাংগীন সুন্দৰ পুৰুষে কেৱল অলপ সময়ৰ কাৰণেহে চকু জিনিব। কিন্তু মোৰ মন কেৱল তুমিহে জিনিছাঁ। গতিকে এই কথাবোৰ কামোৰ হিচাপে ল'বা দেই। হ'ব দিয়া, আৰু নিলিখোঁ, কলমটো কোমল হৈ গ'ল আৰু মোৰ কামো হৈ গ'ল, ভালকৈ থাকিবা।

—তোমাৰ মৰমৰ মুনু

●●

**চিৰন্তন গগৈ**
উদ্ভিদ বিজ্ঞান বিভাগ

মৰমৰ

তুলিকা,

কেম্পৰ নিৰ্জনতাত তোমালৈ মনত পেলাই কলমটো তুলি ল'লো। আজি বহুদিনৰ পৰাই এই ঘন অৰণ্যৰ নিস্তব্ধতাৰ তোমাৰ উপস্থিতি কামনা কৰিছোঁ। তোমাৰ ফটোখনক বুকুত সাবটি এক নিজম-নিতালমৰা পৰিৱেশত ডুবি গৈছোঁ। বাৰম্বাৰ সেই তোমাৰ প্ৰিয় কবিতা "মমতাৰ চিঠি" কবিতাটো মোৰ মানসপটত অগা-ডেৰা কৰিছে। তুমি যে মোক আবৃত্তিও কৰি শুনাইছিলা; তেতিয়া তোমাৰ মুখেৰে নিগৰিত হোৱা প্ৰতিটো শব্দই মোক অভিভূত কৰি তুলিছিলে। এতিয়াও সেই একেই অনুভৱ আৰু দেহৰ মাজত কম্পনমান অনুভৱ কৰোঁ যেতিয়া তোমাৰ চেহেৰা আৰু তোমাৰ কবিতাবোৰ মোৰ মানসপটত ভাহি আহে। প্ৰকাণ্ড আৰু স্তব্ধ পাহাৰবো, অবিৰামভাৱে গতি কৰা স্ৰোতস্বিনীৰ, মাজত ঘন অৰণ্যবোৰৰ আত্মবিভোৰতাত তোমাৰ উপস্থিতি অনুভৱ হয়। ৭ কিঃ গ্ৰাঃ ওজনৰ বুটজোতা যোৰ, ৫ কিঃ গ্ৰাঃ ওজনৰ ৰাইফলটোতকৈ গধুৰ হৈ পৰে বুকুখন যেতিয়া তোমালৈ মনত পৰা প্ৰৱণতা বেছি হয়। আৰু হঠাৎ যেতিয়া তোমাৰ হাঁহি থকা মুখখন মনলৈ আহে তেতিয়া নিজকে তুলাৰ দৰে পাতল অনুভৱ হয়। কেম্পৰ কামবোৰ শেষ হ'লেই ব'হাগত ছুটী পোৱাৰ কথা শুনিছোঁ।

উশাহবোৰ দীঘলকৈ লৈ নিজকে মনোনিৱেশ কৰিব বিচাৰিছো। কামৰ তাগিদা, কৰ্তব্যৰ প্ৰতি থকা দায়বদ্ধতাই আৰু ৰূপত কলম নিগৰাৰ নোৱাৰোঁ। শেষত ফাগুনৰ দৰে উন্মনা হোৱা, কান্তৰ দৰে ন-মাজেৰে সজোঁৱা তাকে কামনা কৰি সামৰিলোঁ।

ইতি
তোমাৰ বাহাদুৰ সৈনিক
'বিপ্লৱ'

●●

**ত্ৰিদিশা শৰ্মা**
স্নাতক ষষ্ঠ ষাণ্মাসিক
প্ৰাণীবিজ্ঞান বিভাগ

মৰমৰ
স্বপ্ননীল,

পোনপ্ৰথমেই তোমালৈ মোৰ হিয়াৰ অযুত মৰম যাচিলোঁ। তুমি হয়তো আচৰিত হ'বা মোৰ চিঠিখন পাই। সদায় ফোনযোগে কথা পাতি থকা ছোৱালীজনীৰ আকৌ কিহৰ চিঠি? এয়াই হ'ব ছাগে তোমাৰ প্ৰতিক্ৰিয়া। কিন্তু কি জানা। প্ৰতিটো কথা মুখৰ ভাষাৰে প্ৰকাশ কৰাৰ ক্ষেত্ৰত তাহানিৰ দৰেই আজিও মই অসুবিধাত পৰোঁ। সেয়ে ভাবিলোঁ এইবাৰ তোমাৰ জন্মদিনৰ প্ৰাক্‌ক্ষণত তোমালৈ মোৰ কলমৰ ভাষাৰে এখন চিঠি লিখোঁ য'ত থাকিব অব্যক্ত বহু কথা। এইখন হ'ব স্বপ্ননীলৰ স্বৰ্ণালীৰ নীলা খামৰ চিঠি। ...

স্বপ্ননীল! আজি প্ৰায় চাৰিমাহেই হ'বৰ হ'ল তুমি তোমাৰ কৰ্মজীৱনৰ শুভাৰম্ভণি কৰা। আশাকৰোঁ তোমাৰ কৰ্মব্যস্ত জীৱন খুব ভালদৰে পাৰ হৈছে। একেবাৰে তুমি আশা কৰাৰ দৰেই। কিন্তু নীল! তোমাৰ ব্যস্ত সময়বোৰত মই বৰ অকলশৰীয়া অনুভৱ কৰোঁ। বুজিও পাওঁ তোমাৰ ব্যস্ততা এটা নামজ্বলা কোম্পানীৰ এজন উচ্চপদস্থ অভিযন্তাৰ ব্যস্ততা। তোমাৰ সাফল্যত মই সঁচাকৈয়ে সুখী। কিন্তু মনটো কেতিয়াবা অবুজন হৈ পৰে। তোমাৰ সান্নিধ্যত থকা সেই পাঁচটামাহৰ জীয়া স্মৃতিবোৰ মোৰ চকুৰ আগত জীপাল হৈ পৰে।

লুইতৰ পানী এতিয়া বাঢ়ি আহিলে জানা। আমি বহি ঘণ্টাৰ পিছত ঘণ্টা পাৰ কৰা বালিচৰকেইটা লুইতৰ বুকুত হেৰাই গ'লা পৰহিদিনা। দূৰৈৰপৰা ভাহি অহা দিহানামৰ ধ্বনি যে শুনিছিলো চতিয়নাজোপাৰ তলত বহি, শুনিছোঁ সেইজোপাও কোনোবাই কাটি লৈ গ'ল। তোমাৰ অ'ৰিঅও ডাঙৰ হ'ল। ৰাস্তাত পাই অনা অনাথ মেকুৰী পোৱালিৰ চেহেৰা তাৰ নাই এতিয়া। একেবাৰে চফল ডেকাহে যেন গোটেইটো।

"সময় পাখি লগা কাঁড়ৰ দৰে।" আগতে শুনিছোঁ, এতিয়া অনুভৱ কৰোঁ। প্ৰতিটো দিনতেই তোমাক সোনকালে এবাৰ লগ পোৱাৰ আশাৰে ঈশ্বৰক প্ৰাৰ্থনা কৰোঁ। যিদিনা তুমি আহিবা হৃদয়ৰ নদীখনক অকণো বাধা নিদিয়াকৈ প্ৰাণ খুলি কথা পাতিম তোমাৰ সৈতে; ফোনত পতা সেই দহ মিনিটৰ দৰে নহয়।

মোৰ হৃদয়ৰ সেই বিশেষ আৱেগটি তুমি। মোৰ সমস্ত ভালপোৱা তুমি। পুনৰ এবাৰ মোৰ জীয়া কলিজাৰ ৰঙা মৰমৰ তোমালৈ যাচিলোঁ। আগতীয়াকৈ জন্মদিনৰ অলেখ শুভকামনা জনালোঁ। আশাকৰোঁ জন্মদিনৰ আগে আগে চিঠিখন পাবা তুমি। পঢ়ি কেনে প্ৰতিক্ৰিয়া হ'ব তাকেই ভাবি থাকিম মই। অতি সোনকালে পুনৰ এবাৰ লগ পোৱাৰ আশাৰে—

ইতি
তোমাৰ স্বৰ্ণালী

●●

**বৰষা দত্ত**
স্নাতক চতুৰ্থ ষাণ্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ

মৰমৰ
কানাই,

উত্তপ্ত কলিজাৰ বিন্দু বিন্দু শোণিতেৰে আপোনালৈ লিখিছো আজি অন্তিমখন চিঠি। আপুনি নুসুধিলে। মই জানো নোসোধো কোনোদিন 'কেনে আছো মই?' তথাপিও প্ৰশ্নবিহীনতাৰে আপোনালৈ মোৰ উত্তৰ "তুমিহীন মই বিৰহৰ লুইতত পাখি ভঙা বিহগ।"

"চঞ্চলা নদীৰ দৰে পাৰ ভাঙি নিগৰিছে
শেষান্তৰ ঢল,
লেঠেৰী নিছিগা জীৱন গৰখীয়াৰ বাট

আজি সমাপ্তৰ আহ্বকাল।"

মোৰ জীৱনলৈ আহি যাত্ৰা প্ৰেমময় দুপৰবেলাত পুনৰ এৰি ভটিয়াই গ'ল আপুনি। নাজানো কি ভুলৰ পৰিণতি এয়া? আপোনা ৰাবে প্ৰেমৰ সংজ্ঞা কি নাজানো মই! কিন্তু মোৰ মতে, "প্ৰেম এবাৰ আহি এবাৰেই খেলে যৌৱনমতীৰ উদং বুকুত।"

কানাই মজিয়াত পৰি থানবান ৰাধাৰ সন্নিহিত ত্যাগ। মই আধুনিক নাৰী। সেয়েহে ৰাধা হ'ব নোৱাৰো, ৰুক্মিণীৰ অপ্ৰাপ্তিৰ নয়নে উৰালত খুন্দিব মোৰ বুকু। হৃদয়ৰ সমস্ত প্ৰেম উদং কৰি যেতিয়া আপোনাক দিলো, সেই প্ৰেম দুভাগ কৰিব নোৱাৰো। সেয়েহে মৃত্যু মোৰ জীৱনৰ চৰম প্ৰাপ্তি। শিৰৰ অশোক বনত আপোনাৰ হাতেৰে অদৃশ্য সেন্দূৰ আঁকি, হৃদয়ৰ মাৰলিত আপোনাক বহুৱাই মই যাব লৈছো সেই ঠাইলৈ যি ঠাইত মানুহৰ শূন্য অস্তিত্ব।

অ' আৰু এটা কথা কানাই, মোৰ সমাধিত দিবলৈ আপুনি নালাগে চিঙিব বকুল। নিজেই নিজৰ সমাধিত দিবলৈ চিঙি থৈছো অপ্ৰাপ্তিৰ দোমোজাত মৰহা গোলাপ।

কানাই, আপুনিও জানে, অপেক্ষাৰো আছে এক সুকীয়া মাদকতা। পৰজনমৰ শুভক্ষণলৈ মই অপেক্ষা কৰিম, আপুনিয়েই হ'ব মোৰ বঙহৰদেউ। কিন্তু, আপুনি পুনৰ কানাই নহ'ব, বিৰহৰ ঢৌ নুশুনো মই দুনাই।

শেষত কাব্যিক ভাষাৰে ...
"প্ৰেমৰ কপালত মৃত্যুৰ নক্সা নাথাকে
বীজ গণিত ...
আপোনাক ধৰি ল'লো
বেলিৰ উশাহ উৰিলেও আপুনিয়েই হ'ব,
ভালে থাকক, ভালে থাকক সকলো,
পূৰ্ণতা পাওঁক, প্ৰেমামত্ত যুৱীয়া শালিকা ...

ইতি
আপোনাৰ ৰাধা

●●

লাকী বেগম
স্নাতক দ্বিতীয় ষাণ্মাসিক
নৃতত্ত্ব বিভাগ

প্ৰিয়তম
অভি,

আশাকৰোঁ তুমি কুশলে আছাঁ। নিলিখি নোৱাৰিলোঁ। আচলতে নোৱাৰোঁ জানা! তোমাৰ কথা নাভাবি থাকিব নোৱাৰোঁ। তুমি মোৰ জীৱনৰ পৃষ্ঠাবোৰত মচিব নোৱাৰাৰ দৰে হৈ গ'লা। সেই যে কলেজত তোমাক প্ৰথম দেখাৰ পৰাই বুকুত এক নতুন ভাব আহি পৰিছিল। সেইদিনাৰ পৰা তুমি মোৰ আটাইতকৈ প্ৰিয় হৈ পৰিলা। মোৰ দুচকুৱে জানা! প্ৰতিটো ক্ষণত তোমাকে বিচাৰে। তোমাক দেখা পোৱাৰ লগে লগে বুকুখনত শিহৰণ জাগি উঠে। নাজানো কিয়? তোমাৰ ওচৰ পালেই যেন মই এখন বেলেগ পৃথিৱীতে আহি পৰিছোঁ তেনে লাগে। কোলাহল পৰিৱেশতো তোমাক দেখা পোৱাৰ লগে লগে নিৰ্জনতা আহি পৰে। গভীৰ নিশাৰ হুমুনিয়াহবোৰত তোমাৰ ছবিয়ে উজাগৰী কৰি ৰাখে।

জানা অভি, দিন বাগৰাৰ লগে লগে, এই ভালপোৱাৰ সত্ত্বাটো অচিন হ'লেও গভীৰ হৈ পৰিছে। জীৱনৰ আগৰ বাটছোৱাৰ বাবে এমুঠিমান সপোন পুৰি ৰাখিছো তোমাৰ সৈতে। লগতে এমুঠিমান নিভাঁজ বুকুৰ পৱিত্ৰ ভালপোৱা কেৱল তোমাৰ বাবে। তুমি মোৰ বাবে এজোপা সুগন্ধিভৰা ফুল, যাৰ সৌন্দৰ্যৰ কোনো তুলনা নাই আৰু যিয়ে কঢ়িয়াই আনে মনলৈ এক নতুন সজীৱতা। নাজানো অভি, এয়া কেনেকৈ, কেতিয়া আৰু কিয় হ'ল। মোৰ এতিয়াও বিশ্বাস নহয় যে মোৰ দৰে এজনী নিচেই সহজ-সৰল ছোৱালীজনীৰ মনতো কেতিয়াবা এনে ভাবনা আহি পৰিব বুলি। এই নতুন ভাবনাই মোৰ মনত বহুতো আশা কঢ়িয়াই আনিছে। যাক মই আজি ভাষাৰে বুজাব নোৱৰা হৈছোঁ।

তোমাৰ দুচকুৰ গভীৰতাত কেতিয়াবা ডুব যাবৰ মন যায়। নীলবৰণীয়া আকাশৰ দৃশ্যত কেৱল তোমাৰ ছবিখনেই ভাহি আহে। আৱেগেৰে গঢ়া মোৰ হৃদয়খনত মাথোঁ তোমাৰ ভাব নিৰন্তৰে বৈ থাকে।

নাজানো, কিহৰ তাড়নাত তুমি মোৰ বাবে ইমান আপোন হৈ পৰিলা। নাজানো, কিয় তোমাৰ বাবে মই ইমান

ব্যাকুল। বুজিব নোৱাৰো, কিয় মই তোমাৰ ভাবত ইমান মগ্ন। বুজিব নোৱাৰো আৰু বুজিবলৈ চেষ্টাও নকৰোঁ। কাৰণ এই অচিনাকী ভাবটো মোৰ বাবে একেবাৰে নতুন। যিয়ে মোৰ মনটোক এখন পৃথক পৃথিৱীলৈ লৈ যায়।

শেষত, বহু কথাই আছে ক'বলৈ কিন্তু আজি মোৰ কলমত শব্দৰ অভাৱ ঘটিছে, যদিও মোৰ প্ৰতিটো সৃষ্টিৰ তুমিয়েই উৎস। বুকুত বহু সাহস গোটাই আজি ইমানখিনি কথা ক'লো। তোমাৰ উত্তৰলৈ বাট চাই ৰ'ম। আশাকৰো তুমি এনেদৰে সদায় সুখী থাকা।

ইতি

তোমাৰ প্ৰেয়সী

●●

**লুনাৰাণী গগৈ**

স্নাতক ষষ্ঠ ষাণ্মাসিক

উদ্ভিদ বিজ্ঞান বিভাগৰ

মৰমৰ

তুমি ...

মৰম ল'বা ... বোধকৰো তুমি ঠিকেই আছা ... ঠিকেই নাথাকিলেও ঠিকে থাকিব যত্ন কৰিবা ... কাৰণ তুমি ভালে নাথাকিলে তোমাক ভালপোৱা মানুহবোৰে জানো ভালদৰে থাকিব পাৰিব?

বাৰু ... এইবোৰ বাদ দিয়া ... সেইদিনা তোমাক কলেজত দেখিছিলো ... প্ৰায় আঠমাহৰ পিছত তোমাক দেখিছা ... তোমাক দেখাৰ লগে লগে যে মোৰ বুকুখন কিমানজোৰে কঁপিছিল মই তোমাক বুজাব নোৱাৰিম। মন গৈছিল জানা তোমাক এষাৰ মাত্ৰ মাত দিবলৈ ... কিন্তু নোৱাৰিলো ... পৰিস্থিতিয়ে নিদিলে ... ক্লাছ শেষ হোৱাৰ পিছত তোমাক এবাৰ বিচাৰিও গৈছিলো ... কিন্তু সেইয়াও নহ'লগৈ ... দীঘলকৈ হুমুনিয়াহ এটা কাঢ়ি অনুভৱখিনি নিজৰ মাজতে সামৰি ৰাখিলো। কিবা এক বুজাব নোৱৰা শোকে খুন্দা মাৰি ধৰিছিল ... প্ৰকাশ কৰিব হয়তো কোনোদিন নোৱাৰিম। আজি জানানে ৰেলীত যাওঁতে তোমালৈ বৰকৈ মনত পৰিছিল। ৰ'দত যে ইমান দূৰ খোজ কাঢ়ি যাওঁতে সকলোতকৈ আগত আহি মোকে পানীৰ বটলটো দিছিলাহি ... মনত আছেনে তোমাৰ?? মোৰ যে কিমান ভাল লাগিছিল সেইদিনা ... কিন্তু আজি চোৱাচোন তুমিটো মোৰ কাষত নাই ...

কেতিয়াবা মন যায় জানো সকলো ঠিক কৰি পুনৰ আমি এক হৈ পৰিম ... কিন্তু মনটোৱে সোঁৱৰাই দিয়ে আকৌ যেন একেটা ভুল নকৰোঁ। তোমাক মই আগতেও বেয়া পোৱা নাছিলো আৰু আজিও নাপাওঁ ... তোমাৰ কথা বেয়াকৈ ক'লে মোৰ আজিও গাত লাগে ... ক'ব মন যায় তুমি বেয়া নহয় ... তুমি এজন সঁচা হৃদয়ৰ ব্যক্তি যিয়ে আনক নিস্বাৰ্থভাৱে মৰম কৰে ভালপায়। কিন্তু আমাৰহে জানো সম্পৰ্কটোত ক'ত কেণা লাগিল ... সকলোবোৰ যেন এবাৰতে শেষ হৈ গ'ল। একো কোৱাৰ সুবিধাই আমি কাকো নিদিলো ... সেইবাবে হয়তো সকলো শেষ হৈ গ'ল ...

তুমি গ'লে থাকা সদায় ... আজিও মই তাকে কামনা কৰিলোঁ ... তোমাৰ সপোনবোৰ পূৰণ হ'লে মই সুখী হ'ম ... কাৰণ মই জানো তুমি জীৱনটোৰ পৰা কি বিচাৰা ... চিঠিখনৰ জৰিয়তে এটা কথা ব্যক্ত কৰোঁ ... তোমাক এবাৰ লগ পোৱাৰ ইচ্ছা আছে ... কথা পাতিব আছে ... আশা কৰোঁ আমি এদিন লগ পাম ... ঠিক এজন বন্ধুৰ দৰে... এজন ভাল বন্ধু ... কুশলে থাকা...

ইতি

তোমাৰ মৰমৰ

পাহি....

●●

**আধা লিখা কথাবোৰ...**

ইৰাজী বিভাগ

স্নাতক ষষ্ঠ ষাণ্মাসিক

মোৰ মৰমৰ শশাংক

মৰম ল'বা,

তোমাৰ ছাগেই মনত আছে ন যেতিয়াত তুমি মোক প্ৰেমৰ প্ৰস্তাৱ দিছিলা। সেইদিনা আছিলে ২৭ ফেব্ৰুৱাৰী। আৰু মই তোমাৰ সেই প্ৰেমৰ প্ৰস্তাৱ গ্ৰহণ কৰিছিলোঁ ৭ মাৰ্চ। আৰু তেতিয়া তুমি যে মোক কৈছিলা গোটেই জীৱন মোৰ লগত থাকিম লাহে লাহে আমাৰ মৰমবোৰ বাঢ়ি আহিছিল। তুমি মোক যে মৰমত পোৱালি বুলি মাতিছিলা মনত আছে ছাগে

তোমাৰ? সঁচাকৈ সেই দিনবোৰ বৰ অতুলনীয় আছিলে। আৰু প্ৰেমৰ দিনবোৰ চলোতে তুমি মোক এদিন হনুমান মন্দিৰ গোগামুখলৈ মাতিছিলা মইয়ো গৈছিলো। কাৰণ তোমাৰ বিহুৰিয়া মোৰ ধেমাজি যথেষ্ট দূৰ আছিল। তথাপিও আমি আমাৰ প্ৰেমবোৰ একতা বান্ধোনত থৈছিলোঁ। কেৱল ইজনে সিজনক ভাল পাইছিলোঁ। মনত আছে ছাগে তোৰ এই যে শপত খাইছিলি সেই মন্দিৰত কৈছিলি যে তোক কেতিয়াও নেৰোঁ বুলি যেতিয়া আঁতৰি যাম তেতিয়াহে ভাবি ল'বি যে মই মৰিলোঁ বুলি। কি হ'ল? তই ছাগেই মোক ভাল পোৱাই নাছিলি বুলি যেতিয়া তোক কওঁ তেতিয়া তই মোক একে চৰে বুলি। আমাৰ দিনবোৰ সঁচাকৈ বহু ভাল আছিল। তই যে মোক লগ কৰিবলৈ আহ আকৌ যোৱা সময়ত দুইটাই কান্দো মনত পৰে বহুত। সেইদিনবোৰ ভিডিঅ' কলিংবোৰ ৰাতি তোৰ কল অহাবোৰ উফ কি যে দিন আছিল। সঁচাকৈ তই কিন্তু মোৰ বাবে বহুত মৰমৰ আছিলি। আমি স্ফূৰ্তিত কম ঘূৰিছিলো ভাবিলে বহুত মনত পৰে। তই ছাগৈ ভালে আছ য'তেই নাথাক। মৰমবোৰ স্মৃতিবোৰ এটা কোণত ৰাখিছোঁ। মই দিয়া ফুলাম গামোচাখন ভালকৈ থৈছ যাতে কোনোৱে ল'ব নোৱাৰে তোৰ পৰা, আৰু এনেকৈ ছাগে সম্পৰ্কবোৰ হেৰাই যাব ধৰিলে দূৰন্ত সম্পৰ্ক বিচ্ছেদ হ'ব ধৰিলে। বৰ দুখ লাগে সেইবোৰ ভাবিলে যিকি নহওঁক ভালে থাক মৰমবোৰ সাঁচি ৰাখিবি মই তোৰ হৈয়ে ৰ'ম সদায়। ভালে থাক সদায় মই তোকেই ভাল পাওঁ মই সলনি হোৱা নাই চিন্তা নকৰিবি গঁগে, বহত ভাল পাওঁ যদি সঁচাকৈ ভাল পাইছিলি ভুলবোৰ শুধৰাই ঘূৰি আহিবি আশা কৰিলোঁ। দুবছৰ প্ৰেমৰ দিনবোৰ অথলে যাব নিদিবি। আছো সদায় আগৰলৈকে আছোঁ গুচি আহিবি। ভুলবোৰ ক্ষমা কৰি গুচি আহিবি গঁগে ...।

তোৰ মৰমৰ
পোৱালি ...

**প্ৰিন্সী কলিতা**
স্নাতক দ্বিতীয় ষান্মাসিক
সমাজতত্ত্ব বিভাগ

প্ৰতি,
মৰমৰ

আপোনালৈ ফাগুনৰ উৰুঙা মৰম যাচিছো। আশা কৰো আপুনি ভালে আছে। মোৰো ভালেই। মইতো কোনো কবি নহয়, আপোনাৰ আৰু ফাগুনৰ সম্পৰ্ক বিচাৰি কবিতা লিখিবলৈ! এইয়া মাথোঁ, অলস সময়ৰ উকা কাগজৰ ভাঁজত বুলাই দিয়া মৰমৰ হস্তাক্ষৰ। জানে, ফাগুনৰ এই বতাহজাকেযে মোক আপোনাৰ কথাই সুঁৱৰাই গৈছে। তেজৰঙা শিমলুজোপাই মোৰ ৰঙহীন জীৱনত ৰামধেনুৰ বহন সানিছে। মই জানো, ফাগুন আহে আৰু আপোনাৰ সান্নিধ্যত এই উৰুঙা ফাগুনেও বসন্তৰ ৰঙেৰে জীপাল হৈ সাজি লয় এটি প্ৰেমৰ কবিতা। কোনে জানো কৈছিল, শিমলু ফুলা মানেই হেনো প্ৰেমৰ বতৰা। কিন্তু ক'তা, আপোনাৰ অনুপস্থিতিত মায়ানগৰীৰ সেই শিমলুজোপাইওচোন মোৰ মৰহা মনটোক জীপাল কৰিব নোৱাৰে। এতিয়া মাথোঁ, সিক্ত দুচকুৰে ৰিক্ত বুকুত এবোজা আশা লৈ বৈ আছো মই, মায়ানগৰীৰ সেই আবেলিবোৰলৈ ..., যেতিয়া আপুনি আহিব ৰ'দৈ অকা বাটেৰে নতুনৰ সম্ভাৱনা লৈ। য'ত আশা থাকে, তাত সম্ভাৱনাৰ দুৱাৰ এখনো থাকে, সেয়ে মই অপেক্ষাৰত ...। ফাগুনবোৰ বৰ দুষ্ট জানে, অব্যক্ত অনুৰাগবোৰকো জগাই তোলে এই ফাগুনে। সেয়ে কাহানিও নিলিখো বুলি ভবা কথাবোৰো আজি আপোনাৰ বাবে লিখিলো। অকণমান সময় উলিয়াই এবাৰ পঢ়ি চাব। মই অপেক্ষা কৰি ৰ'ম আপুনি অহালৈ ...

ইতি
আপোনাৰ অভিমানী প্ৰেয়সী

গ্ৰন্থ সমালোচনা

# 'প্ৰিয়বন্ধু'

**পাৰবিন চেতিয়া**
স্নাতক দ্বিতীয় ষাণ্মাসিক, বুৰঞ্জী বিভাগ




প্ৰকাশক ঃ
ৰাজেন্দ্ৰ মোহন শৰ্মা
ডাঃ ৰবীন্দ্ৰ মোহন শৰ্মা
চন্দ্ৰ প্ৰকাশ
পৃষ্ঠা ঃ ৩৭২
মূল্য ঃ ৩২০ টকা
প্ৰথম প্ৰকাশক ২০১৯ চনৰ নৱেম্বৰ মাহত

মণিকুন্তলা ভট্টাচাৰ্যৰ ৰচনা কৰা উপন্যাসবোৰতকৈ প্ৰিয়বন্ধু সম্পূৰ্ণই ব্যতিক্ৰম। যুৱ প্ৰজন্মক কেন্দ্ৰ হিচাপে লৈ লিখা এই উপন্যাসখনে অতি দ্ৰুতবেগী, মেদহীন অতি আধুনিক উপন্যাস। আজিৰ সময়ত সহপাঠীৰ সম্পৰ্ক বন্ধুত্বলৈ, বন্ধুত্বৰ হৰ্ষ-বিষাদৰ পৰ্যবেশনকলৈ কেনেকৈ ঘটে তাৰেই এক প্ৰতিচ্ছবি প্ৰচ্ছায়াত দাঙি ধৰিছে। সাপ্তাহিক কাকতত ধাৰাবাহিক উপন্যাস হিচাপে প্ৰকাশ হোৱা যুৱতৰা শীৰ্ষক উপন্যাস গ্ৰন্থ ৰূপ প্ৰিয়বন্ধু। ইয়াৰ প্ৰত্যেকটো চৰিত্ৰ শুভ্ৰা, নিয়ৰ, বুদ্ধ, পাৰ্থ, চাহজাহান, ইকবালহঁতে পাঠকৰ মনত এক সাঁচ বহুৱাই গৈছে।

উপন্যাস এখন সমালোচনা কৰাটো মোৰ বাবে অত্যন্ত কঠিন বিষয়। তথাপিও প্ৰিয়বন্ধুখন পঢ়া পাছত নিজৰ মনৰ কথাবোৰ প্ৰকাশ নকৰাকৈ থাকিব নোৱাৰিলো।

কাহিনীটোৰ মূল চৰিত্ৰ শুভ্ৰা আৰু নিয়ৰে আৰম্ভ হোৱা এই কাহিনীটো আজি দিনৰ বন্ধুত্বৰ মূল ছবিখনহে যেন দাঙি ধৰিলে। যি শক্তি বন্ধুত্বও আছে সেই শক্তি পৃথিৱীৰ আন ক'তো যেন আৰু নাই। মাতৃবিহীন শুভ্ৰা জীৱনে মোক বৰকৈ আকৰ্ষণ কৰিছিল। শুভ্ৰা খুব কম বয়সতে ঘৰৰ সকলো দায়িত্ব পালন কৰি গৈছিল। ঘৰৰ সমস্ত কাম কৰি পঢ়া-শুনাতো ইমান মেধাবী হোৱাতোযে যেন তাইক বেলেগতকৈ অলপ বেলেগ কৰি তুলিলে। শুভ্ৰাৰ সকলোতকৈ ভাল বন্ধু আছিল নিয়ৰ। নিয়ৰে শুভ্ৰাৰ প্ৰতিটো মুহূৰ্তত লগ দিছিল। স্কুলৰ দিনৰ পৰাই লগতে অহা-যোৱা কৰা নিয়ৰ আৰু শুভ্ৰা ইটোৱে সিটোৰ এক অভ্যাসত পৰিণত হৈছিল। সঁচা বন্ধুত্বৰ প্ৰকৃত ছবিখন নিয়ৰ চৰিত্ৰটোৱে বৰ সুন্দৰকৈ দাঙি ধৰিছিল। চকলেট খাই ভাল পোৱা শুভ্ৰাৰ মনত পাৰ্থই কৰা দখলত যেন মই সোমাই পৰিছিলো। কিন্তু নিয়ৰ যেন বন্ধুত্বৰ অন্য এক উদাহৰণ। বুদ্ধৰ দৰে বন্ধু আজিৰ সময়ত পাবলৈ নাই। বন্ধুৰ বাবে ঘণ্টাই উপস্থিত থকাটো কাৰো বাবে সম্ভৱ নহয় আৰু নোৱাৰেও। কিন্তু বুদ্ধই পাৰে। বুদ্ধৰ মনত কোনেও দুখ নেদেখে। আনকি কোনেও একো নাজানে তাৰ মনৰ কথাবোৰ। কোনো এজন লগৰে তাৰ মনৰ কথা সুধি চোৱা নাই। তাৰ বন্ধুত্বই, বন্ধুৰ বাবে সদায় প্ৰস্তুত তাৰ মনটোৱে মোক বাৰে বাৰে লৈ গৈছিল উপন্যাসখনৰ ভিতৰলৈ।


মাক নোহোৱা শুভ্ৰাৰ মনত পাৰ্থই যি এক ভালপোৱা ফুল ৰুইছিল সেই ফুল যেন মৰহি গৈছিল এটা সময়ত। পাৰ্থৰ এক্সিডেণ্টৰ খবৰটোৱেই যেন কঁপাই গৈছিল শুভ্ৰা মনৰ ভিতৰচৰা। এক্সিডেণ্টৰ পাছৰ পৰাই পাৰ্থৰ খবৰ নোপোৱা হৈছিল শুভ্ৰাই। প্ৰেম সকলোৰে জীৱনত আহে। কিছুমানৰ স্থায়ী হৈ ৰয় যায়। কিছুমানৰ নৰয়। শুভ্ৰা ডিপ্ৰেছনতো সোমাই পৰিছিল সেইটো সময়ত। নিয়ৰ নথকা হ'লে চাগে তাই কেতিয়াও জীৱনত আগবাঢ়ি যাবলৈ সাহসখিনি নাপালে হ'লে হয়। এইখিনিতেই বন্ধুত্ব বিশেষ প্ৰেমে কৰিব নোৱৰা কামো বন্ধুত্বই কৰি পেলাই। এইখিনিতেই নিয়ৰে কোৱা কথা এযাৰে মনটো চুই গ'ল। সবেই বাই কৈ আঁতৰি নাযায় কিছুমানে মনে মনে আঁতৰি যায় মাত নিদিয়াকৈ।

তথাপিও শুভ্ৰাক লৈ কিছুমান প্ৰশ্ন উত্থাপিত হৈ থাকে মোৰ মনত। সন্ধিয়া চাহজাহানৰ বাইকৰ পিছত উঠি আহি ঘৰৰ

পদূলিত এটা চুমাৰ বাবে ব্যাকুল হোৱা শুভ্ৰালৈ খঙো উঠিছিল বহুবাৰ। মনতে বহুবাৰ কৈ উঠিছিল—নিয়ৰৰ মাজত কিয় তাই প্ৰেম দেখা নাই? নিয়ৰেও তাইৰ বাবে বহুত কৰিছে। তেন্তে চাহজাহানৰ বাবে হোৱা অনুভৱ তাৰ বাবে হোৱা নাই কিয়? শুভ্ৰাই যি কৈছিল তাকে মানি লৈছিল নিয়ৰে। বাৰে বাৰে নিয়ৰে ফালি নিয়া বহীৰ পৃষ্ঠাটোৰ কথা কৈ পাৰ্থক ভালপোৱাৰ কাৰণ দিওতে মনতে কৈছিলো—"নিয়ৰেও তাইক টকা দিছিল। বুদ্ধৰ হাততেই দি পঠিয়াইছিল তাইৰ বাবে টকা। এইবোৰ কথা তাই কিয় ভবা নাই? কেৱল পাৰ্থৰ কথা প্ৰতিটো সময়তে ভাবি নিজৰ জীৱন ধ্বংস কৰিব লৈছিল। তাই এবাৰো নিয়ৰৰ মাজত লুকাই থকা তাইৰ প্ৰতি থকা সঁচা ভালপোৱাখিনিক এবাৰো চোৱা নাছিল। নিয়ৰ বন্ধুত্বতো যে প্ৰেমৰ আকাংক্ষা থাকিব পাৰে সেই কথা তাই এবাৰো কিয় ভবা নাছিল?"

৩৭২ পৃষ্ঠা এই উপন্যাসখনেই সঁচা অৰ্থত বন্ধুত্ব, প্ৰেম, ঈৰ্ষা সকলোবোৰ সুন্দৰকৈ বৰ্ণনা কৰি থৈ গ'ল। যি শক্তি বন্ধুত্বত আছে সেই শক্তি যেন পৃথিৱীৰ ক'তো বিচাৰি পোৱা নাযাব। নিয়ৰে কৈছিল—"আমি চব বুঢ়া হৈ যামগৈ এনেকৈ, নমৰালৈকে আমি সকলো বন্ধু। প্ৰিয়বন্ধু।" বন্ধুত্ব, প্ৰেম, নিৰাপত্তাৰ সান্নিধ্য সকলোৱে বিচাৰে। নিয়ৰ আৰু শুভ্ৰাৰো এটি বাহ হওক, যুগ আৰু সভ্যতাৰ গছত।

●●




## 'সিহঁত'

**অংকিতা ভট্টাচাৰ্য্য**
স্নাতক দ্বিতীয় ষাণ্মাসিক
অসমীয়া বিভাগ

**০.০০ প্ৰস্তাৱনা ঃ**

**০.০১. পুথি অধ্যয়নৰ গুৰুত্ব ঃ**

ব্যাকৰণবিদ, সাহিত্যিক, সমালোচনা, প্ৰবন্ধকাৰ, সত্যনাথ বৰাদেৱে তেওঁৰ দ্বাৰা ৰচিত অমূল্য গ্ৰন্থ 'সাৰথিৰ' অন্তৰ্গত 'পুথি অধ্যয়ন' নামৰ প্ৰবন্ধটিত উল্লেখ কৰিছিল যে, "পুথি অধ্যয়ন বিদ্যা উপাৰ্জনৰ এটি ঘাই উপায়। পুথি নপঢ়াকৈ কোনেও ক'তো বিদ্যা লাভ কৰিব নোৱাৰে। পুথিৰ বিদ্যা থূপ খাই থোৱা ধনৰ নিচিনা। আনে থূপাই থোৱা ধন হাতত পৰিলে ধন আৰ্জনৰ দুখ-কষ্ট ভোগ নকৰাকৈ ধনৰ ফল ভোগ কৰিব পাৰি। সেইদৰে আনে থূপাই থোৱা বিদ্যা হাতত পৰিলে বিদ্যা আৰ্জনৰ দুখ-কষ্ট ভোগ নকৰাকৈ বিদ্যাৰ ফল ভোগ কৰিব পাৰি।"

**০.২ গ্ৰন্থ সমালোচনাৰ বাবে নিৰ্বাচিত পুথিখনৰ পৰিচয় ঃ** এই সমালোনাৰ বাবে যিখন গ্ৰন্থ মই নিৰ্বাচিত কৰিছো সেইখন হৈছে উপন্যাসিক 'জুৰী বৰা বৰগোহাঞি'ৰ দ্বাৰা ৰচিত, ২০২০ চনত প্ৰকাশিত **'সিহঁত'**। এই উপন্যাসখনৰ প্ৰকাশক বনলতা। এই উপন্যাসখন এখন কাল্পনিক উপন্যাস যদিও ইয়াৰ কাহিনীভাগ আৰু বিষয়বস্তু লেখিকাই বাস্তৱ সমাজৰ পৰা লোৱা এই গ্ৰন্থখনৰ মাজেদি লেখিকাই কাল্পনিক চৰিত্ৰৰ মুখেৰে এচাম লোকৰ প্ৰকৃত যন্ত্ৰণাৰ খতিয়ান দাঙি ধৰিছে। সেয়েহে, অতি জনপ্ৰিয় তথা বহুলভাৱে চৰ্চিত তথা বৌদ্ধিক মহলৰ দ্বাৰা সমাদৃত উক্ত গ্ৰন্থখন সমালোচনাৰ বাবে নিৰ্বাচন কৰি লৈছো।

**০.০৩. উপন্যাসিকৰ পৰিচয় ঃ** অসমীয়া সাহিত্য জগতৰ এগৰাকী উপন্যাসিক 'জুৰী বৰা বৰগোহাঞি'ৰ জন্ম হয় ১৯৭৮ চনত অসমৰ মাজুলীত। তেখেতৰ পিতৃৰ নাম মহেন্দ্ৰ বৰা আৰু মাতৃৰ নাম বীনা বৰা। তেওঁৰ দ্বাৰা ৰচিত কেইখনমান উপন্যাস হৈছে—'নাংফা', 'ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ নন্দিনী', 'সিহঁত' আদি। তেখেতে লাভ কৰা কেতবোৰ বঁটা হৈছে—হৰেন্দ্ৰ চন্দ্ৰ বৰকাকতী উপন্যাস বঁটা, যুৱ প্ৰেৰণা বঁটা আদি।

**১.০.১ গ্ৰন্থখনত মোৰ ভাল লগা চৰিত্ৰ 'পখিলা' ঃ** 'পখিলা' উপন্যাসখনৰ কেন্দ্ৰীয় চৰিত্ৰ। পখিলা কেতিয়াবা এগৰাকী আন্দোলনকাৰী, নিৰ্যাতিতা যুৱতী, সুন্দৰী গাভৰু। কেতিয়াবা সেই পখিলাই হৈছে পুত্ৰক হেৰুৱা, পুত্ৰীক হেৰুৱা এগৰাকী আদহীয়া মহিলা, পেট পৰৱৰ্তীবলৈ মাছ বেচা পোহাৰী হোৱা পখিলা কিন্তু দুৰ্দান্ত সাহসী নাৰী। সংগ্ৰামৰ মাজেৰে জীৱন জীয়াব জনা এগৰাকী সাধাৰণ নিঠৰুৱা মহিলা। যাৰ চকুত এতিয়াও ন্যায় পোৱাৰ দুৰূহ আশা। পুত্ৰক ঘূৰাই পোৱাৰ আশা, আশাবাদী, জীৱনবাদী নাৰী পখিলা। সেয়েহে এই

চৰিত্ৰটো মোৰ প্ৰিয়।

**১.০.২ গ্ৰন্থখন কেতবোৰ ইতিবাচক দিশ ঃ** (ক) গ্ৰন্থখনত নাৰী মনঃস্তত্ব প্ৰকাশ হৈছে। (খ) বড়ো সমাজৰ ৰীতি-নীতি, নাৰী-পুৰুষৰ প্ৰতিষ্ঠিত বিশ্বাস, অন্ধবিশ্বাস আদি বহুতো দিশৰ কথা জনা যায়। (গ) বড়োসকলে কৰা আন্দোলনৰ প্ৰভাৱ সলনি হোৱা সুঁতিৰ কাৰকসমূহৰ চমু আভাস পোৱা যায়। (ঘ) আন্দোলন সুযোগ লৈ এচাম সাধাৰণ ৰাইজৰ ওপৰত হোৱা অমানুষিক অত্যাচাৰৰ জীয়া ছবি দেখিবলৈ পাওঁ।

**১.০.৩ গ্ৰন্থখন কেতবোৰ নেতিবাচক দিশ ঃ** গ্ৰন্থ সমালোচনা কৰিবলৈ সাহিত্যৰ প্ৰতিটো দিশৰ বিশদ জ্ঞান থকা অতি গুৰুত্বপূৰ্ণ। সেই জ্ঞান মই এতিয়াও লভা কৰা নাই। সেয়েহে, এগৰাকী পাঠিকা, স্নাতকৰ ছাত্ৰী হিচাপে নিজৰ মনোভাব দাঙি ধৰিবলৈ চেষ্টা কৰিছোঁ—(ক) গ্ৰন্থখনত ঠায়ে ঠায়ে কেতবোৰ দিশৰ বৰ্ণনাৰ আধিক্য পৰিলক্ষিত হোৱাৰ বিপৰীতে কেতবোৰ দিশত বৰ্ণনাৰ অৱকাশ ৰৈ গৈছে। যেনে জয়াৰ মৃত শৰীৰৰ গোন্ধ, তাত পৰি থকা মাখি, তেজৰ চেঁকুৰাৰ বৰ্ণনা উপন্যাসখনত একাধিকবাৰ কৰাৰ বিপৰীতে, চিলা চৰিত্ৰৰ শেষ পৰিণতি জয়াৰ দৰে হোৱা সত্ত্বেও তাইৰ মনৰ ভাব কি আছিল সেয়া ফুটি নুঠিল। (খ) যুৱতীকালত নিৰ্যাতিতা হোৱা পখিলা আৰু প্লেটি কালত পুত্ৰ, পুত্ৰীক একে ধৰণে হেৰুৱাই নিঠৰুৱা হোৱা পখিলাৰ মানসিক অশান্তি, বিকৃতিৰ দিশে যোৱাৰ আশা দিয়া হৈছে। কিন্তু এগৰাকী উঠি অহা কিশোৰী চিলাৰ মনৰ ভিতৰৰ কোণবোৰ উদ্ভাসিত নহ'ল। (গ) নাৰী চৰিত্ৰবোৰৰ মনৰ কথা যথেষ্ট পোহৰলৈ অহৰা বিপৰীতে পুৰুষ চৰিত্ৰসমূহ আন্ধাৰতেই ৰ'ল।

**১.০.৪ গ্ৰন্থখনৰ সমালোচনা ঃ** গ্ৰন্থ এখনে মোক আকৰ্ষিত কৰে সৰ্বপ্ৰথমে শিৰোনামটিৰে। উক্ত উপন্যাসখনৰ নাম 'সিহঁত'। সিহঁত বুলি কাৰ কথা কোৱা হৈছে? কি কৰে 'সিহঁতে? কোন সেই সিহঁত? জানিবলৈ উৎসুক হৈ পৰে মনটো। যেন শব্দটোৰে ৰহস্যাবৃত্ত কৰি ৰাখিছে কেতবোৰ লোকক। সেই ৰহস্য ভেদ কৰিবলৈ গ্ৰন্থখন মেলি ল'লোঁ।

গ্ৰন্থখনৰ প্ৰথম পৃষ্ঠাতেই এগৰাকী বড়ো যুৱতীৰ অতি বিভৎস আৰু অমানুষিক ধৰণে কৰা ধৰ্ষণ, নিৰ্যাতনৰ ফলত মৃত্যু হোৱা তথা সেই মৃতদেহ থানাৰ বাৰাণ্ডাত বিভৎস ৰূপত পৰি থকাৰ বৰ্ণনা কৰা হৈছে। এই মৃতদেহটো কেইবাদিনো পুৰণি বুলি লেখিকাৰ বৰ্ণনাৰ মাজেৰে জানিব পৰা যায়। গেলিবলৈ লোৱা মৃতদেহটোৰ বৰ্ণনা কৰিছে গ্ৰন্থখনৰ মুখ্য চৰিত্ৰ বড়ো গাভৰু পখিলাই। বৰ্ণিত হৈছে নিৰ্বিকাৰ, নিৰুদ্বেগ পুলিচ প্ৰশাসনৰ কথা, জয়াৰ মৃতদেহটোৰ দৰেই কোকৰাঝাৰত অৱস্থিত অৰণ্যৰ দাঁতিত থকা বড়ো গাঁওখনৰ প্ৰত্যেক নাৰীয়েই একোটা গেলা শ যেন কঢ়িয়াই লৈ ফুৰে বুকুত। এই গ্ৰন্থখনত বড়োসকলে নিজৰ ভাষাক ৰক্ষা কৰাৰ উদ্দেশ্যে মাতা মতাৰ, আন্দোলন কৰাৰ ফলস্বৰূপে ভোগ কৰিব লগা হয় অলেখ নিৰ্যাতন। পুলিচ বিষয়াই ৰাতিৰ আন্ধাৰৰ সুযোগ লৈ গাঁৱৰ গাভৰু যুৱতীৰ ওপৰত কৰা ধৰ্ষণ, হত্যাৰ বৰ্ণনা অতি যন্ত্ৰণাদায়ক। উপন্যাসখনৰ পৃষ্ঠা ফালি যেন বাহিৰলৈ আহিব গুৰোপ গাৰাপ জোতাৰ শব্দ কৰি সেই ধৰ্ষণকাৰীৰ দল। হত্যা কৰিব গাঁৱৰ ডেকাক নিৰ্মমভাৱে। কাঢ়ি ল'ব ভাষাৰ অধিকাৰ। এনে কাহিনী কেৱল এই কেৱল এই গাঁও বা সমাজখনৰ নহয়। এনে কাহিনী সন্ত্ৰাস জৰ্জৰিত অসমৰ চুকে-কোণে বহুতো আছিল। বেছিভাগ কাহিনীতেই নিৰ্যাতিত অপঠ্য হৈয়েই হেৰাই গ'ল। পখিলা, চিলা, প্ৰমিলা, চিনু, জয়াৰ দৰে নাৰীৰ ক'ত গ'ল। পখিলা, চিলা, প্ৰমিলা, চিনু, জয়াৰ দৰে নাৰীৰ ক'ত অশ্ৰু, চিএৱৰ হেৰাই গ'ল। সিহঁত'ৰ প্ৰতিবাদী সত্তাক, স্বাধীন মন, বিশ্বাসক গছকি পেলোৱা হ'ল। ক'ত ডেকা হাবিত হেৰাই গ'ল। হেৰাই গ'ল ক'ত ডেকাৰ উজ্জ্বল ভৱিষ্যত। তাৰ মাজতে কেইজনমান স্বাৰ্থান্বেষী ডেকাই ৰাজনৈতিক লাভালাভ লৈ পাহৰি গ'ল স্ব-ধৰ্ম, দেশৰ স্বাৰ্থ, নিজৰ মাটি, সমাজ, গাঁওখনক। যিদৰে পাহৰি গ'ল নিৰঞ্জনহঁতে, বিশ্বজিতহঁতে। সাধাৰণ চহা লোকৰ কান্ধত ভৰি দি উঠি গ'ল ৰাণীহঁতৰ ৰাজনৈতিক ভৱিষ্যত। ল'ৰাবোৰে বন্ধুক তুলি ল'লে হাতত। কেতবোৰে চৰকাৰৰ আগত বন্ধুক পেলাই লাভান্বিতও হ'ল। কিন্তু জাহ গ'ল নাৰীসকল। এই উপন্যাসখন সেই সিহঁতবোৰক লৈয়েই ৰচিত। শাসক, শোষক, শোষিতবোৰেই হৈছে সেই সিহঁত। তেজ, ধূলি, অশ্ৰুৰে ধূসৰিত এক সামাজিক অৱস্থা, কেতবোৰ ঘটনাৰ বৰ্ণনাৰ সমষ্টি এই গ্ৰন্থখন—'সিহঁত'।

**১.০৫. গ্ৰন্থখনৰ বাবে পৰামৰ্শ ঃ** মই এগৰাকী ন-পাঠিকা হিচাপে, প্ৰতিষ্ঠিত লেখিকা জুৰী বৰা বৰগোহাঞিৰ দ্বাৰা ৰচিত এই উপন্যাস 'সিহঁত'ৰ বিষয়ে পৰামৰ্শ দিবলৈ মই অপৰাগ।

কিন্তু এগৰাকী ছাত্ৰী হিচাপে মই এই অনুৰোধ কৰিব বিচাৰোঁ যে, গ্ৰন্থখনৰ মূল্য কিছু হ্ৰাস কৰিলে আমি ক্ৰয় কৰি গ্ৰন্থখন নিজৰ সংগ্ৰহত থ'ব পৰা হ'লে অতিশয় লাভান্বিত

হ'লোহেঁতেন। দ্বিতীয়তে, গ্ৰন্থখনৰ চৰিত্ৰসমূহৰ বিষয়ে অধিক বৰ্ণনা কৰিলে চৰিত্ৰৰসমূহৰ মনঃস্তত্বৰ বিষয়ে অধিক জানিব পাৰি, নাৰী মনঃস্তত্বৰ গভীৰতম দিশবোৰ জানি লাভান্বিত হ'লোহেঁতেন। পঢ়ি থাকিলেও হেঁপাহ নপলোৱা জীয়া বৰ্ণনাৰে বৰ্ণিত কাহিনীভাগ আৰু দীঘল হ'লে নিশ্চয় বড়ো সমাজ, নাৰীৰ স্থিতি, আন্দোলনৰ সময়ে সময়ে হোৱা পৰিৱৰ্তন আদিৰ কেতবোৰ অধিক দিশ পোহৰলৈ আহিলহেঁতেন।

**২.০. সামৰণি ঃ**

উপন্যাস একোখন সমাজৰ দাপোণ। ই একোটা সামাজিক অৱস্থাক প্ৰকট কৰে কল্পনা আৰু বাস্তৱৰ সাজসজ্জাৰে বিভূষিত কৰি। উক্ত উপন্যাসখন লেখিকাৰ বৰ্ণনাশৈলী, স্পষ্টবাদিতা, সাহসিকতাৰ প্ৰতিভূ। কালিকা লগা অসমৰ এছোৱা সময়ক দৰ্শোৱা এক দুখৰ দস্তাবেজ।

●●




# 'হৃদয় এক বিজ্ঞাপন' ঃ বঞ্চনা নকৰা সত্যৰ সন্ধানৰ কাহিনী

**চিৰঞ্জীৱ সন্দিকৈ**
স্নাতক দ্বিতীয় যাণ্মাসিক, ৰাজনীতি বিজ্ঞান বিভাগ

"মৃত্যু সহজ
সহজ প্ৰেমো
সহজ কাম মোৰ প্ৰিয় নহয়
মোক এটুকুৰা হৃদয় দিয়া
ধাৰলৈ হ'লেও,
কিস্তিকৈ কিস্তিকৈ শোধ কৰিম ঋণ
জীৱনেৰে
জীৱন মোৰ বাবে আটাইতকৈ কঠিন,
জীয়াই থকাটো তাতকৈয়ো—"

(হৃদয় এক বিজ্ঞাপন, অনুৰাধা শৰ্মা পূজাৰী)

অসমীয়া সাহিত্যৰ কিংবদন্তি পুৰুষস্বৰূপ হোমেন বৰগোহাঞিদেৱে যিগৰাকী সাহিত্যিক নতুন প্ৰজন্মৰ আটাইতকৈ শক্তিশালী আৰু প্ৰতিভাশীল লেখিকা বুলি স্বীকাৰ কৰিছে তেঁৱেই হৈছে সকলোৰে পৰিচিত অনুৰাধা শৰ্মা পূজাৰী। 'নাহৰ নিৰিবিলি ছাঁ', 'জলছবি', 'সোণ হৰিণৰ চেঁকুৰ', 'মেৰেং', 'কাঞ্চন', 'নীল প্ৰজাপতি', 'এজন ঈশ্বৰৰ সন্ধানত' আদি জনপ্ৰিয় গ্ৰন্থৰ ৰচয়িতা অনুৰাধা শৰ্ম্মা পূজাৰী একেধাৰে কবি, ঔপন্যাসিক আৰু সু-সাংবাদিক। ২০১১ চনত 'ইয়াত এখন অৰণ্য আছিল' শীৰ্ষক গ্ৰন্থৰ বাবে সাহিত্য অকাডেমী বঁটা লাভ কৰা অনুৰাধা শৰ্মা পূজাৰীৰ জন্ম হৈছিল ১৯৬৪ চনত যোৰহাটত। বিশাল সাহিত্যিক প্ৰতিভাৰ অধিকাৰী পূজাৰীৰ সাহিত্যত সূক্ষ্মভাৱে বিশ্লেষিত হয় মানুহৰ জীৱনৰ প্ৰত্যেকটো দিশ, তেওঁৰ সাহিত্যত প্ৰকাশ পাই মানৰ মনৰ অন্তৰ্দ্বন্দ, মানুহ আৰু প্ৰকৃতিৰ সম্পৰ্ক, ব্যক্তিসত্বা আৰু সমাজৰ মাজত থকা সংঘাত, নাৰীবাদ বা নাৰীত্বৰ বিশ্লেষণ আৰু উল্লেখনীয়ভাৱে মানুহৰ মাজত থকা সম্পৰ্কৰ মাজৰ শূন্যতাখিনি। 'হৃদয় এক বিজ্ঞাপন' তেওঁৰ প্ৰথম উপন্যাস। উল্লেখযোগ্য যে ১৯৯৮ চনত প্ৰকাশ পোৱা এই গ্ৰন্থখন আজি ২০২২ চনতো সমানেই জনপ্ৰিয় আৰু প্ৰাসংগিক। লেখিকাই গ্ৰন্থৰ পাতনিত আৰু বিভিন্ন সাক্ষাৎকাৰত এই কথা উল্লেখ কৰিছে যে হোমেন বৰগোহাঞিদেৱৰ তাগিদাতে এই উপন্যাসখন ৰচনা কৰিছিল, যি প্ৰথমাৱস্থাত 'কলিকতাৰ চিঠি' হিচাপে 'অসম বাণী'ত প্ৰকাশ পাইছিল। মানুহৰ জীৱনৰ ভিন্নৰঙী সোৱাদেৰে পৰিপূৰ্ণ উপন্যাসখনত প্ৰকাশ পাই উঠিছে জীৱন সংগ্ৰাম, সংঘাত, মানুহৰ জীৱনৰ অপ্ৰিয় সত্যবোৰ আৰু মানুহৰ মাজত থকা জীয়াই থকাৰ হেঁপাহ তথা অন্তহীন সন্ধান।

'হৃদয় এক বিজ্ঞাপন'ৰ মুখ্য চৰিত্ৰ হৈছে ভাস্বতী। অসমৰ ছোৱালী ভাস্বতীয়ে মাল্টি নেশ্চনেল কোম্পানীত

চাকৰি কৰা স্বামীৰ সৈতে কলিকতাত বাস কৰাৰ সময়তে এটা গণ্য-মান্য বিজ্ঞাপন কোম্পানীত চাকৰি লাভ কৰে। অত্যন্ত সংবেদনশীল ভাস্বতীয়ে বিজ্ঞান কোম্পানীটোত কাম কৰিবলৈ আৰম্ভ কৰিবৰ দিনাখনিৰে পৰা লাভ কৰিবলৈ ধৰে নিত্য নতুন অভিজ্ঞতা, আৱিষ্কাৰ কৰে বিচিত্ৰ মানুহৰ বিচিত্ৰ চৰিত্ৰাৱলী। তেওঁ দেখিবলৈ পাইছিল কিদৰে কিছুমান মানুহে জীয়াই থাকিবলৈ জীৱিকাৰ বাবে অহৰহ সংগ্ৰাম কৰিব লগা হৈছিল, কিদৰে কিছুমান মানুহৰ বাধ্যতাক আন কিছুমানে ব্যৱহাৰ কৰিছিল, কিদৰে বিজ্ঞাপনসমূহত নাৰীক নাৰীদেহক আকৰ্ষণৰ কেন্দ্ৰ তথা পণ্য হিচাপে গণ্য কৰা হৈছিল, ইপ্সিত কৰ্ম সিদ্ধি কৰিবলৈ বাধ্যত পৰি নাৰী এগৰাকীয়ে কেনেকৈ পুৰুষৰ ওচৰত নিজকে সমৰ্পণ কৰিবলগীয়া হয় কোনোবা পুৰুষৰ ওচৰত, 'গ্লেমাৰ'ৰ লোভত শৰীৰক কেনেকৈ প্ৰদৰ্শন কৰে কিছুমান নাৰীয়ে, সমাজৰ স'তে নচলা নাৰীক কিদৰে প্ৰদান কৰা হয় নষ্ট চৰিত্ৰহীনা আদি আৰু দেখিছিল 'বঞ্চনা নকৰা সত্য'ৰ সন্ধানত হাহাকাৰ কৰা এচাম মানুহ। কাহিনীটোৰ যৱনিকা পেলোৱা হৈছে স্বাৰ্থপৰতাৰ পৰা স্বাৰ্থহীনতাৰ অভিমুখে যাত্ৰা কৰিব খোজা মানুহৰ কথাৰে; চৰম উচ্চাকাংক্ষাক জলাঞ্জলি দি প্ৰকৃতাৰ্থত সুখী হ'বলৈ পাখি মেলা মানুহৰ কথাৰে।

জীৱন আৰু জীৱিকাৰ মাজত থকা পাৰ্থক্যখিনি এই গ্ৰন্থখনত ভালদৰে ফুটি উঠিছে। জীৱনক পিছ পেলাই জীৱিকাৰ পিছত দৌৰি ফুৰা মানুহবোৰ কেনেকৈ অসুখী হৈ পৰে আৰু জীৱনক নিজৰ জীৱিকাৰ ৰূপ দিয়া সকলে কিদৰে জীৱনৰ প্ৰকৃত অৰ্থ বিচাৰি পায় সেই কথা লেখিকাই সুন্দৰকৈ উপস্থাপন কৰিছে। বহুতো লোকে কিদৰে নিজৰ ভালপোৱা কামবোৰ এৰি পেটৰ খাতিৰত, পৰিয়ালৰ খাটিৰত দিনে-ৰাতিয়ে গেবাৰি খাটি কাল কাটিছে আৰু তেওঁলোকে দেখা সপোনবোৰ পূৰ হ'বনে নহয় তাক লৈও লেখিকাই সংবেদনশীলতা প্ৰকাশ কৰিছে। সদায় এজন বুলি গণ্য কৰা হ'ব আৰু ইয়াৰ গত্যন্তৰ হ'লেই আমি অমানুহ হৈ যাম তেনেকুৱা নহয়। প্ৰত্যেক মানুহৰ মাজত লুকাই থাকে আৰু এজন মানুহ। সেই মানুহজনে নিজৰমতে চলিব পাৰিলেহে প্ৰকৃতাৰ্থত জীৱন উপভোগ কৰিব পাৰে। অন্যথাই তেওঁ কেৱল এটা যন্ত্ৰ যি আনৰ স'তে চলে আৰু যাৰ নিজৰ কোনো চিন্তা শক্তি বা বিবেক নাই। লেখিকাই বিবেকৰ বিষয়ে উল্লেখ কৰি বৰ সুন্দৰ বক্তব্য এটা 'মহুৱা বায়' নামৰ চৰিত্ৰটোৰ জৰিয়তে উত্থাপন কৰিছে। তেওঁৰ মতে নিজৰ বিবেকৰ মতে চলিব লাগে, বিবেকৰ কথা শুনিব লাগে। তেতিয়াহে সুখ আৰু শান্তি দুয়োটায়ে জীৱনত লাভ কৰিব পাৰি। হয়তো বিবেকৰ কথা শুনাৰ ফলত কেতিয়াবা প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব লগা হ'ব পাৰে, কিন্তু বিবেকৰ মতে চলিলে সেই প্ৰত্যাহ্বানো ৰোমাঞ্চকৰ হৈ পৰে আৰু আন্তৰিক প্ৰশান্তি মানুহে পাব পাৰে। আধুনিক পৃথিৱীখনত মানুহৰ সম্পৰ্কবোৰৰ জটিলতা বাঢ়িছে; বাঢ়ি অহা ব্যস্ততাই মানুহক মানুহৰ পৰা আঁতৰাই নিছে, যাৰ বাবে প্ৰায়বোৰ মানুহেই ভুগিছে নিসংগতা আৰু একাকীত্বত। এনে পৰিস্থিতিত সকলো মানুহেই বিচাৰে ফুৰে সংগ, প্ৰকৃত মানুহ (সঁচা মানুহ) আৰু এটা বঞ্চনা নকৰা সত্য আৰু হয়তো সেই বঞ্চনা নকৰা সত্যৰ সন্ধান পালেই মানুহে লাভ কৰে জীয়াই থকাৰ প্ৰকৃত আনন্দ, প্ৰকৃত কাৰণ। যেনেকৈ মহুৱা বায়ে মানৱসেৱাৰ পথত বিচাৰি পাইছিল এটা বঞ্চনা নকৰা সত্য, যেনেকৈ ভাস্বতীয়ে পাইছিল প্ৰয়াগৰ সন্তান এটা তুলি লোৱাৰ প্ৰস্তাৱত।

'হৃদয় এক বিজ্ঞাপন' গ্ৰন্থখনৰ ভাষাশৈলী অত্যন্ত সুন্দৰ আৰু সাহিত্যিক গুণসমৃদ্ধ। বিশেষকৈ অনুৰাধা শৰ্মা পূজাৰীৰ যি কাহিনী কথকতা তাৰ ব্যতিক্ৰমী স্বাদে পাঠকক যথেষ্ট আকৰ্ষিত কৰে। লেখিকাৰ শব্দ চয়ন, বাক্য গাঁথনি আদি মই সমালোচনা কৰাৰ ধৃতষ্টা কৰাটো একপ্ৰকাৰৰ অপৰাধ যেনেই হ'ব। পাঠকসমাজে নিজেই উপলব্ধি কৰিব যে সহজ-সৰল ভাষাৰে লেখিকাই কেনেদৰে অত্যন্ত মৌলিক আৰু গম্ভীৰ বিষয় কিছুমান দাঙি ধৰিবলৈ সক্ষম হৈছে। উপন্যাসখনৰ শীৰ্ষকটোৱেই পাঠকক আকৰ্ষণ কৰিবলৈ যথেষ্ট। হৃদয় সকলোকে দিব নোৱাৰি, হৃদয়ৰ বিজ্ঞাপন কৰিব নোৱাৰি অথচ কেতিয়াবা হৃদয়ে হৃদয় বিচাৰে। ঠিক বিজ্ঞাপনৰ দ্বাৰা গ্ৰাহক বিচৰাৰ দৰে। কিন্তু হৃদয় পণ্য নহয়, হ'ব নোৱাৰে। ই মানৱতাৰ মূল। যিজনে হৃদয় পাইছে তেওঁ সকলো পাইছে। যিয়ে হৃদয় নাই পোৱা তেওঁ একোৱেই পোৱা নাই।

নিঃসন্দেহে 'হৃদয় এক বিজ্ঞাপন' আমাৰ দৰে মানুহৰ এক জীয়া কাহিনী। গ্ৰন্থখনৰ কেইবাঠাইতো আমি অনুভৱ কৰোঁ গভীৰ একাত্মতা। এয়া লেখিকাৰ অদ্ভুত প্ৰতিভা যে তেওঁ পাঠকৰ অন্তৰ চুবলৈ সক্ষম হৈছে। অনুৰাধা শৰ্মা পূজাৰী বাস্তৱত এগৰাকী বিৰল প্ৰতিভাকৰ, যাৰ কলমে জীয়াই তোলে একো একোটা কাহিনী। পৰিশেষত হোমেন বৰগোহাঞিদেৱৰ

কথাৰেই এই সুন্দৰ উপন্যাসখনৰ কথা সামৰিব বিচাৰিছো— ''হৃদয় এক বিজ্ঞাপন' তেওঁৰ (অনুৰাধা শৰ্মা পূজাৰী) প্ৰথম আৰু এতিয়ালৈকে একমাত্ৰ উপন্যাস। এই প্ৰথমখন উপন্যাসেই তেওঁৰ সন্দেহাতীত প্ৰতিভাৰ স্বাক্ষৰ বহন কৰিছে। উপন্যাসখনৰ বিষয়বস্তু অসমীয়া উপন্যাসত নতুন। এই বিষয় বস্তুৰ জৰিয়তে লেখিকাই অসমীয়া উপন্যাসৰ দিগন্ত বিস্তৃত কৰাৰ উপৰিও আধুনিক জীৱনৰ এনে কিছুমান মৌলিক প্ৰশ্ন আৰু সমস্যা উত্থাপন কৰিছে যি আনবোৰ কোনো অসমীয়া লেখকে কৰা নাই।''

●●




# 'নীল প্ৰজাপতি'

**চায়া বৰুৱা**
স্নাতক দ্বিতীয় যাণ্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ

লেখিকা ঃ অনুৰাধা শৰ্মা পূজাৰী
গ্ৰন্থৰ প্ৰকাৰ ঃ উপন্যাস
প্ৰকাশক ঃ অনন্ত হাজৰিকা, বনলতা
প্ৰকাশৰ সময় ঃ নৱম সংস্কৰণ ছেপ্টেম্বৰ ২০২০
মুঠ পৃষ্ঠা ঃ ১৩৬
মূল্য ঃ ১৫০ টকা

'নীল প্ৰজাপতি' অনুৰাধা শৰ্মা পূজাৰীৰ এক সুন্দৰ সামাজিক উপন্যাস। বৰ্তমান কৰ্পৰেট পৃথিৱীখনত মানুহ যন্ত্ৰৰ দৰে হৈ পৰিছে। সকলো থাকিও মানুহ যেন আধৰুৱা। টকা-পইচা বিলাসিতা জীৱন এইবোৰ উপভোগ কৰিও মানুহে এমুঠি সুখৰ বাবে হাহাকাৰ কৰি উঠে। বিবাহ যি পতি-পত্নী নামেৰে দুটা সামাজিক সম্পৰ্কত বান্ধ খায়। বুজাবুজিৰ অভাৱৰ বাবেই হওক বা সময়ৰ অভাৱৰ বাবেই হওক কেতিয়াবা বিভিন্ন কাৰণত পতি-পত্নীৰ সম্পৰ্কত ফাট মেলা দেখা যায়। তাৰ পিছতে আহে ডিৰ্ভোছ, এক্সটা মেৰিটেল এফেয়াৰ, লিভিং টুগেদাৰ ইত্যাদিবোৰ। বৰ্তমান যান্ত্ৰিকতাৰ পৃথিৱীখনত জীৱনৰ প্ৰকৃত সুখ বিচাৰি হাবাথুৰি খোৱা মানৱ সমাজৰ ভিন্নমুখী চৰিত্ৰক লৈ 'নীল প্ৰজাপতি' উপন্যাসখন ৰচনা কৰা হৈছে।

'নীল প্ৰজাপতি' উপন্যাসখনত নীলেশ-সুভদ্ৰা, সুজয়-ৰিমঝিম, ৰাহুল-ঊশ্মা, সিদ্ধাৰ্থ বিটপী, ডালিয়া-ৰোহন, সুৰেশ ৰাস্তোগী, হংসৰাজ আদি বিভিন্ন চৰিত্ৰ বিলাকৰ মাজেদি সমাজৰ বাস্তৱিক দিশবিলাক ফুটি উঠিছে। উপন্যাসখনৰ মুখ্য চৰিত্ৰ হিচাপে নীলেশ আৰু সুভদ্ৰাক দেখুওৱা হৈছে। উপন্যাসখনত সুজয়, ৰাহুল, সুভদ্ৰা একেটা অফিচৰে সহকৰ্মী। ডালিয়াৰ তেওঁলোকৰ অফিচত জইন কৰা বেছিদিন হোৱা নাই। সময় সুবিধা পালেই তেওঁলোকে ইজনে আনজনৰ লগত পাৰিবাৰিক সমস্যাৰ বিষয়ে আলোচনা কৰে। এনেকুৱা লাগে উপন্যাসখনৰ প্ৰতিটো চৰিত্ৰই যেন আউল লগা। ৰাহুলৰ পত্নী ঊশ্মাই ৰাহুলৰ মাকৰ সৈতে সুখী নহয়। এই বিষয়টোলৈয়ে তেওঁলোকৰ মাজত দিনে-ৰাতিয়ে তৰ্ক-কাজিয়া আদি চলি থাকে। কাক এৰিব আৰু কাক গ্ৰহণ কৰিব ৰাহুলে? দুয়োজনেটো তাৰ প্ৰিয়। উপন্যাসখনৰ আন এটা চৰিত্ৰ ৰিমঝিমে তেওঁৰ স্বামী সুজয়ক ডালিয়াৰ সৈতে প্ৰেমৰ গোপন সম্পৰ্ক আছে বুলি সন্দেহ কৰে। আনফালে নীলেশেও তেওঁৰ পত্নী সুভদ্ৰাৰ এজন পুৰণি বন্ধুৰ সৈতে সম্পৰ্ক আছে বুলি সন্দেহ কৰিবলৈ লয়। সুভদ্ৰায়ো নীলেশৰ লগত শহুৰেক সুৰেশ ৰাস্তোগীকো যত্ন ৰয় কিন্তু দেউতাকক বেছি গুৰুত্ব দিয়া বুলি ভাবি নীলেশ আৰু সুভদ্ৰাৰ মাজত দূৰত্ব বাঢ়ি যায়। ৰিমঝিমে প্ৰথম অৱস্থাত দামী গাড়ী, টকা-পইচা, বিলাসিতা জীৱন এইবোৰেই সকলোবোৰ বুলি ভাবিছিল। কিন্তু বিটপীৰ ঘৰলৈ গৈ হংসৰাজক লগ পোৱাৰ পিছতহে এই ধাৰণাবোৰ জীৱনৰ প্ৰকৃত সুখ আনিব নোৱাৰে বুলি বুজি পাইছিল। তাই এগৰাকী নৃত্যশিল্পী হোৱাৰ সপোন দেখিছিল। কিন্তু কিছুমান ঘৰুৱা সমস্যাৰ বাবে এই সপোন কেতিয়াবাই মৰহি গৈছিল। হংসৰাজক লগ পোৱাৰ পিছতহে এই সপোনে পুনৰ কলি মেলিছিল। তাৰ মাজতে ডালিয়াৰ ৰোহনৰ সৈতে বিয়া হয় আৰু ৰাহুলে সকলোকে নিথৰুৱা কৰি আত্মহত্যা কৰিছিল।

উপন্যাসখনৰ ভাল লগা এটা চৰিত্ৰ হৈছে ৰিমঝিমৰ ভনীয়েক বিটপী। তাই এগৰাকী নিউজ ৰিডাৰ। সিদ্ধাৰ্থ আৰু তাইৰ কণমানিজনীৰ লগত এখন সুখৰ সংসাৰ। সিদ্ধাৰ্থ-বিটপীৰ আৰ্থিক অৱস্থা বৰ এটা ভাল নহ'লেও সিহঁতে সংগ্ৰাম কৰিছে। সিহঁতৰ পইচাৰ অভাৱ, জিৰণিৰ অভাৱ কিন্তু তথাপিও সুখী। পূৰণ নোহোৱা সপোনবোৰ পূৰ কৰিবলৈ তেওঁলোকে আপ্ৰাণ চেষ্টা কৰিছে। সময়ৰ লগত খোজ মিলাই সকলো বাধা নেওচি যি পাইছে তাতে সন্তুষ্ট হৈ এখন সপোনৰ পৃথিৱী সাজিছে। উপন্যাসখনৰ এই দুটা চৰিত্ৰই প্ৰমাণ কৰে যে বিলাসী জীৱন উপভোগ কৰিলেই মানুহ প্ৰকৃততে সুখী নহয়। যদি স্বামী-স্ত্ৰীৰ মাজত বুজাবুজি নাথাকে বা সন্দেহ অনিশ্চয়তা এইবোৰক বেছি প্ৰাধান্য দিলে কোনো সম্পৰ্কই স্থায়ী হৈ নাথাকে। উপন্যাসখনৰ আন এটা চৰিত্ৰ মিছেছ বেদীৰ পৰাই বুজিব পাৰি যে কেৱল দায়িত্ব পালন কৰিলেই সন্তান সুখী হ'ব নোৱাৰে। সন্তানে পিতৃ-মাতৃৰ স্নেহ, আদৰ-যত্ন পালেহে সিহঁতৰ ভৱিষ্যত সুন্দৰ হ'ব। নীল প্ৰজাপতি' উপন্যাসখন ভাল লগাৰ আন এটা কাৰণ হ'ল—It is a disturbing book।

এগৰাকী পাঠক হিচাপে মোৰো মনত কিছুমান প্ৰশ্ন উত্থাপিত নোহোৱা নহয়! ৰিমঝিমে এগৰাকী নৃত্যশিল্পী হোৱাৰ সপোন দেখিছিল সঁচা কিন্তু তাই এই সপোন পূৰ কৰিব পাৰিলেনে? নে তাই আজীৱন সুজয়ৰ পত্নী হিচাপে গৃহবন্দিনী হিচাপে আৱদ্ধ হৈ থাকিল। সুজয় আৰু ৰিমঝিমৰ মাজত যিবোৰ ঘটি আছে সেয়া সকলোতে ঘটিছেনে। ৰাহুলে যদি ইমানেই পাৰিবাৰিক অশান্তিত সোমাই পৰিছিল তেন্তে সি কিয় ঊৰ্শ্বাক ডিৰ্ভোছ নিদিলে? আত্মহত্যাৰ দৰে এটা চৰম পথ বাছি ল'ব লগা হ'ল কিয়? আত্মহত্যাই কেতিয়াও সমস্যাৰ সমাধান আনিব নোৱাৰে। আমি যুঁজিব লাগিব জীৱনৰ সৈতে। ঊৰ্শ্বায়ো ৰাহুলৰ মাকৰ সৈতে সুখী হ'ব নোৱাৰিলেহেঁতেন নে? নীলেশেও এটা সময়ত সুভদ্ৰাৰ মনত দুখৰ সৃষ্টি কৰিছিল। সুভদ্ৰাৰ দৰে এগৰাকী মৰমিয়াল পত্নী থাকিও নীলেশে অফিচিয়েল ট্যুৰত গৈ এগৰাকী কলগাৰ্লৰ লগত নৈশযাপন কৰিছিল। নীলেশে কৰা ব্যৱহাৰত সুভদ্ৰাই ভাগি পৰিছিল কিন্তু এটা সময়ত সুভদ্ৰাইআ নীলেশক মাফ কৰিছিল। সঁচাকৈ পাৰিলেনে সুভদ্ৰাই নীলেশক আঁকোৱালি ল'বলৈ? অনিশ্চয়তা, নিৰাপত্তাহীনতাত ভোগা ভোগবাদী সমাজৰ এই চৰিত্ৰবোৰ মূলৰ পৰা বিচ্ছিন্ন, নিঃসংগ। ৰঙীন পখিলা সদৃশ এই চৰিত্ৰবোৰ প্ৰকৃততে সুখীনে? এনেদৰে বহুতো প্ৰশ্নৰে নীল প্ৰজাপতিয়ে আমাৰ মাজৰ পৰা বিদায় মাগিছিল।

নীল প্ৰজাপতি উপন্যাসখনৰ ভাল লগা বৰ্ণনাৰ কিছু কিয়দংশ হৈছে—

আকাশৰ বেলিটো সদায় পৃথিৱীৰ সকলো নৃশংসতা, নিষ্ঠুৰতাৰ সাক্ষী, সেই বুলি জানো পিছদিনা নতুন হৈ, নতুন আশাৰে সূৰ্য ওলাই আহে! ইতিহাসৰ কিমান পংকিল দিন সূৰ্যই দেখি মুখ লুকুৱাব খোজে কিন্তু সকলো পাহৰি পিছদিনা সোণালী ছটিয়াই আকাশত নিজৰ উপস্থিতি ঘোষণা কৰে। বেলিয়েও নিশ্চয় প্ৰতিদিনেই অকণমান আনন্দ পায় পৃথিৱীৰ পৰা, সেই আশাতে আকৌ সাজু হয় দ্বিতীয় দিনলৈ। মানুহ যদি বেলিৰ দৰে নহয়, জীৱনৰ গতি স্তব্ধ হৈ যাব।


কোনো মানুহৰ জীৱন অসম্পূৰ্ণ নহয়, যদি তেওঁ সলনি কৰিব জানে।

চখ বস্তুটো ভাল নহয়, ভালপোৱাহে ভাল। কাপোৰ, জোতা কিনাটো চখ হ'ব পাৰে কাৰণ বিষয়টোৱেই অস্থায়ী, কিন্তু ফুলনি পতাৰ বাবে ভালপোৱাৰ প্ৰয়োজন। শাকনিয়েই হওক, ফুলনিয়েই হওক ভালপোৱা অবিহনে হৈ নুঠে। বহু ধনী মানুহৰ ঘৰৰ ফুলনি এখন চৌখিনতাৰ প্ৰদৰ্শন, কিন্তু ফুলনিখন পাতে মালীয়ে। মালীৰ যদি গছ, ফুলৰ প্ৰতি ভালপোৱা নাথাকে, সেয়া বাগিচা ভাল নহয়। তুমি যেতিয়া নিজ হাতেৰে ফুল ৰুইছা, চখত ফুল লহপহ নহয়, ভাল পালেহে তোমাৰ ফুল ৰমকজমক হ'ব।

মুঠৰ ওপৰত কোনো মানুহক লৈ প্ৰয়োজনাধিক উৎসাহ দেখুৱাব নালাগে।

'নীল প্ৰজাপতি' এক সন্ধান, জীৱনৰ অৰ্থ সন্ধানৰ যাত্ৰা ...।

●●




## 'নৈৰ দৰে'

ভাৰতী কলিতা
স্নাতক চতুৰ্থ ষাণ্মাসিক
অসমীয়া বিভাগ

আৰু পাঠক হিচাপে মনৰ কিছু কথা—

"মই ভালপোৱা শৈশৱৰ নৈখনৰ দৰে বৈ ৰোৱা দূৰে দূৰে। মই চুব নোৱাৰো অথচ সেই নৈ সোঁতৰ শব্দত মই যেন টোপনি যাওঁ। হেৰাই যাওঁ নৈৰ শব্দত। শৈশৱৰ সেই নৈখনৰ দৰে মোক কন্দুৱাই ৰাখা দিগন্ত। মোক কন্দুৱাই ৰাখা যাতে মই শিল নহওঁ কোনোদিন।"

নৈৰ কথা কোনে নাজানে? বৈ যোৱাই নিয়ম বুলি তাহানিৰ দিনৰ পৰাই আমি পঢ়ি-লিখি আছিলোঁ। সেই নৈখনক আমি সচৰাচৰ দেখি থকা বা কৈ থকা কথাৰ লগত তুলনা কৰিলে কেনে লাগিব? ভাবিয়েই ভাল লাগি যোৱা কথাবোৰ যেতিয়া সংকলন হিচাপে ধৰা দিয়ে, হয়তো তেতিয়াই "নৈৰ দৰে" গল্প-সংকলন একোখনৰ জন্ম হয়।

নৈৰখনৰ বুকুত অসংখ্য ৰহস্য থাকে যিয়ে নৈখনক সুন্দৰ যাত্ৰা প্ৰদান কৰে।

দেৱাংগ পল্লৱ শইকীয়াৰ নৱতম গল্প-সংকলন (সমীবন প্ৰকাশন'ৰ দ্বাৰা প্ৰকাশিত) 'নৈৰ দৰে'ত ভিন্নস্বাদৰ মুঠ ১৩টা বদ সন্নিৱিষ্ট হৈ আছে। প্ৰতিটোতে আমাৰ সমাজ-ব্যৱস্থা তথা সাধাৰণ মানুহৰ বুকুত ঠাহ খাই থকা আৱেগ-অনুভূতিৰ সুন্দৰ মিশ্ৰণ ঘটিছে।

সমাজ জীৱনত যিবোৰ ঘটনা প্ৰায়ে ঘটি থাকে তাৰে আলমত লিখা হৈছে। 'ছোৱালী' গল্পটোত (দেউতাক আৰু জীয়েকৰ মাজত নিহিত হৈ থকা অনাবিল মৰম-চেনেহৰ জৰীডালৰ বিষয়ে লিখাকে ইমান সৰল বৰ্ণনা কৰিছে, সেয়া নোহোৱাকৈ থাকিব নোৱাৰি। 'ছোৱালী' গল্পটোৰ মাজেদি এগৰাকী স্ত্ৰী দেউতাকৰ কিমান আপোন আৰু সেই বুকুৰ আমঠু ছোৱালীজনীক যেতিয়া আন এখন ঘৰলৈ বোৱাৰী হৈ গুচি যায় তেতিয়া দেউতাকজনৰ কি জয়াল অৱস্থা হয়। তেওঁৰ যে বুকুখনৰ স্পন্দ বৈ যোৱা এটা মৰ্মান্তিক মুহূৰ্ত সৈতে তেওঁ যুঁজ দিয়ে। 'ৰং' গল্পটোৰ জীৱনৰ ৰঙবোৰক প্ৰতিনিধিত্ব কৰিছে। জীৱনৰ ঘাত-প্ৰতিঘাতৰ সুন্দৰ বৰ্ণনা আছে আৰু এই দুটা গল্পই যে পাঠকক কন্দুৱাইছে, মই নিশ্চিত। 'নৈৰ দৰে' বস্তুত সকলো আছে। প্ৰেম, ক্ষোভ, আৱেগ ...। সংকলনখনৰ মূল গল্প সেইটো হোৱাত মোৰ দৰে বহুতৰ কোনো দ্বি-মত নাথাকিব চাগে। স্বভাৱতৰ গল্পশৈলীৰ পৰা বাহিৰলৈ ভুমুকি মাৰি লিখকে 'জড়-জীৱ' গল্পটো লিখি উলিয়াইছে। জড় বস্তুবোৰে পাঠকৰ সন্মুখত ৰৈ কথা কৈ থকাৰ দৰে অনুভৱ কৰাব পৰাটো তেখেতৰ কলমৰ সাৰ্থকতা। 'নিৰুদ্দেশ' গল্পই শেষলৈকে উৎকণ্ঠিত কৰি ৰাখিলে। শেষ হৈয়ো যেন গল্পটো শেষ নহ'ল। "... ৰাজীৱ কিন্তু মৰা নাছিল। সি আছিল। ক'ৰবাত" বুলি শেষ হোৱা গল্পটোৱে মোক অনন্য সোৱাদ দি গ'ল। লিখক হিচাপে দেৱাংগ পল্লৱ শইকীয়া যথেষ্ট সংবেদনশীল ব্যক্তি। সমাজত ঘটি থকা সৰু সৰু ঘটনাবোৰৰ ছবি পাঠক সমাজৰ আগত নিখুঁতকৈ আঁকি দিয়াত লিখক পৰিপক্ক বুলি গাত কৰোঁ। প্ৰতিটো গল্পই সামগ্ৰিক আৰু পৰিৱেশৰ সুন্দৰ আৰু সাৱলীলকৈ ৰচনা কৰিছে।

স্বগতোক্তি নৈৰ ৰঙৰ দৰে বেটুপাতটোৱে "নৈৰ দৰে"ৰ প্ৰতি থকা হেঁপাহটোত যথেষ্ট ইন্ধন যোগাইছে। কাকতালীয়ই হওক বা লিখক নিজ ইচ্ছাৰেই হওক, সংকলনখনত মুঠ ১৩ টা গল্প দিয়াটোৱে ব্যক্তিগতভাৱে মোক সুখী কৰিছে (১৩ ক সাধাৰণতে 'আনলাকী নম্বৰ' বুলি মানে বহুতে)। প্ৰতিটো গল্পৰ চৰিত্ৰৰ নামাকৰণ তথা সেইবোৰৰ কলাত্মক প্ৰক্ষেপে গল্পবোৰক অন্য এক মাত্ৰা প্ৰদান কৰিছে। তাৰ মাজতে 'দাগ' গল্পটোৰ আনকেইটা গল্পৰ তুলনাত মোক কিছু পৰিমাণে নিৰাশ কৰিছে।

গল্প-সাহিত্যৰ মহঙা দিন চলি থকা বুলি সততে শুনিবলৈ পোৱা অভিযোগটো মই মানি ল'বলৈ কিছু অসুবিধা পাইছোঁ। দেৱাংগ গল্পৰ শইকীয়াৰ দৰে লিখকে যেতিয়ালৈকে কলমটো ধৰি থাকিব, তেতিয়ালৈকে আমি অন্ততঃ এই দিশত দুখীয়া বুলি কোৱা কথাষাৰ অযুক্তিকৰ হৈয়ে ৰ'ব। পাঠক হিচাপে আমি দেৱাংগ পল্লৱ শইকীয়াৰ পৰা আৰু আশা কৰিলোঁ।

কথাবোৰ বৈ থাকক, নৈৰ দৰে...
নৈৰ দৰে বৈ থাকক মানুহবোৰ
আৰু নৈৰ দৰে পবিত্ৰ হওক মানুহবোৰ ...




# 'বকুল ফুলৰ দৰে'

**পূজা বৰুৱা**
উচ্চতৰ মাধ্যমিক প্ৰথম বাৰ্ষিক
বিজ্ঞান বিভাগ

"বকুল ফুলৰ দৰে" মৃণাল কলিতাদেৱৰ এখন সংবেদনশীল উপন্যাস। এইখন উপন্যাস কিশোৰ মনঃস্তত্বক উপজীব্য কৰি নিৰ্মাণ হৈছে।

উপন্যাসখনৰ কাহিনীভাগৰ বিষয়বস্তু হৈছে এখন হাইস্কুল আৰু তাত অধ্যয়ন কৰা অসীম। নিৰ্মলকে ধৰি ছাত্ৰসকলৰ লগতে তেওঁলোকৰ শিক্ষক আৰু বিদ্যালয়ৰ শিক্ষাদান প্ৰণালী। উপন্যাসৰ কাহিনীভাগ আৰম্ভ হৈছে বছেৰেকীয়া পৰীক্ষাৰ ফলাফল ঘোষণা কৰা দিনৰেপৰা। বিদ্যালয়ৰ এসময়ৰ মেধাৱী ছাত্ৰ অসীমে কাণে কাণ মাৰি নৱম শ্ৰেণীৰপৰা দশম শ্ৰেণীলৈ উত্তীৰ্ণ হয়। তাৰ এই ফলাফলে বিশেষভাৱে দুজনক হতাশ কৰি তোলে, এজন বিদ্যালয়ৰ গণিতৰ শিক্ষক মহেন্দ্ৰ মাষ্টৰ আৰু আনজন তাৰ বন্ধু নিৰ্মল, সুৰাপায়ী, দেউতাকৰ পৰিয়ালটোৰ প্ৰতি অমনোযোগী মনোভাব আৰু আৰ্থিক অনাটনৰ বাবে অসীমে পঢ়া বাদ দি অৰ্থ উপাৰ্জনেৰে ঘৰখনক সকাহ দিবলৈ সিদ্ধান্ত লয়। শিলৰ কুৰেৰীত শিল ভঙা শ্ৰমিক হিচাপে কাম কৰি ঘৰ চলোৱাৰ দায়িত্ব গ্ৰহণ কৰে। কিন্তু বন্ধু নিৰ্মলে তাৰ এই কাম কেতিয়াও সমৰ্থন কৰিব পৰা নাছিল। সেয়ে অনেক বুজাই-বঢ়াই তাৰ পুনৰ স্কুললৈ যাবলৈ বাধ্য কৰিছিল। কিন্তু দুৰ্ভাগ্যজনকভাৱে সেইদিনা শ্ৰেণীত ভাগৰত টোপনিয়াই থকা অসীমক মহেন্দ্ৰ মাষ্টৰে হাতত স্কেলেৰে খুব জোৰকৈ কোবায়। আগদিনা শিলে থেতেলা কৰা আঙুলিটোৰ পৰা টোপাটোপে তেজ ব'বলৈ আৰম্ভ কৰে। এইবাৰ শ্ৰেণীকোঠা এৰি গুচি যোৱা অসীমৰ ভৰা জগতখনত সি নিজকে খাপ খুৱাই ল'বলৈ চেষ্টা কৰিলে, পঢ়া-শুনাৰ পৰা বহুযোজন আঁতৰি আহিল। কিন্তু নতুনকৈ বিদ্যালয়ত যোগদান কৰা, অভিনৱ মাষ্টৰে যেন নতুন আশাৰ বতৰা কঢ়িয়াই আনিছিল নিৰ্মলৰ মনলৈ। নিৰ্মলে তেওঁক পাই হাততে সৰগ ঢুকি পালে। অসীমক বিদ্যালয়মুখী কৰাৰ প্ৰচেষ্টা পুনৰ আৰম্ভ হ'ল। অসুস্থ ঘৰুৱা পৰিৱেশ আৰু দৰিদ্ৰতাই জীৱন সংগ্ৰামত নামিবলৈ বাধ্য কৰা অসীমক স্বাভাৱিক আৰু অভিনৱ মাষ্টৰৰ সমমৰ্মিতা তথা নিৰ্মলৰ অকৃত্ৰিম সাহৰ্চযই তাৰ হেৰোৱা আত্মবিশ্বাস ঘূৰাই আনিবলৈ সক্ষম হয়। অৱশেষত হাইস্কুল শিক্ষান্ত পৰীক্ষাত স্থান লাভেৰে পুনৰ নিজকে বিদ্যালয়ৰ "জুৱেল" বুলি মহেন্দ্ৰ মাষ্টৰে দিয়া নামটো সাৰ্থক কৰিবলৈ সক্ষম হয়।

"বকুল ফুলৰ দৰে" অসীম নিৰ্মলৰ বন্ধুত্বৰ কাহিনীটিত জীৱনৰ প্ৰতিকূলতাৰ বিৰুদ্ধে যুঁজিবলৈ যে অদম্য সাহস আৰু নিষ্ঠাৰ প্ৰয়োজন তাৰ বিষয়ে ইয়াতপ্ৰকাশ পাইছে।

কৈশোৰ কালক "ধুমুহা আৰু পীড়নৰ সময়" বুলি কোৱা হয়। অসীমৰ মনৰ মাজত বলি থকা ধুমুহাজাকে সেই কথা পুনৰ ভৱাই তোলে। সৰুতে বন্ধুৰ দৰে ব্যৱহাৰ কৰা মৰমিয়াল দেউতাকৰ এজন সুৰাপায়ী তথা অৰ্কমণ্য ব্যক্তিলৈ হোৱা পৰিৱৰ্তনে তাৰ মনত চূড়ান্ত হতাশা আৰু ক্ষোভৰ সৃষ্টি কৰে। "নিজৰ বাপেকক অন্তৰেৰে শ্ৰদ্ধা কৰিব নোপোৱাটো সন্তানৰ বাবে এটা ডাঙৰ দুখ।"

মহেন্দ্ৰ মাষ্টৰ আৰু অভিনৱ মাষ্টৰে দুটা পৃথক শিক্ষাদান প্ৰক্ৰিয়াৰ প্ৰতিনিধিত্ব কৰে। এজনে কঠোৰ অনুশাসনেৰে শিক্ষাৰ্থীক আগবঢ়াই নিবলৈ বিচাৰে আৰু আনজন বন্ধু। দাৰ্শনিক আৰু পথ-প্ৰদৰ্শকৰ ভূমিকাৰে তেওঁলোকৰ অন্তৰত সোমাব বিচাৰে। কিন্তু এই পুৰণি ধ্যান-ধাৰণা শিক্ষাৰ্থীৰ বাবে ক্ষতিকাৰক সেই কথা মহেন্দ্ৰ মাষ্টৰে শেষত উপলব্ধি কৰিবলৈ সক্ষম হয়।

প্ৰকৃত বন্ধুত্ব এক উজ্জ্বল নিদৰ্শন হৈছে নিৰ্মল। বন্ধুৰ প্ৰতি থকা নিৰ্মলৰ শুভকামনা, নিস্বাৰ্থ আন্তৰিকতাই আমাক অভিভূত কৰি তোলে।

উপন্যাসৰ বিষয়বস্তু যেনেদৰে ব্যতিক্ৰমী। উপস্থাপনশৈলীও আকৰ্ষণীয়। বৰ্ণনাও সৰল আৰু মনপৰশা। কিছুমান মুহূৰ্তৰ জীৱন্ত বৰ্ণনাই অন্তৰ চুই যায়। কেতিয়াবা আৱেগিক কৰি তোলে আৰু কেতিয়াবা কিছু কথা নতুনকৈ ভৱাই তোলে। প্ৰতিটো চৰিত্ৰই বুকুত খাঁজ কাটি যায়। প্ৰতিজন কিশোৰ-কিশোৰী, প্ৰতিজন পিতৃ-মাতৃ আৰু প্ৰতিজন শিক্ষক-শিক্ষয়িত্ৰীয়ে 'বকুল ফুলৰ দৰে' উপন্যাসখন এবাৰ হ'লেও পঢ়িব লাগে বুলি নিসন্দেহে ক'ব পাৰি। জীৱনৰ প্ৰতি ইতিবাচক দৃষ্টিভংগী গঢ়ি তোলাৰ, নিজকে নতুনকৈ আৱিষ্কাৰ কৰাৰ তথা পৃথিৱীখনক আৰু ইয়াৰ মানুহবোৰক নিস্বাৰ্থভাৱে ভালপোৱাৰ অমোঘ মন্ত্ৰ উপন্যাসখনৰ পাতে পাতে সিঁচৰতি হৈ আছে।●

প্ৰতিবেদন

# ছাত্ৰ একতা সভাৰ উপ-সভাপতিৰ প্ৰতিবেদন—

**কানৈ বৰ হেপাহৰ, কানৈয়ান বৰ মৰমৰ**

সৰ্বপ্ৰথমে আমাৰ সকলোৰে হেঁপাহৰ কানৈ মহাবিদ্যালয়খনক প্ৰতিষ্ঠাকালৰে পৰা আজিলৈকে যিসকল লোকে অশেষ ত্যাগ আৰু কষ্ট স্বীকাৰ কৰিলে তেওঁলোকলৈ গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ।

মানুহে সপোন দেখে। সপোনবোৰ পূৰ্ণ ৰূপ দিবলৈ চেষ্টা কৰে। মোৰো সপোন আছিল ... অনেক। তাৰ ভিতৰত এক অন্যতম সপোন আছিল উজনি অসমৰ অগ্ৰগনি শিক্ষানুষ্ঠান ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ত অধ্যয়ন কৰাটো। এটা সময়ত সপোনৰ পিছে পিছে আগবাঢ়ি গৈ কানৈ মহাবিদ্যালয়ত ভৰি থ'লোঁহি এজন সাধাৰণ ছাত্ৰ হৈ। নাম পাইছিলো কানৈয়ান। আন ছাত্ৰ-ছাত্ৰীৰ দৰেই নিজৰ বিভাগ ৰাজনীতি বিজ্ঞান বিভাগৰ প্ৰতিটো কাম-কাজত ব্যস্ত হৈ পৰিলোঁ।

কানৈ মহাবিদ্যালয়লৈ অহাৰ পাছত বা অহাৰ আগতো কোনোদিন ভবা নাছিলোঁ যে এদিন এইখন কানৈত উপ-সভাপতি হিচাপে নিৰ্বাচিত হ'ম। সময় আগবাঢ়ি গ'ল। কানৈয়ানে সহায় কৰাত যোৱা ০৬ ডিচেম্বৰ ২০২১ ত অনুষ্ঠিত হোৱা কানৈ মহাবিদ্যালয়ৰ ২০২১-২২ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত উপ-সভাপতি হিচাপে নিৰ্বাচিত হৈ তিনি সহস্ৰাধিক ছাত্ৰ-ছাত্ৰীক নেতৃত্ব দিয়াৰ সুযোগো লাভ কৰিলোঁ। নিৰ্বাচনত জয়ী হৈ বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সমাজৰ বাবে কাম কৰাৰ এটা মন গঢ়ি লৈছিলোঁ। ১৩ ডিচেম্বৰ ২০২১ ত শপত গ্ৰহণ কৰি আনুষ্ঠানিকভাৱে দায়িত্ব গ্ৰহণ কৰি কানৈ মহাবিদ্যালয়ৰ ২০২১-২২ বৰ্ষৰ ছাত্ৰ একতা সভাৰ উপ-সভাপতি হিচাপে ছাত্ৰ-ছাত্ৰীৰ প্ৰয়োজনত সদায়েই মাত মাতি আহিছোঁ। কানৈ মহাবিদ্যালখনক আগবাঢ়ি যোৱাত কিবা অকণমান অৰিহণা আগবঢ়াব পাৰি নেকি তাৰ চেষ্টা অব্যাহত ৰাখিছিলো।

**কানৈ মহাবিদ্যালয়ৰ ২০২১-২২ বৰ্ষৰ ছাত্ৰ একতা সভাৰ উপ-সভাপতি হিচাপে কৰা কেইটামান কামৰ খতিয়ান ঃ**

(ক) সুস্থ শৰীৰেহে মানুহক পঢ়াৰ প্ৰতি আগ্ৰহ জন্মায়। মহাবিদ্যালয়ৰ খেলপথাৰখন বাৰিষা পাছত খেলাৰ বাবে অনুপযুক্ত হৈ আছিল। সেয়ে মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰীয়ে খেলিব পৰাকৈ গোটেই খেলপথাৰৰ মাটিবোৰ সমান কৰি ৰুলাৰ লগাই সমান কৰি ৬ জানুৱাৰী ২০২২ ত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী বাবে মুকলাই দিছিলো।

(খ) মহাবিদ্যালয়ত পাৰ্যমানে শিক্ষা ব্যৱস্থাটো ব্যাঘাট নজন্মাকৈ মহাবিদ্যালয় সপ্তাহৰ প্ৰাৰম্ভিক খেলসমূহ ৮ জানুৱাৰী ২০২২ ৰ পৰা ১১১ জানুৱাৰী ২০২২ তাৰিখলৈ চলাই নিবলৈ চেষ্টা কৰিছিলো। যাক সকলোৰে আমাৰ ছাত্ৰ একতা সভাৰ নৱ চিন্তা আৰু আদৰণী জনাবলগীয়া সিদ্ধান্ত বুলি কৈছিল।

(গ) ২২ জানুৱাৰী ২০২২ তাৰিখৰপৰা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধিনিষ্ঠ মহাবিদ্যালয়সমূহত হ'বলগীয়া দ্বিতীয় যান্মাসিকৰ অফলাইন পৰীক্ষাসমূহ ক'ভিদ পটকল মানি আৰু প্ৰয়োজনত কোৱাৰেণ্টাইনত থকা ছাত্ৰ-ছাত্ৰীসমূহৰ শৈক্ষিক দিশত ক্ষতি নোহোৱাকৈ অনলাইন ব্যৱস্থা কৰি অনুষ্ঠিত কৰিবলৈ কানৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ লগতে MDKC College, Dibru college, NLB CITY college, DHSK COMMERCE collegeৰ ছাত্ৰ একতা সভাই ডিব্ৰুগড় প্ৰশাসন আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয় প্ৰশাসনক একোখনকৈ স্মাৰক প্ৰদান কৰো।

(ঘ) ২৬ জানুৱাৰী ২০২২ ত মহাবিদ্যালয়ত গণৰাজ্য দিৱস উদ্‌যাপন কৰো।

(ঙ) পুন নিৰ্মাণ কৰি ওলোৱা মহাবিদ্যালয়ৰ মূল প্ৰৱেশদ্বাৰখন বন্ধ হৈ থকাত ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ্থে খুব সোনকালে মুকলি কৰি দিবলৈ মহাবিদ্যালয়ৰ কৰ্তৃপক্ষক

আৱেদন কৰো আৰু তাৰ ফলশ্ৰুতিত ২৭ জানুৱাৰী ২০২২ তাৰিখে ডিব্ৰুগড় জিলা উন্নয়ন আয়ুক্ত শ্ৰীযুত সঞ্জয় কুমাৰ ডাঙৰীয়াই মহাবিদ্যালয়ৰ মূল প্ৰৱেশদ্বাৰ খন মুকলাই থৈ যায়।

(চ) ২৯ জানুৱাৰী ২০২২ তাৰিখে সোনোৱাল কছাৰী স্বায়ত্ব শাসিতৰ উন্নয়ন আয়ুক্ত ঋষিকেশ সোনোৱাল ডাঙৰীয়াক লগ কৰি মহাবিদ্যালয়ত এখন বাস্কেটবলৰ প্ৰয়োজনীয়তাৰ কথা অৱগত কৰো আৰু এখন ছাত্ৰ একতা সভাৰ তৰফৰ পৰা স্মাৰক পত্ৰ প্ৰদান কৰো।

(ছ) আধ্যাত্মিকতাই মানুহৰ মনত শান্তি আনে। অতীজৰ পৰম্পৰাকে অনুকৰণ কৰি কানৈ মহাবিদ্যালয়তো ০৫ ফেব্ৰুৱাৰী ২০২২ তাৰিখে বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱীৰ সৰস্বতী পূজাভাগ অনুষ্ঠিত কৰা। বৰষুণৰ আগজাননীৰ বাবে যথেষ্ট প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব লগা হৈছিল যদিও ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপক ড° বিৰাজ দত্ত, ৰসায়ন বিজ্ঞান বিভাগৰ অধ্যাপক ড° দীপাংকজ দত্ত আৰু সৰস্বতী পূজা উপলক্ষে গঠন কৰি দিয়া সমিতিৰ তত্বাৱধানত সুকলমে অনুষ্ঠিত কৰো।

(জ) ১২ ফেব্ৰুৱাৰী ২০২২ তাৰিখে NCC ৰ NORTH EAST REGION (NER) ৰ হৈ গণৰাজ্য দিৱসত NCC ৰ কুচকুৱাছত কমাণ্ডিং আৰু ওমৰ খান (NEE COMMANDER) আলোক শৰ্মা। (ALL INDIA GOURD OF HONOUR)ত অংশ গ্ৰহণ কৰি মহাবিদ্যালয়ৰ লগতে ইষ্টলৈ গৌৰৱ কঢ়িয়াই অনাৰ বাবে ছাত্ৰ একতা সভাৰ পৰা ১০০০০ (দহ হাজাৰ) টকা লগতে একোখনকৈ মানপত্ৰ প্ৰদান কৰো। যাতে অনাগত দিনত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে মহাবিদ্যালয়লৈ সন্মান কঢ়িয়াই আনিবলৈ উৎসাহ যোগায়।

(ঝ) ১৭ ফেব্ৰুৱাৰী ২০২২ তাৰিখে আমি ছাত্ৰ একতা সভাৰ হৈ সভাপতি, উপসভাপতি, সাধাৰণ সম্পাদক, সহকাৰী সাধাৰণ সম্পাদক, আলোচনী সম্পাদক আৰু তৰ্ক সম্পাদককে জনতা ভৱনত মাননীয় শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, মাননীয় কৃষি মন্ত্ৰী তথা ডিব্ৰুগড়ৰ অভিভাৱক মন্ত্ৰী অতুল বৰা আৰু ক্ৰীড়া মন্ত্ৰী বিমল বৰাক লগ কৰি মহাবিদ্যালয়ৰ সমস্যাসমূহ অৱগত কৰো। ফলশ্ৰুতিত নিৰ্মাণকাৰ্য আধাতে সামৰি বহু বছৰ ধৰি পৰি থকা বিজ্ঞান বিভাগৰ ভৱনটোৰ কাৰ্য ক্ষিপ্ৰতাৰে আৰম্ভ কৰি সমাপ্ত কৰে।

(এঃ) ২১ মাৰ্চ ২০২২ তাৰিখে পথ দুৰ্ঘটনাত মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ পঞ্চম ষান্মাসিকৰ ছাত্ৰ প্ৰাচুৰ্য মেচ আমাৰ মাজৰ পৰা হেৰাই যোৱাত ২৩ মাৰ্চত তেওঁৰ বিদেশী আত্মাৰ সদ্‌গতি কামনা কৰি শোক সভা অনুষ্ঠিত কৰো।

(ট) ৰক্তদান মহান দান। ২৫ মাৰ্চ ২০২২ তাৰিখে ছাত্ৰ একতা সভা আৰু NSS ৰ হৈ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ NSS গোটে আয়োজন কৰা ৰক্তদান শিবিৰত ৰক্তদান কৰো।

(ঠ) ২৭ মাৰ্চ ২০২২ তাৰিখে গুৱাহাটী শংকৰদেৱ কলাক্ষেত্ৰত প্ৰজ্ঞা ফাউণ্ডেচনে অসমৰ ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকলক লৈ আয়োজন কৰা YOURH CONCLAVE 2022 তঅংশ গ্ৰহণ কৰো। মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা লগত হোৱা মত-বিনময় অনুষ্ঠানত মহাবিদ্যালয়ৰ সমস্যা অৱগত কৰো।

(ড) ৩১ মাৰ্চ ২০২২ ত NSS য়ে চান্দৈপথাৰত ২৫ মাচৰ পৰা ৩১ মাৰ্চলৈ আয়োজন কৰা ৭ দিনীয়া NSS শিবিৰত অন্তিম দিনা উপস্থিত থাকি NSS ৰ এই পদক্ষেপক সঁহাৰি জনাই অনাগত দিনবোৰত সহায় কৰাৰ প্ৰতিশ্ৰুতি দিও।

(ণ) ৩ এপ্ৰিলৰ পৰা ৬ এপ্ৰিল ২০২২ লৈ গোলাঘাটৰ DKD কলেজত অনুষ্ঠিত হোৱা যুৱ মহোৎসৱত মহাবিদ্যালয়ৰ পৰা প্ৰতিনিধিত্ব কৰিবলগীয়া দলৰ লগত যাওঁ। আশাকৰা ধৰণেৰেই মহাবিদ্যালয়লৈ ৬ টাকৈ পুৰস্কাৰ খিতাপ আজুৰি আনিবলৈ সক্ষম হয়। ইয়াত মহাবিদ্যালয়ৰে ৰাজনীতি বিজ্ঞান বিভাগৰ ছাত্ৰ চিৰঞ্জীৱ সন্দিকৈ বিশেষভাৱে ধন্যবাদৰ পাত্ৰ। যিয়ে ৪ টাকৈ অকলেই খিতাপ আৰু ২ টা যুটীয়াকৈ আনিবলৈ সক্ষম হয়।

(ত) যোৱা জানুৱাৰী ২০২২ ত অনুষ্ঠিত কৰা মহাবিদ্যালয় সপ্তাহৰ প্ৰাৰম্ভিক পৰ্যায়ৰ খেলৰ অন্তিম খেলসমূহ ক'ৰনা আৰু পৰীক্ষাৰ বাবে স্থগিত ৰাখিব লগা হোৱাত পুনৰ ১১ মে' পৰা ১৭ মে' লৈ অনুষ্ঠিত কৰো।

(থ) কুচকুৱাছে নিয়মানুৱৰ্তীয়া, আদেশ আৰু অনুকৰণ মানি চলে। যাৰ বাবে মহাবিদ্যালয় সপ্তাহত নতুনকৈ কুচকুৱাছ সংযোগ কৰিলো। নতুন পাৰফেক্ট বুলি নাথাকে। তথাপিও ভুল-ত্ৰুটিৰ সংশোধন কৰি ১৭ মে' ২০২২ ত মহাবিদ্যালয়ৰ সপ্তাহৰ শেষৰ দিনা অনুষ্ঠিত কৰিলো। ৭টা বিভাগে অংশ গ্ৰহণ কৰিছিল প্ৰতিযোগীতাখন সাফল্যমণ্ডিত

কৰি তুলিছিল। ৰাজনীতি বিজ্ঞান বিভাগে কুচকুৰাছত প্ৰথম স্থান দখল কৰিবলৈ সক্ষম হৈছিল।

(ড) মহাবিদ্যালয় সপ্তাহত আন সম্পাদকসকলৰ ৰেকৰ্ডৰ পৰা আমি শ্ৰেষ্ঠ শিতান ৰাখিছিলো। সেইকেইটা হ'ল মহাবিদ্যালয়ৰ শ্ৰেষ্ঠ বিভাগ—ৰাজনীতি বিজ্ঞান বিভাগ মহাবিদ্যালয়ৰ শ্ৰেষ্ঠ বিভাগ (Best Dept.)

শ্ৰেষ্ঠ সাহিত্যিক (Best Literature) : Chiranjb Handique Pol. Science

শ্ৰেষ্ঠ গায়িকা (Best Literature) : Liza Sonowal Pol. Science

শ্ৰেষ্ঠ খেলুৱৈ (Best Player) : Rush Phukan (Pol. Science)

শ্ৰেষ্ঠ তাৰ্কিক (Best Debater) : Smita Chakraborty (English dep)

শ্ৰেষ্ঠ নাটক ঃ Dhal (Pol. Science)

Best Director: Seemanta Buragohain (Dhal) (Pol.Science)

Best Actor : Mridual Mahanta (Dhal) Pol. Science

Best Actress Mixibixi Senapati (Asta Belir Siyar) (eng dep)

(ধ) ২৪ জুন ২০২২ত সাময়িকভাৱে বিভাগৰ পৰা বিদায় লোৱা লগতে মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ৰ ওচৰত দায়িত্ব এৰি মহাবিদ্যালয়ৰ পৰা ১১ জুলাইত বিদায় লও যদিও ২৩ আগষ্টত ল'ৰা আৰু ছোৱালী হোষ্টেলত অসুবিধাবোৰ বুজ লৈ ছাত্ৰ একতা সভাৰ তৰফৰ পৰা একোখনকৈ সমস্যা সমাধানৰ বাবে অধক্ষ্য মহোদয়ক এখন স্মাৰক প্ৰধান কৰো।

যোৱা ২৩ চেপ্তেম্বৰ মাহত নতুনক আদৰাৰ মাহেন্দী ক্ষণত মহাবিদ্যালয়ৰ তৰফৰ পৰা নৱাগত আদৰণি সভাত উচ্চ শিক্ষা বাবে আনুষ্ঠানিকভাৱে বিদায় দিয়ে। যোৱা ১৫ আৰু ১৬ অক্টোবৰত মহাবিদ্যালয়ৰ ৭৫ বছৰ হোৱা হেতুকে আয়োজন কৰা মহাৰজত জয়ন্তীত মহাবিদ্যালয় কৰ্তৃপক্ষই পুনৰ দায়িত্ব দিয়াত অনুষ্ঠান ভাগ সফল হোৱাত সহায় কৰো। যোৱা ১৪ নৱেম্বৰ ২০২২ত মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা ২০২২-২৩ বৰ্ষ ছাত্ৰ একতা সভাত নিৰ্বাচনত নিৰ্বাচিত হোৱা উপসভাপতি চানক্য নেওঁগক ১৭ নৱেম্বৰত আনুষ্ঠানিকভাৱে দায়িত্ব ভাৰ অৰ্পণ কৰো।

"সময় গতিশীল,
নতুন ইও হয় যে অতীত পুৰণি ..."

প্ৰায় ১০ মাহজোৱা কাৰ্যকালৰ অন্তিম পৰ্যায়ত উপনীত হৈ নিজকে ধন্য মানিছো। এই যাত্ৰাৰ প্ৰতিজন সহযাত্ৰীলৈ মোৰ অন্তৰৰ পৰা কৃতজ্ঞতা। ন ন অভিজ্ঞতাৰে পুষ্ট হৈ ন ন কথা শিকাৰ সুযোগ প্ৰদান কৰাৰ বাবে প্ৰত্যেক কানৈয়ালৈ অশেষ ধন্যবাদ। নিজ কাৰ্যকালৰ সময়চোৱাত কানৈয়ান আৰু কানৈৰ সমস্যাসমূহ দূৰ কৰি কানৈক জিলিকাবলৈ অহৰহ চেষ্টা কৰিছিলো, কিমানদূৰ সফল হ'লো তাৰ খতিয়ান আপোনালোকেই দিব। মাথো অজানিতে হোৱা যিকোনো ভুলৰ বাবে নিজৰেই এজন বুলি ক্ষমা কৰি দিব বুলি আশা ৰাখিলো।

যোৱা ২৫ চেপ্তেম্বৰত নতুনক আদৰাৰ মাহন্দ্ৰী ক্ষণত আমাকো মৰমৰে বিদায় সম্বৰ্ধনা জনোৱা হ'ল, এক নতুন যাত্ৰাৰ বাবে আমাক আগবঢ়াই দিয়া হ'ল এখন বহল আৰু আধুনিক পৃথিৱীলৈ। কানৈয়ে আশা কৰাৰ দৰেই চেষ্টা কৰি মই সমাজ আৰু পৃথিৱীক আলোকাই তুলিবলৈ, নিজক সমপৰ্ণ কৰিবলৈ। যিদৰে সমপৰ্ণ কৰিছিলো নিজকে কানৈ আৰু কানৈয়ানৰ বাবে। উৎসৰ্গিত হওক এই জীৱন মোৰ মানুহৰ বাবে, মহানতম দেশ আৰু জাতি-মাটিৰ বাবে।

সদৌ শেষত মই সকলোলৈকে মোৰ পুনৰবাৰ জনাইছো মোৰ হিয়াভৰা কৃতজ্ঞতা, আশীৰ্বাদ নামৰ শ্ৰেষ্ঠ উপহাৰ পাওঁ যেন প্ৰতি খোজতে।

**বিমান সোনোৱাল**
উপ-সভাপতি
কানৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা

# সহঃ সাধাৰণ সম্পাদকৰ প্ৰতিৱেদন

প্ৰতিবেদনৰ আৰম্ভণিতে সকলোকে সশ্ৰদ্ধ প্ৰণিপাত নিৱেদিছো। কৃষ্ণচূড়া আৰু দেৱদাৰুৰ দেশ ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় হৈছে এক ঐতিহ্যমণ্ডিত উচ্চ শিক্ষানুষ্ঠান এনে এখন নামজ্বলা মহাবিদ্যালয়ত পঢ়িবলৈ পাই নিজকে সৌভাগ্য মানিছো। জীৱনৰ বহু অভিজ্ঞতাৰ ভিতৰত কানৈ মহাবিদ্যালয়ত পোৱা এই নেতৃত্বৰ যি অভিজ্ঞতা সেয়া মোৰ বাবে সদায় চিৰস্মৰণীয় হৈ ৰ'ব। তিনিহাজাৰ পাঁচশ পয়সত্তৰজন কানৈয়ানৰ ভিতৰত ২০২১-২২ বষৰ ছাত্ৰ একতা সভাৰ সহকাৰী সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত হোৱাটো মোৰ বাবে অতিকৈ গৌৰৱৰ বিষয়ে আছিল। ইয়াৰ বাবে মই সমূহ কানৈয়ানৰ ওচৰত চিৰঋণী।

মহাবিদ্যালয়ৰ সহঃ সাধাৰণ সম্পাদক হিচাপে মহাবিদ্যালয়ৰ প্ৰতিটো কামত মই সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিছিলো তথা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰায় প্ৰতিটো সমস্যা সমাধান কৰাত সহায় কৰিছিলো। মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহত মোৰ উদ্যোগত সাংস্কৃতিক শোভাযাত্ৰা, মাৰাঠান দৌৰ আৰু On the Spot Photography এই প্ৰতিযোগিতাসমূহ সুচাৰুৰূপে পাতিছিলো। তদুপৰি বিশ্ব পৰ্যটন দিৱসত এখনি কৰ্মশালা (Workshop) অনুষ্ঠিত কৰোৱাইছিলো। ইয়াৰ লগতে মহাবিদ্যালয়খনিৰ বিভিন্ন সমস্যাসমূহ সমাধানৰ বাবে গুৱাহাটীৰ জনতা ভৱনত বিভিন্ন মন্ত্ৰী MLA ক লগ কৰি স্মাৰক পত্ৰ দাখিল কৰিছিলো। সফল হ'ব নোৱাৰিলেও, মহাবিদ্যালয়লৈ এটা Gym অনাৰ যৎপৰোনাস্তি চেষ্টা কৰিছিলো।

ছাত্ৰ একতা সভাৰ মজিয়াত থাকি কানৈৰ সৰ্বাংগীণ বিকাশৰ বাবে বিভিন্নধৰণৰ কাম কৰিবলৈ চেষ্টা কৰিছিলো, কিমানদূৰ সফল হ'লো সেয়া কানৈয়ানে জানে। এই সময়ছোৱাই মোক বহুতো অভিজ্ঞতা দি গ'ল মোৰ জীৱনৰ এইয়া সোণালী স্মৃতি। এইক্ষেত্ৰত সহায়-সহযোগিতা আগবঢ়োৱা প্ৰতিজন কানৈয়ান, প্ৰতিজন শ্ৰদ্ধাৰ শিক্ষাগুৰু লৈ মই অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিলো। জয়তু কানৈ মহাবিদ্যালয়, জয়তু কানৈয়ান।

**পাৰ্থ প্ৰতিম গোহাঁই**
সহঃ সাধাৰণ সম্পাদক
২০২১-২২ বৰ্ষ

# সাহিত্য আৰু আলোচনী সম্পাদকৰ প্ৰতিবেদন

'মহা মহা পুৰুষৰ চানেকিৰে জীৱনৰ
আমিও কৰিব পাৰো জীৱন গঢ়িত,
অভিনয় শেষ হলে আয়ু বেলি মাৰ গ'লে
থৈ যাব পাৰো খোজ সময়ৰ বালিত।'

মূল ঃ লং ফেলো

জীৱনত পৰিশ্ৰম কৰিবলৈ আই-পিতাইৰ পৰা সৰুতেই শিকিছিলোঁ আৰু পৰিশ্ৰমকেই জীৱনৰ অমোঘ অস্ত্ৰৰূপে সাজি সদায় অগ্ৰসৰ হৈছোঁ। মোৰ বাবে এইয়া অতি সৌভাগ্যৰ কথা যে ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ ২০২১-২২ বৰ্ষৰ ছাত্ৰ একতা সভাত মই সাহিত্য আৰু আলোচনী সম্পাদক ৰূপে জয়ী হৈ ছাত্ৰ ৰাজনীতিত পদাৰ্পণ কৰাৰ লগতে বৃহত্তৰ ছাত্ৰ সমাজৰ বাবে কিছু পৰিশ্ৰম, কিছু কাম কৰিবলৈ মই সুযোগ লাভ কৰিলোঁ। এইয়া মোৰ বাবে অতি গৌৰৱ আৰু আনন্দৰ কথা আছিল। এটা নিৰ্দিষ্ট কাৰ্যকালৰ বাবে নিজৰ সেৰা আগবঢ়াই কানৈ আৰু কানৈয়ানৰ উন্নতি তথা বিকাশৰ বাবে যৎপৰোনাস্তি চেষ্টা কৰিছিলোঁ। এইখিনিতে বৈ যোৱা ভুল-ত্ৰুটি আৰু বিভিন্ন প্ৰত্যাহ্বানৰ সন্মুখীন হৈ কৰিবলৈ থাকি যোৱা কামবোৰৰ বাবে মই আপোনাসৱৰ ওচৰত ক্ষমাপ্ৰাৰ্থী। মাননীয় অধ্যক্ষ মহোদয়, মাননীয়া মনমী বাইদেউ, মিতালী বাইদেউ আৰু মৃদুল শৰ্মা, দীপংকজ ছাৰৰ তত্ত্বাৱধানত থাকি মই কানৈয়ানৰ বিভিন্ন সমস্যা সমাধান কৰিবলৈ যথাসম্ভৱ চেষ্টা কৰিছিলোঁ। নিঃসন্দেহে আমাৰ বহুতো পৰিকল্পনা নানান কাৰণত বাস্তৱায়িত হৈ নুঠিল, কিন্তু আমি আশাবাদী যে পৰৱৰ্তী সময়ত আমি একেলগে এইসমূহ পূৰণ কৰিবলৈ সক্ষম হ'ম।

তলত আমাৰ কাৰ্যকালৰ বিভিন্ন কাৰ্যক্ৰমৰ খতিয়ান দাঙি ধৰিবলৈ যত্ন কৰিলোঁ—

১) মহাবিদ্যালয়ত পাৰ্যমানে শিক্ষা ব্যৱস্থাটো ব্যাঘাট নজন্মাকৈ মহাবিদ্যালয় সপ্তাহৰ প্ৰাৰম্ভিক খেলসমূহ ৮ জানুৱাৰী ২০২২ৰ পৰা ১১ জানুৱাৰী ২০২২ তাৰিখলৈ চলাই নিবলৈ চেষ্টা কৰিছিলো। যাক সকলোৱে আমাৰ ছাত্ৰ একতা সভাৰ নৱ চিন্তা আৰু আদৰণি জনাব লগীয়া সিদ্ধান্ত বুলি শলাগ লৈছিল।

২) মহাবিদ্যালয়ৰ ২০২১-২০২২ বৰ্ষৰ মহাবিদ্যালয় সপ্তাহত সাহিত্য আৰু আলোচনী সম্পাদকৰ অধীনত অসমীয়া আৰু ইংৰাজীত কবিতা আবৃত্তি, পোষ্টাৰ প্ৰতিযোগিতা, কলাজ প্ৰতিযোগিতা, চিত্ৰাংকণ প্ৰতিযোগিতা, প্ৰাচীৰ পত্ৰিকা প্ৰতিযোগিতা, ঠাইতে লিখা আৰু স্বৰচিত কবিতা পুথি অনুষ্ঠিত কৰা হয়। উল্লেখযোগ্য যে এইবাৰ পোন প্ৰথমবাৰৰ বাবে মহাবিদ্যালয়ত গ্ৰন্থ সমালোচনা, গল্প, প্ৰবন্ধ, নীলা খামৰ চিঠিৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয় আৰু বিচাৰকৰ দায়িত্ব চয়নজ্যোতি চেতিয়া, প্ৰিয়ংকা পাপৰি হাজৰিকা, অনমূল কৌৰ, ববী কোঁৱৰ, ড° স্বাতী কিৰণ বাইদেউ, বৈদ্য ব্ৰাইট বুঢ়াগোহাঁই, ড° লক্ষীনন্দন বৰগোহাঁই আৰু জুৰি বৰা বৰগোহাঁই বাইদেউক দায়িত্ব দিয়া হৈছিল। এই আপাহতে তেওঁলোকক ধন্যবাদ জ্ঞাপন কৰিলো।

প্ৰতিযোগিতাত চিৰঞ্জীৱ সন্দিকৈয়ে শ্ৰেষ্ঠ সাহিত্য প্ৰতিযোগী খিতাপ দখল কৰে তেওঁক ব্যক্তিগতভাৱে এটি এককালীন জলপানি প্ৰদান কৰোঁ।

৩) ২২ জানুৱাৰী ২০২২ তাৰিখৰ পৰা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনস্থ মহাবিদ্যালয়সমূহত হ'বলগীয়া দ্বিতীয় যান্মাসিকৰ অফলাইন পৰীক্ষাসমূহ ক'ভিড প্ৰটকল মানি আৰু প্ৰয়োজনত কোৱাৰেণ্টাইনত থকা ছাত্ৰ-ছাত্ৰীসমূহৰ শৈক্ষিক দিশত ক্ষতি নোহোৱাকৈ অনলাইন ব্যৱস্থা কৰি অনুষ্ঠিত কৰিবলৈ কানৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ লগতে MDKG college, Dibru College, NLB CITY College , DHSK COMMERCE College ৰ ছাত্ৰ

একতা সভাই ডিব্ৰুগড় প্ৰশাসন আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয় প্ৰশাসনক একোখনকৈ স্মাৰক প্ৰদান কৰো ।

৪) ২৬ জানুৱাৰী ২০২২ত মহাবিদ্যালয়ত গণৰাজ্য দিৱস উদ্‌যাপন কৰো। কৰ্মৰ স্বীকৃতি স্বৰূপে অধ্যক্ষ মহোদয়ে আলোচনী সম্পাদকক সম্বৰ্ধনা জনায়।

৫) পুনৰ নিৰ্মাণ কৰি উলিওৱা মহাবিদ্যালয়ৰ মূল প্ৰৱেশদ্বাৰখন বন্ধ হৈ থকাত ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ্থে খুৱ সোনকালে মুকলি কৰি দিবলৈ মহাবিদ্যালয়ৰ কৃৰ্তপক্ষক আৱেদন কৰো আৰু তাৰ ফলশ্ৰুতিত ২৭ জানুৱাৰী ২০২২ তাৰিখে ডিব্ৰুগড়ৰ জিলা উন্নয়ন আযুক্ত শ্ৰীযুত সঞ্জয় কুমাৰ দত্ত ডাঙৰীয়াই মহাবিদ্যালয়ৰ মূল প্ৰৱেশদ্বাৰখন উদ্বোধন কৰে।

৬) ২৯ জানুৱাৰী ২০২২ তাৰিখে সোণোৱাল কছাৰী স্বায়ত্ব শাসিতৰ উন্নয়ন আযুক্ত ঋষিকেশ সোণোৱাল ডাঙৰীয়াক সাক্ষাৎ কৰি মহাবিদ্যালয়ত এখন বাস্কেটবলৰ প্ৰয়োজনীয়তাৰ কথা অৱগত কৰো আৰু এখন ছাত্ৰ একতা সভাৰ তৰফৰ পৰা স্মাৰক পত্ৰ প্ৰদান কৰো।

৭) ১২ ফেব্ৰুৱাৰী ২০২২ তাৰিখে NCC ৰ NORTH EAST REGION (NER)ৰ হৈ গণৰাজ্য দিৱসত NCCৰ কুচকুৱাছ ত কমাণ্ডিং আৰু ওমৰ খান (NER COMMANDER) আলোক শৰ্মা। (ALL INDIA GOURD OF HONOUR)ত অংশগ্ৰহণ কৰি মহাবিদ্যালয়ৰ লগতে উত্তৰ-পূবলৈ গৌৰৱ কঢ়িয়াই অনাৰ বাবে ছাত্ৰ একতা সভাৰ পৰা ১০০০০ (দহ হাজাৰ) টকা লগতে একোখনকৈ মানপ্ৰত্ৰ প্ৰদান কৰো। যাতে অনাগত দিনত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে মহাবিদ্যালয়লৈ সন্মান কঢ়িয়াই আনিবলৈ উৎসাহ যোগায়।

৮) ১৭ ফেব্ৰুৱাৰী ২০২২ তাৰিখে আমি ছাত্ৰ একতা সভাৰ হৈ সভাপতি, উপ-সভাপতি, সাধাৰণ সম্পাদক, সহকাৰী সাধাৰণ সম্পাদক, আলোচনী সম্পাদক আৰু তৰ্ক সম্পাদকে জনতা ভৱনত মাননীয় শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, মাননীয় কৃষি মন্ত্ৰী তথা ডিব্ৰুগড়ৰ অভিভাৱক মন্ত্ৰী অতুল বৰা আৰু ক্ৰীড়া মন্ত্ৰী বিমল বৰাক লগ কৰি মহাবিদ্যালয়ৰ সমস্যাসমূহ অৱগত কৰো। আৰু মুখ্যমন্ত্ৰী ডাঙৰীয়া বিশেষ কামত দিল্লী যাবলগীয়া হোৱাত আলোচনী সম্পাদকে তেখেতৰ কাৰ্যালয়ৰ বিশেষ দায়িত্বত কৰ্মৰত বিষয়াৰ ওচৰত স্মাৰকপত্ৰ প্ৰদান কৰে লগতে মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ লগত টেলিফোনিক বাৰ্তালাপ কৰে ফলশ্ৰুতিত নিৰ্মাণকাৰ্য আধা অৱস্থাত বহু বছৰ ধৰি পৰি থকা বিজ্ঞান বিভাগৰ ভৱনটোৰ কাৰ্য ক্ষীপ্ৰতাৰে আৰম্ভ কৰি সমাপ্ত হয়।

৯) ২১ মাৰ্চ ২০২২ তাৰিখে পথ দুৰ্ঘটনাত মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ পঞ্চম ষান্মাসিকৰ ছাত্ৰ প্ৰাচুয্য মেচ আমাৰ মাজৰ পৰা হেৰাই যোৱাত ২৩ মাৰ্চত তেওঁৰ বিদেহ আত্মাৰ সদ্‌গতি কামনা কৰি শোক সভা অনুষ্ঠিত কৰো।

১০) ৰক্ত দান মহান দান। ২৫ মাৰ্চ ২০২২ তাৰিখে ছাত্ৰ একতা সভা আৰু NSSৰ হৈ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ NSS গোটে আয়োজন কৰা ৰক্তদান শিবিৰত ৰক্ত দান কৰো।

১১) ৩১ মাৰ্চ ২০২২ত NSS য়ে চান্দৈপথাৰত ২৫ মাৰ্চৰ পৰা ৩১ মাৰ্চলৈ আয়োজন কৰা ৭ দিনীয়া NSS শিবিৰত অন্তিম দিনা উপস্থিত থাকি NSS ৰ এই পদক্ষেপক সঁহাৰি জনাই অনাগত দিনবোৰত সহায় কৰাৰ প্ৰতিশ্ৰুতি দিও।

১২) ০১ এপ্ৰিল ২০২২ তাৰিখে মহাবিদ্যালয়ে ২৯ তাৰিখে দিয়া নামভৰ্তি মাচুলৰ জাননীখনৰ সন্দৰ্ভত এখনি গুৰুত্বপূৰ্ণ বৈঠক মহাবিদ্যালয় কৰ্তৃপক্ষৰ লগত আলোচনা কৰি ২৫০০ৰ পৰা ১৭০০ টকালৈ হ্ৰাস কৰি ছাত্ৰ-ছাত্ৰীৰ বৃহৎ দাবী সমাধান কৰো আৰু ১০০ দৰিদ্ৰ সীমা ৰেখাৰ ছাত্ৰ-ছাত্ৰীক মেধা ভিত্তিত বিনামূলীয়া নামভৰ্তিৰ বাবে সুবিধা কৰি দিয়া হয়।

১৩) যুৱ মহোৎসৱ ঃ- ২০২২ বৰ্ষত দেৰগাঁও কমল দুৱাৰা মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা ডিব্ৰুগড় বিশ্ববিদ্যালয় আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱত সাহিত্য আৰু আলোচনী শাখাই মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হয়। এইয়া আছিল আমাৰ বাবে অতি গৌৰৱসমৃদ্ধ সফলতা। ভাতৃ চিৰঞ্জীৱ সন্দিকৈয়ে স্থান দখল কৰিবলৈ সক্ষম হয়।

১৪) যোৱা জানুৱাৰী ২০২২ ত অনুষ্ঠিত কৰা মহাবিদ্যালয় সপ্তাহৰ প্ৰাৰম্ভিক পৰ্যায়ৰ খেলসমূহৰ অন্তিম ভাগসমূহ কৰ'না আৰু পৰীক্ষাৰ বাবে স্থগিত ৰাখিব লগা হোৱাত পুনৰ ১১ মে'ৰ পৰা ১৭ মে'লৈ অনুষ্ঠিত কৰো।

১৫) কানৈ মহাবিদ্যালয় Literature Club ৰ গঠন।

এইয়া আমাৰ কাৰ্যকালৰ আটাইতকৈ ডাঙৰ সফলতা আছিল আৰু পোনপ্ৰথমবাৰৰ বাবে মহাবিদ্যালয়ত এখন সাহিত্য আৰু আলোচনীৰ বাবে এখন মঞ্চ গঠন হয়।

১৬) ২০২২ বৰ্ষত নেহৰু যুৱ কেন্দ্ৰৰ দ্বাৰা আয়োজিত যুৱ সংসদত তিনিটাকৈ স্থান কানৈ মহাবিদ্যালয়ৰ ছাত্ৰই লাভ কৰে। স্থান লাভ কৰে ক্ৰমে— পৰাংগম শৰ্মা, মাধুৰ্য্য চেতিয়া আৰু নিপু বৰুৱা।

১৭) ছাত্ৰ একতা সভাৰ সহযোগত মহাবিদ্যালয়ৰ NSS গোট আৰু Assam State Aids Control Society ৰ দ্বাৰা অনুষ্ঠিত কৰা হয় তৰ্ক, বক্তৃতা আৰু ৰচনা প্ৰতিযোগিতা।

১৮) কানৈ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সাহিত্য আৰু আলোচনী বিভাগ, তৰ্ক শাখা আৰু ব্ৰহ্মপুত্ৰ ক্ৰেকাৰ্চ পলিমাৰ লিমিটেড (BCPL)ৰ যৌথ উদ্যোগত ৮ জুলাই, ২০২২ তাৰিখে কানৈ মহাবিদ্যালয়ত আন্তঃ বিদ্যালয় তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়।

১৯) অসমৰ বিভিন্ন মহাবিদ্যালয়-বিশ্ববিদ্যালয়ৰ আলোচনী সম্পাদকসকল লগলাগি 'অধ্যয়ন' নামৰে এখন মঞ্চ সৃষ্টি কৰিছিলো যাৰ দ্বাৰা প্ৰতিযোগিতা, পৰীক্ষাসমূহৰ খা-খবৰ ছাত্ৰ-ছাত্ৰীসকলে পায়।

২০) মহাবিদ্যালয় কৰ্মচাৰীসকলৰ চাকৰি নিয়মীয়াকৰণৰ বাবে উচ্চ শিক্ষা সঞ্চালকালয়ৰ সঞ্চালয়ক ছাৰক স্মাৰকপত্ৰ প্ৰদান।

২১) মহাবিদ্যালয়ৰ বাবে এখন এম্বুলেন্সৰ প্ৰয়োজন অনুভৱ কৰি জিলা উন্নয়ন আয়ুক্ত সঞ্জয় কুমাৰ দত্ত ছাৰক সাক্ষাৎ আৰু সেইসময়তেই তেওঁ এম্বুলেন্সৰ বাবে ছয় লাখ টকা ঘোষণা কৰে।

২২) মহাৰজত জয়ন্তীৰ সামৰণি অনুষ্ঠান। মুখ্যমন্ত্ৰী ডাঙৰীয়াকে প্ৰমুখ্যে কৰি অতিথিসকলক সম্বৰ্ধনা আৰু স্মাৰকপত্ৰ প্ৰদান। মুখ্যমন্ত্ৰী ডাঙৰীয়াই মহাবিদ্যালয়ৰ উন্নয়নৰ বাবে ৬ কোটি টকাৰ ঘোষণা কৰে।

২৩) কানৈ আৰু কানৈয়ানৰ প্ৰতি দায়বদ্ধ হৈ মহাবিদ্যালয়ৰ অভাৱ-অভিযোগসমূহ লৈ ৰাজ্য চৰকাৰৰ বিভিন্ন প্ৰতিনিধিসকলক বিভিন্ন দাবী জনাইছিলোঁ। দাবীসমূহ আছিল এনেধৰণৰ—

ক) ডি এইচ এচ কানৈ মহাবিদ্যালয়ক বিশ্ববিদ্যালয় পৰ্যায়লৈ উন্নীতকৰণ কৰা।

খ) ডি এইচ এচ কানৈ মহাবিদ্যালয়ত ৰাজ্য চৰকাৰৰ দ্বাৰা অনুমোদিত ৩২৬.৭০ লাখ টকাৰ (Infrastructure Development of Dibrugarh HS Kanoi College, Dibrugarh SPA, Plan for the year ২০১৪-১৫) নিৰ্মাণ কাৰ্য সম্পূৰ্ণ কৰাৰ ব্যৱস্থা কৰা।

গ) মহাবিদ্যালয়ত এখন Synthetic Basketball ৰ খেল পথাৰ নিৰ্মাণৰ ব্যৱস্থা কৰা।

ঘ) বিদ্যুৎৰ সমস্যা সমাধান কৰিবলৈ ছাত্ৰাবাস, ছাত্ৰীনিবাসৰ লগতে মহাবিদ্যালয়ৰ সকলো ভৱনত সৌৰশক্তি চালিত বিদ্যুৎ সংযোগ কৰাৰ ব্যৱস্থা কৰা।

ঙ) ক্ৰীড়া তথা খেলা-ধূলাৰ সুবিধাৰ বাবে এটা অত্যাধুনিক 'ইনড'ৰ ষ্টেডিয়াম'ৰ নিৰ্মাণৰ ব্যৱস্থা কৰা।

চ) মহাবিদ্যালয়ৰ খেল পথাৰখনৰ বিজ্ঞানসন্মতভাৱে আধুনিক প্ৰযুক্তিৰে সুন্দৰকৈ নিৰ্মাণ কৰাৰ লগতে বিজ্ঞানসন্মতভাৱে দৌৰৰ ট্ৰেক নিৰ্মাণৰ ব্যৱস্থা কৰা।

ছ) ছাত্ৰৰ সংখ্যা বৃদ্ধিৰ হেতু এটা অত্যাধুনিক ছাত্ৰাবাস নিৰ্মাণৰ ব্যৱস্থা কৰা।

জ) মহাবিদ্যালয়ত অত্যাধুনিক প্ৰযুক্তি সম্পন্ন এটি প্ৰেক্ষাগৃহ নিৰ্মাণৰ ব্যৱস্থা কৰা।

ঝ) মহাবিদ্যালয় তৃতীয় আৰু চতুৰ্থ বৰ্গৰ খালী হৈ থকা পদসমূহ পূৰণ কৰাৰ লগতে নিয়মীয়াকৰণৰ ব্যৱস্থা কৰা।

ঞ) প্ৰযুক্তিৰ জ্ঞান বৃদ্ধিৰ বাবে এটা পূৰ্ণাঙ্গ প্ৰযুক্তি ভৱন নিৰ্মাণ কৰাৰ লগতে স্থায়ী কম্পিউটাৰ শিক্ষক নিযুক্তি প্ৰদানৰ ব্যৱস্থা কৰা।

ট) মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ সুবিধাৰ্থে বিশ্বায়নৰ সময় সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি Digital Library আৰু Digital Archive ৰ ব্যৱস্থা কৰা।

ঠ) মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ শৰীৰিক আৰু মানসিক উৎকৰ্ষ সাধনৰ বাবে ব্যায়ামাগাৰৰ ব্যৱস্থা কৰা।

ড) মহাবিদ্যালয়ত প্ৰাথমিক চিকিৎসা আগবঢ়াব পৰাকৈ এগৰাকী জি এন এম নাৰ্ছৰ নিযুক্তি প্ৰদানৰ লগতে এখন অত্যাধুনিক সা-সুবিধা সম্পন্ন এম্বুলেঞ্চৰ ব্যৱস্থা কৰা।

## ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা ২০২১-২২-ৰ উদ্যোগত অনুষ্ঠিত কৰা ৭৬ সংখ্যক বাৰ্ষিক মহাবিদ্যালয় সপ্তাহৰ প্ৰতিযোগিতাৰ ফলাফলসমূহ

**১১ মে' ২০২২ বুধবাৰৰ প্ৰতিযোগিতাৰ ফলাফলসমূহ ঃ**

| প্ৰতিযোগিতা | স্থান | নাম | বিভাগ |
|---|---|---|---|
| সাংস্কৃতিক শোভাযাত্ৰা | প্ৰথম | Assamese Dep. | Assamese |
| | দ্বিতীয় | Political Science | Political Science |
| | তৃতীয় | Geography & Chemistry | Geography & Chemistry |
| | নিচুকণী বঁটা | D.C. Boys Hostel | |
| স্থাপনকৰণ (Installation) | প্ৰথম | Hemen Das, Parikshit Saikia<br>Brooklyn Gogoi, Chumki Pegu | English |
| | দ্বিতীয় | Bidisa Molia, Priyakshi Das<br>Pankaj Dutta, Anubuti Chutia | Geography |
| | তৃতীয় | Seemanta Buragohain,<br>Sunju Chetry, Mridul Mahanta<br>Angsuman Hazarika | Pol. Science |
| কবিতা আবৃত্তি (ইংৰাজী) | প্ৰথম | Sumanjit Dey | Botany |
| | দ্বিতীয় | Smita Chakraborty | English |
| | তৃতীয় | Devlina Bhatachaya | English |
| কবিতা আবৃত্তি (অসমীয়া) | প্ৰথম | Pankaj Dutta | Geography |
| | দ্বিতীয় | Borokha Dutta | Pol. Science |
| | তৃতীয় | Liza Sonowal | Pol. Science |
| | | Princy Kalita | Sociology |
| সৃষ্টিশীল নৃত্য | প্ৰথম | Anushka Das | English |
| | দ্বিতীয় | Depanjali Neog | H.S |
| | | Deepjyoti Borah | Sociology |
| | তৃতীয় | Pragati Pradhan | Sociology |
| বাদ্য যন্ত্ৰ প্ৰতিযোগিতা (ঢোল) | প্ৰথম | Bikash Konwar | Pol. Science |
| | দ্বিতীয় | Koustav Khanikar | Physics |
| (পেঁপা) | ........ | | |
| (গগনা) | প্ৰথম | Puja Phukan | Sociology |
| | দ্বিতীয় | Porishmita Gogoi | Geography |
| (তবলা) | প্ৰথম | Bhagrab Saikia | English |
| (গীতা) | ........ | | |
| (বাঁহী) | প্ৰথম | Riki Mahanta | Geography |
| | দ্বিতীয় | Pranab Jyoti Bailung | Physics |

| | | | |
|---|---|---|---|
| (খোল) | প্ৰথম | Nihal Boruah | H.S |
| | দ্বিতীয় | Aditya Mech | |
| ঠাইতে লিখা কবিতা | প্ৰথম | Chiranjib Handique | Pol. Science |
| | দ্বিতীয় | Smita Chakraborty | English |
| | তৃতীয় | Chirantan Gogoi | Botany |
| নীলা খামৰ চিঠি | পথম | Chiranjib Handique | Pol. Science |
| | দ্বিতীয় | Smita Chakraborty | English |
| | | Bhupen Gogoi | Chemistry |
| | তৃতীয় | Chayanika Das | English |
| গল্প প্ৰতিযোগিতা | প্ৰথম | Sundeep Gogoi | Anthropology |
| | দ্বিতীয় | Smita Chakraborty | English |
| | তৃতীয় | Parbeen Chetia | History |
| প্ৰবন্ধ প্ৰতিযোগিতা | প্ৰথম | Lucki begum | Anthropology |
| | দ্বিতীয় | Pratikraj Kakati | H.S |
| | তৃতীয় | Nishan Saikia | H.S |
| স্ব-ৰচিত কবিতা প্ৰতিযোগিতা | প্ৰথম | Chiranjib Handique | Pol. Science |
| | দ্বিতীয় | Princy Kalita | Sociology |
| | তৃতীয় | Borakha Thakur | Assamese |
| | | Smita Chakraborty | English |
| গ্ৰন্থ-সমালোচনা প্ৰতিযোগিতা | প্ৰথম | Ankita Bhattachaya | Assamese |
| | দ্বিতীয় | Chiranjib Handique | Pol. Science |
| | তৃতীয় | Chaya Boruah | Pol. Science |
| কুইজ প্ৰতিযোগিতা | প্ৰথম | Kaushik Ranjan Chetia<br>Chiranjib Handique | Pol. Science |
| | দ্বিতীয় | Pratikraj Kakati<br>Nishan Saikia | History |
| | তৃতীয় | Md. Sahil Ali<br>Jyoti Prasad Pegu | Physics |
| কেৰম প্ৰতিযোগিতা (একক) | | | |
| ল'ৰা | প্ৰথম | Biplab Gogoi | Pol. Science |
| | দ্বিতীয় | Shan Hazarika | Sociology |
| | তৃতীয় | Siddharta Pait | Math. |
| কেৰম প্ৰতিযোগিতা (একক)ছোৱালী | প্ৰথম | Pallavi Grupta | Pol. Science |
| | দ্বিতীয় | Priyangana Mili | Pol. Science |
| | তৃতীয় | Bikashita Gogoi | Pg. English |

| | | | | |
|---|---|---|---|---|
| ডবা প্ৰতিযোগিতা (ল'ৰা) | | প্ৰথম | Diraj Boruah | H.S |
| | | দ্বিতীয় | Chanakya Neog | Pol. Science |
| | | তৃতীয় | Rahul Dutta | History |
| ছোৱালী | | প্ৰথম | Bikashita Gogoi | Pg. English |
| | | দ্বিতীয় | Misha Singh | Zoology |
| | | তৃতীয় | Prity Sahu | Geography |

**শক্তি উত্তোলন প্ৰতিযোগিতা**

| | | | | |
|---|---|---|---|---|
| Powerlifting (ল'ৰা) | 59 Category | প্ৰথম | Debasish Duwarh | Pol. Science |
| | | দ্বিতীয় | Mitra Rao | Physics |
| | | তৃতীয় | Ritik Paswan | Pol. Science |
| | 66 Category | প্ৰথম | Md. Afuwaz Ekbal | |
| | | দ্বিতীয় | Raj Dey | Sociology |
| | | তৃতীয় | Aditya Dutta | Pol. Science |
| | 74 Category | প্ৰথম | Rahit Kumar Doom | Pol. Science |
| | | দ্বিতীয় | Bishal Tamang | Economics |
| | | তৃতীয় | Nirupam Sonowal | Sociology |
| | 83 Category | প্ৰথম | Prabhakar Chelleng | Botany |
| | | দ্বিতীয় | Garik Majumder | |
| | 93 Category | প্ৰথম | Imdat Jafri | Sociology |
| | | দ্বিতীয় | Asombit Boruah | Sociology |
| | | তৃতীয় | Anupam Chetia | English |
| Powerlifting (ছোৱালী) | 47 Category | প্ৰথম | Barsha Konwar | History |
| | 57 Category | প্ৰথম | Krishna Deori | Pol. Science |
| | 63 Category | প্ৰথম | Tanaya Phukan | Philosophy |
| | 76 Category | প্ৰথম | Nandini Gogoi | Pol. Science |
| Weight Lifting (ল'ৰা) | 61 Category | প্ৰথম | Debasish Duwarah | Pol. Science |
| | | দ্বিতীয় | Ritik Paswan | Pol. Science |
| | 67 Category | প্ৰথম | Nayan Jyoti Sonowal | H.S. |
| | | দ্বিতীয় | Abdul Rajak | H.S. |
| | 74 Category | প্ৰথম | Rohit Kumar Doom | Pol. Science |
| | | দ্বিতীয় | Debabrata Gogoi | Pol. Science |
| | | তৃতীয় | Nirupam Sonowal | Sociology |

| | | | |
|---|---|---|---|
| 84 Category | প্ৰথম | Dimon Mudoi | Pol. Science |
| 96 Category | প্ৰথম | Aasambit Boruah | Botany |
| | দ্বিতীয় | Imdad Jaffir | Sociology |
| Weight Lifting (ছোৱালী) | | | |
| 49 Category | প্ৰথম | Barsha Konwar | History |
| | দ্বিতীয় | Christina Newar | Pol. Science |
| 64 Category | প্ৰথম | Priyangana Mili | Pol. Science |
| 76 Category | প্ৰথম | Nandini Gogoi | Pol. Science |
| | দ্বিতীয় | Kelvina Lalung | English |
| 87 Category | প্ৰথম | Snigdha Boruah | Pol. Science |
| আকস্মিক বক্তৃতা প্ৰতিযোগিতা | প্ৰথম | Chiranjib Handique | Pol. Science |
| | দ্বিতীয় | Lupamudra Duwarah | Pol. Science |
| | তৃতীয় | Sumanjit Dey | Botany |
| একক অভিনয় প্ৰতিযোগিতা | প্ৰথম | Priyatam Das | Pol. Science |
| | দ্বিতীয় | Mixibixi Senapati | English |
| | তৃতীয় | Mridul Mahanta | Pol. Science |
| | | Chanakya Neog | Pol. Science |
| ৰচী টনা প্ৰতিযোগিতা (ল'ৰা) | প্ৰথম | Dimom Mudoi, Debasish Duwarah Benjamin Pegu, Bikash Konwar, Gourav Jyoti Neog, Chanakya Neog ..... | Pol. Science |
| | দ্বিতীয় | Bipul Buragohain, Santanu Gohain, Marshall Muchahari, Devamalya Das, Bhaskar Jyoti Handique, Anibarn Gogoi, Deepjyoti Sonowal, Pranjit Das, Abhijit Chakma, Kalyan Gogoi | Economics |
| বেডমিণ্টন প্ৰতিযোগিতা (একক) (ল'ৰা) | ............ | | |
| (ছোৱালী) | প্ৰথম | Breesty Narah | History |
| | দ্বিতীয় | Anouska Das | English |
| | তৃতীয় | Risha Rani Bhuyan | Chemistry |
| কাবাডী প্ৰতিযোগিতা (ল'ৰা) | প্ৰথম | Ayan Das (C), Dimon Mudoi, Chanakya Neog, Mridul Mahanta, Bikash Konwar, Rohit Kumar Doom Pragyan Rava, Biman Sonowal, Dhiraj Ghosh | Pol. Science |

| | | | |
|---|---|---|---|
| | প্ৰথম | Pronab Jyoti Bailung (C), Pronoy Saha, Dhiraj Boruah, Tushar Bose, Sanju Gupta, Priyangshu Kangsa Barik, Nishad Bor Bhuyan, Haricharan Gogoi, Debarshi Dutta, Jyotirmoy Rajkonwar, Bedanta Gogoi, Kaushtab Khanikar | Physics |

কাবাডী প্ৰতিযোগিতা

| | | | |
|---|---|---|---|
| (ছোৱালী) | প্ৰথম | Jyotika Robi Das, Bandana Sahu, Aditee Doley, Pallavi Gupta, Nafisa Alim Bora, Jabin Hussain, Krishna Deori, Snigdha Boruah, Nandini Gogoi, Prakriti Chetia | Pol. Science |
| | দ্বিতীয় | Rimpi Saikia, Sahin Sarif Rahman, Gayatri Gogoi, Tanaya Phukan, Dimpi Borgohain, Krishna Das, Mayuri Gogoi, Prerana Boruah, Rashmita Das, Gayatry Deori | Philosophy |

বেডমিণ্টন প্ৰতিযোগিতা (যুটীয়া)

(ল'ৰা) ..........................................................

(ছোৱালী) ..........................................................

১২ মে' ২০২২ বৃহস্পতিবাৰৰ প্ৰতিযোগিতাৰ ফলাফলসমূহ ঃ

দৌৰ প্ৰতিযোগিতা

| | | | |
|---|---|---|---|
| ১০০ মিটাৰ (ল'ৰা) | প্ৰথম | Amrit Doley | Geography |
| | দ্বিতীয় | Rush Phukan | Pol. Science |
| | তৃতীয় | Arunjyoti Teli | Pol. Science |
| | | Pratha Pratim Gohain | Pol. Science |
| ১০০ মিটাৰ (ছোৱালী) | প্ৰথম | Jyotika Redi Das | Pol. Science |
| | দ্বিতীয় | Julirani Pegu | Botany |
| | তৃতীয় | Silpi Sikha Das | Assamese |
| ২০০ মিটাৰ (ল'ৰা) | প্ৰথম | Deepak Deori | Pol. Science |
| | দ্বিতীয় | Rush Phukan | Pol. Science |
| | তৃতীয় | Manuranjan Deka | Maths |
| | | Dhiraj Ghosh | Pol. Science |

২০০ মিটাৰ (ছোৱালী) ..........................................................

| | | | |
|---|---|---|---|
| ৮০০ মিটাৰ (ল'ৰা) | প্ৰথম | Rush Phukan | Pol. Science |
| | দ্বিতীয় | Priyotam Das | Pol. Science |
| | | Diman Mudoi | Pol. Science |
| | তৃতীয় | Deepjyoti Boruah | Sociology |
| ৮০০ মিটাৰ (ছোৱালী) | ...................................... | | |
| বৰগীত প্ৰতিযোগিতা | প্ৰথম | Surabhi Chetia | English |
| | দ্বিতীয় | Nihar Boruah | H.S. |
| | তৃতীয় | Tridisha Sharma | Zoology |
| লোকগীত প্ৰতিযোগিতা | প্ৰথম | Himakhi Gogoi | Economics |
| | দ্বিতীয় | Surabhi Chetia | English |
| | তৃতীয় | Tridisha Sharma | Zoology |
| খেয়াল প্ৰতিযোগিতা | প্ৰথম | Liza Sonowal | Pol. Science |
| | দ্বিতীয় | Tridisha Sharma | Zoology |
| | তৃতীয় | Kunhi Gogoi | |
| ভজন প্ৰতিযোগিতা | প্ৰথম | Tridisha Sharma | Zoology |
| | দ্বিতীয় | Surabhi Chetia | English |
| | তৃতীয় | Swastika Sharma | Pol. Science |
| গজল প্ৰতিযোগিতা | প্ৰথম | Tridisha Sharma | Zoology |
| | দ্বিতীয় | Himakhi Gogoi | Economics |
| | তৃতীয় | Anushmita Goswami | |
| দলীয় নৃত্য প্ৰতিযোগিতা | প্ৰথম | Ria Goswami, Gargee Gogoi Surabhi Chetia, Jecika Boruah, Mixibisi Senapati, Manjyotsna Deka | English |
| | দ্বিতীয় | Unmona Saikia, Nishtha Dutta Pragati Pradhan | Sociology |
| | তৃতীয় | Abhilasha Mach, Niharika Gogoi Dimpee Gogoi, Himakshi Sonowal Chiranjib Handique | Pol. Science |
| একক নৃত্য প্ৰতিযোগিতা | প্ৰথম | Deepjyoti Borah | Sociology |
| | দ্বিতীয় | Swarnali Mahanta | Zoology |
| | তৃতীয় | Aman Hazarika | Pol. Science |
| | | Yubraj Thapa | |
| | চতুৰ্থ | Pragati Thapa | |

| | | | |
|---|---|---|---|
| চিত্ৰাংকন প্ৰতিযোগিতা | প্ৰথম | Chiranjib Handique | Pol. Science |
| | দ্বিতীয় | Debasish Duwarah | Pol. Science |
| | | Anindita Chakrabotry | Botany |
| | তৃতীয় | Mayur Trishna Gogoi | Economics |
| পষ্টাৰ প্ৰতিযোগিতা | প্ৰথম | Chiranjib Handique | Pol. Science |
| | দ্বিতীয় | Tridip Bor Saikia | Physics |
| | তৃতীয় | Tonomoyee Gogoi | Physics |
| কলাজ প্ৰতিযোগিতা | প্ৰথম | Chiranjib Handique | Pol. Science |
| | দ্বিতীয় | Rajdeep Hazarika | Anthropology |
| খো খো প্ৰতিযোগিতা (ল'ৰা) | প্ৰথম | Amrit Doley, Arun Teli, Tushar Sonowal, Mangkang Koryak, Deepjyoti Das, Nihal Pandy, Dheeraj Ghosh, Mousoom Gharphalia, Rajdeep Chakrabati, Ashin Deori | Geography |
| | দ্বিতীয় | Washim Akhter, Sumonjit Tassa, Giyandeep Tanti, Abhisek Behera, Bipul Buragohain, Kalyan Kataki, Bitupan Sonowal, Anirban Gogoi Ujjal Das | Maths |
| খো খো প্ৰতিযোগিতা (ছোৱালী) | প্ৰথম | Karuna Kachari, Alpita Chetia, Bidisa Malia, Nishi Gandha Borah, Momi Sonowal, Gayatri Gogoi Parishmita Mili, Ritushna Gogoi, Happy Doley | Geography |
| | দ্বিতীয় | Pooja Gogoi, Bandana Sahu Aditee Doley, Mridula Chutia, Nirmala Chetry, Nikumoni Gogoi, Jyotika Robidas, Roshlina Pegu, Mousumi Kuli | Girls Hostel |
| প্ৰাচীৰ পত্ৰিকা প্ৰতিযোগিতা | প্ৰথম | Assamese | Assamese |
| | দ্বিতীয় | English | English |
| | তৃতীয় | Botany | Botany |
| | বিচাৰকৰ বিশেষ বঁটা | Pol. Science | Pol. Science |
| | | Mathematics | Mathematics |

পাঞ্জা প্ৰতিযোগিতা (ল'ৰা)

| | | | |
|---|---|---|---|
| 60 kg. | প্ৰথম | Abdul Razar | H.S |
| | দ্বিতীয় | Fahim Khan | |
| | তৃতীয় | Gourab Chetry | Zoology |
| 70 kg. | প্ৰথম | Akash Handique | Assamese |
| | দ্বিতীয় | Mantu Kumar | |
| | তৃতীয় | Nitul Gogoi | Pol. Science |
| 80 kg. | প্ৰথম | Tanmoy Jyoti Chiring | Pol. Science |
| | দ্বিতীয় | Dimon Mudoi | Pol. Science |
| | তৃতীয় | Debabrta Gogoi | Pol. Science |
| 90 kg. | প্ৰথম | Plaban Jyoti Mahanta | Economics |
| 100 kg. | প্ৰথম | Noom Abid | Sociology |
| COC | | Plaban Jyoti Mahanta | |

পাঞ্জা প্ৰতিযোগিতা (ছোৱালী)

| | | | |
|---|---|---|---|
| 50 kg. | প্ৰথম | Nafisa Alim Bora | Pol. Science |
| | দ্বিতীয় | Jyotika Rabi Das | Pol. Science |
| | তৃতীয় | Rasmita Das | Philosophy |
| 60 kg. | প্ৰথম | Mridula Chetia | Sociology |
| | দ্বিতীয় | Mishra Singh | Zoology |
| | তৃতীয় | Priyanki Duwarah | English |
| 70 kg. | প্ৰথম | Nandini Gogoi | Pol. Science |
| | দ্বিতীয় | Happy Doley | H.S. |
| | তৃতীয় | Jobin Hussein | H.S. |
| COC | | Mridula Chetia | Sociology |

| | | | |
|---|---|---|---|
| তৰ্ক প্ৰতিযোগিতা | প্ৰথম | Smita Chakraborty | English |
| | দ্বিতীয় | Pradyumana Mahanta | Pol. Science |
| | তৃতীয় | Akashitara Kalita | English |
| বক্তৃতা প্ৰতিযোগিতা | প্ৰথম | Pradyumana Mahanta | Pol. Science |
| | দ্বিতীয় | Akashitara Kalita | English |
| | তৃতীয় | Deevlina Bhatarcharya | English |

কেৰম (দ্বৈত) প্ৰতিযোগিতা

| | | | |
|---|---|---|---|
| (ল'ৰা) | প্ৰথম | Shan Hazarika<br>Miraj Boruah | Sociology |
| | দ্বিতীয় | Deepjyoti Kurmi<br>Biplab Gogoi | Pol. Science |
| | তৃতীয় | Imon Sanyal<br>Siddastha Pait | Maths |

| | | | |
|---|---|---|---|
| (ছোৱালী) | প্ৰথম | Privanga Mili<br>Pallavi Gupta | Pol. Science |
| | দ্বিতীয় | Jagritijimi Sonowal<br>Jenifar Gogoi | Maths |
| | তৃতীয় | Chayanika Borpatra Gohain<br>Rajlakhi Duwori | Pol. Science |
| বচী টনা প্ৰতিযোগিতা (ছোৱালী) | পথম | Prerana Boruah, Sahin Sarif Rohman Rimpi Saikia, Dikshita Thengal, Tanaya Phukan, Dimpi Buragohain, Riya Borah, Gayati Deori, Bandita Deori Franchi Gogoi. | Philosophy |
| | দ্বিতীয় | Kelvina Lalung, Surabhi Chetia, Nikumoni Gogoi, Nimisha Konwar Akashitara Kalita, Meghali Sharma, Pratisha Saikia, Shinthia Gogoi, Pranjushree Chamuah, Purnima Dutta | English |
| | তৃতীয় | Pallavi Gupta, Jyotika Robi Das Nafisa Alim Bora, Prakriti Chetia, Aditee Dolety, Bandana Sahu, Gitanjali Chetia, Nandini Gogoi Krishna Deori | Pol. Science |
| কানৈ বিহুৱতী প্ৰতিযোগিতা | প্ৰথম | Argentina Gogoi | Economics |
| | দ্বিতীয় | Byanjana Gogoi | Pol. Science |
| | তৃতীয় | Priyanka Tai | Assamese |
| নাটক প্ৰতিযোগিতা | শ্ৰেষ্ঠ নাটক | Dhal | Pol. Science |
| | দ্বিতীয় শ্ৰেষ্ঠ নাটক | Asta Belir Siyar | English |
| | তৃতীয় শ্ৰেষ্ঠ নাটক | Kekura | Pol. Science |
| | Best Director | Seemanta Buragohain (Dhal) | Pol. Science |
| | Best Actor | Mridul Mahanta (Dhal) | Pol. Science |
| | Best Actress | Mixibixi Senapati (Asta Belir Siyar) | English |
| | Best Supporting Actor | Chanakya Neog (Kekura) | Pol. Science |
| | Best Supporting Actress | Liza Sonowal (Dhal) | Pol. Science |

১৩ মে' ২০২২ শুক্রবাৰৰ প্ৰতিযোগিতাৰ ফলাফলসমূহ ঃ

| | | | |
|---|---|---|---|
| মাৰাথান প্ৰতিযোগিতা (ল'ৰা) | প্ৰথম | Aiyan Khan | Philosophy |
| | দ্বিতীয় | Dinesh Taye | H.S. |
| | তৃতীয় | Priyotam Das | Pol. Science |
| | চতুৰ্থ | Mridul Mahanta | Pol. Science |
| | | Suresh Kutum | Maths. |
| | পঞ্চম | Marshal Das | History |
| | ষষ্ঠ | Partha Pratim Gohain | Pol. Science |
| | সপ্তম | Raj Pegu | History |
| | অষ্টম | Ongphung Nazari | H.S. |
| | নৱম | Abhilash Sonowal | Pol. Science |
| | দশম | Gyan Jyoti Boruah | Philosophy |
| মাৰাথান প্ৰতিযোগিতা (ছোৱালী) | প্ৰথম | Nikumoni Gogoi | English |
| | দ্বিতীয় | Nirmala Chetri | Zoology |
| | তৃতীয় | Pooja Gogoi | History |
| | চতুৰ্থ | Aditee Doley | Pol. Science |
| | পঞ্চম | Parishmita Mili | History |
| | ষষ্ঠ | Hema Taid | Maths |
| | সপ্তম | Dipti Taw | H.S. |
| | অষ্টম | Lupamudra Duwarah | Pol. Science |
| | নৱম | Happy Doley | H.S. |
| | দশম | Binita Hazarika | Physics |
| জ্যোতি সংগীত প্ৰতিযোগিতা | প্ৰথম | Liza Sonowal | Pol. Science |
| | দ্বিতীয় | Surabhi Chetia | English |
| | তৃতীয় | Haritpalab Hazarika | Philosophy |
| বিষ্ণুৰাভাৰ গীত প্ৰতিযোগিতা | প্ৰথম | Liza Sonowal | Pol. Science |
| | দ্বিতীয় | Surabhi Chetia | English |
| | তৃতীয় | Upagna Das | Assamese |
| পাৰ্বতী প্ৰসাদৰ গীত প্ৰতিযোগিতা | প্ৰথম | Liza Sonowal | Pol. Science |
| | দ্বিতীয় | Upagna Das | Assamese |
| | তৃতীয় | Surabhi Chetia | English |
| ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা | প্ৰথম | Liza Sonowal | Pol. Science |
| | দ্বিতীয় | Surabhi Chetia | English |
| | তৃতীয় | Swastika Sharma | Pol. Science |
| | নিচুকণী বঁটা | Kelvina Lalung | English |

| | | | |
|---|---|---|---|
| জয়ন্ত সংগীত প্রতিযোগিতা | প্ৰথম | Liza Sonowal | Pol. Science |
| | দ্বিতীয় | Surabhi Chetia | English |
| | তৃতীয় | Bilap Khanikar | |
| ৰবীন্দ্ৰ সংগীত প্ৰতিযোগিতা | প্ৰথম | Kunhi Gogoi | Sociology |
| | দ্বিতীয় | Prajwalika Bhattachaya | |
| | তৃতীয় | Upagna Das | Assamese |
| আধুনিক গীত প্ৰতিযোগিতা | প্ৰথম | Surabhi Chetia | English |
| | দ্বিতীয় | Niharika Gogoi | |
| | তৃতীয় | Liza Sonowal | Pol. Science |
| সমবেত সংগীত প্ৰতিযোগিতা | প্ৰথম | Surabhi Chetia, Hemen Das, Anupam Chetia, Bhargab Saikia, Akash Uday, Smita Chakraborty, Devalina Bhattacharya, Biplab Khanikar Shreya Chodhary | English |
| | দ্বিতীয় | Mridul Mahanta, Gourav Jyoti Neog, Niharika Gogoi, Himakhi Sonowal, Anusmita Goswami, Nandini Gogoi, Shyamol Patro, Sneha Dutta, Ankita Gogoi Lupamudhar Duwarah, Bastav Moran, Shyamolima Konwar Priyagana Mili Partha Pratim Gohain, Lakheyajit Hatimuria | Pol. Science |
| | তৃতীয় | Amrit Das, Unmilita Dowarah Bismita Bhuyan, Reshnikha Moran Bhupen Gogoi, Lakhayjit Gogoi, Hema Kuli, Bedantita Kalita, Halee Gogoi Krishajyoti Borah | Chemistry |
| বিহু গীত প্ৰতিযোগিতা | প্ৰথম | Himakhi Gogoi | Economics |
| | দ্বিতীয় | Liza Sonowal | Pol. Science |
| | তৃতীয় | Rajdeep Hazarika | Anthropology |
| | | Partha Pratim Gohain | Pol. Science |
| মেহেন্দী প্ৰতিযোগিতা | প্ৰথম | Nishita Doley | English |
| | দ্বিতীয় | Jugashmita Dutta | Pol. Science |
| | তৃতীয় | Simran Arora | Sociology |
| আল্পনা (ৰংগোলী) প্ৰতিযোগিতা | প্ৰথম | Chiranjib Handique | Pol. Science |
| | দ্বিতীয় | Anisha Gupta | Sociology |
| | | Sweety Chandra, Ruksar Begum | |
| | তৃতীয় | Ankita Gogoi, Misha Singh | Zoology |

| | | | |
|---|---|---|---|
| চালাদ প্ৰতিযোগিতা | প্ৰথম | Misha Singh, Ankita Gogoi | Zoology |
| | দ্বিতীয় | Ritika Day, Simran Arora<br>Ruksar Begum | Sociology |
| | তৃতীয় | Priyanka Paul, Affa Begum<br>Dixita Boruah | Pol. Science |
| শাস্ত্ৰীয় নৃত্য | প্ৰথম | Mixibixi Senapati | English |
| | দ্বিতীয় | Chiranjib Handique | Pol. Science |
| | তৃতীয় | Surabhi Chetia | English |
| দিহানাম প্ৰতিযোগিতা | ........................................ | | |
| শৰীৰ চৰ্চা | প্ৰথম | Ayush Paj | Maths |
| | দ্বিতীয় | Rohit Kumar Doom | Pol. Science |
| | তৃতীয় | Arman Khan | Sociology |
| | চতুৰ্থ | Deepjyoti Kumar | Economics |
| | পঞ্চম | Nayan Jyoti Sonowal | H.S. |
| মিষ্টাৰ কানৈ-২০২২ প্ৰতিযোগিতা | প্ৰথম | Afzal Khan | Pol. Science |
| | দ্বিতীয় | Rajdeep Hazarika | Anthropology |
| | তৃতীয় | Debasish Duwarah | Pol. Science |
| মিছ কানৈ-২০২২ প্ৰতিযোগিতা | প্ৰথম | Jyotishmoyee Bezboruah | Maths |
| | দ্বিতীয় | Abhinashree Chutia | Economics |
| | তৃতীয় | Priyakshi Handique | Sociology |

**১৪ মে' ২০২২ শনিবাৰৰ প্ৰতিযোগিতাৰ ফলাফলসমূহ ঃ**

| | | | |
|---|---|---|---|
| ফুটবল প্ৰতিযোগিতা (ল'ৰা) | প্ৰথম | Bipul Buragohain, Marshall Muchari<br>Abhijit Chakma, Kalyan Kotoki,<br>Bitupan Sonowal, Asin Deori,<br>Deepak Deori, Santanu Gohain,<br>Karan Jyoti Doley, Sangkalpa Hukai,<br>Kalyan Gogoi | Economics |
| | দ্বিতীয় | Arunjyoti Teli, Rantu Sonowal,<br>Niraj Boruah, Amar Rai, Prakash Gogoi,<br>Arman Khan, Nayan Jyoti Deka,<br>Prince Das, Amrit Doley, Nihal Pandey,<br>Dhriti Soondar Sonowal, Suman Pathak | Sociology |
| ফুটবল প্ৰতিযোগিতা (ছোৱালী) | প্ৰথম | Dimpy Handique, Hiramoni Chetia<br>Ananya Gogoi, Mridula Chutia,<br>Gayatri Konwar, Rimpi Dihingia,<br>Jyotiskha Das, Pinki Gohain, Dheny Medak | Assamese |

| | | | |
|---|---|---|---|
| | দ্বিতীয় | Aditee Doley, Bandana Sahu, Jyotika Robi Das, Pallavi Gupta, Krishna Deori, Nandini Gogoi, Gitanjali Chetia | Pol. Science |
| ৪০০ মিটাৰ (ল'ৰা) | প্ৰথম | Deepak Deori | Pol. Science |
| | দ্বিতীয় | Rush Phukan | Pol. Science |
| | তৃতীয় | Priyatom Das | Pol. Science |
| | | Deepjyoti Boruah | Sociology |
| ১৬০০ মিটাৰ (ল'ৰা) | প্ৰথম | Debabrata Gogoi | Pol. Science |
| | দ্বিতীয় | Nihal Pandey | History |
| | তৃতীয় | Deepak Deori | Pol. Science |
| | | Deepjyoti Boruah | Sociology |
| লং জাম্প (ল'ৰা) | প্ৰথম | Asin Duwari | Chemistry |
| | দ্বিতীয় | Rush Phukan | Pol. Science |
| | তৃতীয় | Parikhit Saikia | English |
| ট্ৰিপল জাম্প প্ৰতিযোগিতা (ল'ৰা) | ............ | | |
| (ছোৱালী) | ............ | | |
| শটফুট থ্ৰ' (ল'ৰা) | প্ৰথম | Rush Phukan | Pol. Science |
| | দ্বিতীয় | Manjin Moran | History |
| | তৃতীয় | Manshal Duo | History |
| শটফুট থ্ৰ' (ছোৱালী) | প্ৰথম | Pooja Gogoi | History |
| | দ্বিতীয় | Mridula Chetia | Sociology |
| | তৃতীয় | Krishna Deuori | Pol. Science |
| জেভলিন থ্ৰ' (ল'ৰা) | প্ৰথম | Mojin Moran | History |
| | দ্বিতীয় | Susil Bormuria | Botany |
| | তৃতীয় | Monshal Duo | History |
| জেভলিন থ্ৰ' (ছোৱালী) | প্ৰথম | Mousumi Kuli | Zoology |
| | দ্বিতীয় | Jyotika Ravi Das | Pol. Science |
| | তৃতীয় | Roslina Pegu | Zoology |
| ডিচকাচ থ্ৰ' (ল'ৰা) | প্ৰথম | Bishal Tamang | Economics |
| | দ্বিতীয় | Ujjal Kowar | MSc Maths |
| | তৃতীয় | Dhiraj Boruah | Physics |
| ডিচকাচ থ্ৰ' (ছোৱালী) | প্ৰথম | Mridula Chutia | Sociology |

| | | | |
|---|---|---|---|
| ক্ৰিকেট প্ৰতিযোগিতা (ল'ৰা) | প্ৰথম | Nour Abid, Pragyan Jyoti Dutta, Tarun Barman, Juned Ahmed, Aftab Hussain, Asiqur Rahman, Tonmoy Boruah, Dipjyoti Borah, Ayush Sahani, Mansha Das, Bibek Gogoi | Sociology |
| | দ্বিতীয় | Seemanta Buragohain, Deepjyoti Kurmi Dipak Halwa, Chanakya Neog, Suman Mili, Praduymna Mahanta, Nitul Gogoi, Lilen Panging, Arayan Mishra, Anurag Handique, Anuranan Sarmah, Ayan Das | Pol. Science |
| ক্ৰিকেট প্ৰতিযোগিতা (ছোৱালী) | প্ৰথম | Jyotika Robi Das, Banadana Sahu Aditee Doley, Pallavi Gupta, Krishna Deori | Pol. Science |
| | দ্বিতীয় | Sahin Saril Rahman, Rimpi Saikia Dimpi Buragohain, Prerana Dutta, Priyanka Paul | Philosophy |
| কুচকাবাচ প্ৰতিযোগিতা (March-past) | Commander | Nihal Pandey | History |
| | প্ৰথম | Pallavi Gupta, Anamika Paul, Jyotika Robi Das, Banadana Sahu, Gitanjali Chetia, Shyamali Saikia, Neelam Das, Jharna Das, Shibani Borpatra Gohain, Preeti Verma, Mridul Mahanta, Priyanka Moran, Priyatom Das, Kaling Doley, Debasish Duwarah, Abhilash Sonowal, Gaurav Jyoti Neog, Afzal Khan, Mon Kumar Das, Lakhyajit Hatimuria, Ricky Ahmed, Dhrubajyoti Boruah | Pol. Science |
| | দ্বিতীয় | Deborishi Dutta, Pronoy Saha, Nirmala Chetri, Samiran Bhattacharya, Bishmita Bhuyan, Arnab Dowarah, MD Sahil Ali, Bhabya Chintey, Resnikha Moran, Roselina Pegu, Appunjyoti Mipun, Pronab Bailung, Nishad Borbhuyan, Saundarjya Kashyap, Pushpita Biswash, Amrit Das | B.Sc |

তৃতীয় Rimpi, Sahin, Tanaya, Prerana, Dimpi, Nipashri, Ankita, Latumoni, Aisha, Sheraj, Gayarti, Aiyan, Bhupen Madhab, Raktim, Haritpallab, Forachi, Sahirun, Priyanka, Krishna, John, Riya Jyotipan, Sahil — Philosophy

Biswajit Biswas, Nishigandha Boruah, Pratiraj Kakati, Raj Pegu, Nishanta Saikia, Gopal Guali, Pallabjyoti Buragohain, Malabika Dutta, Dristi Deka, Aditya Kori, Oli, Rakshit, Binita Taye, Prostuti Deori, Bhawna — History

বিচাৰকৰ বিশেষ বঁটা Tanzim, Boishali, Nayan, Diya, Neha Priyanka, Jyoti, Soni, Roshan, Dipu, Prem, Amar, Raif, Yusuf, Porag — H.S.

এজন ছাত্ৰ হিচাপে ছাত্ৰ সমাজৰ উন্নতিৰ বাবে কাম কৰাই আছিল মোৰ প্ৰধান উদ্দেশ্য। সেই উদ্দেশ্যেত মই কিমান দূৰলৈকে সফল হ'ব পাৰিলোঁ তাৰ বিচাৰ মই কানৈয়ানৰ ওপৰত এৰিলোঁ। এই কাৰ্যকালৰ অভিজ্ঞতাই মোক বৌদ্ধিক আৰু মানসিকভাৱে আৰু অধিক সক্ৰিয় কৰি তুলিলে। মোৰ বিশ্বাস যে আগন্তুক জীৱনত এই অভিজ্ঞতাবোৰে মোক আগুৱাই যোৱাত সহায় কৰিব আৰু সফল মানুহ হিচাপে নিজকে গঢ় দিয়াত সহায়ক হ'ব। সদৌ শেষত প্ৰতিজন কানৈয়ানলৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু সেৱা নিবেদিছোঁ, কিয়নো আপোনালোকৰ সহায়-সহযোগিতা তথা উৎসাহ অবিহনে মোৰ কোনো কামেই সফল হৈ নুঠিলহেঁতেন। আমি আশাবাদী মানুহ, সেয়েহে হেঁপাহ কৰিছোঁ, আশা কৰিছোঁ ছাত্ৰ সমাজ আগবাঢ়ি যাওঁক আৰু গঢ়ি তোলক নতুন পৃথিৱী।

'কৃষ্ণচূড়া-দেৱদাৰুৰ দেশত ওলগৰ আদৰণি
সময়ৰ প্ৰতিযোগিতাত সপোনৰ গজালি
সোঁৱৰণিৰ কুঁৱলীৰ ফালি নতুনৰ উন্মেষ আজি
আৱেগৰ উলাহটো বিদায়ৰ কুৰুলি।
কানৈয়ান জিলিকিব, কানৈক জিলিকাব
সময়ৰ বলুকাত ৰাখিব চিন।'—নিপু বৰুৱা

জয়তু 'কানৈয়ান'
জয়তু কানৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা।
জয়তু ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়।

নিপু বৰুৱা

# Girls Common Room Secretary 2021-22

Hi,

I am Miss Krishna Deori, Girls common room secretary DHSK SU 21-22 from the department of political Science.

My impenitence as an Girls common Room Secretary is very magnificent for nominating myself in the post of secretary was and everyone.

Got one life to church so why not live to help one's dilemma's. I too learned that Responsibility, punctuality, hard work, maintenance all are to be hovelled equally.

I truly had a wonderful time with my works and responsibilities. On this regard learned many new things and experienced that with I had never experienced.

Clow, coming to my academic activities I organized few gaves for the college week programme like (Mchendi, Raugoli, Justallation, salad and etc).

I observed true ridden talents among students. Studies were like so interested and solved their profound talent to prove themselves as much as they can. This made me more confident and developed a curiosity to organize more of them. My contribution in every programme was beneficial for me. I expect this to help me in future days. All went smoothly back days of college week and the programme for price distribution went well too.

Most importantly, this particular responsibility has given me which I didn't know before. It was not that easy but knew before. It was not that easy but it was wonderful. Kanoian has showered me enough love in my days. It's a great feeling and empiric I'll be taking for lifetime.

Lastly, my wording's will not be enough to empress how humbly I respect Kanoi and all entire Kanoians. Thanking all my follow members for this Co-operative session.

Thinking you
**Krishna Deori**
Girls Common Room
Secretary
Student union 2021-2022

# ছাত্ৰ জিৰণি কোঠা সম্পাদকৰ প্ৰতিবেদন ২০২১-২০২২

দেৱদাৰুৰ দেশৰ ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় হৈছে ডিব্ৰুগড়ৰ এক ঐতিহ্যমণ্ডিত এক শিক্ষানুষ্ঠান। এই মহাবিদ্যালয়ৰে ছাত্ৰ একতা সভাৰ ছাত্ৰ জিৰণি কোঠা সম্পাদক হিচাপে এদিন কানৈয়ানক নেতৃত্ব দিবলৈ মই সুযোগ পাম। সেয়া মই সপোনতো ভবা নাছিলো। মই এই সুযোগ পাবলৈ সক্ষম হৈছিলো ২০২১-২২ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত।

এই নিৰ্বাচনত কানৈয়ানে মোৰ ওপৰত আস্থা বিশ্বাস ৰাখি মোক জয়ী কৰালে তাৰ বাবে মই তেওঁলোকৰ ওচৰত চিৰকৃতজ্ঞ। মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ এগৰাকী প্ৰতিনিধি হিচাপে মই মহাবিদ্যালয়ৰ প্ৰতিটো কাৰ্যতে সক্ৰিয়ভাৱে অংশ গ্ৰহণ কৰিছিলো। মই মোৰ কাৰ্যকালৰ প্ৰতিটো দিনতে দায়িত্বশীল হিচাপে নিজৰ কৰ্ম কৰি যাবলৈ চেষ্টা কৰিছিলো।

এই কালছোৱাত মই বিভিন্ন অভিজ্ঞতা পোৱাৰ সুযোগ লাভ কৰিলো। এই এটা বৰ্ষৰ কাৰ্যকালত মোৰ প্ৰতিটো কৰ্মত মহাবিদ্যালয়ৰ শিক্ষাগুৰু আৰু সতীৰ্থসকলে মোৰ ওপৰত বিশ্বাস ৰাখি মোক বহু দিহা-পৰামৰ্শ দি সহায় সহযোগ কৰিলে। এইপ্ৰতিটো সহায় সহযোগৰ বাবে মই সকলোৰে ওচৰত চিৰঋণী হৈ ৰ'ম।

### কেৰম প্ৰতিযোগিতা

**কেৰম ল'ৰা একক বিজয়ীসকল—**

প্ৰথম— বিপ্লৱ গগৈ (ষষ্ঠ যান্মাসিক, ৰাজনীতি বিজ্ঞান)

দ্বিতীয়— শান হাজৰিকা, (চতুৰ্থ যান্মাসিক, সমাজতত্ত্ব)

তৃতীয়— সিদ্ধাৰ্থ পাইট (দ্বিতীয় যান্মাসিক, অংক)

**কেৰম ছোৱালী একক বিজয়ীসকল—**

প্ৰথম— পল্লৱী গুপ্তা (চতুৰ্থ যান্মাসিক, ৰাজনীতি বিজ্ঞান)

দ্বিতীয়— প্ৰিয়াংগনা মিলি (চতুৰ্থ যান্মাসিক, ৰাজনীতি বিজ্ঞান)

তৃতীয়—বিকশিতা গগৈ (দ্বিতীয় যান্মাসিক, ইংৰাজী স্নাতকোত্তৰ)

**কেৰম দলীয় ল'ৰা বিজয়ীসকল—**

প্ৰথম—শান হাজৰিকা (চতুৰ্থ যান্মাসিক, সমাজতত্ত্ব) আৰু মিৰাজ বৰুৱা (দ্বিতীয় যান্মাসিক, সমাজতত্ত্ব)

দ্বিতীয়—দ্বীপজ্যোতি কুৰ্মী (জ্যেষ্ঠ যান্মাসিক, ৰাজনীতি বিজ্ঞান) আৰু বিপ্লৱ গগৈ (ষষ্ঠ যান্মাসিক, ৰাজনীতি বিজ্ঞান)

তৃতীয়— ইমন সন্যাল (দ্বিতীয় যান্মাসিক, অংক) আৰু সিদ্ধাৰ্থ পাইত (দ্বিতীয় যান্মাসিক, অংক)

**কেৰম দলীয় ছোৱালী বিজয়ীসকল—**

প্ৰথম—প্ৰিয়াংগনা মিলি (চতুৰ্থ যান্মাসিক, ৰাজনীতি বিজ্ঞান) পল্লৱী গুপ্তা (চতুৰ্থ যান্মাসিক, ৰাজনীতি বিজ্ঞান)

দ্বিতীয়— জাগৃতিজিমি সোনোৱাল (দ্বিতীয় যান্মাসিক, অংক) জেনিফাৰ গগৈ (দ্বিতীয় যান্মাসিক, অংক)

তৃতীয়—চয়নিকা বৰপাত্ৰ গোহাঁই (পঞ্চম যান্মাসিক, ৰাজনীতি বিজ্ঞান) ৰাজলক্ষ্মী দুৱৰী (চতুৰ্থ যান্মাসিক, ৰাজনীতি বিজ্ঞান)

### দবা প্ৰতিযোগিতা

**দবা প্ৰতিযোগিতা—**

প্ৰথম— দিৰাজ বৰুৱা (দ্বিতীয় যান্মাসিক, পদাৰ্থ বিজ্ঞান)

দ্বিতীয়— চাণক্য নেওগ (চতুৰ্থ যান্মাসিক, ৰাজনীতি বিজ্ঞান)

তৃতীয়— ৰাহুল দত্ত (ষষ্ঠ যান্মাসিক, ইতিহাস)

**দবা ছোৱালী বিজয়ীসকল—**

প্ৰথম—বিকশিতা গগৈ (দ্বিতীয় যান্মাসিক, ইংৰাজী)

দ্বিতীয়— মিশা সিং (দ্বিতীয় যান্মাসিক, প্ৰাণী বিজ্ঞান)

তৃতীয়— প্ৰীতি সাহ (ষষ্ঠ যান্মাসিক, ভূগোল)

### ৰছী টনা প্ৰতিযোগিতা

**ল'ৰা—**

প্ৰথম— ৰাজনীতি বিজ্ঞান

দ্বিতীয়— অৰ্থনীতি বিজ্ঞান

**ছোৱালী—**

প্ৰথম— দৰ্শন

দ্বিতীয়— ইংৰাজী

তৃতীয়—ৰাজনীতি বিজ্ঞান

**শুভৰাজ দাস সেনোৱাল**
**সম্পাদক, ছাত্ৰ জিৰণি কোঠা**

# সমাজ সেৱা সম্পাদকৰ প্ৰতিৱেদন

প্ৰথমতেই সেইসকল মহান মনীষীৰ শ্ৰীচৰণত সেৱা জনাইছোঁ, যিসকলৰ অসীম ত্যাগ আৰু অনৱদ্য অৱদানৰ ফলত অসমৰ নাম উজ্জ্বলা শিক্ষানুষ্ঠান হিচাপে ডিব্ৰুগড়ৰ ঐতিহ্যমণ্ডিত কানৈ মহাবিদ্যালয় গঢ় লৈ উঠিছিল। এইখন মহাবিদ্যালয়ত শিক্ষা গ্ৰহণ কৰাতো বহুতো ছাত্ৰ-ছাত্ৰীৰ সপোন আছে। মইও এই বিদ্যালয়ত পঢ়াৰ সপোন সৰুৰে পৰাই বুকুত বান্ধিছিলো। উল্লাসৰ কথা এই যে মই এই মহাবিদ্যালয়ৰ অংশীদাৰ হ'ব পৰা সুভাগ্য উপভোগ কৰাৰ লগতে গৌৰৱৰ কথা এই যে মই কানৈ মহাবিদ্যালয়ৰ তৃতীয় ষাণ্মাসিক ছাত্ৰ হিচাপে, ছাত্ৰ একতা সভাৰ সমাজ সেৱা সম্পাদকৰ পদটিত জয়যুক্ত হ'বলৈ সক্ষম হৈছিলো। মহাবিদ্যালয় মনৰ স্বাৰ্থত মহাবিদ্যালয়ৰ হকে কাম কৰাৰ ইচ্ছা বহুত আছিল। কানৈ পৰিয়ালৰ অসীম মৰম, শ্ৰদ্ধা আৰু সহায় সহযোগত মোৰ এই আশাটিও পূৰণ কৰাত তেওঁলোকৰ চৰণত মই চিৰকৃতজ্ঞ।

২০২১-২০২২ বৰ্ষৰ মহাবিদ্যালয়ৰ সমাজ সেৱা সম্পাদক হিচাপে মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ লগতে কানৈ পৰিয়ালৰ উন্নয়ণৰ হকে খোজত খোজ মিলাবলৈ চেষ্টা কৰিলো। মই ছাত্ৰ একতা সভাৰ প্ৰাৰ্থী হোৱাৰ পূৰ্বে কানৈ পৰিয়ালক মই যি প্ৰতিশ্ৰুতি প্ৰদান কৰিছিলো সেইবোৰ পূৰণৰ বাবে আগুৱাই গ'লো। মহাবিদ্যালয়খনত চাফাই অভিযানত সহযোগ কৰিলো। গছপুলি ৰোপণত অংশ গ্ৰহণ কৰিলো লগতে মোৰ প্ৰিয় কৰ্ম ৰক্তদানৰ ক্ষেত্ৰত অতিকৈ আগৰণুৱা হ'লো আৰু অৱশেষত ৰক্তদান প্ৰদানৰ বাবে কানৈ মহাবিদ্যালয়ৰ সক্ৰিয় ৰক্তদাতাৰ পুৰস্কাৰটি প্ৰাপ্ত কৰিবলৈ সক্ষম হ'লোঁ। তদুপৰি মহাবিদ্যালয়ৰ সহযোগত বহুতো সমাজসেৱামূলক কাৰ্যসূচীত অংশ গ্ৰহণ কৰিলো।

মোৰ এই কাৰ্যকালত কিমানবোৰ দিব পাৰিলো বা নোৱাৰিলো তাক নিৰ্ণয় কৰাৰ সামৰ্থ মোৰ নাই। এই বৃহৎ কানৈ পৰিয়ালৰ সৈতে কানৈ পৰিয়ালৰ সহযোগত কানৈ পৰিয়ালৰ হকে, যি সময় অতিবাহিত কৰিলো ই সঁচাকৈয়ে চিৰস্মৰণীয় হৈ ৰ'ব। ইয়াৰ পৰা আহৰণ কৰা অভিজ্ঞতাই মোৰ বহুতো কথা শিকালে। অৱশেষত এই পৰিয়ালৰ সকলোকে খুব আন্তৰিকতাৰে শ্ৰদ্ধা তথা কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

"জয়তু কানৈ মহাবিদ্যালয়
জয়তু কানৈ ছাত্ৰ একতা সভা।"

ধন্যবাদ।

সমাজ সেৱা সম্পাদক
**আয়ুচ চাহানি**

# তৰ্ক আৰু আলোচনা সম্পাদকৰ প্ৰতিবেদন

'পৰিশ্ৰমেই হ'ল মানুহৰ একমাত্ৰ পৰিত্ৰাণ। যি মানুহে নিজে বাছি লোৱা কৰ্মক্ষেত্ৰত কঠোৰ পৰিশ্ৰম কৰিব পাৰে, সেই মানুহৰ মনলৈ আত্মবিশ্বাস আপোনা-আপুনি আহে।'

**হোমেন বৰগোহাঞি।**

জীৱনত পৰিশ্ৰম কৰিবলৈ আই-বোপাইৰ পৰা সৰুতেই শিকিছিলোঁ আৰু পৰিশ্ৰমকেই জীৱনৰ অমোঘ অস্ত্ৰৰূপে সাজি সদায় অগ্ৰসৰ হৈছোঁ। মোৰ বাবে এইয়া অতি সৌভাগ্যৰ কথা যে ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ ২০২১-২২ বৰ্ষৰ ছাত্ৰ একতা সভাত মই তৰ্ক আৰু আলোচনা সম্পাদক ৰূপে জয়ী হৈ ছাত্ৰ ৰাজনীতিত পদাৰ্পণ কৰাৰ লগতে বৃহত্তৰ ছাত্ৰ সমাজৰ বাবে কিছু পৰিশ্ৰম, কিছু কাম কৰিবলৈ মই সুযোগ লাভ কৰিলোঁ। এইয়া মোৰ বাবে অতি গৌৰৱ আৰু আনন্দৰ কথা আছিল। এটা নিৰ্দিষ্ট কাৰ্যকালৰ বাবে নিজৰ সেৱা আগবঢ়াই কানৈ আৰু কানৈয়ানৰ উন্নতি তথা বিকাশৰ বাবে যৎপৰোনাস্তি চেষ্টা কৰিছিলোঁ। এইখিনিতে ৰৈ যোৱা ভুল-ত্ৰুটি আৰু বিভিন্ন প্ৰত্যাহ্বানৰ সন্মুখীন হৈ কৰিবলৈ থাকি যোৱা কামবোৰৰ বাবে মই আপোনাসবৰ ওচৰত ক্ষমাপ্ৰাৰ্থী। মাননীয়া লুলু মেৰিয়াম বুঢ়াগোহাঁই বাইদেউ, লখিমা দেউৰী বাইদেউ আৰু অম্বৰিশ ভূএঞা ছাৰৰ তত্ত্বাৱধানত থাকি মই কানৈয়ানৰ বিভিন্ন সমস্যা সমাধান কৰিবলৈ যথাসম্ভৱ চেষ্টা কৰিছিলোঁ। নিঃসন্দেহে আমাৰ বহুতো পৰিকল্পনা নানান কাৰণত বাস্তৱায়িত হৈ নুঠিল, কিন্তু আমি আশাবাদী যে পৰৱৰ্তী সময়ত আমি একেলগে এইসমূহ পূৰণ কৰিবলৈ সক্ষম হ'ম।

তলত আমাৰ কাৰ্যকালৰ বিভিন্ন কাৰ্যক্ৰমৰ খতিয়ান দাঙি ধৰিবলৈ যত্ন কৰিলোঁ—

ক) মহাবিদ্যালয়ৰ ২০২২ বৰ্ষৰ মহাবিদ্যালয় সপ্তাহত তৰ্ক আৰু আলোচনা সম্পাদকৰ অধীনত তৰ্ক প্ৰতিযোগিতা, কুইজ প্ৰতিযোগিতা, বক্তৃতা প্ৰতিযোগিতা আৰু আকস্মিক বক্তৃতা প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়।

খ) যুৱ মহোৎসৱ ঃ ২০২২ বৰ্ষত দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা ডিব্ৰুগড় বিশ্ববিদ্যালয় আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱত তৰ্ক আৰু আলোচনা শাখাই মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হয়। এইয়া আছিল আমাৰ বাবে অতি গৌৰৱসমৃদ্ধ সফলতা। তাত মই নিজে (মাধুৰ্য্য চেতিয়াই) ভাতৃ চিৰঞ্জীৱ সন্দিকৈৰ সৈতে কুইজ প্ৰতিযোগিতাত দ্বিতীয় স্থান অধিকাৰ কৰিবলৈ সক্ষম হওঁ।

গ) দুলীয়াজানস্থিত অসম গেছ কোম্পানীৰ দ্বাৰা অনুষ্ঠিত আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতাত ৰাজনীতি বিজ্ঞান বিভাগৰ সঞ্জু ছেত্ৰীয়ে তৃতীয় স্থান লাভ কৰিবলৈ সক্ষম হয়।

ঘ) ২০২১ চনত নেহৰু যুৱ কেন্দ্ৰৰ উদ্যোগত অনুষ্ঠিত বক্তৃতা প্ৰতিযোগিতাত মহাবিদ্যালয়ে তিনিওটা স্থান লাভ কৰি পুৰস্কাৰ আজুৰি আনিবলৈ সক্ষম হয়। তাৰ ফলাফল আছিল এনেধৰণৰ— প্ৰথম স্থান ঃ প্ৰিয়াক্ষী দাস (ভূগোল বিভাগ), দ্বিতীয় স্থান ঃ চিৰঞ্জীৱ সন্দিকৈ (ৰাজনীতি বিজ্ঞান বিভাগ) আৰু তৃতীয় স্থান ঃ সংঘমিত্ৰা ছেত্ৰী (অৰ্থবিজ্ঞান বিভাগ)।

ঙ) কানৈ কলেজ কুইজ আৰু তৰ্ক চ'ৰা (KCDQ Forum)ৰ গঠন। এইয়া আমাৰ কাৰ্যকালৰ আটাইতকৈ ডাঙৰ সফলতা আছিল আৰু পোনপ্ৰথমবাৰৰ বাবে মহাবিদ্যালয়ত এখন তৰ্ক তথা কুইজৰ মঞ্চ গঠন হয়।

চ) ২০২২ বৰ্ষত নেহৰু যুৱ কেন্দ্ৰৰ দ্বাৰা আয়োজিত যুৱ সংসদত তিনিটাকৈ স্থান কানৈ মহাবিদ্যালয়ৰ ছাত্ৰই লাভ কৰে। প্ৰথম, দ্বিতীয় আৰু চতুৰ্থ স্থান লাভ কৰে ক্ৰমে— পৰাংগম শৰ্মা, মাধুৰ্য্য চেতিয়া আৰু নিপু বৰুৱা। তদুপৰি ইৰাণী হুছেইনে বক্তৃতা প্ৰতিযোগিতাত দ্বিতীয় স্থান লাভ কৰিবলৈ সক্ষম হয়।

ছ) অসম চিকিৎসা মহাবিদ্যালয়ৰ ৭৫ বছৰীয়া মহাৰজত জয়ন্তীৰ উপলক্ষে অনুষ্ঠিত কৰা স্বৰ্গীয় ৰতন কুমাৰ কাকতি সোঁৱৰণি উত্তৰ-পূব আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতাত পৰাংগম শৰ্মাই বিচাৰকৰ বিশেষ পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হয়।

জ) ২২তম সদৌ ডিব্ৰুগড় ছাত্ৰ সন্থাৰ সাধাৰণ অধিৰেশনৰ লগত সংগতি ৰাখি অনুষ্ঠিত বক্তৃতা প্ৰতিযোগিতাত চিৰঞ্জীৱ সন্দিকৈয়ে তৃতীয় স্থান দখল কৰে।

ঝ) Integrated Network of Youths- Assamএ আজাদী কা অমৃত মহোৎসৱৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰা অনলাইন বক্তৃতা প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ ছাত্ৰ চিৰঞ্জীৱ সন্দিকৈয়ে ২য় স্থান অধিকাৰ কৰে।

ঞ) ছাত্ৰ একতা সভাৰ সহযোগত মহাবিদ্যালয়ৰ NSS গোট আৰু Assam State Aids Control Societyৰ দ্বাৰা অনুষ্ঠিত কৰা হয় তৰ্ক, বক্তৃতা আৰু ৰচনা প্ৰতিযোগিতা ।

ট) কানৈ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ তৰ্ক শাখা আৰু ব্ৰহ্মপুত্ৰ ক্ৰেকাৰ্চ পলিমাৰ লিমিটেড (BCPL)ৰ যৌথ উদ্যোগত ৮ জুলাই, ২০২২ তাৰিখে কানৈ মহাবিদ্যালয়ত আন্তঃ বিদ্যালয় তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়।

ঠ) কানৈ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ তৰ্ক আৰু আলোচনা শাখা আৰু Optimistic Mindsৰ যৌথ উদ্যোগত ৭ অক্টোবৰ, ২০২২ তাৰিখে কানৈ মহাবিদ্যালয়ত আন্তঃ বিদ্যালয়! মহাবিদ্যালয় কুইজ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়।

ড) লাহোৱাল মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তীৰ সামৰণি অনুষ্ঠানৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰা আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতাত মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ ছাত্ৰ চিৰঞ্জীৱ সন্দিকৈয়ে শ্ৰেষ্ঠ তাৰ্কিক হিচাপে খিতাপ অৰ্জন কৰিবলৈ সক্ষম হয়।

ঢ) লাহোৱাল মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তীৰ সামৰণি অনুষ্ঠানৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰা আন্তঃ মহাবিদ্যালয় কুইজ প্ৰতিযোগিতাত মহাবিদ্যালয়ক প্ৰতিনিধিত্ব কৰি বুৰঞ্জী বিভাগৰ দুই ছাত্ৰ নিশান্ত শইকীয়া আৰু বিতুপন সবৰে তৃতীয় স্থান লাভ কৰিবলৈ সক্ষম হয়।

এজন ছাত্ৰ হিচাপে ছাত্ৰ সমাজৰ উন্নতিৰ বাবে কাম কৰাই আছিল মোৰ প্ৰধান উদ্দেশ্য। সেই উদ্দেশ্যেত মই কিমান দূৰলৈকে সফল হ'ব পাৰিলোঁ তাৰ বিচাৰ মই কানৈয়ানৰ ওপৰত এৰিলোঁ। এই কাৰ্যকালৰ অভিজ্ঞতাই মোক বৌদ্ধিক আৰু মানসিকভাৱে আৰু অধিক সক্ৰিয় কৰি তুলিলে। মোৰ বিশ্বাস যে আগন্তুক জীৱনত এই অভিজ্ঞতাবোৰে মোক আগুৱাই যোৱাত সহায় কৰিব আৰু সফল মানুহ হিচাপে নিজকে গঢ় দিয়াত সহায়ক হ'ব। সদৌ শেষত প্ৰতিজন কানৈয়ানলৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু সেৱা নিবেদিছোঁ, কিয়নো আপোনালোকৰ সহায়-সহযোগিতা তথা উৎসাহ অবিহনে মোৰ কোনো কামেই সফল হৈ নুঠিলহেঁতেন। আমি আশাবাদী মানুহ, সেয়েহে হেঁপাহ কৰিছোঁ, আশা কৰিছোঁ ছাত্ৰ সমাজ আগবাঢ়ি যাওঁক আৰু গঢ়ি তোলক নতুন পৃথিৱী।

জয়তু কানৈয়ান
জয়তু কানৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা
জয়তু ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়।

**মাধুৰ্য্য চেতিয়া**
তৰ্ক আৰু আলোচনা সম্পাদক
ছাত্ৰ একতা সভা, ২০২১-২২ বৰ্ষ

# কানৈ কলেজ পৰিচালনা সমিতিৰ সভাপতিসকল ১৯৪৫-২০২২

| | সভাপতিসকল | কাৰ্যকাল |
|---|---|---|
| ১. | ৰায়বাহাদুৰ সদানন্দ দুৱৰা | ১৯৪৫-১৯৫৬ |
| ২. | গোবিন্দ চন্দ্ৰ শৰ্মা | ১৯৫৬-১৯৫৮ |
| ৩. | ৰায়চাহেব এইচ.বি.কানৈ | ১৯৫৮-১৯৬৬ |
| ৪. | এ. কে. বৰকাকতী | ১৯৬৬-১৯৬৯ |
| ৫. | এন.কে. দত্ত | ১৯৬৯-১৯৭৩ |
| ৬. | এচ.কে. অগ্নিহোত্ৰী | ১৯৭৩-১৯৭৫ |
| ৭. | কে.কে. বৰুৱা | ১৯৭৫-১৯৭৭ |
| ৮. | দীপক মুৰ্মু | ১৯৭৭-১৯৮০ |
| ৯. | চি.গোহাঁই | ১৯৮০-১৯৮০ |
| ১০. | এন.কে. দত্ত | ১৯৮০-১৯৮৬ |
| ১১. | পি.চি.মহন্ত | ১৯৮৬-১৯৮৮ |
| ১২. | এন.চি.দত্ত | ১৯৮৮-১৯৮৯ |
| ১৩. | কে. কুটুম | ১৯৮৯-১৯৯০ |
| ১৪. | ভি. সোনোৱাল | ১৯৯০-১৯৯১ |
| ১৫. | এ.কে.ভাল্লা | ১৯৯১-১৯৯৪ |
| ১৬. | এচ.কে. বৰদলৈ | ১৯৯৪-১৯৯৪ |
| ১৭. | বদন শইকীয়া | ১৯৯৪- ....... |
| ১৮. | ড° কামিনী ৰঞ্জন বৰুৱা | ....-.... |
| ১৯. | ড° কে.কে. গগৈ | ২০০৫-২০০৮ |
| ২০. | পৃথ্বি মাঝি | ২০০৮-২০১০ |
| ২১. | ড° জয়ন্ত কুমাৰ গগৈ | ২০১০-২০১০ |
| ২২. | ড° কুমুদ চন্দ্ৰ বড়া | ২০১০-২০১৫ |
| ২৩. | ড° চন্দ্ৰকান্ত গগৈ | ২০১৫-২০২০ |
| ২৪. | অভিমন্যু বৰুৱা | ২০২০- বৰ্তমানলৈকে। |

# কানৈ কলেজৰ অধ্যক্ষসকল ১৯৪৫-২০২২

| | অধ্যক্ষসকল | কার্যকাল |
|---|---|---|
| ১. | ডঃ যোগীৰাজ বসু এম.এ (ট্রিপ্‌ল) | ১৫.৬.৪৫-৪.১২.৬৩ |
| ২. | ডঃ লক্ষীপ্রসাদ দত্ত এম.এ.বি.এল | ৪.১২.৬৩-২৬.৬.৬৫ |
| ৩. | ডঃ যোগীৰাজ বসু এম.এ. (ট্রিপ্‌ল) | ২৯.৬.৬৫-৭.৭.৬৭ |
| ৪. | সুশীল চন্দ্র দত্ত এম.এ | ৮.৭.৬৭-২৩.১.৭৮ |
| ৫. | শ্রীমতী লক্ষীদা দত্ত এম.এ. | ২৪.১.৭৮-১২.১২.৮০ |
| ৬. | কল্যাণকুমাৰ বৰুৱা এম.এ. | ১৩.১২.৮০-২১.৮.৮৯ |
| ৭. | নৰেন্দ্রকুমাৰ বাৰ্মা এম.এ. (কার্যবাহী অধ্যক্ষ) | ২২.৮.৮৯-৩.১২.৯০ |
| ৮. | ডিম্বেশ্বৰ চলিহা | ৪.১২.৯০-৩১.০৫.১৯৯৭ |
| ৯. | ড° শিৱকান্ত দত্ত | ১.৬.১৯৯৭-৩১.০৭.২০০৪ |
| ১০. | অলকা বৰুৱা (ভাৰপ্রাপ্ত) | ০২.০৮.২০০৪-১১.১০.২০০৪ |
| ১১. | ড° শিৱকান্ত দত্ত | ১২.১০.২০০৪-১৩.১২.২০০৪ |
| ১২. | অলকা বৰুৱা (ভাৰপ্রাপ্ত) | ১৪.১২.২০০৪-২৮.০২.২০০৫ |
| ১৩. | ভবেন বৰুৱা (ভাৰপ্রাপ্ত) | ০১.০৩.২০০৫-৩১.০১.২০০৬ |
| ১৪. | ড° জয়কৃষ্ণ মহন্ত (ভাৰপ্রাপ্ত) | ০১.০২.২০০৬-১৬.০২.২০০৬ |
| ১৫. | ড° শিৱকান্ত দত্ত | ১৭.০২.২০০৬-৩১.১২.২০০৬ |
| ১৬. | ড° জয়কৃষ্ণ মহন্ত (ভাৰপ্রাপ্ত) | ০১.০১.২০০৭-২৮.০২.২০১১ |
| ১৭. | ড° ৰাজী কোঁৱৰ (ভাৰপ্রাপ্ত) | ০১.০৩.২০১১-৩১.১০.২০১৪ |
| ১৮. | ড° আতিকুদ্দিন আহমদে (ভাৰপ্রাপ্ত) | ০১.১১.২০১৪-১৮.০৬.২০১৫ |
| ১৯. | ড° শশী কান্ত শইকীয়া | ১৯.০৬.২০১৫-বৰ্তমানলৈকে। |

# কানৈ কলেজৰ শিক্ষক/শিক্ষয়িত্ৰীসকল

(কানৈ কলেজৰ জন্মলগ্নৰ পৰা বৰ্তমান সময়লৈকে যিসকলে ইয়াত শিক্ষাদান কৰি গ'ল আৰু যিসকলে এতিয়াও কৰি আছে সেই সকলোৰে নাম তেখেতসকলৰ বিভাগসমূহৰ সৈতে ইয়াত সন্নিৱিষ্ট কৰা হৈছে।)

**অসমীয়া ঃ**

বেণুধৰ ৰাজখোৱা
গোলোকচন্দ্ৰ গোস্বামী
উপেন্দ্ৰনাথ গোস্বামী
উপেন্দ্ৰনাথ লেখাৰু
সুৰেন্দ্ৰনাথ শৰ্মা
যতীন্দ্ৰনাথ দুৱৰা
শশ ৰায় বৰুৱা
তফজ্জুল আলি
অনিমা দেৱী
যতীন্দ্ৰনাথ গোস্বামী
বীণী দেৱী
অণিমা দত্ত
পৰীক্ষিত হাজৰিকা
ভীমকান্ত কোঁৱৰ
প্ৰফুল্ল চন্দ্ৰ ভট্টাচাৰ্য
ঘনশ্যাম অধিকাৰী
ঊষাৰাণী বৰুৱা
ফৰিদা আহমদ শ্বৰফুদ্দিন
যামিনী ভট্টাচাৰ্য
অলকা বৰুৱা
জ্যোতিৰেখা হাজৰিকা
জ্যোতিমালা বৰগোহাঁই
ৰূপালীম ঠাকুৰ
অনন্ত টেৰণ
ড° মৃদুল শৰ্মা
অঞ্জুমণি ফুকন
শিখামণি কোচ দেউৰী
ড° মনমী বৰুৱা

**হিন্দী ঃ**

চন্দ্ৰমুখী জৈন
ৰতনলাল জৈন
গোলোকচন্দ্ৰ ডেকা
কল্পনা সেনগুপ্তা
কৃষ্ণকান্ত বৰদলৈ
ড° লক্ষীমা দেউৰী

**বাংলা ঃ**

আশুতোষ শৰ্মা বিশ্বাস
(পাছলৈ সংস্কৃত)
সংগ্ৰাম কুমাৰ ৰয়
অৰুণ বাগ্‌চী
নীৰেশ চন্দ্ৰ বাগ্‌চী
প্ৰিয়াংশুপ্ৰৱল উপাধ্যায়
(পাছলৈ সংস্কৃত বিঃ)
আভা দত্ত
মনতোষ চক্ৰৱৰ্তী
কুমকুম চক্ৰৱৰ্তী
ৰীতা পোদ্দাৰ

**তৰ্কবিদ্যা আৰু দৰ্শন ঃ**

সুশীলকুমাৰ দত্ত
মুনীন্দ্ৰ চক্ৰৱৰ্তী
লক্ষ্মীদা দত্ত
প্ৰতিমা দাস
অলকা বৰুৱা
মমতা দাস
ভবেন বৰুৱা
মনীষা দত্ত
দেৱেন্দ্ৰ নাথ শইকীয়া
ৰাজী কোঁৱৰ
ৰমাকান্তী দাস
উৰ্মিলা ৰামচিয়াৰী
হীৰামণি লালুং
ড° মৌচুমী হাজৰিকা

**ইতিহাস ঃ**

লক্ষীপ্ৰসাদ দত্ত
ভূপেন্দ্ৰ নাৰায়ণ চৌধুৰী
শৰৎচন্দ্ৰ গগৈ
দুৰ্গাপ্ৰসাদ মজুমদাৰ
সত্যেন্দ্ৰনাথ চৌধুৰী
দুৰ্গাপ্ৰসন্ন চক্ৰৱৰ্তী
নবীন চন্দ্ৰ দত্ত
বীনা কোঁৱৰ (চৌধুৰী)
সলিল কুমাৰ বসু
সুশীল দত্ত
গংগাপ্ৰসাদ কৈৰী
নন্দলাল গোঁহাই
লীলা বৰুৱা
সাৰদা আম্মা
মণিলাল বসু
স্বৰ্ণলতা বৰুৱা
মহেশপ্ৰসাদ সিংহ

হিৰন্ময়া দেৱী
মহম্মদ চেলিম
ৰীতা বৰুৱা
বিশ্বজিৎ বৰুৱা
বৈজয়ন্ত দত্ত
ৰীতা চৌধুৰী ঠাকুৰীয়া
অভিজিত বৰুৱা
ড° চন্দনা গোস্বামী
ডি ডংগেল
জ্যোতিমঞ্জুৰী কলিতা

**সংস্কৃত ঃ**

যোগীৰাজ বসু
আশুতোষ শৰ্মা বিশ্বাস
ৰাজতবৰণ দত্তৰায়
টি.কে.কৃষ্ণস্বামী আয়াৰ
জনাৰ্দন আচাৰ্য্য প্ৰিয়াংশুপ্ৰৱল উপাধ্যায়
মঞ্জুলিকা বসু
নীলকণ্ঠ চক্ৰৱৰ্তী
জয়শ্ৰী বিশ্বাস
দীপালী বুজবৰুৱা
অসীমা গুহ (গংগোপাধ্যায়)
জয়কৃষ্ণ মহন্ত
মহেশ্বৰ হাজৰিকা
কল্যাণী দাস
বিনী শইকীয়া
ড° চয়নিকা গোস্বামী

**ইংৰাজী ঃ**

উমাপ্ৰসন্ন দে
বীৰেন্দ্ৰনাথ ভট্টাচাৰ্য্য
যোগীৰাজ বসু
ত্ৰৈলোকেশ্বৰ বৰুৱা
দীনেশচন্দ্ৰ তামুলী
সুনীলবৰণ ঘোষ
অনিৰুদ্ধ গোহাঁই
ব্ৰজেন্দ্ৰনাথ দাস
সুখময় বসু
সুধাকৰ পাণ্ডে
মহেন্দ্ৰ বৰা
অমৰেন্দ্ৰনাথ ভট্টাচাৰ্য্য
বিমান বাগ্‌চী
জোচেফ মিনাটৰ
উপেন্দ্ৰনাথ শৰ্মা
এছ.ছি. মিত্ৰ
পদ্মিনী চৌধুৰী
প্ৰভুনাথ সিং
সুনীল কুমাৰ বৰঠাকুৰ
যাদৱচন্দ্ৰ বৰুৱা
মাহতাবউদ্দিন আহমেদ
মনেশ্বৰ বৰ্মণ
মুনীন্দ্ৰনাথ শৰ্মা
প্ৰতীক চৌধুৰী
ড° মধুমিতা পুৰকায়স্থ
অদিতি কোঁৱৰ গগৈ
বিদিশা বৰুৱা
ড° তৃষ্ণা দুৱৰা কলিতা
বেদান্ত বিকাশ বৰুৱা
ড° লুলু মৰিয়ম বৰগোহাঁই
ড° হেনৰিয়েটা হুদা
হানিফা ৰহমান

**ৰাজনীতি বিজ্ঞান ঃ**

নিৰ্মলকুমাৰ বসু
ধ্ৰুৱদেৱ শুক্লা
কামিনীৰঞ্জন বৰুৱা
শিৱকান্ত দত্ত
মহেন্দ্ৰ গগৈ
নকুল শইকীয়া
ৰঞ্জিৎ সিন্‌হা
ৰেখা দাস
লোকনাথ উপাধ্যায়
শান্তনু সেনগুপ্ত
টি.ভেংৰা
ড° লাংখুলাল ডংগেল
ড° নিৰ্মালী পেগু
ড° বিৰাজ দত্ত
শিৱনাথ চুতীয়া

**অৰ্থনীতি ঃ**

নিৰ্মলকুমাৰ বসু
মজিবুৰ ৰহমান
দেৱকুমাৰ দত্ত
কমলাক্ষ ভট্টাচাৰ্য্য
প্ৰেমচাঁদ জৈন
বিষ্ণুপ্ৰসাদ চক্ৰৱৰ্তী
সত্যনাথ বৰা
জগন্নাথ চক্ৰৱৰ্তী
পূৰ্ণ গগৈ
মেহ্‌দি হাচান
ভুবনচন্দ্ৰ চুতীয়া
সুনীলেশ বৰগোহাঁই
ধ্ৰুৱদেৱ শুক্লা
(পাছলৈ ৰাজনীতি বিজ্ঞান)
ভাৰ্গৱ চৌধুৰী
ৰঞ্জিতা মেধি
বিপুল চন্দ্ৰ খাউণ্ড
মনোৰঞ্জন শৰ্মা
শৰৎ বৰকাকতি
কুমুদিনী শইকীয়া
হৰেন্দ্ৰনাথ গগৈ
ড° আতিকুদ্দিন আহমেদ
ড° সোণালী কোঁৱৰ
ড° জয়শ্ৰী কোঁৱৰ
ড° পাৰ্থ পাংগুলী
ড° ৰুবাৰ ফাতেমা নমানী
পলীপ্ৰিয়া বুঢ়াগোহাঁই
ময়ুৰী দত্ত
ড° চুমকি সন্দিকৈ

গণিত ঃ

শক্তিপদ পাত্ৰ
অপূৰ্বকুমাৰ চক্ৰৱৰ্তী
চিত্ৰৰঞ্জন ঘোষাল
বিনয়কুমাৰ চলিহা
বাপুকৃষ্ণ চৌধুৰী
ৰামশংকৰ ৰথ'
পিল্ললমাৰী ভেংকট কৃষ্ণ শাস্ত্ৰী
আশীষ কুমাৰ গাংগুলী
তৰুণচন্দ্ৰ বৰুৱা
ঘনশ্যাম বৰা
ড° প্ৰিয়দেৱ গোস্বামী
দিলীপ কুমাৰ বৰবৰা
ড° দেবাঞ্জন হাজৰিকা
ড° অনন্ত কুমাৰ দত্ত
ড° অমিতাভ দলে

ভূগোল ঃ

কল্যাণকুমাৰ বৰুৱা
এ.ৰহমান
নৰেন্দ্ৰনাথ বাৰ্মা
প্ৰফুল্ল চক্ৰৱৰ্তী
বিজয় কুমাৰ বাৰ্মা
স্মৃতি ভট্টাচাৰ্য (ৰয় চৌধুৰী)
নৰেন্দ্ৰকুমাৰ মাহেলা
ড° ভাৰতী দত্ত
হেমন্ত তিমচিনা
ড° মিতালী চলিহা
কৃষ্ণাক্ষী শইকীয়া
ড° জ্যোতি শইকীয়া
ফাৰনাজ আৰ.এচ.আহমেদ

উদ্ভিদবিদ্যা ঃ

খগেশ্বৰ চেতিয়া
ৰামশংকৰ ৰথ'
শৈলজানন্দ ভৰালী
তৈলেন গোহাঁই
অনন্তকুমাৰ দত্ত
কুলেন্দ্ৰকুমাৰ দাস
এচ. দেৱী
মানস কুমাৰ বৰুৱা
দিলীপকুমাৰ বৰুৱা
দিলীপ কুমাৰ বৰুৱা
নফিন হুচেইন
কৃষ্ণপ্ৰসাদ বৰুৱা
বিমান কুমাৰ চলিহা
চাজিদা বেগম
চানু দেৱী
সুবৰ্ণ ভূঞা
ড° নিৰ্মালি বা ভূঞা
ড° দিলীপ কুমাৰ ভূঞা
ড° ঋতুপৰ্ণ শৰ্মা
ৰাজীৱলোচন বড়া
ড° অলকানন্দা বৰুৱা
দিনালিচা বৰা
ড° ভাস্বতী কাকতি
অম্বৰীশ ভূঞা
ড° গীতামণি দত্ত
ড° অভিলাষ ভট্টাচাৰ্য্য

প্ৰাণীবিদ্যা ঃ

সত্যেন্দ্ৰনাথ চৌধুৰী
মাধৱ পাৰঞ্জাপে
কে. বালকৃষ্ণ মেনন
উমেশ চন্দ্ৰ মেধি
পান্নালাল দাস
যোগেন তালুকদাৰ
জি.বিশ্বেশ্বৰ
শ্যামল কুমাৰ বাগচী
ডিম্বেশ্বৰ চলিহা
সুৰভি কাকতি
ছায়েৰা খাতুন
মুকুল দাস
ৰুনু দাস
ঐশ্বৰ্য্য কুমাৰ দাস
ৰঞ্জিত কুমাৰ ৰয়
সুদক্ষিণা দাস
অসিত কুমাৰ দত্ত
টিকেন্দ্ৰজিৎ গগৈ
নমিতা দেৱী
প্ৰণতি দেৱী
তুৰেন দত্ত
দুদুল দুৱৰা
ড° চুলতানা হাজৰিকা
ড° সঞ্চিতা বৰুৱা
ড° আৰাধানা প্ৰিয়ম্বদা ভূঞা
ড° ৰাজেশ চাহ
ড° হেমা কাঞ্চন
ড° সুদৰ্শনা বৰা
পলী চৰকাৰ
সংক্ৰান্তী দেৱী

পদাৰ্থবিদ্যা ঃ

হৰিদেৱ গোস্বামী
হেমেন বৰঠাকুৰ
নৰেন্দ্ৰনাথ চৌধুৰী
সৰোজ দত্ত (মজুমদাৰ)
ত্ৰিভংগধৰ ৰাজখোৱা
নয়নানন্দ বৰঠাকুৰ
জিয়াউদ্দিন আহমেদ
কে. শ্ৰী নিবাসন
পংকজ কোঁৱৰ
উৎপল ভূঞা (পাছলৈ ৰয়াসন)
বিজয়ানন্দ কাকতি
সুনিল কুমাৰ বৰুৱা
হৰিহৰ দাস
গিৰিশ ভট্টাচাৰ্য
গোপীবল্লভ লালা দাস

বিনোদ গোস্বামী
অৰুণ কুমাৰ দত্ত
আবু নেইম বৰা
শ্যামাপ্রসাদ শৰ্মা
মদনমোহন গোস্বামী
পৰেশ বৰুৱা
মীনু বৰগোহাঁই
আদিত্য দাহাল
ড° জ্যোতিপ্ৰসাদ ফুকন
ত্ৰিবেণী শইকীয়া
ড° ৰঞ্জন চাংমাই
অংশুমান বৰঠাকুৰ
ড° পৰাগজ্যোতি চুতীয়া

**ৰসায়ন ঃ**

ৰোহিনীকান্ত
ৰাজেন্দ্ৰ নাথ
ৰমাপদ পাত্ৰ
জ্যোতি ৰাজখোৱা
মহেশ ভূঞা
উদ্ধৱ কুমাৰ বৰদলৈ
যোগেন বৰুৱা
ই.এল.আৰ.দয়ানন্দ
প্ৰদ্যুৎ কুমাৰ দত্ত
হৰেন্দ্ৰনাথ ভূমিজ
দেৱকুমাৰ দাস
উৎসৱ ভূঞা
আনোৱাৰ শইকীয়া
স্মৃতি শৰ্মা
ভুবন কোঁৱৰ
প্ৰশান্ত শৰ্মা
বিজয়ানন্দ কাকতি
সত্যৰঞ্জন সেন
আৰাধনা দত্ত
হেমলতা দেউৰী
অখিলানন্দ দেউৰী

ড° পদ্মধৰ চেতিয়া
ড° অঞ্জলি ফুকন
ড° শিখামণি শৰ্মা
বিদ্যুৎ বিকাশ শৰ্মা
ড° দেৱপ্ৰসাদ ফুকন
ড° উত্তম মহন
ড° দীপংকজ গগৈ
ড° এনিশা দত্ত
ড° অপূৰ্ব দত্ত

**পৰিসংখ্যা বিজ্ঞান ঃ**

ড° দেৱপ্ৰল্লৱ ৰাজখোৱা
অসীম কুমাৰ বৰকটকী
ড° নাজিমুদ্দিন আহমেদ

**নৃতত্ত্ব ঃ**

অৰুণ কুমাৰ দত্ত
আবু নেইম, জিয়াউদ্দিন আহমদ হাজৰিকা
বিমান কুমাৰ চলিহা
(পাছলৈ উদ্ভিদ বিদ্যা)
শৰত বৰবৰা
ক্ষীৰোদ মোহন ৰাভা
তুলতুল বৰুৱা
ধ্ৰুৱ কুমাৰ লিম্বু
ড° মৰমী তালুকদাৰ
ড° অনুপজ্যোতি ভৰালী
ড° ধনীৰাম বড়া
ড° নিতুমণি শইকীয়া
ড° সুনন্দা চাহু
ড° ভাস্কৰ দাস

**পৰিকলন বিভাগ ঃ**

ড° প্ৰিয়দেৱ গোস্বামী
হৰদী সিং ভুৰজী
ৰিপুঞ্জয় সোনোৱাল

মানস ফুকন
চুম্পী শইকীয়া
অংকুমন শৰ্মা
ৰণাক্ষী কাকতী
ড° চিন্ময়ী দেউৰী ভৰালী
হৰজিন্দৰ সিং
পিণাক্ষী কোঁৱৰ

**বি.চি.এ. বিভাগ ঃ**

হৰজিন্দৰ সিং
নিহাৰিকা কাকতি
অলকানন্দা কোঁৱৰ
পিনাক্ষী কোঁৱৰ
ৰিমঝিম সোনোৱাল
নয়নমণি দত্ত
হিমাংগিনী গগৈ
ভগৱান শ্বাহ
অদ্ৰীতা ভূঞা

**সমাজতত্ত্ব বিভাগ ঃ**

দীপশিখা বৰা
প্ৰেৰণা সাহা
দীপাংকৰ বাৰ্ড
বিপাশা সোনোৱাল
প্ৰিয়ংকা বৰা
পূজা চাংকাকতি
ভাস্কৰজ্যোতি দত্ত
মনচুমী ভূঞা
দিম্পী সোনোৱাল
ৰিজুমণি চেতিয়া
পাৰ্বতি কুৰ্মী

# কানৈ কলেজৰ কৰ্মচাৰীসকল

(কানৈ কলেজৰ জন্মলগ্নৰ পৰা বৰ্তমান সময়লৈকে কৰ্মৰত কৰ্মচাৰীসকলৰ নাম ইয়াত সন্নিৱিষ্ট কৰা হৈছে)

**কাৰ্যালয় কৰ্মচাৰী**

ভূপেন্দ্ৰনাথ কাকতি
সোণাৰাম অভয়পুৰীয়া
প্ৰফুল্ল দাস
আচমত আলি
ৰমেশ চন্দ্ৰ দাস
জিষ্ণু দুৱৰা
ধনদেৱ শৰ্মা
হৰেন বৰুৱা
সুৰেন মহন্ত
খগেন্দ্ৰ নাথ গগৈ
ভৱেশ চন্দ্ৰ শইকীয়া
স্বৰ্গীয় বেনুধৰ দাস
পূৰ্ণানন্দ হাজৰিকা
বিপিন বৰুৱা
লাভেশ্বৰ দিহিংগীয়া
হৰিহৰ কাকতি
প্ৰফুল্ল গগৈ
নাজিৰণ মালি
জাকিৰা মালি
স্বৰ্গীয় গোপাল মজুমদাৰ
যোগেশ চন্দ্ৰ ভূএগ।
অৰ্জুন ছাহ
প্ৰশান্ত মাঝিৰী শইকীয়া
ৰাজেশ দাস
শ্যামল গুপ্ত
লক্ষেশ্বৰ বৰুৱা
সোমা বাগ্চি
জিতেন তাঁতী
লক্ষী চন্দ্ৰ গগৈ
নিৰ্মল চন্দ্ৰ গগৈ
হৰিচন্দ্ৰ গগৈ
কৃশ গগৈ
জিণ্টু গগৈ
চন্দন দাস মেধি
ভূৱন জ্যোতি বৰুৱা
প্ৰতাপ সেনাপতি
নমিতা শইকীয়া
দেবাৰু ভূএগ
জয়ন্ত দাস
অপূৰ্ব শৰ্মা
চন্দ্ৰ সন্দিকৈ
কৃষ্ণকান্ত পাৰ
মানৱজিত শইকীয়া
হাচান আৰমান আহমদ
ৰোহিনী বৰা
সঞ্জয় বৈশ্য
হেমন্ত দাস
মনোজ শৰ্মা
দীপজ্যোতি ফুকন
চন্দ্ৰেশ্বৰ দত্ত
পূৰ্ণ দাস
খগেন ফুকন
জ্যোতি প্ৰসাদ চেতিয়া
মিতালী চুতীয়া
মঞ্জু হৰিজন

**গ্ৰন্থাগাৰ কৰ্মচাৰী**

নিৰদা দত্ত
ৰিণা দাস
জগত গগৈ
গোবিন দিহিংগীয়া
ড° পল্লৱী গগৈ (গ্ৰন্থাগাৰিকা)
ফুলেশ্বৰ নেওগ
দিব্যজ্যোতি গোস্বামী
দেৱজিৎ ঘৰফলীয়া
দীপা দাস
লিলি গগৈ

**বিজ্ঞানাগাৰ কৰ্মচাৰী**

বসন্ত বৰা
সিদ্ধেশ্বৰ কোঁৱৰ
ইন্দ্ৰ গগৈ
মানিক দুৱৰা
দুলাল গগৈ
গোপেশ ডেকা
জিতেন সৰকাৰ
প্ৰসন্ন দাস
মোহিৰাম গগৈ
মোহন চন্দ্ৰ দাস
ৰজনী দাস
শিৱ গগৈ
মহিম গগৈ
ৰমেশ ৰাজবংশী
দিগন্ত বৰুৱা
নিবাৰণ সন্দিকৈ
জ্যোতিষ দত্ত
ভৈৰৱ দত্ত
বাবুল দিহিঙীয়া
চিন্ত সোনোৱাল
লক্ষী দাস
বিজিত দাস
ৰঞ্জিত বৈৰাগী
অনুপম দত্ত
সুভাষ দত্ত
ৰঞ্জিত ডেকা
নিতুল দত্ত
ৰবীন গগৈ

# 'কানৈয়ান'ৰ ইতিহাস

## আলোচনী সম্পাদকৰ তালিকা ঃ (১৯৪৬-২০২০)


| | |
|---|---|
| ইৰা দত্ত | ১৯৪৬-৪৭ |
| বিনন্দ চন্দ্ৰ বৰুৱা | ১৯৪৭-৪৮, ১৯৪৮-৪৯ |
| ভূপেন বৰপূজাৰী | ১৯৪৯-৫০ |
| লক্ষী বৰা | ১৯৫০-৫১ |
| নৰেন্দ্ৰ নাথ গোস্বামী | ১৯৫১-৫২ |
| খগেন মোহন | ১৯৫২-৫৩ |
| নিত্যা হাজৰিকা | ১৯৫৩-৫৪ |
| দুৰ্গা দত্ত ভৰালী | ১৯৫৪-৫৫ |
| উজ্জ্বল শইকীয়া | ১৯৫৫-৫৬ |
| যামিনি ফুকন | ১৯৫৬-৫৭ |
| সুনীল দুৱৰা | ১৯৫৭-৫৮ |
| কিৰণ শৰ্মা | ১৯৫৮-৫৯ |
| বিশ্ব বৰুৱা | ১৯৫৯-৬০ |
| লুহিত দাস | ১৯৬০-৬১ |
| অনিল কুমাৰ হাজৰিকা | ১৯৬১-৬২ |
| লম্বেশ্বৰ বৰুৱা | ১৯৬২-৬৩ |
| হেম ওজা | ১৯৬৩-৬৪ |
| মুকুট সিং ফুকন | ১৯৬৪-৬৫ |
| ৰজনীকান্ত চেতিয়া | ১৯৬৫-৬৬ |
| কল্পনা দত্ত | ১৯৬৬-৬৭ |
| তৰুণ গগৈ | ১৯৬৭-৬৮ |
| ভীমকান্ত বৰগোহাঁই | ১৯৬৮-৬৯, ১৯৬৯-৭০ |
| মোহন সোনোৱাল | ১৯৭০-৭১ |
| হিতেশ বিকাশ গগৈ | ১৯৭১-৭২ |
| ডম্বৰু বৰা | ১৯৭২-৭৩ |
| লক্ষীপ্ৰিয়া দেৱী | ১৯৭৩-৭৪ |
| গ্ৰীন গগৈ | ১৯৭৪-৭৫, ১৯৭৫-৭৬ |
| সঞ্জীৱ বৰা | ১৯৭৬-৭৭ |
| কৃপাল কুমাৰ কোঁৱৰ | ১৯৭৭-৭৮ |
| প্ৰভাত প্ৰাণ কোঁৱৰ | ১৯৭৮-৭৯ |
| ৰূপেশ্বৰ শইকীয়া | ১৯৭৯-৮০, ১৯৮০-৮১ |
| মনোজ কুমাৰ বৰুৱা | ১৯৮১-৮২ |

| | |
|---|---|
| মিণ্টু গগৈ | ১৯৮২-৮৩ |
| কল্যাণী বৰুৱা | ১৯৮৩-৮৪, ১৯৮৪-৮৫, ১৯৮৫-৮৬ |
| কামীনি কুমাৰ গোহাঁই | ১৯৮৬-৮৭ |
| নৰজ্যোতি শইকীয়া | ১৯৮৭-৮৮ |
| পানীৰাম ডেকা মৰাণ | ১৯৮৮-৮৯ |
| সুনীল ৰাজকোঁৱৰ | ১৯৮৯-৯০ |
| সুবোধ কুমাৰ সোনোৱাল | ১৯৯০-৯১ |
| প্ৰভাত কুমাৰ গগৈ | ১৯৯১-৯২ |
| মৃণাল কুমাৰ গগৈ | ১৯৯২-৯৩ |
| নৰজিত দেউৰী | ১৯৯৩-৯৪ |
| ৰাজীৱ গগৈ | ১৯৯৪-৯৫ |
| মানস প্ৰতীম শৰ্মা | ১৯৯৫-৯৬ |
| সুৰুজ কোঁৱৰ | ১৯৯৬-৯৭ |
| তৰালী গগৈ | ১৯৯৭-৯৮ |
| কান্ত কাবেৰী সোনোৱাল | ১৯৯৮-৯৯ |
| সাৰংগ শংকৰ কলিতা | ১৯৯৯-২০০০, ২০০০-০১ |
| শ্যামল জ্যোতি গগৈ | ২০০১-০২, ২০০২-০৩ |
| ৰব্ এলিছন দাস | ২০০৩-০৪ |
| মানসজ্যোতি হাজৰিকা | ২০০৪-০৫ |
| বিশ্বজিৎ চেতিয়া | ২০০৫-০৬ |
| কাশ্যপ মহন্ত | ২০০৬-০৭, ২০০৭-০৮, ২০০৮-০৯ |
| ৰিম্পী গগৈ | ২০০৯-১০ |
| অংশুমালী চেতিয়া | ২০১০-১১,২০১১-১২ |
| দিব্যজ্যোতি বৰা | ২০১২-১৩, ২০১৩-১৪ |
| হেমন্ত দত্ত | ২০১৪-১৫, ২০১৫-১৬ |
| | ২০১৬-১৭, ২০১৭-১৮ |
| কৃষ্ণ ভূজেল | |
| বসন্ত গগৈ | ২০১৮-১৯ |
| | ২০১৯-২০ |
| নিপু বৰুৱা | ২০২০-২১ |
| লক্ষ্মীপ্ৰিয়া কলিতা | ২০২১-২২ |
| | ২০২২-২৩ |

# KANOIAN

## The Journey























কানৈয়ান
সম্পাদক :


কানৈয়ান
ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ
কলেজ আলোচনী





কানৈয়ান


কানৈয়ান
50
EDITED BY
KANTA KAVERI SONOWAL


কানৈয়ান


KANOIAN



কানৈয়ান
২০০৯-২০১০ বৰ্ষ



কানৈয়ান











Yesterday's Dream




Our Todays Pride

# এমুঠি নষ্টালজিয়া আৰু অতীত







সৰ্বপল্লী ৰাধাকৃষ্ণনৰ দ্বাৰা [illegible] ত নতুন কলেজ ভৱন উদ্বোধনৰ দিনা অভিবাদন গ্ৰহণ।



# সংবাদ মাধ্যমত কানৈ

**কানৈ মহাবিদ্যালয়ৰ মহাৰজত জয়ন্তীৰ প্ৰস্তুতি**

## মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মালৈ ড° লক্ষ্মী প্ৰসাদ দত্ত স্মাৰক বঁটা



**ডিব্ৰুগড় ঃ** ষ্টাফ ৰিপ'ৰ্টাৰ, ১০ অক্টোবৰ ঃ অসমৰ উচ্চ শিক্ষা জগতৰ জোনাতৰা স্বৰূপ ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ে ৭৫ বছৰ অতিক্ৰম কৰিলে। মহাবিদ্যালয়খনে ১৫ আৰু ১৬ অক্টোবৰত মহাৰজত জয়ন্তীৰ সামৰণি অনুষ্ঠান উদযাপন কৰিব। এই লৈ মহাবিদ্যালয়খনত এক উৎসৱ-মুখৰ পৰিৱেশৰ সৃষ্টি হৈছে। মহাৰজত জয়ন্তীৰ কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা উপস্থিত থাকিব। ১৯৪৫ চনতে অসমৰ অন্যতম উচ্চ শিক্ষানুষ্ঠান ডিব্ৰুগড় হনুমানবক্স » পৃষ্ঠা

**অসম আদিত্য**

## কানৈত অসমীয়া, পদাৰ্থ বিজ্ঞান, জীৱ বিজ্ঞান বিষয়ত স্নাতকোত্তৰ পাঠ্যক্ৰম

**ডিব্ৰুগড়, ২৯ জুন ঃ** ৭৭ বছৰ পুৰণি ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ত চলিত বৰ্ষৰ পৰা অৰ্থাৎ ২০২২-২৩ শিক্ষাবৰ্ষৰ পৰা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনৰ অসমীয়া, পদাৰ্থবিজ্ঞান আৰু জীৱ বিজ্ঞান বিষয়ত স্নাতকোত্তৰ পাঠ্যক্ৰম মুকলি কৰা হৈছে। এই শিক্ষাবৰ্ষত উক্ত পাঠ্যক্ৰমত অসমীয়া বিষয়ত ২০ গৰাকী, পদাৰ্থ বিজ্ঞান বিষয়ত ২০ গৰাকী আৰু জীৱ বিজ্ঞান বিষয়ত ২০ গৰাকী ছাত্ৰ ছাত্ৰীয়ে নামভৰ্তি কৰিব পাৰিব। ইতিমধ্যে মহাবিদ্যালয়খনত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনত ইংৰাজী বিষয়ত স্নাতকোত্তৰ পাঠ্যক্ৰমৰ লগতে অসম বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা বিশ্ববিদ্যালয়ৰ অধীনত গণিত আৰু নৃতত্ত্ব বিষয়ত স্নাতকোত্তৰ পাঠ্যক্ৰম চলি আছে। মুঠতে সম্প্ৰতি মহাবিদ্যালয়খনত স্নাতকোত্তৰ পাঠ্যক্ৰমৰ সংখ্যা ছটালৈ বৃদ্ধি পাইছে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষই চলিত বৰ্ষত তিনিটাকৈ নতুন বিষয়ত স্নাতকোত্তৰ পাঠ্যক্ৰম মুকলিৰ বাবে অনুমতি প্ৰদান কৰাত ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই ধন্যবাদ আৰু কৃতজ্ঞতা জনাইছে। আনহাতে, মহাবিদ্যালয়খনত ছটাকৈ বিষয়ত স্নাতকোত্তৰ পাঠ্যক্ৰম আৰু বি চি এ পাঠ্যক্ৰম মুকলি কৰি শৈক্ষিক যাত্ৰাত গুৰুত্বপূৰ্ণ ভূমিকা লোৱাৰ বাবে মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী আৰু ছাত্ৰ একতা সভাই পৰিচালনা সমিতিৰ লগতে অধ্যক্ষগৰাকীক ধন্যবাদ জ্ঞাপন কৰিছে।

**The Sentinel**
*of this land, for its people*

## Digitalized wall magazine released

STAFF CORRESPONDENT

**DIBRUGARH, Feb 24:** Making history in its own right, the Department of Political Science, DHSK College, Dibrugarh released its Digitalized Annual Wall Magazine named Genesis with the theme 'Farm Laws 2020' recently.

Principal Dr.Sashi Kanta Saikia, IQAC Coordinator Dr. Mridul Sarma, Assistant Professor of DDR College, Chabua, Ranandra Khaund, graced the inaugural function amidst presence of the faculty members and students of the department.

Welcoming the gathering, Dr.N.Pegu, Head of the Department, thanked everyone and expressed her appreciation of the efforts of the students. While briefing about the magazine, Pradyumna Mahanta, third semester student and the editor of the magazine, claimed that the magazine was the first of its kind as it had unique innovative and special features, apart from its original physical form bearing QR code with both its PDF version and audio version along with social media accessibility on Facebook and Instagram.

The wall magazine of the department was digitized from last year when it started introducing its QR Code version rendering ease of access to it. While formally releasing the magazine, in his speech, Principal, Dr.Sashi Kanta Saikia expressed his profound happiness and satisfaction in the way the departmental wall magazine was presented with a new idea of thoughts and innovation that would go a long way in encouraging other departments and colleges.

He said, "This kind of creativity and zeal of students must get due recognition and should be promoted and emulated by all." In appreciation of their creative zeal and hard work, Dr.Saikia also happily announced an award of Rs.5,001 to the editorial team.

Expressing his view, Dr.Mridul Sarma said that this was an achievement and inspiration for all and should now become one of the good practices and innovations of the college and must be extended to all departments.


On the occasion, Dr.L.Doungel, senior most faculty member, of the department said, "The wall magazine will now receive more readers as it is unconventional and no longer requires one to stand near the wall to read it." Dr.Doungel also made the announcement of releasing the current year issue of the departmental newsletter shortly.

## ডি এইচ এছ কানৈ মহাবিদ্যালয়ত আন্তঃৰাষ্ট্ৰীয় বাইচাইকেল দিৱস পালন

**ডিব্ৰুগড়, ৩ জুন ঃ** ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ এন এছ এছ গোট আৰু ছাত্ৰ একতা সভাৰ যুটীয়া উদ্যোগত আজি আন্তঃৰাষ্ট্ৰীয় বাইচাইকেল দিৱস পালন কৰা হয়। 'আজাদি কা অমৃত মহোৎসৱ'ৰ লগত সংগতি ৰাখি আজি সমগ্ৰ বিশ্বৰ লগতে ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়তো আন্তঃৰাষ্ট্ৰীয় বাইচাইকেল দিৱসটি পালন কৰা হয়। প্ৰতিকীস্বৰূপে মহাবিদ্যালয় চৌহদৰ পৰা খনা চাৰিআলি আৰু খনা চাৰিআলিৰ পৰা মহাবিদ্যালয়লৈকে প্ৰায় ৫.৫ কিলোমিটাৰ পথ চাইকেল আৰোহীসকলে অতিক্ৰম কৰি চাইকেলৰ ব্যৱহাৰে নিজৰ স্বাস্থ্য উন্নতি সাধনৰ লগতে ইন্ধনযুক্ত বাহনৰ পৰা হোৱা পৰিৱেশ প্ৰদূষণক কিদৰে নিয়ন্ত্ৰণ কৰিব পাৰি সেই ক্ষেত্ৰত সজাগতা সৃষ্টিৰ উদ্দেশ্যে বিভিন্ন বাৰ্তা প্ৰদান কৰে। অনুষ্ঠানটিৰ আঁত ধৰে এন এছ এছৰ প্ৰোগ্ৰাম অফিচাৰ ড০ বিৰাজ দত্তই। ২০ গৰাকী ছাত্ৰ ছাত্ৰীয়ে এই অনুষ্ঠানটিত অংশগ্ৰহণ কৰি আন্তঃৰাষ্ট্ৰীয় বাইচাইকেল দিৱসটি সাফল্যমণ্ডিত কৰি তোলে। চাইকেল আৰোহীসকলক উৎসাহিত কৰিবৰ বাবে মহাবিদ্যালয়ৰ অৰ্ধশতাধিক ছাত্ৰ-ছাত্ৰীয়ে অনুষ্ঠানটিৰ শোভাযাত্ৰাত অংশগ্ৰহণ কৰে। চাইকেল আৰোহীসকলক নেতৃত্ব প্ৰদান কৰে মহাবিদ্যালয়ৰ দুগৰাকীকৈ ক্ৰীড়া প্ৰশিক্ষকে— মানবজিৎ শইকীয়া আৰু বিতুপন বৰাই।

**অসম আদিত্য**

Asom Aditya Dibrugarh Sunday October 16, 2022



কানৈ মহাবিদ্যালয়ৰ মহাৰজত জয়ন্তীৰ সামৰণি অনুষ্ঠান

### বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰাত প্ৰতিফলিত হ'ল অসমৰ সংস্কৃতি

# কানৈ মহাবিদ্যালয়ক নাগৰিক মঞ্চৰ 'অসমৰ পৰিষ্কাৰ মহাবিদ্যালয়'ৰ সন্মান প্ৰদান

ডিব্ৰুগড়, ১৩ জুনঃ কেন্দ্ৰীয় চৰকাৰৰ খোৱাপানী আৰু স্বচ্ছতা মন্ত্ৰণালয়ৰ তৰফৰ পৰা দেশৰ ভিতৰতে স্বচ্ছতাৰ দ্বিতীয় ৰাষ্ট্ৰীয় বস্তু ভাৰত পুৰস্কাৰ-২০১৭, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ দুৰ মহোৎসৱত দুবাৰকৈ শ্ৰেষ্ঠ শৃংখলাবদ্ধ মহাবিদ্যালয়ৰ সন্মান, ডিব্ৰুগড় জিলা প্ৰশাসনে ২০১৮ চনত ডিব্ৰুগড় স্বচ্ছতা পুৰস্কাৰকে ধৰি অনেক দল-সংগঠনে ডি এইচ এছ কানৈ মহাবিদ্যালয়ক সন্মানীত কৰাৰ পিছত ঐতিহ্যপূৰ্ণ ডিব্ৰুগড় নাগৰিক মঞ্চই এইবাৰ মহাবিদ্যালয়খনক 'অসমৰ পৰিষ্কাৰ মহাবিদ্যালয়' সন্মানেৰে সন্মানীত কৰিব। ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ ৭৮ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ ১৫ জুনত অনুষ্ঠিত হ'বলগীয়া সভাত এই সন্মান প্ৰদান কৰিব। উল্লেখ্য যে প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক উপাধ্যক্ষ ড০ লক্ষ্মীপ্ৰসাদ দত্তৰ সোঁৱৰণত এক বক্তৃতানুষ্ঠান আয়োজন কৰা হৈছে। বক্তৃতানুষ্ঠানটিত গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ বৰ্তমানৰ উপাচাৰ্য ড০ মৃদুল হাজৰিকাই 'The Future of Innovation and Need of Redefining Higher Education' শীৰ্ষক বিষয়ত বক্তৃতা প্ৰদান কৰিব। অনুষ্ঠানটিত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ জীৱাকান্ত নাথ আৰু বক্তৃতানুষ্ঠানটি উদ্বোধন কৰিব গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাণীবিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক, স্নেহবন্ধনৰ কাৰ্যকৰী সভাপতি ড০ যোগেন চন্দ্ৰ কলিতাই। অনুষ্ঠানটিৰ লগত সংগতি ৰাখি বিগত বৰ্ষৰ দৰে এইবাৰো মহাবিদ্যালয়ৰ কলা শাখাৰ স্নাতক চূড়ান্ত পৰীক্ষাত সৰ্বোচ্চ নম্বৰ লাভ কৰা দুগৰাকী ছাত্ৰী ক্ৰমে— ২০১৯-২০ বৰ্ষৰ পৰিস্মৃতা গগৈ (ভূগোল বিভাগ) আৰু ২০২০-২১ বৰ্ষৰ এলিশা দত্ত (ভূগোল বিভাগ)ক ড০ লক্ষ্মীপ্ৰসাদ দত্ত সোঁৱৰণী স্মাৰক বঁটা প্ৰদান কৰা হ'ব। উল্লেখ্য যে ৭৮ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন সমিতিৰ সমূহ বিষয়ববীয়াই উক্ত প্ৰতিষ্ঠা দিৱসৰ সমূহ কাৰ্যসূচীত মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী, ছাত্ৰী-ছাত্ৰীৰ লগতে সমূহ শুভাকাংক্ষী ৰাইজৰ উপস্থিতি কামনা কৰিছে।

# লিখিব-পঢ়িব জানিলেই শিক্ষিত নহয় ঃ ড° কন্দৰ্প কুমাৰ ডেকা

## ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উদ্যোগত উপাচাৰ্যৰ বক্তৃতামালা

নিজা বাতৰি দিওঁতা

[illegible]

# কানৈ মহাবিদ্যালয় এখন স্বচ্ছ আৰু সুন্দৰ শৈক্ষিক মহাবিদ্যালয় ঃ জিলা উন্নয়ন আয়ুক্ত সঞ্জয় দত্ত

# মহাবিদ্যালয়ৰ পুনঃনিৰ্মিত মুখ্য প্ৰৱেশদ্বাৰ উদ্বোধন

[illegible]




[illegible]


# মহাবিদ্যালয়ৰ সাফল্য












# ড° শশীকান্ত শইকীয়াৰ মৌলিক গ্ৰন্থ সম্ভাৰ

- অসমীয়াই সত্যৰ মুখামুখী হ'বলৈ সাহস কৰক (২০০৬)
- মৃত্যু উপত্যকাত নৰ্খে দিন (২০০৮)
- Unexplored Tourism Destination (2009)
- খোজ ঃ জীৱনৰ খোজ (প্ৰথম, দ্বিতীয় আৰু তৃতীয় প্ৰকাশ) (২০০৯, ২০১১)
- ছয় জনগোষ্ঠীৰ জনজাতিকৰণ আন্দোলন (২০১০)
- অসমৰ পৰ্যটন উদ্যোগ (২০১১)
- এজন সুখী মানুহৰ সন্ধানত (২০১১)
- দৃষ্টিকোণ (২০১১)
- মোৰ সপোনৰ ডিব্ৰুগড় (২০১১)
- মৰু ৰাজ্যৰ পৰা লেণ্ড অৱ ফাইভ ৰিভাৰলৈ (২০১১)
- সাংবাদিক অসাংবাদিক (২০১৭)
- নেপথ্য ভাষণ- প্ৰথম, দ্বিতীয় খণ্ড (২০১৭, ২০১৮)
- An Experience of the Principal of DHSK College (2017)
- সুখ আৰু সৌন্দৰ্য (২০১৮)
- বিপ্তাছ অসমীয়া (২০১৯)
- জীৱন বাঁহীৰ সুৰ- প্ৰথম, দ্বিতয়, তৃতীয়, চতুৰ্থ খণ্ড (২০১৯, ২০২০, ২০২১, ২০২২)
- মোৰ জীৱন, মোৰ সপোন, মোৰ কথা (আত্মজীৱনী প্ৰথম খণ্ড) (২০২০)
- লকডাউন তোমাৰ নাম (কাব্যগ্ৰন্থ) (২০২০)
- ডি.এইচ.এছ. কানৈ মহাবিদ্যালয় (জুন, ২০১৫ - জুলাই, ২০২২)
- মোৰ কিয় খং উঠে (২০২১)
- কেনেকৈ নিঃশেষ হয় এটা জাতি (২০২১)
- দানবীৰ হনুমানবক্স কানৈ (২০২১)
- ভৱিষ্যতৰ যুৱ সমাজ (২০২২)



আপুনি পঢ়িলেনে?

যোগাযোগ কৰক ঃ ৯৩৬৫৫০৯৬৩৪ যদি পঢ়া নাই, তেন্তে আজিয়েই সংগ্ৰহ কৰক।



ভূগোল বিভাগ



হিন্দী বিভাগ



দৰ্শন শাস্ত্ৰ বিভাগ



বুৰঞ্জী বিভাগ



গণিত বিভাগ



পদাৰ্থ বিজ্ঞান বিভাগ



সমাজতত্ত্ব বিভাগ



ৰাজনীতি বিজ্ঞান বিভাগ



জীৱ বিজ্ঞান বিভাগ



পৰিসংখ্যা বিজ্ঞান বিভাগ



সংস্কৃত বিভাগ



গ্ৰন্থাগাৰিকৰ সৈতে কৰ্মচাৰীবৃন্দ



অধ্যক্ষ আৰু উপাধ্যক্ষ মহোদয়ৰ সৈতে কৰ্মচাৰীবৃন্দ

## ২০২১-২২ বৰ্ষৰ ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকল



চৈয়দ ৰোহিত ৰহমান
সভাপতি



বিমান সোনোৱাল
উপ-সভাপতি



কাব্যজ্যোতি সোনোৱাল
সাধাৰণ সম্পাদক



পাৰ্থপ্ৰতিম গোহাঁই
সহঃ সাধাৰণ সম্পাদক



নিপু বৰুৱা
আলোচনী আৰু সাহিত্য সম্পাদক



প্ৰিয়াংগনা মিলি
সাংস্কৃতিক সম্পাদিকা



আয়ুস চাহানি
সমাজ সেৱা সম্পাদক



মাধুৰ্য চেতিয়া
তৰ্ক সম্পাদক



লক্ষ্যজিৎ দাস
সংগীত সম্পাদক



দেৱব্ৰত গগৈ
লঘু ক্ৰীড়া সম্পাদক



দিমন মুদৈ
শৰীৰ-চৰ্চা সম্পাদক



কৃষ্ণা দেউৰী
ছাত্ৰী জিৰণি কোঠা সম্পাদিকা



শুভৰাজ দাস সোনোৱাল
ছাত্ৰ জিৰণি কোঠা সম্পাদক



চয়নিকা বৰপাত্ৰ গোহাঁই
শ্ৰেণী প্ৰতিনিধি



সৌন্দৰ্য কাশ্যপ
শ্ৰেণী প্ৰতিনিধি



বিশ্বজিৎ শইকীয়া
শ্ৰেণী প্ৰতিনিধি



কেলভিনা লালুং
ছাত্ৰ প্ৰতিনিধি



চাহিল খান
শ্ৰেণী প্ৰতিনিধি



মাধুৰ্য গগৈ
তথ্য-প্ৰযুক্তি সম্পাদক



বিদিশা মলিয়া
পৰিৱেশ্য কলা সম্পাদিকা



গীতাৰ্থ শইকীয়া
শ্ৰেণী প্ৰতিনিধি



জোন পৰজা
শ্ৰেণী প্ৰতিনিধি

# ছাত্ৰ একতা সভাৰ বিভিন্ন কাৰ্য-কলাপ























শিক্ষামন্ত্ৰী ডাঙৰীয়াক স্মাৰক পত্ৰ প্ৰদান কৰাৰ মুহূৰ্তত




মুখ্যমন্ত্ৰী ডাঙৰীয়াক সম্বৰ্ধনা জ্ঞাপন কৰাৰ মুহূৰ্তত



ডিব্ৰুগড় জিলা উপায়ুক্ত মহোদয়ক সাক্ষাৎ কৰাৰ মুহূৰ্তত



প্ৰাক্তন ছাত্ৰ তথা প্ৰাক্তন মুখমন্ত্ৰী ডাঙৰীয়াৰ সৈতে ছাত্ৰ একতা সভাৰ সদস্য



সোনোৱাল স্বায়ত্তশাসিত পৰিষদৰ কাৰ্যালয়ত স্মাৰক পত্ৰ প্ৰদান



অসমীয়া চলচ্চিত্ৰ প্ৰচাৰৰ মুহূৰ্ত



২০২১-২২ বৰ্ষৰ ছাত্ৰ একতা সভাৰ শপত গ্ৰহণৰ মুহূৰ্ত




ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱৰ শোভাযাত্ৰাত মহাবিদ্যালয়ৰ দলটি

# মহাবিদ্যালয়ৰ বিভাগসমূহৰ দ্বাৰা প্ৰকাশিত প্ৰাচীৰ পত্ৰিকাসমূহৰ একাংশ

































ৰাজনীতি বিজ্ঞান বিভাগ শ্ৰেষ্ঠ বিভাগ



চিৰঞ্জীৱ সন্দিকৈ, শ্ৰেষ্ঠ সাহিত্যিক



সজাগ ভোটাৰ ফুটবল প্ৰতিযোগিতাৰ বিজয়ী দল



বেদান্ত চাংমাই, আন্তঃৰাষ্ট্ৰীয় কেৰাটে খেলুৱৈ



আব্দুল ৰাজাক, আন্তঃৰাষ্ট্ৰীয় পাঞ্জা খেলুৱৈ



২০২১-২২ বৰ্ষৰ ক্ৰীড়া যুৱ মহোৎসৱত
স্থান প্ৰাপ্তৰ একাংশ




২০২১-২২ বৰ্ষৰ ক্ৰীড়া যুৱ মহোৎসৱত
স্থান প্ৰাপ্তৰ একাংশ



শ্ৰেষ্ঠ অভিনেতা-অভিনেত্ৰী
মৃদুল মহন্ত আৰু মিক্সিবিচি সেনাপতি



শ্ৰেষ্ঠ গায়িকা– লিজা সোনোৱাল



শ্ৰেষ্ঠ নাটকৰ দল

All India Radio Dibrugarh



নিপু বৰুৱা, বহুকেইটা ৰাষ্ট্ৰীয়, আন্তঃৰাষ্ট্ৰীয় বঁটা প্ৰাপক

Rimjim Gohain 3rd Sem Student of Geography Dept. DHSK College selected by South Asian Federation of all sports for 1st mount everest International games2021 which will be held 10-12 Sept 2021 at Kathmandu.









নেহৰু যুৱ কেন্দ্ৰৰ অনুষ্ঠানত বঁটাপ্ৰাপকসকল



চিৰঞ্জীৱ সন্দিকৈ, ডিব্ৰুগড় বিশ্ববিদ্যালত
যুৱ মহোৎসৱৰ একাধিক স্থানপ্ৰাপক



ৰাজনীতি বিজ্ঞান বিভাগ শ্ৰেষ্ঠ কুচকাৱাছৰ দল



ৰুহু ফুকন শ্ৰেষ্ঠ ক্ৰীড়াবিদ



ওমৰ খান, উত্তৰ পূৰ্বাঞ্চলক প্ৰতিনিধিত্ব কৰি গণতন্ত্ৰ দিৱসত নতুন দিল্লীৰ পেৰেডত অংশ গ্ৰহণ



আলোক কুমাৰ শৰ্মা, Director General NCC Commendation সন্মান প্ৰাপক



প্ৰিসি কলিতা, AIR NXT প্ৰতিযোগিতাত স্থানপ্ৰাপক



ছাত্ৰাবাসৰ প্ৰথমটো বিহু আৰু গায়ন-বায়নৰ দল



আন্তঃৰাষ্ট্ৰীয় দবা খেল



ছাত্ৰীনিৱাসৰ আৱাসীসকলৰ একাংশ



স্বাধীনতা অমৃত মহোৎসৱ



মহাবিদ্যালয়ত অনুষ্ঠিত যুৱমহোৎসৱ (ক্ৰীড়া)ৰ দৃশ্য



ছাত্ৰাবাসৰ আৱাসীসকলৰ একাংশ



ছাত্ৰাৱাসৰ উদ্যোগত নাম-প্ৰসংগ



ছাত্ৰাৱাস আৰু ছাত্ৰী নিৱাসৰ উদ্যোগত লক্ষ্মী পূজা পালন




মহাবিদ্যালয়ৰ দৈনিক যোগাভ্যাস



নৱাগত আদৰণী সভা



ছাত্ৰাৱাসত সৰস্বতী পূজা



ছাত্ৰাৱাসত পৰীক্ষা অনুষ্ঠিত




ছাত্ৰাৱাসত নৱ নিৰ্মিত ৰান্ধনীশাল উদ্বোধন




গণতন্ত্ৰ দিৱসত গৃহহীন লোকক খাদ্য-বস্ত্ৰ বিতৰণ



ডিব্ৰুগড় নাগৰিক মঞ্চৰ তৰফৰ পৰা 'শ্ৰেষ্ঠ পৰিষ্কাৰ মহাবিদ্যালয়' সন্মান লাভ



মহাবিদ্যালয়ত ভাওনা
আখৰাৰ প্ৰাক্ মুহূৰ্তত












সৌন্দৰ্য প্ৰতিযোগিতাৰ স্থানপ্ৰাপকসকল



মহাবিদ্যালয়ত ভাওনাৰ দৃশ্য

## কানৈয়ানৰ লেন্সত...










DHSK COLLEGE
THE BEAUTY ONLY
TOUCH THE FLOWER















Deepshikha



DEEPSHIKHA











D.H.S.KANOI COLLEGE



# মহাবিদ্যালয়ৰ দ্বাৰা অনুষ্ঠিত আলোচনাচক্ৰৰ কিছু দৃশ্যাংশ







Webinar on 28.11.2021




Webinar on 19.12.2021

# এমুঠি নষ্টালজিয়া আৰু অতীত



'যোগ বুলেটিন' অধ্যয়নৰত অৱস্থাত মুখ্যমন্ত্ৰী ডাঙৰীয়া




অধ্যক্ষ মহোদয়ক তদানীন্তন মুখ্যমন্ত্ৰ ডাঙৰীয়াই "কৰ্মসূৰ্য" বঁটা প্ৰদানৰ মুহূৰ্ত



মহাবিদ্যালয়ত হাঁহ আৰু মৎস্য পালন উদ্বোধন



নেহেৰু যুৱ কেন্দ্ৰ তৰফৰ পৰা সন্মান লাভ



মিনি লাইব্ৰেৰী উদ্বোধন



নৱনিৰ্মিত শিক্ষক জিৰণি কোঠা উদ্বোধন



মহাবিদ্যালয়ত যোগ কৰ্মশালা




আমাৰ উক্তি ঃ কৰ্মই পৰম ধৰ্ম
মহাৰজত জয়ন্তী ঃ সামৰণী অনুষ্ঠান
ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়


সাংস্কৃতিক শোভ
মহাৰজত জয়ন্তী ঃ সাম
ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ
দিনাংক ঃ ১৫ অক্টোবৰ, ২০২





মহাৰজত জয়ন্তী ঃ সামৰণী অনুষ্ঠান
ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়
ডিব্ৰুগড়, অসম
সাংস্কৃতিক অনুষ্ঠান


75th NCC DAY CELEBRATIO
Organized By:






Nibu Boruah




DIBRUGARH HANUMANBUX SURAJMAL KANOI COLLEGE




ডিব্ৰুগড় হ. সু. কানৈ মহাবিদ্যালয়
DHSK COLLEGE
ESTD. 1945
NOTICE
USE OF TOBACCO, GUTKHA
Etc STRICTLY PROHIBITED
ANY STUDENT FOUND IN
POSSESSION OF SUCH
THINGS WILL BE IMPOSED
WITH A FINE OF Rs. 500/-
BY ORDER
কানৈ মহাবিদ্যালয়খনৰ
প্ৰতি আমি দায়বদ্ধ।
নিজৰ ঘৰখনৰ দৰে
মহাবিদ্যালয়খনো চাফ
চিকুনকৈ ৰখাতো আ-
মাৰ কৰ্তব্য।